228



1

राष्ट्रीय मुक्त विद्यालयी शिक्षा संस्थान

# অসমীয়া
# মাধ্যমিক পাঠ চয়ন
# ১

# असमी माध्यमिक पाठ्यक्रम
# 1

राष्ट्रीय मुक्त विद्यालयी शिक्षा संस्थान

Printed on 70 GSM NIOS Water Mark Paper.

**© National Institute of Open Schooling**

Reprint :August, 2017 (2,000 copies)

Published by the Secretary, National Institute of Open Schooling, A-24/25, Institutional Area, Sector-62, NOIDA-201309 and Printed at M/s Gopsons Papers Limited A-2&3, Sector-64, NOIDA, Uttar Pradesh.

*পাঠ্যক্ৰম সমিতি*

ড° ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা

ৰিডাৰ, চেণ্ট্ৰেল ইনষ্টিটিউট অৱ ইণ্ডিয়ান লেংগুৱেজচ, মহীশুৰ

ড° পৰীক্ষিত হাজৰিকা

অধ্যাপক (অৱসৰপ্ৰাপ্ত), অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

ড° বাণী কান্ত শৰ্মা

অধ্যাপক (অৱসৰপ্ৰাপ্ত) আধুনীক ভাৰতীয় ভাষা, গুৱাহাটী বিশ্ববিদ্যালয়

শ্ৰীবশিষ্ঠ দেৱ ফুকন

শৈক্ষিক বিষয়া (অৱসৰপ্ৰাপ্ত) অসম মাধ্যমিক শিক্ষা পৰিষদ, গুৱাহাটী

ড° অৰুণ চন্দ্ৰ ভূএল, আঞ্চলিক সঞ্চালক

ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয়, গুৱাহাটী

শ্ৰীদম্বেশ্বৰ নাথ, কাৰ্যবাহী বিষয়া

ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয়, গুৱাহাটী

ড° যামিনী দেৱী, শৈক্ষিক বিষয়া

অসম মাধ্যমিক শিক্ষা পৰিষদ, গুৱাহাটী

ড° ভৃগু মোহন গোস্বামী

অধ্যাপক, উত্তৰ গুৱাহাটী কলেজ

ড° নাৰায়ণ দাস

অধ্যাক্ষ, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, মির্জা

সুৰেন্দ্ৰ মোহন ঠাকুৰীয়া

অধ্যক্ষ, কলেজ অৱ এডুকেচন্, গুৱাহাটী

গোপী কান্ত তালুকদাৰ

সহকাৰী প্ৰধান শিক্ষক (অৱসৰপ্ৰাপ্ত), ৰাজগড় ছোৱালী হাইস্কুল, গুৱাহাটী

ৰাণী দেৱান বৰুৱা

শিক্ষয়ত্ৰী, ভাস্কৰ বিদ্যাপীঠ, গুৱাহাটী

তাৰিণী কান্ত গোস্বামী

প্ৰবক্তা, নৰ্থ ইষ্টাণ ৰিজিনেল লেংগুৱেজ চেণ্টাৰ, গুৱাহাটী

*পাঠ সম্পাদনা*

ড° ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা

*পাঠসজ্জা*

ড° নাৰায়ণ দাস

ড° ভৃগু মোহন গোস্বামী

ড° যামিনী দেৱী

গোপী কান্ত তালুকদাৰ

সুৰেন্দ্ৰ মোহন ঠাকুৰীয়া

তাৰিণী কান্ত গোস্বামী

ৰাণী দেৱান বৰুৱা

# কৃতজ্ঞতা জ্ঞাপন

ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয়ৰ কতৃপক্ষই এই খণ্ড অসমীয়া পাঠ্য পুথিত নিম্নলিখিত ৰচনা সমূহ প্ৰকাশৰ বাবে অনুমতি দিয়াৰ বাবে স্বনামধন্য লেখক-লেখিকাসকল আৰু সংশ্লিষ্ট প্ৰকাশক গোষ্ঠীৰ ওচৰত আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছে।

| *ৰচনা* | *লেখক / লেখিকাৰ নাম* |
|---|---|
| জনমভূমি | নলিনীবালা দেৱী |
| ঘুনুচা | শৰৎ চন্দ্ৰ গোস্বামী |
| নিউইয়ৰ্ক | হেম বৰুৱা |
| সময় | নীলমণি ফুকন |
| জীৱন জেউতি | যতীন্দ্ৰনাথ দুৱৰা |
| বতৰটো ফৰকাল | চৈয়দ আব্দুল মালিক |
| কেতেকী | যতীন্দ্ৰনাথ দুৱৰা |

# শিকাৰুসকলৰ প্ৰতি উপদেশ

ভূমিকা :

ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয়ৰ অসমীয়া মাধ্যমিক পাঠচয়ন দুটা খণ্ডত বিভক্ত। ইয়াত তুমি সহজে বুজি পোৱা আৰু সাহিত্য পাঠৰ আনন্দ লাভ কৰিব পৰা ধৰণৰ বিষয়বস্তু সন্নিবিষ্ট কৰা হৈছে। ইয়াত আছে জনপ্ৰিয় কবিতা, কথা কবিতা, চুটিগল্প, ভ্ৰমণ কাহিনী, ব্যক্তিগত চিঠি আৰু কাৰ্যালয়ত বিষয়া সকলে ফাইলত লিখা টোকাৰ চানেকি। একে বহাতে দীঘলীয়া লেখা একোটা পঢ়িবলৈ তোমাৰ সময় নহবও পাৰে অথবা দীঘলীয়া লেখাৰ বিষয়বস্তু তুমি একেবাৰতে পঢ়ি মনত ৰাখিব নোৱাৰিবও পাৰা। সেয়ে প্ৰতিটো লেখাকে কম পক্ষেও দুটা ভাগত ভগাই এই পাঠমালাত সন্নিবিষ্ট কৰা হৈছে। প্ৰতিটো পাঠৰ আৰম্ভনিতে প্ৰসিদ্ধ লেখকসকলৰ পৰিচয় দিয়া হৈছে আৰু পাঠাংশৰ শেষত কথাখিনি পুনৰ চমুকৈ আলোচনা কৰা হৈছে। এই আলোচনাখিনি শ্ৰেণীত শিক্ষকে ছাত্ৰ-ছাত্ৰীক বুজাই কোৱা কথাখিনিৰ নিচিনাই । ইয়াৰ পিছত এই পাঠাংশৰ ওপৰত কিছু প্ৰশ্ন দিয়া হৈছে। প্ৰশ্নবোৰ প্ৰথমে মুখে মুখে উত্তৰ কৰিবা, তাৰ পাছত লিখি উলিয়াবা। একে ধৰণে দ্বিতীয় খণ্ড পঢ়ি তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ কৰি যাবা। তাৰ পাছত আকৌ নানা ধৰণৰ প্ৰশ্ন দিয়া হৈছে। কিছুমান প্ৰশ্ন বস্তুনিষ্ঠ, বাকী বেছিভাগেই মনোধৰ্মী। বস্তুনিষ্ঠ প্ৰশ্নৰ ভিতৰত শব্দ সম্ভাৰ, ব্যাকৰণ, বাক্য গঠন, যতি চিন আদি সম্পৰ্কীয় প্ৰশ্ন আছে। সেইবোৰ উত্তৰ কৰিলে তুমি যথেষ্ঠ আমোদ পাবা। মনোধৰ্মী প্ৰশ্নবোৰ বেছিভাগেই পাঠৰ বিষয়বস্তু সম্পৰ্কীয় আৰু বৰ্ণনাত্মক, কিছুমান মাত্ৰ চিন্তা বা অনুমান কৰি লিখিবলগীয়া। এইবোৰ উত্তৰ কৰিলে তোমাৰ জ্ঞান বাঢ়িব আৰু বুদ্ধিৰ তীক্ষ্ণতা বাঢ়িব। শেষৰ ফালে তুমি পঢ়িব পৰা অতিৰিক্ত দুই এখন কিতাপৰ নাম দিয়া আছে। উত্তৰ সংকেতত চমু প্ৰশ্নবোৰৰ উত্তৰ দি থোৱা হৈছে। নিজৰ উত্তৰ সেইবোৰৰ লগত মিলাই তুমি নিজৰ ভুল শুদ্ধৰ বিচাৰ কৰিব পাৰিবা।

<u>সাহিত্যৰ প্ৰকাৰভেদ আৰু তাৰ লগত পৰিচিতি</u> :

প্ৰত্যেক ভাষাতে সাহিত্যৰ নানা প্ৰকাৰভেদ আছে; যেনে - কবিতা, কথা কবিতা, গল্প, ভ্ৰমণ কাহিনী, বুৰঞ্জীমূলক ৰচনা চিঠি আদি। এই খণ্ডত সন্নিবিষ্ট পাঠসমূহৰ জৰিয়তে কবিতা, কথা কবিতা, জীৱন সাহিত্য, ব্যংগসাহিত্য, গল্প, ভ্ৰমণ কাহিনী, ৰম্য ৰচনা, পত্ৰ সাহিত্য আৰু চৰকাৰী কাৰ্যালয়ৰ টোকাৰ নিচিনা ব্যৱহাৰিক সাহিত্যৰ লগত পৰিচয় কৰি দিয়া হৈছে।

<u>ভাষা</u> :

সাহিত্যৰ প্ৰকাৰভেদে ভাষাও বেলেগ বেলেগ ধৰণৰ হয়। কবিতাৰ ভাষা গল্পতকৈ বেলেগ, গল্পৰ ভাষা নাটকতকৈ বেলেগ ইত্যাদি। তুমি কবিতাৰ ভাষা কেনে ছন্দোবদ্ধ আৰু লয়যুক্ত হয়, গল্পৰ ভাষা কেনে নিমজ আৰু সাবলীল হয়, ভ্ৰমণ কাহিনী কেনে বৰ্ণনাত্মক হয়, চিঠি কেনে আবেগিক আৰু খবৰ প্ৰধান হয়, ফাইলৰ টোকা কেনেকুৱা কোনো এক বিশেষ বিষয় প্ৰধান হয় তাৰ চানেকি দেখিবলৈ পাবা। এই পাঠসমূহত তুমি যথেষ্ট জতুৱা শব্দ আৰু খণ্ডবাক্যৰ প্ৰয়োগ দেখিবলৈ পাবা; মাজে মাজে প্ৰবচন আৰু পটন্তৰৰো ব্যৱহাৰ দেখিবলৈ পাবা। তুমি সেইবোৰৰ প্ৰয়োগ মন কৰিবা আৰু তোমাৰ কথাত অথবা লেখাত সেইবোৰৰ প্ৰয়োগ কৰিবৰ যত্ন কৰিবা।

এই পাঠবোৰ পঢ়ি তুমি বহুতো নজনা কথা জানিবলৈ পাবা। সেইবোৰ কথা তুমি লগৰ সমনীয়াৰ লগত আলোচনা কৰিবা। ঘৰৰ অন্য মানুহৰ লগতো তোমাৰ ভাললগা কথাবোৰ আলোচনা কৰিব পাৰিবা। সেয়ে তোমাৰ কথন বিদ্যা শক্তিশালী কৰি তুলিব। কবিতাকেইটা তুমি আবৃত্তি কৰিবলৈ শিকিবা

**পঠন :**

প্ৰতিটো পাঠেই তুমি কম পক্ষেও দুবাৰকৈ পঢ়িবা। পঢ়োতে যতি চিন অনুসৰণ কৰিবা। গতিকে ৰেডিঅ'ৰ বাতৰি পঢ়াৰ সমান কৰিবলৈ যত্ন কৰিবা। পাঠৰ প্ৰতিটো অংশ ভালকৈ পঢ়িলে তলত দিয়া প্ৰশ্নবোৰ পঢ়ি প্ৰশ্নবোৰৰ উত্তৰ কৰিবলৈ যত্ন কৰিবা। অংশ ভিত্তিক প্ৰশ্নবোৰৰ উত্তৰ কৰা শেষ হলে, পাঠটো আকৌ এবাৰ পঢ়িবা, সাৰাংশটোও পঢ়ি লবা। পিছত শেষৰ ফালে দিয়া বিভিন্ন ধৰণৰ প্ৰশ্নবোৰৰ উত্তৰ কৰিবা। মনত ৰাখিবা শুদ্ধ উত্তৰ কৰিব পৰাটো ভালকৈ পঢ়িব পৰাৰ ওপৰত নিৰ্ভৰ কৰে। ভাল লগা অংশবিলাক বাৰে বাৰে পঢ়িবা। তোমাৰ ইচ্ছা অনুসৰি সৰব বা নীৰব যিকোনো ধৰণৰ পঠন অভ্যাস কৰিবা।

**লিখন :**

পাঠত দিয়া প্ৰশ্নবোৰৰ উত্তৰ একাদিক্ৰমে আৰু নিয়মিত লিখি গলে তোমাৰ লিখন অভ্যাস পুৰঠ হব। উত্তৰবোৰ লিখোঁতে পাঠৰ পৰা হুবহু নকল কৰি নাযাবা অথবা মনত ৰাখি মুখস্থ লিখি নাযাবা। পাঠৰ কথাবোৰ বুজি লৈ নিজৰ শব্দব্যৱহাৰ কৰি নিজৰ ভাষাৰে লিখিবা। সম্ভৱ ঠাই পাঠত থকা শব্দৰ সলনি তাৰ প্ৰতিশব্দ ব্যৱহাৰ কৰিবা। এটা পাঠত পোৱা জতুৱা শব্দবোৰ অন্য পাঠৰ প্ৰশ্নোত্তৰ লিখোঁতে ব্যৱহাৰ কৰিবলৈ যত্ন কৰিবা। তোমাৰ আইতাৰা বা ককাদেউতাৰ মুখত শুনা খণ্ডবাক্য বা পটন্তৰ তুমি ব্যৱহাৰ কৰিবৰ চেষ্টা কৰিবা।

**বোধজ্ঞান :**

পাঠৰ কথাবোৰ মনত ৰাখি সেইবিষয়ে তুমি আনৰ আগত কব পাৰিলে বা তাৰ ওপৰত প্ৰশ্নত্তোৰ লিখিত ভাবে কৰিব পাৰিলে পাঠবোৰ বোধগম্য হোৱা বুলি বুজিব পৰা যাব।

**মানবীয় মূল্যবোধ আহৰণ :**

জনমভূমিৰ কবিৰ দৰে যদি তুমি দেশক ভাল পাবলৈ শিকা, কেতেকীজনীৰ দৰে যদি আনৰ সুখ দুখ বুজা, হেম বৰুৱাৰ দৰে যদি দেশ ভ্ৰমণৰ জ্ঞান দহজনক বিলাই দিব পাৰা, চিঠি লিখোঁতে ভাব অনুভূতি বিনিময় কৰাৰ লগতে জ্ঞান বুদ্ধিৰ বিনিময় কৰিব পাৰা আৰু পৌৰ নিগমৰ কেৰাণীজনৰ দুটা সামান্য ভুলৰ কাৰণে ৰাইজ কিমান হাৰাশাস্তি হ'ল সেই কথা যদি বুজিব পাৰা, জানিবা তুমি পূৰ্ণ মানুহ হোৱাৰ পথত বহুত আগুৱাই গৈছা। 'জীৱন জেউতি' পঢ়ি যদি তুমি জীৱনৰ মহানতাৰ বিষয়ে জানিব পাৰা, বৰদলৈৰ জীৱনী পঢ়ি যদি তেওঁৰ মহৎ গুণাৱলীৰ অনুকৰণ কৰিব পাৰা. স্বাধীনতা সংগ্ৰামীসকলৰ দৰে যদি দেশসেৱাৰ প্ৰেৰণা লাভ কৰিব পাৰা, আমাৰ চাৰিওফালৰ পৰিবেশ নিৰ্মল কৰি ৰখাৰ কাৰণে তুমি সামান্য হলেও বৰঙণি যোগাব পৰা হৈছা। পাঠবোৰ পঢ়া শেষ কৰি তুমি এবাৰ ভাবি চাবা যে তুমি কি কি শিকিলা। দেখিবা, তোমাৰ ব্যৱহাৰিক জ্ঞান ভালেখিনি বৃদ্ধি হৈছে।

**এচাইনমেন্ট :**

এই পাঠ্যক্ৰমত 'এচাইনমেণ্ট' এটা গুৰুত্বপূৰ্ণ অংশ। তুমি এচাইনমেণ্টবোৰ সময়মতে কৰি ঘূৰাই পঠিয়াবা। 'এচাইনমেণ্ট'বোৰ কৰিবৰ যত্ন কৰিবলৈ তোমাৰ নুবুজা কথাবোৰ বুজাত সহায় হব। এচাইনমেণ্টবোৰ পেলাই নাৰাখিবা। তুমি হয়তো দুই এটা কথা নাজানিব পাৰা; সেইবুলি তুমি হতাশ নহবা। তোমাৰ ঘাটিখিনি হয়তো পিছৰ পাঠটো পঢ়িলে পূৰণ হব।

<u>শেষ কথা</u> :

তুমি জানা মুক্ত বিদ্যালয়ৰ পাঠ্যক্ৰমত শিক্ষক নাই। এই পাঠমালাই পাঠ্য, এই পাঠমালাই শিক্ষক। পাঠমালা আৰু তুমি এই দুটাই এই শিক্ষা ব্যবস্থাৰ মূল। গতিকে তুমি নিজৰ ওপৰত ভৰসা ৰাখিবা; একাগ্ৰতা আৰু নিষ্ঠা সহকাৰে পাঠবোৰ পঢ়িবা। দেখিবা, তোমাৰ জ্ঞান অন্যান্য বিদ্যালয়ত পঢ়া ছাত্ৰছাত্ৰীতকৈ কোনোগুণে কম নহয়।

# ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয় অসমীয়া ভাষাৰ পাঠ্যক্ৰমণিকা
## স্তৰ ঃ মাধ্যমিক

### 1.0 যথাৰ্থতা

পঢ়াশলীয়া পাঠ্য ক্ৰমণিকাত ভাষাৰ স্থান অতিশয় গুৰুত্বপূৰ্ণ। ভাষা নিজেই এটা শিক্ষণীয় বিষয় হোৱাৰ উপৰি ই অন্যান্য বিষয় শিক্ষাৰো মাধ্যম। ভাষাৰ ওপৰত পূৰ্ণ দক্ষতা অৰ্জন কৰিব পাৰিলে শিক্ষাৰ্থী ভাষা শিক্ষা আৰু অন্যান্য বিষয় শিক্ষাত কৃতকাৰ্য হ'ব পাৰে।

ভাষাৰ সাধাৰণতে দুটা ৰূপ - মৌলিক আৰু লিখিত। এই ভেদক বহুতে 'ঘৰত কোৱা ভাষা' আৰু 'বিদ্যালয় ভাষা' বুলিও উল্লেখ কৰে। আমি ভাষা যেনেকৈ কওঁ অবিকল তেনেকৈ নিলিখোঁ। ভাষাভেদে এই ভেদৰ মাত্ৰাৰ তাৰতম্য থাকে। বহুতো বিদ্যাৰ্থীয়ে 'ঘৰত কোৱা ভাষা' সলসলীয়াকৈ ক'ব পাৰিলেও 'বিদ্যালয়ৰ ভাষা' বা লিখিত ভাষা' শুদ্ধকৈ আৰু পৰিপাটিকৈ অংশ গ্ৰহণ কৰিব পাৰিলেও মঞ্চলৈ আহি জনা বিষয়ৰ ওপৰতো দু-আষাৰ ক'ব নোৱাৰে অথবা নিজৰ মনৰ কথা যুক্তি সহকাৰে আনক প্ৰত্যয় নিয়াব পৰাকৈ প্ৰকাশ কৰিব নোৱাৰে। এনে কিছুমান শিকাৰুও থাকে, যিসকলৰ কথা স্পষ্ট নহয়, ভাষাত আড়ষ্টতা অসমীয়া ভাষা শিকাৰ প্ৰংসংগতো এইবোৰ কথা সমানে প্ৰযোজ্য।

সাধাৰণ পঢ়াশলীয়া পাঠ্য-ক্ৰমণিকাত উপযুক্ত বিষয়সমূহৰ ওপৰত বিশেষ মনযোগ দিয়া নহয়। মাতৃ ভাষা হিচাপে অসমীয়া শিকোৱা প্ৰচলিত পাঠ্য-ক্ৰমণিকাত ভাষাৰ চাৰিটা মৌলিক কৌশল, যেনে - শ্ৰৱণ, কথন, পঠন আৰু লিখনৰ ওপৰত সমানে গুৰুত্ব প্ৰদানত কোনো নিৰ্দেশনা নাই। জাতীয় মুকলি বিদ্যালয়ৰ অসমীয়া ভাষা শিক্ষা পাঠ্য-ক্ৰমণিকাই এই সকলো আসোঁৱাহ দূৰ কৰি শিক্ষাৰ্থীক সুবক্তা, সুশ্ৰোতা, সুলেখক আৰু সুপাঠক কৰি গঢ়ি তুলিব খোজে যাতে তেওঁলোকে অনায়াসে সাধাৰণ পাঠ্য ক্ৰমণিকাৰ ছাত্ৰ-ছাত্ৰীৰ তুলনাত বেছি দক্ষতা অৰ্জন কৰিব পাৰে। তদুপৰি ছাত্ৰ-ছাত্ৰীৰ বিশ্লেষণ ক্ষমতা, যুক্তি প্ৰদৰ্শন আৰু সাহিত্য-সংবেদনশীলতা বিকশিত কৰাৰ প্ৰতিও এই পাঠ্য-ক্ৰমণিকাই বিশেষ গুৰুত্ব আৰোপ কৰিছে। এই পৰিপ্ৰেক্ষিতত জাতিয় মুকলি বিদ্যালয়ৰ পাঠ্য-ক্ৰমণিকাত অসমীয়া ভাষাৰ অন্তৰ্ভুক্তিয়ে এক বিশেষ সম্ভাৱনাৰ বতৰা কঢ়িয়াই আনিছে।

### 2.0 প্ৰবেশ-স্তৰত শিক্ষাৰ্থীৰ থাকিব পৰা অৰ্হতা ঃ

এই পাঠ্য-ক্ৰমণিকাত গ্ৰহণ কৰাৰ আগতে নিম্নোক্ত অৰ্হতাসমূহ থাকিব বুলি আশা কৰা যায়। তেওঁলোকে

**2.1** সাধাৰণভাৱে অসমীয়া ভাষাত কোৱা কথা শুনিলে বুজি পায়,

**2.2** নিজৰ মনৰ ভাব, দেখা ঘটনাৰে বা শুনা কাহিনীৰ বিবৰণ কথাৰে প্ৰকাশ কৰিব পাৰে.

**2.3** জটিলতাবিহীন গদ্য আৰু লাহে লাহে পঢ়িব পাৰে,

**2.4** শুনা কথা বা দেখা ঘটনাৰ টোকা লিখিব পাৰে, দৈনন্দিন জীৱনৰ হিচাপ-নিকাচ অথবা ঘৰুৱা চিঠিপত্ৰ আদি লিখিব পাৰে,

**2.5** প্ৰায় তিনি হেজাৰ মৌলিক শব্দ ভালদৰে বুজি পায় আৰু তাৰ ভিতৰত দুহেজাৰতকৈ অধিক ঘৰুৱা শব্দ সক্ৰিয় অৰ্থাৎ সেইবোৰ তেওঁলোকে কওঁতে বা লিখোতে ব্যৱহাৰ কৰিব পাৰে।

## 3.0 উদ্দেশ্যাৱলী :

এই পাঠ্য-ক্ৰমণিকা শেষ কৰাৰ পিছত শিক্ষাৰ্থীৰ শ্ৰৱণ, কথন, পঠন আৰু লিখন বিদ্যাত ব্যৱহাৰগত বা আচৰণগত পৰিবৰ্তন দেখা দিব। তেওঁলোকে

3.1 দৈনন্দিন জীৱনৰ কথা বতৰাৰ উপৰি মান্য অসমীয়া ভাষাত দিয়া মঞ্চৰ বক্তৃতা, অনাতাঁৰ, দূৰদৰ্শনৰ বাতৰি, খেল আদিৰ চলন্ত বিবৰণি অথবা কোনো সাহিত্য বা সংস্কৃতি বিষয়ক আলোচনা শুনিলে তাৰ অৰ্থ সুন্দৰভাবে বুজি পাব (শ্ৰৱণ);

3.2 দৈনন্দিন জীৱনৰ কথা-বতৰাত অংশ গ্ৰহণ কৰাৰ উপৰি সাধাৰণ বিষয়ত দহজনৰ আগত থিয় দি স্পষ্ট ভাষাত বক্তৃতা দিব অথবা বিবাদমান বিষয়ত যুক্তি দৰ্শাব পাৰিব, দেখা বা শুনা ঘটনাৰ বিবৰণ খণ্ডবাক্য, পটন্তৰ ব্যৱহাৰ কৰি সাবলীলভাবে দিব পাৰিব আৰু কবিতা আবৃত্তি কৰিব পাৰিব (কথন);

3.3 বাতৰি কাকত আৰু দূৰদৰ্শনৰ পৰ্দাত লিখা কথাৰ উপৰি পুৰণি আৰু আধুনিক লিখিত সাহিত্য পঢ়ি নিজে বুজিব আৰু আনক বুজাব পাৰিব, বিজ্ঞান, সমাজবিদ্যা, গণিত, প্ৰাণীবিদ্যা আদি ব্যৱহাৰিক বিষয়ৰ পাঠ্যপুথি সলসলীয়াকৈ পঢ়িব পাৰিব আৰু হাতে লিখা চিঠি, দলিল, বেচাকিনা ৰচিদ, বিভিন্ন ধৰণৰ বিল খৰচৰ হিচাপ আদি ভালকৈ পঢ়িব পাৰিব (পঠন); আৰু

3.4 ব্যৱহাৰিক জীৱনৰ চিঠিপত্ৰ, হিচাপ নিকাচ আদিৰ উপৰি নানা ধৰণৰ আবেদন পত্ৰ, জাননী/গোহাৰি, স্মাৰক/মানপত্ৰ আৰু বাতৰি কাকতৰ কাৰণে সংক্ষেপে বাতৰি লিখিব পাৰিব আৰু সুললিত আৰু মনোজ্ঞ ভাষাত জতুৱা ঠাঁচ সহ ৰচনা, সাহিত্যৰ সমালোচনা আদি লিখাৰ লগতে দীঘল কথাক চমুকৈ আৰু জটিল, তত্বগধুৰ বিষয়ক বহলাই ব্যাখ্যা কৰিব পাৰিব (লিখন)।

এইবিলাকৰ উপৰি শিক্ষাৰ্থীয়ে তেওঁলোকৰ চাল-চলনত সামাজিক মূল্যবোধৰ পৰিচয়, পাৰিপাৰ্শ্বিক জগতৰ জ্ঞান ব্যৱহাৰিক জীৱনৰ অভিজ্ঞতা আৰু এজন সুনাগৰিক আৰু পৰিপূৰ্ণ ব্যক্তিত্বৰ সকলো লক্ষণ ফুটাই তুলিব।

## 4.0 মূল্যায়নৰ বিবৰণ :

পাঠ্য ক্ৰমণিকাত উল্লেখ কৰা উদ্দেশ্যাৱলীৰ লগত সামঞ্জস্য ৰাখি বিদ্যাৰ্থীৰ শিক্ষা আহৰণৰ মূল্যায়ন কৰা হ'ব। প্ৰথম দুটা বিদ্যা, অৰ্থাৎ শ্ৰৱণ আৰু কথন বিদ্যাৰ মূল্যায়ন কেৱল শিক্ষকে চাই দিয়া অনুশীলনী (TMA)ৰ যোগেদিহে কৰা হ'ব। বাকী দুটা বিদ্যাৰ মূল্যায়ন লিখিত প্ৰশ্নপত্ৰৰ জৰিয়তে কৰা হ'ব। প্ৰশ্নপত্ৰৰ নম্বৰ বিভাজন এনে ধৰণৰ হ'ব।

| বিভিন্ন গোটৰ মূল্যাংকন | নম্বৰ |
|---|---|
| পঠন | 45 |
| লিখন | 40 |
| ব্যাকৰণ | 15 |

মুঠ 100

## 5.0 পাঠ্য ক্ৰমণিকাৰ ভাৰ বিতৰণ

### 5.1 শ্ৰৱণ

শ্ৰৱণ বিদ্যাৰ পৰিপুষ্টিসাধনৰ বাবে কোনো বিশেষ পাঠ যুগুতোৱা নহয়। বিদ্যাৰ্থীসকলে নিতৌ নিয়মিতভাৱে আকাশবাণী আৰু দূৰদৰ্শনে পৰিবেশন কৰা বাতৰি শুনিব, মাজে মাজে খেল, উৎসৱ আদিৰ চলন্ত বিবৰণিও শুনিব। তেওঁলোকে বিভিন্ন পৰিবেশত, যেনে — হাই উৰুমিৰ মাজত, নিৰিবিলি ঠাইত, উত্তেজিত পৰিস্থিতিত বিভিন্নজনৰ সৰু বা ডাঙৰ, লেহেম বা খৰকৈ কোৱা কথা-বতৰা শুনি তাৰ মৰ্ম উদ্ধাৰ কৰাৰ প্ৰয়াস কৰিব। মুখামুখি যোগাযোগ (Contact Programme) কাৰ্যসূচীত শিক্ষক আৰু সহপাঠীৰ কথা মনযোগ সহকাৰে শুনাৰ অভ্যাস কৰিব। পাঠত অন্তৰ্ভুক্ত কথা কোনোবাই পঢ়িলে তাকো একাণপতীয়াভাৱে শুনিব। বক্তাই ব্যৱহাৰ কৰা শুৱলা শব্দাৱলী, খণ্ডবাক্য, জতুৱা ঠাচ, প্ৰবচন আদি নিজৰ আয়ত্তৰ ভিতৰলৈ আনিবলৈ যত্ন কৰিব। প্ৰসিদ্ধ বক্তাৰ বক্তৃতা দিয়াৰ ঢং অনুসৰণ কৰিবৰ যত্ন কৰিব। সাধাৰণ জ্ঞান বঢ়াবৰ কাৰণে তেওঁলোকে কাণ খুলি ৰাখিব।

### 5.2 কথন

কথন বিদ্যাৰ পৰিপুষ্টিসাধনৰ কাৰণেও কোনো বিশেষ পাঠ যুগুতোৱা নহয়। বিদ্যাৰ্থীসকলে মান্য অসমীয়া ভাষাত নিজৰ মনৰ ভাৱ প্ৰকাশ কৰাৰ প্ৰতি বিশেষ যত্নপৰ হ'ব। আকাশবাণী আৰু দূৰদৰ্শনৰ বাতৰিৰ সংক্ষেপ বিবৰণ তেওঁলোকে ঘৰৰ অন্য ব্যক্তিৰ আগত পুণৰ উপস্থাপন কৰিব। নিজে দেখা ঘটনা বা মনোৰঞ্জক কাহিনী মান্য অসমীয়া ভাষাত আনক শুনাবৰ যত্ন কৰিব। গাঁৱত বা ওচৰ-পাজৰৰ সভা সমিতিত ভাষণ দিয়াৰ আৰু তৰ্ক প্ৰতিযোগীতা আদিত অংশ গ্ৰহণ কৰিব। কথা যাতে স্পষ্ট আৰু সাৱলীল হয়, প্ৰয়োজনীয় ঠাইত লঘু বা গুৰু বিৰাম দিব পাৰে তাৰ প্ৰতি চকু দিব। বক্তব্য যাতে খেলিমেলি নহৈ যুক্তিপূৰ্ণ হয়, আগৰ কথাৰ লগত পিছৰ কথা মিলে তাৰ প্ৰতি বিশেষ মনযোগী হ'ব। বিশেষ মনযোগী হ'ব। প্ৰসিদ্ধ বক্তাৰ বক্তৃতা দিয়াৰ শৈলী অনুসৰণ কৰিব। শ্ৰোতাই বক্তাৰ কথা বুজি পাইছেনে নাই, তেওঁ বক্তাৰ সমান গতিৰে অৰ্থবোধন কৰিছে নে নাই তাৰ প্ৰতিও মনযোগ দিবলৈ অভ্যাস কৰিব। মুখামুখি যোগাযোগ কাৰ্যসূচীত শিক্ষকক প্ৰশ্ন কৰি আলোচ্য বিষয়ৰ ওপৰত টোকা দি বা যুক্তি সহকাৰে নিজৰ মতামত আনৰ আগত উপস্থাপন কৰি নিজৰ অস্তিত্ব প্ৰতিপন্ন কৰিবৰ যত্ন কৰিব। কথা কওঁতে শুৱলা শব্দ, অৰ্থপূৰ্ণ খণ্ডবাক্য, জতুৱা ঠাচ, যথাযথ উপমা, পটন্তৰ, প্ৰৱচন আদি ব্যৱহাৰ কৰিবৰ প্ৰয়াস কৰিব। বিদ্যাৰ্থীয়ে মনত ৰাখিব যে কথা কোৱাটোৱেই বাক-পটুতা নহয়, বক্তব্য আনৰ মনোগ্ৰাহীকৈ উপস্থাপন কৰিব পৰাটোহে মূল কথা।

### 5.3 পঠন ঃ

পঠন বিদ্যাৰ পৰিপুষ্টি লাভৰ ক্ষেত্ৰত পাঠ্যক্ৰমণিকাত সন্নিবিষ্ট পাঠসমূহ শিক্ষাৰ্থী সকলৰ আগত থাকিব। পাঠসমূহ নিয়াৰিকৈ পঢ়িবৰ কাৰণে শিক্ষাৰ্থী সকলে তলত উল্লেখ কৰা কথাকেইটা লৈ লক্ষ্য ৰাখি সাবধানে আগবাঢ়িলে যথেষ্ট সুফল পাব বুলি আশা কৰিব পাৰি।

পাঠসমূহ আৰম্ভণিৰে পৰা ধীৰে ধীৰে ডাঙৰকৈ মাতি মাতি পঢ়িব যাতে ধ্বনিবোৰ স্পষ্টৰূপে কাণত বাজে। এনে প্ৰচেষ্টাই উচ্চাৰণ স্পষ্ট কৰাৰ লগতে পঠন বিষয়ক বুজি পোৱাত সহায় কৰে। ডাঙৰকৈ পঢ়াৰ পৰোক্ষলাভ

হ'ল বাহিৰৰ হাইউৰুমিয়ে পঢ়োতাৰ মন টানি নিব নোৱাৰিব।

পঢ়ি যাওঁতে যতি চিনসমূহৰ ওপৰত বিশেষ গুৰুত্ব দি পঢ়িব যাতে বাক্যৰ মূল ভাবৰ স্পষ্ট ধাৰণা হয়। যতি সমূহলৈ আওকাণ কৰিলে পাঠ্য বিষয় বুজিব নোৱাৰিব আৰু ফলত পঠনৰ আনন্দ লাভ কৰিব নোৱাৰিলে এই পাঠ্য অধ্যায়নৰ মূল উদ্দেশ্য ব্যাহত হব।

এবাৰ ধীৰ গতিৰে ডাঙৰকৈ পঢ়াৰ অভ্যাস হলে লাহে লাহে মৌনভাবে পঢ়াৰ অভ্যাস কৰিব। মৌন পঠন অভ্যাসে পাঠ্য বিষয় খৰকৈ পঢ়িব পৰা কৰাৰ লগে লগে বিষয়বস্তু বুজি মনত ৰখাতো সহায় কৰে।

ইয়াত পৰিবেশন কৰা হৈছে যাতে ছাত্ৰ-ছাত্ৰী সকলে সহজ চুটি আৰু মন ছুই যাব পৰা বিষয়েৰে আৰম্ভ কৰিব পাৰে। ফলত বিষয়বস্তুৰ লগত পৰিচয় হোৱাৰ লগতে সমসাময়িক অসমীয়া ভাষাৰ অতি প্ৰয়োজনীয় উপাদানসমূহৰ যথোপযুক্ত প্ৰয়োগৰ বিষয়ে জানিব পাৰিব আৰু সময়ত উপযুক্ত স্থানত ব্যৱহাৰ কৰিবলৈও শিকিব।

এই পাঠ্যক্ৰমণিকাত পোণপটীয়াকৈ ব্যাকৰণ শিকোৱাৰ ব্যৱস্থা নাই। কিন্তু পাঠসমূহৰ মাজতেই ব্যাকৰণৰ শিকিবলগীয়া বিষয়সমূহ এনেভাৱে সন্নিবিষ্ট কৰা হৈছে যাতে বিদ্যাৰ্থীয়ে অজানিত ভাৱেই সেইবোৰৰ প্ৰয়োগ শিকিব পাৰে।

পঠন পাঠসমূহৰ মাজত নানা সৰু সৰু প্ৰশ্ন সুমুৱাই দিয়া হৈছে। শিক্ষাৰ্থীয়ে প্ৰতিটো পাঠৰ একোচোৱা পঢ়ি তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ নিজে নিজেই কৰি গলে বিষয়বস্তু ভালকৈ আয়ত্ত কৰিব পাৰে। প্ৰতিটো পাঠৰ শেষত নানা ধৰণৰ অনুশীলনী দিয়া হৈছে। সেইবোৰ নিয়মিতভাৱে অভ্যাস কৰিলে পাঠসমূহৰ বোধ সম্পূৰ্ণ হব।

এই পাঠ সমূহে বিদ্যাৰ্থীক সাহিত্যৰ বিভিন্ন বিভাগৰ লগত পৰিচয় কৰোৱাৰ লগতে বিজ্ঞান, সমাজ বিজ্ঞান, পৰিবেশ বিজ্ঞান আদি বিভিন্ন বিভাগৰ লেখাৰ শৈলীৰ লগত পৰিচয় কৰাই দিয়া হব। লগতে পাঠসমূহে আৰু তলত দিয়া অনুশীলনীসমূহে বিদ্যাৰ্থীৰ সমাৰ্থক, ভিন্নাৰ্থক, বিপৰীতাৰ্থক, দ্ব্যৰ্থক শব্দৰ জ্ঞানো বঢ়াব বুলি আশা কৰিব পাৰিব।

## 5.4 লিখন

লিখন বিদ্যাৰ পৰিপুষ্টি সাধনৰ নিমিত্তে নিৰ্ধাৰিত পাঠ্যপুথিখন বহুল পৰিমানে সহায়ক হ'ব। পাঠ্যপুথিত সন্নিবিষ্ট পাঠসমূহে শিক্ষাৰ্থীক বিভিন্ন ধৰণৰ লেখাৰ শৈলীৰ লগত পৰিচিত কৰাৰ আৰু লগতে এক বলিষ্ঠ শব্দ-সম্ভাৰৰ গৰাকী কৰি তুলিব। সেই পাঠসমূহ ভালকৈ অনুধাবন কৰিলে কেনেকৈ শক্তিশালী ভাষা প্ৰয়োগ কৰিব পাৰি সেই কথা ভালদৰে জানিব পাৰিব। বিদ্যাৰ্থীক লিখন বিদ্যাত পটু কৰিবৰ নিমিত্তে তলত দিয়া কথা কেইটাৰ অনুশীলনৰ ওপৰত গুৰুত্ব দিয়া হৈছে :

**5.5.1** কেনেকৈ প্ৰশ্নত বিচৰামতে সঠিক (to the point) উত্তৰ দিব লাগে,

**5.5.2** লেখা কেনেকৈ আৰম্ভ কৰিব লাগে, কেনেকৈ তাক বিকশিত কৰিব লাগে আৰু কেনেকৈ সামৰিব লাগে,

5.5.3 যতি চিন কৈনেকৈ দিব লাগে আৰু পৰিচ্ছেদ বিভাজন কেনেকৈ কৰিব লাগে, ভাবৰ সাৱলীলতা কেনেকৈ ৰক্ষা কৰিব লাগে,

5.5.4 আনৰ কথা প্ৰত্যক্ষ আৰু পৰোক্ষ উক্তিত কেনেকৈ প্ৰকাশ কৰিব লাগে,

5.5.5 সংলাপ কেনেকৈ লিখিব লাগে,

5.5.6 পাদ টীকা, গ্ৰন্থপঞ্জী, উল্লেখ কৰা পুথি বা প্ৰতিবেদন আদি কেনেকৈ বৰ্ণনাত নিৰ্দেশিত (refer) কৰিব লাগে,

5.5.7 বহল কথা কেনেকৈ সংক্ষেপে লিখিব লাগে আৰু তাত্বিক কথা কেনেকৈ ব্যাখ্যা কৰিব লাগে,

5.5.8 শব্দচয়ন, খণ্ডবাক্য, জতুৱা ঠাঁচ, পটন্তৰ, উপমা আদি ব্যৱাহৰ কৰি লেখা কেনেকৈ ৰসাল আৰু মনোগ্ৰাহী কৰি তুলিব পাৰি,

5.5.9 কবিতা, কথাকবিতা, জীৱনী সাহিত্য, ব্যঙ্গ সাহিত্য, বুৰঞ্জী সাহিত্য, প্ৰবন্ধ, সংবাদ পৰিবেশন, বিজ্ঞাপন, নিবিদা, প্ৰতিবেদন আদি কেনেকৈ লিখিব লাগে,

5.5.10 বিভিন্ন ধৰণৰ ব্যক্তিগত চিঠি বা সম্পাদকীয় চিঠি কেনেকৈ লিখা হয়,

5.5.11 বিভিন্ন ধৰণৰ আবেদন পত্ৰ, চৰকাৰী অফিচত কৰা টোকা, প্ৰেছ বিজ্ঞপ্তি আদি কেনেকৈ লিখিব লাগে,

5.5.12 দলিল, নামজাৰি, বেচাকিনা ৰচিদ, হিচাপ, authorisation দানপত্ৰ আদি কেনেকৈ লিখিব লাগে।

## 5.5 ব্যাকৰণ

এই পাঠ্যক্ৰমণিকাত ব্যাকৰণ আনুষ্ঠানিক ভাৱে শিকোৱা নহয়। তাৰ কাৰণে কোনো নিদ্ধাৰিত পুথিও নাই। ব্যাকৰণৰ জানিবলগীয়া বিষয়বোৰ বিভিন্ন পাঠৰ মাজত সুমুৱাই থোৱা হৈছে। বিদ্যাৰ্থীসকলে পাঠসমূহ আৰু তাৰ তলত দিয়া অনুশীলনী সমূহ ভালদৰে কৰিলে ব্যাকৰণৰ বিষয়বোৰ, বিশেষকৈ সেইবোৰৰ প্ৰয়োগ সম্পৰ্কে ভালদৰে জানিব পাৰিব। ব্যাকবণ সম্পৰ্কীয় প্ৰশ্ন যুগুত কৰোতেও সেইবোৰৰ প্ৰয়োগিক দিশসমূহলৈ চকু ৰাখিহে কৰা হ'ব।

## 6.0 পাঠমালা

জাতীয় মুকলি বিশ্ববিদ্যালয়ৰ ভাষা-শিক্ষাৰ উদ্দেশ্যাৱলী আগত ৰাখি এই পাঠ সমূহ যুগুত কৰা হৈছে। ইয়াত ৩ঃ১ অনুপাতত ইতিপূৰ্বে প্ৰকাশিত লেখা আৰু নতুনকৈ লিখাই লোৱা প্ৰবন্ধ আৰু চিঠি পত্ৰ, নথিপত্ৰ আদি সন্নিবিষ্ট কৰা হৈছে। লেখাসমূহ চয়ন কৰোঁতে (১) লেখকৰ প্ৰসিদ্ধি (২) লেখাৰ কাল (৩) ৰাষ্ট্ৰীয় ভিত্তিত ধাৰ্য্য কৰা গুৰুত্ব (national priority) (৪) জতুৱা-ঠাচ, প্ৰবচন আদিৰ সমৃদ্ধি (৫) বিষয়বস্তুৰ বৈচিত্ৰ, (৬) প্ৰতিনিধিত্ব মূলক লেখাৰ শৈলী আৰু (৭) কিছুমান ব্যৱহাৰিক বিষয়ৰ চানেকি আদি বিষয়ৰ ওপৰত চকু ৰখা হৈছে।

এই পাঠমালা দুটা খণ্ডত বিভক্ত। ভাষা আৰু বিষয়বস্তু জটিলতাৰ দৃষ্টিকোণৰ পৰা এই খণ্ডকেইটা সজোৱা হৈছে। প্ৰতিটো খণ্ডতে বিভিন্ন বিষয়ৰ কথাবস্তু সামৰা হৈছে যাতে পাঠবোৰ একে ধৰণৰ আৰু আমনিদায়ক নহয়।

## 6.1 প্ৰথম খণ্ড

ভাষা-শিক্ষাৰ মূল কৌশল শ্ৰবন, কথন, পঠন আৰু লিখন আয়ত্ব কৰাৰ লগতে শিক্ষাৰ্থীয়ে যাতে পদ্য, গদ্য, ৰচনা, কথা কবিতা, চুটি গল্প, প্ৰ-পত্ৰ আদি সাহিত্যৰ বিভিন্ন আকাৰ বা ৰূপৰ মাধ্যমেৰে মানুহৰ ব্যক্তিগত আৰু সামাজিক জীৱনৰ আৱশ্যকীয় অভিজ্ঞতা লাভ কৰে সেই উদ্দেশ্য সাৰোগত কৰি দেশপ্ৰেম, পৰোপকাৰ, ভ্ৰমণ-অভিজ্ঞতা, সময়ৰ মূল্য উপলব্ধি কৰোৱা, মানৱ সম্পদ, অৱহেলিতৰ উন্নীতকৰণ আৰু লিখনৰ মাজেৰে ব্যক্তিগত বা-বাতৰিৰ আদান প্ৰদান কৰা আৰু চৰকাৰী কাৰ্য্যালয়লৈ আৱশ্যকীয় কৰ্মৰ বাবে যোগাযোগ কৰাৰ বিষয় বস্তুৰ এই ভাগত অন্তৰ্ভুক্ত কৰা হৈছে।

ছন্দোবদ্ধ সৰস কবিতাৰ কাব্যিক সৌন্দৰ্য্য উপভোগ কৰোৱা, তাৰ মাজেৰে ছাত্ৰজীৱনতে জীৱন-সম্বল ঘটোৱা, কথা কবিতা, চুটি গল্প, দেশপ্ৰেমিক তথা নেতৃস্থানীয় লোকৰ জীৱনাদৰ্শৰ মাজেৰে চৰিত্ৰ গঠনৰ সুযোগ গ্ৰহণ কৰা, পৰিবেশ সংৰক্ষণ বা প্ৰদুষণৰ জ্বলন্ত সমস্যা সমাধানৰ উপায় আঙুলিওৱা, স্বাধীনতা অৰ্জনৰ উদ্দেশ্য বোধগম্য কৰোৱা, স্বাধীনতা আন্দোলনত অসমৰ অৱদান, অসমৰ সংস্কৃতিৰ আভাস দিয়া আৰু ৰাজহ্‌ সম্পৰ্কীয় নথি-পত্ৰৰ লগত পৰিচয় ঘটোৱাৰ উদ্দেশ্যে এই খণ্ডৰ বিষবস্তু সন্নিবিষ্ট কৰা হৈছে।

## 6.2 দ্বিতীয় খণ্ড

পুৰণি ভাষা সাহিত্য সংস্কৃতি সংৰক্ষণৰ পৰিপ্ৰেক্ষিতত পুৰণি কবিতা, জীৱনী সাহিত্য, ব্যঙ্গ সাহিত্য ৰচনা অনুষ্ঠান সম্পৰ্কীয় আলোচনা, বাতৰি কাকত পঢ়াৰ অভ্যাস আৰু তাৰ যোগেৰে সমাজৰ আৱশ্যকীয় কৰ্ত্তব্যৰ প্ৰতি জনগণৰ দৃষ্টি আকৰ্ষণ কৰি জনমত গঢ়ি তোলা গণতান্ত্ৰিক দেশৰ দাবী কৰাৰ পদ্ধতি চৰ্চা কৰাবলৈ, সাহিত্যৰ আন এটা ভাগ নাটকৰ সৈতে শিক্ষাৰ্থীৰ পৰিচয় ঘটোৱা আৰু তাৰ মাজেৰে মূল্যবোধ শিক্ষা দিয়াৰ উদ্দেশ্যে এটি নাটকীয় দৃশ্য এই খণ্ডত সন্নিবিষ্ট কৰা হৈছে। জাতীয় তথা ৰাষ্ট্ৰীয় ঐক্য গঠনৰ দৃষ্টি কোণৰ পৰাও প্ৰবন্ধ ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে।

বৈজ্ঞানিক আৱিষ্কাৰ তথা বিজ্ঞানৰ দানযোগে সৰল-সহজ আৰু ক্ষিপ্ৰ গতিৰে ছপোৱা আৰু প্ৰচাৰ কৰা মাধ্যমৰ ব্যৱহাৰ, ধৰ্ম-নিৰপেক্ষতাৰ শিক্ষা দিয়া, বিশ্ব মানবীয় অধিকাৰৰ সম্ভেদ দিয়া, স্বদেশ প্ৰেমৰ অনুভূতি বঢ়োৱা, ধ্বনি কবিতাৰ আস্বাদন দিয়া, অসমীয়া যুগান্তৰকাৰী পুৰণি গদ্য, বুৰঞ্জী গদ্য সংৰক্ষণৰ উদ্দেশ্য পূৰণ কৰা. বাতৰি কাকতৰ আদৰ্শ স্থানীয় সম্পাদকীয় আৰ্হিৰ মাজেৰে বাতৰি কাকত সম্পাদনাৰ প্ৰতি শিক্ষাৰ্থীৰ মন আকৰ্ষণ কৰাৰ প্ৰয়াসেৰে এই খণ্ডত পাঠ অন্তৰ্ভুক্ত কৰা হৈছে।

## 7.0 মধ্যবৰ্তীকালীন অনুশীলনী (Assignment)

পাঠমালাৰ প্ৰতিটো খণ্ডৰ শেষত একোটাকৈ মধ্যবৰ্তী কালীন অনুশীলনী (Assignment) থাকিব। বিদ্যাৰ্থীসকলে প্ৰতিটো খণ্ড অধ্যায়ন কৰাৰ পিছত শেষৰ পিনে দিয়া অনুশীলনীৰ উত্তৰ কৰি কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰিব। কৰ্তৃপক্ষই সেইবোৰ মূল্যায়ন কৰি ফলাফল প্ৰতিজন বিদ্যাৰ্থীৰ Profileত সূচিত কৰিব। ৪ৰ্থ অনুশীলনী দাখিল কৰাৰ পিছতহে বিদ্যাৰ্থী চূড়ান্ত পৰীক্ষাত বহিবলৈ যোগ্য বিবেচিত হব।

## 8.0 আদৰ্শ প্ৰশ্ন পত্ৰ

পাঠমালাৰ চতুৰ্থ খণ্ডৰ শেষৰ ফালে এখন আদৰ্শ প্ৰশ্ন পত্ৰ সন্নিবিষ্ট থাকিব। এই প্ৰশ্নপত্ৰৰ ৰূপ ৰেখা অনুসৰি নতুন প্ৰশ্ন পত্ৰ তৈয়াৰ কৰি বিদ্যাৰ্থীসকলক উত্তৰ কৰিবলৈ দিয়া হব। বিদ্যাৰ্থীসকলে আদৰ্শ প্ৰশ্নপত্ৰখন —— অতিৰিক্ত অনুশীলনী হিচাপে ব্যৱহাৰ কৰিব পাৰিব।

## 9.0 মূল্যায়ন আঁচনি (Marking Scheme)

জাতীয় মুকলি বিদ্যালয়ৰ অন্যান্য বিষয়ৰ মূল্যায়ন আচনিৰ ৰূপৰেখা অনুসৰণ কৰি অসমীয়া ভাষা আহৰণৰ মূল্যায়ন কৰা হব। তাৰ থূলমূল ৰূপ ৰেখা এনেধৰণৰ ঃ

| | | |
|---|---|---|
| মুঠ নম্বৰ | ঃ | 100 |
| প্ৰশ্ন পত্ৰ | ঃ | এখন |
| সময় | ঃ | তিনি ঘণ্টা। |

# অসমীয়া মাধ্যমিক পাঠচয়ন

পাঠ কৌশল আয়ত্তাধীন কৰিবলৈ পাঠমালা১ ৰ পৰা ২ নং খণ্ডত নিম্নলিখিত ৰচনা সমূহক অন্তৰ্ভুক্ত কৰা হৈছে -

*পাঠমালা*

| | | |
|---|---|---|
| ১ম খণ্ড | জন্মভূমি | নলিনী বালা দেবী |
| | ঘুনুচা | শৰৎ চন্দ্ৰ গোস্বামী |
| | নিউইয়ৰ্ক | হেম বৰুৱা |
| | বিভাগীয় ফাইলৰ চানেকি | ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা |
| | শান্তিৰ দূত মাদাৰ টেৰেছা | ৰাণী দেৱান বৰুৱা |
| | চিঠিৰ আৰ্হি | তাৰিণী কান্ত গোস্বামী |
| | সময় | নীলমণি ফুকন (ককা) |
| | জীৱন জেউতি | যতীন্দ্ৰনাথ দুৱৰা |
| | বতৰটো ফৰকাল | চৈয়দ আব্দুল মালিক |
| | পৰিবেশ প্ৰদূষণ আৰু প্ৰতিক্ৰিয়া | ৰাণী দেৱান বৰুৱা |
| | ভাৰতৰ মুক্তি যুঁজত অসমৰ অৱদান | অৰুণ চন্দ্ৰ ভূঞা |
| | ভাৰতৰত্ন গোপীনাথ বৰদলৈ | সুৰেন্দ্ৰ মোহন ঠাকুৰীয়া |
| | ইচ্ছাপত্ৰৰ নমুনা | গোপীকান্ত তালুকদাৰ |
| | বাৰেবৰণীয়া অসমীয়া সংস্কৃতি | নাৰায়ণ দাস |
| | কেতেকী | যতীন্দ্ৰ নাথ দুৱৰা |
| | সাৰাংশ লেখন প্ৰণালী | |
| | ৰচনা লেখন প্ৰণালী | |

| | | |
|---|---|---|
| ২য় খণ্ড | কাকুতি | শ্ৰীমন্ত শঙ্কৰদেৱ |
| | কছাৰী বীৰ তুলাৰাম সেনাপতি | বেণুধৰ শৰ্মা |
| | অসমৰ ওজাপালি অনুষ্ঠান | ভৃগুমোহন গোস্বামী |
| | বৰবৰুৱাৰ গাত চ'তৰ বিহু | লক্ষ্মীনাথ বেজবৰুৱা |
| | লুকু ডেকা ফুকনৰ দেশভক্তি | নকুল চন্দ্ৰ ভূঞা |
| | ভাৰতৰ বৈচিত্ৰ্যৰ মাজত ঐক্য | তাৰিণীকান্ত গোস্বামী |
| | বন্যপ্ৰাণী আৰু ইয়াৰ সংৰক্ষণ | বিপুল কুমাৰ বৰুৱা |
| | সম্পাদকলৈ চিঠি | গোপীকান্ত তালুকদাৰ |
| | মোৰ দেশ | হীৰেণ ভট্টাচাৰ্য্য |
| | খৰাং বতৰ, বানপানী আৰু অসম (সম্পাদকীয়) | ভৃগুমোহন গোস্বামী |
| | কম্পিউটাৰ | সংগৃহীত |
| | প্ৰতিশোধ | মহিম বৰা |
| | গড়গাওঁ | বিনন্দ চন্দ্ৰ বৰুৱা |
| | মানৱ অধিকাৰ | সুৰেন্দ্ৰ মোহন ঠাকুৰীয়া |
| | লটাকতা ৰণ | সংগৃহীত |
| | শৰৎ বৰ্ণনা | বৈকুণ্ঠ নাথ ভাগৱত ভট্টাচাৰ্য্য |
| | সংক্ষেপন লেখন প্ৰণালী | |
| | ভাব সম্প্ৰসাৰণ লেখন পদ্ধতি | |

* * * * * *

# মাধ্যমিক পাঠ চয়ন

*প্ৰথম খণ্ড*

## সূচীপত্ৰ


| *পাঠ নং* | *শিৰোনামা* | *লেখক / লেখিকা* | *পৃষ্ঠা নং* |
|---|---|---|---|
| 1. | জনমভূমি | নলিনীবালা দেৱী | ০১ |
| 2. | ঘুনুচা | শৰৎ চন্দ্ৰ গোস্বামী | ১৬ |
| 3. | নিউয়ৰ্ক | হেম বৰুৱা | ৩৪ |
| 4. | বিভাগীয় ফাইলৰ চানেকি | ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা | ৪৫ |
| 5. | শান্তিৰ দূত মাদাৰ টেৰেছা | ৰাণী দেৱান বৰুৱা | ৬৩ |
| 6. | চিঠিৰ আৰ্হি | তাৰিণী কান্ত গোস্বামী | ৭৬ |
| 7. | সময় | নীলমণি ফুকন | ৯০ |
| 8. | জীৱন জেউতি | যতীন্দ্ৰ নাথ দুৱৰা | ১১৩ |
| 9. | বতৰটো ফৰকাল | চৈয়দ আব্দুল মালিক | ১২৮ |
| 10. | পৰিবেশ প্ৰদূষণ আৰু প্ৰতিক্ৰিয়া | ৰাণীদেৱান বৰুৱা | ১৪৫ |
| 11. | ভাৰতৰ মুক্তিযুঁজত অসমৰ অৱদান | অৰুণ চন্দ্ৰ ভূএগ্ৰা | ১৫৮ |
| 12. | ভাৰতৰত্ন গোপীনাথ বৰদলৈ | সুৰেন্দ্ৰমোহন ঠাকুৰীয়া | ১৷৯০ |
| 13 | ইচ্ছাপত্ৰৰ নমুনা | গোপীকান্ত তালুকদাৰ | ২১১ |
| 14. | বাৰেবৰণীয়া অসমীয়া সংস্কৃতি | নাৰায়ণ দাস | ২২৩ |
| 15. | কেতেকী | যতীন্দ্ৰনাথ দুৱৰা | ২৪৪ |
| 16. | সাৰাংশ লেখন প্ৰণালী | | ২৫৭ |
| 17. | ৰচনা লেখন প্ৰণালী | | ২৬০ |

গোট 1

# জনমভূমি

ৰচনা ঃ নলিনী বালা দেৰী

## 1.1 পাতনি আৰু উদ্দেশ্যাৱলী

কবিতা সাহিত্যৰ এক সুকোমল, সুশ্ৰী আৰু সুমধুৰ অংগ। আন বহুতো ভাষাৰ নিচিনাকৈ অসমীয়া ভাষাতো কবিতাৰ ভঁৰাল যথেষ্ট চহকী। অসমীয়া ভাষাত প্ৰায় সকলো ধৰণৰ কবিতাই ৰচিত হৈছে। তাৰে ভিতৰত অলপ পুৰণি কালৰ কবিতাসমূহত মানৱ-হৃদয়ৰ সুকোমল অনুভূতিৰ সুন্দৰ পৰি প্ৰকাশ ঘটিছে। সেই বোৰৰ বেছি ভাগেই ছন্দোৱদ্ধ, লয়যুক্ত আৰু কল্পনা আশ্ৰিত। তেনেধৰণৰ কবিতাৰ চানেকি হিচাপে এই পাঠত 'জনমভূমি' নামৰ কবিতাটো সন্নিবিষ্ট কৰা হৈছে। কবিতাটো ৰচনা কৰিছে মহিলা কবি পদ্মশ্ৰী নলিনী বালা দেৰীয়ে।

এই পাঠ্যক্ৰমত এই কবিতাটি দিয়াৰ উদ্দেশ্য হ'ল

- ছন্দোময় ৰোমাণ্টিক কবিতাৰ চানেকি দাঙি ধৰা,
- কবিতাত সহজ-সৰল শব্দ প্ৰয়োগৰ নমুনা দেখুৱা,
- স্বদেশপ্ৰীতিৰ ভাৱ জগাই তোলা,
- কবিতাৰ মাজেদি কেনেকৈ হৃদয়ৰ কোমল অনুভূতি আৰু আৱেগ প্ৰকাশিত হয় তাৰ নমুনা প্ৰদৰ্শন কৰা আৰু
- কবিতাৰ লয়, সুষমা আৰু লালিত্য উপলব্ধি কৰিবলৈ অনুপ্ৰাণিত কৰা।

## 1.2 লেখক পৰিচিতি

কবি নলিনীবালা দেৰী কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ প্ৰথমা কন্যা। ১৮৯৮ চনত গুৱাহাটীত তেওঁৰ জন্ম হয়। ঘৰুৱা শিক্ষাৰে শিক্ষিতা নলিনী বালা দেৰীয়ে

সৰু কালৰে পৰাই কবিতা লিখিবলৈ লয়। তেওঁ জীৱনৰ সকলো দুখ-শোক ভগৱানৰ আশীষ নিৰ্মালি ৰূপে গ্ৰহণ কৰি তেওঁ কাব্য চৰ্চা আৰু অধ্যয়নত বিশেষ ভাৱে মনোনিৱেশ কৰে। কবি নলিনী বালা দেৱীৰ প্ৰথম কবিতা 'পিতা'। তেওঁৰ ৰচিত পুথি সমূহ হৈছে 'সন্ধিয়াৰ সুৰ' 'সপোনৰ সুৰ' 'স্মৃতি-তীৰ্থ' 'পৰশমণি', 'যুগদেৱতা', 'আলকা নন্দা' বিশ্বদীপ', 'জাগৃতি', 'অন্তিম সুৰ' ইত্যাদি। তেওঁ ১৯৫৪ চনত অসম সাহিত্য সভাৰ যোৰহাট অধিবেশনৰ সভাপতি আছিল। ১৯৭৭ চনত তেওঁৰ মৃত্যু হয়। কবি নলিনী বালা দেৱীক 'আধ্যাত্মিক কবি' বুলিও জনা যায়।

## 1.3 মূলপাঠ ঃ জনমভূমি

### 1.3.1 মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথম ভাগ

মেলিলোঁ প্ৰথম চকু
তোমাৰ কোলালে আই
জনমৰ আদিম পুৱাত;
মুদিম আকৌ চকু
তোমাৰ কোলাতে শুই
জীৱনৰ শেষ সন্ধিয়াত।
মৰাৰ পিছতে যেন
পাওঁহি আকৌ ঠাই
চেনেহৰ শীতলী কোলাত;
ভাগৰুৱা আতমাই
শেষৰ জিৰণি লৈ
জিৰাবহি তোমাৰ ছাঁয়াত।
পখী হৈ আকাশৰ
বুকুত ফুৰিম উৰি
বাঁহ লম ওখ বিৰিখত;
পুৱতিৰ লগে লগে
জগাম তোমাক নিতে
বনৰীয়া সুৱদী গীতত।
আকাশৰ তৰা হৈ
ৰ লাগি চাম বৈ
সেউজীয়া শুৱনি জেউতি;

**শব্দাৰ্থ**

আদিম (বিণ) ঃ অতি প্ৰাচীন

শীতল (বি) ঃ চেঁচা

বিৰিখ (বি) ঃ গছ, বৃক্ষ

ৰ লাগি (ক্ৰি, বিণ) ঃ থৰলাগি

জেউতি (বি) ঃ পোহৰ

জোনাকত মিল হৈ,
বিমান পথত বৈ,
ওৰে ৰাতি কৰিম আৰতি।
হিমালয় পৰ্বতৰ
শুকুলা টিঙত গৈ
ফুলিঁ ৰম মানসী বিলত
মলয়ৰ চোঁৱৰত
পাৰিজাত-ৰেণু সানি
ঢুলাম তোমাৰ চৰণত।

বিমান (বি) : আকাশেদি যোৱা বাহন বা ৰথ, উৰাজাহাজ।

শুকুলা (বি) : বগা

টিঙ (বি) : শৃংগ

মানসী (বি) : মন সম্বন্ধীয়

ঢুলাম (ক্রি) : লাহে লাহে চোৱৰেৰে বিচিম

চৰণ (বি) : ভৰি

## 1.3.2 আলোচনা

এবাৰ পিছলৈ উভতি চাওঁ আহা -

কবিয়ে যি মাতৃভূমিৰ কোলাতেই প্ৰথমে চকু মেলিছে জীৱনৰ অন্তিম কালতো সেই মাতৃভুমিৰ কোলাতেই চকু মুদাৰ আশা প্ৰকাশ কৰিছে। কবিয়ে জনমভূমিক ইমানেই ভাল পায় যে তেওঁ আনকি মৃত্যুৰ পিচতো ইয়াতেই এধানি ঠাই বিচাৰিছে, য'ত ভাগৰুৱা আত্মাই শান্তিৰে জিৰণি লব পাৰে। কবিয়ে চৰাই হৈ আকাশত উৰি ফুৰি ওখ গছত বাঁহ সাজি থকাৰ ইচ্ছা প্ৰকাশ কৰিছে যাতে সুৰদী সুৰীয়া বনগীতেৰে জন্মদায়িনী মাতৃক নিতৌ নিচেই পুৱাতে জগাব পাৰে। কবিয়ে আকাশৰ তৰা হৈ জনমভূমিৰ সেউজীয়া ৰূপ থৰ লাগি চাই থকাৰ কথা ভাবিছে, আনকি জোনাকৰ স'তে মিলি হিমগিৰি হিমালয়ৰ শুকুলা শৃংগলৈ গৈ ফুলি থকাৰ কথাও কবিয়ে কল্পনা কৰিছে যাতে মলয়া বতাহৰ সোঁতত পাৰিজাতৰ ৰেণু সানি জনমদায়িনী মাতৃৰ শ্ৰীচৰণ ঢুলাব পাৰে।

## 1.3.3 প্ৰথম পাঠভাগৰ প্ৰশ্নাৱলী

এইবাৰ আমি এই কবিতাংশৰেই কিছু চমু প্ৰশ্ন আলোচনা কৰি নিজৰ প্ৰগতি পৰীক্ষা কৰি চাওঁ আহা—

১। 'চকু মেলা'ৰ অৰ্থ কি? কবিয়ে কাৰ কোলাত প্ৰথম চকু মেলাৰ কথা কৈছে?

২। 'মুদিম আকৌ চকু' এই কবিতা শাৰীয়ে কি অৰ্থ বহন কৰিছে?

৩। জীৱনৰ শেষ সন্ধিয়া মানে কি?

৪। কবিৰ ভাগৰুৱা আত্মাই কাৰ ছায়াত জিৰাব বুলি কৈছে?

৫। কবিয়ে পখী হৈ কি কৰিব খুজিছে?

৬। কবিয়ে আকাশৰ তৰা হ'ব খোজাৰ কাৰণ কি?

৭। পাৰিজাত কি?

## 1.3.4 মূলপাঠ

### মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ

নদী হৈ পখালিম
দুখনি চৰণ নিতে
মাটি হৈ মিলিম বুকুত
সোণোৱালী মেঘ হৈ
ৰংগা হাঁহি বিৰিঙাম
শেতা পৰা দুখনি ওঁঠত।
তোমাৰ ই ধূলি-বালি
তোমাৰ আকাশ-বায়ু,
আই মোৰ সৰগৰ বাস,
তুমি মোৰ মৰতৰ
পূণ্য মুকুতিৰ ভূমি,
তুমি মোৰ তীৰ্থৰ প্ৰভাস।
অ' মোৰ চেনেহী দেশ,
তোমাৰ দুখীয়া পঁজা,
ৰচা তাত শান্তিৰ স্বৰগ;
ক'ত পাম এনে প্ৰীতি,
সৰল প্ৰাণৰ ভাষা
সেৱাৰ মহিমাময় ত্যাগ?
দুখীয়াৰ ভগা পঁজা,
একোখন তীৰ্থ তাত,
একোখনি পূণ্যৰ আশ্ৰম;

শব্দাৰ্থ

পখালিম (ক্ৰি) ঃ পানীৰে পৰিষ্কাৰ কৰিম, ধোম

সোণোৱালী (বিণ) ঃ সোণৰ ফুল বৰ্ণ

ৰংগা (বিণ) ঃ ৰঙা

বিৰিঙাম (ক্ৰি) ঃ উলিয়াম, বাহিৰ কৰিম

শেতা (বিণ) ঃ নিস্তেজ

মৰত (বি) ঃ পৃথিৱী

আশ্ৰম (বি) ঃ তপোবন, সাধু সন্যাসীৰ বাসস্থান

মৰিলে পুনৰ আহি
দুখীয়া দেশত মোৰ
লওঁ যেন পুনৰ জনম।

1.3.5 ## আলোচনা

আকৌ পিছলৈ উভতি চাওঁ আহা।

কবিৰ ইমানেই মাতৃভূমিৰ প্ৰতি প্ৰীতি যে তেওঁ নৈৰ ৰূপ ধৰি মাতৃৰ চৰণ দুখনি সদায় চাফা কৰি ৰখাৰ প্ৰয়াস কৰিছে। এনেকি মাটি হৈ জনমভূমিৰ সৈতে ঐক্যাকাৰ হৈ যোৱাৰ তীব্ৰ আকাংক্ষা প্ৰকাশ কৰিছে। কবিয়ে সোণবৰণীয়া মেঘৰ আকৃতি ধৰি মাতৃৰ নিস্তেজ মুখত হাঁহি উজ্বলাব খুজিছে। মাতৃভূমিৰ ধূলি-বালি, আকাশ-বতাহে কবিক সৰগীয় সুখ দিছে। কবিৰ মনত জনমভূমি চিৰবাঞ্চিত পুণ্য ভূমি- পৱিত্ৰ তীৰ্থ। কবিয়ে চেনেহী দেশৰ দুখীয়া পঁজাত থাকিয়েই সৰগৰ শান্তি অনুভৱ কৰিছে। কবিয়ে এনেহেন প্ৰীতি ভৰা ঠাই আৰু ক'তো বিচাৰি নাপাব যি ঠাইৰ ভাষা সৰল আৰু য'ত ত্যাগৰ মহিমা বিৰজমান। কবিৰ মতে দুখীয়াৰ ভগা পঁজাই একো একোখন তীৰ্থ ক্ষেত্ৰ, একো একোখন পুণ্যাশ্ৰম। গতিকে মৃত্যুৰ পিছতো কবিয়ে এই দুখীয়া দেশতেই জন্ম গ্ৰহণ কৰাৰ হাবিয়াস ব্যক্ত কৰিছে।

1.3.6 ## দ্বিতীয় পাঠভাগৰ প্ৰশ্নাৱলী

৮। কবিয়ে কিয় নদী হ'ব বিচাৰিছে?

৯। কবিয়ে কাৰ লগত মাটি হৈ মিলিব খুজিছে?

১০। শেতাপৰা ওঁঠত কবিয়ে কেনেকৈ হাঁহি বিৰিঙাব খুজিছে?

১১। কবিৰ পূণ্য মুকুতিৰ ভূমি কোনখন বুলি কৈছে?

১২। কবিয়ে জনমভুমিক কি দেশ বুলি অভিহিত কৰিছে?

১৩। কবিৰ মতে পূণ্যৰ আশ্ৰম কোনখন?

১৪। মৃত্যুৰ পিছত কবিয়ে ক'ত জন্ম গ্ৰহণ কৰিব খুজিছে?

## 1.4 মূল পাঠৰ সাৰাংশ

কবিয়ে মাতৃভূমিৰ একেখন কোলাতেই জীৱনৰ অন্তিম নিশ্চাস ত্যাগ কৰাৰ প্ৰয়াস কৰিছে। মৃত্যুৰ পিছ তো জন্ম স্থান ত্যাগ কৰাৰ ইচ্ছা কবিৰ সমূলি নাই। কবিয়ে চৰাই হৈ ওখ গছত বাঁহ লৈ পুৱতি নিশা সুমধুৰ বনগীতেৰে মাতৃভূমিক জাগ্ৰত কৰা, আকাশৰ তৰা হৈ জোনাকৰ স'তে মিলি আৰতি কৰা, হিমালয়ৰ শুভ্ৰ শৃংগত ফুলি মলয়া বতাহৰ সোঁতত পাৰিজাত ফুলৰ ৰেণু উৰাই মাতৃৰ চৰণ পৱিত্ৰ কৰা, নৈ হৈ নিতৌ মাতৃৰ চৰণ ধুউৱা, মাটি হৈ মাতৃভূমিৰ সৈতে মিলি যোৱা, সোণালী মেঘ হৈ মাতৃৰ মুখত হাঁহি বিৰিঙোৱাৰ ইচ্ছা প্ৰকাশ পাইছে।

জন্মভূমিৰ ধূলি-বালি, আকাশ-বায়ুৰ মাজত বাস কৰিও কবিয়ে সৰগত বাস কৰা যেন অনুভৱ কৰে। জন্মভূমি কবিৰ কাৰণে পূণ্য-মুক্তিৰ তীৰ্থস্থান। ইয়াৰ দুখীয়া পঁজাটি ত্ত কৰিব শান্তিৰ স্বৰ্গৰ নিচিনা। ইয়াৰ প্ৰেম-প্ৰীতিৰ সৰল ভাষা আৰু ত্যাগ দেখি কবি হৃদয় অভিভূত। সেয়ে কবিয়ে মৃত্যুৰ পিছতো তীৰ্থস্থান স্বৰূপ এই দেশৰ ভগা পঁজাত জন্ম গ্ৰহণ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছে।

**শুকুলা টিঙ ঃ** পৰ্বতৰ বৰফেৰে ঢকা আগভাগ বা শৃংগ।

**চোঁৱৰ ঃ** চুৰঁৰী পহুৰ নেজৰ নোম গোটাই বন্ধা মুঠা।

**প্ৰভাস ঃ** দ্বাৰকাৰ ওচৰৰ এখন তীৰ্থস্থান। ইয়াৰ অন্য নাম সোমতীৰ্থ, য'ত একালত যদুবংশ ধ্বংস হৈছিল।

**ৰ লাগি ঃ** থৰ লাগি। বৰকৈ ভবাৰ দৰে নিমাত হৈ থকা অৱস্থা।

**আৰতি ঃ** দেৱমূৰ্তিৰ আগত সন্ধিয়া চাকি জ্বলাই ঘণ্টা, দবা, তাল আদি বাদ্য বজোৱা কাৰ্য্য।

**পাৰিজাত ঃ** স্বৰ্গত ফুলা এবিধ ফুল। প্ৰবাদ আছে যে স্বৰ্গাধিপতি ইন্দ্ৰৰ বাগিচাত থকা এই ফুল আলুৰে পোখাই উভালি অনা অপৰাধত ইন্দ্ৰপত্নী শশীয়ে কৃষ্ণ পত্নী সত্যভামাৰ লগত কাজিয়া কৰিছিল। সত্যভামাই মৰ্ত্য ভূমিত এই ফুল ৰোপন কৰিছিল।

এই পাঠ্যক্ৰমত এইটোৱে প্ৰথম কবিতা। এতিয়া আমি ওপৰত দিয়া পাঠটোক

কেন্দ্র কৰি কেইটামান কথা বহলাই আলোচনা কৰি চাওঁ আহা। এই পাঠটো এটা প্ৰসিদ্ধ কবিতা। এতেকে পোনতে কবিতা কাক বোলে আৰু তাৰ লক্ষণ কি আলোচনা কৰোঁহক। তাৰ পাছত অসমীয়া কবিতাৰ চমু ইতিবৃত্ত সংক্ষেপে তুলি ধৰোঁহক।

ক) কবিতা কি?

এতিয়া আমি 'কবিতা কি?' এই সম্পৰ্কে আলোচনা কৰোঁহক। কবিতা হৈছে, কবি মনৰ সূক্ষ্ম অনুভূতিৰ স্বতঃস্ফূৰ্ত প্ৰকাশ, ই হ'ল লয়ৰ লালিত্য সনা নিৰ্বাচিত শব্দপুঞ্জৰ এক ছন্দোময় প্ৰকাশ । কবিতা প্ৰধানতঃ গীতিময়, লয়যুক্ত আৰু শব্দৰ ঝংকাৰেৰে পৰিপূৰ্ণ। লয় আৰু সুষমা কবিতাৰ প্ৰাণ বস্তু। কবিতা এবিধ কলা। এই কলা চিৰসত্য, চিৰ শ্বাশ্বত।

কবিতা লিখিবলৈ হ'লে এখন কবি হৃদয় থাকিব লাগিব। যিখন হৃদয় অনুভূতি প্ৰবন আৰু কোমল। সেয়ে কবিতা লিখোঁ বুলি লিখিবপৰা বস্তু নহয়।

কোনো বিষয়বস্তুক কেন্দ্ৰ কৰিহে কবিৰ কল্পনাৰ উন্মেষ ঘটে। প্ৰকৃতিজগতৰ নৈসৰ্গিক শোভা, সমাজ আৰু জনজীৱনৰ আলৈ-আহুকাল, দুখ-দুৰ্গতি, ব্যৰ্থতা, সংঘাত আৰু নানা ঘাত-প্ৰতিঘাতৰ অভিজ্ঞতা কবিতাত প্ৰকাশ পায়। কবিৰ কল্পনাৰ পথাৰত ভাৱ আৰু ভাষাৰ সুসমন্বয় ঘটে। বাস্তৱ জীৱনৰ অভিজ্ঞতাই কবিৰ অন্তৰত যেতিয়া আলোড়নৰ সৃষ্টি কৰে, তেতিয়া তেওঁ কল্পনাৰ আশ্ৰয় লয়। বিশুদ্ধ ভাৱ অনুভূতিৰে, অৰ্থবহ ব্যঞ্জনাময় মধুৰ শব্দৰাজি প্ৰয়োগ কৰি ছন্দোময় অভিব্যক্তিৰে কবিয়ে কবিতা সৃষ্টি কৰে।

আমাৰ চতুৰ্দিশে থকা বহু বস্তু আৰু সংঘটিত হোৱা বহু ঘটনা আমি দেখিবলৈ পাওঁ। কিন্তু সেই বিষয়ে হয়তো আমি অলপো মনোযোগ নিদিওঁ। কিন্তু কবিত্ব শক্তিসম্পন্নলোকে অন্তৰ্দৃষ্টিৰে তেনে বস্তু বা ঘটনাৰ ৰূপটো হৃদয়ত আঁকি লয় আৰু পাঠকৰ অন্তৰ পৰশি যোৱাকৈ কবিতা প্ৰকাশ কৰে।

অসমীয়া কবিতাৰ শুভ আৰম্ভণি দশম শতিকাত ৰচিত চৰ্য্যা গীতৰ মাজেৰে হয় আৰু মাধৱ কন্দলী, শংকৰদেৱ, মাধৱদেৱৰ ৰচনাৰ মাজেৰে অসমীয়া কবিতা পূৰ্ণ বিকশিত হয়। তেৰা সকলৰ কবিতা সুমধুৰ ছন্দোবদ্ধ; সেয়েহে মাধৱ কন্দলী, শংকৰদেৱ, মাধৱদেৱৰ কবিতাক 'ছন্দৰ স্বৰ্ণ যুগ' বুলি কোৱা হয়।

পাশ্চাত্য আধুনিক কবিতাৰ আৰ্হিত উণবিংশ শতিকাৰ শেষৰ ফালে আধুনিক অসমীয়া কবিতা ব্যাপকভাৱে ৰচিত হবলৈ ধৰে। এই যুগৰ কবিতা অধিকাংশই ৰোমাণ্টিক। এনে ৰোমাণ্টিক কবিতাৰ পথ প্ৰদৰ্শক হৈছে কবি চন্দ্ৰ কুমাৰ আগৰৱালা।

কবি নলিনী বালা দেৱীৰ কবিতা 'জনমভূমি' এটি ৰোমাণ্টিক কবিতা। এই কবিতাটোত কবিয়ে স্বদেশ প্ৰীতিৰ ভাৱ প্ৰকাশ কৰিছে।

**খ) অসমীয়া কবিতাৰ চমু ইতিবৃত্ত ঃ** অসমীয়া সাহিত্যৰ বুৰঞ্জী খৃষ্টীয় ৯০০ ৰ পৰা ১২০০ ৰ ভিতৰত অৰ্থাৎ বৌদ্ধগান বা চৰ্য্যাপদ সৃষ্টিৰ সময়ৰ পৰা আৰম্ভ হোৱা বুলি ধৰিব পাৰি। ৰচনাৰ কাল অনুসৰি অসমীয়া সাহিত্যক চাৰিটা যুগত ভাগ কৰিব পাৰি, যেনে আদিযুগ বা প্ৰাকবৈষ্ণৱ যুগ বা প্ৰাক শংকৰী যুগ, মধ্য যুগ বা বৈষ্ণৱ যুগ বা শংকৰী যুগ, উত্তৰ বৈষ্ণৱ যুগ বা উত্তৰ শংকৰী যুগ আৰু আধুনিক যুগ বা বৰ্তমান যুগ।

প্ৰাক শংকৰী যুগত দশম একাদশ শতিকাত লোকগীত, বৌদ্ধগান বা চৰ্য্যাপদ ৰচনা হয়। সেয়ে অসমীয়া কবিতাৰ চালুকীয়া অৱস্থা। পিছলৈ চতুৰ্দশ শতিকাৰ ভিতৰতহে অসমীয়া ভাষা-সাহিত্য পূৰ্ণ বিকশিত হৈ উঠে। চতুৰ্দশ শতিকাৰ প্ৰাক শংকৰী যুগৰ কবিসকল হৈছে হেম সৰস্বতী, হৰিহৰ বিপ্ৰ, কবিৰত্ন সৰস্বতী, ৰুদ্ৰ কন্দলী আৰু মাধৱ কন্দলী। অসমীয়া ৰামায়ণ ৰচক মাধৱ কন্দলীকেই সেই যুগৰ শ্ৰেষ্ঠ কবি বুলি কোৱা হয়। উত্তৰ ভাৰতৰ প্ৰান্তীয় ভাষাৰ ভিতৰত মাধৱ কন্দলীৰ ৰামায়ণখনেই সবাতোকৈ পুৰণি। ইয়াৰ উপৰিও হেম সৰস্বতীৰ প্ৰহ্লাদ, (প্ৰহ্লাদ) চৰিত্ৰ, হৰগৌৰী সংবাদ, হৰিহৰ বিপ্ৰৰ বভ্ৰুবাহনৰ যুদ্ধ, তাম্ৰধ্বজৰ যুদ্ধ, কবিৰত্ন সৰস্বতীৰ জয়দ্ৰথ বধ, ৰুদ্ৰকন্দলীৰ সাত্যকি প্ৰবেশ উল্লেখযোগ্য গ্ৰন্থ। ইয়াৰ বাহিৰেও সেই যুগত ডাকৰ বচন, মন্ত্ৰসাহিত্য লোকগীত আদি মৌখিক সাহিত্যৰ প্ৰচলন আছিল।

শংকৰী যুগক নৱজাগৰণৰ যুগ বুলি ক'ব পাৰি। এই যুগটো বৈষ্ণৱ আন্দোলনৰ যুগ। খৃষ্টীয় পঞ্চদশ শতিকাত অসমত বৈষ্ণৱ আন্দোলনে বিশেষ ভাৱে গা কৰি উঠে। শংকৰদেৱ, মাধৱদেৱ, হৰিদেৱ, দামোদৰদেৱ আদি এই যুগৰ অসমৰ মহাপুৰুষ। নৱ বৈষ্ণৱ ধৰ্মৰ পথ প্ৰদৰ্শক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমৰ বিভিন্ন স্থানত সত্ৰ বা নামঘৰ স্থাপন কৰি একশৰণ নাম ধৰ্ম বা মহাপুৰুষীয়া ধৰ্ম বা ভাগৱতী ধৰ্ম প্ৰচাৰ কৰে। এই শংকৰীযুগতেই বৈষ্ণৱ ধৰ্মক কেন্দ্ৰ কৰি সৰহ সংখ্যক গ্ৰন্থ ৰচনা হয়। অৱশ্যে সেই কালত মনসা পূজা আৰু আন আন শক্তি পূজাত গাবলৈও বহু গীত-মাত ৰচিত হৈছিল। সেইচাম সাহিত্যক মনসা সাহিত্য বা পাচালী সাহিত্য বোলা হয়। মনকৰ, দুৰ্গাবৰ কায়স্থ, পীতাম্বৰ আৰু সুকবি নাৰায়ণ দেৱক 'মনসা কবি বা লৌকিক কবি বুলি কোৱা হয়। পদ্ম পুৰাণৰ ৰচক সুকবি নাৰায়ণদেৱ মনসা সাহিত্যৰ শ্ৰেষ্ঠ কবি।

বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক, বহুমুখী সাহিত্য প্ৰতিভাৰ গৰাকী মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সাহিত্য সম্ভাৰৰ ভিতৰত 'কীৰ্তন' আৰু তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱৰ 'নামঘোষা' তেৰাসকলৰ সাহিত্যিক জীৱনৰ কীৰ্তি স্তম্ভ। মহাপুৰুষ দুজনাৰ 'বৰগীত'

অন্যতম উল্লেখযোগ্য অৱদান। অসমীয়া মহাভাৰত ৰচয়িতা ৰাম সৰস্বতী, অনন্ত কন্দলী, শ্ৰীধৰ কন্দলী, ভট্টদেৱ (বৈকুণ্ঠ নাথ ভট্টাচাৰ্য্য) আদি ভালেমান কবিয়ে অসমীয়া বৈষ্ণৱ সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে।

শংকৰোত্তৰ যুগত বুৰঞ্জী সাহিত্য, চৰিতপুথি, ৰাজবংশাৱলী, বিজ্ঞান সাহিত্য, নাট্য সাহিত্য, সাধু কথা আদি বিভিন্ন পৰ্য্যায়ৰ সাহিত্যৰ উপৰিও কাব্য সাহিত্যই এক বিশিষ্ট স্থান অধিকাৰ কৰে। কবিৰাজ চক্ৰৱৰ্তী, শুভ নাথ দ্বিজ, বিদ্যা চন্দ্ৰ কবি শেখৰ, শিষ্ট ভট্টাচাৰ্য্য, লক্ষীনাথ দ্বিজ, বিষ্ণুৰাম দ্বিজ, ৰাম গোবিন্দ, অনন্ত আচাৰ্য্য, ৰুচিনাথ কন্দলী আদি ভালেমান কবিয়ে কাব্য সাহিত্যৰ সৃষ্টি কৰে।

১৮৬২ খৃষ্টাব্দৰ পৰা বৰ্তমান যুগ বা আধুনিক যুগৰ সূচনা হয়। এই যুগতেই আধুনিক কবিতাৰ জন্ম। অসমীয়া কবিতাই পুৰণি সাজ সলাই নতুন ৰূপ ধৰিলে। সেয়েহে এই যুগটোক 'ৰোমণ্টিক যুগ' বোলা হয়। এই ৰোমাণ্টিক কবিতাৰ যুগটোক আকৌ তিনিটা স্তৰত বিভক্ত কৰা হৈছে। ১৮৪৬ খৃষ্টাব্দত প্ৰকাশিত প্ৰথম অসমীয়া মাহেকীয়া আলোচনী 'অৰুণোদইৰ পৰা ১৮৮৯ খৃষ্টাব্দত প্ৰকাশিত 'জোনাকী' কাকতলৈ প্ৰাক ৰোমাণ্টিক যুগ, জোনাকী কাকতৰ পৰা দ্বিতীয় মহাসমৰলৈকে নৱন্যাস বা নব্য ৰোমাণ্টিক যুগ আৰু দ্বিতীয় মহাসমৰৰ পৰা বৰ্তমানলৈকে যুদ্ধোত্তৰ যুগ।

প্ৰাক ৰোমাণ্টিক যুগৰ নিধিৰাম কেওট ওৰফে নিধিৰাম ফাৰৱেল 'কলি ভাৰত'ৰ কবি দুতিৰাম হাজৰিকা, দয়াৰাম চেতিয়া, ললিত চন্দ্ৰ গোস্বামী ৰমাকান্ত চৌধুৰী, কলমলাকান্ত ভট্টাচাৰ্য্য,ভোলানাথ দাস, মফিজুদ্দিন আহমেদ হাজৰিকা আদি উল্লেখযোগ্য কবি।

নব্য ৰোমাণ্টিক যুগৰ কবি সকলৰ ভি তৰত গীতি কবি চন্দ্ৰ কুমাৰ আগৰৱালা, হেম চন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঁঞি বৰুৱা, আনন্দ চন্দ্ৰ আগৰৱালা, হিতেশ্বৰ বৰবৰুৱা, ৰঘুনাথ চৌধাৰী, দুৰ্গেশ্বৰ শৰ্মা, যতীন্দ্ৰ নাথ দুৱৰা, অম্বিকাগিৰি ৰায় চৌধুৰী, ৰত্নকান্ত বৰকাকতী, নলিনী বালা দেৱী, বাগ্মীবৰ নীলমণি ফুকন, বিনন্দ চন্দ্ৰ বৰুৱা, গীতি কবি পাৰ্বতী প্ৰসাদ বৰুৱা, শৈলধৰ ৰাজখোৱা, প্ৰসন্ন লাল চৌধুৰী, জ্যোতিপ্ৰসাদ আগৰবালা, আদি ভালেমান কবিৰ কলমত প্ৰেম-প্ৰীতি, সুন্দৰৰ আৰাধনা, অলৌকিকতাবাদ, দৰ্শন, প্ৰকৃতি প্ৰীতি আদি প্ৰকাশ পায়।

যুদ্ধোত্তৰ যুগ অৰ্থাৎ দ্বিতীয় মহাযুদ্ধৰ সময়ৰ পৰা সৃষ্টি হোৱা কবিতা সমূহত ঘাইকৈ স্বদেশপ্ৰেম, সৌন্দৰ্য্য স্পৃহা, প্ৰকৃতি প্ৰেম, অতীন্দ্ৰিয় বাদৰ উপৰিও নৃশংসতা, অভাৱ-অনাটন, নিপীড়ন আদি বিভীষিকায়ম ছবি, সমাজ সচেতনতা, মানৱীয় মূল্যবোধ আদি বিভিন্ন চিন্তাধাৰা প্ৰকাশ পায়। হেম বৰুৱা নৱকান্ত বৰুৱা, হৰি বৰ কাকতী,

হীৰেণ ভট্টাচাৰ্য্য, নীলিমা দত্ত, নিৰ্মল প্ৰভা বৰদলৈ আদি বহু কবিয়ে নতুন ভাৱ-ভংগীৰে কবিতা সৃষ্টি কৰিছে।

**গ) স্বৰ ভক্তি ঃ** এই কবিতাটোত কবিয়ে বহুত সংস্কৃত শব্দৰ মাজত একোটাকৈ স্বৰধ্বনি সুমুৱাই সৰল আৰু কোমল কৰি ব্যৱহাৰ কৰিছে। যেনে — স্বৰ্গ-সৰগ, মৰ্ত্ত-মৰত, মুক্তি-মুকুতি, আত্মা- আতমা, স্নেহ -চেনেহ, বৃক্ষ- বিৰিখ। এনে সৰলীকৃত শব্দ বিলাকক 'অৰ্ধতৎসম' শব্দ বোলে। যি পদ্ধতিৰে এনে শব্দ গঠন কৰা হয় তাক স্বৰভক্তি বোলে।

## 1.5 সাধাৰণ অনুশীলনী

### 1.5.1 খালী ঠাই পূৰণ

১৫। উপযুক্ত শব্দ বহুৱাই খালী ঠাই পূৰ কৰা।

ক) মুদিম ......... চকু।
তোমাৰ কোলাতে............
............. শেষ সন্ধিয়াত

খ) আকাশৰ ...........হৈ
.............. লাগি চাম বৈ
সেউজীয়া ............ জেউতি

গ) ক'ত পাম এনে ............
সৰল.......... ভাষা
সেৱাৰ................. ত্যাগ।

### 1.5.2 সংক্ষেপে প্ৰকাশ

১৬। এটা শব্দত প্ৰকাশ বা খণ্ড বাক্যত প্ৰকাশ কৰা।

ক) যি কোলা শীতল

খ) ভাগৰ লগা লোক

গ) বনত ফুৰে যি

ঘ) পৰ্বতৰ ওখ জোঙা আগভাগ

ঙ) যাৰ চেনেহ আছে

চ) খেৰৰ চালেৰে নিৰ্মাণ কৰা সৰু জুপুৰী

## 1.5.3 সমাৰ্থক আৰু বিপৰীতাৰ্থক শব্দ

১৭। তলৰ শব্দবোৰৰ সমাৰ্থক শব্দ লিখা

| | |
|---|---|
| চকু | তৰা |
| সন্ধিয়া | ৰ লগা |
| আকৌ | জোনাক |
| চেনেহ | ৰাতি |
| আতমা | শুকুলা |
| পখী | চৰণ |
| আকাশ | মেঘ |
| ওখ | বায়ু |
| পঁজা | মৰত |

১৮। তলত দিয়া শব্দবোৰৰ বিপৰীতাৰ্থক শব্দ লিখা।

জনম, বনৰীয়া, আকাশ , মিল, হাঁহি, সৰগ, পুণ্য, দুখীয়া, শান্তি, সৰল, ওখ, শুৱনি, সন্ধিয়া, পৰ্বত, প্ৰীতি

## 1.5.4 পাঠভিত্তিক ব্যাকৰণ

১৯। তলত দিয়া শব্দ কেইটাৰ লিংগ পৰিবৰ্তন কৰা

প্ৰথম, আই, পখী, নদী, মানসী

২০। আৰ্হিত দেখুৱামতে তলত দিয়া শব্দবোৰৰ প্ৰত্যয় ভাঙি দেখুৱা

অসমী— অসম + ঈ লগৰীয়া— লগ+ অৰীয়া

| | | |
|---|---|---|
| শিতলী | সেউজীয়া | ভাগৰুৱা |
| মানসী | জিৰণি | দুখনি |
| পুৱতি | বনৰীয়া | চেনেহী |
| দুখীয়া | | |

২১। বিশেষ্যক বিশেষণলৈ আৰু বিশেষণক বিশেষ্যলৈ নিয়া

চকু, চেনেহ ভাগৰুৱা, আকাশ , বনৰীয়া, বিমান, পৰ্বত, মাটি, সোণোৱালী, সৰগ, দেশ, দুখীয়া।

## 1.6 পাঠ ভিত্তিক চমু প্ৰশ্ন

২২। তলত দিয়া প্ৰশ্ন সমূহৰ চমু উত্তৰ দিয়া।

ক) জনমভূমি কবিতাটোৰ কবি কোন? তেওঁক কি উপাধিৰে বিভূষিত কৰা হৈছে?

খ) কবি নলিনী বালা দেৱীৰ দুখন কবিতা পুথিৰ নাম উল্লেখ কৰা।

গ) জনমভূমি কবিতাটোত থকা দুটা এটা উপমা উল্লেখ কৰা।

ঘ) কবি নলিনী বালা দেৱীক কি কবি বুলি জনা যায়?

ঙ) জনমভূমি কবিতাটোত উল্লেখ থকা 'তোমাৰ' শব্দটোই কাক বুজাইছে?

## 1.7 সৃষ্টিধৰ্মী প্ৰশ্ন

২৩। তলত উল্লেখ কৰা প্ৰশ্নসমূহৰ উত্তৰ লিখা।

ক) কবিতাটো পঢ়া আৰু কোনটো ফাকি আটাইতকৈ বেছি ভাল লাগিল লিখি দেখুৱা?

খ) কবিতাটো পঢ়ি তোমাৰ কেনে লাগিল? যদি ভাল লাগিছে, তেন্তে কিয় ভাল লাগিছে লিখা?

গ) কবিতাটোৰ একাদিক্ৰমে প্ৰথম বাৰশাৰী কবিতা গদ্যত লিখা।

ঘ) কবিতাটিত থকা অৰ্ধতৎসম শব্দবোৰৰ আৰ্হিত আন পাঁচটা শব্দ লিখি দেখুওৱা।

ঙ) প্ৰসঙ্গ সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা।

দুখীয়াৰ ভগা পঁজা
একোখন তীৰ্থ তাত
একোখনি পুণ্যৰ আশ্ৰম;
মৰিলে পুনৰ আহি
দুখীয়া দেশত মোৰ
লওঁ যেন পুনৰ জনম।

২৪। কবিতাটো মুখস্থ কৰা।

## 1.8 চমু প্ৰশ্নৰ উত্তৰ সংকেত

### মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথমভাগৰ প্ৰগতি পৰীক্ষাৰ উত্তৰ

১। জন্ম লাভ কৰা। মাতৃভূমিৰ কোলাত।

২। মৃত্যু হোৱা।

৩। অন্তিম কাল

৪। জনমভুমিৰ ছায়াত

৫। পখী হৈ আকাশত উৰি ফুৰি, ওখ গছত বাঁহ সাঁজি লৈ পুৱতি নিশা সুৱদী গীতেৰে মাতৃভুমিক জগাব খুজিছে।

৬। আকাশৰ তৰা হৈ জনমভূমিৰ সেউজীয়া ৰূপ চাই থাকিব আৰু জোনাকৰ স'তে মিলি আৰতি কৰিব।

৭। স্বৰ্গৰ নন্দন কাননত ফুলা এবিধ ফুল।

### মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগৰ প্ৰগতি পৰীক্ষাৰ উত্তৰ

৮। নিতৌ মাতৃৰ চৰণ ধুৱাবলৈ

৯। জনমভূমিৰ লগত

১০। সোণোৱালী মেঘ হৈ

১১। মাতৃভূমিখনক

১২। চেনেহী দেশ বুলি

১৩। দুখীয়াৰ ভগা পঁজা

১৪। জনমভূমিতেই

## 1.9 সাধাৰণ অনুশীলনীৰ প্ৰশ্নোত্তৰ

১৫। ক) আকৌ, শুই, জীৱনৰ

খ) তৰা, ৰ, শুৱনী

গ) প্ৰীতি, প্ৰাণৰ, মহিমাময়

| | | |
|---|---|---|
| ১৬। ক) শীতলী | খ) ভাগৰুৱা | গ) বনৰীয়া |
| ঘ) টিং বা শৃংগ | ঙ) পঁজা ঘৰ | |

| | |
|---|---|
| ১৭। নয়ন | নক্ষত্ৰ |
| গধুলি | থৰ |
| পুনৰ | জ্যোৎস্না |
| মৰম | নিশা |
| জীউ | বগা |
| চৰাই | ভৰি |
| গগন | ডাৱৰ |
| উচ্চ | বতাহ |
| জুপুৰি | মৰ্ত্য |

১৮। মৰণ, ঘৰচীয়া, পাতাল, অমিল, পানী, কান্দোন, নৰক, পাপ, ধনী, অশান্তি, জটিল, চা পৰ, অশুৱনী, ৰাতিপুৱা, বৈয়াম, অপ্ৰীতি,

১৯। প্ৰথমা, পিতা, পখি, নদ, মানস,

২০। শীতল+ ঈ, ভাগৰ+ উৱা, জিৰ+ অনি, পুৱা + অতি, বন + অৰীয়া, দুখ + ঈয়া, সেউজ + ঈয়া, মানস + ঈ, দুখন + ই, চেনেহ + ঈ।

২১। চকুৱা, চেনেহী, ভাগৰ আকাশী, বন, বৈমানিক, পৰ্বতীয়া, মটীয়া, সোণ, গৰখীয়া, দেশীয়, দুখ।

২২। ক) নলিনীবালা দেৱী। পদ্মশ্ৰী উপাধিৰে বিভূষিতা।

খ) সন্ধিয়াৰ সুৰ, সপোনৰ সুৰ।

গ) মানসী বিল, তীৰ্থৰ প্ৰভাস।

ঘ) আধ্যাত্মিক।

ঙ) মাতৃভূমি।

২৩। ক) , খ), গ), ঘ), ঙ) প্ৰশ্নৰ উত্তৰ দিয়া হোৱা নাই।

## 1.10 অতিৰিক্ত পঠন উপদেশ

অসমীয়া কবিতা সম্বন্ধে অধিক জ্ঞান আহৰণ কৰিবলৈ তোমালোকে বাতৰি কাকত আৰু আলোচনীৰ কবিতা শিতান নিয়মিত ভাবে পঢ়াৰ উপৰিও প্ৰখ্যাত লেখক-লেখিকাৰ কাব্য সাহিত্য বিষয়ক প্ৰবন্ধ আৰু আলোচনী, সমালোচনা থকা সাহিত্য বিষয়ক গ্ৰন্থ সমূহ ভালদৰে অধ্যয়ন কৰিবা।

## 1.11 ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন কৰিবলৈ দিয়া সংকেত

পাঠত সন্নিবিষ্ট কৰা কবিতাটো পঢ়ি মাতৃভূমিৰ প্ৰতি থকা প্ৰবল অনুৰাগৰ কথা জানিব পাৰিলা। এনে ধৰণৰ বা অন্য ধৰণৰ বহুত অসমীয়া কবিতা আছে। সেই সম্পৰ্কে জনাৰ বাবে নিশ্চয় নানা ধৰণৰ প্ৰশ্ন তোমালোকৰ মনত উদয় হ'ব। গতিকে তেনে প্ৰশ্ন মুক্ত বিদ্যালয় কৰ্তৃপক্ষলৈ লিখিত ভাৱে পঠাব পাৰিবা।

# ঘুনুচা

ৰচনা ঃ শৰৎ চন্দ্ৰ গোস্বামী

## 2.1 পাতনি আৰু উদ্দেশ্যাৱলী

'ঘুনুচা' প্ৰসিদ্ধ গল্পকাৰ শৰৎ চন্দ্ৰ গোস্বামীয়ে ৰচনা কৰা এটা চুটিগল্প। সাম্প্ৰতিক কালৰ সাহিত্যৰ অন্যতম জনপ্ৰিয় মাধ্যম হিচাপে চুটিগল্পই এক বিশেষ সমাদৰ লাভ কৰিছে। চুটিগল্পৰ জৰিয়তে ব্যক্তি তথা সমাজৰ সুখ-দুখ, আশা-আকাংক্ষাৰ প্ৰতিচ্ছবি, প্ৰকট হৈ উঠে। সংবাদ পত্ৰসমূহত নাৰী নিৰ্য্যাতন বিষয়টোৱে প্ৰায়ে শিৰোনামা দখল কৰা দেখা যায়। নাৰী নিৰ্য্যাতন বা শোষণ প্ৰায়ে আৰ্থিক দুৰৱস্থা, নিৰক্ষৰতা আৰু অন্ধ বিশ্বাস বা কুসংস্কাৰৰ বাবে হোৱা দেখা যায়। এই গল্পটিৰ জৰিয়তে এফালে সমাজৰ একশ্ৰেণী মানুহৰ অৰ্থলোভ, তথা নিষ্ঠুৰতা আৰু অন্যফালে সমাজৰ অসহয়া নাৰীৰ বুকুভৰা আৰ্তনাদ গভীৰভাৱে ফুটাই তোলা হৈছে।

এই গল্পটি পঢ়াৰ উদ্দেশ্য হ'ল—

◆ জনপ্ৰিয় সাহিত্য হিচাপে চুটিগল্পৰ লগত পৰিচয় কৰি দিয়া,

◆ আধুনিক অসমীয়া সাহিত্যৰ আৰম্ভণিৰ অসমীয়া চুটিগল্পৰ আৰ্হিৰ লগত পৰিচয় কৰি দিয়া।

◆ জতুৱা শব্দ আৰু খণ্ড বাক্যৰ যথোপযুক্ত প্ৰয়োগৰ লগত পৰিচয় কৰি দিয়া।

◆ সাহিত্যৰ ৰস-আস্বাদন কৰিবলৈ আগ্ৰহ জগাই তোলা

◆ সামাজিক পৰিবেশত নাৰীৰ যথাযোগ্য মূল্যাংকন কৰা আৰু

## 2.2 লেখক পৰিচিতি

পাঠটিৰ লেখক শৰৎ চন্দ্ৰ গোস্বামী। ১৮৮৭ চনত নলবাৰীত জন্মগ্ৰহণ কৰে। স্কুলীয়া শিক্ষা নলবাৰী আৰু গুৱাহাটীত লোৱাৰ পিছত কলিকতাৰ মেট্ৰোপলিটান কলেজৰ পৰা বি এ পাছ কৰে। গোস্বামীদেৱ এম এ শ্ৰেণীত ভৰ্তি হয় যদিও বিদ্যালয়ৰ উপ-পৰিদৰ্শকৰ চাকৰিত যোগদান কৰিবলগীয়া হোৱাত এম এ পৰীক্ষা দিব নোৱাৰিলে। পিছত কলিকতা বিশ্ববিদ্যালয়ৰ তলৰ ঢাকাৰ পৰা বি টি পাছ কৰে। চাকৰিৰ ব্যস্ততাৰ মাজতেই তেওঁ চুটিগল্প লিখাত মনোনিবেশ কৰে। তেওঁ লিখা চুটিগল্পবোৰ অতি উচ্চখাপৰ। তেওঁৰ সাহিত্যিক কৰ্মৰাজি হ'ল- পাণিপথ, বুদ্ধদেৱ, পৰীক্ষা, গল্পাঞ্জলি, ময়না, বাজিকৰ, মহাসমৰ, পেৰিক্লিচ, বহুশ্ৰেণী শিক্ষা প্ৰণালী আৰু শিক্ষকৰ সহচৰ। তেওঁৰ জীৱনৰ উল্লেখযোগ্য কৰ্ম হ'ল— সাহিত্য সভা প্ৰতিষ্ঠা। ১৯৪৪ চনত তেওঁৰ গুৱাহাটীত মৃত্যু হয়।

## 2.3 মূলপাঠ

### 2.3.1 মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথমভাগ

বাৰিষাৰ দিন। মনে মনে সূৰ্য্যদেৱে কেতিয়া বুৰ মাৰিলে ভালকৈ কোনোৱে ক'বই নোৱাৰিলে। কেন্ কেনীয়া বৰষুণ পৰিছে— ঝাপ্ ঝাপ্ ঝুপ্ ঝুপ্ । আকাশ মেঘেৰে ঢকা, তলত ভিজা মাটি, মাজে মাজে বা পানী, মাজে মাজে বা বোকা। নৈৰ ওপৰৰ সৰু বাটটিয়েদি এজনী তিৰোতা যাব লাগিছে। মুৰত আঁচলৰ এক লোচ দি বৰষুণৰ বিৰুদ্ধে যুদ্ধত সাজু হৈছিল, কিন্তু বৃষ্টি-দেৱতাই তিৰোতাজনীৰ এএন ধৃষ্টতা দেখি অত্যন্ত কুপিত হৈ তেওঁৰ গোটেই কাপোৰ-কানি তিয়াই পেলাইছে। খোজ দিছে খৰকৈ, যেন কোনো বিশেষ কাজ আছে। প্ৰথম দেখাত এওঁক ৩০/৩৫ বছৰীয়া যেন দেখি, কিন্তু অলপ ভালকৈ চালে বুজিব পাৰি মানুহজনীৰ বয়স ২৫/২৬ৰ ভিতৰতে, হয়তো কিবা কষ্ট বা বেমাৰত এনে অৱস্থা পাইছে। দেখাত যে বৰ ধুনীয়া এনে নহয়, কিন্তু ভাল অৱস্থাত থাকিলে মুনিজন-মনো-মোহনী নহওক, বিশেষণ-বিহীন-সুন্দৰী আখ্যাৰ উপযোগী। নদীৰ পাৰে পাৰে গৈ তেওঁ এটি সৰু খেৰৰ ঘৰ পালে, নৈৰ ওচৰতে, চাৰিওফালে বাৰীৰ নিচিনা অলপ হাবি-বন। খাব নোপোৱা মানুহৰ হাতৰ নিচিনা, ঘৰটিৰ চালৰ কামিবোৰ ওলাইছে। লেপি দিয়া বটাৰ বেৰবোৰৰ তলৰ ভাগটি মাটিয়ে খোৱা, প্ৰায়ভাগ মাটিয়েই বতাহ-বৰষুণ আৰু পোক-পৰুৱাৰ

**শব্দাৰ্থ**

কেন্ কেনীয়া (বিণ) : পাতলীয়াকৈ বহুসময় দি থকা বৰষুণ

ভিজা (বিণ) : তিতি থকা

লোচ (বি) : চাদৰৰ আঁচলৰ এটা অংশ

বৃষ্টি দেৱতা (বি) : বৰষুণ দেৱতা

ধৃষ্টতা (বি) : নিজৰ শক্তি বিবেচনা নকৰি কামলৈ আগবঢ়া কাৰ্য্য

কুপিত (বি) : খং উঠিছে

কাবৌ-কাকুতি (বিণ) : বাৰে বাৰে নম্ৰতাৰে কৰা মিনতি বা প্ৰাৰ্থনা।

ভূমিষ্ঠ (বি) : মাতৃ গৰ্ভৰ পৰা ওলাই পৃথিৱীত পৰা,

আশাৰ দীপ (বি) : আকাংক্ষিত বস্তু প্ৰাপ্তিৰ সম্ভাৱনা

অত্যাচাৰত খহি পৰিছে। চোতালখন সৰু, অপৰিষ্কাৰ, শেলাইৰে ভৰা। এটি কোণত চাৰিটি তাঁতশালৰ খুটা পোতা তিৰোতাজনী আহি এই চোতালত থিয় দিলে, আৰু কাতৰ স্বৰে মাতিলে, 'উঃ ৰাম! বাপা ঐ!' ঘৰৰ ভিতৰৰ পৰা পোহৰৰ ক্ষীণ ৰেখাৰ লগত ৰোগীৰ বেদনাসূচক এটি অস্ফুট ধ্বনি শুনা গ'ল।

এই ঘৰটি তিৰোতাজনীৰ। তেওঁৰ সংসাৰৰ একমাত্ৰ সম্বল, ৫/৬ বছৰীয়া পুতেক মণিৰাম। আজি ১২ দিন পুতেকৰ জ্বৰ, প্ৰথমতে দুই চাৰি দিন অলপ এৰা-পৰা কৰিছিল, কিন্তু আজি ৮/৯ দিন ল'ৰাটিক একেটা জ্বৰে পুৰি মাৰিব ধৰিছে। একো দিহা নাপাই দুখুনী বিধৱা মাকে আজি কবিৰাজৰ ওচৰলৈ গৈছিল। কবিৰাজক ঘৰলৈ আনিব পাৰে, এই আশা। কবিৰাজবিলাক যে দুখীয়াৰ প্ৰতি কেনে সদয় তাক তেওঁৰ ভাল জনা আছিল, সেইদেখি হাতৰ খাৰু চাৰিপাত বেচি সিকি এটি দিহা কৰি নিছিল, আৰু আহোতে ৰাতি হ'ব জানি ঘৰত চাকিটি জ্বলাই থৈ গৈছিল।

## 2.3.2 আলোচনা

এতিয়া আহা, ওপৰৰ পাঠাংশৰ কিছু আলোচনা কৰোহঁক। পাঠ্যৰ গল্পটিত এগৰাকী সমাজ শোষিত নাৰীক কেন্দ্ৰ কৰি লিখা এক মৰ্মান্তিক কাহিনী।

বাৰিষা বতৰৰ বৰষুণত তিতি তিতি এগৰাকী তিৰোতা নৈৰ ওপৰৰ সৰু বাটটিয়েদি গৈ আছিল। কম বয়সীয়া যদিও দুখ-কষ্টত পীড়িত কাৰণে তাইক বয়সীয়াল যেন দেখি। তাইৰ ঘৰটো সৰু, খেৰৰ। চোতালখনো সৰু, লেতেৰা, এটি কোণত তাঁতশাল এখনো আছিল। সৰু, ভঙা খেৰৰ পঁজা ঘৰটোৰ সন্মুখত বৰ কাতৰস্বৰে ভগৱানৰ নাম লৈ কাৰোবাক মাতিলে। ঘৰটোৰ ভিতৰত তাইৰ একমাত্ৰ সম্বল, ৫/৬ বছৰীয়া পুতেক মণিৰাম ১২ দিনীয়া জ্বৰত পৰি আছিল। তাইৰ হাতৰ খাৰু চাৰিপাত বেচি সিকি এটি লৈ ঔষধ আনিবলৈ গৈছিল, আৰু ৰাতি হ'ব বুলি জানি ঘৰটোৰ ভিতৰত চাকি এগছ জ্বলাই ঘৰটো পোহৰাই থৈ গৈছিল। এগৰাকী অসহায়া নাৰীয়ে অকলে বিপদ-বিঘিনিৰ লগত যুঁজি কেনেদৰে জীৱনটো অতিবাহিত কৰিছে সেইকথা এই পাঠাংশৰ মাজেৰে ব্যক্ত হৈছে।

## 2.3.3 প্ৰথম পাঠভাগৰ প্ৰশ্নাৱলী

এতিয়া কিছু চমু প্ৰশ্ন আলোচনা কৰি নিজৰ প্ৰগতি পৰীক্ষা কৰি চোৱা

১। বাৰিষাৰ দিনৰ বৰষুণ কেনে ধৰণৰ?

২। নৈৰ ওপৰৰ বাটটিয়েদি কোন কলৈ গৈ আছিল?

৩। বৰষুণৰ বিৰুদ্ধে তেওঁ কেনেদৰে সাজু হৈছিল?

৪। চোতালত থিয় হৈ তেওঁ কাতৰ স্বৰে কি বুলি মাতিছিল?

৫। ৰোগীজন কোন? তেওঁৰ কি বেমাৰ হৈছিল?

৬। খাৰুপাত বেচি তেওঁ কিমান পইচা পাইছিল?

## 2.3.4 মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ

উপক্ৰম (বি) : সূত্ৰপাত

চৰিক (বি) : অধিকাৰী.

দুৰদৃষ্টক্ৰমে (বি) : দুৰ্ভাগ্যৰ বাবে

মেলেকী (বি) : ৰাইজৰ মেলত অংশগ্ৰহণ কৰাত পাৰ্গত লোক।

দুশ্চৰিত্ৰা (বিণ) : বেয়া চৰিত্ৰৰ নাৰী

সুতৰাং (বি) : সেয়ে (আজি-কালি এই শব্দটি অসমীয়াত প্ৰচলন প্ৰায় নায়েই।)

লাঞ্ছিতা (বি) : অপমানিত,

বঞ্চিত (বি) : প্ৰাপ্য অধিকাৰৰ পৰা আঁতৰত থকা

পৰিত্যক্তা (বি) : যাক পৰিত্যাক কৰা হৈছে।

এইবাৰ পাঠৰ দ্বিতীয় ভাগ অধ্যয়ন কৰি চাওঁহক।

মানুহজনীৰ নাম ঘুনুচা। ঘুনুচাৰ ভাগ্য চিৰদিনে এনে নাছিল। অতীতত তেওঁ ধনীৰ জীয়েক, ধনীৰ বোৱাৰীয়েক আৰু ধনীৰ ঘৈণীয়েক আছিল। কিন্তু 'নীচৈৰ্গচ্ছত্যুপৰি চ দশা চক্ৰনেমিক্ৰমেণ' — ৰথৰ চকৰিৰ নিচিনা ভাগ্য কেতিয়াবা ওপৰলৈ উঠে, কেতিয়াবা বা তললৈ নামে। সংসাৰত সুখীৰো দুখ হয়, দুখীৰো দুখ হয়, নিৰ্ধনো ধনী হয়। সৰু কালত সুখত লালিত-পালিত হোৱা ঘুনুচাৰ উপযুক্ত বয়সত উপযুক্ত স্বামীৰ লগত বিয়া হয়, তেতিয়া তেওঁৰ সুখ আৰু সৌভাগ্য দহজনৰ ঈৰ্ষাৰ বিষয় আছিল। কিন্তু কালচক্ৰে তেওঁৰ পিতৃ আৰু শ্বশুৰ কুলৰ সকলোকে মৃত্যুৰ তলত পেলাই, তেওঁকে দুখৰ বোজা বৈ থাকিবলৈ এই সংসাৰৰ ওপৰত তুলি থৈ গ'ল। যেতিয়া তেওঁৰ স্বামীৰ মৃত্যু হয়, তেতিয়া ঘুনুচা গৰ্ভৱতী। সময়ত তেওঁৰ এটি পুত্ৰসন্তান ভুমিষ্ঠ হ'ল, ঘুনুচাই দুখৰ ভিতৰতো, মেঘৰ ভিতৰত বিজুলীৰ নিচিনা এটি সুখৰ ৰেখা দেখা পালে, দুৰৈত এটি আশাৰ দীপ জিলিকিল।

কিন্তু হিংসা আৰু লোভৰ প্ৰবল বতাহে সেই আশা দীপটিক অকালতে নুমাই পেলাবৰ উপক্ৰম কৰিলে। ঘুনুচাৰ এজন দেবৰ আছিল- তেওঁ ঘুনুচাৰ খুড়া-শহুৰেকৰ পুতেক। যেতিয়া ঘুনুচাৰ আপোনাৰ বুলিবৰ সকলো জহনী ৰোগত পৰি মৰি গ'ল, তেতিয়া এৱেঁই তেওঁৰ সম্পত্তিৰ প্ৰথম চৰিক হ'ল। সম্পত্তিৰ লোভত প্ৰথমতে কিছুমান দিন ঘুনুচাক বৰ আদৰ যত্ন কৰিলে। কিন্তু বৌৱেকক গৰ্ভৱতী জানি তেওঁৰ শান্তি নোহোৱা হ'ল। গৰ্ভত থকা শিশু যদি সম্পত্তিৰ উত্তৰাধিকাৰী হয়। ভুমিষ্ঠ হোৱাৰ আগেয়ে সেই শিশু নষ্ট কৰিবলৈ প্ৰথমতে বহুত যত্ন কৰিও কৃতকাৰ্য নহ'ল।

তেতিয়াও আশা আছিল- যদি ছোৱালী হয়। কিন্তু যেতিয়া দুৰ্দৃষ্টক্ৰমে ঘুনুচাই পুত্ৰ সন্তানহে প্ৰসৱ কৰিলে, তেতিয়া সুগুণসম্পন্ন দেৱৰৰ মনত যেন জুইহে জ্বলিল। গাৱৰ মেলেকীকসকলৰ লগলাগি ঘুনুচা দুশ্চৰিত্ৰা আৰু তেওঁৰ পুত্ৰ জহৰা তাক প্ৰমাণ কৰিবলৈ চেষ্টা কৰিবলৈ ধৰিলে। টকা পালে মেলেকিসকলৰ অসাধ্য কাম জগতত একো নাই, গতিকে প্ৰমাণ হ'ল, ঘুনুচাৰ পুত্ৰ জহৰা, তেওঁ দুশ্চাৰিণী, সুতৰাং সকলো সম্পত্তি তেওঁৰ দেৱৰৰ। চব-ডেপুটি চাহাবৰ ওচৰত নামজাৰিৰ দৰখাস্ত পৰিল, খাটিৰ আৰু ভেটিৰ জোৰত নামজাৰি হ'ল। সহায় -সম্পদ বিহীনা ঘুনুচা লাঞ্ছিতা, বঞ্চিতা আৰু পৰিত্যক্তা হৈ নৈৰ পাৰত এই ঘৰটিত দুবছৰৰ শিশু সন্তান মণিৰামক বুকুত বান্ধি লৈ বাস কৰিবলৈ ধৰিলে। আইন অনুসৰি পাবলগীয়া সম্পত্তি নাপালে। দুখীয়াৰ নো আইন-কানুন কি!

## 2.3.5 আলোচনা

এতিয়া পাঠৰ দ্বিতীয় ভাগ আলোচনা কৰি চাওঁহক।

দুৰ্ভগীয়া তিৰোতাজনীৰ নাম ঘুনুচা। তাই ধনীৰ জীয়েক, ধনীৰ বোৱাৰীয়েক, ধনীৰ ঘৈনীয়েক আছিল যদিও ভাগ্যৰ বিপৰ্যয়ত পৰিয়ালৰ সকলোকে হেৰুৱায়। পিছত তাই নিজৰে দেওৰেকৰ চক্ৰান্তৰ বলি হৈ পৰিছিল। তাই বিধৱা হোৱা সময়ত গৰ্ভৱতী আছিল। কিন্তু জ্ঞাতিসকলে তাইক গাৱৰ মেল বহুৱাই নানান বুদ্ধি কৰি দুঃচৰিত্ৰা হিচাপে প্ৰমাণ কৰিলে। মাটি-বাৰীসকলো গ'ল। সহায়-সম্পদহীনা এগৰাকী মাতৃয়ে ভগৱানক ধিয়াই একমাত্ৰ পুত্ৰক সাৰথি কৰি নৈৰ পাৰত খেৰীঘৰ এটাত থাকিবলৈ ল'লে। এই পৰিস্থিতি দেখি এনে ভাৱ হয় যেন পৃথিৱীৰ সকলো শক্তি ধনীসকলৰ হাতৰ মুঠিত। টকা থাকিলে বহুতো নোহোৱা কাম হৈ উঠিব পাৰে। দুখীয়া-দুৰ্বলৰ হৈ মাত মাতোতা কোনো নাই।

## 2.3.6 দ্বিতীয় পাঠভাগৰ প্ৰশ্নাৱলী

ওপৰৰ পাঠাংশৰ কিছু প্ৰশ্ন আলোচনা কৰি তোমাৰ প্ৰগতি পৰীক্ষা কৰি চোৱা।

৭। উল্লেখিত মানুহগৰাকীৰ ভাগ্য আগতে কেনেকুৱা আছিল?

৮। স্বামীৰ মৃত্যুৰ সময়ত ঘুনুচাৰ শাৰীৰিক অৱস্থা কেনেকুৱা আছিল?

৯। ঘুনুচাৰ দেৱৰেক কেনে প্ৰকৃতিৰ লোক আছিল?

১০। মেলেকীসকলে ঘুনুচাক কি বুলি প্ৰমাণিত কৰিলে?

সৰলা নাৰীৰ জীৱনৰ কেনে কৰুণ পৰিণতি ঘটে আৰু অসমীয়া সমাজৰ প্ৰচলিত কুসংস্কাৰ, অন্ধবিশ্বাস আদিয়ে জনসাধাৰণৰ জীৱন কেনে বিভীষিকাময় কৰি তোলে তাকে গল্পটিৰ জৰিয়তে দেখুৱাইছে। তদুপৰি অৰ্থই অনিষ্টৰ মূল— এই ভাবটিও ইয়াত স্পষ্টৰূপে অংকিত হৈছে।

## 2.3.9 তৃতীয় পাঠভাগৰ প্ৰশ্নাৱলী

ওপৰৰ পাঠাংশৰ কিছু প্ৰশ্ন দিয়া হ'ল। উত্তৰবোৰ কৰি তুমি নিজৰ প্ৰগতি পৰীক্ষা কৰি চোৱা।

১১। মণিৰামে কুপথ্য খাবলৈ কেনেদৰে সুবিধা পাইছিল?

১২। মণিৰামৰ জীৰ্ণ জ্বৰ পিছলৈ কি জ্বৰত পৰিণত হৈছিল?

১৩। কুলগুৰুক ঘুনুচাই ক'ত লগ পাইছিল?

১৪। ঘুনুচাই গুৰুদেৱৰ উপদেশৰ কিবা ফল পালেনে?

১৫। ঘুনুচাৰ শেষ পৰিণতি কি হ'ল?

## 2.4 মূলপাঠৰ সাৰাংশ

অকালতে জীৱনলৈ বাৰ্দ্ধক্য নামি অহা ঘুনুচা, এসময়ত ধনী ঘৰৰ জীয়ৰী, তথা বোৱাৰী আছিল, যদিও সম্প্ৰতি তেওঁ পথৰ ভিক্ষাৰিণী। স্বামী-আত্মীয়সকলৰ মৃত্যুৰ লগে লগে তেওঁৰ জীৱনলৈ দুখৰ পাহাৰ খহি পৰে। স্বামীৰ মৃত্যুৰ পিছত তেওঁৰ একমাত্ৰ সন্তান মণিৰামৰ জন্ম হয়। সম্পৰ্কীয় দেওৰেক এজনে ঘুনুচাৰ সম্পত্তিৰ অধিকাৰী হোৱাৰ কুবাসনাৰে ঘুনুচাক চৰিত্ৰহীনা বুলি সাজি তেওঁৰ সকলো সম্পত্তি নিজৰ নামত নামজাৰি কৰি ল'লে। ফলত পৰিত্যক্ত ঘুনুচাই নৈৰ পাৰত পঁজা এটিত দুবছৰীয়া পুতেক মণিৰামৰ লগত থাকিবলৈ ল'লে। পুতেক মণিৰামৰ জ্বৰ। চিকিৎসা কৰিবলৈ গৈ ঘুনুচাই হাতৰ-কাণৰ সকলো বেচি সৰ্বস্বান্ত হ'ল। জ্বৰ ভাল হ'ল যদিও মণিৰামে লগৰীয়াৰ লগত কুপথ্য খাই কলাজ্বৰত পৰিল। উপায়

নাপাই ঘুনুচাই স্বামীৰ শেষ চিন হিচাপে থকা আঙুঠিটো কবিৰাজৰক দি ঔষধ আনিলে। এদিন হঠাতে ঘুনুচাই কুলগুৰুক দেখা পাই তেওঁৰ বিপদৰ কথা জনাই ভৰিত দীঘল দি পৰিল। ব্যাভিচাৰিণী বুলি গুৰুৱে প্ৰথমতে ঘৃণা প্ৰকাশ কৰিছিল যদিও ঘুনুচাই দিয়া টকাটো হাতত লৈ গুৰুৱে অজস্ৰ আশীৰ্বাদ আৰু নাম-কীৰ্ত্তন কৰাৰ উপদেশ দি প্ৰস্থান কৰিলে। ইতিমধ্যে গুৰুৰ উপদেশ মতে খুজি-মাগি আনি হ'লেও নৈবদ্যাদি দি গুৰু-ব্ৰাহ্মণক সেৱা কৰিলে। তথাপি ঘুনুচাৰ মনৰ কামনা পূৰণ নহ'ল। একমাত্ৰ সন্তান মণিৰামে তাইক শোক সাগৰত পেলাই মৃত্যুক সাৱতি ল'লে। ঘুনুচা শোকে-সন্তাপে পাগলী হ'ল। পিচলৈ তাই মাটিৰে দেৱতা বামুণ গঢ়ি তাৰ ওপৰত নানান অত্যাচাৰ কৰিবলৈ ধৰিলে। মাজে মাজে তাইৰ কাতৰ কান্দোনে নিশাৰ নীৰৱতা ভেদ কৰি চৌদিশে এক জয়াল পৰিৱেশৰ সৃষ্টি কৰে।

## 2.5 টোকা

এতিয়া পাঠৰ ওপৰত ভিত্তি কৰি কেইটামান কথা আলোচনা কৰোহঁক।

**(ক) চুটিগল্প** ঃ- আধুনিক যুগৰ সাহিত্যৰ বিভিন্ন অংগৰ ভিতৰত সবাতোকৈ সমৃদ্ধিশালী অংগ হ'ল চুটিগল্প। চুটিগল্প কেইটামান বিশিষ্ট উপাদানেৰে গঠিত। সেয়া হ'ল- বিষয়-বস্তু, ঐক্য, কাহিনী, কথোপকথন, ৰচনা-ৰীতি। চুটিগল্পৰ বিষয়বস্তু এনে হ'ব লাগে যাতে, সি পাঠকৰ মনত উৎকণ্ঠা জগাই তুলিব পাৰে। লগতে সি হ'ব লাগে সংহত বা আটিল। সাধাৰণতে একোটা ঘটনাকে কেন্দ্ৰ কৰি বিষয় বস্তু ঘুৰি থাকে যদিও, কেতিয়াবা বিক্ষিপ্ত আৰু জটিল ঘটনাৰো সমাবেশ ঘটে। চুটিগল্পত একেটা ভাৱদৰ্শন আৰু একেটা আৰ্দশ আগত ৰাখি পোনপটীয়া ভাৱে কাহিনী বৰ্ণনা কৰা হয়। চুটিগল্পৰ নিৰ্দ্দিষ্ট কোনো ৰচনা-ৰীতি নাই যদিও ই বৰ্ণনামুলক, ইয়াত কথোপকথন থকিব পাৰে। চুটিগল্প কাহিনী প্ৰধান, চৰিত্ৰ প্ৰধান, অথবা পৰিবেশ প্ৰধানো হ'ব পাৰে। তদুপৰি বিষয়-বস্তুৰ ওপৰত ভিত্তি কবি চুটিগল্পক প্ৰেমমূলক, সামাজিক, প্ৰকৃতি বিষয়াক, অতি প্ৰাকৃত, হাস্য ৰস্যাত্মক, পাৰিবাৰিক, মনস্বত্বমূলক, ডিটেক্‌টিভ্ আদি শ্ৰেণীতো ভাগ কৰিব পাৰি। চুটিগল্প অসমীয়া গল্প সাহিত্যলৈ প্ৰাশ্চত্য সাহিত্যৰ অৱদান। অসমীয়া সাহিত্যত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ কলমতে চুটিগল্প অংকুৰিত হৈ পিছলৈ ফুলে-ফলে জাতিষ্কাৰ হৈ অসমীয়া সাহিত্যৰ ফুলনি উজ্বলাই তোলে।

**(খ) মুনিজন-মনো মোহিনী** ঃ- সাধাৰণ মানুহ যেন-তেন, ঋষি-মুনিৰ নিচিনা সাত্বিক মানুহৰো মন হৰণ কৰা নাৰীৰ ৰূপ বিশেষ।

**(গ) বিশেষণ-বিহীন সুন্দৰী ঃ-** অতিপাত সুন্দৰী নহয়, অথচ সুন্দৰী নুবুলি নোৱাৰি।

**(ঘ) সহায় সম্পদ বিহীনা ঃ-** একেবাৰে নিঠৰুৱা, যাৰ খেৰকুটাই সম্বল।

**(ঙ) জহনী ঃ-** মহামাৰী, যি ৰোগত একেলগে বহুত মানুহ মৃত্যু মুখত পৰে।

**(চ) হৰিনামে সবাকো কৰে সুসংগ ঃ-** ভগৱানৰ নাম -কীৰ্ত্তন কৰিলে ভাগ্য মুকলি, আৰু এইদৰে নাম-কীৰ্ত্তন কৰিলে সু-সংগত থকাৰ নিচিনা সুখ লাভ কৰা যায়।

**(ছ) বাৰিষাৰ বৰষুণৰ নিচিনা আশীৰ্বাদ ঃ-** বাৰিষাৰ বৰষুণ একেলেথাৰিয়ে পেৰ্‌পেৰাই দি থকাৰ নিচিনাকৈ দি থকা আশীৰ্বাদ।

**(জ) নামজাৰি ঃ -** মাটি-বাৰীৰ ভবান বন্দিৰ বহীত ক্ৰেতা বা উত্তৰাধিকাৰীৰ নাম নীতিগতভাৱে ভৰ্ত্তি কৰা ব্যৱস্থা।

## 2.6 সাধাৰণ অনুশীলনী

তলত পাঠভিত্তিক কিছু প্ৰশ্ন দিয়া হ'ল, অনুশীলন কৰি চোৱাচোন

১৬। পাঠটোৰ ভিত্তিত তলত দিয়া মন্তব্যবোৰ বিচাৰ কৰা আৰু খালী ঠাইত 'হয়' বা 'নহয়' বুলি লিখা—

ক) মানুহজনীৰ বয়স ২৫।২৬ ৰ ভিতৰতে

খ) আজি ১২ দিন পুতেকৰ জ্বৰ

গ) বাৰিষাৰ বৰষুণ পাতল।

ঘ) হৰিনামে কৰে সবাকো সুসংগ।

ঙ) দুখুনী ঘুনুচাৰ ক'তো দুখৰ অন্ত নপৰিল।

চ) এজন বিদেশী পথিকে ঘুনুচাক টকা দুটা দি গৈছিল

১৭। তলৰ প্ৰশ্নকেইটা মাত্ৰ এটা বাক্যত উত্তৰ দিবলৈ যত্ন কৰা ঃ

ক) ঘুনুচাৰ সম্বল বুলিবলৈ কি আছিল?

খ) ঘুনুচাৰ পুতেকৰ কি জ্বৰ হৈছিল?

গ) মেলেকীসকলে ঘুনুচাক অপবাদ কিয় দিলে?

ঘ) ভাগ্যক কিহৰ লগত তুলনা কৰা হৈছে?

## 2.6.1 বৈয়াকৰণিক অনুশীলনী

এতিয়া কিছু ব্যাকৰণ অনুশীলন কৰি চোৱাচোন।

প্ৰথমতে 'জতুঁৱা ঠাঁচ' আৰু 'খণ্ডবাক্য' ব্যৱহাৰ কৰি কিদৰে বাক্য গঠন কৰিব পাৰি তাক চোৱা যাওঁক। 'জতুঁৱা ঠাঁচ' মানে ভাষা ব্যৱহাৰৰ ঘৰুৱা ঠাঁচ বা ভংগি। সদায় ঘৰুৱাভাৱে ব্যৱহাৰ হৈ থকা শব্দবোৰ লিখিত ৰূপলৈ আহি ভাষাৰ ৰূপ লয় আৰু ফকৰা-যোজনা, পটন্তৰ-প্ৰবচন আদিয়ে 'খণ্ডবাক্য' অৰ্থাৎ বাক্য একোটাৰ এটা খণ্ড হিচাপে অৰ্থ প্ৰকাশ কৰে। কেতিয়াবা 'জতুঁৱা খণ্ডবাক্য' হিচাপে বাক্যত ব্যৱহৃত হৈ বাক্যটো অধিক শুৱলা আৰু স্পষ্ট কৰে। উদাহৰণ হিচাপে ঃ -

ক) চকু মুদা ঃ(মৃত্যু হোৱা) বহুতো কষ্ট খাই অৱশেষত মণিৰামে চকুমুদি সংসাৰৰ পৰা মুক্তি পালে।

খ) অজীন-পাতকি ঃ (মিলিব নোৱাৰা) আজি-কালিৰ দিনত অজীন-পাত কিৰ ক'তো স্থান নাই।

১৮। ওপৰত দিয়াৰ দৰে অৰ্থ প্ৰকাশক ধাক্য গঠন কৰিবলৈ চেষ্টা কৰি চোৱাচোন।

কেন্‌কেনীয়া, অস্ফুট ধ্বনি, কাবৌ-কাকুতি, আশাৰ দ্বীপ, অপত্য স্নেহ, বিজুলীৰ নিচিনা, চকু চৰহা, দীঘল দি, হাত-সৰা, লালিত-পালিত, চাওঁতে-চাওঁতে, ধাতু-উৰি গ'ল।

১৯। এতিয়া কিছু বিপৰীতাৰ্থক শব্দৰ উদাহৰণ চোৱা আৰু তলত দিয়া শব্দ কেইটাৰ বিপৰীতাৰ্থক শব্দ গঠন কৰি চোৱাচোন।

উদাহৰণ ঃ দিন -ৰাতি, অধম - উত্তম, গোপন- প্ৰকাশ

কৰি চোৱা ঃ- পৰিত্যক্ত, দুশ্চৰিত্ৰ, বিদেশী, কুপথ্য, বিধৱা।

২০। এইবাৰ পাঠত থকা সন্ধি কেইটামান ভাঙি আৰু যোৰা লগাই চোৱা

উচ্ছিষ্ট, দুশ্চৰিত্ৰ, ভূমিষ্ঠ, যজ্ঞ, বছৰ+ এক, নিঃ + ৰোগ, সম + তান

২১। এইবাৰ দীঘল বাক্য কেনেকৈ চুটি কৰি 'এটা শব্দত প্ৰকাশ কৰিব পাৰি, চেষ্টা কৰিচোৱা। উদাহৰণ ঃ যি সমাপ্ত হোৱা নাই — অসমাপ্ত, যি সকলো জানে— সৰ্বজ্ঞ

যি তিৰোতাৰ স্বামীৰ মৃত্যু ঘটিছে, মংগল কামনা কৰি কৰা হোম, যি সকলো অৰ্পন কৰিছে, যি বেয়া চৰিত্ৰৰ তিৰোতা, ভৰিৰ পৰা মূৰলৈকে , যি আগেয়ে হোৱা নাই।

২২। গল্পটোত কেইবাটাও উপমাৰ প্ৰয়োগ কৰা হৈছে। তাৰে তিনিটা লিখি উলিওৱা।

## 2.6.2 বোধজ্ঞানমূলক প্ৰশ্ন

২৩। এইবাৰ সম্পূৰ্ণ পাঠটি পঢ়ি লৈ তলত দিয়া চমু প্ৰশ্নকেইটাৰ উত্তৰ লিখিবলৈ যত্ন কৰা (উত্তৰ সংকেতত উত্তৰ দিয়া হোৱা নাই)

ক)ঘুনুচাৰ বয়স কিমান আছিল?

খ) ঘুনুচাৰ ঘৰটো কেনেকুৱা আছিল?

গ) মণিৰামৰ কি হৈছিল?

ঘ) ঘুনুচাই হাতৰ খাৰু কিয় বেচিব লগা হৈছিল?

ঙ) ছব্-ডেপুটি চাহাবে ঘুনুচাৰ প্ৰতি কিয় অন্যায় কৰিলে?

চ) ঘুনুচাৰ স্বামীৰ প্ৰথম সন্মিলনত পোৱা বস্তুপদ কি আছিল?

ছ) গুৰুদেৱে ঘুনুচাক কি উপদেশ দিছিল?

জ) হিংসা আৰু লোভক কিহৰ লগত তুলনা কৰা হৈছিল?

ঝ) নৈৰ পাৰৰ পাগলীজনী কোন?

২৪। তলৰ পৰিচ্ছেদটো পাঠৰ অন্তৰ্ভুক্ত। পৰিচ্ছেদটো মনোযোগেৰে পঢ়ি চোৱা আৰু শেষত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ কৰা।

'সংসাৰত হৰি ভক্তি গুৰু-বামুণৰ প্ৰতি শ্ৰদ্ধায়ে হৈছে আচল বস্তু। সেয়ে হ'লে সংসাৰৰ ৰোগ-শোক, পাপে-তাপে আৰু কি কৰিব পাৰে? ঘুনুচাই নাম-কীৰ্ত্তন পাঠ-স্বস্ত্যয়ন কৰক, গুৰু-ভকতক ভক্তি কৰক, তেনেহ'লে মণিৰাম দুদিনতে ভাল হ'ব। সৰলা ঘুনুচাই গুৰু-বাক্যকে সৰোগত কৰি লৈ দেৱতা-গুৰু-বামুণক পূজা-পাতাল দি চাব খুজিলে। ঘুনুচাৰ দুখৰ কথা শুনি এজন বিদেশী পথিকে তেওঁক এটি টকা দি গৈছিল। তেওঁ সেই টকাটি আনি গুৰুৰ চৰণত সমৰ্পণ কৰিলে। গুৰুদেৱে বাৰিষাৰ বৰষুণৰ নিচিনা আশীৰ্বাদৰ অজস্ৰ ধাৰ পেলাই প্ৰস্থান কৰিলে।'

ক) সংসাৰৰ আচল বস্তুবিধ কি?

খ) 'স্বস্ত্যয়ন কি?

গ) ঘুনুচাই গুৰুৰ চৰণত কি সমৰ্পণ কৰিছিল আৰু সেইটো তাইক কোনে দিছিল?

ঘ) গুৰুদেৱৰ আশীৰ্বাদক কিহৰ লগত তুলনা কৰা হৈছে।

ঙ) 'প্ৰস্থান কৰা'— শব্দটো প্ৰয়োগ কৰি এটা বাক্য সাঁজা?

## 2.7 সৃষ্টিধৰ্মী প্ৰশ্ন

তলৰ প্ৰশ্নকেইটাৰ উত্তৰ সংকেত দিয়া নাই। নিজে লিখি অভ্যাস কৰিবা।

২৫। এতিয়া তলত দীঘল প্ৰশ্নকেইটামান দিয়া হ'ল। সেইবোৰৰ উত্তৰ পাঠত পোনপটীয়াকৈ পাবলৈ নাই; অথচ অকণমান ভাবি চালেই সেইবোৰৰ উত্তৰ বিচাৰি পাবা। অভ্যাস কৰি চোৱাচোন।

ক) চুটিগল্পৰ জৰিয়তে কি ভাব প্ৰকাশ কৰিব পাৰি?

খ) নাৰী নিৰ্য্যাতন কিহৰ কাৰণে হোৱা দেখা যায়?

গ)'দুখুনী ঘুনুচাৰ ক'তো দুখৰ অন্ত নপৰিল'— দুখুনী ঘুনুচাৰ দুখৰ অন্ত নপৰাৰ কাৰণ লিখি উলিওৱা।

ঘ) 'দুখীয়াৰনো আইন কানুন কি'— কথাষাৰ ঘুনুচাৰ ক্ষেত্ৰত প্ৰযোজ্য হৈছে নে? বিচাৰ কৰি টোকা প্ৰস্তুত কৰা।

ঙ) ঘুনুচা গল্পৰ যোগেদি সেই সময়ৰ সমাজখনৰ ছবি কেনেদৰে প্ৰকাশ পাইছে লিখা।

চ) 'দেৱ-দ্বিজ-ভক্তিত বাদে কি আছে' - কথাষাৰ কোনে কি প্ৰসংগত কৈছিল, বিৱৰি লিখা।

ছ) লেখকৰ চমু পৰিচয় দাঙি ধৰা।

জ) 'এতিয়া ঘুনুচা নাই, মণিৰামো নাই'— দুয়ো সঁচাকৈয়ে নাইনে?

ঝ) গল্পটো ৰচনাৰ আনুমানিক সময়-সীমা কিমান ?

## 2.8 চমু প্ৰশ্নৰ উত্তৰৰ সংকেত

এতিয়া পাঠৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় ভাগত দিয়া চমুপ্ৰশ্নসমূহৰ উত্তৰৰ সংকেত দিয়া হ'ল—

১। বাৰিষাৰ বৰষুণ কেন্‌কেনীয়া।

২। নৈৰ ওপৰেদি এগৰাকী দুখীয়া তিৰোতা ঘৰলৈ গৈ আছিল।

৩। মূৰত আঁচলৰ এটা লোচ দি বৰষুণৰ বিৰুদ্ধে যুঁজ দিবলৈ সাজু হৈছিল।

৪। চোতালত থিয় হৈ তেওঁ কাতৰ স্বৰে 'উঃ ৰাম! বাপা ঐ' - বুলি মাতিছিল।

৫। মানুহজনীৰ ৫।৬ বছৰীয়া একমাত্ৰ পুত্ৰ মণিৰাম। তাৰ জ্বৰ হৈছে।

৬। খাৰুপাত বেচি তেওঁ সিকি এটা পাইছিল।

৭। মানুহজনীৰ ভাগ্য আগতে বৰ ভাল আছিল। তেওঁ ধনীলোকৰ জীয়ৰী, বোৱাৰী আৰু ঘৈণীয়েক আছিল।

৮। স্বামীৰ মৃত্যুৰ সময়ত ঘুনুচা গৰ্ভৱতী আছিল।

৯। ঘুনুচাৰ দেৱৰজন হিংসুক আৰু অৰ্থলোভী প্ৰকৃতিৰ লোক আছিল।

১০। মেলেকীসকলে টকাৰ লোভত ঘুনুচাক দুশ্চৰিত্ৰা বুলি প্ৰমাণ কৰিলে।

১১। ঘুনুচাৰ খুজিবলৈ যোৱাৰ সুৰুঙাৰে মণিৰামে লগৰীয়াৰ লগত লগ লাগি আম, কঠাল, তিয়ঁহ, প্ৰভৃতি কুপথ্য খাবলৈ সুবিধা পাইছিল।

১২। কলা-জ্বৰত পৰিণত হৈছিল।

১৩। ঘুনুচাই এদিন নৈৰ পৰা গা ধুই আহোতে কুলগুৰুক নদীৰ পাৰত গা ধুই অহা দেখা পালে।

১৪। ঘুনুচাই গুৰুদেৱৰ উপদেশ মতে বিভিন্ন পুজা-পাতল কৰিও একো ফল পোৱা নাছিল।

১৫। ঘুনুচাই জীৱনৰ শেষ পৰিণতিত এজনী পাগলী হৈছিল।

এতিয়া সাধাৰণ অনুশীলনীত থকা প্ৰশ্নৰ উত্তৰ সংকেত দিয়া হ'ল।

১৫। ক) হয়, খ) নহয়, গ) নহয়, ঘ) হয়, ঙ) হয়, চ) হয়,

১৭। ক) মণিৰামেই ঘুনুচাৰ একমাত্ৰ সম্বল আছিল।

খ) মণিৰামৰ জ্বৰ নাড়ীত লাগি জীৰ্ণজ্বৰ হৈ পিছলৈ কলাজ্বৰত পৰিণত হৈছিল।

গ) মেলেকীসকলে টকাৰ লোভতে ঘুনুচাক অপবাদ দিছিল।

ঘ) ভাগ্যক ৰথৰ চকৰিৰ লগত তুলনা কৰা হৈছে।

১৮। বাক্য ৰচনা

- বাৰিষাৰ কেনকেনীয়া বৰষুণে বৰ আমনি লগায়।
- বেমাৰীজনৰ কষ্ট-জৰিত এটি অস্ফুট ধ্বনি শুনা গৈছিল।
- ঘুনুচাই কাবৌ-কাকুতি কৰিও কবিৰাজজনৰ হৃদয় গলাব নোৱাৰিলে।

- সৰ্বস্বান্ত হোৱাৰ পিছত লটাৰীৰ পুৰস্কাৰটো পাই বিজয়ৰ মনৰ মাজত আশাৰ দ্বীপ জ্বলি উঠিল।

- মাতৃজাতি অপত্য স্নেহৰ গৰাকী অপৰিসীম।

- দুখৰ মাজতো পুত্ৰক দেখা পাই ঘুনুচাই বিজুলীৰ নিচিনা এচেৰেঙা আশাৰ পোহৰ দেখা পালে।

- ঘুনুচাৰ দেউতাৰেক বৰ চকু-চৰহা লোক আছিল।

- গুৰুৰ আগত ঘুনুচাই দীঘল দি পৰিল।

- ৰেলখনে কোনোমতে সাম্ভাব্য বিপদৰ পৰা হাত সাৰিল।

- ঘুনুচা সৰুৰে পৰা বৰ আৰামেৰে লালিত-পালিত হৈছিল।

- চাওঁতে চাওঁতে আমাৰ নতুন শতিকা আহি পৰিল ।

- বাঘটো সন্মুখত দেখি কণল'ৰাৰ ধাতু উৰি গ'ল।

১৯। অনুৰক্ত, সুচৰিত্ৰ, দেশী, সুপথ্য, সধবা।

২০। উৎ+ছিষ্ট, দুঃ + চৰিত্ৰ, ভূমি + ইষ্ঠ, যজ + ন, বছৰেক, নিৰোগ, সন্তান।

২১। বিধবাস্বস্ত্যয়ন, সমৰ্পন, দুশ্চৰিত্ৰ, আপাদমস্তক, অভূতপূৰ্ব।

## 2.9 অতিৰিক্ত পঠন উপদেশ

চুটিগল্পৰ বিষয়ে ভালদৰে জ্ঞান অৰ্জন কৰিবৰ বাবে তলত উল্লেখ কৰা গ্ৰন্থকেইখন পঢ়িবা—

১) অসমীয়া চুটিগল্প অধ্যয়ন— ড° প্ৰহ্লাদ কুমাৰ বৰুৱা,

২) গল্প সাহিত্য — ত্ৰৈলোক্য নাথ গোস্বামী।

৩। অসমীয়া চুটিগল্প সংকলন— অসম প্ৰকাশন পৰিষদ।

## 2.10 ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন সুধিবলৈ দিয়া সংকেত

ওপৰৰ পাঠটো পঢ়ি চুটিগল্প সম্পৰ্কে কিছু জ্ঞান লাভ কৰিছা। ইয়াতকৈয়ো বেছি জানিবলৈ তোমাৰ আগ্ৰহ হ'ব পাৰে। গল্পৰ ক্ষেত্ৰতো বিষয়বস্তু আৰু ষ্টাইলৰ যথেষ্ট পৰিবৰ্তন হৈছে। সাম্প্ৰতিক আলোচনীৰ পাতত পঢ়িবলৈ পোৱা গল্পৰ লগত এই গল্পৰ প্ৰকাশশৈলীৰ ভেদ লক্ষ্য কৰিব পাৰা। গল্পত তুলি ধৰা ধৰণৰ দৰিদ্ৰতা আৰু নিদাৰুণতাৰ মাত্ৰা সম্পৰ্কেও তোমাৰ সংশয় জাগিব পাৰে। এই সকলো বিষয়ে বা অন্য কোনো বিষয়ে যদি তোমাৰ মনত কিবা প্ৰশ্ন উদয় হয়, বিলম্ব নকৰি সুধি পঠিয়াব পাৰা।

গোট 3

# নিউয়র্ক

ৰচনা ঃ হেম বৰুৱা

## 3.1 পাতনি আৰু উদ্দেশ্যাৱলী

'নিউয়র্ক' হেম বৰুৱাদেৱে ৰচনা কৰা ভ্ৰমণ কাহিনীৰ এটা অংশ। ভ্ৰমণ কাহিনী সাহিত্যৰ অবিচ্ছেদ্য অংগ। বহির্জগতৰ প্ৰাকৃতিক, ৰাজনৈতিক অর্থনৈতিক, সামাজিক খা-খবৰ আমি ভ্ৰমণ কাহিনীৰ যোগেদি লব পাৰো। ভ্ৰমণ কাহিনী পঢ়ি আমি নিজে দেশ-বিদেশলৈ নগৈয়ো ঘৰতে বহি দেশ-বিদেশৰ কথা জানিব পাৰো। ভ্ৰমণ কাহিনী সাধাৰণতে প্ৰথম পুৰুষত লিখা হয়। বর্ণনা বৰ বিশদ হয়। সেয়ে ভ্ৰমণ কাহিনী পঢ়িলে আমি নিজৰ ব্যক্তিগত অভিজ্ঞতা পুনৰ মনত পেলাই আনক কৈ শুনোৱা যেন পাওঁ।

পাঠত এই ভ্ৰমণ কাহিনীটো সন্নিবিষ্ট কৰাৰ উদ্দেশ্য হ'ল—

- ভ্ৰমণ কাহিনী বর্ণনাৰ এটা বিশেষ শৈলী আছে, সেই শৈলীৰ লগত তোমাক চিনাকি কৰি দিয়া,
- লেখকে ভ্ৰমণ কাহিনীৰ মাজেৰে আমি নেদেখা এখন ঠাইৰ ছবি জ্বল-জ্বল পট-পটকৈ দাঙি ধৰে, তাৰ আভাসো তোমাক দিয়া আৰু
- ভিন্ন দেশৰ সমাজ-সংস্কৃতি, ৰীতি-নীতি, ভৌগোলিক জ্ঞান, বিশেষকৈ আমেৰিকাৰ প্ৰাণকেন্দ্ৰ নিউয়র্ক সম্পর্কে তোমাৰ জ্ঞান বঢ়োৱা।

## 3.2 লেখক পৰিচিতি

এতিয়া ভ্ৰমণ কাহিনীটোৰ লেখক সম্পর্কে অলপ জানি লওঁ আহা। লেখক হেম বৰুৱাদেৱৰ জন্ম হয় ১৯১৫ চনত আৰু মৃত্যু হয় ১৯৭৭ চনত। তেওঁ সাহিত্য

আৰু ৰাজনীতি উভয়তে দক্ষতাৰ চিনাকি দিছিল। তেওঁ এগৰাকী বহুমুখী প্ৰতিভাৰ লোক আছিল। তেওঁ একাধাৰে কবি, সমালোচক, প্ৰবন্ধকাৰ, ভ্ৰমণ কাহিনী লেখক আৰু সাংবাদিক আছিল। ৰাজনৈতিক বিচক্ষণতা, পাণ্ডিত্য আৰু বাকপটুতাৰে তেওঁ সকলোকে মুগ্ধ কৰিছিল। তেওঁ একেৰাহে চৈধ্য বছৰ কাল (১৯৫৭-১৯৭১) লোকসভাৰ সদস্য আছিল। 'পছোৱা', 'সাদিনীয়া অসমীয়া',আৰু 'আসাম এক্সপ্ৰেছ' আদি কাকতৰ যোগেদি তেওঁ সাংবাদিকতা কৰিছিল। গুৱাহাটী বি, বৰুৱা কলেজৰ অধ্যক্ষ হিচাপে থাকি তেওঁ প্ৰশাসনিক দক্ষতা দেখুৱাইছিল আৰু এই কলেজৰ উন্নতি সাধিছিল।

'বালিচন্দা', 'মন-ময়ুৰী' আদি তেওঁৰ কবিতা পুথি। 'সাহিত্য আৰু সাহিত্য', 'স্মৃতিৰ পাপৰি', 'আচুঁফুল', 'সানমিহলি', 'ছিন্নমূল' তেওঁৰ সমালোচনা মূলক গ্ৰন্থ। হেম বৰুৱাৰ ভ্ৰমণ কাহিনীৰ পুথি,সমূহ হ'ল — 'সাগৰ দেখিছা', 'ৰঙা কৰবীৰ ফুল', 'ইজৰাইল' আৰু মেকং নৈ দেখিলো। 'দি ৰেড ৰিভাৰ এণ্ড দি ব্লু হিল', 'দি ফেয়াৰচ এণ্ড ফেচটিভেলচ অৱ আসাম', 'মডাৰ্ন এছামিজ পয়েট্ৰি', 'এছামিজ লিটেৰেছাৰ' আদি ইংৰাজীত লিখা পুথি। এইদৰে বিভিন্ন দিশত হেম বৰুৱাই তেওঁৰ দক্ষতা দেখুৱাই গৈছে।

## 3.3. মূলপাঠ

### 3.3.1. মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথম ভাগ

**শব্দাৰ্থ**

চালুকীয়া (বিণ) ঃ কুমলীয়া

জাতি হিচাপে আমেৰিকা তেনেই চালুকীয়া। ইয়াৰ জন্ম হৈছিল মাথোন তিনি শ বছৰৰ আগতে। যৌৱন হবৰ মাথোন এশ সত্তৰ বছৰ হৈছে। ইয়াৰ লগত আমাৰ যেতিয়া প্ৰায় তিনি হাজাৰ বছৰীয়া পুৰণি জাতিটোৰ তুলনা কৰোঁ, তেতিয়াই সকলো পাৰ্থক্য জ্বল্-জ্বল্ পট্-পটকৈ ওলাই পৰে।.........

ন-চহকী (বি) ঃ নতুন ধনী

ৱশ্বিংটন চহৰত থাকোঁতে 'ন্যাছ'নেল্ গেলেৰী অৱ আৰ্ট' বোলা শিল্প-কলাৰ যাদুঘৰলৈ গৈছিলোঁ। ইয়াৰ লগতে আৰু দুটা শিল্পাগাৰ আছে। এটাৰ নাম 'ফ্ৰিয়াৰ আৰ্ট গেলেৰী'। আনটোৰ নাম 'ডি স্মিতছনিয়ানম আৰ্ট গেলেৰী'। দুয়োটা এগৰাকী দানশীল ব্যক্তিৰ ধনেৰে তৈয়াৰী। এই দুয়োখন ঠাইলৈকে গৈছিলোঁ। ইয়াতে সেই ন-চহকীৰ ধনৰ গৰ্বটো চকুত খোজে পতি ধৰা পৰিছিল। ন্যাছ'নেল্ আৰ্ট গেলেৰীৰ বিষয়ে এনে দৰে লিখা আছে ঃ 'ই পৃথিবীৰ বৃহৎতম মাৰ্বলৰ ভৱনৰ এটা, ই ওখই ৭৮৫ ফুট আৰু ইয়াৰ মজিয়াৰ মাটি কালি ৫০০,০০০ বৰ্গ ফুট। ইয়াৰ প্ৰদৰ্শনযোগ্য এলেকাৰ পৰিমাণ ২৩৮ ০০০ বৰ্গ ফুট।' এইয়া হৈছে কাকতত লিখি থোৱা কথা।

ন্যাছ'নেল্ আর্ট গেলেৰী, ফ্ৰিয়াৰ শিল্পাগাৰ ইত্যাদিত কি দেখিছিলোঁ এই বিষয়ে দুআষাৰ লিখাটো উচিত হ'ব। দ্বিতীয়খন শিল্পাগাৰত চীন দেশীয় ভাস্কৰ্য্য আৰু শিল্প সংগ্ৰহে সহজতে মানুহৰ দৃষ্টি আকৰ্ষণ নকৰাকৈ নেথাকে। এইবোৰত ইটালীয়ান্, ফৰাছী, স্পেনিছ, জাৰ্ম্মানি আদি শিল্প সংগ্ৰহো উভৈনদী হৈ আছে। ৰং আৰু ইংগিতৰ সমাবেশৰ পিনৰ পৰা জাপানী ছবিবোৰ বিশেষভাবে চিত্তাকৰ্ষকঃ এইবোৰ নিৰীক্ষণ কৰি মোৰ এনে ধাৰণা উপজিছিল। ভাৰতীয় ছবি আৰু ভাস্কৰ্য্যৰ প্ৰদৰ্শন তেনেই আঙুলিৰ মূৰত লেখিব পাৰি। চিত্ৰসমূহৰ ভিতৰত পাহাৰী আৰু কংগ্ৰা আৰ্টৰ কিছু প্ৰতিনিধিমূলক নিদৰ্শন চকুত পৰিছিল। মোগল যুগৰ কেইখন মান ছবি আৰু কাঠৰ বন কৰা এযোৰ দুৱাৰ চকুত পৰিছিল। চীন দেশীয় কাংছি (১৬৬২-১৭৭২), আৰু ছাও যুগৰ (খৃঃ পূঃ ১০০০ বছৰ) লানি লগাই সজাই থোৱা নানাবুলীয়া বনকৰা সৰু-বৰ পাত্ৰসমূহে যাদুঘৰৰ নিমজ কোঠাবোৰত ইন্দ্ৰজাল আঁকিছে বুলিলে সৰহ ক'ব নেলাগে। লগতে ১৩৬০ ৰ সময়ৰ আৰবত তৈয়াৰী এটা 'আয়নাৰ পাত্ৰ'ও চকুত পৰিছিল।......

উভৈনদী (বিণ) ঃ প্ৰচুৰ

আঙুলিৰ মূৰত লেখা (বি) ঃ সহজে গণা

বন কৰা (বিণ) ঃ কাৰুকাৰ্য

যাদুঘৰ (বি) ঃ য'ত পুৰণি মূল্যবান বস্তু ৰাখি থোৱা হয়।

ইন্দ্ৰজাল (বি) ঃ ভোজবাজি, যাদু, মেজিক

প্ৰাচ্যৰ ভাস্কৰ্য্যৰ ওপৰত বৌদ্ধ-সংস্কৃতিৰ প্ৰভাৱ কেনে প্ৰখৰভাবে পৰিছিল, সেই বিষয়ে সুকীয় আলোচনাৰ সকাম নাই। সভ্যতা-সংস্কৃতিৰ পম খেদোঁতা প্ৰত্যেকেই ইয়াৰ ভু-ৰাখিছে। আমাৰ বৈদিক যুগ দৰ্শনতত্ত্বৰ ফালৰ পৰা সমৃদ্ধিশালী যদিও বৌদ্ধ যুগেই যে সমূহীয়া দৃষ্টিকোণৰ পিনৰ পৰা সকলো বিষয়ে সৰ্বতোভাবে সমৃদ্ধিশালী এই বিষয়ে সন্দেহ নাই। তৰহে-তৰহে ভাস্কৰ্য্যৰ ক্ষেত্ৰত বুদ্ধ মূৰ্ত্তিসমূহ নেদেখালৈকে অনুমান কৰিব পৰা নাছিলোঁ। ইয়াত দেখা মূৰ্ত্তিবোৰৰ সৰহ ভাগেই চীন দেশীয়। আমাৰ 'কামৰূপ অনুসন্ধান সমিতি'ৰ যাদুঘৰত যিটো আটাইতকৈ চকুত লগা বুদ্ধ মূৰ্ত্তি আছে সেইটো জানো ব্ৰহ্ম দেশীয় নহয়? অৱশ্যে এইটোৰ উদ্ধাৰ হৈছিল উজনি অসমতহে । ই আক্ৰমণকাৰী মান সেনা অসম এৰি উলটি যাওঁতে সম্ভৱতঃ এৰি থৈ যোৱা বুদ্ধ মূৰ্ত্তি। ..... ইয়াৰ যাদুঘৰত যিখন দেশৰ বৌদ্ধ ধৰ্মৰ জন্ম হৈছিল, সেইখন দেশৰ এখনৰ বাহিৰে দ্বিতীয়খনত বুদ্ধ মূৰ্ত্তি নাই। আনহাতে চীন আদি আন দেশৰ বুদ্ধ মূৰ্ত্তি চাই চকুৰ বিষ নুঠাকৈ নেথাকে। ভাৰতৰ প্ৰতিনিধি হিচাপে যি এখন বুদ্ধ মূৰ্ত্তি আছে, সেইখন অৱশ্যে জাকত জিলিকা। এইখন হৈছে এলানি মূৰ্ত্তি, বুদ্ধৰ জীৱনৰ মূল স্তৰ কেইটা ইয়াত বিভিন্ন ভংগীৰে ৰূপায়িত কৰা হৈছেঃ 'জন্ম', জ্যোতি-লাভ', 'প্ৰথম প্ৰৱেশ', 'মৃত্যু'। এই মূৰ্ত্তিবোৰ এবিধ কাউৰীকলীয়া চকচকীয়া শিলত খোদিত কৰা হৈছে। এনে শিলৰ নমুনা তেজপুৰৰ বামুণী পাহাৰৰ ভগ্ন স্তূপৰ মাজত দেখা মনত আছে। সম্ভৱতঃ ই 'গ্ৰেনাইট' বা গ্ৰেনাইট্ জাতীয় এবিধ শিল। এনে জটিল বিষয়ে সঠিককৈ কোৱা আমাৰ পক্ষে টান। বস্তুটো দেখি মনলৈ ভাব আহিছিল— 'আজি যদি লগত বিৰিঞ্চি বৰুৱা বা প্ৰেম চৌধুৰী

ভাস্কৰ্য (বি) ঃ শিল, ধাতু আদিৰ মূৰ্ত্তি সজা বিদ্যা

প্ৰখৰ (বিণ) ঃ প্ৰচণ্ড, বৰ চোকা

সুকীয়া (বিণ) ঃ বেলেগ

পম খেদি (ক্ৰি) ঃ অতি গুৰি বিচাৰ

সমৃদ্ধিশালী (বি) ঃ সম্পত্তিশালী, অৱস্থাপন্ন

জাকত জিলিকা ঃ বহুতৰ মাজত শোভা পোৱা

কাউৰীকলীয়া ঃ কাউৰৰ নিচিনা ক'লা ৰং

থাকিলহেঁতেন, মই এনে দৰে ভাবি মুৰ ঘমাব নেলাগিলহেঁতেন।' ইয়াৰ বাহিৰেও ভাৰতীয় ভাস্কৰ্য্যৰ নিদৰ্শন আৰু এটা বস্তুত আছে। সেইটো হওঁতে বৌদ্ধ মূৰ্ত্তি নহয়। ই হৈছে 'ত্ৰি-বিক্ৰমৰ মূৰ্ত্তি'। মূৰ্ত্তিৰ তলত লেখা আছে 'One of the twenty-four images of Vishnu(11th-12th century)' ইয়াৰ যাদুঘৰৰ বস্তু আৰু এইবোৰৰ সংৰক্ষণ আৰু প্ৰদৰ্শন পদ্ধতিৰ বৈজ্ঞানিক প্ৰণালী মন কৰিবলগীয়া।....

## 3.3.2 আলোচনা

এতিয়া আহা, এই পাঠাংশৰ কিছুকথা আলোচনা কৰোঁ।

নিউয়ৰ্ক পাঠাংশ হেম বৰুৱাৰ 'সাগৰ দেখিছা' ভ্ৰমণ কাহিনী পুথিৰ পৰা লোৱা হৈছে। এই পাঠাংশ পঢ়িলে জাতি হিচাপে আমেৰিকা ভাৰততকৈ যে আবচীন সেই কথা জানিব পাৰি। ভাৰতৰ সভ্যতা প্ৰায় তিনি হাজাৰ বছৰীয়া পুৰণি। তেনে স্থলত আমেৰিকা তেনেই নতুন জাতি। কিন্তু আমেৰিকা ধনী দেশ হিচাপে পৃথিৱীত পৰিচিত হৈছে। হেম বৰুৱাই আমেৰিকা ভ্ৰমণ কৰি নতুন চহকী দেশ এখনৰ গৰ্ব এটা লক্ষ্য কৰিছিল। সেয়েহে তেওঁ এই পাঠত লিখিছে— 'ন-চহকীৰ ধনৰ গৰ্বটো চকুত খোজে পতি ধৰা পৰিছিল।

নিউয়ৰ্কৰ ফ্ৰিয়াৰ শিল্পাগাৰত যি চীন দেশীয় ভাস্কৰ্য্য আৰু শিল্প সংগ্ৰহ আছে, সিয়ে ভ্ৰমণকাৰীক সহজে আকৰ্ষণ কৰে। তাত ইটালীয়ান, ফৰাচী, স্পেনিজ, জাৰ্মনি, আদি ঠাইৰ শিল্প সংগ্ৰহো আছে।

আনহাতে তাত তেওঁ ভাৰতীয় ছবি আৰু ভাস্কৰ্য্যৰ প্ৰদৰ্শন খুব কম দেখিছিল। তাত মোগল যুগৰ কেইখনমান ছবি আৰু কাঠৰ বনকৰা এযোৰ দুৱাৰো হেম বৰুৱাৰ চকুত পৰিছিল।

বৌদ্ধ সংস্কৃতিৰ প্ৰভাৱ প্ৰাচ্যৰ ভাস্কৰ্য্যৰ ওপৰত পৰিছে। এই যাদুঘৰত ৰক্ষিত বৌদ্ধ মূৰ্ত্তিবোৰ দেখি হেম বৰুৱাৰ মনত নানা প্ৰশ্ন উদয় হৈছিল। তাত ৰক্ষিত বৌদ্ধ মূৰ্ত্তিবোৰৰ সৰহ ভাগেই চীন দেশীয়। সেই বৌদ্ধ মূৰ্ত্তিবোৰ দেখি লেখকৰ মন 'কামৰূপ অনুসন্ধান সমিতি'ৰ যাদুঘৰত দেখা আটাইতকৈ চকুত লগা বৌদ্ধ মূৰ্ত্তিটোলৈ উৰা মাৰিছিল। এই বৌদ্ধ মূৰ্ত্তিটো ব্ৰহ্মদেশীয় বুলি তেওঁ ধাৰণা কৰিছিল। এইটো মান সেনাই আক্ৰমণ কৰি অসম এৰি যোৱাৰ সময়ত বৈ যোৱা বুদ্ধ মূৰ্ত্তি বুলি ভাবিছিল। কিন্তু নিউয়ৰ্কৰ যাদুঘৰত তেওঁ ভাৰতৰ পৰা সংগ্ৰহ কৰা চালে চকুৰোৱা

বৌদ্ধমূৰ্ত্তি এলানি দেখিবলৈ পাইছিলো। এইবোৰ হ'ল গ্ৰেনাইট পাহাৰত খোদিত বুদ্ধদেৱৰ চাৰিটা স্তৰৰ প্ৰতিকৃতি। ইয়াৰ উপৰি তাত তেওঁ এটা সুন্দৰ 'ত্ৰি-বিক্ৰমৰ মূৰ্ত্তি' দেখিবলৈ পাইছিল।

নিউয়ৰ্কৰ যাদুঘৰৰ বস্তু আৰু সেইবোৰৰ সংৰক্ষণ তথা প্ৰদৰ্শন পদ্ধতিৰ বৈজ্ঞানিক প্ৰণালীয়ে হেম বৰুৱাৰ মন বিশেষভাৱে আকৰ্ষণ কৰিছিল।

## 3.3.3. প্ৰথম পাঠভাগৰ প্ৰশ্নাৱলী

এতিয়া আহা, আমি পাঠাংশৰ ওপৰত কিছু চমু প্ৰশ্ন আলোচনা কৰোঁ।

১। ৱশ্বিংটন চহৰত থাকোতে হেম বৰুৱাই শিল্প কলাৰ কোনটো যাদুঘৰলৈ গৈছিল? তাত আৰু কি কি আছে?

২। ক) জাতি হিচাপে আমেৰিকাৰ সভ্যতা কিমান পুৰণি?

খ) আমেৰিকাৰ যৌৱন হোৱাৰ কিমান বছৰ হৈছে?

৩। ক্ৰিয়াৰ শিল্পাগাৰত কিহে লেখকৰ দৃষ্টি আকৰ্ষণ কৰিছিল?

৪। লেখকৰ মতে 'বৈদিক যুগ' আৰু 'বৌদ্ধ যুগ'ৰ বিশেষত্ব কি কি?

৫। কিহৰ কাৰণে জাপানী ছবিবোৰ বিশেষভাৱে চিত্তাকৰ্ষক?

৬। নিউয়ৰ্কৰ যাদুঘৰত থকা ভাৰতীয় বুদ্ধ মূৰ্ত্তিখনিৰ মন কৰিব লগীয়া বিষয় কি কি?

## মূলপাঠ

## 3.3.4. মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ

শব্দাৰ্থ

নাম গোন্ধ : চিন-চাপ

আৰ্ট গেলেৰীৰ ভাৰতীয় প্ৰতিনিধিমূলক বস্তুসমূহ আঙুলিৰ মূৰত লেখিব পাৰি। অসমৰতো নাম গোন্ধেই নাই। কিন্তু ইয়াৰ যিটো 'ন্যাছ'নেল্ জুলজিকেল্ পাৰ্ক' অৰ্থাৎ জাতীয় চিৰিয়াখানা, তাত হ'লে ভাৰত আৰু অসম, উভয়ৰে লেখত ল'বলগীয়া চিন আছে। ইয়াত আমাৰ হাতী দুটা আছে।

গড়াল (বি) : জন্তু ৰাখিবলৈ ৰখা ঠাই

এটাৰ নাম আশোক। আন জনীৰ শান্তি। সিহঁত দুয়োটাকে লোৰ গড়ালত বন্দী অৱস্থাত দেখি, নিজৰ জন্মভূমিৰ পৰা ইমান দুৰৈত, মনটো মোৰ বেয়া লাগিছিল। যি আশোক নামে ভাৰতৰ মুক্ত আকাশত শিহৰণ তোলে, সেই একেটা নামেৰে হাতী পোৱালিটো আজি বিদেশীৰ গড়ালত বন্দী, আৰু বেচেৰী শান্তি জনী - তায়ো অশোকৰ লগতে একেটা লোৰ গড়ালতে আমেৰিকাৰ ঘেঁহ চোবাইছেহি। তোতিয়া প্ৰায় সাজ লাগি আহিছিল। বাহিৰৰ আকাশখন নিৰ্মল, নিকা। 'শান্তি'ৰ দৰেই নিৰ্জ্জু। শান্তিলৈ মোৰ বৰ মৰম লাগিছিল।......

বে-পৰোৱা ঃ খাটিৰ নকৰা

তথা লাগ ঃ ৰ লাগি চা

সাৰ সিকতি (বি) ঃ জাগৰণ

ৰাখ (ক্রি) ঃ খবৰ ৰাখ

লেৰেলা সাদৰ ঃ মৰহা মৰম, পলমকৈ দেখুৱা কৃত্রিম মৰম

আৰু আমাৰ সেই গঁড় কেইটা? সিহঁতৰ কি যে গাম্ভীৰ্য্য, কি যে উদাসীনতা! লগতে কি যে বে-পৰোৱা ভাব! কিমান যে মানুহ আহিছে গৈছে। সিহঁতক তথা লাগি চাইছে। তথাপি সিহঁতৰ অকণো সাৰ-সিকতি নাই। অকণো সহাঁৰি নাই। আমি দুজন অসমীয়া আছিলোঁ। কনক মহন্ত আৰু মই। আনকি আমাৰ ফাললৈকো সিহঁতে এবাৰো নেচালে। সিহঁতৰ আমি ছবি লৈছিলোঁ। সিহঁতে যেন আমাৰ লেৰেলা সাদৰ ভাল পোৱা নাছিল। মনলৈ মোৰ কবিতা আহিছিল। কবিতাৰ আন এটা নাম শ্লোক। শোকৰ লগত শ্লোকৰ যেনো নিবিড় সম্বন্ধ। গঁড় দুটাৰ কথা ভাবি মনটো মোৰ সেমেকি পৰিছিল ঃ

'সিহঁতৰ চকুৰ পতাত হয়তো
কাজিৰঙাৰ কজলা সপোন,
কাজিৰঙা হাঁয় কিমান দূৰ?'

ইয়াৰ লগতে নিউয়ৰ্ক চহৰৰ ৰক্‌ফেলাৰ ছেণ্টাৰ্, এম্পায়াৰ ষ্টেট বিল্ডিং, ইউ এন অ' বিল্ডিং — এইবোৰ চাবলগীয়া বস্তুও চাইছিলোঁ। এইবোৰৰ বিষয়ে জানিবলগীয়া সকলো খবৰ অৱশ্যে আমাৰ যেই কোনো 'সাধাৰণ জ্ঞান'ৰ পুথি নাইবা 'য়েৰ্ বুকে' যোগাব। গতিকেই এইবোৰ বিষয়ে আন বিশেষ লিখিবলগীয়া একো নাই।

## 3.3.5. আলোচনা

তুমি মন কৰিছানে মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথম ভাগত হেম বৰুৱাই নিউয়ৰ্কৰ আৰ্ট গেলাৰিত ভাৰতীয় প্ৰতিনিধিমূলক বস্তুসমূহ নিচেই কম দেখিবলৈ পাইছিল। সেইবোৰ আঙুলিৰ মূৰত লেখিব পাৰি। কিন্তু এই পাঠৰ দ্বিতীয়ভাগত নিউয়ৰ্কৰ জাতীয় চিৰিয়াখানাত ভাৰত আৰু অসম উভয়েৰে লেখত ল'বলগীয়া চিন হেম বৰুৱাই দেখা পাইছিল। তাত আমাৰ দেশৰ দুটা হাতী তেওঁ দেখিছিল। তাৰে এটাৰ

নাম 'অশোক' আৰু আনজনীৰ নাম 'শান্তি'। 'অশোক' আৰু 'শান্তি'ক লোৰ গড়ালত বন্দী অৱস্থাত দেখি তেওঁৰ মনত বেয়া লাগিছিল। তুমি নিশ্চয় জানা, 'অশোক' নামটোৱে ভাৰতীয় মানুহৰ মনত কেনে শিহৰণ তোলে। সেই নামেৰে ৰখা 'আশোক' নামৰ হাতীটো আজি বি শীৰ গড়ালত বন্দী। অশোকৰ লগতে 'শান্তি' জনীয়েও একেটা গড়ালতে আমেৰিকাৰ ঘেঁহ চোবাইছে, বননিৰ গছলতা খাবলৈ পোৱা নাই।

নিউয়ৰ্কৰ জাতীয় চিৰিয়াখানাত হেম বৰুৱাই আমাৰ ইয়াৰ দুটা গঁড় দেখি সিহঁতৰ গাম্ভীৰ্য্য, উদাসীনতা আৰু বে-পৰোৱা ভাব লক্ষ্য কৰিছিল। সিহঁতক চাবলৈ যোৱা মানুহবোৰক সিহঁতে মূৰ তুলি নেচাইছিল। এনেকি একে ঠাইৰ পৰা যোৱা হেম বৰুৱা আৰু কনক মহন্তকো মূৰ তুলি নাচালে। তেওঁলোকে দেখুৱা মৰম গঁড়কেইটাই যেন লেৰেলা সাদৰ বুলি ভাবিছিল। এই দুখতে হেম বৰুৱাৰ মনত কবিতাৰ ভাব আহিছিল। কবিতাৰ আন এটা নাম শ্লোক। শোকৰ লগত শ্লোকৰ সম্বন্ধ আছে। গঁড় দুটা বন্দী অৱস্থাত দেখি লেখকৰ কাজিৰঙাত মুক্তভাৱে বিচৰণ কৰা গঁড়বোৰলৈ মনত পৰিছিল। সেয়ে, তেওঁ কবিৰ ভাষাৰে ভাবিছিল, 'কাজিৰঙা হায় কিমান দূৰ?'

নিউয়ৰ্ক চহৰৰ ৰকফেলাৰ ছেণ্টাৰ, এম্পায়াৰ ষ্টেট বিল্ডিং, ইউ এন অ' বিল্ডিং চাই তেওঁ তৃপ্তি লভিছিল।

## 3.3.6. দ্বিতীয় পাঠভাগৰ প্ৰশ্নাৱলী

এতিয়া আহা পাঠাংশৰ দ্বিতীয় ভাগৰ কিছু চমু প্ৰশ্ন আলোচনা কৰোঁ—

৭। নিউয়ৰ্কৰ আৰ্ট গেলাৰীত অসমৰ কিবা চিন আছে নে?

৮। নিউয়ৰ্কৰ জাতীয় চিৰিয়াখানাত অসমৰ লেখত ল'বলগীয়া চিন কি কি আছে?

৯। চিৰিয়াখানাত লেখকৰ মনটো কিয় বিষণ্ণ হৈছিল?

১০। চিৰিয়াখানাত দেখা গঁড়কেইটাৰ কি কি লক্ষণ বৰ্ণনা কৰা হৈছে?

১১। শোকৰ লগত কিহৰ নিবিড় সম্বন্ধ আছে?

১২। নিউয়ৰ্কৰ জাতীয় চিৰিয়াখানা চাবলৈ যোৱা দুজন অসমীয়াৰ এজন আছিল হেম বৰুৱা; আনজন কোন?

## 3.4 মূল পাঠৰ সাৰাংশ

জাতি হিচাপে আমেৰিকা তেনেই চালুকীয়া, প্ৰায় তিনিশ বছৰৰ আগতে জন্ম। আমেৰিকাই মাথোন এশ সত্তৰ বছৰ আগেয়ে যৌৱন পায়। আনহাতে ভাৰতৰ সভ্যতা প্ৰায় তিনি হাজাৰ বছৰ পুৰণি। কিন্তু আজি আমেৰিকা ধনী দেশ বুলি পৃথিৱীত পৰিচিত হৈছে। আমেৰিকাবাসীৰ ন-চহকীৰ ধনৰ গৰ্বটো, খোজে প্ৰতি পৰিলক্ষিত হয়। নিউয়ৰ্কৰ ফ্ৰিয়াৰ শিল্পাগাৰত যি চীনদেশীয় আপুৰুগীয়া ভাস্কৰ্য্য আৰু শিল্প সংগ্ৰহ আছে, সিয়ে ভ্ৰমণকাৰীক সহজে আকৰ্ষণ কৰে। তাত ইটালিয়ান, ফৰাচী, স্পেনিছ, জাৰ্মান আদি ঠাইৰ শিল্প সংগ্ৰহো আছে। আনহাতে তাত ভাৰতীয় ছবি আৰু ভাস্কৰ্য্যৰ প্ৰদৰ্শন খুব কম আছিল।

নিউয়ৰ্কৰ যাদুঘৰৰ বস্তু আৰু সেইবোৰৰ সংৰক্ষণ আৰু প্ৰদৰ্শন পদ্ধতিৰ বৈজ্ঞানিক প্ৰণালীও মন কৰিবলগীয়া।

নিউয়ৰ্কৰ আৰ্ট গেলাৰীত ভাৰতীয় প্ৰতিনিধিমূলক বস্তু নিচেই কম। কিন্তু নিউয়ৰ্কৰ জাতীয় চিৰিয়াখানাত ভাৰত আৰু অসম উভয়ৰে লেখত ল'বলগীয়া চিন আছে। সেয়া হ'ল হাতী আৰু গঁড়। তাত থকা হাতীটোৰ নাম 'অশোক' আৰু হাতীজনীৰ নাম 'শান্তি'। দুয়োকে লোৰ গড়ালত বন্দী অৱস্থাত দেখি লেখকৰ মনত বেয়া লাগিছিল।

তাত থকা গঁড় দুটাৰ গাম্ভীৰ্য্য, উদাসীনতা আৰু বে-পৰোৱা ভাবে লেখকক বিচলিত কৰিছিল। সিহঁতক চাবলৈ যোৱা মানুহবোৰলৈ সিহঁতে মূৰ তুলি চোৱা নাছিল। এনেকি লেখক আৰু মহন্তলৈকো। তেওঁলোকৰ মৰম যেন লেৰেলা আদৰ। তাকে দেখি লেখকৰ মনলৈ কবিতা আহিছিল। সেয়ে, তেওঁ কবিৰ ভাষাৰে ভাবিছিল, 'কাজিৰঙা হায় কিমান দুৰ?'

লেখকে নিউয়ৰ্ক চহৰৰ ৰক্ ফেলাৰ ছেণ্টাৰ, এম্পায়াৰ ষ্টেট বিল্ডিং, ইউ এন অ' বিল্ডিং চাইছিল; কিন্তু এইবোৰৰ বহল বিৱৰণ তেওঁ দিয়া নাই।

## 3.5 সাধাৰণ অনুশীলনী

এতিয়া তুমি ওপৰৰ পাঠটোৰ ভিত্তিত আন কিছু প্ৰশ্নৰ উত্তৰ কৰা ঃ

১৩। আমি ভ্ৰমণ কাহিনী কিয় পঢ়িব লাগে?

১৪। এইটো কোন দেশৰ ভ্ৰমণ কাহিনী?

১৫। পাঠটোৰ লেখকৰ চমু পৰিচয় দিয়া।

১৬। ভাৰতীয় সভ্যতাৰ লগত আমেৰিকাৰ সভ্যতাৰ প্ৰভেদ ক'ত?

১৭। পাঠটোৰ সাৰমৰ্ম বুজাই চমুকৈ লিখাঁ।

১৮। নিউয়ৰ্কৰ ফ্ৰিয়াৰ শিল্পাগাৰত লেখকে কি কি দেখিছিল চমুকৈ লিখাঁ।

১৯। নিউয়ৰ্কৰ জাতীয় চিৰিয়াখানাত লেখকে যি দেখিছিল তাৰ এটি বিৰৰণ দিয়া।

২০। 'ইয়াৰ যাদুঘৰত যিখন দেশত বৌদ্ধ ধৰ্মৰ জন্ম হৈছিল, সেইখন দেশৰ এখনৰ বাহিৰে দ্বিতীয়খনত বুদ্ধ মূৰ্ত্তি নাই।' ইয়াত কোনখন দেশৰ কথা ক'ব খোজা হৈছে?

২১। লেখকে কামৰূপ অনুসন্ধান সমিতিলৈ কিয় মনত পেলাইছে?

২২। তেজপুৰৰ বামুণী পাহাৰত কি আছে?

২৩। লেখকে কি প্ৰসংগত বিৰিঞ্চি কুমাৰ বৰুৱালৈ মনত পেলাইছে?

২৪। 'যি অশোক নামে ভাৰতৰ মুক্ত আকাশত শিহৰণ তোলে.....।' ইয়াত কোন অশোকৰ কথা কোৱা হৈছে?

২৫। শান্তিজনীৰ প্ৰকৃতি কেনেকুৱা?

২৬। 'আনকি আমাৰ ফাললৈকো সিহঁতে এবাৰো নেচালে।' ইয়াত 'আমি' কোন? আৰু 'সিহঁত' কোন?

২৭। 'কাজিৰঙা হায় কিমান দূৰ?' কোনে কাজিৰঙালৈ মনত পেলাইছে আৰু কিয়?

## 3.6 খণ্ডবাক্য আৰু জতুৱা ঠাঁচৰ প্ৰশ্ন

২৮। তলত দিয়া খণ্ড বাক্য আৰু জতুৱা ঠাঁচকেইটাৰে একোটাকৈ বাক্য ৰচনা কৰাঁঃ

চকুৰ বিষ উঠা, আঙুলিব মূৰত লেখা, লেৰেলা সাদৰ, উভৈনদী, তধা লগা, ভু ৰখা, জাকত জিলিকা।

## 3.7 পাঠভিত্তিক শব্দৰ প্ৰতিশব্দ আৰু ভিন্নাৰ্থ বিচাৰ

২৯। তলত দিয়া শব্দ কেইটাৰ প্ৰতিশব্দ দিয়াঁ ঃ—

ইন্দ্ৰজাল, প্ৰখৰ, প্ৰভাৱ, যাদুঘৰ, লেৰেলা।

৩০। তলত দিয়া শব্দকেইটা একাধিক অৰ্থত ব্যৱহাৰ কৰি বাক্য ৰচনা কৰাঁঃ

বন, যাদু, গঁড়, বিষ

## 3.8 চমুপ্ৰশ্নৰ উত্তৰ সংকেত ঃ

১। 'ন্যাছনেল্ গেলাৰী অব্ আৰ্ট বোলা শিল্পকলাৰ যাদুঘৰলৈ গৈছিল। তাত আৰু দুটা শিল্পাগাৰ আছে। এটাৰ নাম 'ফ্ৰিয়াৰ আৰ্ট গেলেৰী' আৰু আনটোৰ নাম 'ডি স্মিতছনিয়ান আৰ্ট গেলেৰী।'

২। (ক) জাতি হিচাপে আমেৰিকা তেনেই চালুকীয়া। ইয়াৰ সভ্যতা তিনিশ বছৰ পুৰণি।

(খ) যৌৱন হ'বৰ মাথোন এশ সত্তৰ বছৰ হৈছে।

৩। চীন দেশীয় ভাস্কৰ্য্য আৰু শিল্প সংগ্ৰহে।

৪। বৈদিক যুগৰ বিশেষত্ব দৰ্শন তত্ত্ব আৰু বৌদ্ধযুগ সমূহীয়া দৃষ্টিকোণৰ পৰা সমৃদ্ধিশালী।

৫। ৰং আৰু ইংগিতৰ বিশেষত্বৰ কাৰণে জাপানী ছবিবোৰ চিত্তাকৰ্ষক।

৬। এই ভাৰতীয় বুদ্ধমূৰ্ত্তিখন জাকত জিলিকা। ইয়াত বুদ্ধৰ জীৱনৰ মূল স্তৰকেইটা বিভিন্ন ভংগীৰে ৰূপায়িত কৰা আছে। 'জন্ম', 'জ্যোতিলাভ' 'প্ৰথম প্ৰৱেশ', 'মৃত্যু' ।

৭। নিউয়ৰ্কৰ আৰ্ট গেলেৰীত অসমৰ কোনো চিন নাই।

৮। দুটা হাতী আৰু কেইটামান গঁড়।

৯। লোৰ গবালত 'অশোক' আৰু 'শান্তি' নামৰ হাতী দুটা বন্দী অৱস্থাত দেখিছিল।

১০। গঁড় দুটাৰ গাম্ভীৰ্য্য আৰু উদাসীনতা বে-পৰোৱা ভাব।

১১। শোকৰ লগত শ্লোকৰ নিবিড় সম্বন্ধ আছে।

১২। আনজন আছিল কনক মহন্ত।

(১৩ নম্বৰৰ পৰা ১৯ নম্বৰ প্ৰশ্নলৈ উত্তৰ তুমি নিজে কৰা।)

২০। ইয়াত ভাৰতৰ কথা কোৱা হৈছে।

২১। ফ্ৰিয়াৰ শিল্পাগাৰত বৌদ্ধ মূৰ্ত্তি দেখি লেখকৰ কামৰূপ অনুসন্ধান সমিতিৰ মূৰ্ত্তিলৈ মনত পৰিছিল।

২২। তেজপুৰৰ বামুণী পাহাৰত কাউৰীকলীয়া চক্‌চকীয়া শিল আছে।

২৩। ফ্ৰিয়াৰ শিল্পাগাৰত দেখা গ্ৰেনাইট জাতীয় এবিধ শিলৰ সঠিক নিৰ্ণয় কৰিব নোৱাৰি লেখকে বিৰিঞ্চি কুমাৰ বৰুৱালৈ মনত পেলাইছিল।

২৪। ভাৰতৰ মহান অশোকৰ কথা কোৱা হৈছে।

২৫। শান্তিজনীৰ প্ৰকৃতি নিৰ্জু

২৬। ইয়াত 'আমি' হ'ল হেম বৰুৱা আৰু কনক মহন্ত। 'সিহঁত' হ'ল নিউয়ৰ্কৰ জাতীয় চিৰিয়াখানাত থকা অসমৰ গঁড় দুটা।

২৭। ইয়াত হেম বৰুৱাই নিউয়ৰ্কৰ জাতীয় চিৰিয়াখানাত অসমৰ গঁড়কেইটা দেখি কাজিৰঙালৈ মনত পেলাইছে।

২৮। ভোজবাজি, প্ৰচণ্ড, প্ৰতাপ, সংগ্ৰহালয়, মৰহা

২৯। বন ঃ (ক) ৰাস্তাৰ দাঁতিত বন গজিছে (খ) বন কৰা কাপোৰখন পিন্ধি ওলাইছে (গ) ল'ৰাটোৰ কাম বন নাই.

যাদু ঃ (ক) মালিকৰ ভাষাত যাদু আছে।
(খ) আমি যাদুঘৰ দেখিছোঁ।

গঁড় ঃ (ক) কাজিৰঙাৰ গঁড় পৃথিৱীৰ বিখ্যাত।
(খ) দাউনীৰ চাৰিওকাষে গড়খাৰৈ আছে।

বিষ ঃ (ক) চিঠিলৈ বাট চাই চকু বিষাল।
(খ) তেওঁ বিষ খাই প্ৰাণ ত্যাগ কৰিলে।

## 3.9 অতিৰিক্ত পঠন উপদেশ

তুমি হেম বৰুৱাৰ ভ্ৰমণ কাহিনীৰ বিষয়ে অতিৰিক্ত পাঠ পঠন কৰি আনন্দ লাভ কৰিব পাৰা। সেইবাবে তেওঁৰ এই কেইখন পুথি পঢ়িব পাৰা। (১) সাগৰ দেখিছা (২) ৰঙা কৰবীৰ ফুল (৩) ইজৰাইল (৪) মেকং নৈ দেখিলোঁ। বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'আমেৰিকাৰ চিঠি' এখন সুখ পাঠ্য পুথি

## 3.10 ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন কৰিবলৈ দিয়া সংকেত

তুমি ভ্ৰমণ কাহিনীৰ এই পাঠটো পঢ়ি ভ্ৰমণ সম্পৰ্কে নিশ্চয় কিছু ধাৰণা কৰিব পাৰিছা। এই পাঠটো পঢ়ি তোমাৰ মনত অনেক প্ৰশ্ন উদয় হ'ব পাৰে। তুমি ভাবিব পাৰা লেখকেনো কিয় আমেৰিকাৰ কথা কবলৈ গৈ ভাৰতৰ কথাও উল্লেখ কৰিছে, তাৰ যাদুঘৰৰ মূৰ্ত্তি চাই কামৰূপ অনুসন্ধান সমিতিলৈ মনত পেলাইছে বা তেজপুৰৰ কীৰ্ত্তিৰ কথা দোহাৰিছে? তুমি এইটোও ভাবিব পাৰা ভ্ৰমণ কাহিনীত নো? কবিতা কিয় দিব লাগে? এনে এশ এবুৰি প্ৰশ্ন তোমাৰ মনলৈ আহিব পাৰে। তেনে প্ৰশ্নৰ উত্তৰ বিচাৰি আমালৈ লিখি পঠিয়াব পাৰা।

গোট 4

# বিভাগীয় ফাইলৰ চানেকি

ৰচনা ঃ ড° ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা

## 4.1 পাতনি আৰু উদ্দেশ্যাৱলী

নাগৰিক হিচাপে সুস্থ জীৱন-যাপন কৰিবৰ কাৰণে আমি নানা সময়ত চৰকাৰী কাৰ্য্যালয়ৰ লগত লেন-দেন কৰিবলগীয়া হওঁ। চৰকাৰী কাৰ্য্যালয়ত কেনে ধৰণে আমাৰ দৰ্খাস্ত আদি গ্ৰহণ কৰি তাৰ ওপৰত যথাবিহিত কাৰ্য্যব্যৱস্থা হাতত লয় সেই বিষয়ে আমাৰ বহুতৰে ধাৰণা নাই। বিদ্যালয়ৰ শিক্ষা সাং কৰি কোনো কাৰ্য্যালয়ত কেৰাণী হিচাপে কামত সোমালে কেনে ধৰণে ফাইল চাব লাগে, টোকা আদি লিখিব লাগে সেই বিষয়ে ক'তো শিকোৱা নহয়। এই পাঠৰ জৰিয়তে তোমাক সেই বিষয়ে শিকাবৰ যত্ন কৰা হৈছে।

এই পাঠ শেষ কৰিলে তুমি

- চৰকাৰী কাৰ্য্যালয়লৈ দৰ্খাস্ত লিখিব পাৰিবা,
- কাৰ্য্যালয়ৰ টোকা লিখিব পাৰিবা, লগতে দীঘল কথা সংক্ষেপতে লিখিব পাৰিবা।
- কাৰ্য্যালয়ৰ কাম কাজত প্ৰচলিত আৰবী আৰু পাৰচী শব্দ প্ৰয়োজনৰ সময়ত ব্যৱহাৰ কৰিব পাৰিবা।
- বহুতো খণ্ডবাক্য আৰু জঁতুৱা ঠাচ ব্যৱহাৰ কৰিব পৰা হবা।
- টোকা বা প্ৰতিলিপি কৰোঁতে ঘাই শব্দ (Key word) ৰ ব্যৱহাৰ সম্পৰ্কে আমি কিমান সতৰ্ক হোৱা উচিত সেই বিষয়ে সচেতন হ'বা আৰু
- কেনেকৈ শব্দ প্ৰয়োগ চাতুৰীৰে সাধাৰণ কথাকে পাঠকৰ চিত্তাকৰ্ষক কৰি তুলিব পাৰি তাৰ কৌশল অৱলম্বন কৰিব পাৰিবা।

## 4.2 মূলপাঠ ঃ পৌৰনিগমৰ ফাইলৰ চানেকি

### 4.2.1 মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথম ভাগ

প্ৰথম পৰ্য্যায় ঃ ৰাজহুৱা আৰ্জিৰ প্ৰাপ্তি

মাননীয় পৌৰ নিগমৰ আয়ুক্ত মহোদয়ৰ সমীপেষু

বিষয় - অৰুণোদয় পথৰ দুৰৱস্থা-আশু মেৰামতিৰ বাবে গোহাৰি

মহাশয়,

অৰুণোদয় পথ উন্নয়ন সংগ্ৰাম সমিতিৰ হকে নিম্ন স্বাক্ষৰকাৰীৰ সবিনয় নিবেদন এই যে ৰাজধানী চৌহদৰ উপকণ্ঠত অৱস্থিত অৰুণোদয় পথৰ অৱস্থা অতিশয় শোচনীয় হৈ পৰিছে। ৰাস্তাটোত মাজে মাজে গাঁত হোৱাৰ উপৰিও তিনি ঠাইত খাৰা অৰ্থাৎ নৰ্দমা হৈছে। ফলত এই এলেকাৰ বাসিন্দাসকলৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে। পঢ়াশলীয়া কণ-কণ ল'ৰা-ছোৱালীসকলে আঁঠুৱনীয়া বোকাপানী-গচকি বিদ্যালয়লৈ অহা-যোৱা কৰিবলগীয়া হোৱাত তেওঁলোকৰ দুখ কুলাই পাচিয়ে নধৰাহৈছে। ডাক্তৰৰ ওচৰলৈ বা চিকিৎসালয়লৈ যাব নোৱাৰি, বুঢ়া-মেথা আৰু ৰোগীসকলে চেণ্ডেল খুলি মেখেলা উজাই হাতত লাখুটি লৈ খুপি-খুপি অহা-যোৱা কৰাৰ দৃশ্য এখন জাতীয় কাগজত ছপাই দিল্লীৰ সাংবাদিক এজনে বিশিষ্ট সাংবাদিকৰ বঁটা পোৱাৰ কথা আপোনাৰ নিশ্চয় অবিদিত নহয়। ৰাস্তা মেৰামতিৰ বাবে দৰ্খাস্ত দি যোৱা ডেৰ বছৰে সহকাৰী কাৰ্য্যবাহী অভিযন্তাৰ অফিচলৈ তাঁত বাতি কাঢ়ি আমি দুখীয়া কৰদাতাসকল ভাগৰি পৰিছো।

সেয়ে মহোদয়ৰ ওচৰত বিনীত অনুৰোধ জনালোঁ যাতে অনতিবিলম্বে উক্ত পথৰ মেৰামতিৰ ব্যৱস্থা কৰি এই অঞ্চলৰ ৰাইজৰ দুখ-দুৰ্গতি মোচন কৰে। ইতি

বিনীত

হাতীগাওঁ — শ্ৰীবোধেশ্বৰ ভূঞা

১৭ জুন, ৯৯ — সচিব, অৰুণোদয় পথ উন্নয়ন সংগ্ৰাম সমিতি

**শব্দাৰ্থ**

উপকণ্ঠ ঃ কোনো ঠাইৰ সীমাতে লাগি থকা ঠাই,

আঠুৱনীয়া ঃ আঠুলৈ অহা

সমাগত ঃ আহিবলৈ ধৰা,

## আয়ুক্তৰ হুকুম

অৰুণোদয়-পথৰ ৰাইজে ৰাস্তা মেৰামতিৰ বাবে দৰ্খাস্ত দি নিগমৰ অফিচলৈ ডেৰ বছৰে বাট কুৰি বাই যথেষ্ট হাবাথুৰি খাইছে। ৰাস্তাৰ আশু মেৰামতিৰ মৌখিক প্ৰতিশ্ৰুতি দিয়া হৈছে। আৰ্জি যথাবিহিত কাৰ্য্য ব্যৱস্থাৰ বাবে মুখ্য অভিযন্তাৰ কাৰ্য্যালয়লৈ প্ৰেৰণ কৰা যাওক।

টানি : জোৰ দি,

স্বাক্ষৰ ঃ এন কাপুৰ

১৯ জুন,৯৯

দ্বিতীয় পৰ্য্যায় ঃ মুখ্য অভিযন্তাৰ কাৰ্য্যালয়ৰ টোকা

পেচ কৰ : দাখিল কৰ, দাঙি ধৰ

| (ক) | (খ) |
|---|---|
| মুখ্য অভিযন্তাৰ কাৰ্য্যালয় | কনিষ্ঠ বৰ্গৰ সহায়কক টোকা |
| চিঠি ডায়েৰী কৰা হ'ল | যুগুত কৰিবলৈ কোৱা হ'ল। |
| নং ৫৩১ তাং ২১।৬।৯৯ | স্বাক্ষৰঃ তফজ্জুল আলী |
| উজান বজাৰ | কাৰ্য্যালয় অধীক্ষক |
| | ২৩ জুন, ৯৯ |

খুপি : ভৰিৰ আঙুলিৰে মাটিত গুজি ধৰি,

(গ) শ্ৰীৰোমেশ্বৰ ভূএগই ১৭ জুনত দিয়া চিঠিৰ জৰিয়তে হাতীগড়ৰ অৰুণোদয় পথৰ মেৰামতিৰ বাবে টানি অনুৰোধ জনাইছে। উক্ত চিঠি আয়ুক্তৰ হুকুমসহ মহোদয়ৰ অ বগতি আৰু কাৰ্য্যব্যৱস্থাৰ বাবে পেচ কৰা হ'ল।

আৰ্জি : দৰ্খাস্ত

স্বাঃ দীপক দাস

কনিষ্ঠবৰ্গৰ সহায়ক

২৬ জুন, ৯৯

(ঘ) হুকুমৰ বাবে চাব পাৰে।

স্বাঃ তফজ্জুল আলি

২৭ জুন

বাসিন্দা : অধিকাৰী

(ঙ) জৰুৰী চিঠি যোগে উল্লিখিত নথিপত্ৰ যথাবিহিত কাৰ্য্যব্যৱস্থাৰ বাবে

জু-ৰোডৰ সহ কাৰ্য্যবাহী অভিযন্তালৈ প্ৰেৰণ কৰা যাব পাৰে।

স্বাক্ষৰঃ ৰমণী ডেকা

মুখ্য অভিযন্তা ৩০।০৬।৯৯

## 4.2.2 আলোচনা

ওপৰৰ পাঠাংশত দিয়া চিঠিৰ আৰ্হি মনোযোগ সহকাৰে অনুধাবন কৰা। দৰ্খাস্তকাৰীয়ে বক্তব্য বলবতী কৰিবলৈ নানা জতুৱা খণ্ডবাক্য প্ৰয়োগ কৰিছে। চিঠি পাই আয়ুক্তই তাৰ ওপৰত সংক্ষেপতে হুকুম লিখি মুখ্য অভিযন্তালৈ পঠাইছে। চিঠিখন তাত ডায়েৰী কৰা হৈছে। কাৰ্য্যালয়ৰ অধীক্ষকে এই চিঠিৰ ওপৰত টোকা যুগুত কৰিবলৈ কনিষ্ঠ বৰ্গৰ সহায়কক নিৰ্দেশ দিছে। তেওঁ কেনে ধৰণৰ টোকা লিখিছে চোৱা। সেই টোকাৰ মৰ্মে মুখ্য অভিযন্তাই সমস্ত বিষয়টো সহকাৰী কাৰ্য্যকৰী অভিযন্তাৰ ওচৰলৈ পঠাই দিছে।

## 4.2.3 প্ৰথমভাগ পাঠৰ প্ৰশ্নাৱলী

ওপৰৰ পাঠ অংশৰ ওপৰত কিছু প্ৰশ্ন আলোচনা কৰি নিজৰ প্ৰগতি পৰীক্ষা কৰা।

১। ৰাজহুৱা আৰ্জিখন কোনে কালৈ লিখিছে?

২। পঢ়াশলীয়া ল'ৰা-ছোৱালীসকলৰ কেনেকুৱা অসুবিধা হৈছে?

৩। দিল্লীৰ সাংবাদিকজনে কিহৰ কাৰণে বঁটা পাইছে?

৪। দৰ্খাস্তকাৰীৰ প্ৰধান অভিপ্ৰায় কি?

৫। অৰুণোদয় ক'ত অৱস্থিত? দীপক দাসে এই বিষয়ে কি লিখিছে?

## 4.2.4 মূল পাঠ

### মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ

তৃতীয় পৰ্য্যায় ঃ সহকাৰী কাৰ্য্যকৰী অভিযন্তাৰ কাৰ্য্যালয়ৰ টোকা

ক) সহকাৰী কাৰ্য্যকৰী অভিযন্তাৰ কাৰ্য্যালয়

চিঠি ডায়েৰী কৰা হ'ল

নং ৭৮৫, তাং ৮ জুলাই, ৯৯

জু-ৰোড, গুৱাহাটী

খ) মুখ্য অভিযন্তাই হাতীগড়ৰ অৰুণোদয় পথৰ মেৰামতিৰ বাবে শীঘ্ৰে যথাবিহিত ব্যৱস্থা ল'বলৈ দিয়া জৰুৰী চিঠি অৱগতিৰ নিমিত্তে দাখিল কৰা হ'ল। লগত পথ উন্নয়ন সংগ্ৰাম সমিতিৰ সচিব শ্ৰী ৰামেশ্বৰ ভূএগ্ৰাৰ চিঠিৰ প্ৰতিলিপি সংলগ্ন কৰা আছে। আয়ুক্তৰ আদেশৰ নকলো লগত দিয়া আছে। ওভাৰচিয়াৰক যথা বিহিত ব্যৱস্থা ল'বলৈ দিব পাৰি।

স্বাঃ অশ্বিনী চৌধুৰী

কনিষ্ঠ বৰ্গৰ সহয়ক, ১২ জুলাই, ৯৯

গ) হুকুমৰ বাবে চাব পাৰে

স্বাঃ পি. নাথ

কাৰ্য্যালয় অধীক্ষক

১৩ জুন, ৯৯

ঘ) চৰজমিন তদন্ত কৰি প্ৰতিবেদন পেচ কৰা যাওক। লগতে ৰাস্তাৰ মেৰামতিৰ প্ৰাককলন এটাও যুগুত কৰা যাওক। জৰিপৰ সময়ত দৰ্খাস্তকাৰী ৰামেশ্বৰ ভূএগ্ৰাৰ লগত পৰামৰ্শ কৰা বাঞ্ছনীয়।

ঙ) হাতীগড় এলেকাৰ ওভাৰচিয়াৰ যোৱা কালিৰ পৰা দহদিনৰ ছুটীত আছে। তেখেতে কামত যোগ কৰিলেহে এই টোকা পঠিয়াব পৰা যাব।

স্বাঃ পি. নাথ, ১৮।৭।৯৯

চ) ঠিক আছে।

স্বাঃ ডি. তালুকদাৰ, ২১ জুলাই

**শব্দাৰ্থ**

ফদকাল : মুকলি,

হেদেলি-ভেদেলি : সিঁচৰিত,

হেমাহি : অৱহেলা

অথন্তৰ : বেমেজালি, অসুবিধা

আৰ্জি : দৰ্খাস্ত

অৱগতি : জ্ঞাত কৰা, জনা,

নথিপত্ৰ : কাগজপত্ৰ

**ছ** টোকা পোৱা হ'ল। জু-নাৰেংগী পথৰ নিৰ্মাণৰ কাম অন্তিম পৰ্য্যায়ত আছে। যোগান মন্ত্ৰীৰ নিজা সচিবৰ টোকাৰ মৰ্মে এই কামক অগ্ৰাধিকাৰ দিব লাগে। বতৰ ফৰকাল থাকিলে ১৫ আগষ্টৰ ভিতৰত কাম সমাধা হ'ব লাগে। ইয়াৰ পৰা আজৰি পালেই হাতীগড় পথৰ জৰিপৰ কামত হাত দিব পৰা যাব। আদেশৰ বাবে।

প্ৰাক্ কলন : হ'ব পৰা খৰচৰ আনুমানিক বিশদ হিচাপ,

স্বাঃ অন্নদা শংকৰ

ওভাৰচিয়াৰ, ৩১ জুলাই, ৯৯

**জ)** ঠিক আছে।

স্বাঃ ডি তালুকদাৰ, ২ আগষ্ট, ৯৯

অগ্ৰাধিকাৰ : আগ সুবিধা

**ঝ)** যোৱা দুদিনৰ নেৰা নেপেৰা বৰষুণৰ ফলত নলা ফেনে-ফোটোকাৰে উপচি পৰাত নামনিৰ সমাপ্ত প্ৰায় নলাখণ্ড খহি গৈছে। ইটা, বালি, শিল সকলো ছেদেলি-ভেদেলি হৈ পৰিছে। গতিকে নলাৰ কাম সম্পূৰ্ণ হোৱাত পলম হ'ব।

নেৰানেপেৰা : একোপধ্যে বন্ধ নোহোৱা

বি দ্ৰঃ- গুদামৰ চালেৰে পানী উকখাত কেইবা বস্তাও চিমেণ্ট মখা বান্ধিছে। ঠিকাদাৰে নতুন চিমেণ্ট আনিবলৈ গাত লৈছে। তাৰ বাবেও কিছু পলম হ'ব পাৰে।

স্বাঃ অন্নদা শংকৰ, ১৪।৮।৯৯

**ঞ)** খহিযোৱা নলাৰ ক্ষয়-ক্ষতিৰ পৰিমাণ নিৰ্ণয়ৰ লগতে নতুনকৈ বান্ধিবলগীয়া নলাখণ্ডৰ ব্যয়ৰ প্ৰাক্কলন এটাও যুগুত কৰা যাব পাৰে।

উকখা : চাল ফুটি পানী পৰা,

স্বাঃ ডি তালুকদাৰ, ১৯ আগষ্ট, ৯৯

**ট)** পৰিপূৰক টোকা

আজি হাতীগড়ৰ মহিলা সজাতি দল এটাই বাট-পথৰ মেৰামতি আৰু পথ-প্ৰদীপৰ দাবীত কাৰ্য্যালয়ৰ সন্মুখত ধৰ্ণা দিয়ে। দেৱীকৈ অহা দুই এজন কৰ্মচাৰীক কাৰ্য্যালয়ত সোমাবলৈ নিদি যথেষ্ট নগুৰ-নাগুতি কৰে। উত্তেজিত দুই-এগৰাকী মহিলাই বিভাগীয় হেমাহিৰ কথা দোহাৰে আৰু আমাৰ কাম-কাজক উপলুঙা কৰি 'নিগম মুৰ্দাবাদ' ধ্বনিও দিয়ে।

উপলুঙা : ঠাট্টা,

উল্লেখ কৰিব পাৰি যে অৰুণোদয় পথৰ মেৰমতিৰ প্ৰাককলন এতিয়াও ওভাৰচিয়াৰৰ পৰা পোৱা হোৱা নাই। খৰটকীয়া পদক্ষেপ ল'বলৈ তাগিদা দিব পাৰি।

খৰটকীয়া : দ্ৰুত তাঁত বাতি কাঢ়ি অহা-যোৱা কৰি

**স্বাঃ পি নাথ, ৪।৯।৯৯**

**ঠ)** জৰুৰী টোকাযোগে ওভাৰচিয়াৰক সোঁৱৰাই দিয়া যাওঁক। খচৰা এটা put up কৰিব লাগে।

**স্বাঃ ডি তালুকদাৰ, ১০ চেপ্তেম্বৰ, ৯৯**

ড) হাতীগড় অৰুণোদয় পথৰ প্ৰাককলন সম্পৰ্কীয় জৰুৰী টোকা পোৱা হ'ল। জু-নাৰেংগী পথৰ অৰ্ধসমাপ্ত নলাৰ কাম সংক্ৰান্তীয় পূৰ্বৰ টোকাৰ দ্ৰষ্টব্য। যোৱকালি ঠিকাদাৰৰ লগত স্বয়ং মন্ত্ৰী চাইটলৈ আহিছিল। নলাৰ কাম কুমজেলুকীয়াৰ গতিত চলিছে বুলি হেনো কেবিনেটতো বু বু বা বা ওলাইছে। গতিকে ২০ চেপ্তেম্বৰৰ ভিতৰত নলাৰ কাম সম্পূৰ্ণ কৰিবলৈ কঢ়া নিৰ্দেশ দিছে। একো অথন্তৰ নহ'লে ২১ চেপ্তেম্বৰৰ পিছতহে আৰুণোদয় পথৰ চাৰ্ভেৰ কাম আৰম্ভ কৰিব পৰা যাব।

**স্বাঃ অন্নদা শংকৰ, ১২ চেপ্তেম্বৰ, ৯৯**

## 4.2.5 আলোচনা

মুখ্য অভিযন্তাৰ চিঠি সহকাৰী কাৰ্য্যকৰী অভিযন্তাৰ কাৰ্য্যালয়ত ডায়েৰী কৰা হৈছে। কনিষ্ঠ বৰ্গৰ সহায়কে তাৰ ওপৰত টোকা লিখি কাৰ্য্যালয় অধীক্ষকৰ মাৰফৎ সহকাৰী অভিযন্তাৰ দৃষ্টিগোচৰলৈ আনিছে। টোকাত তেওঁ এটা ভুল কথা উল্লেখ কৰিছে। টোকাৰ মৰ্মে অভিযন্তাই ওভাৰচিয়াৰক ৰাস্তা জৰিপ কৰি প্ৰাককলন যুগুতাবলৈ নিৰ্দেশ দিছে। ওভাৰচিয়াৰ তেতিয়া ছুটী ত আছে, ছুটীৰ পৰা আহি তেওঁ জনাইছে যে তেওঁ অন্য জৰুৰী কামত ব্যস্ত আছে। এই কামৰো বৰযুণৰ বাবে যথেষ্ট ক্ষয়-ক্ষতি হৈছে। তাকে জানি অভিযন্তাই, অৰুণোদয় পথৰ কথা পাহৰি, এই কামৰ ক্ষয়-ক্ষতিৰ খতিয়ান বিচাৰিছে।

ইতিমধ্যে মহিলাৰ দল এটাই কাৰ্য্যালয়ৰ সন্মুখত ধৰ্ণা দিছে। কাৰ্য্যালয় অধীক্ষকে টোকা যোগে এই কথা জনাই ওভাৰচিয়াৰক তাগিদা দিবলৈ পৰামৰ্শ দিয়ে। অভিযন্তাই তাত সন্মতি দিয়ে। তাগিদা পাই ওভাৰচিয়াৰে জনাই যে অৰ্দ্ধসমাপ্ত নলাৰ কামত মন্ত্ৰী মহোদয়ে তাগিদা দিছে। বিধান সভাতো এই লৈ বু বু বা বা হৈছে। নলাৰ কাম জোৰে চলিছে, ২০ চেপ্তেম্বৰত শেষ হ'ব। তেতিয়াহে তেওঁ অৰুণোদয় পথৰ চাৰ্ভে কৰিব পাৰিব।

## 4.2.6 দ্বিতীয় ভাগ পাঠৰ প্ৰশ্নাৱলী

আকৌ আগলৈ উভতি চাওঁ আহা। ওপৰৰ পাঠ অংশৰ ওপৰত কিছু প্ৰশ্ন আলোচনা কৰি নিজৰ প্ৰগতি পৰীক্ষা কৰি চোৱা।

৬। অশ্বিনী চৌধুৰীয়ে ভুঞাৰ মূল দৰ্খাস্তখন ভালকৈ পঢ়িছেনে? তেওঁ টোকা ঠিকভাৱে লিখিব পাৰিছেনে?

৭। সহকাৰী কাৰ্য্যবাহী অভিযন্তাই ওভাৰচিয়াৰক কি পৰামৰ্শ দিছে?

৮। অৰুণোদয় পথৰ জৰিপৰ কামত কিয় পলম হৈছে?

৯। কোন ঠাইৰ মহিলাসকলে ক'ত আৰু কিয় ধৰ্ণা দিছে?

১০। অৰুণোদয় পথৰ বিষয়ে সহঃকাৰ্য্যবাহী অভিযন্তা কিমান মনোযোগী?

## 4.2.7 মুলপাঠ

### মুদ্ৰিত প্ৰতিলিপিৰ তৃতীয় ভাগ

শব্দাৰ্থ

খদমদম ঃ বহুত মানুহৰ সমাগম

ছেগা-চোৰোকাকৈ ঃ এঠাইত এৰি আন ঠাইত

কোনো বস্তুৰ মকৰল ঃ কামত নিয়োগ কৰা.

কাৰচাজি ঃ জাল বা নকল

বেনামী ঃ নিজৰ নামত নকৰি বা নিলিখি আনৰ নামত কৰা বা লিখা.

চতুৰ্থ পৰ্য্যায় ঃ ওভাৰচিয়াৰৰ প্ৰতিবেদন

**ক)** জু-নাৰেংগী পথৰ নলাৰ উদ্বোধন উৎসৱৰ যো-জা আমাৰ বিভাগেই কৰিবলগীয়া হোৱাত অৰুণোদয় পথৰ চাৰ্ভেৰ কাম সময়মতে আৰম্ভ কৰিব পৰা নহ'ল। মাজতে মূৰ পোলোকা দি এবাৰ তালৈ গৈছিলোঁ যদিও ৰাস্তা পানীত ডুব গৈ থকাত বিফল মনোৰথে উভতিব লগা হলোঁ।

গান্ধী জয়ন্তীৰ দিনা উদ্বোধন উৎসৱ সুকলমে সমাধা হ'ল। আবেলিৰ পৰা সভাস্থলিত ৰাইজৰ খদমদম লাগি পৰিছিল। উৰুলিকৃত ৰাইজৰ ভৰিৰ গচকত নলাৰ পাৰৰ প্লাষ্টাৰ ছেগা-চোৰোকাকৈ এৰাই গৈছে যদিও ৰাইজে বিভাগৰ কাম-কাজৰ তাৰিফ নকৰি থাকিব পৰা নাই।

অৰুণোদয় পথৰ জৰিপৰ নথি পত্ৰ ঠিক-ঠাক কৰা হৈছে। যন্ত্ৰপাতি, শিকলি আৰু কাগজ-পত্ৰ কঢ়িয়াবলৈ আৰু শিকলি ধৰিবলৈ দুজন বনুৱা মকৰল কৰিবৰ কাৰণে অনুমতি বিচৰা হ'ল। ৫ আৰু ৬ অক্টোবৰৰ ভিতৰত মহোদয়ে চাইটলৈ পাক

এটা মাৰিলে ভাল হয়।

হাত দে : কাম আৰম্ভ কৰ,

স্বাঃ অন্নদা শংকৰ, ৪ অক্টোবৰ

**খ)** 'ক' অনুমোদন কৰা হ'ল। মই বোধকৰো যাব নোৱাৰিম। ওভাৰচিয়াৰৰ ওপৰত মোৰ সম্পূৰ্ণ ভৰসা আছে।

স্বাঃ ডি তালুকদাৰ, ৫ অক্টোবৰ

**গ)** দুদিন ধৰি গোটেই হাতীগড় অঞ্চলৰ আলি-গলি চলাথ কৰিও অৰুণোদয় পথৰ ভু-পোৱা নগ'ল। ওচৰৰ অম্বিকাগিৰি নগৰ আৰু সৰুমটৰীয়া অঞ্চলো তন্ন-তন্নকৈ চোৱা হ'ল। বৃহত্তৰ গুৱাহাটীত হাতীগড় অঞ্চলৰ মানচিত্ৰতো অৰুণোদয় পথৰ নাম গোন্ধ নাই। যথাসম্ভৱ কোনো দুষ্টলোকে কাৰচাজি কৰি, ভুৱা আৰু বেনামী দৰ্খাস্ত দি নিগমক হায়ৰাণ কৰিব খুজিছে।

ভু পা : ভিতৰুৱা বা গভীৰ কথাৰ সন্ধেদ পা

বুবু বাবা : জনৰব

প্ৰসংগ ক্ৰমে উল্লেখ কৰিব পাৰি যে ইয়াত পুবেৰুণ নামে পথ এটা আছে। পুবেৰুণ অৰুণোদয়ৰ নতুন নাম যেন লাগে। এই পথৰো অৱস্থা শোচনীয়। ৰাস্তাৰ মাজভাগ বহি গৈ এটা প্ৰকাণ্ড ডোঙাত পৰিণত হৈছে। চেঙেলীয়া ল'ৰাবিলাকে তাত 'পৌৰ নিগমৰ মীন মহল', 'পানীত নমা নিষেধ' বুলি চাইনব'ৰ্ড এখনো লগাই দিছে। ৰাইজৰ আলৈ-আহুকালৰ কথা সৰোগত কৰি আৰু ৱৰ্ল্ড বেংকৰ পৰা পোৱা অপৰ্য্যাপ্ত ধনৰ কথা সুঁৱৰি এই পথৰ নিৰ্মাণ আৰু পকীকৰণৰ প্ৰাক্‌কলন এটা যুগুতাই লগত গাঁঠি দিয়া হ'ল।

গাত ল : দায়িত্ব গ্ৰহণ কৰ,

নলাৰ কামৰ লেনা দেনা উকতি থাকিবলগীয়া হোৱাত এই পথৰ চাৰ্ভে আৰু প্ৰাককলন কামত যথেষ্ট পলম হ'ল। তাৰ কাৰণে খেদ প্ৰকাশ কৰা হ'ল।

আলৈ-আহুকাল : বিলাই বিপত্তি

স্বাঃ অন্নদা শংকৰ, ২৬।১০।৯৯

**ঘ)** ওভাৰচিয়াৰৰ প্ৰতিবেদন আৰু প্ৰাককলন দ্ৰষ্টব্য। সেইবোৰ প্ৰতি স্বাক্ষৰিত কৰি দিয়া হ'ল। পুবেৰুণ পথৰ নিৰ্মাণৰ বাবে নিবিদা আহ্বান কৰিব পাৰি। নিবিদাৰ জাননীৰ খচৰা এটা লগত সংলগ্ন কৰা হ'ল। মুখ্য অভিযন্তাৰ অনুমোদনৰ অৰ্থে।

স্বাঃ ডি তালুকদাৰ, ১৫ নৱেম্বৰ।

লেনদেনা উকতি : দীঘল সময় ধৰি লেতেৰা আমনিদায়ক কাম কৰি থকা.

4.2.8 **আলোচনা**

নলাৰ উদ্বোধনী উৎসৱৰ অন্তত ওভাৰচিয়াৰে লগত দুজন দিন হাজিৰা কৰা মানুহ আৰু সা-সজুঁলি লৈ অৰুণোদয় পথৰ জৰিপ কৰিবলৈ ওলাইছে। গোটেই হাতীগড় অঞ্চল চলাথ কৰি মেপ চাই ক'তো অৰুণোদয় পথৰ সন্ধান নাপালে। ৰামেশ্বৰ ভূঞাৰো নাম নুশুনিলে। তেওঁ এই অঞ্চলৰ পুৰেৰুণ নামৰ পথ এটাৰ দুৰৱস্থা দেখি আৰু নিগমৰ হাতত থকা বিশ্ববেংকৰ অপৰ্য্যাপ্ত ধনৰাশিৰ কথা ভাবি এই পথৰেই জৰিপ কৰিলে। লগতে এই ৰাস্তা বন্ধাৰ খৰচৰ প্ৰাককলন এটাও যুগুতালে।

সহকাৰী অভিযন্তাই সেইটো প্ৰতি হস্তাক্ষৰ কৰিছে। তেওঁ নিবিদা আহ্বানৰ কাৰণে জাননীৰ খচৰা এটিও যুগুত কৰিছে আৰু মুখ্য অভিযন্তাৰ অনুমোদন বিচাৰিছে।

4.2.9 **তৃতীয়ভাগ পাঠৰ প্ৰশ্নাৱলী**

আকৌ অকণ মান আগলৈ উভতি চাওঁ আহা।

তলত দিয়া প্ৰশ্নবোৰৰ চমু উত্তৰ কৰি তোমাৰ প্ৰগতি পৰীক্ষা কৰা।

১১। অন্নদা শংকৰে কিয় বাৰে বাৰে নলাৰ কথা উল্লেখ কৰিছে?

১২। অন্নদা শংকৰে জৰিপৰ কাৰণে কেনেকুৱা প্ৰস্তুতি চলাইছে?

১৩। ওভাৰচিয়াৰে কিয় অৰুণোদয় পথ আৰু ৰামেশ্বৰ ভূঞাক বিচাৰি পোৱা নাই?

১৪। পুৰেৰুণ পথৰ দুৰৱস্থা বৰ্ণনা কৰা।

১৫। ওভাৰচিয়াৰৰ প্ৰতিবেদন পাই সহকাৰী কাৰ্য্যবাহী অভিযন্তাই কি পদক্ষেপ গ্ৰহণ কৰিছে?

4.2.10 **মুলপাঠ**

**মুদ্ৰিত প্ৰতিলিপিৰ চতুৰ্থ ভাগ**

পঞ্চম পৰ্য্যায় ঃ মুখ্য অভিযন্তাৰ কাৰ্য্যালয়ৰ টোকা

বাৰিষা গ'লহে । বৰ্তমান খৰধৰ কৰি লাভ নাই। নতুন পথ নিৰ্মাণৰ কাম হাতত লোৱাৰ আগতে 'কেন্দ্ৰীয় পথ চয়ন সমিতি'ৰ মনোনয়ন দৰ্কাৰ

খচৰাত দুটা-এটা বিসংগতি আছে। সেই বোৰ আঁতৰাই সংশোধিত খচৰা ১০ দিনৰ ভিতৰত দাখিল কৰা যাব পাৰে।

স্বাঃ আৰ ডেকা

মুখ্য অভিযন্তা, ৩০ নৱেম্বৰ,৯৯

খ) সংশোধিত খচৰা পুনৰ বিবেচনাৰ বাবে দাখিল কৰা হ'ল। প্ৰাক কলনতো সামান্য সাল সলনি কৰা হৈছে।

স্বাঃ ডি তালুকদাৰ, ১৪ ডিচেম্বৰ

গ) প্ৰস্তাৱিত কামৰ নিবিদাৰ খচৰা আৰু ব্যয়ৰ প্ৰাক কলন দ্ৰষ্টব্য। অহা বছৰ কৰিবলগীয়া কামৰ তালিকাত এই পথ চামিল কৰা হৈছে। এই কামৰ বাবে আয়ুক্তৰ পৰা৪ লাখ ৪৯ হাজাৰ ৮৫১ টকাৰ মঞ্জুৰী আৰু নিবিদা জাননী প্ৰকাশৰ অনুমতি বিচৰা হ'ল।

স্বাঃ ৰমনী ডেকা,২৫ ডিচেম্বৰ ৯৯

ষষ্ঠ পৰ্য্যায় ঃ আয়ুক্তৰ কাৰ্য্যালয়ৰ টোকা

দৰাচলতে সমিতিৰ recommendation ৰ পিছতহে মঞ্জুৰীৰ দাবী পেচ কৰিব লাগে। বিশেষ case হিচাপে এই প্ৰস্তাৱ গ্ৰাহ্য কৰা হ'ল। প্ৰস্তাৱিত ধনৰ মঞ্জুৰীৰ বাবে সচিবালয়লৈ লিখা হওঁক, World Bankৰ ঋণ খৰচ কৰিবলৈ চৰকাৰৰ অনুমোদনৰ প্ৰয়োজন। নিবিদাৰ জাননী অনুমোদন কৰা হ'ল।

২) আজি মূল দৰ্খাস্তকাৰী শ্ৰী ৰোযেশ্বৰ ভূঞাই ৮।১০ জন লোক লগত লৈ মোক পুনৰ সাক্ষাৎ কৰে। তেওঁলোকক বুজাই-বঢ়াই সৈমান কৰি পঠিওৱা হৈছে। কামত বিলম্ব হোৱাৰ বাবে খেদ প্ৰকাশ কৰি তেওঁলৈ এখন চিঠি দিয়া যাওঁক। লগতে নিবিদা আহ্বানৰ জাননীৰ নকল এটা গাঁঠি দিব পাৰে।

স্বাঃ এন কাপুৰ

আয়ুক্ত, ১০ জানুৱাৰী

**শব্দাৰ্থ**

নিবিদা ঃ কোনো কাম কৰো বুলি বিশদ বিবৰণ সহ দাখিল কৰা দৰ্খাস্ত

নাত্থিৰ ঃ কাৰ্যালয়ৰ চিঠা বা অভিলেখৰ বহী,

পানীত হাঁহ নচৰাঃ অতিশয় বেয়া বা চলিব নোৱাৰা

ফাদিল ঃ গুপ্ত কথা সদৰি বা ব্যক্ত

বাটকুৰি বাই ঃ দীঘলীয়া পথেৰে ঘনাই অহা-যোৱা কৰি,

নগৰ-নাগতি ঃ লাজ দিবলৈ কৰা হ্যাশাতি

অন্তিম পৰ্য্যায় ঃ বাতৰি কাকতৰ হস্তক্ষেপ

আজিৰ বাতৰি

পৌৰ নিগমৰ লাখ লাখ টকাৰ কেলেংকাৰী

গুৱাহাটী, ২ ফেব্ৰুৱাৰী ২০০০

হাতীগাওঁৰ অৰুণোদয় পথৰ নিৰ্মাণৰ বাবে আছুতীয়াকৈ ৰখা ধনেৰে হাতীগড়ৰ পুৰেৰুণ পথ নিৰ্মাণৰ বাবে কৰা পৌৰনিগমৰ চাঞ্চল্যকৰ ষড়যন্ত্ৰ এটাৰ কথা ফাদিল হৈ পৰিছে। ষড়যন্ত্ৰৰ মেৰপেচ ইমানেই যে জীৱিত শ্ৰীৰোমেশ্বৰ ভূঞাক নিগমৰ নজিৰত মৃত বুলি সাব্যস্ত কৰিবলগীয়া হৈছে। শোক সন্তপ্ত পৰিয়াললৈ শই-শই শোকৰ তাঁৰ বাৰ্ত্তা আৰু দূৰবাণী অহাত নাকনি-কাননি হৈ বেচেৰা ৰোমেশ্বৰ ভূঞাই মানহানিৰ মোকৰ্দমা ৰুজু কৰিবলৈ আদালতৰ কাষ চাপিবলগীয়া হৈছে। অৰুণোদয় পথৰ উত্তেজিত জনতাই নিগমৰ ৰোলাৰ এখন মাজৰাস্তাতে বিকল কৰি দিয়াত হাতীগাওঁ পথত যানবাহনৰ এটা অভূতপূৰ্ব 'জাম' হৈছে। ফলত পুলিচে লাঠি চালনা কৰিবলগীয়া হৈছে আৰু এই কেলেংকাৰীৰ কথা মানুহৰ মুখে মুখে হৈ পৰিছে। অহুকাণে পহুকাণে এই বাতৰি চিমলাত অৱসৰ বিনোদন কৰি থকা মুখ্যমন্ত্ৰীৰ কাণতো পৰিছেগৈ। বিশ্বস্তসূত্ৰে জানিবলৈ পোৱামতে নিগমৰ এজন কনিষ্ঠঅভিযন্তাক নিলম্বিত কৰাৰ হুকুম দিয়া হৈছে। ঘটনাৰ বিশদ বিৱৰণী এনে ধৰণৰ............।

## 4.2.11 আলোচনা

পুৰেৰুণ পথৰ প্ৰতিবেদন প্ৰাককলন আৰু নিবিদা জাননীৰ খচৰাত মুখ্য অভিযন্তাই দুই এটা ভুল দেখুৱাই দিছে। সেইবোৰ সহকাৰী অভিযন্তাই শুধৰাই দিয়াত মুখ্য অভিযন্তাই পিছৰ বছৰৰ কামৰ তালিকাত এই পথ অন্তৰ্ভূক্ত কৰিছে। তেওঁ আয়ুক্তৰ পৰা প্ৰয়োজনীয় ধনৰ মঞ্জুৰী আৰু জাননী প্ৰকাশৰ অনুমতি বিচাৰিছে। নতুন কাম হাতত ল'বলৈ হ'লে 'পথ উন্নয়ন সমিতি'ৰ মনোনয়ন লাগে। সেয়া নোহোৱা সত্বেও আয়ুক্তই এই কাম বিশেষ কেচ হিচাপে গ্ৰাহ্য কৰিছে আৰু জাননী প্ৰকাশৰ অনুমতি দিছে। কিন্তু ধন যিহেতু বিশ্ব বেংকৰ ঋণৰ পৰা আহিব ইয়াত সচিবালয়ৰ অনুমোদন দৰ্কাৰ। সেয়ে তেওঁ সচিবালয়ৰ অনুমোদন বিচাৰিছে।

ইতিমধ্যে মূল দৰ্খাস্তকাৰী ভূঞাই দলবল লৈ আয়ুক্তক সাক্ষাৎ কৰে। আয়ুক্তই তেওঁক বুজাই-বঢ়াই পঠিয়ায়। পলম হোৱা বাবে খেদ প্ৰকাশ কৰি চিঠি দিয়ে, লগত নিবিদা আহ্বানৰ জাননীও গাঁঠি-দিয়ে। ফলত নিগমৰ ভুল বিলাক জাহিৰ হয়।

এই কথা বাতৰি কাকতৰ দৃষ্টিগোচৰ হোৱাত বাতৰি কাকতে তাঁত ৰহন সানি-দুৰ্নীতিৰ এক চাঞ্চল্যকৰ খবৰ হিচাপে প্ৰকাশ কৰে। নিগমে যেন জীৱিতক মৃত ঘোষণা কৰিছে, ৰাস্তাৰ নাম ৰদ বদল কৰিছে, গোটেই হাতীগাওঁ অঞ্চলত যেন হুলস্থুল লাগি পৰিছে, এজন কনিষ্ঠ অভিযন্তা যেন নিলম্বিত হৈছে।

## 4.2.12 চতুৰ্থভাগ পাঠৰ প্ৰশ্নাৱলী

আকৌ এবাৰ উভতি চাওঁ আহা—

তলত দিয়া প্ৰশ্ন কেইটাৰ চমু উত্তৰ কৰি তোমাৰ প্ৰগতি পৰীক্ষা কৰা।

১৬। সাধাৰণতে কাৰ মনোনয়ন সাক্ষেপে নতুনকৈ ৰাস্তা বন্ধাৰ কাম নিগমে হাতত ল'ব পাৰে?

১৭। নিবিদা জাননীৰ আহ্বানত কি আছে আৰু এই জাননী প্ৰকাশৰ অনুমতি কোনে দিব পাৰে?

১৮। নিগমৰ ভুলৰ কথা বাতৰি কাকতে কেনেকৈ জানিব পাৰিলে?

১৯। 'নিগমৰ ষড়যন্ত্ৰ এটাৰ কথা ফাদিল হৈ পৰিছে'— ইয়াত ষড়যন্ত্ৰ বুলি কিহক বুজাব বিচৰা হৈছে ? ই প্ৰকৃততে ষড়যন্ত্ৰনে?

২০। ভূএগ্ৰা কিয় আদালতৰ ওচৰ চাপিবলগীয়া হৈছে?

## 4.3 সাধাৰণ অনুশীলনী

তলত পাঁচটা ব্যাকৰণ নিৰ্ভৰী অনুশীলনী দিয়া হৈছে। সেইবোৰ কৰিলে এক বিমল আনন্দ লাভ কৰিবা।

২১। তলৰ প্ৰতিটো বাক্য ভাঙি একাধিক সৰল বাক্য ৰচনা কৰা।

ক) মহিলাসকলে চেগুেল খুলি মেখেলা উজাই, হাতত লাখুটি লৈ এই পথেৰে অহা -যোৱা কৰা দৃশ্য ছপাই এজন সংবাদিকে বঁটা পাইছে।

খ) শ্ৰীৰেযেশ্বৰ ভূএগ্ৰাই ১৭ জুনত দিয়া চিঠিৰ জৰিয়তে অৰুণোদয় পথৰ মেৰামতিৰ বাবে টানি অনুৰোধ কৰিছে।

২২। খালী ঠাই পূৰণ কৰা ঃ

ক) মুখ্য অভিযন্তাই দিয়া চিঠি মহোদয়ৰ .........নিমিত্তে দাখিল কৰা হ'ল।

খ) বৰষুণৰ ফলত নলা ফেনে ফোটোকাৰে উপচি......... নামনিৰ নলাখণ্ড ভাঙি গৈছে।

গ) দুই এগৰাকীয়ে বিভাগীয় হেমাহিৰ কথা বাৰে বাৰে..........।

ঘ) মুখ্যমন্ত্ৰীৰ কেলেংকাৰীৰ বিষয়ে দিল্লীতো ........ হৈছে।

ঙ) 'নিগমৰ মীন মহল' বুলি চাইনবোৰ্ড লগোৱাটো ........... ল'ৰা বিলাকৰ কাম।

২৩। সমাৰ্থক শব্দ বা বাক্যাংশ লিখা

ক) খবৰৰ কাগজ — খ) আৰ্জি

গ) আশু — ঘ) হেমাহি

ঙ) সুকলমে — চ) যো-জা

ছ) স্বাক্ষৰ — জ) চামিল

ঝ) আলৈ আহুকাল — ঞ) আছুতীয়াকৈ

২৪। তলত দিয়া শব্দবোৰ ভাঙি দেখুৱা ঃ

ক) আঠুৱনীয়া — খ) কৰিবলগীয়া

গ) সুকলমে — ঘ) অনতিবিলম্বে

ঙ) সমাপ্তপ্ৰায় — চ) দুৰৱস্থা

২৫। বাক্য ৰচনা কৰা ঃ

ক) ১। জৰিপ, ২। চৰ্‌জমিন্, ৩। মকৰল, ৪। ফাদিল, ৫। নজিৰ, ৪। ৰুজু।

খ) ১। পানীত হাঁহ নচৰা, ২। বাটকুৰি বাই, ৩। তাঁত-বাতি কাঢ়ি,

৪। ছেদেলি-ভেদেলি, ৫। লেদেনা উকতি, ৬। মূৰ পোলোকা দি, ৭। ছেগা-চোৰোকাকৈ, ৮। ভূ-পোৰা, ৯। আলৈ আহুকাল, ১০। নাকনি কাননি

## 4.4 সৃষ্টিধৰ্মী প্ৰশ্ন

২৬। পাঠৰ বিষয় বস্তুৰ আধাৰত প্ৰশ্নবোৰৰ উত্তৰ দিয়া।

ক) ভূঞাই দৰ্খাস্ত দিয়াৰ কিমান দিন পিছত ৰাস্তাৰ জৰিপ হ'ল আৰু ইমান পলম হোৱাৰ কাৰণ কি?

খ) অৰুণোদয় পথৰ দুৰৱস্থাৰ এটি বৰ্ণনা দিয়া।

গ) পূৰেৰুণ পথৰ নিৰ্মাণৰ নিবিদা জাননী কেনেকৈ ওলাবলৈ পালে?

ঘ) অৰুণোদয় পথৰ অৱস্থিতি আৰু দৰ্খাস্তকাৰীৰ নাম কোনে কেতিয়া ভুলকৈ উল্লেখ কৰিছে? এই ভুলৰ বাবে প্ৰকৃততে এজন বা দুজনক দায়ী কৰিব পাৰিনে?

ঙ) ভূঞাৰ ঘৰলৈ কি কাৰণে শোকবাৰ্তা আহিছে বুলি কোৱা হৈছে? শোকবাৰ্তা অহাটো বিশ্বাসযোগ্যনে?

চ) ঘটনাটোক বাতৰি কাকতে কেনে ধৰণে অতিৰঞ্জিত কৰি তুলিছে বুলি ভাবা?

ছ) অৱশেষত কোনটো পথ নিৰ্মাণ হ'ল বুলি ভাবা? তোমাৰ ধাৰণাৰ যুক্তি কি?

জ) আয়ুক্তই পোনছাটেই নিবিদা প্ৰকাশৰ অনুমতি দিয়াৰ কাৰণ কি?

ঝ) ৰাস্তা মেৰামতিৰ ধন কোনে যোগাইছে? এই ধন খৰচৰ চূড়ান্ত কৰ্তৃত্ব কাৰ?

ঞ) এই পাঠৰ জৰিয়তে তুমি কি শিকিলা?

## 4.5 উত্তৰ সংকেত

১। অৰুণোদয় পথ উন্নয়ণ সংগ্ৰাম সমিতিৰ সচিব শ্ৰীৰোমেশ্বৰ ভূঞাই পৌৰ নিগমৰ আয়ুক্তলৈ।

২। ৰাস্তাত আঁঠুলৈ অহা বোকাপানী, স্কুল খোলা, ভাল সাজপাৰ কৰি জোতা পিন্ধি স্কুললৈ যাব লাগে। সেয়ে ল'ৰা-ছোৱালীৰ হাৰাহাস্তি হৈছে।

৩। পানীত ডুবি থকা ৰাস্তাৰে মহিলাসকলে কেনেকৈ অহা যোৱা কৰে তাৰ ছবি বাতৰি কাকতত ছপায়।

৪। অৰুণোদয় পথৰ মেৰামতিৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনোৱা।

৫। গুৱাহাটীৰ হাতীগাওঁত। দীপক দাসে ভুলতে হাতীগড় বুলি লিখিছে।

৬। তেওঁ ভালকৈ পঢ়া নাই। দৰ্খাস্তত অৰুণোদয় পথ হাতীগাওঁ বুলি লিখা আছে। হাতীগাওঁ গুচি হাতীগড় হৈছে। তেওঁ মন কৰা নাই। তেওঁ নিজেও ৰোমেশ্বৰ ভূঞাৰ নাম ভুল কৰি ৰামেশ্বৰ ভূঞা লিখিছে।

৭। অৰুণোদয় পথৰ চৰজমিন তদন্ত কৰি মেৰামতিৰ খৰচৰ প্ৰাককলন যুগুতাবলৈ আৰু মূল দৰ্খাস্তকাৰীৰ লগত আলোচনা কৰিবলৈ ।

৮। জু-নাৰেংগী পথৰ নলাৰ কামত ব্যস্ত থাকিব লগা কাৰণে। এই কামত মন্ত্ৰীয়ে তাগিদা দি আছে।

৯। হাতীগড় অঞ্চলৰ মহিলাসকলে বাট-পথৰ মেৰামতি আৰু পথ-প্ৰদীপৰ ব্যৱস্থাৰ দাবীত।

১০। বিশেষ মনোযোগী নহয়। নলাৰ কামত মন্ত্ৰী আগ্ৰহী, সেইকাৰণে সেই কামতহে তেওঁ আগ্ৰহী। নলাৰ কিছু অংশ ভাগি যোৱা দেখি তেওঁ তাৰহে খতিয়ান আৰু মেৰামতিৰ প্ৰাককলন বিচাৰিছে।

১১। তেওঁ বুজিছে যে অভিযন্তা এই কামত বেছি আগ্ৰহী। এই কামত মন্ত্ৰীৰ স্বাৰ্থ জড়িত আছে। মানুহে এই কাম বখানিছে। এই কামৰ উল্লেখ কৰি তেওঁ নিজৰ দক্ষতা জাহিৰ কৰিব বিচাৰিছে।

১২। মেপ, শিকলি, যন্ত্ৰপাতি যোগাৰ কৰিছে। দুজন বনুৱা নিয়োগ কৰিব বিচাৰিছে। দিন ধাৰ্য্য কৰিছে।

১৩। তেওঁ হাতীড়ত অৰুণোদয় পথ আৰু ৰামেশ্বৰ ভূঞাক বিচাৰিছে। অথচ, অৰুণোদয় পথ হাতীগাঁওত; আৰু দখাস্তকাৰী ৰোবেশ্বৰ ভূঞা, ৰামেশ্বৰ ভূঞা নহয়।

১৪। ৰাস্তাৰ মাজভাগ বহি গৈছে। দীঘল ডোঙাত পৰিণত হৈছে। তাত পানী বোকা থাকেই, এবাৰ ওভাৰচিয়াৰেওতো ৰাস্তাৰে যাব পৰা নাছিল। ল'ৰা ৰিলাকে তাত 'পৌৰ নিগমৰ মীন মহল' বুলি চাইনবোৰ্ড লগাই দিছে।

১৫। ততালিকে প্ৰাককলন প্ৰতি সাক্ষৰিত কৰিছে। নিবিদা আহ্বান জাননীৰ খচৰা যুগুত কৰাইছে আৰু সেই বোৰ মুখ্য অভিযন্তালৈ পঠাইছে।

১৬। পথ চয়ন সমিতিৰ

১৭। হাতীগড় অঞ্চলৰ পূৰেৰুণ পথৰ নিৰ্মাণ আৰু পকীকৰণৰ কাৰণে ঠিকাদাৰৰ পৰা নিবিদা আহ্বান কৰা হৈছে। জাননী প্ৰকাশৰ অনুমতি আয়ুক্তই দিব পাৰে।

১৮। আয়ুক্তই হাতীগাওঁৰ ৰোযেশ্বৰ ভূএগ্ৰালৈ এখন চিঠি দিছে। তাত হাতীগড়ৰ পুৰেৰুণ পথ নিৰ্মাণৰ বাবে নিবিদা বিচৰা জননীৰ নকল সংলগ্ন আছিল। অথচ ভূএগ্ৰাই অৰুণোদয় পথৰ বাবেহে দৰ্খাস্ত দিছিল। খুব সম্ভৱ ভূএগ্ৰাই এই কথা বাতৰি কাকতক জনাইছিল।

১৯। হাতীগাওঁৰ সলনি হাতীগড়ত অৰুণোদয়ৰ সলনি পূৰেৰুণ পথৰ নিৰ্মাণৰ বাবে নিবিদা আহ্বান কৰাটোকে। ই প্ৰকৃততে ষড়যন্ত্ৰ নহয়। কেৰাণীৰ অমনোযোগীতা জনিত ভুল। ওপৰৱালা সকলেও অন্যমনস্কতাসহকাৰে ফাইলত চহী কৰি গৈছে। কোনেও মুল দৰ্খাস্ত পঢ়ি চোৱা নাই।

২০। ওভাৰচিয়াৰে টোকাত ৰামেশ্বৰ ভূএগ্ৰা নামৰ মানুহ নাই বুলি লিখিছিল। খুব সম্ভৱ কোনোবাই ৰোযেশ্বৰ ভূএগ্ৰা আৰু নাই বুলি অপপ্ৰচাৰ কৰিছে। অত্মীয়-স্বজনে ভূএগ্ৰা ঢুকোৱা বুলি ভাবি ভূএগ্ৰাৰ ঘৰলৈ তাঁৰ-বাৰ্তা আৰু টেলিফোন কৰিছে। এই কথাত ভূএগ্ৰা ক্ষুণ্ণ হৈছে। সেয়ে তেওঁ কেচ কৰিছে।

২১। ক) মহিলা সকল........... অহাযোৱা কৰে। এজন সাংবাদিকে সেইকথা ছাপাইছে। তাৰ বাবে তেওঁ বঁটা পাইছে।

খ) ভূএগ্ৰাই ........ চিঠি দিছে। এই চিঠিৰ জৰিয়তে........কৰিছে।

২২। ক) অ ৰগতি খ) পৰাত

| | |
|---|---|
| গ) দোহাৰিছে | ঘ) ব-বু বা-বা |
| ঙ) চেঙেলীয়া | |
| ২৩। ক) বাতৰি কাকত | খ) দৰ্খাস্ত |
| গ) ততালিকে | ঘ) অৱহেলা |
| ঙ) সুচাৰুৰূপে | চ) আয়োজন |
| ছ) চহী | জ) অন্তৰ্ভূক্ত |
| ঝ) দুখ-দুৰ্গতি | ঞ) বেলেগকৈ |
| ২৪। ক) আঠুঁৱনীয়া | খ) কৰ+ ইব+ লাগ+ ঈয়া |
| গ) সু-কলম-এ | ঘ) অন-অতি বিলম্ব-এ |
| ঙ) সমাপ্ত-প্ৰায় | চ) দুৰ-অৱস্থা |

২৫-২৭ এইবোৰ বৰ্ণাত্মক দীঘলীয়া প্ৰশ্ন। এইবোৰৰ উত্তৰ দিয়া হোৱা নাই।

## 4.6 অতিৰিক্ত পঠন উপদেশ

ফাইলৰ চানেকি সম্পৰ্কে তেনেকৈ কিতাপ-পত্ৰ পাবলৈ নাই। তুমি ইচ্ছা কৰিলে 'ইন্দিৰা গান্ধী মুকলি বিশ্ববিদ্যালয়'ৰ অসমীয়া ভিত্তিস্থাপন পাঠ্যক্ৰমত থকা **'চৰকাৰী ফাইলৰ চানেকি'** পঢ়ি চাব পাৰা।

## 4.7 ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন কৰিবলৈ দিয়া সংকেত

তোমাৰ মনত হয়তো খু-দুৱনি লাগিছে। চিঠি কিয় ডায়েৰী কৰা হয়? চিঠি পালেই কিয় বিভাগে পদক্ষেপ ল'ব নোৱাৰে, কৰ্মচাৰীয়ে কামত পলম কৰিলে কিয় শাস্তি নাপায়, সচিবালয় কি? ইত্যাদি, এইবোৰ প্ৰশ্ন আকাৰে লিখি পঠিয়াবা।

গোট 5

# শান্তিৰ দূত মাদাৰ টেৰেছা

ৰচনা : বাণী দেৱান বৰুৱা

## 5.1 পাতনি আৰু উদ্দেশ্যাৱলী

এই পাঠত তুমি এগৰাকী মহীয়সী নাৰীৰ বিষয়ে পঢ়িবলৈ পাবা। মহৎ লোকৰ জীৱনী অধ্যয়ন প্ৰত্যেক লোকৰ বাবে অতি প্ৰয়োজন। মহৎ লোকসকল ঈশ্বৰ প্ৰেৰিত। যেতিয়া সামাজিক জ্বালা-যন্ত্ৰনাত সমাজবাসী আতুৰ হৈ পৰে তেতিয়াই ভগৱানে মহৎলোকসকলক মৰ্ত্যলৈ প্ৰেৰণ কৰি ভগৱানৰ প্ৰিয়সকলক জীয়াই থকাৰ প্ৰেৰণা যোগায়। শংকৰদেৱ, হজৰত মহম্মদ, যীশু, ৰামকৃষ্ণ পৰমহংস আদি মহাপুৰুষসকলে তেওঁলোকৰ চৰম ত্যাগ আৰু ধৈৰ্য্যৰে বিশ্ববাসীক শান্তি আৰু জ্ঞানৰ বাণী শুনাই থৈ গৈছে। মহাপুৰুষ বা মহৎলোকসকলৰ জীৱনী পঢ়ি সকলো লোক মহৎলোক হ'ব নোৱাৰিলেও, সংসাৰ বাটৰ দুখৰ কাইট আতৰাই প্ৰকৃত পথৰ সন্ধান পাব পাৰে। মহৎলোকসকলৰ জীৱনৰ ঘাত-প্ৰতিঘাতৰ পৰা বহুত কথা শিকিব পাৰি।

এই পাঠটি পঢ়াৰ উদ্দেশ্য হ'ল—

- মহৎ ব্যক্তিৰ জীৱনী অধ্যয়নৰ লগত পৰিচয় কৰি দিয়া,
- মানৱতাবোধ সম্পৰ্কে জ্ঞান আহৰণ কৰা,
- মানৱসেৱা ধৰ্মৰ মাজেৰে জীৱনত কেনেকৈ প্ৰকৃত আনন্দ লাভ কৰিব পাৰি,
- খৃষ্টান ধৰ্ম সম্পৰ্কীয় কিছু জ্ঞান আহৰণ কৰা।

## 5.2 মূলপাঠ

### 5.2.1 মুদ্রিত প্রতিলিপিৰ প্ৰথম ভাগ

শব্দাৰ্থ

জলাঞ্জলি (বি) : পানীৰ অঞ্জলি, ত্যাগৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়।

আলাসৰ লাৰু (বি) : অতি মৰমৰ,

বিভীষিকা (বি) : ভয় লগা, আতংক

আলোক (বি) : পোহৰ

**আৰম্ভণি :** জন্মই মানুহক মহৎ নকৰে, কাৰ্য্যৰ দ্বাৰাহে মানুহ মহৎ হয়। এই সংসাৰখন মানুহৰ কাৰণে যুদ্ধক্ষেত্ৰ স্বৰূপ। আন্তৰিকতা আৰু অধ্যৱসায়ৰ দ্বাৰা যি গৰাকীয়ে জীৱন সংগ্ৰামত জয়লাভ কৰিব পাৰে, স্বদেশ-স্বজাতি আৰু বিশ্বমানৱৰ কল্যাণৰ কাৰণে নিজৰ ভোগ-বাসনা জলাঞ্জলি দিবলৈ পিছ নোহোহকে, তেনে লোককে মহৎলোকৰ আখ্যা দিব পাৰি। মহৎ লোকৰ বেছিভাগেই সাধাৰণ লোকৰ ঘৰত জন্ম লোৱা আৰু সাধাৰণ ধৰণেই ডাঙৰ-দীঘল হোৱা। তেনে এটি সাধাৰণ পৰিয়ালত এটি অসাধাৰণ দেৱশিশু কন্যাৰ জন্ম হৈছিল।

**জন্ম :** সুদূৰ যুগোশ্লাভিয়া দেশৰ আদ্ৰিয়টিক সাগৰৰ পাৰত স্কোপেজ চহৰত এহাল কৃষক দম্পতি আছিল। তেওঁলোকৰ ঘৰ উজ্বলাই তুলি ১৯১০ চনৰ ২৭ আগষ্টৰ দিনা এগ্‌নেছগন্‌দজা বোৱাদজিয়ুৰ জন্ম হয়। মৰমতে তেওঁক সকলোৱে এগ্‌নেছ বুলি মাতিছিল।

এগনেছৰ পিতৃৰ নাম আছিল নিকোলাছ বউ ঝিউ আৰু মাতৃৰ নাম আছিল দ্ৰানফিল বাৰ্নাৰ। তেওঁলোক আলবেৰিয়ান আৰু ধৰ্মত খৃষ্টান আছিল। দেউতাক নিকোলাছে প্ৰথমে ডাক্তৰৰ সহকাৰী হিচাপে কাম কৰিছিল যদিও পিছলৈ মুদিৰ দোকানো দিছিল। মধ্যবিত্ত পৰিয়ালটোত ককায়েক লেজাৰ আৰু বায়েক এজ্‌ৰ লগত এগ্‌নেছ্ ক্ৰমাৎ ডাঙৰ হ'বলৈ ধৰে। দেউতাকৰ আলাসৰ লাৰু এগ্‌নেছ পিতৃৰ মৰমৰ আও-ভাও বুজি নৌ-উঠোতেই দেউতাকে পৃথিৱীৰ পৰা বিদায় মাগিলে, তেতিয়া তেওঁৰ বয়স মাত্ৰ তিনিবছৰ। জীৱন উপলব্ধি কৰাৰ আগতেই আৰম্ভ হ'ল দুৰ্যোগ। ইতিমধ্যে প্ৰথম বিশ্বযুদ্ধৰ ৰণশিঙা বাজি উঠিল। যুদ্ধৰ বিভীষিকা যুগোশ্লাভিয়াক ধ্বংসস্তূপত পৰিণত কৰিলে। এফালে অভাৱ-অনাটনৰ অভিজ্ঞতা আৰু আনফালে যুদ্ধৰ ভয়াবহতাই এগ্‌নেছক ভাবুক কৰি তোলাৰ লগতে ক্ৰমান্বয়ে পাৰ্থিৱ জগতৰ সুখ-স্বাচ্ছন্দ্যৰ প্ৰতিও বিৰাগ কৰি তুলিছিল।

**শিক্ষালাভ :** এগ্‌নেছৰ শিক্ষা জীৱন আৰম্ভ হয় চেক্ৰেড্‌হাৰ্ট গীৰ্জাত। সৰুৰে পৰা তেওঁ তীক্ষ্ণ মেধা শক্তিৰ গৰাকী আছিল। তেওঁৰ প্ৰিয় বিষয় আছিল সংগীত, ভূগোল আৰু বুৰঞ্জী। সৰুৰে পৰা মানব সেৱাৰ ভাৱ মনতে সজীৱ কৰি ৰখা এগ্‌নেছে বাঞ্ছা কৰিছিল সন্ন্যাসিনী হোৱাৰ আৰু মিছ্যনেৰী জীৱন যাপন কৰাৰ। এই আকাংক্ষা বাস্তৱত ৰূপায়িত কৰিবলৈ তেওঁ লগ ধৰে স্থানীয় মিছনেৰী পাদ্ৰীসকলক।

তেওঁলোকৰ পৰামৰ্শমতেই ১৯২৮ চনত এগ্‌নেছ উপস্থিত হয় আয়াৰলেণ্ডৰ ৰাজধানী ডাবলিন চহৰৰ 'লৰেটো' নামৰ মঠটোত। তেতিয়া তেওঁৰ বয়স মাত্ৰ বাৰ বছৰ। এই বাৰ বছৰ বয়সৰ পৰা ওঠৰ বছৰ বয়সলৈ এগ্‌নিছে বৰ অস্থিৰতাৰে দিন পাৰ কৰিব লগাত পৰিছিল। এফালে পৰিয়ালৰ প্ৰতি মমতা বোধ আনফালে দৰিদ্ৰজনৰ প্ৰতি থকা অন্তৰৰ আকুলতা। অৱশেষত জয়ী হ'ল নিস্বঃজনৰ প্ৰতি থকা মানৱতাবোধ। ওঠৰ বছৰীয়া এগ্‌নিছে এক কঠোৰ সিদ্ধান্ত ল'লে সন্ন্যাসিনী (নান) হ'ব, সমাজৰ বঞ্চিতজনৰ প্ৰতি সেৱাত জীৱন উৎসৰ্গিত কৰিব।

মৃতপ্ৰায় (বি) ঃ মৰাৰ দৰে

**কৰ্মময় জীৱন-যাত্ৰা ঃ** ১৯২৯ চনত এগ্‌নিছ ভাৰতলৈ আহে আৰু তেতিয়াই কলিকতাৰ ছেণ্ট্ মেৰিজ হাইস্কুলত শিক্ষকতা জীৱনৰ পাতনি মেলি শেষত স্কুলৰ অধ্যক্ষাও হয়। এইখিনিতেই সূত্ৰপাত এগ্‌নিছৰ মানৱসেৱাৰ কণ্টকময় অথচ আলোকৰ যাত্ৰা। সেই সময়ত কলিকতাৰ দুৰ্ভগীয়া মানুহবোৰে এক ভয় লগা পৰিবেশত দিন অতিবাহিত কৰিছিল। চাৰিওফালে অভাৱ-অনাটন, বেমাৰ-আজাৰ; কিন্তু কোনেও প্ৰতিকাৰৰ ব্যৱস্থা হাতত লোৱা নাই। এদিনৰ এক বিশেষ পৰিস্থিতিয়ে এগ্‌নিছৰ অন্তৰত ধুমুহাৰ সৃষ্টি কৰিলে। এখন চিকিৎসালৰ সন্মুখত এগৰাকী মৃতপ্ৰায় মহিলা পৰি আছিল। বহু চেষ্টা কৰিও এগ্‌নিছে ৰোগী গৰাকীক চিকিৎসালয়ৰ সেৱা দিবলৈ সমৰ্থ নহ'ল আৰু শেষত ৰোগী গৰাকীৰ তেনেকৈয়ে মৃত্যু হ'ল। লগে লগে তেওঁ উপলব্ধি কৰিলে এটি মানৱ সেৱা সংস্থাৰ প্ৰয়োজনীতা। তেনেতে ১৯৪৬ চনৰ চেপ্তেম্বৰ মাহত শাৰদীয় ছুটীত তেওঁ দাৰ্জিলিঙলৈ ফুৰিবলৈ গৈছিল। সেই সময়তে তেওঁ যেন শুনিবলৈ পালে ভগৱান যীশুৰ আহ্বান। যীশুৱে যেন ক'লে- 'বস্ত্ৰহীনক বস্ত্ৰ দিয়া, নিৰাশ্ৰয়ক আশ্ৰয় দিয়া, তোমাৰ ঘৰলৈ স্বৰ্গৰ শান্তি, আনন্দ আৰু প্ৰেম নমাই আনা'। সেই আহ্বান শুনি তেওঁ আৰু বৈ নাথাকিল।

বিসৰ্জন (বি) ঃ ত্যাগ

নিৰাশ্ৰয় (বি) যাৰ কোনো আশ্ৰয় নাই।

5.2.2

## আলোচনা

মহান লোকসকল ক্ষণজন্মা। কোনো এক বিশেষ মুহূৰ্তত আন্ধাৰত ডুবগৈ কষ্টত কৰুবকাই থকা লোকসকলক পৰিত্ৰাণ কৰিবৰ বাবে এওঁলোকৰ পৃথিৱীলৈ আগমন ঘটে। এই পৃথিৱীত বহুতো মহৎলোকৰ আবিৰ্ভাৱ হৈছে। এনে এগৰাকী মহীয়সী নাৰী হ'ল এগ্‌নেছ গণদেজা বোৱাদজিয়ু। মাতৃভূমি যুগোশ্লাভিয়া আৰু কৰ্মভূমি ভাৰতবৰ্ষ। জীৱনৰ নানান ঘাত-প্ৰতিঘাতৰ মাজেদি অতিক্ৰম কৰি তেওঁ সন্ন্যাসিনী(নান) ব্ৰত গ্ৰহণ কৰিলে আৰু ভগৱান যীশুৰ আহ্বানত মানৱ সেৱাত জীৱন উৎসৰ্গা কৰে। এই দুখময় সংসাৰখনক সুন্দৰ কৰি তোলাৰ মানসেৰে তেওঁ আগবাঢ়ি

যায়। এনে মহীয়সী নাৰীৰ পিতৃৰ নাম নিকোলাছ বউঝিউ আৰু মাতৃৰ নাম আছিল দ্ৰানফিল বাৰ্নাৰ। কংগয়েঃ লেজাৰ আৰু বায়েক এজৰ কণমানি ভনীয়েকক এগ্নিছ বুলি মাতিছিল।

## 5.2.3 প্ৰথমভাগ পাঠ ভাগৰ প্ৰশ্নাৱলী

প্ৰথমভাগ পাঠৰ কিছু প্ৰশ্ন আলোচনা কৰি নিজৰ প্ৰগতি পৰীক্ষা কৰি চোৱা।

১। মানুহ কিহৰ দ্বাৰা মহৎ হয়?

২। স্কোপেজ চহৰ ক'ত?

৩। এগ্নিছে জন্ম গ্ৰহণ কৰা তাৰিখটো কি?

৪। এগ্নিছ্ৰ পিতৃ-মাতৃৰ নাম কি?

৫। কি ঘটনাই এগ্নিছক মানৱ সেৱাৰ প্ৰতি অনুৰাগী কৰি তোলে?

৬। তেওঁ কেতিয়া আৰু কিয় 'সন্ন্যাসিনী' হোৱাৰ সংকল্প লৈছিল?

৭। কি কাৰণে তেওঁ পাৰ্থিৱ সুখৰ প্ৰতি বিমুখ হৈছিল?

## 5.2.4 মূলপাঠ

### মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ

**শব্দাৰ্থ**

সাৰথি (বি): ৰথ-চলাওতা, সহায়, সংগী,

দাতব্য (বি): দান দি চলোৱা চিকিৎসালয়,

এগ্নিছে জীৱনৰ মহান ব্ৰত মানৱ সেৱাত আত্ম-নিয়োগ কৰিলে। তাৰ ফলতেই পিছলৈ তেওঁ দয়াৰ প্ৰতিমূৰ্তি 'মাদাৰ টেৰেছা' বা মাতৃ টেৰেছা' নামে জনাজাত হ'ল।

মনৰ বাসনাক বাস্তৱত ৰূপায়িত কৰাৰ উদ্দেশ্যৰেই টেৰেছাই 'নান'ৰ ক'লা-বগা সাজযোৰ একাষৰীয়া কৰি নীলা পাৰীৰ কপাহী সূতাৰ শাৰী পিন্ধিলে আৰু হাতত কেইটামান টকা, এখন বাইবেল, কান্ধত 'ক্ৰছপিন'- নিথৰুৱাসকলক জীয়াই থকাৰ আশ্বাস আৰু আশ্ৰয় দিবলৈ। মাদাৰ টেৰেছাই খৃষ্টান মিছ্যনেৰীত ভাৰতীয় শাৰী পিন্ধা প্ৰথম মহিলা। ১৯৪৮ চনত তেওঁ ভাৰতীয় নাগৰিকত্ব গ্ৰহণ কৰে।

মানৱসেৱাক সুস্থিৰ ৰূপ দিবৰ বাবে টেৰেছাই বিহাৰৰ পাটনা চহৰৰ

আমেৰিকান ট্ৰেইনিং চেণ্টাৰ ফৰ মেডিকেল মিছ্যনেৰীজ'ত নাৰ্ছৰ প্ৰশিক্ষণ ল'লে। এইদৰে লাহে লাহে তেওঁ সাধাৰণ মানুহৰ অন্তৰৰ মাজত লীন হৈ গ'ল। অতি কমদিনৰ ভিতৰতে কলিকতাত উন্নত সেৱা প্ৰতিষ্ঠান গঠন কৰিবলৈ সক্ষম হ'ল। মহামান্য পোপে তেওঁৰ মানৱসেৱাক স্বীকৃতি প্ৰদান কৰিলে। ইয়াৰ পিছত তেওঁ কালীঘাটত 'নিৰ্মল হৃদয়' নামে এটি সদন প্ৰতিষ্ঠা কৰিলে। এই সদনৰ উদ্দেশ্য হ'ল- নিৰাশ্ৰয় মৃত্যু পথৰ যাত্ৰীক শান্তিত শেষ নিশ্বাস পেলোৱাৰ সুবিধা দিয়া নাইবা জীৱিতজনৰ মাজত জীয়াই থকাৰ নতুন আশাৰ সঞ্চাৰ কৰা। ইয়াৰ পিছত তেওঁ 'নিৰ্মলা শিশু ভৱন' নামে আন এটি অনুষ্ঠান স্থাপন কৰে। এই অনুষ্ঠানৰ উদ্দেশ্য হ'ল অনাথ শিশু সকলক আশ্ৰয় দি তেওঁলোকক জীৱনৰ ৰেখা দিয়া। ইয়াৰ উপৰিও টেৰেছাই ভাৰতৰ বিভিন্ন স্থানত এনে ধৰণৰ বহুতো অনুষ্ঠান স্থাপন কৰে। তাৰ ভিতৰত প্ৰায় ৬০ খন স্কুল, ২১৩ খন ভ্ৰাম্যমাণ চিকিৎসালয়, ৮৫০ খন কুষ্ঠাশ্ৰম আৰু প্ৰায় ১৬ হাজাৰ অনাথ শিশুৰ বাবে আশ্ৰয়। বৰ্তমানো এনে সেৱাৰ সংখ্যা ক্ৰমান্বয়ে বাঢ়ি আহিছে। টেৰেছাৰ কৰ্মস্থানৰ কেন্দ্ৰ কলিকতা আছিল যদিও আমেৰিকা, অষ্ট্ৰেলিয়া আদি বিদেশী ৰাষ্ট্ৰতো তেওঁৰ কৰ্মক্ষেত্ৰ [illegible] বিয়পি পৰে। তেওঁ কলেৰা, কুষ্ঠ, টাইফয়েদ আদি ৰোগৰ ৰোগীৰ বাবে চলন্ত ডিচপেন্সাৰীৰ প্ৰচলন কৰে। কুষ্ঠৰোগী সকলক ডাক্তৰৰ হতুৱাই চিকিৎসা কৰাৰ উপৰিও নিজে শুশ্ৰূষা কৰিছিল। আৰোগ্য নোহোৱা ৰোগীসকলক 'শান্তি নগৰ' নামে ঠাইত সংস্থাপনৰ ব্যৱস্থা কৰে।

ডিচপেন্সাৰী (ডি) : চিকিৎসালয়

মাদাৰ টেৰেছাই মানৱসেৱা কৰিবলৈ যাওঁতে প্ৰায়ে অৰ্থৰ অভাৱ ঘটিছিল। কিন্তু এনে সমস্যা বা অভাৱবোৰ অতি সহজে সমাধানো হৈছিল। কিছু সহৃদয়বান লোক আৰু বিভিন্ন দেশৰ পৰা পোৱা আৰ্থিক সাহায্যই তেওঁৰ মহান কাৰ্য্য সুকলমে সমাধা কৰিছিল।

**স্বীকৃতি :** মাদাৰ টেৰেছাই এনে অভূতপূৰ্ব কাৰ্য্যত বিশ্ব বিস্ময়াভূত। সেয়ে বিশ্বৰ বিভিন্ন দেশে তেওঁৰ মহান কৰ্মক স্বীকৃতি জনাই তেওঁক কাৰ্য্যক সম্মানিত কৰে। পৃথিৱীৰ নানা সংস্থাৰ পৰা বহুতো পুৰস্কাৰ পায়। তাৰ ভিতৰত 'পোপ ত্ৰয়োবিংশতিতম শান্তি পুৰস্কাৰ, বিশ্বৰ শ্ৰেষ্ঠ পুৰস্কাৰ শান্তিৰ নোবেল বঁটা।' লাভ কৰে। ইয়াৰ পিছত [illegible] 'পদ্মশ্ৰী' উপাধিৰে ভূষিত কৰে।

## 5.2.5 আলোচনা

কোনো মহৎ উদ্দেশ্য লৈ কামত আগবাঢ়িলে তাত কোনো বাধা আহিব

নোৱাৰে। এনে লোকক ভগৱানে সহায় কৰে। অকলশৰীয়া মাদাৰ টেৰেছায়ো যেতিয়া জনগণৰ সেৱাৰ উদ্দেশ্যে ৰাজপথত খোজ পেলাইছিল, তেতিয়া তেওঁৰ হাত আছিল একেবাৰে শূন্য। কান্ধত ক্ৰছপিন হাতত বাইবেল আৰু কেইটামান টকাৰে আগবাঢ়িছিল অজান ভৱিষ্যতক আগত লৈ। সেই শূন্যতাৰে আৰম্ভ কৰিছিল মানৱসেৱাৰ সুদীৰ্ঘ যাত্ৰা। এই যাত্ৰা অথলে নগ'ল। যাত্ৰাৰ শেষত দেখা গৈছিল সকলো ফালে পৰিপূৰ্ণতা। নিঃস্ব জনৰ বাবে সৃষ্টি কৰিলে 'নিৰ্মল হৃদয়', 'নিৰ্মলা শিশু ভৱন', শান্তি নগৰ আৰু বহুতো অনুষ্ঠান-প্ৰতিষ্ঠান। আৰ্তজনৰ মুখত হাঁহি বিৰিঙাই পুণ্যকৰ্মৰ সংখ্যা বৃদ্ধি কৰিছিল। ঐশ্বৰিক অভূত পূৰ্ব কৰ্মৰাজিৰ শক্তি দেখি বিশ্ববাসী বিস্ময়াভিত হৈ পৰি অসংখ্য পুৰস্কাৰেৰে উপচাই পেলাইছিল মাদাৰ টেৰেছাক। দেশ-বিদেশৰ বিভিন্ন পুৰস্কাৰে তেওঁৰ কৰ্মৰাজিক স্বীকৃতি প্ৰদান কৰিছিল। বিভিন্নজনে অৰ্থ সাহায্য কৰিছিল এনে ধৰণৰ বিভিন্ন সাহায্যই তেওঁৰ কৰ্মৰাজি সুচাৰুৰূপে পৰিচালনা কৰাত সুবিধা হৈছিল। টেৰেছাৰ অৰ্থৰ প্ৰতি কোনো মোহেই নাছিল। য'তেই আৰ্তজনৰ আতুৰ ধ্বনি শুনিছে তালৈ তেওঁ ঢাপলি মেলিছিল।

## 5.2.6 দ্বিতীয় পাঠভাগৰ প্ৰশ্নাৱলী

ওপৰৰ পাঠাংশৰ কিছু প্ৰশ্নোত্তৰ কৰি নিজৰ প্ৰগতি পৰীক্ষা কৰা

৮। হাতত কি সম্বল লৈ মাদাৰ মানৱসেৱাত আগবাঢ়িছিল?

৯। কোন চনত টেৰেছাই ভাৰতীয় নাগৰিকত্ব গ্ৰহণ কৰে?

১০। বিহাৰৰ পাটনাত কি বিষয়ত টেৰেছাই প্ৰশিক্ষণ লৈছিল?

১১। কালীঘাটত প্ৰতিষ্ঠা কৰা সদনটোৰ নাম কি?

১২। চলন্ত ডিচ্‌পেনছেৰী কিয় প্ৰচলন কৰিছিল?

১৩। টেৰেছাক ভাৰত চৰকাৰে দিয়া সন্মান কেইবিধ কি কি?

১৪। কিহৰ বাবে টেৰেছাই নোবেল বঁটা পাইছিল?

## 5.2.7 মূল পাঠ

### মুদ্ৰিত প্ৰতিলিপিৰ তৃতীয়ভাগ

জীৱনত বহুতো সন্মান লাভ কৰিছিল যদিও ব্যক্তিগত জীৱনৰ প্ৰতি 'মাদাৰ' একেবাৰে উদাসীন আছিল। পুৰস্কাৰ গ্ৰহণৰ সময়তো তেওঁক উদাসীন -নিস্পৃহ

যেন দেখা গৈছিল। তেওঁৰ প্ৰতিটোপা তেজৰ কণিকা আৰ্তজনৰ সেৱাত উৎসৰ্গিত, গতিকে এনে মহৎলোকৰ ক্ষেত্ৰত এয়া হোৱাই স্বাভাৱিক।

**মাৰ বাণী ঃ** মাদাৰ টেৰেছাই কৈছিল, 'মই কোনো পুৰস্কাৰেই নিজৰ বাবে গ্ৰহণ কৰা নাই। গ্ৰহণ কৰিছো বিশ্ব মানৱতাৰ নামত'। 'সাগৰৰ বিস্তৃতি যিমানেই বিশাল নহওঁক কিয় তাৰ এটা সীমা আছে, কিন্তু মানুহৰ কৰুণাৰ সীমা নাই'। আৰু কৈছিল, 'দৰিদ্ৰসকলেই আমাৰ প্ৰকৃত সমাজ, তেওঁলোকৰ নিৰাপত্তাই আমাৰ নিৰাপত্তা, তেওঁলোকৰ স্বাস্থ্যই আমাৰ স্বাস্থ্য'।

**মৃত্যু ঃ** ১৯৯৭ চনৰ ১৩ মাৰ্চত ছিষ্টাৰ নিৰ্মলাক তেওঁৰ উত্তৰাধিকাৰী মানোনীত কৰে। সেই চনৰে ৫ চেপ্তেম্বৰৰ দিনা মমতাময়ী মাদাৰ টেৰেছাই নিশব্দে-নীৰৱে মহা প্ৰস্থান কৰে।

**সামৰণি ঃ** সমগ্ৰ বিশ্বকে শোকাহত কৰি নিৰ্বাপিত হ'ল- ভাৰতৰ তথা বিশ্বৰ এক গৌৰৱময় ইতিহাস, দয়াৰ প্ৰতিমূৰ্তি, অনাথৰ নাথ, মৰ্ত্যৰ দেৱী স্বৰূপা মাদাৰ টেৰেছা। মানৱতাবোধ, আন্তৰিকতা, সৰলতা, আৰু ঈশ্বৰৰ ওপৰত থকা গভীৰ বিশ্বসেৰে টেৰেছাই জগতত বিলাই দিছিল শান্তিৰ বাণী। বয়স আৰু কঠোৰ পৰিশ্ৰমে মাদাৰ টেৰেছাৰ বিদীৰ্ণ কৰা কোঁচ-মোঁচ গালত অনবৰতে বিৰিঙি আছিল এক নিৰ্মল-নিষ্পাপ, পবিত্ৰ হাঁহি।

**শব্দাৰ্থ**

উৎসৰ্গা (বি) ঃ জীৱন আহুতি দিয়া

বিদীৰ্ণ (বি) ঃ সাঁচ বহুৱা,

## 5.2.8 আলোচনা

মহৎলোকৰ প্ৰতিটো কথা-কাম আমাৰ অনুকৰণীয়। প্ৰকৃত মহৎ লেক লোভ-মোহ, কামনা-বাসনা ৰহিত। মাদাৰ টেৰেছাৰ অমৃত বাণীতেই ধ্বনিত হয় তেওঁৰ অন্তৰত দৰিদ্ৰজনৰ প্ৰতি থকা আতুৰতা। এনে মহৎ লোক মৰিও অমৰ। পাৰ্থিৱ জগতৰ পৰা পাৰ্থিৱ শৰীৰৰ মৃত্যু হয় ঠিকেই, কিন্তু তেওঁৰ কাৰ্য্যই তেওঁক অমৰ কৰি ৰাখে। মহান লোকৰ আদৰ্শৰে আমিও আমাৰ জীৱন গঠন কৰি সময় বালিত চিন ৰৈ যোৱা উচিত। এনেদৰেই ইজনে সিজনৰ প্ৰতি সহৃদয় হৈ পৃথিৱীখন সুন্দৰ কৰি তুলিব নোৱাৰিনে?

## 5.2.9 তৃতীয়ভাগ পাঠৰ চমু প্ৰশ্নাৱলী

ওপৰৰ পাঠাংশৰ কিছু প্ৰশ্ন আলোচনা কৰি নিজৰ প্ৰগতি পৰীক্ষা কৰা

১৫। মাদাৰ টেৰেছাৰ সমাজ কোনখন?

১৬। ছিষ্টাৰ নিৰ্মলা কোন?

১৭। কোন দিনা মাদাৰ টেৰেছাৰ মৃত্যু হয়?

১৮। 'টেৰেছা'ক কিয় মৰ্ত্তৰ দেৱী স্বৰূপা আখ্যা দিছে?

১৯। প্ৰকৃত মহৎলোকসকল কোন?

## 5.3 মূলপাঠৰ সাৰাংশ

এতিয়া সম্পূৰ্ণ পাঠটো থূলমূলকৈ আলোচনা কৰা হ'ব।

পৃথিৱীত যেতিয়া দুখ-যন্ত্ৰণা, অনাচাৰে ভৰি পৰে তেতিয়া দয়ালু ভগৱানে তেওঁৰ সন্তানক ৰক্ষা কৰিবৰ বাবে নানা ৰূপত পৃথিৱীলৈ আহে। বৰ্তমান আধুনিক বিশ্বত মাদাৰ টেৰেছা তেনে এগৰাকী মহীয়সী নাৰী, যি গৰাকীৰ অসীম ধৈৰ্য্য আৰু ঐকান্তিকতাই বিশ্বৰ পীড়িত আৰু দুখীয়াসকলৰ মুখত জিকিলাই তুলিছিল আশাৰ হাঁহি। নানা ঘাত-প্ৰতিঘাতৰ মাজেদি পাৰ হৈ এসময়ত এগ্নিছ গনদ্জা বোৱাদজিয়ু পিছলৈ মাদাৰ টেৰেছা নামে পৰিচিত হৈছিল— একমাত্ৰ তেওঁৰ নিৰ্মল কৰ্মৰাজিৰ বাবে। তেওঁৰ কৰ্মভূমিখন আছিল-দৰিদ্ৰ সমাজ। আতুৰজনৰ ওচৰত থাকি যোগাইছিল জীয়াই থকাৰ প্ৰেৰণা। মানুহ অমৰ হয় নিজৰ পৱিত্ৰ কৰ্মৰ দ্বাৰা। মাদাৰ এজনৰ নহয়, বিশ্ববাসীৰ মাতৃ। মাদাৰৰ পথেৰে অনুগামী হৈ গোটেই পৃথিৱীখন ৰামধেনুৰ সাতো ৰং সিঁচি ৰঙীন কৰি তুলিব পাৰি।

## 5.4 টোকা

এইবাৰ পাঠৰ কিছু টোকা আলোচনা কৰা হ'ল—

**নান (সন্ন্যাসিনী) ঃ** খৃষ্টান সন্ন্যাসিনী। মিছ্যনেৰী অনুষ্ঠানত কিছু স্বেচ্ছা সেৱক বা সেৱিকা থাকে। এই সেৱক -সেৱিকাসকলৰ মাজত নিজকে সম্পূৰ্ণভাৱে মিছ্যনেৰীৰ নামত অৰ্পণ কৰি বিয়া-বাৰু, ভোগ-বিলাসৰ পৰা আতৰাই জনগণৰ কাম কৰি, যীশুৰ বাণী প্ৰচাৰ কৰি জীৱন অতিবাহিত কৰে।

**যীশুখৃষ্ট ঃ** জেৰুজালেমৰ বেথেলহাম চহৰৰ এখন ঘোঁৰাশালত ভগৱান যীশুৰ

জন্ম হয়। খৃষ্ট ধৰ্মৰ প্ৰবৰ্তক যীশুৰ বাণীবোৰ বাইবেল নামে ধৰ্মীয় পুথিত লিপিবদ্ধ হৈ আছে। মাত্ৰ ৩২ বছৰ বয়সত শত্ৰুৰ বিশ্বাঘাটকতাৰ দ্বাৰা মৃত্যু মুখত পৰে।

**ন'বেল বঁটা ঃ** আলফ্ৰেড ন'বেল নামে এগৰাকী বিজ্ঞানীয়ে ডিনামাইট আবিষ্কাৰ কৰিছিল। লৰ্ড-ডিনামাইট ৰূপে প্ৰখ্যাত ছুইডেনৰ নাগৰিক আলফ্ৰেড নোবলৰ নামত ১৯০১ চনৰ পৰা সাহিত্য, বিজ্ঞান, শান্তি, অৰ্থনীতি আদিত ন'বেল বঁটা প্ৰদান কৰি আহিছে।

## 5.5 সাধাৰণ অনুশীলনী

**5.5.1 তলত পাঠভিত্তিক কিছু প্ৰশ্ন দিয়া হ'ল। উত্তৰ দিবলৈ যত্ন কৰাচোন—**

২০। ক) এগ্নিছৰ শিক্ষা জীৱন ক'ত আৰম্ভ হৈছিল?

খ) এগ্নিছৰ প্ৰিয় বিষয় কি কি আছিল?

গ) মানব সেৱা সংস্থা কিয় সৃষ্টি হৈছিল?

ঘ) মাদাৰ টেৰেছা কেতিয়া ভাৰতলৈ আহিছিল?

ঙ) মাদাৰ টেৰেছাৰ সাজযোৰ কেনে আৰু কান্ধত কি আছিল?

## 5.5.2 বৈয়াকৰণিক অনুশীলনী

২১। পাঠটোত থকা কিছু ব্যাকৰণ আলোচনা কৰা হ'ল।

**ক) শব্দ বিশ্লেষণ ঃ** নাগৰিকত্ব— নগৰ+ইক+ত্ব, পৰশ্ৰীকাতৰ— পৰ+শ্ৰী+কাতৰ, মানৱতাবাদী— মানব+অতা+বাদ+ঈ, মহাব্ৰত — মহান+ব্ৰত, মানসিক ভাবে—মানস+ইক+ভাব+এ, বিস্ময়াভভূত—বিস্ময়+আ+ভ+ভূত, মমতাময়ী—মমতা+ময়+ঈ, ত্ৰয়োবিংশতিতম—ত্ৰয়+বিংশ+তিতম। এইদৰে আৰু শব্দবিচাৰি চোৱা—

**২২। খ) এটা শব্দত প্ৰকাশ কৰা ঃ**

যাৰ কোনো আশ্ৰয় নাই— **নিৰাশ্ৰয়।**

যি জুই নুমাই গ'ল—নির্বাপিত

দুখৰ ওপৰি দুখ— যন্ত্ৰণা

য'ত মানুহৰ শুশ্ৰূষা কৰা হয়— চিকিৎসালয়

যাৰ অন্তৰত মলি নাই— নিৰ্মল।

এইদৰে আন কিছুমান শব্দ বিচাৰি অ ভ্যাস কৰি চোৱা।

**২৩। প্ৰত্যয় ঃ** উদাহৰণ কেইটামান দিয়া হ'ল— স্বীকৃত+ঈ = স্বীকৃতি, আকুল+অতা, তলত দিয়াবোৰৰ অভ্যাস কৰি চোৱা—
আন্তৰিকতা, সন্ন্যাসিনী, একাষৰীয়া, মানৱতাবাদী, কপাহী, নিৰাশ্ৰয়।

## 5.5.3. বোধজ্ঞান মূলক প্ৰশ্ন

২৪। তলৰ প্ৰশ্ন কেইটা পঢ়ি লৈ উত্তৰ কৰিবলৈ যত্ন কৰা—

ক) মহৎলোকৰ জীৱনী অধ্যয়নৰ আৱশ্যকতা কি?

খ) বাইবেল কি?

গ) '৫ চেপ্তেম্বৰ এগৰাকী শিক্ষাবিদৰ জন্ম দিন'- চিন্তা কৰি উত্তৰ দিয়া?

এইবাৰ পাঠটোৰ পৰা তলত দিয়া ব্যাখ্যাবোৰ কৰি চোৱা। ব্যাখ্যাৰ প্ৰথম পৰিচ্ছেদত পাঠৰ উদ্ধৃতি, তাৰ পিছৰ পৰিচ্ছেদত ব্যাখ্যাটিৰ প্ৰসংগ আৰু তৃতীয় পৰিচ্ছেদত ব্যাখ্যাটিৰ বিস্তৃতি আৰু শেষৰ পৰিচ্ছেদত চমুকৈ মন্তব্য দিব পাৰিলে ভাল।

ক) 'জন্মই মানুহক মহৎ নকৰে, কৰ্মৰ দ্বাৰাহে মানুহ মহৎ হয়।

খ) 'বস্ত্ৰহীনক বস্ত্ৰ দিয়া, নিৰাশ্ৰয়ক আশ্ৰয় দিয়া, তোমাৰ ঘৰলৈ স্বৰ্গৰ শান্তি, আনন্দ আৰু প্ৰেম নমাই আনা'।

গ) দৰিদ্ৰ সকলেই আমাৰ প্ৰকৃত সমাজ।

## 5.6 সৃষ্টিধৰ্মী প্ৰশ্ন

২৫। ভাগ ভাগ হৈ থকা প্ৰশ্নৰ উত্তৰ কৰি চোৱাচোন—

ক) 'মই কোনো পুৰস্কাৰেই নিজৰ বাবে গ্ৰহণ কৰা নাই, গ্ৰহণ কৰিছো, বিশ্বমানৱতাৰ নামত' — কথাষাৰ কোনে কি প্ৰসংগত কৈছিল? কথাষাৰৰ যথাৰ্থতা বিশ্লেষণ কৰি বক্তাৰ পৰিচয় দিয়া।

খ) 'এদিনৰ এটা বিশেষ ঘটনাই তেওঁৰ অন্তৰত ধুমুহাৰ সৃষ্টি কৰিলে'— কাৰ অন্তৰত ধুমুহাৰ সৃষ্টি হৈছিল? কিহৰ বাবে ধুমুহা সৃষ্টি হৈছিল- বৰ্ণনা কৰা।

গ) এগ্নিছক কিহৰ বাবে বিশ্ববাসীৰ 'মাদাৰ টেৰেছা' বুলি কোৱা হয়? পাঠভিত্তিক আলোচনা কৰা।

ঘ) 'মাদাৰ টেৰেছাক' মৰ্ত্যৰ দেৱী বুলিব পাৰি নে? আলোচনা কৰা।

## 5.7 চমু প্ৰশ্নৰ উত্তৰ সংকেত

এতিয়া পাঠটোৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় ভাগৰ চমু প্ৰশ্নবোৰৰ উত্তৰবোৰ দিয়া হ'ল—

১। মানুহ কৰ্মৰ দ্বাৰা মহৎ হয়।

২। যুগোশ্লাভিয়াৰ আদ্ৰিয়াটিক সাগৰৰ পাৰত স্কোপেজ চহৰ।

৩। ১৯১০ চনৰ ২৭ আগষ্ট।

৪। পিতৃৰ নাম নিকোলাছ্ বউঝিউ আৰু মাতৃৰ নাম দ্ৰানফিল বাৰ্ণাৰ।

৫। এগৰাকী মৃতপ্ৰায় মহিলাৰ বিনা চিকিৎসাত হোৱা মৃত্যুৱে এগ্নিছক মানৱসেৱাৰ প্ৰতি অনুৰাগী কৰি তোলে।

৬। ১৮ বছৰ বয়সত নিঃস্বজনৰ প্ৰতি থকা মানৱতাবোধৰ বাবে সন্ন্যাসিনী হোৱাৰ সংকল্প লৈছিল।

৭। অভাৱ-অনাটনৰ অভিজ্ঞতা, যুদ্ধৰ ভয়াবহতাই এগ্নিছক ভাবুক কৰি

তোলাৰ লগতে পাৰ্থিৱ সুখৰ প্ৰতি বিমুখ হৈ পৰিছিল।

৮। হাতত বাইবেল আৰু নাম মাত্ৰ টকা কেইটামান আৰু কান্ধত ক্ৰুছবিদ্ধ যীশুৰ মূৰ্তিলৈ মাদাৰ মানৱ সেৱাৰ বাবে আগবাঢ়িছিল।

৯। ১৯৪৮ চনত।

১০। বিহাৰৰ পাটনাত তেওঁ নাছিং বিষয়ত প্ৰশিক্ষণ লৈছিল।

১১। নিৰ্মল হৃদয়।

১২। কলেৰা, যক্ষ্মা, টাইফয়েদ আদিৰ নিচিনা ৰোগৰ বাবে চলন্ত ডিচপেনছাৰীৰ প্ৰচলন কৰিছিল।

১৩। 'ভাৰতৰত্ন' আৰু 'পদ্মশ্ৰী'।

১৪। বিশ্ব-শান্তি স্থাপনৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে।

১৫। নিঃস্ব, দৰিদ্ৰৰ সমাজখনেই মাদাৰ টেৰেছাৰ সমাজ।

১৬। মাদাৰ টেৰেছাৰ উত্তৰাধিকাৰী।

১৭। ১৯৯৭ চনৰ ৫ চেপ্তেম্বৰ।

১৮। মৰ্ত্যৰ দুখীয়াসকলৰ বাবে ত্যাগ স্বীকাৰ কৰা বাবে মাদাৰ টেৰেছাক 'মৰ্ত্যৰ দেৱী' বুলিব পাৰি।

১৯। প্ৰকৃত মহৎ লোকসকল লোভ-মোহ, কামনা-বাসনা ৰহিত।

২০। ক) এগনিছৰ শিক্ষা জীৱন আৰম্ভ হয় চেক্ৰেডহাৰ্ট গীৰ্জাত।

খ) তেওঁৰ প্ৰিয় বিষয় আছিল সংগীত, ভূগোল, আৰু বুৰঞ্জী।

গ) এগৰাকী অসহায়া নাৰীৰ বিনা চিকিৎসাত মৃত্যু হোৱাত মাদাৰে জন্ম দিলে এটি মানৱ সেৱা সংস্থাৰ।

ঘ) 'নান' মানে মিছনেৰীৰ সন্ন্যাসিনী। যি নিজৰ সুখ ত্যাগ কৰে।

ঙ) ১৯২৯ চনত মাদাৰ টেৰেছা ভাৰতলৈ আহে।

চ) মাদাৰৰ বগা কপাহী সূতাৰ শাৰীৰ পাৰী আছিল নীলা আৰু কান্ধত আছিল ক্ৰুছবিদ্ধ যীশু।

বোধজ্ঞান, সৃষ্টিধৰ্মী দীঘল প্ৰশ্নোত্তৰ কৰিবলৈ তোমালোকে নিজে অভ্যাস কৰিবা।

## 5.8 অতিৰিক্ত পঠন উপদেশ

তোমালোকে মহৎলোকৰ আদৰ্শৰে নিজৰ জীৱন মহীয়ান কৰি তুলিবৰ বাবে বিভিন্ন প্ৰকাৰৰ জীৱনী সাহিত্য পঢ়িব পাৰা। প্ৰত্যেক জীৱনী সাহিত্যৰে মূল্য আছে। তোমালোকে মহৎলোকৰ জীৱনী পঢ়ি অনুপ্ৰাণিত হ'ব পাৰিব।

## 5.9 ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন সুধিবলৈ দিয়া সংকেত

ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰশ্ন সোধাটো অতি প্ৰয়োজনীয়। কিয়নো তেতিয়াহে শিক্ষাদান আৰু গ্ৰহণ অধিক ফলপ্ৰসূ হয়। গতিকে কৌতুহলজনক কিবা থাকিলেই আমালৈ সুধি পঠিয়াব পাৰা।

গোট নং 6

# চিঠিৰ আৰ্হি

ৰচনা ঃ তাৰিণী কান্ত গোস্বামী

## 6.1 পাতনি আৰু উদ্দেশ্যাৱলী

দূৰত থকা ব্যক্তিৰ লগত যোগাযোগ বা ভাৱৰ আদান-প্ৰদানৰ মাধ্যম আজিৰ যুগত বহুবিধ। কিন্তু বহুকাল আগৰ পৰা প্ৰচলিত অতি সৰ্বব্যাপী আৰু কাৰ্য্যকৰী মাধ্যমটো হ'ল চিঠি। ইয়াৰ ব্যৱহাৰ আজিও অটুট আছে। হৃদয়ৰ আবেগ অনুভূতি পাঠকৰ অন্তৰ চুই যোৱাকৈ প্ৰকাশ কৰিবলৈ হ'লে চিঠি লিখাৰ বাহিৰে অন্য উপায় নাই। পৰিস্থিতিভেদে চিঠিৰ ভাব, ভাষা, আৰু শৈলীৰ কিছু তাৰতম্য অতি সহজে চকুত পৰে। অৰ্থাৎ যাৰ উদ্দেশ্যে চিঠি লিখা হয় তেওঁৰ বয়স, সামাজিক প্ৰতিষ্ঠা, সম্বন্ধ আদিয়েও চিঠিৰ ভাষা, শৈলী, শব্দ-চয়ন আদিত ভিন্নতা আনি দিয়ে। চিঠি লিখাও একপ্ৰকাৰ কলা, সেয়ে এনেবিধ কলাক ভাল ভাৱে আয়ত্ত কৰিবলৈ হ'লে বিশেষ ভাবে অনুশীলন কৰাৰ নিত্যান্ত আৱশ্যক। কিয়নো লিখোঁতাজনে মনৰ ভাৱ আৰু বক্তব্য বিষয়ক বহু দূৰত ভিন্ন পৰিস্থিতিত থকা প্ৰিয়জনৰ মনত ছবিৰ দৰে ফুটাই তুলিব লাগে। এনে এখন ব্যক্তিগত চিঠিৰ নমুনা হিচাপে আইতাকে নাতিয়েকলৈ লিখা চিঠিৰ এই আৰ্হিখন যুগুত কৰা হৈছে। আইতাইঁতে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা বহু ভাৱ প্ৰকাশক খণ্ডবাক্য, জতুৱা ঠাঁচ, প্ৰবাদ-প্ৰবচন আদি সুবিধা বুজি প্ৰয়োগ কৰি দেখুওৱা হৈছে।

এই গোটৰ অধ্যয়নৰ পাছত তুমি —

- ব্যক্তিগত চিঠিৰ লিখন শৈলীৰ লগত চিনাকি হব পাৰিবা
- অসমীয়া ভাষাৰ প্ৰচলিত প্ৰবচন, প্ৰবাদ, জতুৱা ঠাঁচ আদিৰ লগত পৰিচিত হব পাৰিবা
- অসমৰ সাম্প্ৰতিক পৰিস্থিতিৰ এটি স্পষ্ট ৰূপ পাবা ,

◆ চিঠিৰ জৰিয়তে কেনেকৈ লোকক অনুপ্ৰাণিত কৰিব পাৰি আৰু সুশিক্ষা দিব পাৰি তাৰ আভাস পাবা।

## 6.2 মূল পাঠ

### 6.2.1 মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথম ভাগ

ওঁ

কল্যাণীয় চেনেহৰ মইনা

গুৱাহাটী

তাৰিখ ..........

জয়জয়তে তই আমাৰ শুভাশীষ গ্ৰহণ কৰিবি। আশা ৰাখিছোঁ ভগৱানৰ কৃপাত তই কুশলে আছ। তেৰাৰ দয়াত আমি একপ্ৰকাৰ ভালে আছোঁ। মা-দেউতাৰহঁতো ভালে আছে বুলি খবৰ পাইছোঁ। বহুত দূৰত আছ বুলিয়ে সিহঁতো তোৰ চিন্তাতে আকুল হৈ থাকে। বনত বাঘ নাথাকিলেও মনত বাঘ থাকেঅ' বেপাই। সেয়েহে তোক কৈ থাকোঁ, বহু ব্যস্ততাৰ মাজত থাকিলেও অকণ আজৰি উলিয়াই তোৰ মঙ্গল বতৰা দি থাকিবি। সেই বুলি আকৌ আমাৰ কথাকে ভাবি তোৰ বহুমূলীয়া সময়কণ নষ্ট হবলৈ নিদিবি। পঢ়া-শুনা মন পুতি কৰিবি। কথাতে আছে, বোলে –"পঢ়ে, পঢ়ুৱায় ৰোৱে পাণ এই তিনি নিচিন্তে আন।"

তোৰ চিঠিখন আগৰটো শুক্ৰবাৰেই পালোঁ। দেউতাৰ আহিছিল – সিয়েই পঢ়ি শুনালে। মোৰ বিতচকুযোৰৰ আয়না এখন সুলকি গৈছিল নহয়, কালিহে সেইযোৰ ভাল কৰাই আনিলোঁ। সেইবাবেই তোলৈ চিঠি লিখাত দিনচেৰেক পলম হ'ল। তই লিখা চিঠিৰ কথাবোৰ শুনি এনেহেন লাগিছিল যেন তই মোৰ কাষতে বহি কথাবোৰ কৈ আছ। তোৰ সাত সাগৰ তেৰ নদীৰ সিপাৰৰ পৰীৰ দেশ আমেৰিকাৰ বিষয়ে লিখা কথাবোৰ পঢ়ি বা শুনি মনত খৌকি বাথৌ লাগে, ছবিৰ দৰে চকুৰ আগত ভাহি উঠে। আচৰিতো হওঁ ভাবি যে জকাইচুকীয়া গাওঁ এখনৰ কণমান ল'ৰাটিয়ে ইমান কথা জানিলে কেনেকৈ। আমাৰ বাপজনমত নোহোৱা নোপজা কথা এইবোৰ – কম্পিউটাৰ নে কি। তাতে আকৌ কিবা বোলেনে ইণ্টাৰনেট, ই-মেইল - উঃ আৰু যে কত কিঙ্গ তইযে লিখিছ - কম্পিউটাৰৰ সহায়ত মানুহ নোহোৱাকৈয়ে যুদ্ধ বিমান পঠিয়াই শ শ মাইল দূৰৰ শত্ৰু সৈন্যৰ ওপৰত বোমা পেলাব পাৰে – কথাটো সঁচানে অ' মইনা? ইফালে আকৌ লিখিছ ইয়াৰ সহায়তে চিকিৎসা বিজ্ঞানৰো ভালেখিনি উন্নতি হৈছে।

সিদিনা তোৰ বন্ধু শৈলেন আহিছিল মোক দেখা কৰিবলৈ। সিও পণ্ডিচেৰীত ডাক্তৰী পঢ়ি আছে নহয়। সি ক'লে, কম্পিউটাৰে হেনো মানুহৰ জীৱনৰ বহু কথা সুচল কৰি তুলিছে। পিছে সি ইয়াকো ক'লে, -- একেৰাহে বেছি সময় কম্পিউটাৰৰ ওচৰত বহি থাকিলে হেনো চকু বেয়া হয়। চাবি অ' বোপাই, শৰীৰৰ ওপৰত অত্যাচাৰ নকৰিবি। 'দেহা চাইহে বেহা'।

## 6.2.2 আলোচনা

চিঠিখনৰ প্ৰথম ভাগত আইতাকে নাতিয়েকৰ কুশল মঙ্গল আশা কৰাৰ লগতে অসমীয়া সামাজিক পৰম্পৰা অনুসৰি আশীৰ্বাদ যাচিছে। তাৰ পাছতে নাতিয়েকে লিখা চিঠিৰ পৰা পোৱা খবৰে তেওঁৰ মনত কেনে হেন্দোলনিৰ সৃষ্টি কৰিছে তাৰ আভাস দিছে। সেই সুযোগতে নাতিয়েকে বিদেশত শিকি থকা (Information Technology ) ৰ মূল কম্পিউটাৰৰ শুভ আৰু অশুভ দুয়োটা দিশৰ বিষয়ে উনুকিয়াইছে। বিদেশত অকলশৰে থকা আপোনজনৰ কিবা অমঙ্গল বা বিপদৰ আশঙ্কাই মাজে মাজে মনত ভুমুকি মৰা অসমীয়া সমাজৰ এগৰাকী মৰমীয়াল বুঢ়ী আইতাৰ মনস্তত্বৰ আভাস এই চিঠিখনৰ মাজেৰে প্ৰকাশ পাইছে।

## 6.2.3 প্ৰথম পাঠভাগৰ প্ৰশ্নাৱলী

১। আইতাকে কালৈ চিঠি লিখিছে?

২। চিঠিখন আইতাকে কোনদিনাখন পালে?

৩। চিঠিখন আইতাকে কিয় পঢ়িব নোৱাৰিলে?

৪। কম্পিউটাৰৰ পৰা মানুহৰ কি কি লাভ হব পাৰে?

৫। নাতিয়েকৰ বন্ধুজনৰ নাম কি? তেওঁ কি কৰি আছে?

৬। আইতাকে নাতিয়েকক কি উপদেশ দিছে?

৭। তুমি আমেৰিকালৈ গ'লে কি কৰাৰ কথা ভাবিবা?

৮। কম্পিউটাৰৰ কথাই আইতাকক কিয় আতঙ্কিত কৰিছে?

৯। কম্পিউটাৰ ব্যৱহাৰ কৰা ক'ৰবাত দেখিছানে?

১০। কম্পিউটাৰৰ পৰা আৰু কি কি সুবিধা হব পাৰে?

শব্দাৰ্থ ঃ

তেৰাৰ = তেওঁৰ (ভগৱান বা দেৱতাৰ ক্ষেত্ৰত)।

আকুল = অস্থিৰ।

আজৰি = মুকলি সময়, আহৰি।

বহুমূলীয়া = মূল্যবান।

মনপূতি = মনযোগ দি।

বিতচকু = চ্চমা।

সুলকি = খুলি, খহি।

দিনচেৰেক = কেইদিনমান।

থৌকি বাথৌ = উলাহৰ ঢৌ, আন্দোলিত হোৱা।

জকাইচুকীয়া = জাকৈৰ চুকটোৰ দৰে, একোনীয়া, আওহতীয়া আৰু পিচপৰা।

নোহোৱা-নোপোজা = আচৰিত।

সৰবৰহী = জনপ্ৰিয়, বহুলোকে ভাল পোৱা,

তাৰতম্য = ভেদ, পাৰ্থক্য।

বনত বাঘ নাথাকিলেও মনত বাঘ = চিন্তা, দুৰ্ভাবনা।

পঢ়ে পঢ়ুৱায় ৰোৱে পাণ = একান্ত চিত্তে, একাগ্ৰতাৰে।

সাতসাগৰ তেৰনদীৰ সিপাৰ = বহুদূৰ।

দেহা চাইহে বেহা = শৰীৰৰ চিন্তা প্ৰথমে স্বাস্থ্যৰ পাছতহে অন্যকাম।

## 6.2.4 মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ

তোৰ চিঠি পাই সেই দেশৰ মানুহবোৰৰ বিষয়ে আৰু বেছিকৈ জনাৰ আগ্ৰহ উপজিছে। মনতে হেঁপাহ জাগিছে কৰ্মনিষ্ঠ সেই মানুবোৰক চাবলৈ। সেই বাবেইহে হবলা সিহঁত দোপতদোপে আগুৱাব পাৰিছে। শিক্ষা-দীক্ষা, জ্ঞান-বিজ্ঞান, খেলা-ধূলা কিহঁতনো পিছপৰা সিহঁত। বাতৰি কাকতৰ বিদেশৰ বাতৰিত দেখোঁন সিহঁতৰ নামেই প্ৰথমতে দেখোঁ। গোটেই পৃথিৱীতে দপ্ দপাই ফুৰে কিহৰ বলত? গভীৰ অনুসন্ধিৎসা আৰু কামৰ প্ৰতি থকা একনিষ্ঠতাৰ বলত নহয় জানো? তয়ো বোপাই পাৰ যদি সেই আপুৰুগীয়া গুণ ফেৰা আহৰণ কৰি ল'।

ইয়াত আমাৰ অসমীয়া জাতিটোৰ কথাতো বুজিবই পাৰিছ -- একেবাৰে পানীত হাঁহ নচৰা অৱস্থা। এসময়ত উত্তৰ ভাৰতৰ প্ৰবল প্ৰতাপী হৰ্ষবৰ্দ্ধনৰ লগত সমানে ফেৰমৰা কুমাৰ ভাস্কৰ বৰ্মণৰ অসম, আহোমৰ দিনত মহাপৰাক্ৰমী মোগলক জোলোকে জোলোকে পানী খুওৱা অসমৰ কথা মনত পৰিলে বুকু আপোনা আপুনি ফিন্দ খাই উঠে গৰ্বত। এতিয়া বাৰু সেই বল বীৰ্য, ভাবনা চিন্তা, দেশ প্ৰেম ক'লৈ গ'ল? ভাবিলে আমঠু ক'লা পৰি যায়। মহাপুৰুষ শঙ্কৰদেৱ মাধৱদেৱে সাত জাতি মিলাই এক জাতি কৰি গঢ়ি থানথিত লগাই থৈ যোৱা সুন্দৰ অসমীয়া সমাজ আৰু সংস্কৃতিৰ বাঘজৰীডাল দেখোঁ আজি কেইটামান বছৰ নৌ-যাওঁতেই সোলোক-ঢোলোক হ'লহি। আজিৰ অসমীয়া ডেকাৰ সেই শৌৰ্য্য ক'ত, যি শৌৰ্য্যত মুগ্ধ হৈ নেজ পেলাই পলাই যাবলগীয়া হোৱা মোগল সেনাপতি ৰামসিংহই কি কৈ গৈছিল মনত পেলাচোন। -- 'অসমীয়া সৈন্যই একেৰাহে যুঁজ কৰিব জানে, নাও চলাব জানে, মাটি খান্দি দুৰ্ভেদ্য গড় বান্ধিব জানে আৰু ঘোঁৰাত উঠি যুঁজ দি শত্ৰু সৈন্যক নাকনি-কাননি কৰিব জানে। আৰু আজিৰ অসমীয়া ডেকাই ঘৰৰ কুটা এগছকে দুগছ নকৰা হ'ল। মহিলা সকলো একেই জাতত উঠিছে। বেছিভাগ গাভৰুৱেও তাঁতত হাত নিদিয়া হ'ল। এসময়ত একে ৰাতিৰ ভিতৰতে কপাহ নেওঠি সূতা কাটি তাৰে 'কবচ কাপোৰ' বৈ ৰণলৈ যাবলৈ ওলোৱা পুতেক, গিৰীয়েক, ভায়েক ককায়েকক পিন্ধাই যুঁজলৈ পঠাইছিল, হাঁতে শুকোৱা মুঠিতে লুকোৱা কাপোৰ বৈ সকলোৰে মন জয় কৰিছিল --সেই সকলো লুকোৱা যেন কালৰ বুকুত হেৰাই যাবলৈ ওলাইছে - অথচ তালৈ কাৰো ভ্ৰূক্ষেপ নাই। আজিৰ ডেকা গাভৰু সকলোৱে একো নকৰাকৈয়ে যাদুকৰী সোণৰ কাঠীৰ পৰশত পলকতে ৰজা হোৱাৰ সপোন দেখে। আৰু তাৰে সুযোগ লৈ বিদেশীসকলে নিজৰ ঘৰতে অসমীয়াক আলহী সজাইছে। অসমৰ মাটিত সোণ ফলাই আজি এক কালি এক হৈ সমগ্ৰ অসমভূমি ছানি পেলাইছে। এইবোৰ কথা -- 'কাকনো কম কোনে পতিয়াব,--।

**শব্দাৰ্থ :**

হেঁপাহ = আগ্ৰহ, ইচ্ছা।
কৰ্মনিষ্ঠ= কামৰ প্ৰতি আগ্ৰহ থকা, কৰ্মী।
দোপতদোপে = ঢাপে ঢাপে, সোনকালে।
দপ্‌দপা = নিৰ্ভয়ে ঘূৰি ফুৰা, আত্মবিশ্বাস ৰাখি চলা।
অনুসন্ধিৎসা = জানিবৰ অদম্য আগ্ৰহ।
একনিষ্ঠতা = একাগ্ৰতা।
আপুৰুগীয়া = দুৰ্লভ, পাবলৈ নোহোৱা।
গুণ ফেৰা = গুণখিনি। আহৰণ = সংগ্ৰহ।
পানীত হাঁহ নচৰা = অক্ষম অৱস্থা, আতুৰ সময়।
ফেৰমৰা = প্ৰতিদ্বন্দিতা কৰা।
জোলোকে জোলোকে = ঢোঁকে ঢোঁকে, অৱস্থা বেয়া কৰি পেলোৱা, পৰাভয় কৰা।
আমঠু ক'লাপৰ = মনত দুখ পোৱা।
থানথিত লগা = সুশৃঙ্খলিত কৰা।
বাঘজৰী = ৰথৰ ঘোঁৰাৰ ৰচী, লেকাম।
সোলোক-ঢোলোক = ঢিলা হ।
শৌৰ্য্য = পৰাক্ৰম, পৌৰুষ, শক্তি।
নেজপেলা = ভয়খোৱা।
নাকনি-কাননি = অস্থিৰ কৰি তোলা।
কুটা এগছকে দুগছ নকৰা = এলেহুৱা, অকৰ্মন্য, কৰ্মবিমুখ।
জাতত উঠ = দলভুক্ত হোৱা।
নেওঠ = কপাহৰ গুটি নেওঠনিত চেপি আঁতৰোৱা।
ৰণ = যুদ্ধ।
কবচ কাপোৰ = যি কাপোৰে প্ৰাণ ৰক্ষা কৰিব পাৰে।
হাঁতে শুকোৱা মুঠিতে লুকুৱা = অতি মিহি পাতল, মসৃন।

পিচে বোপাই, মোৰে শপত; এনেবোৰ কথা ভাবি তোৰ কামত আউল নলগাবি। সময় চকৰি বৈ নাথাকে। সময়ত অসমৰ অৱস্থাৰো সলনি হ'বই হ'ব। চাই থাক, সোণৰ-সঁফুৰা অসম নতুন ৰূপত আকৌ সঞ্জীৱিত হৈ উঠিব। তই দেখোন দেখিছই-- তোৰ দৰে কিমান ল'ৰা-ছোৱালী অসমৰ পৰা ভাৰতৰ বিভিন্ন চহৰলৈ, আনকি বিদেশলৈকো ঢাপলি মেলিছে। সিহঁত আটাইৰে লক্ষ্য উপযুক্ত শিক্ষা লাভ কৰা। জাতি এটাৰ বিপৰ্যয়ৰ সময়ত আহৰণ কৰা এনে শিক্ষাই নতুন পুৰুষৰ মনত সঞ্চাৰিত কৰিব নতুন এক জাতীয়তাবোধ — অৰ্থনৈতিক মুক্তিৰ বোধ। এই বোধ আমাৰ প্ৰতিজন অসমীয়াৰ তেজত প্ৰৱাহিত হ'ব লাগিব। তেহে অসমীয়া জাতিটোৱে আগৰদৰে অইনৰ সমুখত বুকু ডাঠ কৰি থিয় দিব পৰা হ'ব। আন্দোলন বা সশস্ত্ৰ সংগ্ৰামেৰে নহয়, মই ন-দি কৈছোঁ, ই নিজৰ সৰ্বনাশহে মাতি আনে।

অৱশ্যে আন্দোলন, সশস্ত্ৰ বিদ্ৰোহ -- এইবোৰকো তেনেই ফুটুকাৰ ফেন বুলি দলিয়াই নেপেলাবি। আবেগিক আৰু ক্ষণস্থায়ী হলেও এইবোৰৰ একোটা নিজস্ব মূল্য নোহোৱা নহয়। কোনো এটা জাতিক সু-পৰিকল্পিত ভাবে পুনৰ্জীৱিত কৰিবলৈ এইবোৰ একো একোটা আৱশ্যকীয় পদক্ষেপ। তাৰ খাতিৰত কতজনেই যে প্ৰাণ আহুতি নিদিলে। এনে পৰিস্থিতিত লাহে লাহে সকলোৱে উপলব্ধি কৰিব ধৰিছে সুকীয়া নতুন ৰণ-কৌশলৰ প্ৰয়োজনীয়তাৰ। এলাহ আৰু অৱসাদ আঁতৰাই প্ৰতিজন অসমীয়াকে কৰ্মমুখী চেতনাৰে জগাই তুলিব লাগিব। স্বাৱলম্বী কৰি তুলিব লাগিব নতুন শিক্ষাৰে শিক্ষিত ডেকাচামক। অসমৰ নতুন পুৰুষৰ বাবে প্ৰস্তুতিৰ কাল এইটো। আৰু তাৰ পাছতে শুভাৰম্ভ হ'ব মুক্তি মহাযজ্ঞৰ। সেই স্বৰ্গীয় ক্ষণটিলৈ আমিও অধীৰ আগ্ৰহেৰে বাট চাই আছোঁ। মই দঢ়াই ক'ব পাৰোঁ এদিন অসমৰ বুকুত নতুন সুৰুযৰ সোণালী কিৰণে খেলা কৰিব।

আজিলৈ ইমানতে এৰোঁদে মইনা। ক'ব নোৱাৰাকৈয়ে বহুত কিবা-কিবি লিখি পেলালোঁ। সেইবোৰে তোক আমনিহে কৰিব কিজানি। পিচে তোৰ বিদেশলৈ যোৱাৰ উদ্দেশ্যৰ কথা মই হ'লে তোক সোঁৱৰায়ে থাকিম। তয়ো আমেৰিকাৰ ভাল ভাল কথাবোৰ জনাবলৈ নাপাহৰিবি। তোৰ চকুৰেও যদি সেই দেশখন চোৱাৰ সুযোগ পাওঁ নিজকে ভাগ্যৱতী বুলি ভাবিব পাৰিম। শেষত ভগৱানে তোক মূৰৰ চুলিৰ সমান আয়ুস দিয়ক -- তাকে কামনা কৰি আজিলৈ সামৰিলোঁ।

ইতি

আশীৰ্বাদিকা

তোৰ আইতা

ভ্ৰূক্ষেপ = লক্ষ্য।

ছানিপেলা = আবৰি ধৰা।

আউল = জেঁট, গাঁঠিলগোৱা।

ঢাপলি মেলা = দৌৰা, বেগাই যোৱা।
সঞ্চাৰিত জাগ্ৰত কৰা।

ন-দি-ক = জোৰ দি ক, খাটাংকৈ ক।

ফুটুকাৰ ফেন = মূল্যহীন।

অৱসাদ = হতাশা, অসন্তোষ, ভাগৰ।

দলিয়াই পেলা = আতঁৰোৱা।

দঢ়াই ক = খাটাংকৈ ক।

মূৰৰ চুলিৰ সমান আয়ুস = দীৰ্ঘায়ু।

প্ৰতি ঃ

অৰিন্দম কৌণ্ডিন্য
কেলিফোৰ্ণিয়া,
আমেৰিকা যুক্তৰাষ্ট্ৰ।

## 6.2.5 আলোচনা

দ্বিতীয় ভাগটিত আমেৰিকাৰ মানুহৰ কৰ্মতৎপৰতা আৰু কামৰ প্ৰতি নিষ্ঠা, সেই দেশৰ আৰ্থিক স্বচ্চলতা আৰু শিক্ষা-দীক্ষাৰ প্ৰগতি এনেবোৰ খবৰে আইতাক যে উৎসাহিত কৰিছে সেই বিষয়ে আলোচনা কৰা হৈছে। আইতাই সেই দেশৰ কৰ্মনিষ্ঠাৰ আদৰ্শৰে সকলোকে অনুপ্ৰাণিত কৰাৰ ইচ্ছা কৰিছে। আমেৰিকা আৰু অসমৰ মানুহৰ মাজত তুলনা কৰি এফালে যদিও আইতা ম্ৰিয়মান হৈছে আনফালেদি আকৌ আধুনিক শিক্ষাৰে শিক্ষিত অসমীয়া ডেকা-গাভৰুসকলে দুৰ্বল হৈ পৰা অসমীয়া জাতিটোক পুনৰ সক্ৰিয় কৰি তুলিব বুলি আশা পোষণ কৰিছে। অসমীয়া জাতিৰ অতীত ইতিহাসৰ সূত্ৰ ধৰি অতীত আৰু বৰ্তমানক তেওঁ জুখি চোৱাৰ প্ৰয়াস কৰিছে; লগতে অতীতৰ শৌৰ্য্য-বীৰ্য্যৰ কথা উনুকিয়াই উৰলি যাব ধৰা বৰ্তমানক নতুন শক্তিৰে সঞ্জীৱিত কৰি তোলাৰ সংকল্প লৈছে। আশাবাদী মনৰ আইতাৰ ধাৰণা সন্ত্ৰাসবাদ, হত্যা, অকৰ্মন্যতাই মেৰুদণ্ড বেঁকা কৰি পেলোৱা অসমীয়া জাতি আকৌ এদিন শক্তিশালী জাতি ৰূপে মূৰ তুলি থিয় দিব। তাৰ বাবে লাগিব ঐকান্তিক প্ৰচেষ্টা আৰু জগাই তুলিব লাগিব অৰ্থনৈতিক মুক্তিৰ চেতনা। এই চেতনা জাগি উঠিব আধুনিক শিক্ষাৰ আলমত। তাৰ বাবে শিক্ষিত ডেকা শক্তিক কঁকালত টঙালি বান্ধি ওলাই আহিবলৈ আইতাই আহ্বান জনাইছে। আইতা নতুন অসমৰ মূৰ্তিমতী ৰূপ চাবলৈ আকুল। আইতাৰ আত্মবিশ্বাসৰ গভীৰতাই সকলোকে প্ৰেৰণা জনাওক– এই আশাকে পাঠটিৰ মাজেৰে ফুটাই তোলাৰ চেষ্টা কৰা হৈছে।

## 6.2.6 দ্বিতীয় পাঠভাগৰ প্ৰশ্নাৱলী

১১। আমেৰিকাবাসীসকলৰ কি গুণত আইতা মুগ্ধ হৈছে?

১২। অসমীয়া মানুহ সম্পৰ্কে আইতাৰ কেনে ধাৰণা?

১৩। প্ৰাচীন অসমীয়া জাতিটোৰ লগত বৰ্তমানৰ অসমীয়া জাতিটোৰ প্ৰভেদ কিহত?

১৪। ৰামসিংহ কোন?

১৫। 'কবচ কাপোৰ' কি?

১৬। অসমীয়া ডেকাসকলৰ স্বভাব-চৰিত্ৰ এতিয়া কেনে হৈছে বুলি চিঠিত কোৱা হৈছে?

১৭। সন্ত্ৰাসবাদে অসমৰ সমস্যা দূৰ কৰিব পাৰিবনে? তুমি কি ভাবা?

১৮। আমাৰ সমাজত সশস্ত্ৰ আন্দোলনৰ ভূমিকা কেনে বুলি ভাবা?

## 6.3 চমুটোকা

ক) **কম্পিউটাৰ** ঃ চতুৰ্থ খণ্ডত কম্পিউটাৰৰ ওপৰত এটা পাঠ আছে। কম্পিউটাৰৰ বিষয়ে সবিশেষ জানিবলৈ সেই পাঠটো পোৱালৈকে অপেক্ষা কৰা।

খ) **ইণ্টাৰনেট** ঃ ই একপ্ৰকাৰ কৃত্ৰিম উপগ্ৰহৰ যোগেদি আৰু বৈদ্যুতিক উপায়ে খোলা আন্তৰ্জাতিক জ্ঞান বা বাতৰিৰ ভঁড়াল। ইচ্ছুক ব্যক্তি বা সংস্থানে তাৰ একো একোটা (Site) বা টুকুৰা ভাৰা লৈ প্ৰেৰণ যোগ্য জ্ঞান বা বাতৰি লিখি ৰাখে। প্ৰত্যেকটো চাইটৰে একোটা সংক্ষেপ নাম থাকে। যি কোনো লোকে কম্পিউটাৰৰ যোগেদি সেই চাইটত প্ৰবেশ কৰি প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰিব পাৰে। আজিকালি প্ৰায়বোৰ বিশ্ববিদ্যালয়, পুথিভঁৰাল বা ব্যৱসায়ী সংস্থাই নিজৰ নিজৰ চাইট খুলি লৈ নিজৰ বিজ্ঞপ্তি তাত ছপায়। ছাত্ৰ-ছাত্ৰী বা গ্ৰাহকে নিজৰ ঘৰতে বহি কম্পিউটাৰ চলাই পৰীক্ষাৰ খবৰ, কিতাপৰ তালিকা বা প্ৰয়োজনীয় বস্তুৰ বিশদ বিবৰণ পাব পাৰে। এই ব্যৱস্থাকে কোৱা হয় ইণ্টাৰনেট।

গ) **ই-মেইল** ঃ ইয়াৰ অৰ্থ বৈদ্যুতিক ডাক। কম্পিউটাৰৰ জৰিয়তে মানুহে একো একোটা আন্তৰ্জাতিক বিদ্যুৎ চালিত ডাক সংস্থানত নিজৰ তহবিল পঞ্জীভূত কৰিব পাৰে। সেই তহবিল জমা থাকিলে বিশ্বৰ যি কোনো ঠাইৰ পৰা কম্পিউটাৰৰ ছাবি ঘূৰাই একো একোখন দীঘল চিঠি ততালিকে প্ৰেৰণ কৰিব পাৰে। এই চিঠি বিদ্যুতৰ বোকাচাত গৈ নিমিষতে গ্ৰাহকৰ বৈদ্যুতিক ডাক বাকচত জমা হব। গ্ৰাহকে যেতিয়াই তেওঁৰ ডাক চাব খোজে তেতিয়াই এই চিঠি কম্পিউটাৰৰ পৰ্দাত জিলিকি উঠিব। ইচ্ছা কৰিলে তেওঁ কম্পিউটাৰৰ ছাবি ঘূৰাই ততালিকে তাৰ উত্তৰ দিব পাৰে। এই চিঠি

পঠোৱা পদ্ধতিকে কোৱা হয় ই-মেইল। ইয়াৰ উদ্ভাৱনৰ ফলত পৃথিৱীৰ ঠাই আৰু সময়ৰ ব্যৱধান নোহোৱা হৈছে। ই-মেইলৰ ব্যৱস্থাৰ বাবে তিনিটা কথাৰ প্ৰয়োজন– এটা দূৰবাণী(Telephone), এটা মোডেম নামৰ যন্ত্ৰ আৰু দূৰবাণী বিভাগ বা কোনো ব্যক্তিগত সংস্থানৰ অনুমতিত খোলা ই-মেইল তহবিল।

**ঘ) হৰ্ষবৰ্দ্ধন ঃ** হৰ্ষবৰ্দ্ধন ৬০৬ খৃঃ ত কনৌজৰ ৰাজপাটত বহে। তেওঁ আছিল থানেশ্বৰ ৰাজ্যৰ ৰজা প্ৰভাকৰ বৰ্দ্ধনৰ দ্বিতীয় পুত্ৰ। নিজৰ ক্ষমতা আৰু নানা প্ৰজাহিতকৰ কামেৰে উত্তৰ ভাৰতৰ বিশাল ভূ-ভাগৰ সম্ৰাট হৈ ৪১ বছৰ কাল তেওঁ ৰাজ্য শাসন কৰে। বিদ্যোৎসাহী সম্ৰাট হৰ্ষবৰ্দ্ধন উত্তৰ ভাৰতৰ শেষ হিন্দু সম্ৰাট। তেওঁৰ দিনতে ইতিহাস প্ৰসিদ্ধ চীন পৰিব্ৰাজক হিউৱেন চাং ভাৰতলৈ আহে। হৰ্ষবৰ্দ্ধনে কামৰূপৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মণৰ লগত মিত্ৰতা স্থাপন কৰিছিল। ৬৪৭ খৃঃত তেওঁৰ মৃত্যু হয়।

**ঙ) কুমাৰ ভাস্কৰ বৰ্মণ ঃ** কামৰূপৰ বৰ্মণ বংশৰ উল্লেখযোগ্য ৰজা আছিল কুমাৰ ভাস্কৰ বৰ্মণ। ধৰ্মত হিন্দু আছিল যদিও সকলো ধৰ্মকে তেওঁ সমাদৰ কৰিছিল। তেওঁৰ দিনতে ভাৰত পৰিভ্ৰমণ কৰিবলৈ অহা চীন পৰিব্ৰাজক হিউৱেন চাং কামৰূপলৈ আহি এমাহ কাল কটাইছিল। বিদ্যোৎসাহী, ভাস্কৰ বৰ্মনৰ উত্তৰ ভাৰতৰ শক্তিশালী সম্ৰাট হৰ্ষবৰ্দ্ধনৰ লগত বন্ধুত্ব হৈছিল। ৬৫৭ খৃঃত এইজনা ৰজাৰ মৃত্যু ঘটে।

**চ) কবচ কাপোৰ ঃ** অসমৰ নাৰীসমাজ বোৱা-কটাত আগৰণুৱা আছিল। অসমীয়া ৰমণীসকলে ৰণলৈ ওলোৱা নিজৰ স্বামী, পুত্ৰক গোটেই দিন লঘোনে থাকি অতি পবিত্ৰ মনে ৰাতিৰ ভিতৰতে তুলা ধুনি, সূতা কাটি কাপোৰ বৈ পিচদিনা সেই কাপোৰ পিন্ধাই পঠিয়াইছিল। সেয়ে কবচ কাপোৰ তেতিয়াৰ দিনৰ বিশ্বাস অনুসৰি তেনে কাপোৰ গাত থাকিলে বিজয়ী হৈ ঘৰলৈ উভতি আহিব পাৰে।

**ছ) ৰাম সিংহ ঃ** অম্বৰ দেশৰ ৰজা ভীম সিংহৰ পুত্ৰ ৰামসিংহ মোগল সম্ৰাট ঔৰংজেবৰ শাসন কালত মোগলৰ সেনাপতি আছিল। অসম অধিকাৰ কৰিবলৈ ১৬ বাৰ বিফল হৈ মোগলে ৰামসিংহৰ অধীনত অসম অভিযান চলালে। কিন্তু এইবাৰো

অসমৰ সেনাপতি লাচিত বৰফুকনৰ হাতত মোগলৰ পৰাজয় ঘটে আৰু ৰামসিংহ সসৈন্যে পলাই সাৰে। সেই যুদ্ধৰ নামেই বিখ্যাত শৰাইঘাটৰ যুদ্ধ।

## 6.4 পাঠভিত্তিক অনুশীলনী

### 6.4.1 বোধজ্ঞান অনুশীলনী

১। চিঠিখনৰ বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া। প্ৰতিটো প্ৰশ্নত তিনিটাকৈ বিকল্প দিয়া আছে। শুদ্ধটো বাচি লৈ শুদ্ধ (✓) চিন দিয়া।

ক) অতি মৰমৰ মানুহজন দূৰত অকলশৰে থাকিলে –

১। দুখ লাগে।

২। আনন্দ লাগে।

৩। চিন্তা লাগে।

খ) আইতাকে নাতিয়েকৰ চিঠিখন পঢ়িব নোৱাৰিলে, কাৰণ –

১। চকুৰ অসুখ হৈছিল।

২। তেওঁ পঢ়িব নাজানে।

৩। ৰিতচকুযোৰ বেয়া হৈছিল।

গ) কম্পিউটাৰৰ সহায়ত আজিকালি --

১। চিনেমা চাব পাৰি।

২। চিঠি লিখিব পাৰি।

৩। মানুহৰ জীৱনত প্ৰয়োজনীয় বহুত কাম কৰিব পাৰি।

ঘ) অসমীয়া মানুহবোৰৰ কেনে অৱস্থাই আইতাৰ মনত দুঃখ দিছে?

১। কৰ্মবিমুখ / এলেহুৱা বাবে।

২। সন্ত্ৰাস সৃষ্টি কৰা কাৰণে।

৩। শিক্ষা-দীক্ষাত আগবণুৱা কাৰণে।

ঙ) শঙ্কৰ-মাধৱে অসমীয়া জাতিটোক --

১। ধৰ্ম-মতলীয়া কৰিলে।

২। সাত জাতি মাৰি এক জাতি কৰিলে।

৩। সৰু সৰু ধৰ্মীয় গোটত ভাগ কৰিলে।

চ) মোগল সেনাপতি ৰামসিংহ কেনেকৈ পলাই গ'ল?

১। চকুপানী টুকি টুকি।

২। নেজ পেলাই।

৩। থৰকাচুটি হেৰুৱাই।

ছ) অসমীয়া জাতি আকৌ আগবদৰে বুকু ফিন্দাই থিয় হব পাৰিব যদিহে—

১। অস্ত্ৰ হাতত লয়।

২। আন্দোলন কৰে।

৩। অৰ্থনৈতিক মুক্তিৰ বোধ জগাই তুলিব পাৰে।

জ) একোটা জাতিক জীয়াই ৰাখিবলৈ হলে প্ৰতিজন ব্যক্তি হব লাগিব-

১। দেশ প্ৰেমিক।

২। সুস্থ সবল।

৩। স্বাবলম্বী।

## 6.4.2 তলৰ মন্তব্য কেইটাৰ শুদ্ধ / অশুদ্ধ বাছি উলিওৱা আৰু কাষত '✓' বা 'X' চিন দিয়া

১। নাতিয়েকে আমেৰিকাত ব্যৱসায় কৰে।

২। আমেৰিকাৰ মানুহবোৰৰ মাজত কামৰ প্ৰতিযোগিতা।

৩। অসমীয়া মানুহে আমেৰিকাৰ মানুহৰ লগত ফেৰ মাৰিব পৰা হৈছে।

৪। কুমাৰ ভাস্কৰ বৰ্মন উত্তৰ ভাৰতৰ ৰজা নাছিল।

৫। মহাপুৰুষ শঙ্কৰদেৱে অসমীয়া জাতিটোক বহুবোৰ ধৰ্মীয় গোষ্ঠীত ভাগ কৰি থৈ গৈছে।

৬। সশস্ত্ৰ সংগ্ৰামে অসমীয়া জাতিৰ মুক্তি আনিব নোৱাৰে।

৭। অসমখন বহিৰাগত মানুহেৰে ভৰি পৰিল।

৮। এলাহ আৰু অৱসাদ অসমীয়া মানুহৰ প্ৰধান শত্ৰু।

৯। নতুন শিক্ষাৰে শিক্ষিত নতুন পুৰুষে অসমীয়া মানুহৰ কি হিত সাধিব?

১০। আইতা অসমীয়া জাতিৰ সুন্দৰ ভৱিষ্যতত আশাবাদী।

## খালী ঠাই পূৰণ কৰা

ক) অসমীয়া জাতিটোৰ এতিয়া পানীত .............. নচৰা অৱস্থা।

খ) পুৰণি অসমৰ কথা মনত পৰিলে বুকু আপোনা আপুনি .......... খাই উঠে।

গ) আমেৰিকাই গোটেই পৃথিৱীতে .............. ফুৰে।

ঘ) বিদেশী আৰু বহিৰাগত সকলে অসমৰ বুকুতে ........... উন্নতি কৰিছে।

ঙ) অসমীয়া জাতি আগৰদৰে অইনৰ লগত .............. পৰা হ'ব।

## পাঠত থকা খণ্ডবাক্য আৰু জতুৱা ঠাঁচবোৰ বাছি উলিওৱা আৰু সেইবোৰৰ প্ৰয়োগলৈ লক্ষ্য কৰা।

## 6.4.3 ব্যাকৰণগত অনুশীলনী

### ক) তলত দিয়া শব্দবোৰৰ সমাৰ্থক শব্দ দিয়া।

অৰিহণা, ধিয়া, আউল, আঁতৰা, সোলোক-ঢোলোক, ফিন্দ-খা, আকুল, আজৰি, গুৰুবাৰ, বিতচকু, আলহী।

### খ) বিপৰীত শব্দ লিখা।

ৰক্ষাকাৰী, সুচল, হেঁপাহ, আগুৱা, সোলোক-ঢোলোক, কৰ্মবিমুখ, ক্ষণস্থায়ী, শুভাৰম্ভ, ভাগ্যবান।

## গ) তলত দিয়া খণ্ডবাক্য / জতুৱা শব্দাৱলী ব্যৱহাৰ কৰি বাক্য ৰচনা কৰা ঃ

(ক) আপুৰুগীয়া (খ) তেৰা (গ) জনদিয়েক (ঘ) থৌকি বাথৌ (ঙ) নোহোৱা-নোপোজা (চ) হেন্দোলনি (ছ) দোপত দোপে (জ) ফেৰ মাৰ (ঝ) নাকনি কাননি (ঞ) জোলোকে জোলোকে (ট) আমঠু ক'লাপৰ (ঠ) আউল লাগ (ড) বাট চা।

## ঘ) তলত দিয়া প্ৰবচনবোৰ ব্যৱহাৰ কৰি বাক্য ৰচনা কৰা

ক) বনত বাঘ নাথাকিলেও মনত বাঘ থাকে।

খ) পঢ়ে পঢ়ুৱায় ৰোৱে পাণ এই তিনি নিচিন্তে আন।

গ) দেহা চাইহে বেহা।

ঘ) ছাঁতে শুকোৱা মুঠিতে লুকোৱা।

ঙ) কৃটা এগছকে দুগছ নকৰা।

চ) ফুটুকাৰ ফেন হ'ল।

## 6.5 পঠন অনুশীলনী

ক) গোটেই চিঠিখন পঢ়ি তোমাৰ কোন কোন অংশ ভাল লাগিল চোৱা।

খ) ভাল লগা অংশটি আকৌ পঢ়ি কোনটো শাৰী বেচি ভাল লাগিল চোৱা।

গ) চিঠিখনত নতুন শব্দ / খণ্ডবাক্যবোৰ মনত ৰাখা।

ঘ) নতুন যেন লগা বাক্যকেইটা বাছি উলিওৱা।

ঙ) চিঠিখনৰ মূল ভাবটো বুজাৰ চেষ্টা কৰা।

চ) কোনটো পৰিচ্ছেদত জটিল বাক্য বেছি আছে সেইটো বাছি উলিওৱা।

ছ) চিঠিখনত ব্যৱহাৰ কৰা ফকৰা / প্ৰবচন আদি ক'ত ক'ত আছে চোৱা। সেইবোৰ কেনে সন্দৰ্ভত প্ৰয়োগ কৰা হৈছে লক্ষ্য কৰা।

জ) চিঠিখনত কি বিশেষ বিশেষ কথা কবলৈ যত্ন কৰা হৈছে বিচাৰি উলিওৱা।

## 6.6 লেখন অনুশীলনী

ক) তোমাৰ মোমায়েৰালৈ চমুকৈ এখন চিঠি লিখা।

খ) আইতাৰ কথাখিনি তোমাৰ গ্ৰহণযোগ্য হৈছেনে? কাৰণ দৰ্শাই বহলাই লিখা।

গ) অসমৰ সমস্যা সমাধানৰ বিষয়ে তুমি কি ধৰণে চিন্তা কৰিছা লিখা।

ঘ) কি কৰিলে অসমীয়া জাতিটো জীয়াই থাকিব সেই বিষয়ে তোমাৰ মত কি?

ঙ) ৰামসিংহই অসমীয়া মানুহৰ বিষয়ে কেনে ধাৰণা লৈ গৈছিল? কেতিয়া তেওঁ তেনে মন্তব্য কৰিছিল?

চ) শিক্ষাই একোটা জাতিক বিপৰ্য্যয়ৰ পৰা কেনে ধৰণে উদ্ধাৰ কৰিব পাৰে?

ছ) অসমৰ ছাত্ৰ-ছাত্ৰী সকল আজিকালি ৰাজ্যৰ বাহিৰলৈ বা বিদেশলৈ কি কাৰণে পঢ়িবলৈ যাব খোজে? তোমাৰ নিজা অভিমত দাঙি ধৰা।

জ) জাতি এটাক ৰক্ষা কৰিবলৈ সশস্ত্ৰ বিদ্ৰোহৰ ভূমিকা কি?

ঝ) অসম আন্দোলনে অসমীয়া জাতিটোক আগুৱাই নিলে নে পিছুৱাই নিলে বুজাই লিখা।

ঞ) আইতাই নতুন পুৰষৰ পৰা কি আশা কৰিছে?

## 6.7 উত্তৰ সংকেত

ওপৰত দিয়া অনুশীলনীবোৰ তলত দিয়া উত্তৰৰ লগত মিলাই চোৱা আৰু ৬.৫.২ চোৱা

### 6.7.1 বোধজ্ঞান অনুশীলনী ঃ

১। ক) ৩, খ) ৩, গ) ৩, ঘ) ১, ঙ) ২, চ) ২, ছ) ৩ জ) ৩,

২। ১) X, ২) ✓, ৩) X, ৪) X, ৫) X, ৬) ✓, ৭) ✓, ৮) ✓, ৯) X , ১০) ✓

৬. ক) অৱদান, চিন্তাকৰা, জোঁট / জটিল, দূৰ কৰা / গুচা, ঢিলা, ফুলি উঠা, কাতৰ / বিবশ, জিৰণি / অৱকাশ, বৃহস্পতিবাৰ, চচ্‌মা, অতিথি।

খ) বিনাশকাৰী, অসুবিধা, অনীহা, পিচুৱা, টান / কঠিন, নিষ্ঠাবান, দীৰ্ঘস্থায়ী, সমাপ্তি / সামৰণি, হতভগীয়া / দুৰ্ভগীয়া।

## 6.8 অতিৰিক্ত পঠন উপদেশ

চিঠি লিখাৰ আদব-কায়দা হৃদয়ঙ্গম কৰিবলৈ বিভিন্ন ৰচনা পুথি অধ্যয়ন কৰাৰ উপৰিও তলৰ পুথি দুখনত থকা চিঠি পত্ৰৰ নমুনাবোৰ ভালদৰে পঢ়িবা।

১। প্ৰৱেশিকা ৰচনা শিক্ষা ঃ গিৰিধৰ শৰ্মা।

২। সাঁকো ঃ দত্তবৰুৱা আৰু গোস্বামী

## 6.9 ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন কৰিবলৈ দিয়া সংকেত

চিঠিৰ যে বিভিন্ন প্ৰকাৰৰ আৰ্হি আছে সেই বিষয়ে পাঠত পাইছা। আনবোৰ আৰ্হি কেনে ধৰণৰ হব পাৰে প্ৰশ্ন সুধি জানিব পাৰা।

যোগাযোগৰ আন ব্যৱস্থা সমূহৰ বিষয়েও প্ৰশ্ন সুধি জানিলোৱা ভাল।

—— x ——

গোট নং 7

# সময়

ৰচনা ঃ নীলমণি ফুকন

## 7.1 পাতনি আৰু উদ্দেশ্যাৱলী

আজি কালি প্ৰায় দেখা যায় যে উঠি অহা নতুনচামে সময়ৰ মূল্য বুজি নাপায়। তেওঁলোকৰ মাজত কৰ্ম বিমুখতা দেখা যায়। আজৰিসময় উপযুক্তভাৱে অতিবাহিত নকৰি তিনিআলিৰ মূৰৰ দোকানত অমূলক কথা পাতি কটাই দিয়ে। তেওঁলোকৰ কথা-বতৰাৰ মাজতো গঠনমূলক চিন্তাধাৰা খুব কমেই দেখা যায়। এটা সমস্যাই ভাড়াক্ৰান্ত কৰি তোলাৰ লগতে তেওঁলোকে আৰু এটা সমস্যা নিজে সৃষ্টি কৰি লয়। কিন্তু যদিহে তেওঁলোকে সময়ৰ মূল্য বুজি পালেহেঁতেন তেনেহ'লে কেতিয়াও জীৱনৰ বহুমূলীয়া সময়বোৰ নষ্ট নকৰিলেহেঁতেন। এই কথা সাৰোগত কৰি ইয়াত 'সময়' নামৰ এই পাঠটি সন্নিবিষ্ট কৰা হৈছে। ইয়াত লেখকে জীৱনৰ প্ৰতিটো মুহূৰ্ত্ত কিমান মূল্যবান তাৰেই ইঙ্গিত দিছে।

এই প্ৰবন্ধটি পঢ়িলে তুমি জানিবলৈ পাবা —

- দৈনন্দিন জীৱনত সময়ৰ লেখ কেনেকৈ কৰা হয়,
- প্ৰকৃত অৰ্থত সময়ৰ জোখ কেনেকৈ কৰা হয়,
- আমাৰ জীৱনত সময়ৰ মূল্য কিমান,
- সময়ৰ সদ্ব্যবহাৰ কৰিবৰ কাৰণে আমি কি কৰিব লাগে.
- নানা ঐতিহাসিক, ভৌগোলিক আৰু পৌৰাণিক কথাৰ সম্ভেদ।

## 7.2 লেখক পৰিচিতি

এই প্ৰবন্ধটোৰ ৰচয়িতা (ককা) নীলমণি ফুকন। ফুকনদেৱৰ জন্ম হয় ১৮৮০ চনত ডিব্ৰুগড় চহৰত। এওঁ অসমীয়া সমাজত 'ককা' আৰু 'বাগ্মীবৰ' আখ্যাৰে জনাজাত। ককাৰ পিতৃ হ'ল দুৱৰা বংশৰ লম্বোদৰ খাৰঘৰীয়া ফুকন। ককাই ডিব্ৰুগড়তে স্কুলীয়া শিক্ষা লাভ কৰি কটন কলেজৰ পৰা এফ্ এ আৰু কোচবিহাৰ কলেজৰপৰা বি. এ. পাছ কৰাৰ পাছত কলিকতাত আইন শিক্ষা লাভ কৰে। পঢ়া সাং কৰি ডিব্ৰুগড় জৰ্জ ইনষ্টিটিউট হাইস্কুলত হেডমাষ্টৰৰ চাকৰিৰে চাকৰিজীৱন আৰম্ভ কৰে। পাছত চাকৰি বাদ দি চাহ বাগিচাৰ কামত লাগে। তেওঁ কংগ্ৰেছ দলত যোগদান কৰি বিধানসভাৰ সদস্যৰূপেও নিৰ্বাচিত হৈছিল। অসম সাহিত্য সভাৰ শিৱসাগৰ (১৯৪৪ চন) আৰু ডিব্ৰুগড় (১৯৪৭ চন) অধিবেশনৰ তেওঁ সভাপতি আছিল। ১৯৭৮ চনত ককা ফুকনদেৱৰ মৃত্যু হয়।

কবি নীলমণি ফুকনদেৱে 'আলোচনী' নামৰ কাকত এখন সম্পাদনা কৰি ইয়াৰ যোগেৰে নিজে কবিতা লিখিছিল; কিন্তু প্ৰকৃততে তেওঁ 'আবাহন'ৰ জৰিয়তেহে কবি ৰূপে প্ৰতিষ্ঠা লাভ কৰে। তেওঁ ৰচনা কৰা কবিতাপুথিসমূহ হ'ল – 'জ্যোতিকণা' ১৯৩৮), 'মানসী' (১৯৪৩) 'গুটিমালী' (১৯৫০), 'জিঞ্জিৰি' (১৯৫১, 'অমিত্ৰা' ( ১৯৫২) আৰু 'সন্ধানী' (১৯৫৩)। তেওঁ 'চিন্তামণি' (১৯৪০) আৰু 'সাহিত্য কলা' (১৯৪০) নামেৰে দুখন গদ্যপুথিও ৰচনা কৰিছিল। 'আলোচনী' আৰু 'ন-জোন' নামৰ দুখন কাকতৰ তেওঁ সম্পাদকো আছিল।

## 7.3 মূলপাঠ

### 7.3.1 মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথম ভাগ

নৈৰ সোঁতৰ লগত সময়ক তুলনা কৰা হয়। দুয়ো বৈ নাথাকে, বৈ যায়। নৈৰ সোঁত যাওঁতে চকুৰে দেখি; সময়ৰ সোঁত এইদৰে বৈ নাযায়। কাৰ্য্যক্ষেত্ৰতহে তাৰ গম পোৱা যায়। কাৰ্য্য-ক্ৰম অনুসৰি সময় ভাগ কৰা হয়। সময়ৰ ডাঙৰ ভাগবিলাকেই যুগ, কল্প, শতাব্দী; মজলীয়া ভাগবিলাকেই ঋতু, বছৰ, মাহ; আৰু সৰু ভাগবিলাকেই দিন, ৰাতি, প্ৰহৰ। তাৰে ভগ্নাংশবিলাক হৈছে দণ্ড, পল, অনুপল।

সময়ৰ এই ভাগবিলাক বিশেষ বিশেষ লক্ষণাক্ৰান্ত। এই কাৰণেই হিন্দু শাস্ত্ৰমতে চাৰি যুগৰ লক্ষণবিলাক নিৰ্ণয় কৰি থোৱা আছে। কলি-যুগত কল্কি অৱতাৰৰ পিছত সত্য-যুগৰ প্ৰৱৰ্তন, খ্ৰীষ্টানসকলৰ মতে মিলেনিয়াম্ বা হাজাৰ বছৰ যীশুৰ ৰাজত্ব; ইছলামৰ মতে শেষ ইমাম মেহদিৰ আগমন ইত্যাদি

ঘটনাৱলীয়েই একো একো যুগৰ লক্ষণ। এই যুগবিলাকৰ পৰিবৰ্ত্তনেই কল্পান্তৰ, চাইক্লিক্ আদি বিভিন্ন নামত প্ৰখ্যাত। অৰ্থাৎ সময় সদায় বৃত্তাকাৰ গতিত ঘূৰিবই লাগিছে। কাৰ্য্য-গতিকে এই বৃত্তৰ ব্যাস আৰু পৰিধি বেছ্-কম হয় বাবেই সময়ৰ বিভিন্ন বিভাগৰ কল্পনা।

একো একোটা বিশেষ ঘটনা বা মানুহৰ কাৰ্য্য-কলাপ অৱলম্বন কৰিও সময়ৰ ভাগ কৰা হয়। ধৰ্ম্ম, কলা, সাহিত্য, কিংবদন্তি যুদ্ধ-বিগ্ৰহ, ৰাজত্ব আদি বিষয়বিলাকে সময়ৰ একো একোটা ঢাপ তুলি সীমাবদ্ধ কৰি থৈ যায়। সংবৎ, শকাব্দ, খ্ৰীষ্টাব্দ, হিজৰি, শঙ্কৰাব্দ, চৈতন্যাব্দ ইত্যাদি সময়বিভাগৰ গুৰিতে এনে একোটা স্মৰণীয় ঘটনা আছে।

প্ৰাকৃতিক জগতৰ গতি-বিধি লক্ষ্য কৰিও সময় নিৰূপণ কৰা হয়। ছয় ঋতুৰ উদ্ভৱ ইয়াতেই। জাৰত ঠেটুৱায়ে ধৰি ঠেৰেঙা হৈ থকা গছৰ ডালত কুঁহিপাত ওলালেই বসন্ত ঋতুৰ আগমন ধৰিব পাৰি। পদুম ফুলপাহ ৰাতিপুৱা মুকলি হৈ আৰু সন্ধিয়া জাপ গৈ সূৰ্য্য উদয় হোৱা আৰু অস্ত যোৱা সময়ছোৱা দেখুৱাই দিয়ে। বেলিফুল সূৰ্য্যৰ লগে লগে ঘূৰে। ইয়াক বেলি-ঘড়ীও বুলিব পাৰি। কঁঠালে মুচি পেলালে, আমে মলিয়ালে, ধান পকিলে, বাঁহে গাঁজ মেলিলে, ঢাপত কেতেকী গোন্ধালে একো একোটা ঋতুৰ সম্ভেদ পোৱা যায়।

জীৱ-জন্তুৰ আচৰণতো সময় নিৰূপণ কৰিব পাৰি। কেঁকোৰা গাঁতত সোমালে, শামুকে পথাৰত দেখা দিলে, বালিমাহী চৰাই ওলালে, কুলি-কেতেকীয়ে মাতিলে, মাছে কণী পাৰিলে, চৰায়ে কুটা কঢ়িয়ালে, ভেকুলীয়ে টোৰ্টোৰালে, একো একোটা ঋতুৰ গম পোৱা যায়। গৰুৱে চৰা ঠাইৰপৰা ধূলি উৰাই উলটি আহোঁতে গধূলি হোৱা দেখা যায়। শিয়ালে হোৱা দি দি প্ৰতি প্ৰহৰৰ বাতৰি দিয়ে। ফেঁচুৱে জালি দি, টঙিত পাৰেই ৰূণ্ দি জনায় পোহৰ হ'বলৈ আৰু বেছি পৰ নাই। কুকুৰাৰ ডাকত ৰাতি পুৱাল বুলি মানুহে শোৱা ঢাৰি-পাটী এৰিবৰ উপক্ৰম কৰে।

আদিতে মানুহে প্ৰাকৃতিক জগতৰ পৰিবৰ্তন বিলাক লক্ষ্য কৰি একো একোটা সাধাৰণ উপায়েৰে সময় নিৰূপণ কৰি কাম চলাইছিল। এঠাইলৈ যাবলৈ কিমান সময় লাগিব, সেই কথা ৰিংটোৰে, তামোলখন খাই শেষ কৰা কথাটোৰে, একেটা উশাহে নিৰ্দ্ধাৰিত কৰিছিল। বেলিটোৰ গতিৰ লগে লগে নিজৰ গাৰ ছাঁটো কিমান দীঘল-চুটি হয়, তাক চাই সময় ঠিক কৰিছিল।

7.3.2 **আলোচনা**

নৈৰ সোঁতৰ দৰে সময় বৈ যায়। কোনো বৈ নাথাকে। নৈৰ সোঁত চকুৰে দেখিবলৈ পোৱা যায়। কিন্তু সময় বৈ যোৱা কোনোৱে নেদেখে। কামৰ দ্বাৰাহে

শব্দাৰ্থ ঃ

যুগ (বি) — কালৰ এক প্ৰধান ভাগ; যেনে — সত্য, ত্ৰেতা, দ্বাপৰ, কলি, এই চাৰি যুগ।

কল্প (বি) — ব্ৰহ্মাৰ এদিন আৰু এৰাতি।

শতাব্দী (বি) — এশ বছৰ।

প্ৰহৰ (বি) — সময়ৰ এটি সৰু ভাগ।

দণ্ড (বি) — ষাঠি পল।

পল (বি) — এক দণ্ড কালৰ ষাঠীভাগৰ এভাগ, ২৪ চেকেণ্ড।

অনুপল (বি)— পলৰ ষাঠীভাগৰ এভাগ, একক্ষণ বা নিমিষ।

ইমাম (বি) — অগ্ৰদূত, মুছলমানসকলৰ ধৰ্মগুৰু।

বৃত্তাকাৰ (বিণ) — ঘূৰণীয়া।

কল্পান্তৰ (বিণ) — আন এটা কল্প।

কিংবদন্তি (বি) — জনশ্ৰুতি, বহুদিনৰপৰা মানুহৰ মুখে মুখে চলি অহা প্ৰচলিত কথা।

ঢাপ (বি) — ভেটি, সীমা।

ঠেটুৱৈয়ে ধৰা (বি) — ঠাণ্ডা লগা, জাৰত হাত ভৰি অৱশ হোৱা অৱস্থা।

স্মৰণীয় — মনত ৰাখিবলগীয়া।

ঠেৰেঙা (বিণ) — জাৰত টান মৰা, জাৰত সাৰ নথকা হোৱা।

মুচি (বি) — কলি (কঁঠাৰ ক্ষেত্ৰত প্ৰযোজ্য)।

মলিয়ালে (ধা) — আমৰ ফুল ফুলি উঠাক মলিয়ালে বোলা হয়।

জালি দি (বি) ৰাতিৰ শেষত পোহৰ হবলৈ ধৰোঁতে চৰায়ে মতা মাত।

টঙিত (বি) — ৰাতি খেতি ৰখিবলৈ মানুহ থকাৰ বাবে সজা ওখ-চাংঘৰ। ইয়াত পাৰ চৰাইৰ বাহ ওখত হোৱা বাবে 'টঙিত' বোলা হৈছে।

ৰূণ্ দি (ধা) — পাৰ বা কপৌ চৰাইৰ মাত।

ডাক (বি) — 'জাননী' কুকুৰা চৰায়ে ৰাতিপুৱা মতা মাত।

ঢাৰি-পাটী (বি) — বিছনা, শয্যা।

তাক নিৰ্ণয় কৰিব পৰা যায়। সময়ৰ ভাগবোৰ হ'ল ক্ৰমে অনুপল, পল, দণ্ড, প্ৰহৰ, দিন-ৰাতি, মাহ, বছৰ, শতাব্দী, কল্প, যুগ ইত্যাদি। হিন্দু, ইছলাম খ্ৰীষ্টান আদি সকলো ধৰ্মৰে একো একোটা ঘটনাক ভিত্তি কৰি একোটা যুগৰ ধাৰণা কৰা হৈছিল। কোনো ৰজাৰ ৰাজত্ব, কিংবদন্তি, যুদ্ধ-বিগ্ৰহ, ভুমিকম্প আদি নৈসৰ্গিক ঘটনা, কলা, সাহিত্য আদি বিষয়বোৰৰ উল্লেখযোগ্য ঘটনা একোটাক কেন্দ্ৰ কৰিও সময় ভাগ কৰা হয়।

প্ৰাকৃতিক জগতৰ পৰিবৰ্তন; যেনে - সূৰ্য্য উদয় আৰু অস্ত যোৱা বিভিন্ন ঋতুত ফুল ফুলা আৰু গছত ফল ধৰা আদি লক্ষ্য কৰিও সময়ৰ ভাগ নিৰূপণ কৰা হয়। প্ৰাচীন কালত মানুহে সময়ৰ একেবাৰে সৰু সৰু ভাগবোৰ বুজাবলৈ ৰিংটো, তামোল এখন খাই শেষ কৰা কথাটো, একে উশাহে ব্যৱহাৰ কৰিছিল। কিছুমান নিজৰ গাৰ ছাঁটো বেলিৰ পোহৰত চুটি-দীঘল হোৱাটোলৈ চায়ো সময় নিৰূপণ কৰিছিল।

### 7.3.3 প্ৰথম পাঠ্যভাগৰ প্ৰশ্নাৱলী

১। সময়ৰ ডাঙৰ ভাগ কোনবিলাক, কি কি?

২। সময়ৰ সৰু ভাগবিলাকৰ নাম লিখাঁ।

৩। হিন্দু শাস্ত্ৰমতে যুগ কেইটা?

৪। কুকুৰাৰ ডাকত বা শিয়ালৰ "হোৱা"ত মানুহে কি বুলি ভাবে?

৫। প্ৰকৃতিৰ গতি-বিধি লক্ষ্য কৰি কিদৰে সময় নিৰূপণ কৰা হয়?

৬। গধুলি শব্দটো কেনেকৈ উৎপত্তি হোৱা দেখা যায়?

৭। 'বেলি ঘড়ী' মানে কি?

৮। একোটা বিশেষ ঘটনা বা মানুহৰ কাৰ্য্য-কলাপ অৱলম্বন কৰি কিদৰে সময় ভাগ কৰা হয়?

### 7.3.4 মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ

উদ্ভাৱিকা শক্তিৰ বলত মানুহে লাহে লাহে সময়-নিৰূপণ কৌশল উলিয়াবলৈ ধৰে। গ্ৰহ-নক্ষত্ৰৰ গতিৰ লগত সামঞ্জস্য ৰাখি সময়ৰ সম্বন্ধ স্থিৰ কৰি লয়। চন্দ্ৰ-সূৰ্য্যৰ গতি চাই দিন, মাহ গণনা কৰিবলৈ ধৰে। এইদৰে সময়ৰ সুক্ষ্মতম অংশবিলাককো স্থিৰ কৰিব পাৰিছে যদিও সময়ৰ প্ৰকৃত যন্ত্ৰ-পাতি হৈছে কৰ্ম্ম। কৰ্ম্মৰ মাজেদি সময়ৰ গতি ধৰিব পাৰি। এলেহুৱাৰ দিনটো নাযায়-নুপুৱায়। কিন্তু কৰ্ম্মী লোকৰ মানত দিনটো চকু-পচাৰতে গ'ল যেন লাগে।

এই কাৰণেই বোধকৰোঁ মানুহৰ এবছৰে দেৱতাৰ এদিন বুলি কোৱা হয়। মানুহৰ এক কল্প বা এহাজাৰ যুগে ব্ৰহ্মাৰ মাত্ৰ এদিন আৰু এৰাতি। বিশ্ব-ব্ৰহ্মাণ্ডৰ খণ্ড আৰু মহাপ্ৰলয়ৰ মাজেদি ব্ৰহ্মাই সৃষ্টিৰ গতি অব্যাহত ৰাখিবলৈ কি বিৰাট কৰ্ম্ম-ক্ষেত্ৰ পাতিব লগা হৈছে, সেই কথা মানুহৰ কল্পনাৰো অতীত। ব্ৰহ্মাই যিমানখিনি সৃষ্টিৰ কাম কৰিব লগা হয়, মানুহৰ দিন-ৰাতিৰ কামৰ তুলনাত যথাৰ্থতে এহেজাৰ যুগৰ কাম হৈ উঠে। মানুহৰ এক কল্পই ব্ৰহ্মাৰ এদিন আৰু এৰাতিৰ অৰ্থও এয়েই।

সময়ৰ সদ্ব্যৱহাৰ কৰা কথাৰ ওপৰতে তাৰ যথাৰ্থ মূল্য স্থিৰ কৰিব পাৰি। কৰিব লগীয়া কামখিনি শৃঙ্খলা লগাই কৰি উঠিলেই সময়ৰ সদ্ব্যৱহাৰ কৰা হ'ল বুলি ক'ব পাৰি। শৃঙ্খলা লগাই ৰেল-গাড়ীৰ সময়-তালিকা নিৰূপণ কৰা হয় বাবেই কেৰ্কেটুৱাই গছে গছে বগাই ফুৰাৰ দৰে মানুহে ইখন ৰেল এৰি সিখন ৰেলত উঠি দেশ-বিদেশ, বৰঘৰ-মাৰলঘৰ যেন কৰি ফুৰিব পাৰিছে। ঘৰখন চলোৱাৰপৰা ৰাজ্য চলোৱালৈকে সকলো কামতে শৃঙ্খলাৰ মাজেদি সময়ৰ সদ্ব্যব্যৱহাৰ নকৰিলে ঘৰ গুচি অচিৰে বাঁহ-তল হৈ উঠে, ৰাজ্য গুচি অৰাজকতাত পৰিণত হয়।

শব্দাৰ্থ ঃ

উদ্ভাবিকা শক্তি (বি.) — নতুনকৈ উলিওৱা শক্তি, আবিষ্কাৰ কৰা শক্তি।

মহাপ্ৰলয় (বি.) — ভয়ংকৰ প্ৰলয়, অনিবাৰ্য্য ধ্বংস কাৰ্য্য।

তুলনা (বি.) — ৰিজনি।

যথাৰ্থতা (বি.) — সত্যতা।

অৰাজকতা (বি.) — ৰজাহীন বা কোনো নীতি-নিয়ম মানি নচলা।

বাঁহ-তল (বি.) — অপৰিপাটি আৰু অশান্তিকৰ অৱস্থা বা ঠাই।

7.3.5 **আলোচনা**

লাহে লাহে উদ্ভাৱিকা শক্তিৰ বলত মানুহে গ্ৰহ - নক্ষত্ৰক লক্ষ্য কৰি সময় নিৰূপণ কৰা হ'ল। দিন, ৰাতি, মাহ, বছৰ আদি লেখেৰে সময়ক ভাগ কৰিবলৈ আৰম্ভ কৰিলে। বিজ্ঞানৰ অগ্ৰগতিয়ে সময় জোখা যন্ত্ৰ আবিষ্কাৰ কৰিলে। কিন্তু প্ৰকৃততে কৰ্মৰ দ্বাৰাহে সময়ক জোখা হয়। ইয়াৰ মূল্য স্থিৰ কৰা হয় সদ্ব্যৱহাৰৰ দ্বাৰাহে । সময়ত কৰিবলগীয়া কামবোৰ শৃংঙ্খলাৱদ্ধভাৱে সময়মতে কৰাকে সময়ৰ সদ্ব্যৱহাৰ বোলা হয়। সময়ৰ কাম সময়ত কৰিবলৈ হলে ইয়াৰ বাবে সদায় আগতীয়াকৈ প্ৰস্তুত হব লাগে। সময় অপব্যয় নকৰিবলৈ হলে শৃংখলাবদ্ধভাৱে সময় তালিক প্ৰস্তুত কৰি সেইমতে কাম কৰিব লাগে। ৰাজ্য এখনেই হওক বা ঘৰ এখনেই হওক শৃংখলাবদ্ধভাৱে চলালেহে সময়ৰ সদ্ব্যৱহাৰ কৰা হয় আৰু ঘৰ বা দেশখনে উন্নতি কৰিবলৈ সমৰ্থ হয়।

7.3.6 **দ্বিতীয় পাঠ ভাগৰ প্ৰশ্নাৱলী**

৯। মানুহৰ এবছৰে দেৱতাৰ কিমান দিন বুলি কোৱা হয়?

১০। কিহৰ দ্বাৰা সময়ৰ ক্ষুদ্ৰতম অংশ নিমিষ, মুহূৰ্তক ধৰিব পৰা হ'ল?

১১। মানুহে কিহৰ বলত সময় নিৰূপণ কৌশল উলিয়াবলৈ ধৰে?

১২। মানুহৰ এহেজাৰ যুগত ব্ৰহ্মাৰ কিমান দিন বুলি ধৰা হয়?

## 7.3.7 মুদ্ৰিত প্ৰতিলিপিৰ তৃতীয় ভাগ

সময়ৰ টিকনিডাল হেনো আগফালে। কাজেই সময়তকৈ দুখোজ সদায় আগবাঢ়ি যাব নোৱাৰিলে, সময়ে পাখি লগা কাঁড়ৰ দৰে উৰা মাৰিব খুজিলে পাছফালৰপৰা সেই টিকনিত ধৰি ৰখা টান হয়। এই কাৰণেই জ্ঞানী আৰু কৰ্ম্মীলোক নিৰ্দ্ধাৰিত সময়ৰ দুই-চাৰি মিনিট আগেয়ে হ'লেও প্ৰস্তুত থাকে। "ইস চকুৰ আগতেই ৰেলখন এৰিলে" বুলি আধা মিনিট সময় বেলি কৰি দিনটো ষ্টেচনত বৈ থাকিবলগীয়া হোৱা ঘটনাও নঘটা নহয়। নিৰ্দ্ধাৰিত সময়ত উপস্থিত হ'ব নোৱাৰাত অৰ্থ-হানি, মনস্তাপ হোৱা দৃষ্টান্তও পোৱা যায়। পাছফালৰ বল দিয়া সেনা গৈ পোৱা পাঁচ মিনিট পলম হোৱা বাবেই দিগ্বিজয়ী নেপোলিয়ন ৱাটাৰ্লু যুদ্ধত ঘাটিল বুলি কোৱা আছে। যুদ্ধ-বিগ্ৰহত সময়ৰ মূল্য দিহে জয়ী হ'ব পাৰি, এই কথা ভালদৰে হৃদয়ঙ্গম কৰি লাচিতে মোমায়েকৰ মূৰটো কাটিও কাৰ্য্য-সিদ্ধি কৰিছিল। সেই কথা বুজিছিল বাবে লাচিত আজি মহাবীৰ।

সময় অমূল্য ধন বোলা কথাষাৰ সঁচা। একোজন ধন-কুবেৰে এক মিনিটত হাজাৰ হাজাৰ টকা উপাৰ্জন কৰে। এজন মানুহে হয়তো গোটেই জীৱনতো একেলগে হাজাৰ টকা চকুৰে নেদেখে। ঘোঁৰা-চেকুৰত এক মুহূৰ্ত্তৰ আগতে অহা ঘোঁৰাৰ গিৰিহঁতে লক্ষ লক্ষ টকা পোৱাৰ দৃষ্টান্ত আছে। ঘণ্টাত কুৰি মাইল যোৱা লৰী-মটৰ এখনৰ উপাৰ্জন ঘণ্টাত দুমাইল যোৱা গৰু-গাড়ীখনৰ হ'ব নোৱাৰে। ঘনাই মাকোটো মাৰিব পৰা শিপিনীয়ে দিনটোত উলিওৱা দুখন গামোচাৰ মূল্য তিনিবাৰ টোঁৱাই মাকো মাৰি দিনটোত উলিওৱা এখন গামোচাৰ মূল্যতকৈ নিশ্চয় বেছি। পৰীক্ষাত প্ৰশ্ন-কাকত পিটিকি থাকি সময় নষ্ট কৰা পৰীক্ষাৰ্থীতকৈ তল মূৰ ওপৰ কৰিবলৈ সময় নোপোৱা পৰীক্ষাৰ্থীয়ে নম্বৰ বেছি পাবই পাব।

সময়ৰ শৰ মাৰিব নাজানিলে শৰ পহুৰ মঙহ খাবলৈ আশা কৰা মিছা; সেই শৰে শহা এটাকো মাৰিব নোৱাৰে। ভোক চৰি যোৱাৰ পিছত মাছে-মঙহে এগাল খালেও পিত্তৰ বাহ গুচোৱা টান। বতৰ চাই কঠীয়া নেপেলালে জেঠৰ বৰ খৰত সিঁচিলে গুণ নধৰে। চোৰে সিন্ধি দি বৰপেৰাটো উলিয়াই নিয়াৰ পিছত সিন্ধিৰ মুখত চোৰ ধৰিবলৈ খাপ দি থাকিলে বয়-বস্তু উলিয়াই লৈ পথাৰৰ মূৰত পেলাই থৈ যোৱা শুদা পেৰাটোকে পোৱা আশা নাথাকে। ৰোগে দেখা দিওতেই দুপালি ঔষধৰ ব্যৱস্থা নকৰিলে ৰোগীক তুলসী-গুৰিলৈ উলিয়াই ধন্বন্তৰি মাতিলেও কাম নিদিয়ে। কৰ্ম্ম লোকৰ সময়ৰ ভাগবিলাক দেখিলে আচৰিত হ'ব লাগে। মহাত্মা গান্ধীৰ চৌবিশ ঘণ্টাৰ কাৰ্য্য-তালিকা চালেই এই কথাৰ গম ধৰিব পাৰি। পৰুৱাৰ দৰে লানি-নিছিগা কামেও তেওঁক

**শব্দাৰ্থ :**

টিকনি (বি.) — মাজমূৰত থকা দীঘল চুলিৰ কোঁচ।

মনস্তাপ (বিশ.) — মনত দুখ পোৱা, মানসিক কষ্ট।

দৃষ্টান্ত (বি.) — উদাহৰণ, আৰ্হি।

দিগ্বিজয়ী (বিশ.) — ৰণত বা শাস্ত্ৰৰ আলাপত অনেক দেশ জিকা।

সুকতা (বি.) — বেৰৰ জলঙা, সৰু খিৰিকি বা ফুটা।

শতাব্দী(বি.) — এশ বছৰ জুৰি কাল, শতিকা।

জুমুৰি (বি.) — কামৰ আধিক্য, কামৰ হেঁচা, ভিৰ, জঞ্জাল।

কুৰি (বি.) - বিশ বা বিশ।

জুমুৰি দি ধৰিব নোবাৰে। এওঁলোকৰ মানত সময়ৰ সুৰুঙা বোলা ঠাই এঠোখৰ নাই। সুৰুঙা থাকিলেও সি ভগা বেৰৰ জলঙা নহয়, বাঁহীৰ ফুটাকেইটাহে। বাঁহীত মুখ দিয়া মাত্রেই আঙুলিবিলাক তাত নাচি উঠি সপ্তসুৰৰ ঢৌ তুলি দিয়ে। বিশ্রাম বোলা কথাটো তেওঁলোকৰ মানত বিশেষ ৰকমৰ শ্রমহে, তাৰপৰা বিৰতি নহয়। তেওঁলোকে কৰ্ম্মৰ পৰা অব্যাহতি নোলোৱাকৈ সাধাৰণ দুদিনীয়া জীৱন যাপন কৰিও অনন্ত সময়ক কৰ্ম-গ্ৰন্থিৰে বান্ধি অনন্ত কাললৈ অমৰধাম লাভ কৰে। সময়ৰ জোখ কামতহে ,ঘড়ীৰ কাঁইট কেইডালত নাই।

## 7.3.8 আলোচনা

সময় ক্ষীপ্ৰ গতিত গৈ থাকে। সেয়ে ইয়াৰ টিকনিডাল আগফালে বোলা হয়। অৰ্থাৎ সময়ত কাম কৰিবলৈ হলে সদায় তাতকৈ আগতে প্ৰস্তুত হব লাগে। অলপ সময়ৰ ব্যৱধানৰ বাবেও কেতিয়াবা বৰ ডাঙৰ অঘটন ঘটিব পাৰে। মাত্ৰ পাঁচ মিনিট সময় পলমকৈ সৈন্য বাহিনী অহা বাবে নেপোলিয়ন ৱাটাৰ্লু যুদ্ধত পৰাজিত হৈছিল। সময়ৰ মূল্য নুবুজা বাবে নিজৰ মোমায়েকক কাটি লাচিত আজিও অমৰ হৈ আছে। সময় অমূল্য ধন। নিচেই অলপ সময়ৰ ব্যৱধানৰ বাবে কোনোবাই লক্ষ লক্ষ টকা উপাৰ্জন কৰিবলৈ সক্ষম হয়। আৰু কোনোবাই হয়তো একোৱেই নাপায়। পৰীক্ষা গৃহত এটা মুহূৰ্তও অপব্যয় নকৰি লিখাজনেই সৰহ নম্বৰ পাবলৈ সমৰ্থ হয়।

সময়ৰ কাম সময়ত কৰিলে মানুহে সুফল পাবই। বহুত কাম কৰিবলৈ থাকিলেও পৰিপাটিকৈ সময়মতে কৰিলে কোনো কাম সময়ৰ অভাৱত পৰি নাথাকে। কৰ্মীলোকে সেয়ে তেওঁলোকে দুদিনীয়া জীৱনটোত বহুতো কাম কৰিবলৈ সমৰ্থ হয়।

## 7.3.9 তৃতীয় পাঠভাগৰ প্ৰশ্নাৱলী

১৩। কি কথা বুজিছিল বাবে লাচিত আজিও মহাবীৰ হৈ আছে?

১৪। ৱাটাৰ্লু যুদ্ধত কোন, কি কাৰণে পৰাজিত হৈছিল?

১৫। কেনেকুৱা পৰীক্ষাৰ্থীয়ে পৰীক্ষাত বেছি নম্বৰ পাব পাৰে?

১৬। কোন সময়ত ধন্বন্তৰি মাতিলেও ৰোগীক কাম নিদিয়ে?

১৭। কোন সময়ত মাছেমঙহে খালেও পিত্তৰ বাঁহ গুচোৱা কিয় টান হয়?

১৮। কৰ্মীলোকৰ দৃষ্টিত সময়ৰ সুৰুঙাবোৰ কেনে?

## 7.4 সাৰাংশ

নৈৰ সোঁত অবিৰত ভাৱে বৈ যোৱাৰ দৰে সময়ো বৈ গৈ আছে। নৈৰ সোঁতৰ দৰে সময় কেতিয়াও বৈ নাথাকে। সময়ক কিন্তু নৈৰ সোঁতৰ দৰে চকুৰে নেদেখি — কাৰ্য্যৰ দ্বাৰাহে ইয়াৰ উমান পোৱা যায়। সময়ৰ কোনো নিৰ্দিষ্ট সীমা নাই। ইয়াক কিছুমান সৰু সৰু ভাগত ভাগ কৰি লোৱা হয়। সেইবোৰ হ'ল যুগ, কল্প, শতাব্দী, বছৰ, মাহ, ঋতু. পল, অনুপল আদি।

একোটা বিশেষ ঘটনা বা কাৰ্য্যকলাপক অবলম্বন কৰি সময় ভাগ কৰা হয়। খ্ৰীষ্টাব্দ, শংকৰাব্দ, চৈতনাব্দ আদি এনেকুৱা একোটা সময়ৰ ভাগ।

প্ৰকৃতি জগতৰ গতি-বিধি লক্ষ্য কৰিও সময় নিৰূপণ কৰা হয়। জীৱ-জন্তুৱে বিভিন্ন সময়ত কৰা আচৰণক ভিত্তি কৰি কেতিয়াবা কেতিয়াবা সময় নিৰূপণ কৰা হয়; যেনে — কুলিয়ে মাতিলে, সাপ গাতত সোমাল, ভেকুলীয়ে টোৰটোৰালে, বালিমাহী চৰাই ওলাল ইত্যাদি। আগৰ কালত তামোলখন খাই শেষ কৰাৰ সময় ৰিংটোৰ সময়, আনকি নিজৰ গাৰ ছাঁ চায়ো সময়ৰ হিচাপ লৈছিল।

লাহে লাহে মানুহে চন্দ্ৰ সূৰ্য্যৰ গতিবিধি চাই সময় গণনা কৰিব শিকিলে। ফলত দিন, মাহ, বছৰ আদিৰ ৰূপত সময় নিৰূপণ কৰা হ'ল। বিজ্ঞানৰ আবিষ্কাৰৰ লগে লগে নানা ধৰণৰ যন্ত্ৰ পাতিবে মানুহে সময় নিৰূপণ কৰিব পৰা হ'ল।

কিন্তু সময় জোখা প্ৰকৃত যন্ত্ৰ কৰ্মহে। কোনোবাই কৰ্মহীনভাৱে বহু বছৰ জীয়াই থাকিব পাৰে; কিন্তু মৃত্যুৰ লগে লগে তেওঁৰ চিন-মোকাম নাথাকে। আনহাতে যিজনে কৰ্ম কৰি যায়, তেওঁৰ জীৱন কাল নিচেই চুটি হলেও কৰ্মই তেওঁক মানুহৰ মাজত জীয়াই ৰাখে।

সময়ৰ মূল্য নিৰূপণ কৰিব পাৰি ইয়াৰ সদ্ব্যৱহাৰৰ দ্বাৰাহে। এই সদব্যৱহাৰ শৃঙ্খলাৰ মাজেদিহে কৰিব পাৰি। শৃঙ্খলাবদ্ধভাৱে কাম কৰিলে অতি কম সময়ৰ ভিতৰতো বহুত কাম কৰিব পাৰি।

সময় অবিৰাম গতিত বৈ থাকে। গতিকে সময়ত কাম কৰিবলৈ হ'লে তাৰ আগতে প্ৰস্তুত হব লাগিব। কৰ্মী আৰু জ্ঞানী লোকসকলে সেই কাৰণে সদায় সময়তকৈ আগবাঢ়ি থাকে। সেয়ে লেখকে সময়ৰ টিকনি ডাল আগফালে বুলি কৈছে। সময়ৰ কাম সময়ত কৰিব নোৱাৰিলে মানুহ বহুতো বিপদত পৰিব লগা হয়। মাত্ৰ পাঁচ মিনিট সময় পলম হোৱা বাবে ৱাটাৰ্লু যুদ্ধত নেপোলিয়ন হাৰিব লগা হৈছিল। মোমায়েকে সময়ৰ মূল্য নুবুজা বাবে মোমায়েকক কাটি লাচিত বৰফুকন আজিও মহাবীৰ ৰূপে খ্যাত হৈ আছে।

সময়ক মূল্য দিও কিনিব নোৱাৰি। দৌৰ আদি প্ৰতিযোগিতাত মাত্ৰ কেইটামান মুহূৰ্ত আগবঢ়া বাবেই কোনোবাই বহুতো ধন আৰ্জিবলৈ সক্ষম হয় আৰু কোনোবাই একোৱেই নাপায়। পৰীক্ষাগৃহত এটা মুহূৰ্তও অপব্যয় নকৰি তলমূৰকৈ লিখা ছাত্ৰ এজনে প্ৰশ্নকাকত লৈ ইফালে সিফালে চাই থকা ছাত্ৰ এজনতকৈ বেছি নম্বৰ লাভ কৰিবলৈ সক্ষম হয়।

ঠিক সময়ত ঠিকমতে কাম কৰিব জনাজনেই হৈছে সময়ৰ শৰ মাৰিব জনা লোক। ঠিক সময়ত কঠীয়া পেলালেহে আশা কৰা মতে শইচ পাব পাৰি। বেমাৰীক ঔষধ সময়মতে খুৱালেহে অসুখ ভাল হয়। সেয়ে সময়ৰ জোখ কামেৰেহে লব পাৰি, ঘড়ীৰ কাটা কেইডালেৰে নহয় বুলি কোৱা হয়।

## 7.5 টোকা

**হিজ্‌ৰী :** যীশুখ্ৰীষ্টৰ জন্মৰ ৬২২ বছৰৰ পাছত হজৰত মহম্মদ মক্কাৰ পৰা মদিনালৈ পলাই যায়। তেওঁ যোৱাৰ সেই দিনটোৰ পৰাই হিচাপ কৰি মুছলমানী চন ধাৰ্য্য কৰা হৈছে।

**কুবেৰ :** ধনাধিপতি যক্ষৰাজ। তপস্যাৰ বলত ব্ৰহ্মাৰ বৰ লাভ কৰি তেওঁ অমৰ হয়। তেওঁ দেৱতাৰসকলৰ সমান মৰ্য্যাদা নাপালেও পুষ্পক ৰথ লাভ কৰে। পাছত ৰাৱণে তেওঁক যুদ্ধত পৰাস্ত কৰি সেই ৰথ কাঢ়ি নিয়ে। শেষত কুবেৰে কৈলাশত থাকিবলৈ লয়।

**ৱাটাৰ্লুৰ যুদ্ধ:** নেপোলিয়নৰ লগত ৱাটাৰ্লু নামৰ ঠাইত হোৱা এক ভয়ানক যুদ্ধ। এই যুদ্ধতে দিগ্বিজয়ী নেপোলিয়ন তেওঁৰ সৈন্য বাহিনী আহি পোৱাত মাত্ৰ পাঁচ মিনিট পলম হোৱাৰ বাবে পৰাজিত হয়।

**ইমাম :** ইছলাম ধৰ্মৰ ধৰ্মগুৰু, অগ্ৰদূত।

**নেপোলিয়ন বোনাপাৰ্ট :** এজন বিখ্যাত বীৰ।

**শংকৰদেৱ :** মহাপুৰুষ শংকৰদেৱৰ জন্মৰ দিনাখনৰে পৰা গণনা কৰা বছৰ। শংকৰদেৱৰ নামেৰে এই বছৰ গণনাক শংকৰাব্দ বোলা হয়।

**খ্ৰীষ্টাব্দ :** খ্ৰীষ্টান ধৰ্ম প্ৰবৰ্তক যীশুখ্ৰীষ্টৰ জন্মৰ দিনৰ পৰা গণনা কৰা বছৰৰ হিচাপ।

**বেলিঘড়ীঃ** বেলিফুলক সূৰ্য্যমুখী ফুলো বোলা হয়। এই ফুল সূৰ্য্য ঘূৰাৰ লগে লগে ইয়াৰ সূৰ্য্যৰ মুৰাকৈ ঘূৰি থাকে।

**চৈতন্যাব্দ :** চৈতন্যদেৱ বঙ্গদেশৰ এজন ধৰ্ম প্ৰচাৰক। এওঁৰ জন্মদিনৰ পৰা যি বছৰ গণনা কৰা হয় তাকে চৈতন্যাব্দ বোলা হয়।

**মাকোঁ :** ই এটি তাঁত বোৱা যতন। তাঁতৰ দীঘ সূতাৰ মাজেদি বাণি সূতা সৰকোৱা যতন।

**অমৰধাম :** অমৰাৱতীও বোলা হয়। অমৰ দেৱতাসকল এই ঠাইত থাকে। ই দেৱতাসকলৰ ৰজা ইন্দ্ৰৰ ৰাজধানী। স্বৰ্গ।

**পেৰা :** ধনবস্তু সুমাই থোৱাৰ সটাৰ লগোৱা বা নল লগোৱা কাঠৰ সঁজুলি, চন্দুক।

## 7.6 সাধাৰণ অনুশীলনী

### 7.6.1 পাঠভিত্তিক কলাংশক প্ৰশ্নাৱলী

২১। কি কি বিশেষ ঘটনা বা মানুহৰ কাৰ্য্য কলাপ অবলম্বন কৰি সময় ভাগ কৰা হয়?

২০। "নৈৰ সোঁতৰ লগত সময়ক তুলনা কৰা হয়" — কথাষাৰ বুজাই লিখাঁ

২১। একো একোটা ঋতুৰ কথা মানুহে কেনেকৈ গম পায়, বুজাই লিখাঁ।

২২। আদিতে মানুহে নানা উপায়েৰে সময় নিৰূপণ কৰিছিল। সেই উপায়বোৰ কি কি?

২৩। সময়ৰ যথাৰ্থ মূল্য কিদৰে স্থিৰ কৰিব পাৰি উদাহৰণসহ বুজাই লিখাঁ।

২৪। সময়ৰ সদ্ব্যৱহাৰ কৰা কথাৰ ওপৰত এটি টোকা যুগুত কৰাঁ।

২৫। "সময় অমূল্য ধন বোলা কথাষাৰ সঁচা।" লিখকৰ বৰ্ণনাৰে কথাষাৰৰ সত্যতা বিচাৰ কৰাঁ।

২৬। "এওঁ বিলাকৰ মানত সময়ৰ সুৰুঙা বোলা ঠাই এডোখৰ নাই।" — "এওঁবিলাকৰ" শব্দটিৰে কাৰ কথা কোৱা হৈছে? কথাষাৰৰ সাৰমৰ্ম বুজাই লিখাঁ।

২৭। "সময়ৰ জোখ কামতহে , ঘড়ীৰ কাঁটা কেইডালত নাই।" — কথাষাৰৰ তাৎপৰ্য্য ব্যাখ্যা কৰি সময়ৰ সৎ ব্যৱহাৰৰ বিষয়ে তোমাৰ পাঠৰ আধাৰত এটি আলোচনা যুগুত কৰাঁ।

২৮। কৰ্মী লোকৰ সময়ৰ ভাগবোৰ কেনেকুৱা তোমাৰ পাঠৰ আধাৰত লিখাঁ।

২৯। "বিশ্ৰাম বোলা কথাটো তেওঁলোকৰ মানত বিশেষ কামৰ শ্ৰমহে, তাৰপৰা বিৰতি নহয়।" -- "তেওঁলোকৰ" শব্দটোৱে ইয়াত কাৰ কথা কোৱা হৈছে? বিশ্ৰামক তেওঁলোকে কিদৰে গ্ৰহণ কৰে বুজাই লিখাঁ।

7.6.2 ৩০। **প্ৰসংগ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰাঁ ঃ**

ক) সময়ৰ টিকনিডাল হেনো আগফালে।

খ) সময়ৰ সদ্‌ব্যৱহাৰ কৰা কথাষাৰৰ ওপৰতে তাৰ যথাৰ্থ মূল্য স্থিৰ কৰিব পাৰি।

গ) সময় অমূল্য ধন।

ঘ) "সময়ৰ শৰ মাৰিব নাজানিলে শৰ পহুৰ মঙহ খাবলৈ আশা কৰা মিছা।"

ঙ) এলেহুৱাৰ দিনটো নাযায় নুপুৱায়।

চ) জীৱ-জন্তুৰ আচৰণতো সময় নিৰূপণ কৰিব পাৰি।

ছ) নৈৰ সোঁতৰ লগত সময়ক তুলনা কৰা হয়।

জ) সময় সদায় বৃত্তাকাৰ গতিত ঘূৰিবই লাগিছে।

ঝ) সময়ৰ জোখ কামতহে, ঘড়ীৰ কাঁইট কেইডালত নাই।

ঞ) এওঁলোকৰ মানত সময়ৰ সুৰুঙা বোলা ঠাই এডোখৰ নাই।

## খালী ঠাই পূৰণ কৰাঁ

৩১। ক) নৈৰ সোঁতৰ লগত ................ তুলনা কৰা হয়।

খ) কুঁহিপাত ওলালেই ................ ঋতুৰ আগমন ধৰিব পাৰি।

গ) গৰুৱে চৰা ঠাইৰ পৰা উলটি আহোঁতে .............. হোৱা দেখা যায়।

ঘ) উদ্ভাৱিকা শক্তিৰ বলত মানুহে লাহে লাহে ............. কৌশল উলিয়াবলৈ ধৰে।

ঙ) মানুহৰ এক কল্প বা এহাজাৰ যুগে ব্ৰহ্মাৰ মাত্ৰ .......... আৰু ................।

## ৩২। বাক্যাংশ মিলোৱা

| | |
|---|---|
| কুকুৰাৰ ডাকত | প্ৰতি প্ৰহৰৰ বাতৰি দিয়ে। |
| শিয়ালে হোৱা দি দি | ৰাতিপুৱাল বুলি মানুহে শোৱা ঢাৰি-পাটি এৰিবৰ উপক্ৰম কৰে। |
| কুলি কেতেকীয়ে মাতিলে | পোহৰ হবলৈ আৰু বেছি পৰ নাই। |
| পাৰই কণ্ দি জনায় | একোটা ঋতুৰ সম্ভেদ পোৱা যায়। |

## ৩৩। শুদ্ধ - অশুদ্ধ বিচাৰ

তলত দিয়া বাক্যবোৰৰ অশুদ্ধ অংশ বাদ দি পাঠৰ আধাৰত নতুনকৈ লিখা।

ক) সময় সদায় বৃত্তাকাৰ / সমান্তৰাল গতিত ঘূৰিবই লাগিছে।

খ) নৈৰ সোঁত যাওঁতে চকুৰে নেদেখি / দেখি।

গ) আঠ / ছয় ঋতুৰ উদ্ভৱ ইয়াতেই।

ঘ) সময় অমূল্য ধন বোলা কথাষাৰ মিছা / সঁচা।

ঙ) ভোক চাৰি যোৱাৰ পাছত মাছে-মঙহে খালে পিত্তৰ বাহ শুচে / নুশুচে।

চ) দ্বিগ্বিজয়ী নেপোলিয়নে ৱাৰ্টালুৰ যুদ্ধত জিকিছিল / ঘাটিছিল।

## 7.7 ব্যাকৰণগত অনুশীলনী

### 7.7.1 (ক) এটা শব্দত প্ৰকাশ কৰা ঃ

৩৪। তোমালোকে নিশ্চয় গৰু ৰখা-ঘৰ দেখিছা। গৰু ৰখা ঘৰক এটা শব্দত "গোহালি' বোলে। সেইদৰে তলত দিয়াবোৰক এটা শব্দত প্ৰকাশ কৰা।

ক) কঁঠালৰ কুমলীয়া কলিক কি বোলা হয়?

খ) আম গছত ফুল ফুলিলে কি শব্দেৰে বুজোৱা হয়?

গ) বাৰিষা কালত ভেকুলীয়ে মাতিলে কি বোলা হয়?

ঘ) শিয়ালৰ চিঞৰ।

ঙ) পাৰ চৰায়ে ঘূৰি ঘূৰি মতা মাত।

### (খ) বিপৰীতাৰ্থক শব্দ ঃ

৩৫। 'সময়' শব্দৰ বিপৰীতাৰ্থক শব্দ হ'ল 'অসময়'। সেইদৰে তোমাৰ পাঠত থকা কেইটামান বিপৰীতাৰ্থক শব্দ শিকা।

| শব্দ | বিপৰীতাৰ্থক শব্দ |
|---|---|
| গতি | অগতি |
| প্ৰখ্যাত | অখ্যাত |
| শৃঙ্খলা | বিশৃঙ্খলা |
| ৰোগী | নিৰোগী |
| সাধাৰণ | অসাধাৰণ |
| অন্ত | আদি |
| স্থিৰ | অস্থিৰ |
| সৃষ্টি | ধ্বংস, বিনাশ |
| কল্পনা | বাস্তৱ |
| সৰু | ডাঙৰ, বৰ |
| যুদ্ধ | শান্তি |

এতিয়া তলত দিয়া শব্দবোৰৰ বিপৰীতাৰ্থক শব্দ কি হ'ব তুমি নিজে লিখাঁ।

| শব্দ | বিপৰীতাৰ্থক শব্দ |
|---|---|
| শেষ | |
| ভাগ | |
| জাৰ | |
| পোহৰ | |
| আদি | |
| সঁচা | |

## গ) বিশেষ্যৰ পৰা বিশেষণ আৰু বিশেষণৰ পৰা বিশেষ্য গঠন ঃ

৩৬। তুমি শিকিবলৈ লোৱা পাঠটিত বহুতো বিশেষ্য আৰু বিশেষণ পদ আছে, তাৰে কেইটামান বিশেষ্য পদক বিশেষণলৈ ৰূপান্তৰিত কৰি দেখুৱা হ'ল। ঃ

| বিশেষ্য | বিশেষণ |
|---|---|
| বছৰ | বছৰেকীয়া |
| চোৰ | চৌৰ্য্য |
| কল্পনা | কাল্পনিক |
| মাহ | মাহেকীয়া |
| সম্বন্ধ | সম্বন্ধীয়া |
| ধৰ্ম | ধৰ্মীয় |
| জগত | জাগতিক |

সেইদৰে কেইটামান বিশেষণ পদক বিশেষ্য ৰূপলৈ আনি দেখুৱা হ'ল ঃ

| বিশেষণ | বিশেষ্য |
|---|---|
| আংশিক | অংশ |
| ঔষধি | ঔষধ |
| শাস্ত্ৰীয় | শাস্ত্ৰ |
| শামুকীয়া | শামুক |

এতিয়া তুমি তলত দিয়া পদবোৰৰ বিশেষ্যসমূহ বিশেষণলৈ আৰু বিশেষণসমূহ বিশেষ্যলৈ নিয়াঁ ঃ

স্মৰণীয়

বিজ্ঞান

উদ্ভাৱিকা

অন্ত

দিন

নিশা

## (ঘ) খণ্ডবাক্যৰ ব্যৱহাৰ ঃ

৩৭। পাঠটোত পোৱা "সময়ৰ শৰ মাৰিব জনা" শব্দকেইটাৰ মিশ্ৰণে আমাক শব্দ কেইটাৰ অন্তৰ্নিহিত ভাব অতি প্ৰাঞ্জল ভাবে বুজাত সহায় কৰিছে। তদুপৰি ইয়ে লিখনিটো অলংকৃত কৰি তুলিছে। এনেকুৱা বাক্যক খণ্ডবাক্য বোলা হয়। এই খণ্ডবাক্যটোৰ এটি অৰ্থপূৰ্ণ বাক্য ৰচনা কৰি দেখুৱা হ'ল ঃ

সময়ৰ শৰ মাৰিব জনা ঃ সময়ৰ শৰ মাৰিব জানিলেহে মানুহে কামত সুফল পাব পাৰে।

এইদৰে তুমি তলৰ খণ্ডবাক্য কেইটাৰে একোটাকৈ অৰ্থপূৰ্ণ বাক্য ৰচনা কৰাঁ ঃ

ক) ঘৰ শুচি বাঁহতল হোৱা

খ) বতৰ চাই কঠীয়া পেলোৱা

গ) ঠেঁটুৰৈয়ে ধৰা

ঘ) লানি নিছিগা

ঙ) একে উশাহতে

চ) পাখি লগা কাঁড়

## ঙ) সন্ধি বিচাৰ :

পাঠটো পঢ়োতে তুমি 'মনস্তাপ' শব্দটো পাই আহিছা। এই শব্দটো 'মনঃ + তাপ' এই শব্দ দুটা সন্ধি হৈ সৃষ্টি হৈছে।

এটা শব্দৰ শেষ বৰ্ণ আৰু আনটো শব্দৰ আদি বৰ্ণৰে সৈতে জোৰা লাগি দুটা শব্দ এটা হলে সিহঁতৰ মাজত সন্ধি হোৱা বুলি কোৱা হয়।

১। সন্ধি হলে শব্দৰ ৰূপ অলপ পৰিবৰ্তন হয়।

২। অৰ্থৰ কিন্তু কোনো পৰিবৰ্তন নহয়।

সন্ধি তিনিবিধ : স্বৰ সন্ধি, ব্যঞ্জন সন্ধি আৰু বিসৰ্গ সন্ধি।

পাঠটোত থকা কেইটামান সন্ধি ভাঙি তলত দেখুওৱা হ'ল :

| | | |
|---|---|---|
| ইত্যাদি | : | ইতি + আদি |
| কল্পান্তৰ | : | কল্প + অন্তৰ |
| সীমাবদ্ধ | : | সীমা + আবদ্ধ |
| উদ্ভব | : | উৎ + ভব |
| কৰায়ত্ত | : | কৰ + আয়ত্ত |
| যথাৰ্থ | : | যথা + অৰ্থ |
| নিশ্চয় | : | নিঃ + চয় |
| পৰীক্ষা | : | পৰি + ঈক্ষা |
| উপাৰ্জন | : | উপ + অৰ্জন |

এতিয়া তলত দিয়া শব্দবোৰৰ তুমি সন্ধি ভাঙি দেখুৱা :

| | |
|---|---|
| সদ্ব্যৱহাৰ | চৈতন্যাব্দ |
| সম্ভেদ | নিৰ্ণয় |
| সূৰ্যোদয় | ভগ্নাংশ |
| খ্ৰীষ্টাব্দ | |

## চ) শব্দৰ যোৰ ঃ

তলৰ প্ৰতিযোৰ শব্দৰ মাজত বানানৰ ভেদ লক্ষ্য কৰা। বানান ভেদে অৰ্থও বেলেগ হয়। অৰ্থৰ ভিন্নতা দেখুৱাব পৰাকৈ শব্দযোৰ ব্যৱহাৰ কৰি বাক্য ৰচনা কৰাঃ

লক্ষ ঃ লক্ষ্য মানত ঃ মনত

লৰি ঃ লৰী

বাঁহ ঃ বাহ

মুচি ঃ মুচী

## ছ) দ্ব্যৰ্থক শব্দ ঃ

৪০। তলৰ প্ৰতিটো শব্দ একাধিক অৰ্থত ব্যৱহাৰ হয়। প্ৰতিটো ভিন্ ভিন্ অৰ্থত ব্যৱহাৰ কৰি বাক্য ৰচনা কৰাঃ

শৰ মাকো গুণ দণ্ড গম নাই মুদ্ৰা ডাক প্ৰকৃতি টকা

জ) শব্দৰ প্ৰকৃতি —— প্ৰত্যয় বিচাৰ

তোমাৰ পাঠত থকা প্ৰত্যয়যুক্ত শব্দ কেইটামান বাছি উলিয়াই প্ৰত্যয় ভাঙি দেখুওৱা হ'ল ঃ

প্ৰাকৃতিক —— প্ৰকৃতি + ইক

নিৰ্দ্ধাৰিত —— নিৰ্দ্ধাৰণ্ + ইত

স্মৰণীয় —— স্মৰণ + ঈয়

গতি —— গত + ই

এলেহুৱা —— এলাহ + উৱা

দিগ্বিজয়ী —— দিগ্বিজয় + ঈ

দুদিনীয় —— দুদিন + ঈয়া

জ্ঞানী —— জ্ঞান + ঈ

বৈজ্ঞানিক —— বিজ্ঞান +

মজলীয়া —— মাজ + অলীয়া

যাৱতীয় —— যাৱৎ + ঈয়

এতিয়া তুমি সদায় ব্যৱহাৰ কৰি থকা এনেকুৱা কিছুমান শব্দৰ প্ৰত্যয় ভাঙিবলৈ যত্ন কৰা।

## 7.8 চমু প্ৰশ্নৰ উত্তৰ সংকেত

এতিয়া তোমাক ওপৰত কৰিবলৈ দি অহা চমু প্ৰশ্নসমূহৰ উত্তৰ দিয়া হ'ল। তুমি নিজে কৰা উত্তৰৰ স'তে মিলিছে নে নাই শুদ্ধটো শিকি লোৱাঃ

১। সময়ৰ ডাঙৰ ভাগবিলাক হ'ল ঃ যুগ, কল্প, শতাব্দী।

২। সময়ৰ সৰু ভাগবোৰ হ'ল ঃ দণ্ড, পল, অনুপল।

৩। হিন্দু শাস্ত্ৰমতে যুগ চাৰিটা।

৪। ৰাতিপুৱাল বুলি ভাবে

৫। উত্তৰ দিয়া হোৱা নাই

৬। 'গধূলি' শব্দটো গৰুৱে চৰা ঠাইৰ পৰা ধূলি উৰাই উলটি অহা শব্দৰ পৰা সৃষ্টি হৈছে।

৭। বেলি ফুলক' 'বেলি ঘড়ী' ও বোলা হয়।

৮। উত্তৰ দিয়া হোৱা নাই।

৯। মানুহৰ 'এবছৰ' দেৱতাৰ 'এদিন' বুলি কোৱা হয়।

১০। সময় নিৰূপক যন্ত্ৰৰ দ্বাৰা সময়ত ক্ষুদ্ৰতম অংশকো ধৰিব পৰা হ'ল।

১১। উদ্ভাৱিকা শক্তিৰ বলত মানুহে সময় নিৰূপণ কৌশল উলিয়াবলৈ ধৰিলে।

১২। মানুহৰ এহেজাৰ যুগত ব্ৰহ্মাৰ এদিন আৰু এৰাতি।

১৩। সময়ৰ মূল্য বুজিছিল বাবে লাচিত আজিও মহাবীৰ।

১৪। নেপোলিয়নৰ সৈন্য-বাহিনী পাচ মিনিট পলমকৈ অহা বাবে।

১৫। তলৰ মূৰ ওপৰ কৰিবলৈ সময় নোপোৱা পৰীক্ষাৰ্থীয়ে।

১৬। ৰোগীক তুলসী-গুৰিলৈ উলিয়াই ধন্বন্তৰি মাতিলেও কাম নিদিয়ে।

১৭। ভোক চাৰি যোৱাৰ পাছত।

১৮। উত্তৰ দিয়া হোৱা নাই।

বৰ্ণনাত্মক প্ৰশ্নসমূহ ( ১৯ নংৰ পৰা ৩০ নং লৈ) ৰ উত্তৰ দিয়া হোৱা নাই।

৩১। ক) সময়ক

খ) বসন্ত

গ) গধূলি

ঘ) সময় নিৰূপণ

ঙ) এদিন -- এৰাতি

৩২। — কুকুৰাৰ ডাকত ৰাতি পুৱাল বুলি মানুহে শোৱা চাৰি-পাটি এৰিবৰ উপক্ৰম কৰে।

-- শিয়ালে হোৱা দি দি প্ৰতি প্ৰহৰৰ বাতৰি দিয়ে।

— কুলি-কেতেকীয়ে মাতিলে একোটা ঋতুৰ সম্ভেদ পোৱা যায়।

— পাৰই কণ দি জনায়, পোহৰ হবলৈ আৰু বেছি পৰ নাই।

৩৩। ক) সময় সদায় বৃত্তাকাৰ গতিত ঘূৰিবই লাগিছে।

খ) নৈৰ সোঁত যাওঁতে চকুৰে দেখি।

গ) ছয় ঋতুৰ উদ্ভৱ ইয়াতেই।

ঘ) সময় অমূল্য ধন বোলা কথাষাৰ সঁচা।

ঙ) ভোক চৰি যোৱাৰ পাছত মাছে -মঙহে খালে পিত্তৰ বাহ নুগুচে।

চ) দিগ্বিজয়ী নেপোলিয়নে বাৰ্টালু যুদ্ধত ঘাটিছিল।

৩৪। ক) মুচি

খ) মলিয়ালে

গ) টোৰ্‌টোৰা

ঘ) হোৱা

ঙ) কণ্ দিয়া।

৩৫। শেষ — আৰম্ভ

ভাগ — জোৰ

জাৰ — জহ

পোহৰ — এন্ধাৰ / আন্ধাৰ

আদি — অন্ত

সঁচা— মিছা / মিথ্যা

৩৬। স্মৰণ

বৈজ্ঞানিক

উত্তৰ

অন্তিম

দৈনিক

নৈশ

৩৭। ক) ঘৰখনৰ মূল মানুহগৰাকী ঢুকোৱাৰ পিছত সেইখন ঘৰ গুটি বাঁহ তল হ'ল।

খ) পৰীক্ষাত সুফল পাবলৈ হলে ছাত্ৰ-ছাত্ৰীসকলে বতৰ চাই কঠীয়া পেলোৱা উচিত।

গ) মাঘ মাহৰ ঠেটুৰা ধৰা জাৰত বুঢ়া মানুহজনে বৰ কষ্ট পালে।

ঘ) বগলীজাক লানি নিছিগাকৈ আকাশেৰে উৰি যোৱা দৃশ্য দেখিবলৈ সঁচাকৈয়ে অতি শুৱনি।

ঙ) সময় পাখি লগা কাঁড়ৰ দৰে উৰি যায়।

৩৮। সদ্ব্যৱহাৰ — সৎ + ব্যৱহাৰ

সম্ভেদ — সম্ + ভেদ

সূৰ্য্যোদয় – সূৰ্য্য + উদয়

খ্ৰীষ্টাব্দ – খ্ৰীষ্ট + অব্দ

চৈতন্যাব্দ – চৈতন্য + অব্দ

নিৰ্ণয় — নিঃ + নয়

ভগ্নাংশ — ভগ্ন + অংশ

৩৯। লক্ষ — লক্ষজনৰ আশা-আকাঙ্ক্ষা পূৰাবলৈ মহাত্মা গান্ধীৰ জন্ম হৈছিল।

লক্ষ্য — এজন সুশিক্ষক হোৱাটো মোৰ জীৱনৰ লক্ষ্য

লৰি — মাকক দেখি ল'ৰাটো লৰি আহিল।

লৰী — আমাৰ দুখন গাড়ী আছে; এখন বাছ আৰু আনখন লৰী।

বাঁহ — বাঁহেৰে চকী-মেজ আদি বহুতো আচ্‌বাব্‌-পাত্ৰ তৈয়াৰ কৰিব পাৰি।

বাহ — ধুমুহাত চৰাইৰ বাহবোৰ ভাঙিল।

মুচি — আমাৰ বাৰীৰ পাছৰ কঁঠাল জোপাই এইবাৰ আগতীয়াকৈ মুচি পেলালে।

মুচী — সৌ মুচীটোৱে বৰ ভাল জোতা চিলায়।

৪০। শৰ — আজিকালি শৰপহু প্ৰায় দেখা পোৱা নাযায়।

— বাক্যেৰে তুমি যিপাট শৰ মাৰিছা, মোক আৰু তোমাৰপৰা একো নালাগে।

সাকো — নৈখন পাৰ হবলৈ এখন মাত্ৰ দুৰ্বল সাঁকো আছে

— যতৰৰ সাকো মাৰিডাল ছিণ্ডি গ'ল।

গুণ — ছোৱালীজনীয়ে গা-ধোওঁতে সদায় গুণ গুণাই থাকে।

— গুণৰ বাবেহে মানুহ সকলোৰে আপোন হব পাৰে।

দণ্ড — ৰজাই মানুহজনক লঘু দোষত গুৰু দণ্ড দিলে।

— মই আৰু ইয়াত এক দণ্ড সময়ো নাথাকোঁ।

— পুলিচৰ হাতত-দীঘল দণ্ডডাল দেখি চোৰটোৱে কঁপিবলৈ ধৰিলে।

গম — যোৱা নিশা চোৰ অহা মই গম পাইছিলোঁ। (উমান)

— হৰিৰ লগত কৰা মোকৰ্দমাত মোৰ বহুতো টকা গমিল। (নষ্ট হোৱা)

— কোনো কথাই গমি নোচোৱাকৈ সিদ্ধান্ত লোৱা উচিত নহয়। (ভাবি চোৱা)।

— কিতাপখনৰ ফলা পাতখিলাত গম লগাই দিয়াত দেখিবলৈ ভাল হ'ল।

নাই — কেচুৱাটোৰ নাইটো এতিয়াহে শুকাল।

— মোৰ হাতত ঘড়ী নাই।

মুদ্রা — কিতাপখন পুনৰবাৰ মুদ্রিত কৰা হ'ল।

— কথক নৃত্যৰ মুদ্রাবোৰ দেখিবলৈ বৰ ভাল।

— ৰজাই দুখীয়াৰ সোণৰ মুদ্রা এটি দিলে।

ডাক — ল'ৰাটোক সাপে ডাকি মাৰিলে।

— পঢ়া ল'ৰা-ছোৱালীয়ে কুকুৰাই ডাক দিওঁতেই ঢাৰি-পাটি এৰিব লাগে।

প্রকৃতি — বসন্ত কালত প্রকৃতিয়ে ৰূপ সলায়।

— সিহঁতৰ ঘৰত থকা ল'ৰাটোৰ প্রকৃতি পুৰুষ দুয়োৰে নিয়ন্তা।

টকা — টকাৰ অভাৱত বেচেৰাই পঢ়িব নোৱাৰিলে।

— বিহুনাচত ধনীৰামে টকা বজাইছিল।

৪১। ফুল + অতী = ফুলতী; শেহ + অতীয়া = শেহতীয়া; শাক + অনি = শাকনি; ধান + অনি = ধাননি; বাপ + অতি = বাপতি; ৰাঙ্ + অলী = বাঙলী, মিছা + অলীয়া = মিছলীয়া, জোন + আক্ =জোনাক; কান্দ্ + উৰা = কান্দুৰা; খাওঁ + ওতা = খাওঁতা আদি।

## 7.9 ছাত্ৰী-ছাত্ৰীক অধিক পঠনৰ উপদেশ

'সময়' নামৰ এই চিন্তামূলক ৰচনাটি পঢ়ি তোমালোকক নিশ্চয় এই বিষয়ে আৰু বেছি পঢ়িবলৈ বা জানিবলৈ মন যাব। তাৰ বাবে তুমি তলত উল্লেখ কৰা পুথিবোৰ পঢ়িব পাৰা। ইয়ে তোমাৰ অধিক জ্ঞান বঢ়োৱাৰ উপৰি বাস্তৱক্ষেত্ৰত সংসাৰত বাট বুলোতে সহায় কৰিব ঃ

| | |
|---|---|
| ক) চিন্তামণি | (ককা) নীলমণি ফুকন |
| খ) সাহিত্যকলা | |
| গ) চিন্তা তৰঙ্গ | |
| ঙ) প্ৰবন্ধ মঞ্জৰি | ত্ৰৈলোক্য নাথ গোস্বামী |

## 7.10 ছাত্ৰ-ছাত্ৰীৰ প্ৰশ্নসোধাৰ শিতান

এই প্ৰবন্ধটো আৰু ইয়াৰ লগত সন্নিবিষ্ট কৰা প্ৰশ্ন নাইবা তাৰ উত্তৰ সম্পৰ্কে তোমাৰ মনত নানা ধৰণৰ প্ৰশ্ন উদয় হব পাৰে। সেই প্ৰশ্ন বা মনৰ সন্দেহ ভাৱ আঁতৰাবৰ বাবে প্ৰশ্ন সুধি এই পুথিৰ ঠিকনাত আমালৈ চিঠি লিখিবা। আমি তোমাৰ মনৰ সন্দেহ দূৰ কৰিবলৈ চেষ্টা কৰিম।

--------- x ---------

গোট ৪

# জীৱন জেউতি

ৰচনা ঃ যতীন্দ্ৰ নাথ দুৱৰা

## 8.1 পাতনি আৰু উদ্দেশ্যাৱলী

এই পাঠমালাৰ প্ৰথম খণ্ডতে তুমি পাই আহিছা যে কবিতা সাহিত্যৰ এটা প্ৰধান ভাগ। গদ্যতকৈ কবিতাৰ সৃষ্টি আগতে হৈছে। মানুহৰ ভাৱ, অনুভূতি আৰু কল্পনা অতি আবেগময়ী হ'লে আৰু অন্তৰত সুখৰ উল্লাস আৰু দুখৰ কাৰুণ্য বাজি উঠিলে আৰু সেই সুখ-দুখৰ ধ্বনি লয়যুক্ত আৰু ছন্দেৰে প্ৰকাশ পালেই কবিতাৰ জন্ম হয়। কোনো কোনো কবিতাৰ বিষয়-বস্তু, ধ্বনি আৰু লয়ে পাঠকৰ হৃদয় স্পৰ্শ কৰে। তেনে কবিতা পাঠকে বাৰে বাৰে পঢ়ি বা আবৃত্তি কৰি বিমল আনন্দ পায়। তেনে এক অন্তৰ চুই যোৱা কবিতাৰ চানেকি হিচাপে ইয়াত 'জীৱন জেউতি' নামৰ কবিতাটো সন্নিবিষ্ট কৰা হৈছে। ইয়াৰ কবি যতীন্দ্ৰনাথ দুৱৰা।

এতিয়া আমি কবিতানো কিয় অধ্যয়ন কৰোঁ সেই বিষয়ে অকণমান আলোচনা কৰোঁহক। কবিতা অধ্যয়নৰ উদ্দেশ্যাৱলীক দুটা ভাগত ভগাব পাৰি ঃ সাধাৰণ উদ্দেশ্য আৰু বিশেষ উদ্দেশ্য।

সাধাৰণ উদ্দেশ্য

- ধ্বনি আৰু ছন্দৰ সহায়ত কবিতাৰ সৌন্দৰ্য্যবোধ লাভ কৰা।
- কবিতা আবৃত্তিত বুৎপত্তি লাভ কৰা।
- কবিতা-পাঠৰ বিমল আনন্দ অন্তৰত অনুভৱ কৰা
- কবিতাৰ লয়, ৰস, ধ্বনি, অলংকাৰ আদি উপভোগ কৰা।

◆ ভাষাজ্ঞান বৃদ্ধি কৰা আৰু শব্দৰ ভঁৰাল চহকী কৰা।

◆ কবিতাৰ ভাবাৰ্থ বুজাত পাৰদৰ্শিতা লাভ কৰা।

## 8.2 কবি পৰিচিতি

কবি যতীন্দ্ৰ নাথ দুৱৰাৰ জন্ম ১৮৯২ চনত আৰু মৃত্যু ১৯৬৪ চনত। তেওঁৰ পিতৃৰ নাম আছিল শ্যামসুন্দৰ দুৱৰা। স্কুলীয়া শিক্ষা জন্মস্থান শিৱসাগৰতে শেষ কৰি কলিকতাত তেওঁ যথা সময়ত বি এ পাছ কৰে। তাতেই এম এ আৰু বি এল অধ্যয়ন কৰে যদিও তেওঁ সেই দুটি পাঠ্যক্ৰমৰ শেষ পৰীক্ষাত বহিব নোৱাৰিলে। দুৱৰাদেৱে কলিকতাৰ স্কটিছ্ চাৰ্চ স্কুলত কিছুদিন কাম কৰাৰ পিছত ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ত অধ্যাপনা কৰে।

স্কুলীয়া কালৰ পৰাই দুৱৰা কবিতাৰ ৰসগ্ৰাহী হৈ উঠে। কলিকতাত লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা প্ৰভূতভাৱে প্ৰভাৱান্বিত হোৱাৰ ফলত তেওঁৰ সাহিত্য স্পৃহা আৰু কবি-প্ৰতিভাৰ বিকাশ হয়। অৱশ্যে ইংৰাজ ৰমণ্যাসবাদী কল্পনাত তেওঁৰ কবি-প্ৰতিভাৰ বিকাশ হয়। অৱশ্যে ইংৰাজ ৰমণ্যাসবাদী কবিসকলৰ প্ৰভাৱ আৰু তেওঁৰ জন্মস্থানৰ স্মৃতিচাৰী কল্পনাও তেওঁৰ কবি-প্ৰতিভা বিকাশৰ সহায়ক আছিল। ১৯২৬ চনত দুৱৰাদেৱৰ 'ওমৰ তীৰ্থ' প্ৰকাশ হয়। এইখন পাৰস্যৰ বিখ্যাত কবি ওমৰ খয়ামৰ ৰুবায়ীৰ সুন্দৰ আৰু নিমজ অসমীয়া ভাঙনি পুথি। ১৯৩৮ চনত দুৱৰাদেৱৰ গীতি-কবিতা সংগ্ৰহ 'আপোন সুৰ' প্ৰকাশ হয়। ১৯৫২ চনত দ্বিতীয় গীতি-কবিতা পুথি 'বনফুল' ওলায়। এইখনৰ কাৰণে দুৱৰাদেৱে সাহিত্য একাডেমীৰ পুৰস্কাৰ লাভ কৰে। 'মৰমৰ সুৰ' মৃত্যুৰ পিছৰ প্ৰকাশ। 'আপোন সুৰ' প্ৰকাশ হোৱাৰ আগতে ১৯৩৩ চনত ৰুছ সাহিত্যিক টুৰ্গেনিভৰ Poems in Prose ৰ আদৰ্শত দুৱৰাদেৱে 'কথা-কবিতা' নামৰ এখনি গদ্যপুথি ৰচনা কৰে।

যতীন্দ্ৰনাথ দুৱৰা কুৰি শতিকাৰ শ্ৰেষ্ঠ অসমীয়া গীতি-কবি বুলি স্বীকৃত হৈছে।

## 8.2.1 বিশেষ উদ্দেশ্য

এই কবিতাটোৰ জৰিয়তে তুমি

**জ্ঞান ঃ ক)** প্ৰথিত যশা ৰমণ্যাসিক কবি যতীন্দ্ৰনাথ দুৱৰাৰ কাব্যিক প্ৰতিভা সম্পৰ্কে জানিব পাৰিবা।

**বোধ ঃ খ)** কবিতাটোৰ কেন্দ্ৰস্থ ভাব আৰু উপভাবসমূহৰ মাজত থকা যোগসূত্ৰ বুজিবলৈ সক্ষম হ'বা।

**প্ৰয়োগ ঃ গ)** কবিতাটোত ব্যৱহৃত ৰস, ছন্দ, ধ্বনি আৰু উপমাদিৰ ধাৰণা লাভ কৰিব পাৰিবা।

ঘ) কবিতাটোত প্ৰয়োগ হোৱা শব্দ, উপমাদিৰ জৰিয়তে তোমাৰো প্ৰকাশভংগীৰ মান উন্নত কৰিব পাৰিবা।

ঙ) প্ৰাকৃতিক সৌন্দৰ্য্যক ৰসপূৰ্ণ ভাৱে প্ৰকাশ কৰিবলৈ শিকিবা।

চ) সৰস, ছন্দময়ী, কবিতা ৰচনা কৰিবলৈ শিকিবা।

কৌশল ঃ ছ) য'তি, বিৰাম, লয় আদিৰ প্ৰতি লক্ষ্য ৰাখি, সৰব আৰু নীৰব পঠনৰ কৌশল শিকিবা।

জ) অৰ্থভেদে উপযুক্ত স্থানত স্বৰাঘাত আৰু শ্বাসাঘাত দি শুদ্ধ উচ্চাৰণসহ স্পষ্ট আৰু শ্ৰুতিমধুৰকৈ পঢ়িবলৈ শিকিবা।

ঝ) কবিতা আবৃত্তিৰ কৌশল শিকিবা।

**মনোভাৱ ঃ ঞ)** তোমাৰ কবিতা-প্ৰীতিৰ মনোভাব গঢ়ি উঠিব।

ট) কবি-সাহিত্যিকৰ ৰচনাক কেনেকৈ প্ৰশংসা কৰিব লাগে তাৰ মনোভাব তোমাৰ অন্তৰত গঢ়ি উঠিব।

**ৰুচি ঃ ঠ)** কাব্য-সাহিত্য অধ্যয়ন আৰু চৰ্চাৰ প্ৰতি তোমাৰ ৰুচি বাঢ়িব।

ড) কবিতা প্ৰতিযোগিতাত যোগদান কৰিবলৈ ৰাপ বাঢ়িব।

## 8.3 মূল পাঠ

### 8.3.1 মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথম ভাগ

(১)

গোটোৱা গোলাপ কলি
থাকোঁতে সময় সখি,
জীৱনৰ সোঁত বলি যায়।

ৰথ (বি) : আগৰ দিনৰ ঘোঁৰাই টনা এবিধ যান।

মোলান (বিশ) : ম্লান, জয় পৰা

হেঙুলী (বিশ) : হেঙুলৰ দৰে ৰঙা

যিটি ফুলে হাঁহি আজি
ফুলনি ফুলাই তোলে
কালিলৈ পাহি মেলি নেহাঁহে দুনাই,
সময়ৰ সোঁত বলি যায়।

(২)

পুৱাতে ৰথত উঠি
আকাশত বেলিটিয়ে
ঢালি দিয়ে সোণালী কিৰণ;
দুপৰীয়া পাৰ হ'লে
উছাহ মোলান পৰি
পছিমত জিলিকায় হেঙুলী বৰণ,
আঁতৰিল পুৱাৰ কিৰণ

## 8.3.2 আলোচনা

কবিতাটিৰ প্ৰথম ভাগত কবিয়ে জীৱনৰ সোঁত কেনেভাৱে সময়ৰ সোঁতৰ লগত একাকাৰ হৈ বৈ গৈ থাকে, সেই কথা বৰ্ণনা কৰিছে। আজি বাগিচাত ৰমক জমক হৈ ফুলি থকা গোলাপ ফুলটি কাইলৈ হয়তো নাথাকিবও পাৰে। থাকিলেও পাহি সৰি বা শুকাই নিষ্প্ৰভ হৈ থাকিব পাৰে। সেয়েহে জীৱনৰ আনন্দ লভিবলৈ হ'লে আজিয়েই গোলাপ কলি বুটলিব লাগিব, অৰ্থাৎ সংসাৰৰ পৰা ভাললগা আৰু প্ৰয়োজনীয়খিনি আজিয়ে সংগ্ৰহ কৰিব লাগিব বা উপলব্ধি কৰিব লাগিব। আমাৰ জীৱনৰ গতি বা উত্থান-পতন দিনটোৰ লগত ৰিজাব পাৰি। ৰাতি পুৱা পূব আকাশত উজ্জ্বল, টিকটিকীয়া ৰঙা বেলিটো ওলাই গোটেই আকাশত সোণালী ৰহণ সানি দিয়ে; গোটেই পৃথিৱীখনতে আশাৰ ৰেণু সিঁচি দিয়ে। দুপৰীয়াৰ পিছৰ পৰাই সেই বেলিটিৰ আভা মলিন হ'বলৈ ধৰে। সন্ধিয়া হ'লে সেই একেটি বেলিয়ে দুৰ্বল কিৰণ বিয়পায়, আকাশত ক্ষন্তেকৰ কাৰণে হেঙুলী ৰহণ সানি পৃথিৱীৰ পৰা মেলানি মাগে। ইয়াৰ পিছত অন্ধকাৰৰ আগমন হয়।

## 8.3.3 প্ৰথম পাঠভাগৰ প্ৰশ্নাৱলী

এতিয়া আহা, ওপৰত দিয়া কবিতা অংশৰ ওপৰত দুই-এটা প্ৰশ্নোত্তৰ কৰি তোমাৰ প্ৰগতি পৰীক্ষা কৰি চোৱা।

১। 'আজি' আৰু 'কালি'য়ে ফুলৰ ওপৰত কেনেভাৱে প্ৰভাৱ বিস্তাৰ কৰে?

২। 'জীৱন' আৰু 'সময়'ৰ মাজত কিবা সাদৃশ্য আছেনে?

৩। কবিয়ে কিয় সময় থাকোঁতে গোলাপৰ কলি ছিঙিবলৈ কৈছে?

৪। পুৱাৰ বেলি আৰু আবেলিৰ বেলিৰ মাজত কিবা প্ৰভেদ দেখা যায় নে?

৫। কবিয়ে কি কাৰণে 'দিন'টো জীৱনবৃত্ত বুলি বৰ্ণনা কৰিছে?

## 8.3.4 মূলপাঠ

### মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ

(৩)

জীৱনৰ লগে লগে
তপত তেজৰ সোঁতে
পৰাণত কঁপনি তোলায়,
নতুন ৰহন ঢালি
অন্তৰ আকুল কৰি
চিকমিক কিৰণৰে মন নচুৱায়
ভাবোঁ যেন হঠাতে হেৰায়।

(৪)

আবেলি আহিলে ধীৰে
আন্ধাৰৰ আৱৰণে
জগতৰ জেউতি কমায়

আৱৰণ (বি) ঃ (আ-বৃ, ঢাক-আন) আচ্ছাদন, ঢাকন, ঢাকনী, সাফৰ, পৰ্দা, বেষ্টন, টাটী, গা-ঢকা কাপোৰ, গাৰ ছাল।

বিষাদ কালিমা নামি
জীৱন বীণত হেৰা
সন্ধিয়াত পূৰবীৰ ৰাগিনী বজায়,
অতীতৰ স্মৃতি সোঁৱৰাই।

পূৰবীৰ ৰাগিনী (বি) ঃ ছয়ত্ৰিশটা ৰাগিনীৰ এটা,

(৫)

পুৱাৰ কিৰণ সানি
গোলাপৰ মালাধাৰি
লোৱা তুমি ডিঙিত মেৰাই,
ফাগুনৰ মলয়াত
পৰাণ মিলাই দিয়া
জীৱন-ফাগুন সোণ নাথাকে সদায়,
অৰুণ-কিৰণ-কণা কেনিবা লুকায়।
সময়ৰ সোঁত বলি যায়।

(ৰাগ-পূৰ্বী) (ৰাগিনী (বি)— (ৰাগ শব্দৰ স্ত্ৰীলিংগ) ৰাগ ভাহি কৰা গীতৰ প্ৰণালী বা স্বৰ)

## 8.3.5 আলোচনা

জীৱনৰ মধ্যম কাল অৰ্থাৎ যৌৱন দুপৰীয়াৰ নিচিনা। ধমনীত তপত তেজৰ প্ৰৱাহ। উৎসাহ আৰু উদ্দীপনাত জীৱন তলমল কৰি থাকে। প্ৰতিটো মুহূৰ্তই মূল্যবান। উপভোগ নকৰিলে সি যেন ততালিকে হেৰাই যাব; মনত সদায় এনে আশংকা। আবেলি আহিলে পৃথিৱীখনত বেলিৰ কিৰণ কমি আহিবলৈ ধৰে-ঘন ঘোৰ অন্ধকাৰ নামি অহাৰ আশংকাই দেখা দিয়ে। জীৱনৰ বেলিকাও একে কথা। যৌৱন পাৰ হ'লেই যেন জীৱনৰ বিয়লি বেলা' নামি আহে। অলপ পিছতেই যেন জীৱনৰ অৱসান হ'ব। এইখিনি সময়ত অতীতৰ স্মৃতি ৰোমন্থন কৰাই মুখ্য কাম হৈ পৰে। সেয়েহে কবিয়ে আমাক বাৰে বাৰে সোঁৱৰাই দিছে যে সময় থাকোতেই অৰ্থাৎ জীৱনৰ প্ৰথম ভাগতেই আমাৰ কৰিবলগীয়াখিনি কৰিব লাগে, ধন-সম্পদ গোটাব লাগে, সুখ-সম্ভোগ কৰিব লাগে। জীৱনৰ এই অমূল্য সময়খিনি সৰহপৰ নাথাকে। কেতিয়া দুৰ্যোগৰ বতাহে জীৱন বন্তি নুমাই দি অন্ধকাৰৰ বোজা জাপি দিয়ে ঠিক নাই। সময়ৰ সোঁত চিৰ প্ৰৱাহমান, তাত মানুহৰ জীৱন উটি যায়, নোযোৱাকৈ থাকিব নোৱাৰে।

## 8.3.6 দ্বিতীয় পাঠভাগৰ প্ৰশ্নাৱলী

আকৌ অকণমান পিছলৈ উভতি চাওঁ আহা। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ কৰি তোমাৰ প্ৰগতি পৰীক্ষা কৰা।

৬। তপত তেজৰ সোঁতে কি কি কৰে?

৭। জীৱনৰ মধ্যাহ্ন বেলিকা মন-প্ৰাণ উল্লাসিত হ'লে আমাৰ মনত কেনে আশংকা জন্মে?

৮। পৃথিবীলৈ আবেলি নামি আহিলে কি হয়?

৯। জীৱনৰ আবেলি পৰত আমাৰ মন ক'লৈ যায়?

১০। কবিতাটোৰ শেষত কবিয়ে আমালৈ কি পৰামৰ্শ আগবঢ়াইছে?

## 8.4 কবিতাটোৰ সাৰাংশ

জন্মৰ পিছত দিনবোৰ ধাৰাবাহিক গতিৰে গৈ থাকে আৰু কিছুদিনৰ পিছত জীৱনৰ অৱসান ঘটে। কৰ্মক্ষম হৈ থাকোতেই মানুহে অবাবত সময় নষ্ট নকৰি আৱশ্যকীয় কামবোৰ কৰি যোৱা উচিত; অতিবাহিত হৈ যোৱা সময় আকৌ উভতি নাহে। ফুল এবাৰ ফুলি সৰি পৰিলে চিৰদিনৰ বাবে সি লয় হৈ যায়। ৰাতিপুৱাৰ বেলিয়ে দুপৰীয়ালৈ উজ্জ্বল কিৰণ দি থাকে; কিন্তু তাৰ পিছত সেই জেউতি ম্লান হৈ পৰি আহি পশ্চিম আকাশত হেঙুলীয়া ৰহণত পৰিণত হয়। মানুহো ডেকা কালত সতেজ আৰু কৰ্মঠ হৈ থাকে, কিন্তু সেই তেজ আৰু কৰ্মশক্তি যে নাইকিয়া হৈ আহিব সেই ভাব প্ৰত্যেকৰে মনলৈ আহে। ভাটি বয়সত বিগত দিনৰ স্মৃতিৰ সোঁৱৰণিয়েও মানৱ জীৱন বিষাদপূৰ্ণ কৰি তোলে। জীৱনৰ অৱসান হোৱাটো নিশ্চিত যেতিয়া, মানুহে যৌৱনৰ উপভোগ্য দিনবোৰ অথলে অতিবাহিত নকৰি উপাদেয়ভাবে কটোৱাই বাঞ্ছনীয়।

## 8.4.1 কবিতাটোৰ কাব্যিক সৌন্দৰ্য্য

মানৱ জীৱনৰ ডেকা কাল তেজাল, কৰ্মশক্তি সম্পন্ন। সজ আৰু উপাদেয় কৰ্মই শাৰীৰিক আৰু মানসিক শক্তিৰ জেউতি বঢ়ায়, তথা জীৱন সাৰ্থক কৰে; সেয়েহে কবিতাটোৰ 'জীৱন জেউতি' নাম সমীচিন হৈছে।

কবিতাটোৰ ছন্দ ছবিছন্দৰ লেখীয়া হৈছে; অৱশ্যে আখৰ আৰু চৰণৰ সংখ্যা মাজে মাজে বেছি হৈছে; তথাপি ইয়াত প্ৰয়োগ হোৱা ছন্দ, শব্দ-চয়ন আৰু ভাষাৰ সৰলতা আৰু লালিত্যই কবিতাটো উপভোগ্য কৰিছে।

কবিতাটোত মানৱ জীৱনক সূৰ্য্যৰ সৈতে তুলনা কৰা যিটি উপমা, সিটি কবিৰ কবি মনৰ সৃজনী প্ৰতিভা; এই উপমা প্ৰয়োগে সূৰ্য্যোদয় আৰু সূৰ্য্যাস্ত যেনে নিত্য-নৈমিত্তিক আৰু সত্য, ঠিক তেনেকৈ মানুহৰ জন্ম আৰু মৃত্যু চিৰসত্য বুলি প্ৰতীয়মান কৰাত সাৰ্থক উপমা হৈ পৰিছে।

কবিতাটিৰ মাজেৰে মানৱ জীৱন-দৰ্শনৰ মূলকথা আৰু জীৱনৰ কৰ্মৰ আদৰ্শ মূৰ্ত হৈ উঠিছে আৰু শিক্ষাৰ্থীৰ বাবে ই এটা অন্যতম শ্ৰেষ্ঠ উপদেশ হৈ পৰিছে। কবিতাটিৰ ভাষা যদিও ৰমণ্যাসিক, তথাপি বাস্তৱিক দৃষ্টিভংগী ইয়াৰ প্ৰধান লক্ষণ।

## 8.5 চমুটোকা

**ক) পূৰৱী ৰাগিনী ঃ** (ৰাগ-পূৰ্বী — বি) এই ৰাগিনীৰ প্ৰকৃতি গম্ভীৰ; গোৱাৰ সময় দিনৰ চতুৰ্থ প্ৰহৰ (দিনৰ অন্তিম প্ৰহৰ) ছয় ৰাগৰ ছয়ত্ৰিশ পত্নী; অৰ্থাৎ ছয় মূল সুৰৰ পৰা জাত ভৈৰৱী , ভূপালী, পূৰৱী ইত্যাদি ছয়ত্ৰিছটা প্ৰধান সুৰ (সম্প্ৰতি ৰাগিণীসমূহকো ৰাগ হিচাপে বিবেচনা কৰা হৈছে।) কবিয়ে মানৱ জীৱনৰ বাৰ্দ্ধক্যৰ কাৰুণ্য বুজাবলৈ কবিতাটোত এই 'ৰাগিনী'ৰ প্ৰয়োগ কৰিছে।

**খ) ৰথ (বি) ঃ** সূৰ্য্যক শাস্ত্ৰত দেৱতাৰূপে ধৰা হৈছে আৰু সূৰ্য্যৰ ৰথ সাতটা ঘোঁৰাই টনাৰ উল্লেখ আছে; সেয়েহে কবিয়ে সূৰ্য্য উদয় হোৱাৰ কথাটোকে সূৰ্য্যই ৰথত অহা বুলি কৈছে।

গ) অৰুণ (বি) ঃ ই এটা সংস্কৃত মূলীয়া শব্দ। ইয়াৰ কেইবাটাও সমাৰ্থক শব্দ আছে, সেইবোৰ হ'ল- সূৰ্য্য, ৰবি, ভানু, ভাস্কৰ, সৱিতা, দিবাকৰ, প্ৰভাকৰ, আদিত্য, অৰ্ক, তপন, মাৰ্তণ্ড আদি। এইবোৰ সংস্কৃত শব্দ। সংস্কৃতৰ যিবিলাক শব্দ পোনপটীয়াভাৱে অসমীয়াত ব্যৱহাৰ হৈছে, সেইবোৰক 'তৎসম' শব্দ বোলে.

'অৰুণ' শব্দৰ অসমীয়া সমাৰ্থক শব্দ হ'ল বেলি, দিনমণি আদি।

**কবিতাৰ সংজ্ঞা ঃ** 'কবিতা কাক বোলে' সেই বিষয়ে তুমি প্ৰথম খণ্ডৰ গোট ১ত পাই আহিছা। এই বিষয়ে তোমাৰ ধাৰণা অধিক স্পষ্ট কৰিবৰ কাৰণে কবিতা সম্পৰ্কে আৰু অলপ কথা দিয়া হ'ল। কথাখিনি মনোযোগ সহকাৰে পঢ়ি চাবা।

কবিতা চৌষষ্ঠি কলাৰ ভিতৰত অন্যতম ললিত কলা। কবিতা ঘাইকৈ কল্পনাৰ সৃষ্টি, কল্পনাৰ অভিব্যক্তি। কবিৰ সৃজনীশীল ক্ষমতা চমৎকাৰ, অপূৰ্ব। কবিতা ভাব আৰু কল্পনাৰ ছন্দোবদ্ধ বৰ্ণনা মাথোন। ছন্দই হৈছে কবিতাৰ প্ৰাণ; অলংকাৰ কবিতাৰ অংগ। অলংকাৰ কবিতাৰ সৌন্দৰ্য্যবাহক।

কবিতাৰ নিৰ্দ্ধাৰিত সংজ্ঞা দিয়াত কিছু অসুবিধা আছে। সেয়েই হৈছে কবিতাৰ তাৎপৰ্য্য। প্ৰত্যেক কবিতাৰ নিজস্ব বৈশিষ্ট্য আছে। 'ভাৱ আৰু ভাষাই যেতিয়া ছন্দৰ মাধ্যমত ৰূপ গ্ৰহণ কৰে, তেতিয়া হয় কবিতা।' কবিতাত কবিৰ জীৱন-দৰ্শন পৰিস্ফুট হয়। মানুহৰ মনৰ চিন্তা আৰু কল্পনাই অনুভূতিৰ মাধ্যমত শব্দ-সম্ভাৰেৰে বাণীমূৰ্তি আৰু ছন্দত যেতিয়া ৰূপ লয় সেয়ে কবিতা। কবিতাত গীতি ধৰ্মিতা আৰু চিত্ৰধৰ্মিতা দুয়োটা গুণ থাকে।

## 8.6 সাধাৰণ অনুশীলনী

### 8.6.1 পাঠভিত্তিক প্ৰশ্ন

১১। কবিয়ে কোৱা 'গোলাপ কলি'য়ে অকল গোলাপ ফুলৰ কলিকেই বুজাইছে নে আৰু আন মূল্যবান বস্তুকো বুজাইছে?

১২। এটি গোলাপ ফুলে সদায় 'হাঁহি' থাকেনে? গোলাপ ফুলে হাঁহা মানেনো কি?

১৩। কবিতাটোত সূৰ্যোদয় আৰু সূৰ্য্যাস্তৰ বিষয়ে এটা স্তৱক আছে, স্তৱকটো উল্লেখ কৰা।

১৪। জীৱনৰ লগে লগে কিহে 'পৰাণত কঁপনি তোলায়'? কঁপনি তোলা মানে কি বুজিছা?

১৫। ক) 'নতুন ৰহণ' মানে কি?

খ) 'চিকিমিকি কিৰণ'ৰ অৰ্থ কি?

গ) কবি বা মানুহে হঠাতে কি হেৰায় বুলি ভাবে?

১৬। কেতিয়া, কিহে 'জগতৰ জেউতি কমায়'?

১৭। 'জীৱন-বীণ' মানে কি? সেই বীণত কেতিয়া আৰু কিয় বিষাদ-কালিমা নামে? বিষাদ-কালিমাই কি বুজাইছে? কাৰ অতীতৰ কি স্মৃতিৰ কথা কবিয়ে উল্লেখ কৰিছে?

১৮। ক) ফাগুনৰ মলয়াৰ অৰ্থ কি?

খ) 'জীৱন ফাগুন' কাক বোলা হৈছে?

ওপৰৰ ক) প্ৰশ্নত থকা 'ফাগুন' আৰু এই প্ৰশ্নটোৰ 'ফাগুনে' একে বুজাইছেনে?

গ) 'অৰুণ কিৰণ-কণা'ই কাক বুজাইছে?

8.7 **ব্যাকৰণগত অনুশীলনী**

**১৯। তলৰ শব্দবোৰৰ সমাৰ্থক শব্দবোৰ লিখাঁ ঃ**

আকাশ, বহণ, হৃদয়, জেউতি, পৃথিৱী, ধীৰে-ধীৰে, প্ৰভাত, বিষাদ।

**২০। খালী ঠাই পূৰণ কৰা ঃ**

ক) গোটোৱা গোলাপ কলি

...........সময় সখি

জীৱনৰ .............বলি যায়।

খ) জীৱন ফাগুন সোণ .......... সদায়;

অৰুণ কিৰণ কণা............. লুকায়।

গ) জীৱনৰ লগে লগে

তপত তেজৰ ............

পৰাণত............... তোলায়।

ঘ) পুৱাতে :............ উঠি

আকাশত বেলিটিয়ে

ঢালি দিয়ে .........কিৰণ।

ঙ) জীৱন বীণত হেৰা

সন্ধিয়াত............ ৰাগিনী বজায়।

চ) ফাগুনৰ মলয়াত

পৰাণ মিলাই দিয়া

........সোণ নাথাকে সদায়।

**২১। প্ৰসংগ-সংগতি দেখুৱাই ব্যাখ্যা কৰাঁ ঃ**

ক) যিটি ফুলে হাঁহি আজি

ফুলনি ফুলাই তোলে

কালিলৈ পাহি মেলি নেহাঁহে দুনাই।

খ) বিষাদ-কালিমা নামি

জীৱন বীণত হেৰা

সন্ধিয়াত পূৰবীৰ ৰাগিনী বজায়

অতীতৰ স্মৃতি সোঁৱৰাই।

গ) ফাগুনৰ মলয়াত

পৰাণ মিলাই দিয়া

জীৱন ফাগুন সোণ নাথাকে সদায়।

২২। ম্লান শব্দটোৰ কোমল ৰূপ মোলান; তেনেকুৱা শব্দ কবিতাটোত যি কেইটা প্ৰয়োগ হৈছে সেইকেইটা বাছি উলিয়াই লিখাঁ।

## ৪.৪ চমু প্ৰশ্নৰ উত্তৰ-সংকেত

১। 'আজি' আৰু 'কালি'ৰ ফুলৰ ওপৰত বিস্তাৰ কৰা প্ৰভাৱ যথাক্ৰমে হ'ল সৃষ্টি আৰু লয়।

২। 'জীৱন'আৰু 'সময়'ৰ মাজত অতিবাহিত হোৱাৰ ক্ষেত্ৰত সাদৃশ্য আছে।

৩। সময় অতিবাহিত হ'লে গোলাপ ফুল তুলি তাৰ ৰূপ আৰু সুমধুৰ গোন্ধ উপভোগ কৰা হৈ নুঠিব বুলিয়েই সময় থাকোঁতে 'গোলাপ কলি' ছিঙিবলৈ কৈছে। অৰ্থাৎ শক্তি-সামৰ্থ্য থাকোতে কৰ্মৰ সুযোগ লবলৈ কৈছে।

৪। পুৱাৰ বেলি উজ্জ্বল; আবেলিৰ বেলি নিস্প্ৰভ।

৫। দিনৰ আৰম্ভণিৰ জেউতি, মধ্যাহ্নৰ উজ্জ্বলতা আৰু দিনান্তৰ ম্লানতা মানৱ জীৱনৰ শৈশৱৰ উল্লাস, যৌৱনৰ তেজস্বিতা আৰু বাৰ্দ্ধক্যৰ পিছৰ মৃত্যুৰ অন্ধকাৰৰ সৈতে সাদৃশ্য থকা বাবেই 'দিন'টোক জীৱনবৃত্ত বুলি বৰ্ণনা কৰিছে।

৬। তপত তেজৰ সোঁতে মানুহক সবল, উৎসাহিত আৰু কৰ্মঠ কৰে।

৭। জীৱনৰ মধ্যাহ্ন, অৰ্থাৎ মাজ বয়সত মানুহৰ মন-প্ৰাণ উল্লাসিত হ'লে, সেই উল্লাস যে হেৰাই যাব, মানুহৰ মনলৈ তেনে আশংকা আহে।

৮। পৃথিৱীলৈ আবেলি নামিলে, বেলিৰ পোহৰ ধীৰে ধীৰে কমি আহে, আন্ধাৰ নামি আহে আৰু জগতৰ জেউতি কমি যায়।

৯। জীৱনৰ আবেলি পৰত আমাৰ মন অতীত, অৰ্থাৎ যৌৱনৰ উজ্জ্বল, আনন্দময় দিনবোৰলৈ উভতি যায়।

১০। কবিতাটোৰ শেষত কবিয়ে আমাক যৌৱনৰ শক্তি-সামৰ্থ্য মানৱ জীৱনৰ আৱশ্যকীয় কৰ্মত প্ৰয়োগ কৰি মানৱীয় জীৱন সাৰ্থক কৰিবলৈ উপদেশ দিছে।

১১। 'গোলাপ কলি'য়ে কৰ্মঠ ডেকা কালত অৰ্জন কৰিবলগীয়া বিদ্যা, সংস্থান, ধন আদিক বুজাইছে।

১২। ফুল ফুলিলে সৌন্দৰ্য্যময় হৈ উঠে, কবিক ভাষাত তাকেই হঁহা বুলি কোৱা হৈছে।

১৩। স্তৱকটো হ'ল ঃ

পুৱাতে ৰথত উঠি

আকাশত বেলিটিয়ে

ঢালি দিয়ে সোণালী কিৰণ,

দুপৰীয়া পাৰ হ'লে

উছাহ মোলান পৰি

পছিমত জিলিকায় হেঙুলী ৰহণ,

আতঁৰিল পুৱাৰ কিৰণ।

১৪। ডেকা কালৰ ভপত তেজে প্ৰাণৰ কঁপনি তোলায়, কঁপনি তোলায় মানে আনন্দ উৎসাহত প্ৰাণ উদ্বাউল কৰে।

১৫। ক) নতুন ৰহণ মানে নতুন ৰং, ইয়াৰ গুঢ়াৰ্থ হ'ল যৌৱনৰ মধুৰ আশা-আকাংক্ষা পূৰণৰ কল্পনা।

খ) চিকিমিকি কিৰণ মানে উজ্জ্বল চকুত চমক লগা পোহৰ; ইয়াৰ অন্তৰ্নিহিত অৰ্থ হ'ল যৌৱনৰ আনন্দ-উল্লাস, উপভোগৰ উৎসাহ।

গ) যৌৱনৰ সতেজ শৰীৰ, আনন্দ-উৎসাহ আৰু আশা-আকাংক্ষা হেৰাই যোৱাৰ আশংকা কৰে।

১৬। আবেলি সূৰ্য্যটো পশ্চিম আকাশলৈ গৈ থকা দেখিলে (আচলতে পৃথিৱী পশ্চিমৰ পৰা পূবলৈ ঘূৰাৰ ফলত তেনে দেখা যায়) ধীৰে ধীৰে আন্ধাৰ নামি আহে আৰু উজ্জ্বলতা কমি যায় (সূৰ্য্যৰ পোহৰ পৃথিৱীৰ গছ-গছনি, ঘৰ-দুৱাৰ আদিত পৰি প্ৰতিফলিত হৈ আমাৰ চকুত পৰিলে আমি সেই বস্তুবোৰ দেখোঁ, সূৰ্য্যৰ কিৰণ নহ'লে সেইবোৰ নেদেখো)

১৭। 'জীৱনৰ বীণ' মানে মানুহৰ প্ৰাণ। যৌৱন অতিবাহিত হ'লে বাৰ্দ্ধক্য আহে; তেতিয়া মানুহক শোকে-তাপে জৰ্জৰিত কৰে; মানুহে যৌৱনৰ আনন্দময় দিনৰ কথা সুঁৱৰি খেদ কৰে। বাৰ্দ্ধক্য আহিলে মানুহৰ শক্তি-সামৰ্থ্য, আনন্দ উৎসাহ কমে, আৰু দুখ হয়; তাকেই বিষাদ-কালিমা বুলি কোৱা হৈছে। বিষাদ কালিমা মানে দুখ-শোক। কবি বা প্ৰত্যেক ব্যক্তিৰেই যৌৱন বা ডেকা কালৰ স্মৃতিৰ কথা কবিয়ে উল্লেখ কৰিছে।

১৮। ক) যৌৱনৰ সতেজ শৰীৰ আৰু আনন্দ উৎসাহ।

খ) যৌৱনক 'জীৱন-ফাগুন' বুলি কোৱা হৈছে। দুয়ো ঠাইতে প্ৰয়োগ হোৱা 'ফাগুন'ৰ অৰ্থ একেই।

গ) 'অৰুণ কিৰণ' মানে সূৰ্য্যৰ ৰশ্মি; কিন্তু ইয়াত সতেজ যৌৱনৰ শক্তি-সামৰ্থ্য আৰু উৎসাহ-উদ্দীপনাক বুজোৱা অৰ্থত শব্দদুটি ব্যৱহৃত হৈছে। কবিয়ে মানুহৰ জন্ম, যৌৱন, ভাটি বয়স, আৰু বাৰ্দ্ধক্যক সূৰ্য্য উদয়ৰ পিছত হোৱা ৰাতিপুৱা, দুপৰীয়া, আবেলি আৰু সন্ধিয়াৰ সৈতে ৰিজাইছে।

১৯। 'আকাশ'ৰ সমাৰ্থক শব্দবোৰ হ'ল ঃ

গগন, অম্বৰ, নভোমণ্ডল, ব্যোম আৰু শূন্য।

ৰহণৰ, সমাৰ্থক শব্দদুটি হ'ল ঃ বৰণ, ৰং। আন আন শব্দবোৰৰ সমাথৰ্ক শব্দবিলাক তলত দিয়া হ'ল.........

| শব্দ | সমাৰ্থক শব্দ |
|---|---|
| হৃদয় | হিয়া, অন্তৰ, অন্তঃকৰণ |
| জেউতি | জ্যোতি, পোহৰ, দীপ্তি, কান্তি |
| পৃথিৱী | ভূমণ্ডল, ভূতল, বসুমতী, ধৰিত্ৰী, ধৰণী, ধৰা, মহী, ভূ, মেদিনী, বসুন্ধৰা। |
| ধীৰে-ধীৰে | লাহে-লাহে |
| প্ৰভাত | পুৱা, ৰাতিপুৱা |
| বিষাদ | বেজাৰ, মনোবেদনা, অসন্তোষ, খেদ |

২০। ক) থাকোতেঁ, সোঁত;

খ) নাথাকে, কেনিবা;

গ) ৰথত, সোণালী;

ঘ) সোঁতে, কঁপনি;

ঙ) পূৰবীৰ;

চ) ফাগুন;

২১। ক) ফুল ফুলি সৌন্দৰ্য্যময় হ'লেও, কিছুদিনৰ পিছত মৰহি যায় আৰু গছৰ পৰা সৰি পৰি নিশ্চিহ্ন হৈ যোৱাৰ দৰে সাধাৰণতে মানুহৰ যৌৱনৰ শক্তি সামৰ্থ্য, বাৰ্দ্ধক্যত কমি যায় আৰু কিছুদিন পিছত মানুহ মৃত্যু মুখত পৰি পৃথিৱীৰ পৰা নিশ্চিহ্ন হৈ যায়।

খ) যৌৱন আঁতৰি গ'লে, বাৰ্দ্ধক্য আহে আৰু বাৰ্দ্ধক্যত শৰীৰ দুৰ্বল হয়, সেই অৱস্থাত ৰোগে শৰীৰ আক্ৰমণ কৰে, আৰু মানুহক দুখ-দুৰ্গতিয়ে আগুৰি ধৰে, অতীতৰ আনন্দময় জীৱনৰ স্মৃতিয়েও বাৰ্দ্ধক্যত মানুহক মানসিক কষ্ট দিয়ে।

গ) যেহেতু যৌৱন যাবই, এতেকে যৌৱনৰ শক্তি-সামৰ্থ্য, আনন্দ-উৎসাহ অথলে যাব নিদি সেইবোৰৰ প্ৰয়োগেৰে যৌৱনটো ফলপ্ৰসূ কৰিব লাগে। এদিন ইংৰাজ কবি ৱৰ্ডছৱৰ্থেও ভনীয়েক দৰথীক (Dorothy) এইদৰে জীৱন-যৌৱন সাৰ্থক কৰাৰ উপদেশ দিছিল।

২২। শব্দবোৰ হ'ল ঃ উছাহ (উচ্ছ্বাস), পছিম (পশ্চিম), জেউতি (জ্যোতি), পৰাণ (প্ৰাণ), আৰু কঁপনি (কম্পন)।

## 8.9 অতিৰিক্ত পঠন উপদেশ

কাব্যিক সৌন্দৰ্য্য উপভোগ কৰা, কাব্য-প্ৰীতি বঢ়োৱা, আৰু তাৰ মাজেৰে দাৰ্শনিক তত্ত্ব আয়ত্ত কৰাৰ অৰ্থে কবি গৰাকীৰ আন কবিতা পুথি 'আপোন সুৰ' 'বনফুল', 'ওমৰ তীৰ্থ' আৰু 'মৰমৰ সুৰ' পঢ়িবা।

## 8.10 ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন কৰিবলৈ দিয়া সংকেত

এতিয়া তোমালোকে কবিতাটোৰ মাজেৰে কি কি নতুন শব্দ শিকিলা, শব্দ প্ৰয়োগৰ কৌশল শিকিলা, ছন্দ, উপমা আদি ভাষাৰ অলংকাৰৰ আভাস পালা, কল্পনা বা সৃজনী প্ৰতিভাৰ জৰিয়তে কবিয়ে কেনেকৈ জীৱনৰ দাৰ্শনিক তত্ত্ব প্ৰকাশ কৰে তাক জানিলা, কাব্যিক সৌন্দৰ্য্য কি বুজি পালা, কবিতাৰ সাৰাংশ লিখা শিক্ষা পালা, অধিক কবিতা পুথি পঢ়াৰ বাবে উৎসাহ পালা বা কবিতা-প্ৰীতি অথবা কবিতাৰ ৰুচি কি তাক উপলব্ধি কৰিলা, আন আন বিখ্যাত কবিসকলৰ কথা মনলৈ আনিলা — এই সকলো সম্পৰ্কে কি কি প্ৰশ্ন প্ৰস্তুত কৰিব পাৰা কৰাচোন।

গোট 9

# বতৰটো ফৰকাল

ৰচনা ঃ চৈয়দ আব্দুল মালিক

## 9.1 পাতনি আৰু উদ্দেশ্যাৱলী

বিশ্বৰ সকলো ঠাইতে মানুহে শুনি ভালপোৱা সাধুকথাই বিবৰ্তনৰ পথ অতিক্ৰম কৰি আহি চুটিগল্পৰ ৰূপ পৰিধান কৰিছে। অসমীয়া ভাষাৰ ক্ষেত্ৰতো একেই কথা। বেজবৰুৱাৰ হাতত সাধুকথাই মোট সলায়। সেই আৰ্হিকে অনুসৰণ কৰি শৰৎ চন্দ্ৰ গোস্বামীকে আদি কৰি অন্যান্য গল্পকাৰে চুটিগল্প লিখে। পিছত চৈয়দ আব্দুল মালিকৰ হাতত অসমীয়া চুটিগল্পই পৰিপূৰ্ণ ৰূপ পৰিগ্ৰহণ কৰে। মালিকৰ গল্পটিত সমাজৰ এক শ্ৰেণী মানুহৰ অৰ্থলোভ, নাৰীৰ ত্যাগ আৰু আত্মকেন্দ্ৰিকতা, ইছলামীয় সমাজ আৰু সংস্কৃতিৰ কিছু ধাৰণা আৰু মানৱ চৰিত্ৰৰ সামাজিক মূল্যবোধ সম্পৰ্কেও কিছু আভাস পোৱা যাব।

এই গল্পটি তোমালোকক দিয়াৰ উদ্দেশ্য হ'ল —

- অসমীয়া সাহিত্যৰ বাস্তৱবাদী ধাৰা সম্পৰ্কে অৱগত কৰোৱা।
- সমকালীন অৰ্থনৈতিক, সামাজিক চেতনাৰ আভাস দিয়া।
- কিছুমান ইছলামীয় শব্দ আৰু ধাৰণাৰ জ্ঞান বঢ়োৱা।
- ভাষাৰ সাৱলীলতা, বৰ্ণনাভংগীৰ মাধুৰ্য্য, অনুভূতিৰ সূক্ষ্মতা সম্পৰ্কে সচেতন কৰোৱা আৰু
- মানৱ চৰিত্ৰ বিশ্লেষণ কৰিবলৈ শিকোৱা।

## 9.2 লেখক পৰিচিতি

পাঠটোৰ লেখক হ'ল— চৈয়দ আব্দুল মালিক। ১৯১৯ চনৰ দেৰগাঁৱৰ নাহৰণি গাঁৱত তেওঁৰ জন্ম হয়। যোৰহাটতে স্কুলীয়া শিক্ষা শেষ কৰি কটন কলেজৰ পৰা বিএ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত এম এ পাছ কৰে। মালিক ডাঙৰীয়া অসমীয়া গল্প সাহিত্যত 'গল্প সম্রাট', ঔপন্যাসিক তথা সুকবি ৰূপে পৰিচিত। তেওঁৰ সাহিত্যিক কৰ্মৰাজি হ'ল- আধাৰশিলা, পৰশমণি, অঘৰী আত্মাৰ কাহিনী, ৰঙাগৰা, মৰহা ফুল, ছবিঘৰ, সূৰুজমুখীৰ স্বপ্ন, ৰূপতীৰ্থৰ যাত্ৰী, ৰজনীগন্ধাৰ চকুলো, ধন্য নৰতনু আদি আৰু অসংখ্য চুটিগল্প। তেওঁ ১৯৭৭ চনত অসম সাহিত্য সভাৰ অভয়াপুৰী অধিবেশনৰ সভাপতি আছিল। এবাৰ তেওঁ লোকসভাৰ সদস্য হিচাপেও নিৰ্ব্বাচিত হয়। ২০০০ চনৰ ৰোজা মাহত অৰ্থাৎ ডিচেম্বৰ মাহত মালিকদেৱে ইহ সংসাৰ ত্যাগ কৰে।

## 9.3 মূলপাঠ

### 9.3.1 মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথম ভাগ

এতিয়া আহা, মূলপাঠটো পুংখানুপুংখ অধ্যয়নৰ বাবে আমি পাঠটো তিনিটা ভাগত ভাগ কৰি লওঁ। ইয়াৰে প্ৰথম ভাগটিৰ মুদ্ৰিতপ্ৰতিলিপিখিনি পঢ়ি চাওঁহক।

(১)

ৰমজান মাহৰ ত্ৰিশ দিনীয়া ৰোজাৰ বা উপবাসৰ অন্ত পৰিল। ঈদোল্ ফিৎৰো হৈ গ'ল,যোৱা পৰহি। গোটেই মাহটোৰ দিন-ৰাতি জোৰা ব্যস্ততাৰ কিছু শাম কাটিছে। ৰোজা ৰাখি, দিনটো, বেলি ওলোৱাৰ আগৰে পৰা, বেলি মাৰ নোযোৱালৈকে ভাত-পানী একো এটা মুখত নিদিয়াকৈ থাকি তাৰ মাজতে দৈনন্দিন কৰিবলগীয়া কামবোৰ কৰি যথেষ্ট ক্লান্ত-শ্ৰান্ত হৈ সময়বোৰ পাৰ কৰিবলগীয়া হয় ৰমজান মাহত।

লঘোণীয়া দিন কটাবলগীয়া হ'লেও কায়িক-মানসিক শ্ৰম নকৰিলে নচলে। ৰোজা ৰখাটো মোৰ নিজৰ কথা, কৰিবলগীয়া কাম কৰিবই লাগিব। লঘোণ দিয়াটো কৰ্তব্য অৱহেলা কৰাৰ যুক্তি হ'ব নোৱাৰে।

পৰহি ঈদ গ'ল। আজিকালি মধ্যবিত্ত, নিম্ন মধ্যবিত্তৰ কাৰণে ঈদটো এটা অবিমিশ্ৰ আনন্দৰ উৎসৱ নহয়। বস্ত্ৰ-বাহানিৰ জুই ছাই দাম। অলপীয়া টকাৰে দৈনন্দিন জীৱনৰ নহ'লে নোহোৱা খৰচখিনিৰ জোৰা মাৰিবলৈকে টান হয়। তেনেস্থলত ঈদ

**শব্দাৰ্থ**

নাতোড়বান্দা (বিণ): একোপধ্যে এৰি নিদিয়া

অশোভনীয় (বিণ) : শোভা নোপোৱা কাৰ্য্য

বুলি ল'ৰা-ছোৱালীক নতুন কাপোৰ-কানি এসাজ দিয়া, ঈদৰ বুলি কিছু ভাল খাদ্য-বস্তুৰ ব্যৱস্থা কৰা, খোজনীয়া-মগনীয়াৰ কাৰণে ফিৎৰা জাকাতৰ উপৰিও সাধ্যানুসৰি দান দিয়া-এইবোৰ কৰিবলৈ তাকৰ পইচাৰে একো নহয়। বহুত টকা লাগে।

তাকৰ (বিণ) - কম পৰিমাণ

আৰু ৰমজান মাহ আৰম্ভ হোৱাৰ লগে লগে আৰম্ভ হয় দান খাইৰাত বিচৰা পুৰুষ-মহিলা, ল'ৰা-ছোৱালী, কণা-খোৰা, বেমাৰী-অঁকৰাৰ অবিৰাম শোভাযাত্ৰা। কাকো বিমুখ কৰিব নোৱাৰি, কাকো শুদা হাতে বিদায় দিব নোৱাৰি। পুৱাৰ পৰা গধূলিলৈকে এনেকুৱা খোজনীয়াৰ ভিৰ- পদূলিমুৰত, দুৱাৰমুখত। কোনো কোনো খোজনীয়া বৰ অবুজ, নাচোড়বান্দা। ৰমজান মাহৰ ভিখাৰী, চাউল নহয়, টকা দিবই লাগিব। ভঙা পইছা নাই বুলি ক'লে গোটা টকাকে দিবলৈ দাবী কৰে। গৃহস্থ অসহায়, এইয়া পুণ্য আৰ্জনৰ বাধ্যতামূলক তাগাদা। দিব নোৱাৰো বোলাটো বৰ নিষ্ঠুৰ আৰু অশোভনীয় কথা হ'ব।

আত্মীয় (বিণ) : নিজৰ সম্পৰ্কীয়

তাগাদা (বি) : দিবলৈ বাধ্য কৰোঁৱা

অতিষ্ঠ (বি) : বিৰক্তি পোৱা

ৰমজান মাহটোক কোনো কোনোৱে মুছলমান মগনীয়াৰ মাহ বুলিও কয়। দূৰদূৰণিৰ মতা-মাইকী, ল'ৰা-ছোৱালী ইমান মগনীয়া আহে যে মানুহবোৰৰ অৱস্থা যে কিমান দুখ লগা, চিন্তা কৰিলে হতাশ হ'বলগীয়া হয়। এনেকৈ ভিক্ষা কৰি এই দুখীয়া মগনীয়াবোৰে যি পায় তাৰে কেইদিন চলিব? তাৰে সিহঁতৰ অভাব কিমান পূৰণ হ'ব? যাৰ ওচৰত হাত পাতে তেওঁলোকৰ অৱস্থাই বা কিমান ভাল? ধনী মানুহনো আছে কেইটা?

সোধ-পোচ (বি) : খবৰ-বতৰি লোৱা, আলহীক সেৱা সৎকাৰ কৰা

দৰ্খাস্ত (বি) : প্ৰতিবেদন

ৰমজান মাহৰ শেষৰ ছয়-সাত দিনত খোজনীয়া-মগনীয়াৰ ভিৰ আৰু বেছি হয়। গৃহস্থই উশাহ ল'বলৈও সময় নোপোৱা হয়। ঈদৰ দিনালৈকে এই পৰিস্থিতি অবিৰাম চলি থাকে। গৃহস্থ অতিষ্ঠ হৈ পৰিবলগীয়া হয়। এনেকুৱা এটা অৱস্থাৰ মাজেদিয়ে ৰোজা আৰু ঈদ পাৰ হৈ গ'ল। পৰহি হৈ গ'ল ঈদ। ঈদৰ কাৰণে হোৱা আলহী-অতিথিৰ ভিৰ আৰু খোজনীয়া-মগনীয়াৰ ভিৰৰ মাজত পাৰ্থক্য আছে। ঈদত দূৰ-ওচৰৰ আত্মীয়-অনাত্মীয় বন্ধু-বান্ধৱ সকলো আহে। ঈদৰ অতিথিসকলক সোধ-পোছ কৰাত এটা বেলেগ আনন্দ আছে। কেৱল চাহ-ভাত খোৱাই নহয়, অন্তৰংগভাৱে দুআষাৰ সুখৰ-দুখৰ কথা-বতৰা পতাৰ সুযোগো ঈদত পোৱা যায়।

অনুদান (বি) : সাহায্য

## 9.3.2 আলোচনা

গাইপতি (ক্ৰি বিণ) : প্ৰতিজনে

তুমি মন কৰিছানে লেখকে গল্পটি প্ৰথম পুৰুষত আৰম্ভ কৰিছে।

ঈদ ইছলাম ধৰ্মীয় লোকসকলৰ এটি পবিত্ৰ উৎসৱ। ঈদ পালনৰ আগে আগে ইছলাম ধৰ্মীয় লোকসকলে এমাহ ধৰি দিনত লঘোণে থাকে। সূৰ্য্য উদয় হোৱাৰ পৰা অস্ত যোৱালৈকে এই লঘোণ পালন কৰে। ইয়াকে ৰোজা ধৰা বা ৰখা

বোলে। এনেদৰে থাকি দুখীয়াৰ দুখৰ উপলব্ধি কৰে আৰু তেওঁলোকক টকা-পইচা, চাউল, কাপোৰ আদি দি সহায় কৰে, লগতে পুন্য অৰ্জন কৰি নিজৰ জীৱন ধন্য মানে। ৰোজাৰ মাহত দান-দক্ষিণা পায় বাবে দুখীয়ালোকসকল ধনীৰ ঘৰবোৰলৈ সৌতৰ দৰে গৈ থাকে। কেতিয়াবা গৃহস্থ অতীষ্ঠ হৈ পৰে। কিন্তু তথাপিও ঈদত ঘৰলৈ অহা আলহী-অতিতিসকলক খুৱাই-বুৱাই গৃহস্থই অতিশয় আনন্দিতও হয়।

## 9.3.3 প্ৰথম ভাগ পাঠৰ প্ৰশ্নাৱলী

এই পাঠাংশেখিনিৰ কিছু চমু প্ৰশ্ন আলোচনা কৰি তুমি নিজৰ প্ৰগতি পৰীক্ষা কৰি চোৱা।

১। ৰমজান মাহত ইছলাম ধৰ্মীসকলে কিমান দিন উপবাসে থাকে?

২। ৰমজান মাহটো কোন সম্প্ৰদায়ৰ ধৰ্মীয় মাহ?

৩। ঈদ পালন কৰিবলৈ কি বস্তুৰ আৱশ্যক হয়?

৪। মগনীয়াৰ মাহ বুলিলে কি বুজা?

৫। ঈদৰ বেলেগ আনন্দ ক'ত পোৱা যায়?

## 9.3.4 মূল পাঠ

### মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ

চাহ খাই উঠি মোৰ সম্পৰ্কীয় এজন ভতিজাৰ লগত কিবাকিবি কথা পাতিছিলো। আগবেলা বতৰ ফৰকাল আছিল। তেতিয়া অন্য আলহীও নাছিল। ভতিজাটোৱে এই বছৰ আমি কাৰ্যকৰী কৰা এক আঁচনিৰ বিষয়ে মোৰ পৰা কিছু কথা জানিবলৈ আগ্ৰহ প্ৰকাশ কৰিলে। এই বছৰ আমাৰ জিলাখনত চাৰকাৰীভাবে দৰিদ্ৰ মুছলমান বিধৱাসকলক সমাজ কল্যাণ বিভাগৰ জৰিয়তে কিছু অৰ্থ-সাহায্য দিবলৈ লোৱা হৈছিল। এই ৰমজান মাহৰ ভিতৰতে জিলাখনৰ গাঁও-নগৰৰ এশ গৰাকী দৰিদ্ৰ বিধৱাক গাইপতি এশ টকাকৈ মুঠ দহ হেজাৰ টকা ভগাই দিয়াৰ ব্যৱস্থা কৰা হৈছিল। এই বিষয়ত তেনে দান পাব পৰা বিধৱাৰ নাম-ঠিকনা আদি পৰীক্ষা কৰি পাব লগাসকলৰ নামৰ তালিকা প্ৰস্তুত কৰাৰ দায়িত্ব মোক দিয়া হৈছিল। চৰকাৰী গাঁওবুঢ়া, আৰক্ষী বিষয়া, পঞ্চায়তৰ বিষয়ববীয়া, নগৰৰ পৌৰসভাৰ ভাৰপাপ্ত

**শব্দাৰ্থ**

ফৰকাল (বিণ): ডাৱৰ আঁতৰি পৰিষ্কাৰ হোৱা বতৰ, মুকলি হোৱা

বিষয়া আদিৰ অনুমোদনৰ ভিত্তিত এই অনুদান পোৱাৰ যোগ্য দুখীয়া আৰু সহায়হীনা বিধবাসকলৰ নাম বছি উলিওৱা হৈছিল। ঈদৰ আগে আগে জিলা সমাজ কল্যাণ বিষয়াৰ যোগে এশগৰাকী দুখীয়া মুছলমান বিধবাৰ মাজত গাইপতি এশ টকাকৈ দহ হেজাৰ টকা বিতৰণ কৰা হ'ল। মোৰ ভতিজা জাফৰক মই চমুকৈ কথাখিনি বুজাই ক'লোঁ।

'এইটো এটা ভাল কাম কৰা হ'ল। আজি-কালি এশ টকা বস্তু নহয়, কিন্তু নথকাৰ কাৰণে এনেকৈ পোৱা এশ টকাও বহুত।' ভতিজা জাফৰে তাৰ মন্তব্য জনালে।

'পিছে আবেদনকাৰী এশ গৰাকীয়েই আছিল নে বেছি আছিল?' তাৰ প্ৰশ্ন।

'বেছি আছিল। তাৰ ভিতৰত বাছি-বিচাৰি পাবলগীয়া এশগৰাকী বিধবাক দিবলৈ দিয়া হৈছিল।'

'নোপোৱাসকলে কোনো ওজৰ-আপত্তি নকৰিলেনে?'

'নোপোৱাসকলে হয়তো আগলৈ পাব। অৱশ্যে সাহায্য পোৱা এগৰাকী বিধবাক লৈহে কিছু সমস্যাৰ সৃষ্টি হৈছিল।'

'কেনে ধৰণ[illegible]। [illegible]নিয়ম হ'লনেকি?' জাফৰৰ কৌতুহ'ল দেখি মই ঘটনাটোৰ বিষয়ে চমু[illegible]জাই ক'লোঁ। 'এই চহৰৰে এগৰাকী ভদ্ৰমহিলা। সাহায্য পাবৰ কাৰণে তোৰো এখন [illegible]ৰ্থাত্ত দিলে। কোনোবা এজনে তেওঁ এগৰাকী দুখীয়া বিধবা বুলিও চাৰ্টিফিকেট দিলে। তেওঁৰ আবেদন-পত্ৰ পৰীক্ষা কৰি চাই তেওঁকো বমজান মাহৰ ভিতৰতে এশ টকাৰ অনুদান দিয়া হ'ল।

'পিছে?'

'পিছে, পিছত এটা অভিযোগ পোৱা গ'ল।'

'অভিযোগ? কেনে ধৰণৰ অভিযোগ? কোনে অভিযোগ কৰিছে?'

'তেওঁৰ ঘৰৰ ওচৰৰে দুজনমান জনা-বুজা মানুহে লিখিতভাবে জনাইছে যে যিগৰাকী মহিলাই দুখীয়া বিধবালৈ চৰকাৰে আগবঢ়োৱা এশ টকীয়া অৰ্থ সাহায্য পাইছ[illegible] তেওঁ বিধবা যদিও, তেওঁৰ তিনিজন পুতেকৰ এজনে চাকৰি কৰে, দুজনে দোকান দিয়ে, ব্যৱসায় কৰে। সেইয়ে নহয়, এই বিধবাগৰাকীৰ নগৰত ভাড়াঘৰ আছে। মাহেকত সাত-আঠ হেজাৰ টকা ঘৰ ভাড়া পায়। বিধবা হ'ল বুলি এই মানুহজনীয়ে চৰকাৰৰ পৰা এশ টকা এনেকৈ ল'ব পায়নে? এইয়া ৰাজহুৱা আপত্তি।

দালাল (বি) : যি মানুহে কিনা-বেচা কৰোতাৰ মাজত মধ্যস্থতা কৰে

অবিশ্বাস্য (বিশ) : বিশ্বাস কৰিব নোৱাৰা

ওজৰ-আপত্তি (বি) : আসোঁৱাহ

'পিছে আপত্তিটোৰ কিবা বিচাৰ বা নিষ্পত্তিৰ ব্যৱস্থা কৰা হ'লনে নাই?'

'ঘটনাটোৰ সত্যাসত্যৰ বিচাৰ কৰিবলৈ দিয়া হৈছিল।'

'কি পালে পিছে?'

'অভিযোগটো সঁচা। মানুহজনী বিধৱা যদিও, দুখীয়া নহয়, যথেষ্ট ধনী। পিছে সাহায্য বিচাৰি দৰ্খাস্তখন মানুহজনীয়ে নিজে দিয়া নাছিল।'

'কোনে দিছিল তেনেহ'লে?'

'এটা দালালে। দৰ্খাস্তকাৰিণী বিধৱা হ'ব লাগে। গতিকে ওচৰত এওঁকে বিধৱা পাই তেওঁৰ নামতে দৰ্খাস্ত লিখাই দিয়ালে। টকা এশ পালে। তাৰে পঞ্চাশ টকা বিধৱা গৰাকীক দি, বাকী পঞ্চাশ টকা দালালটোৱে খালে।' মই কথাটো বুজাই ক'লো। মোৰ পৰা কথাখিনি শুনি জাফৰ অবাক হ'ল আৰু মোৰ মুখলৈ চালে।

'কথাটো সঁচা নেকি বাৰু?'

'অবিশ্বাস্য, তথাপি সঁচা। কি কৰা যায়?

'আমি এনেকুৱা এখন সমাজতে আছো।'

## 9.3.5 আলোচনা

গল্পৰ লেখকে ভতিজাক জাফৰৰ লগত ঈদৰ মাহত ঘটি যোৱা ঘটনাবোৰ এনেয়ে আলোচনা কৰি আছিল। চৰকাৰে ঈদ উপলক্ষে দুখীয়া মুছলমান বিধৱা তিৰোতাক গাইপতি ১০০/ টকাকৈ সাহায্য দিয়াৰ কথা বিবেচনা কৰিছিল। সেই সাহায্য প্ৰদান কাৰ্য্য আকৌ গল্প লিখকৰ জৰিয়তে সম্পাদন হৈছিল। তাতেই এটা ৰাজহুৱা অভিযোগ উঠিছিল যে — এজন দালালৰ জৰিয়তে এগৰাকী ধনী বিধৱা তিৰোতাই চৰকাৰী সাহায্য গ্ৰহণ কৰিছে। মানুহৰ লোভৰ অন্ত নাই। লোভী, ধনী মানুহে যিমানে পায়, তাতোকৈয়ো বেছি বিচাৰে। এই কাহিনীভাগৰ জৰিয়তে সমাজৰ মধ্যস্থতাকাৰীসকলৰ অসাধু কাৰ্য্যৰ ফলত সমাজৰ সন্মানীয় লোকৰো মনোভাব কেনেকৈ অধোমুখী হয় সেই দিশটোও আলোকপাত কৰিছে।

## 9.3.6 দ্বিতীয় ভাগ পাঠৰ প্ৰশ্নাৱলী

ওপৰৰ পাঠাংশৰ বিশ্লেষণৰ বাবে কিছু প্ৰশ্ন আলোচনা কৰা ভাল হ'ব। তলৰ

প্ৰশ্নবোৰ উত্তৰ কৰি তোমাৰ প্ৰগতি পৰীক্ষা কৰা—

৬। লেখকে চাহ খাই উঠি কাৰ লগত কথা পাতি আছিল?

৭। বিধৱা মুছলমান নাৰীসকলক সাহায্য দিয়া অনুষ্ঠানটোৰ নাম কি?

৮। ৰাজহুৱা অভিযোগটো কাৰ বিৰুদ্ধে আছিল?

৯। জাফৰে কথাখিনি শুনি কেনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল?

১০। ধনী বিধৱা মহিলাগৰাকীয়ে সাহায্য পোৱা কাৰণে কোন কোন দায়ী?

## 9.3.7 মূল পাঠ

### মুদ্ৰিত প্ৰতিলিপিৰ তৃতীয় ভাগ

এনেতে আমাৰ পদূলিৰ গেট খুলি এগৰাকী মহিলা সোমাই আহিল। মই তেওঁৰ ফালে চালোঁ। মানুহজনীক মই চিনি পালোঁ। এই মানুহজনীও এজনী বিধৱা। তেওঁ সদায় ৰমজান মাহত ঈদৰ আগে আগে আমাৰ ঘৰলৈ আহে, আমাৰ পৰা ফিৎৰা জাকাতৰ পইচা খুজি নিয়ে। এইবাৰ কিন্তু তেওঁক ৰমজান মাহত আমাৰ ঘৰলৈ অহা মই দেখা নেপালোঁ।

মানুহজনীৰ নাম কণমাই। সেই নামেৰেই আমি তেওঁক মাতো। তেওঁ বহুত দিনৰ আগতে বিধৱা হ'ল। ল'ৰা এটা আৰু ছোৱালী এজনী আৰু তেওঁ। আজি তিনি বছৰমানৰ আগতে ছোৱালীজনীক বিয়া দিলে। আমিও যি পাৰোঁ সহায় কৰি দিলোঁ। ল'ৰাটোৱে পঢ়ি আছিল। তাৰ কিতাপ-পত্ৰ, কাপোৰ-কানি আৰু ফীজৰ কাৰণে মাজে মাজে আমাৰ পৰা পইচা খুজি নিয়ে। বিশেষকৈ ৰমজান মাহত সদায় ঈদৰ আগে-আগে আহি ফিৎৰা জাকাতৰ পইচা খুজি নিয়েহি। সদায় ঈদৰ সময়ত আহে কাৰণে আমি কণমাইৰ কাৰণে কিছু পইচা থৈয়ে দিওঁ।

ফীজ (বি) : মাচুল,

এইবাৰ কিন্তু কণমাই ঈদৰ আগতে আমাৰ ঘৰলৈ নাহিল। আজি ঈদৰ দুদিনৰ পিছত আহিছে। মই কণমাইৰ মুখলৈ চালোঁ।

মানুহজনী কিছু খীণাইছে। ভৰিত চেণ্ডেল নাই। শুদা ভৰিৰেই গাঁৱৰ পৰা খোজ কাঢ়ি আহিছে। হয়তো কিছু দূৰ ৰেলেৰে আহিব পায়। পিন্ধনত এখন পুৰণি কপাহী মেখেলা আৰু এখন পুৰণি কপাহী চাদৰ। হাত-কাণ শুদা।

চালাম (বি)ঃ ডাঙৰৰ প্ৰতি কপালত সোঁহাত থৈ কৰা সন্মান প্ৰদৰ্শন।

কণমাই আহি আমাৰ ওচৰত ৰ'লহি, আৰু কপাললৈ হাত তুলি মোক চালাম জনালে।

'কণমাই, আহা। বহা, মূঢ়াটোতে বহা। ভালে আছা?'

'হয় ভালে আছো। আপোনালোক সকলো ভালে আছে?'

'আছো। এইবাৰ তুমি ঈদৰ আগতে নাহিলা নেকি?'

'এৰা আহিবলৈ নহ'ল।'

'তুমি আহিবা বুলি অন্য বছৰৰ নিচিনাকৈ তোমাৰ কাৰণে অলপ পইচা থৈছিলো। পইচাখিনি লৈ যাবা।'

অলপ উচপিচ কৰি মোৰ মুখৰ ফালে চাই কণমায়ে সৰু মাতেৰে ক'লে—'মই এইফালে ভালেমান দিন আহিব পৰা নাছিলোঁ।'

'এৰা, তোমাক আমাৰ ঘৰত ভালেমান দিন নাই দেখা যেন লাগিছে।'

'হয়, ভালেমান দিন নাই আহিব পৰা।'

'এৰা ঈদৰ আগতে আহিবা বুলি ভাবিছিলো। বাৰু, তোমাৰ কাৰণে থোৰা পইচাখিনি আছে। লৈ যাবা।'

'মই আৰু ফিৎৰা জাকাতৰ পইচা নলওঁ, ল'ব নোৱাৰো।'

'কিয় কি হৈছে?'

'ল'ৰাটো কাম এটাত সোমাইছে। সি এতিয়া দৰমহা পায়। আমি তাৰ দৰমহাৰেই চলি আছো। আপোনালোকে আমাক বহুত সহায় কৰিলে। এতিয়া আল্লাই অলপ চকু মেলি চাইছে। এতিয়া জাকাত ফিৎৰাৰ পইচা ল'ব নোৱাৰো-' শান্তভাৱে কণমায়ে ক'লে। জাফৰ আৰু মই কণমাইৰ মুখলৈ চালোঁ। কণমাই শান্ত। কথাবোৰত নম্ৰতা।

চকু মেলি চা ঃ কোনো মানুহৰ ফালে শুভদৃষ্টি দিয়া,

'ল'ৰাটো কি কামত সোমাইছে?'

'অফিচ এটাত চকীদাৰ কামত সোমাইছে। সি যি দৰমহা পাইছে তাৰে আমি চলিব পাৰিছো।'

তাৰ পিছত অলপ লাজ লাজ কৈ কণমায়ে ক'লে— 'এই বছৰ আমি, ল'ৰাটোৱে মোৰে ফিৎবাও দিলোঁ। দুয়োটাৱে মিলাই ১৫ টকা নে কিমান হ'ল, এতিয়া আৰু আমি ফিৎৰা জাকাত ল'ব নেপায় নহয়।'

কণমাইৰ কথাষাৰে আমাক অলপপৰৰ আগতে আলচ কৰি থকা নগৰৰ ধনী বিধৱাগৰাকীৰ কথা মনত পেলাই দিলে। একেখন পৃথিৱীৰে দুগৰাকী বিধবা।

অফিচ (বি) : কাৰ্য্যালয়,

চকীদাৰ (বি) : ৰখীয়া,

মই ক'লো, তোমাৰ ল'ৰাটো চাকৰিত সোমালে বুলি জানি বৰ ভাল পাইছোঁ। তুমি ভিতৰলৈ ব'লা, ঈদৰ চাহ-তাহ কিবা এটা খাই যোৱাগৈ।'

খাইৰাত ( বি) : দান-দক্ষিণা,

আমি বহাৰ পৰা উঠি ঘৰৰ ভিতৰলৈ আহিলোঁ। কণমাই আমাৰ পিছে পিছে আহিল।

'চৰকাৰে যে এইবাৰ ৰোজাৰ মাহত বিধৱা মানুহলৈ টকা দিছিল, তোমালোকে খবৰ পোৱা নাছিলানেকি?'

কৌতুহল (বি) : আগ্ৰহ প্ৰকাশ কৰা কাৰ্য্য

'খবৰ পাইছিলো, আমাৰ গাঁৱৰ দই-এজনীয়ে দৰ্খাস্ত দিছিল। কোনোবাই কোনোবাই এশ টকাকৈ পাইছেও।'

'তুমি দৰ্খাস্ত কৰা নাছিলা ?'

'নাই। মই আকৌ কেলেই দৰ্খাস্ত কৰিম?' এতিয়া ল'ৰাটোৱে চাকৰি কৰিছে নহয়?'

কণমাই ভিতৰলৈ সোমাই গ'ল আৰু আমাৰ ছোৱালীজনীক মাতি চাদৰৰ তলত লুকুৱাই অনা সৰু কাগজৰ টোপোলা এটা আগবঢ়াই দিলে।

টোপোলাটো হাতত লৈ ছোৱালীজনীয়ে সুধিলে, 'এয়া আকৌ কি?

'একো নহয় , কিটো আনিম?'

ঈদ বুলি পিঠা দুটামান ভাজি আনিছো, খাবাহক দেই।'

কণমাইক ভিতৰলৈ নি বহুৱাই ঈদৰ চাহ-জলপান দিলে। খাই-মেলি কণমাই ভিতৰৰ পৰা ওলাই আহিল, আৰু বঁটাৰ পৰা তামোল লৈ মুখত ভৰাই মোৰ ফালে চাই ক'লে, 'মোৰ কাৰণে ফিৎৰা জাকাতৰ পইচা থৈছিলে নহয়? সেই পইচাখিনি কোনোবা বাঁৰী দুখুনীক দি দিব। খোজনীয়াতো আহিয়ে থাকে, মই যাওঁগৈ। পিঠা কেইটামান আনিছিলো। বেয়া নেপায় যদি আপোনালোকেও খাব দেই। মই যাওঁ-'

'বাৰু যোৱা।' কণমাই লাহে লাহে ঘৰৰ ভিতৰৰ পৰা ওলাই গ'ল। মই তাইৰ যোৱাৰ ফালেই চাই থাকিলো- মোৰ মনত লাগিল কণমায়ে যেন বৰ আনন্দ মানেৰেই খোজকেইটা খৰকৈ দি নিজৰ ঘৰমুৱা হৈছে। ব্রতৰটো ফৰকাল।

## 9.3.8 আলোচনা

এতিয়া আমি পাঠৰ তৃতীয় ভাগৰ কিছু আলোচনা কৰোহঁক। 'ধানটোৰে প্ৰতি কণটো আৰু মানুহটোৰে প্ৰতি মনটো' — বুলি কথা এষাৰ আছে। এই কথাষাৰৰ ওপৰত পাঠ অংশত বৰ্ণনা কৰা দুয়ো গৰাকী বিধবা নাৰীৰ ক্ষেত্ৰত খাটে। আৰ্থিক ভাৱে ধনী হ'লেই মনৰ উদাৰতা, সহানুভূতিশীলতা নাবাঢ়ে। ধনৰ দুখীয়া হ'লেও মনৰ উদাৰতাত দুখীয়া নহয়। পিছলৈ অৱস্থা ভাল হোৱা স্বত্বেও এই নাৰী গৰাকীৰ সৰলতা হ্ৰাস পোৱা নাই। তেওঁ আগতে ঈদৰ সময়ত আনৰ পৰা দান গ্ৰহণ কৰিছিল। কিন্তু পুতেকৰ চাকৰি হোৱাত এইবাৰ তেওঁ ঈদত কাৰোৰে পৰা দান নল'লে। আনকি চৰকাৰে দিয়া বিধৱা সাহায্যও গ্ৰহণ নকৰিলে। বৰং তেওঁ কাৰোবাক ঈদৰ দানহে দিলে। লিখকৰ ঘৰলৈ আহোতে তেওঁ কেইটামান পিঠা লৈ আহিছে আৰু সকলোকে খাবলৈ কৈছে। এই কামৰ মাজেদি তেওঁৰ আত্মসন্মানবোধ আৰু উদাৰ মনোভাৱ প্ৰকাশিত হৈছে। মাজতে লিখকে ধনী নাৰী গৰাকীৰ ঘটনা উল্লেখ কৰাত এইনাৰী গৰাকীৰ মহানুভৱতাৰ ছবিখন বেছি প্ৰাঞ্জল হৈ পৰিছে।

## 9.3.9 তৃতীয় পাঠ ভাগৰ প্ৰশ্নাৱলী

ওপৰৰ পাঠাংশৰ কিছু প্ৰশ্ন বিশ্লেষণ কৰি চোৱা—

১১। কণমাই কোন?

১২। কণমায়ে ঈদৰ দান কিয় গ্ৰহণ নকৰিলে?

১৩। কণমাইৰ ল'ৰাটোৱে কি কাম পাইছে?

১৪। কণমায়ে টোপোলাটোত কি আনিছিল?

১৫। কণমায়ে আনন্দমনে ক'লৈ খোজ দিছে?

## 9.4 মূলপাঠৰ সাৰাংশ

এতিয়া পাঠটো সাৰাংশ আকাৰে আলোচনা কৰা হ'ল—

ইছলাম ধৰ্মৰ অতিকে' পবিত্ৰ মাহ 'ৰোজা মাহ' শেষ হোৱাৰ দিনা কাঁচি জোন আকাশত ওলালেই ৰমজানৰ ঈদ আৰম্ভ হয়। এই ঈদত ধনী-দুখীয়াসকলোৱে বস্তু-বাহানীৰ দাম বেছি হ'লেও খাই-খুৱাই আনন্দ ফূৰ্ত্তি কৰে। দুখীয়াসকলক ধনী সকলে বিলোৱা দানৰ টকাৰে দুখীয়ায়ো এসাজ ভালদৰে খায়। এবাৰ চৰকাৰে দুখীয়া বিধৱা মুছলমান তিৰোতাক ঈদ উপলক্ষে এশ টকাকৈ সাহায্য দিয়াৰ আয়োজন কৰে আৰু সেই কাৰ্য্য নিয়াৰিকৈ সম্পাদন কৰিবলৈ লিখকৰ ওপৰতেই দায়িত্ব আহি পৰে। সাহায্য দান সুকলমে হৈ যায় যদিও এটা ৰাজহুৱা অভিযোগ আহি পৰে। অভিযোগটো হ'ল এয়ে যে — এগৰাকী ধনী মুছলমান মহিলাই এজন দালালৰ যোগে চৰকাৰী দান গ্ৰহণ কৰিছিল। লিখক ইছলাম ধৰ্মীয় হোৱা বাবে ৰোজা মাহত দুখীয়াবোৰক জাকাতৰ-ফিৎৰা দান দিছিল। বহুদিনৰে পৰা তেওঁলোকৰ ঘৰলৈ কণমাই নামে এগৰাকী দুখীয়া মহিলাই ৰোজা মাহৰ দান নিবলৈ আহিছিল। কিন্তু সেইবাৰ ৰোজামাহত তাই লিখকৰ পৰা দান নিবলৈ নাহিল। বৰং এদিন হাতত এটা পিঠাৰ টোপোলা লৈ তেখেতসকলৰ ঘৰলৈ আহিছিল। লিখকে কণমাইক ঈদৰ জাকাত নিবলৈ নহাৰ কাৰণ সোধাত, তাই ক'লে যে তাইৰ পুতেকে চকিদাৰৰ চাকৰি পাইছে আৰু সেই চাকৰিৰ ধনেৰে সিহঁতে এতিয়া সুখেৰে থাকিব পৰা হৈছে আৰু ৰোজা মাহত দিব লগা দান-দক্ষিণাও দিব পাৰিছে। তেওঁ এইবাৰ চৰকাৰে দিয়া সাহায্য গ্ৰহণ কৰা নাই। কাৰণ, তেওঁৰ মতে, আৰ্থিকভাৱে দুৰ্বল মানুহে তেনে সাহায্য ল'ব পাৰে। তেওঁৰতো পুতেকে এতিয়া চাকৰি কৰে। লিখকৰ মনত দুগৰাকী ধনী বিধৱা মহিলাই অন্যায়ভাবে লোভতে চৰকাৰে দিয়া সাহায্য গ্ৰহণ কৰিছে আৰু আনপিনে দুখীয়া হোৱা স্বত্বেও নিৰ্লোভী কণমায়ে তেনে প্ৰস্তাব আগ্ৰহ্য কৰিছে। ইয়াৰ পিছত লিখকে দেখিলে যে— সৰলমনা কণমাই অতি আনন্দমনেৰে ঘৰলৈ খোজ কাঢ়ি গৈছে, সেই খোজত কোনো অহংকাৰ বা ভেম নাই।

## 9.5 টোকা

এতিয়া আমি পাঠটিত থকা কিছু শব্দৰ টোকা প্ৰস্তুত কৰোহঁক—

**(ক) ৰমজান ঈদ ঃ-** ইছলামসকলৰ এক আনন্দ উৎসৱ। এটা চান্দ্ৰমাহৰ অন্তত অৰ্থাৎ অমাবস্যাৰ পৰা এমাহৰ পিছত নতুন কাঁচি জোন ওলালেই ৰমজান ঈদ পালন কৰিব পাৰি। এই ঈদত ইছলামধৰ্মাৱলম্বী লোকসকলে আনন্দ ফূৰ্ত্তি কৰে। প্ৰতি বছৰ ঈদ উদৎযাপন চৈধ্যদিনকৈ আগবাঢ়ি আহে। গতিকে নিৰ্দিষ্ট মাহ নাই।

**(খ) ৰোজা ঃ-** ৰমজান মাহত মুছলীমসকলৰ বহুতেই বেলি ওলোৱাৰ আগৰে পৰা বেলি মাৰ যোৱালৈকে মুখত পানী এটোপাও নিদিয়াকৈ থাকে। লঘোণে থাকে যদিও দিনটোৰ কৰিবলগীয়া সকলো কাৰ্য্য নিয়মিতভাৱে সম্পাদন নকৰি নাথাকে। ধনীমানুহবোৰে লঘোনে থাকি দুখীয়াৰ অনাহাৰৰ কষ্ট অনুভৱ কৰিবলৈ যত্ন কৰে। লঘোণ দিয়া কাৰ্যক ৰোজা ধৰা বা ৰখা বুলি কয়।

**(গ) জাকাত ঃ-** ই হ'ল ইছলামীয় ধনী মানুহ শ্ৰেণীয়ে বছৰটোত দুখীয়া শ্ৰেণীক দিব লগীয়া দান। এই দান ৰোজা মাহত দি হ'লেও জাকাত সম্পূৰ্ণ কৰিব লাগে। উদাহৰণ হিচাপে ধৰা কোনো এজন ধনী মানুহে বছৰটোত খাই লৈ আয়ৰ পৰা দহ হাজাৰ টকা জমা কৰিলে। তেতিয়া এই দহ হাজাৰৰ আঢ়ৈ হাজাৰ টকা গোটেই বছৰটোত দুখীয়া সকলক দান দিব লাগিব। কাৰোবাৰ এইদৰে দি থাকিবলৈ সুবিধা নহ'লে ৰোজা মাহত দান দি ঈদৰ দিনাখন আজৰি হয়। জাকাতত টকা-পইচাৰ বাহিৰে কাপোৰ-কানি, চাউল-পাতো দিব পাৰে।

**(ঘ) ফিৎৰা ঃ-** ফিৎৰাও এবিধ দান। ধনীলোকৰ ঘৰৰ প্ৰত্যেক সদস্যৰ হিচাপত জনমুৰি ১৬৩৩ গ্ৰাম আটা বা ১৭,০০/১৯,০০ টকা দুখীয়া মানুহক দান দিব লাগিব। এই দান ধৰা বন্ধা। ঈদ উপলক্ষে দিয়া ফিৎৰা বাবে ঈদোল্ ফিৎৰা বোলে।

**(ঙ) ৰমজান মাহ ঃ-** এমাহ ধৰি ৰোজা ৰখা হয়। এমাহ সম্পূৰ্ণ হ'লেই ৰমজান আনন্দ উৎসৱ ঈদ উদ্‌যাপন কৰা হয়। ইছলামসকলৰ এই গোটেই মাহটোত নামাজ বা ভগৱানৰ উদ্দেশ্যে প্ৰাৰ্থনা কৰি, দুখীয়াক দান-দক্ষিণা দি পুণ্য অৰ্জন কৰে।

**(চ) মগনীয়াৰ মাহ ঃ-** ৰমজান মাহত প্ৰত্যেক সামৰ্থ্যবান লোকে দুখীয়াক দান কৰে। সেয়ে দুখীয়া-মগনীয়ালোকৰ মাগনি কাৰ্য্য এই মাহত বহুত বৃদ্ধি পায়। এই মাহটোত মগনীয়া সকলৰ বাবেই অৰ্থ ব্যয় কৰা হয়। সেয়ে গল্পলেখকৰ মতে ৰমজান মাহ মগনীয়াৰ মাহ।

## 9.6 সাধাৰণ অনুশীলনী

আমাৰ পাঠটো সম্পূৰ্ণ পঢ়া শেষ হ'ল, এতিয়া আমি কিছু প্ৰশ্ন অনুশীলন কৰি চাওঁহক।

9.6.1

১৬। পাঠভিত্তিক কেইটামান চমু প্ৰশ্ন দিয়া হৈছে। উত্তৰ দিবলৈ চেষ্টা কৰাচোন?

ক) জাকাত ফিৎৰা গ্ৰহণ নকৰি কণমায়ে কি ভাৱ ব্যক্ত কৰিছে?

খ) জাফৰ কোন ?

গ) মুছলমান বিধৱাসকলক অৰ্থ সাহায্য দিয়া চৰকাৰী বিভাগটোৰ নাম কি?

ঘ) চৰকাৰী অৰ্থ সাহায্যৰ পৰিমাণ কিমান আছিল?

ঙ) আৰ্থিক স্বাচ্ছন্দ্যৰ লগত সততাৰ সম্বন্ধ আছেনে? বহলাই লিখা।

চ) দুখীয়া তিৰোতাজনী লিখকৰ ঘৰলৈ কোন সময়ত আৰু কিয় আহিছে?

9.6.2 **বৈয়াকৰণিক অনুশীলনী**

এতিয়া ব্যাকৰণৰ কিছু জ্ঞান লাভ কৰিবলৈ কিছু পাঠ-ভিত্তিক ব্যাকৰণ অভ্যাস কৰোহঁক—

১৭। পাঠটোত কেইটামান বিদেশী শব্দ আছে। এইবোৰ বৰ্তমান বহুল ধৰণে ব্যৱহৃত হ'বলৈ ধৰিছে। এইবোৰে আমাৰ ভাষাত নিগাজী স্থান দখল কৰিছে। এনেধৰণৰ শব্দৰ ব্যৱহাৰে অসমীয়া সাহিত্যৰ শব্দৰ ভঁৰাল টনকিয়াল কৰিছে। শব্দবোৰ বাছি উলিয়াই এখন তালিকা প্ৰস্তুত কৰা। শব্দবোৰ বৰ্ণানুক্ৰমে কৰিবা।

১৮। পাঠটোত বহুতো যুৰীয়া শব্দ ব্যৱহৃত হৈ আছে। যোৰাত থকা শব্দবোৰৰ দুয়োটা শব্দই প্ৰায় একেই অৰ্থ প্ৰকাশ কৰে। উদাহৰণ দিয়া হ'ল— বস্তু-বাহানী, কাম-কাজ। এতিয়া পাঠৰ ভিতৰত বিচাৰি তেনে যুৰীয়া শব্দবোৰ লিখি উলিওৱা।

১৯। এইবাৰ আমি বিভক্তিৰ কথা আলোচনা কৰোঁহক। পদ গঠনত বিভক্তিবোৰ একান্ত অপৰিহাৰ্য্য। কাৰণ বিভক্তিবোৰৰ সহায়ত পদ গঠন কৰি বাক্যৰ অৰ্থ সুকীয়া সুকীয়া কৰি গঢ় দিব পাৰি। বিভক্তি মূলৰ পিছত যোগ হয় আৰু বাক্যৰ অৰ্থ নিৰ্ণয় কৰে। এতিয়া তলৰ আচটনা শব্দবোৰৰ পৰা বিভক্তিবোৰ বাছি উলিওৱা।

ৰমজান মাহটোক কোনো কোনোৱে মুছলমানৰ মগনীয়াৰ মাহ বুলিও কয়।

◆ এশ গৰাকী বিধৱাক দিবলৈ দিয়া হৈছিল।

◆ সদায় ঈদৰ সময়ত কণমাই আমাৰ ঘৰলৈ আহে।

◆ খোজনীয়া মগনীয়াৰ মাজত পাৰ্থক্য আছে।

২০। এইবাৰ আমি উক্তি সম্পৰ্কে আলোচনা কৰোহঁক। পাঠটোত বহুতো উক্তি আছে। এজনে যেনেদৰে কয় হুবহু তেনেদৰে কথাখিনি উৰ্দ্ধকমাৰ ভিতৰত লিখি উল্লেখ কৰাকে প্ৰত্যক্ষ উক্তি বোলে। উৰ্দ্ধকমাৰ ভিতৰৰ কথাখিনি কোনোবাই কোৱা। কেতিয়াবা সেইখিনি কথাকে অবিকল ভাৱে নাৰাখি তাৰ সাৰ কথাখিনি ঘূৰাই -পকাই বৰ্ণনাত্মক ভাবে প্ৰকাশ কৰোঁ। তাকে পৰোক্ষ উক্তি বোলে। যেনেঃ

প্ৰত্যক্ষ উক্তি ঃ শিক্ষকে ক'লে, 'এই কিতাপখন পঢ়িবা।'
পৰোক্ষ উক্তিঃ শিক্ষকে সেই কিতাপখন পঢ়িবলৈ কৈছিল।

তলত দিয়া বাক্যকেইটা প্ৰত্যক্ষৰ পৰা পৰোক্ষ বা পৰোক্ষৰ পৰা প্ৰত্যক্ষলৈ নিয়া।

◆ জাফৰে ক'লে, 'এইবাৰ তুমি ঈদৰ আগতে নাহিলা নেকি?'

◆ কণমায়ে ক'লে, 'এৰা আহিবলৈ নহ'ল।'

◆ তাই ক'লে, 'ল'ৰাটো কামত সোমাইছে।'

◆ ছোৱালীজনীয়ে সুধিছিল যে সেই টোপোলাটোত কি আছে।

◆ লেখকে কণমাইক যাবলৈ কৈছিল।

২১। তলত দিয়া খণ্ড বাক্য/বাক্যাংশবোৰ ব্যৱহাৰ কৰি বাক্যৰচনা কৰা

◆ জুই-ছাই, নাচোড়বান্দা, সোধ-পোছ, গাইপতি, ওজৰ-আপত্তি, কৌতুহল, চকু-মেলি চা,

## 9.6.3 বোধজ্ঞানমূলক প্ৰশ্ন

এইবাৰ পাঠটি সম্পূৰ্ণকৈ পঢ়ি চোৱা আৰু তলত দিয়া চমু প্ৰশ্নকেইটাৰ উত্তৰ লিখা—

২২। ক) ইছলাম ধৰ্মীয় লোক সকলে কিয় ৰোজা ৰাখে বা ধৰে?

খ) ইছলাম ধৰ্মৰ প্ৰবৰ্তক কোন?

গ) দৰ্খাস্তকাৰিণীৰ মধ্যস্থতাকাৰী কোন আছিল?

ঘ) লেখকৰ কণমাইৰ প্ৰতি কেনে ভাব উদ্ৰেক হৈছিল?

ঙ) গল্পটোৰ নাম কিয় 'বতৰটো ফৰকাল' ৰখা হৈছে বুলি ভাবা?

## 9.7 সৃষ্টিধৰ্মী প্ৰশ্ন

পাঠটোৰ পৰা কেইটামান দীঘল প্ৰশ্নোত্তৰ কৰিব পাৰি। তলত কেইটামান প্ৰশ্ন দিয়া হ'ল— অভ্যাস কৰি চোৱাচোন।

◆ ঈদৰ নিচিনা অসমীয়া জাতিৰ আনন্দ-উৎসৱ এটাৰ বৰ্ণনা কৰা।

◆ ওপৰৰ গল্পটোৰ মূলভাব চমুকৈ লিখা।

◆ ব্যাখ্যা কৰা, 'ৰমজান মাহটোক কোনো কোনোৱে মুছলমান মগনীয়াৰ মাহ বুলিও কয়'।

◆ 'কেনে ধৰণৰ সমস্যা"— কথাষাৰ কোনে কাক কি প্ৰসংগত কৈছিল। আলোচনা কৰা।

◆ বিদেশী শব্দ সোমাই অসমীয়া সাহিত্যৰ ভঁৰালত কেনে ক্ৰিয়া কৰিছে আলোচনা কৰা।

◆ গল্পটিৰ কোনটো চৰিত্ৰই তোমাৰ অন্তৰ স্পৰ্শ কৰিছে আৰু কিয়?

◆ লিখকৰ সাহিত্যাকৃতিৰ চমু আভাস দাঙি ধৰা।

◆ লিখকৰ আন কিবা ৰচনা তুমি পঢ়িছানে? তোমাৰ ভাললগা তেখেতৰ লেখা এটাৰ বিষয়ে দুআষাৰ লিখা।

## 9.8 চমু প্ৰশ্নৰ উত্তৰ সংকেত

এতিয়া পাঠৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় ভাগত দিয়া চমু প্ৰশ্নসমূহৰ উত্তৰ সংকেত দিয়া হ'ল—

১। ৰমজান মাহত ইছলামধৰ্মীসকলে ত্ৰিছদিন উপবাসে থাকি এমাহৰ মূৰত কাঁচিজোন চাই উপবাস শেষ কৰি আনন্দ-উৎসৱ পাতে।

২। ৰমজান মাহটো ইছলাম সম্প্ৰদায়ৰ ধৰ্মীয় মাহ।

৩। ঈদ পালন কৰিবলৈ কাপোৰ-কানি, বয়-বস্তু আদিৰ আৱশ্যক হয়।

৪। ৰমজান মাহত ভিক্ষা খোজা মগনীয়াৰ ভিৰ হয় বাবে লেখকে এই মাহটোক মগনীয়াৰ মাহ বুলিছে।

৫। ঈদত ঘৰলৈ আলহী-দুলহী আহে বাবে তেওঁলোকৰ লগত কথা-বতৰা পাতি বেলেগ আনন্দ পোৱা যায়।

৬। লেখকে চাহ খাই উঠি, ভতিজাক জাফৰৰ লগত কথাপাতি আছিল।

৭। সাহায্য দিয়া চৰকাৰী অনুষ্ঠানটোৰ নাম হ'ল— সমাজ কল্যাণ বিভাগ।

৮। অভিযোগটো ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অনিয়মৰ বিৰুদ্ধে আছিল। বা মিছাকৈ সাহায্য গ্ৰহণ কৰা ধনী মহিলা গৰাকীৰ বিৰুদ্ধে আছিল।

৯। লেখকৰ পৰা কথাখিনি শুনি জাফৰ অবাক হৈ পৰিছিল।

১০। ধনী বিধবা গৰাকীয়ে সাহায্য পোৱা বাবে প্ৰধানকৈ দালাল জন দায়ী লগতে আওপকীয়াকৈ লেখকো জৰিত হৈ পৰিছে।

১১। কণমাই এজনী সহজ-সৰলমনা বিধৱা দুখীয়া মুছলমান তিৰোতা।

১২। ল'ৰাটোৱে চাকৰি কৰা বাবে তেওঁৰ মতে তেওঁ ঈদৰ দান ল'ব নাপায়।

১৩। কণমাইৰ ল'ৰাটোৱে চকীদাৰৰ চাকৰি পাইছিল।

১৪। কণমাইৰ টোপোলাটোত পিঠা কেইটামান আছিল।

১৫। কণমায়ে আনন্দমনে ঘৰলৈ খোজ দিছিল।

### 9.8.1 বৈয়াকৰণিক সংকেত :

◆ তাগাদা, দালাল, চালাম, চৰকাৰ, দৰ্খাস্ত

◆ খোজনীয়া-মগনীয়া, জনা-বুজা, ওজৰ-আপত্তি, কথা-বতৰা, আলহী-দুলহী, কিতাপ-পত্ৰ, কাপোৰ-কানি।

◆ মাহটোক -ক-, ২য়া বিভক্তি, কোনোৱে-এ- ১মা বিভক্তি, ৰিধৱাক-ক- ৬ষ্ঠী বিভক্তি, ঘৰলৈ -লৈ- ৪ৰ্থী বিভক্তি, মাজত -ত- ৭মী বিভক্তি।

◆ জাফৰে প্ৰশ্ন কৰিলে যে - আবেদনকাৰী এশ গৰাকীয়ে আছিলনে বেছি আছিল?

◆ লিখকে সুধিছিল যে সেইবাবে তাই ঈদলৈ আহিছিল নে নাই।

◆ কণমায়ে কৈছিল যে তাইৰ অহিবলৈ নহ'ল।

◆ তাই কৈছিল যে তাইৰ ল'ৰাটো কামত সোমাইছে।

◆ ছোৱালীজনীয়ে সুধিলে, 'এই টোপোলাটোত কি আনিছা'

◆ লিখকে ক'লে, 'কণমাই, তুমি যোৱা'।

২২ আৰু ২৩ এই দুটা মনোধৰ্মী,বৰ্ণনাত্মক প্ৰশ্ন। গতিকে উত্তৰ দিয়া হোৱা নাই। উত্তৰবোৰ নিজে লিখাৰ অভ্যাস কৰা।

## 9.9 অতিৰিক্ত পঠনৰ উপদেশ

চুটিগল্পৰ বিষয়ে ইতিমধ্যেই যথেষ্ট কথা জানিব পাৰিছা। গতিকে উক্ত লেখকৰ চমু পৰিচয়ত উল্লেখ কৰা গল্প বা উপন্যাস পচন্দ অনুযায়ী পঢ়িব পাৰা। তেতিয়া ৰচনাশৈলীৰ বিষয়ে কিছু জানিব পাৰিবা। অসমীয়া চুটিগল্পৰ বিষয়ে বেছিকৈ জানিবৰ কাৰণে তুমি প্ৰকাশন পৰিষদৰ 'আধুনিক অসমীয়া চুটিগল্প সংগ্ৰহ' খনো পঢ়ি চাব পাৰা।

## 9.10 ছাত্ৰ-ছাত্ৰীক সুধিবলৈ দিয়া সংকেত

তোমাৰ মনত নানা ধৰণৰ কৌতুহল উদ্দীপক প্ৰশ্ন জাগিব পাৰে। তুমি ভাবিব পাৰা, গল্পৰ আৰম্ভণিতে লিখকে কিয় ৰমজানৰ বিষয়ে উল্লেখ কৰিছে, গল্পটোত যথেষ্ট পৰিমাণে কথোপকথনৰ কিয় সমাবেশ কৰিছে, দুখীয়া তিৰোতাগৰাকীৰ নাম 'কণমাই' ৰাখি আৰু তেওঁৰ সাজ-পাৰৰ বৰ্ণনাৰ মাজেৰে লিখকে কিহৰ বতৰা দিছে ইত্যাদিৰ বিষয়ে তোমাৰ মনত কোনো ভাৱৰ বা প্ৰশ্নৰ উদয় হ'লে আমালৈ সুধি পঠিয়াই তোমাৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিবলৈ যত্ন কৰা।

গোট 10

# পৰিবেশ প্ৰদূষণ আৰু প্ৰতিক্ৰিয়া

ৰচনা ঃ ৰাণী দেৱান বৰুৱা

## 10.1 পাতনি আৰু উদ্দেশ্যাৱলী

পিতা পৰমেশ্বৰৰ এক অভূতপূৰ্ব দান আমাৰ এই সুন্দৰ পৃথিৱীখনি। পৃথিৱীখনত মাটি,পানী, বায়ু - এই তিনিওবিধ বস্তু থকা কাৰণে জীৱৰ বাসোপযোগী হৈ পৰিছে। এই জীৱজগতৰ সু-স্বাস্থ্যৰ কাৰণে বা সুখ-সমৃদ্ধিৰ নিমিত্তে আমাৰ এই পৃথিৱীখনিক কোনো ক্ষয়-ক্ষতি নোহোৱাকৈ ৰাখিব লাগে। এই পৃথিৱীৰে আন নাম প্ৰকৃতি। মানুহৰ অমনোযোগিতাৰ বাবেই প্ৰকৃতি আজি বিপদাপন্ন। এই পাঠটিত মানুহে কেনেদৰে জানি বা নাজানি প্ৰকৃতিৰ অৰ্থাৎ আমাৰ চৌদিশৰ পৰিবেশৰ ক্ষতিসাধন কৰিবলৈ লৈছে তাক আলোচনা কৰা হৈছে; পৰিবেশ নষ্ট কৰাৰ ফলত মানুহৰ ওপৰত তাৰ কি কু-প্ৰভাৱ পৰিছে সেই কথাও আলোচনা কৰা হৈছে। জীৱ, প্ৰকৃতিৰ অংশ হোৱা বাবেই এটা কথা নিশ্চিয়কৈ ক'ব পাৰি যে য'ত প্ৰকৃতিৰে বিনাশ ত'তে জীৱ আনকি মানৱৰো বিনাশ। গতিকে এই পাঠৰ জ্ঞানোপলব্ধি কৰিলে তুমি সুন্দৰ ভৱিষ্যত গঢ়াৰ কাৰণে প্ৰস্তুত হ'ব পাৰিবা।

এই পাঠটি পঢ়াৰ উদ্দেশ্য হ'ল—

- পৰিবেশ সম্পৰ্কীয় জ্ঞান আহৰণ
- আধুনিক জীৱন-যাত্ৰা সম্পৰ্কে উচিত জ্ঞান আহৰণ
- প্ৰকৃতিৰ উপাদান হিচাপে মাটি, পানী, বায়ুৰ মূল্য উপলব্ধি,
- মানৱজাতিৰ নিজৰ ভৱিষ্যত সম্পৰ্কে সজাগতা
- পৰিবেশ সংক্ৰান্ত পাঠত কেনে ধৰণৰ শব্দাৱলীৰ প্ৰয়োজন হয় সেই বিষয়ে জনা।

পাঠটি পঠনৰ সুবিধাৰ বাবে তিনিটা ভাগত ভাগ কৰা হৈছে। এতিয়া ইয়াৰে প্ৰথম ভাগটিৰ মুদ্ৰিত প্ৰতিলিপি পঢ়ি চোৱা —

## 10.2 মূল পাঠ

### 10.2.1 মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথম ভাগ

## পৰিবেশ মানে কি ?

**শব্দাৰ্থ**

**প্ৰদূষণ (বি) ঃ দূষিত হোৱা কাৰ্য্য**

**বিনষ্ট (বিণ) ঃ বেয়া বা ধ্বংস হোৱা**

আমাৰ বাসভূমিৰ চাৰিওফালৰ অৱস্থাকেই পৰিবেশ বুলিব পাৰি। আমাৰ এই পৰিবেশ বিভিন্ন উপাদানেৰে গঠিত। সেই উপাদানসমূহক দুটা ভাগত ভগাব পাৰি। কিছুমান অকৃত্ৰিম প্ৰাকৃতিক উপাদান আন কিছুমান সেই অকৃত্ৰিম প্ৰাকৃতিক উপাদানৰ বুকুতে উদ্ভূত হোৱা। এই অকৃত্ৰিম প্ৰাকৃতিক উপাদানসমূহ হ'ল— মাটি, পানী, বায়ু আৰু এইবোৰৰ পৰা উৎপন্ন হোৱা বা উদ্ভুত গৌণ উপাদানসমূহ হ'ল- গছ্-লতা, চৰাই-চিৰিকতি আদি। এই সকলোবোৰকে সহজ অৰ্থত পৰিবেশ বোলা হয়। মানৱজাতি সুস্থ জীৱন বিকাশৰ বাবে পৰিবেশৰ ওপৰতে সম্পূৰ্ণ নিৰ্ভৰশীল। প্ৰকৃতিৰ এই তিনিটা অতি প্ৰয়োজনীয় উপাদান আৰু তাৰ ওপৰতো বৰ্তি থকা জীৱ-জগতো প্ৰকৃতিৰে এক অবিচ্ছেদ্য অংশ। বৰ্তমান বৈজ্ঞানিক দৃষ্টিকোণৰ পৰা পৰিবেশ সম্পৰ্কীয় বিভিন্ন আলোচনা হৈছে, প্ৰাকৃতিক পৰিবেশক সুস্থ কৰি ৰখাত চৰকাৰে যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। অকণমান গভীৰভাৱে ভাবি চালে দেখা যায় যে প্ৰাচীন কালৰে পৰা মানৱ জাতিয়ে পৰিবেশক গভীৰ শ্ৰদ্ধা কৰি তথা গুৰুত্ব দি আহিছে। গছ পূজা, অগ্নি পূজা, জল দেৱতা পূজা, ধৰিত্ৰী পূজা আৰু বিভিন্ন জীৱ-জন্তু পূজা আদি তেওঁলোকৰ দৈনন্দিন জীৱনৰ অপৰিহাৰ্য্য অংগ স্বৰূপ আছিল। মানৱ সমাজে জীৱন নিৰ্বাহৰ বাবে প্ৰকৃতিৰ পৰাই প্ৰয়োজনীয় সা-সুবিধাবোৰ গ্ৰহণ কৰে। গতিকে এনে উপকাৰী সুহৃদৰ প্ৰতি মানৱসমাজৰ ভালেখিনি কৰিবলগীয়া আছে।

### প্ৰদূষণৰ আৰম্ভণি

### বায়ু প্ৰদূষণ

এসময়ত বায়ুমণ্ডলৰ প্ৰাণদায়িনী অক্সিজেন, জীৱনীশক্তি স্বৰূপা পানী আৰু শক্তি বৃদ্ধি কাৰক খাদ্য আছিল বিশুদ্ধ আৰু সতেজ। তেতিয়া মানুহে সম্পূৰ্ণৰূপে প্ৰকৃতিৰ ওপৰতেই নিৰ্ভৰ কৰি চলিছিল। কিন্তু মানুহে নিজৰ সুবিধাৰ বাবে মাতৃ স্বৰূপিনী প্ৰাকৃতিক পৰিবেশক বিনষ্ট কৰিবলৈ কুণ্ঠিত হোৱা নাই। সঁচা কথা ক'বলৈ

হ'লে মানৱ সভ্যতাৰ ইতিহাসেই হ'ল পৰিবেশ প্ৰদূষণৰ ইতিহাস। বিজ্ঞানৰ জয় যাত্ৰাৰ ফলশ্ৰুতিত পৃথিৱীৰ বুকুত ৰচিত হ'ল যান্ত্ৰিকতা। দৰাচলতে আদিম কালত জুইৰ আবিষ্কাৰৰ সময়ৰ পৰাই প্ৰাণ-দায়িনী অক্সিজেন তথা বায়ুমণ্ডলৰ ক্ষয়ৰ আৰম্ভণি হয়। উদ্ভিদ জগতৰ সৈতে প্ৰাণীজগতৰ এক গভীৰ সম্পৰ্ক আছে। এটাই আনটোৰ পৰিপূৰক। প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষাৰ বাবে প্ৰাণীজগত এটা আনটোৰ ওপৰত নিৰ্ভৰশীল। গছ-গছনিয়ে নিজৰ কাৰণে জীৱৰ ক্ষতিকাৰক কাৰ্বন-ডাই-অক্সাইড বায়ুমণ্ডলৰ পৰা শুহি লয় আৰু নিজক নলগা অক্সিজেন এৰি দিয়ে জীৱৰ হিতৰ কাৰণে। কিন্তু মানৱজাতিয়ে নিজৰ স্বাৰ্থৰ কাৰণে এই গছ-গছনি কাটি, ধ্বংস কৰি আওপকীয়াকৈ নিজেই হাতৰ কুঠাৰ ভৰিত মাৰিছে। সেয়েহে কোৱা হয়,'গছ থাকিলেহে মানুহ থাকিব'; আমাৰ পুৰাণ পুথিতো আছে, 'এক বৃক্ষ শত পুত্ৰ সম'। বোধকৰো এনে ধৰণৰ কাৰণতেই ডাকৰ বচনত কোৱা হৈছে, 'বৃক্ষ ৰোপণত অধিক ধৰ্ম'।

কুণ্ঠিত (বি) : দ্বিধাবোধ নকৰা,

বৰ্তমান যুগক পাৰমানৱিক যুগ হিচাপে ঠাৱৰ কৰিব পাৰি। আচলতে দ্বিতীয় মহাসমৰৰ পাছৰ পৰাই পাৰমানৱিক যুগৰ সূত্ৰপাত। আমি জানো যে সভ্যতাৰ লগত কাঠ-কয়লা, তেল-গেছ আদি দহনৰ সম্বন্ধ ওতঃপ্ৰোত। এই দহনৰ ফলত বায়ুমণ্ডল দূষিত হয়। কিন্তু ইয়াতকৈ বহুগুনে দূষিত হয় পাৰমানৱিক ক্ৰিয়া-কলাপত। পাৰমানৱিক বোমা বৰ্ষণৰ ফলত জাপানৰ হিৰোচিমা, আৰু নাগাচাকি নগৰ দুখন ধ্বংসস্তুপত পৰিণত হৈছিল। কিন্তু ইয়াৰ প্ৰতিক্ৰিয়া কেৱল তাতেই সীমাবদ্ধ নাথাকি সমস্ত ভূ মণ্ডললৈ বিয়পি পৰিছে। তাৰ উপৰি বোমা বৰ্ষণৰ বহু বছৰ পিছলৈকে আনকি বৰ্তমানলৈ ভূমণ্ডলৰ বায়ুত তাৰ তেজস্ক্ৰিয় বিকিৰণ হৈ আছে। সেয়ে জীৱ-জগতৰ প্ৰভূত ক্ষতিসাধন কৰিছে। ইয়াৰ উপৰিও পৰীক্ষামূলক ভাৱে কৰা পাৰমানৱিক বোমা বিস্ফোৰণৰ জৰিয়তেই বায়ুমণ্ডল দূষিত হৈছে। ঠিক সেইদৰে ভূপালৰ ৰাসায়নিক গেছ দুৰ্ঘটনাত বহুতো মানুহ আৰু জীৱ-জন্তুৰ অকালতে মৃত্যু হৈছিল আৰু বহুতে বৰ্তমানলৈকে তাৰ নানা প্ৰতিক্ৰিয়াজনিত ৰোগত ভুগিয়েই আছে। বিশ্ববিখ্যাত তাজমহলো আজি প্ৰদূষণৰ গৰাহত পৰি ধ্বংস হোৱাৰ পথত।

ইতিহাস (বি) : অতীতৰ ঘটনাৰাজি

তেজস্ক্ৰিয় (বিণ) : উজ্জ্বল পোহৰে বিকিৰণ ঘটাব পৰা

দ্ৰুতগতিত হোৱা জন-বিস্ফোৰণৰ ফলস্বৰূপে গাওঁ-নগৰ স্থাপনৰ নামত মানুহে প্ৰকৃতিৰ বুকুত ধ্বংসলীলা অব্যাহত ৰাখিছে। এহাতে বিজ্ঞানৰ আশীৰ্বাদত আৰু আনহাতে নাগৰিক সভ্যতাৰ সম্প্ৰসাৰণৰ ফলত অৰণ্যভূমি ধ্বংস হৈ আহিছে, আৰু তাৰ বাবে পৰিবেশ প্ৰদূষিত হৈছে। কল-কাৰখানা, ৰেল-মটৰ, জাহাজ আদিৰ বিষাক্ত ধোঁৱা, জুই-ছাঁই আদিৰ বাবেও পৰিবেশ দূষিত হৈছে। মানৱৰ স্বাৰ্থপৰতা, অজ্ঞতা, আৰু অদূৰদৰ্শিতাৰ বাবেও নানান জীৱ-জন্তু আৰু বনাঞ্চল ধ্বংস হৈ আছে।

বায়ুমণ্ডলৰ উৰ্দ্ধভাগত ক্ৰমাগত ভাৱে ৰকেট নিক্ষেপন, মহাকাশ অভিযান, উপগ্ৰহ নিক্ষেপন, বিমান চলাচল আদিৰ ফলত মহামূল্যবান 'অজোন গেছ'ৰ সমতা নাইকীয়া হৈছে। তদুপৰি ৰিফ্ৰিজাৰেটৰ ঘৰে ঘৰে হৈ পৰাৰ ফলতো ইয়াৰ দ্ৰুত অৱক্ষয় হৈছে। যাৰ ফলত সূৰ্য্যৰ অপকাৰী তীক্ষ্ণ 'আলট্ৰা ভায়োলেট' ৰশ্মি অবাধে ভূ-পৃষ্ঠলৈ বিকিৰণ হৈ উদ্ভিদ আৰু প্ৰাণীজগত উভয়ৰ বাবে সংকট সৃষ্টি কৰিছে। পৰিবেশ সম্পৰ্কত সকলোতকৈ চিন্তনীয় বিষয় হৈছে ক্ৰমান্বয়ে বাঢ়ি অহা পৃথিৱীৰ উত্তাপ। এই বাঢ়ি অহা উত্তাপ হয়তো এদিন পৃথিৱী ধ্বংসৰ অন্যতম কাৰণ হিচাপে পৰিগণিত হ'ব।

## 10.2.2 আলোচনা

পৃথিৱীৰ অন্যান্য অংশসমূহৰ দৰে মানৱ জাতিও প্ৰকৃতিৰে অংশ স্বৰূপ। প্ৰকৃতিৰে সন্তান হোৱা বাবে মানুহ প্ৰকৃতিৰ ওপৰতেই সম্পূৰ্ণৰূপে নিৰ্ভৰশীল। সৌৰ তাপ, বায়ু,পানী, মাটি, গছ-গছনি, আদি নোহোৱাকৈ মানুহ কোনোপধ্যে জীয়াই থাকিব নোৱাৰে; অথচ ইমান অপৰিহাৰ্য্য অংগস্বৰূপ এই সম্পদসমূহ মানুহৰ হাততেই অতি ব্যাপকভাৱে নাশ অথবা প্ৰদূষিত হৈছে। মানুহৰ দ্বাৰাই আবিষ্কৃত বিজ্ঞানৰ জয়যাত্ৰাই মানুহৰ প্ৰতিয়েই প্ৰত্যাহ্বান হৈ পৰিছে। দ্ৰুতগতিত বৃদ্ধি পোৱা জনসংখ্যাই প্ৰকৃতিৰ ওপৰত প্ৰবল হেচা দিছে। দূষিত পদাৰ্থই প্ৰকৃতিৰ ওপৰত নিৰ্মম আঘাত হানিছে। প্ৰকৃতিৰে অন্য এক অংগ বনৰীয়া জীৱ-জন্তু আজি সন্ত্ৰাসিত। সভ্যতাৰ অগ্ৰগতিয়ে প্ৰদূষণ তৰান্বিত কৰিছে। সেইবুলি আধুনিক সভ্যতা ৰৈ থাকিব নোৱাৰে। গতিকে প্ৰদূষণৰ বাবে মানুহে নিজেই কিছু ব্যৱস্থা হাতত লোৱা যুগুত।

## 10.2.3 প্ৰথম পাঠভাগৰ প্ৰশ্নাৱলী

ওপৰৰ পাঠাংশৰ কিছু চমু প্ৰশ্ন আলোচনা কৰি নিজৰ প্ৰগতি পৰীক্ষা কৰি চোৱা

১। প্ৰকৃতিৰ প্ৰধান উপাদান কি?

২। মানৱ জাতিৰ প্ৰকৃতিৰ লগত কেনে সম্পৰ্ক?

৩। প্ৰাচীন কালত পৰিবেশৰ প্ৰতি কেনে মনোভাৱ আছিল?

৪। পৰিবেশ সম্পৰ্কত সকলোতকৈ চিন্তনীয় বিষয় কি বুলি অভিহিত হৈছে?

৫। বৰ্তমান যুগটো কি যুগ বুলি ঠাৱৰ কৰিব পাৰি?

৬। জাপানৰ ধ্বংস হোৱা ঠাই দুখনৰ নাম কি?

৭। সূৰ্য্যৰ অপকাৰী তীক্ষ্ণ ৰশ্মি বিধৰ নাম কি?

## 10.2.4 মূল পাঠ

### মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ

এতিয়া আহা পাঠৰ দ্বিতীয় ভাগ অধ্যয়ন কৰি চাওঁহক।

**জল প্ৰদূষণ ঃ** মনকৰিবলগীয়া কথা, বায়ুমণ্ডলেইযে মানৱজাতিৰ অত্যাচাৰৰ বলি হৈছে তেনে নহয়। জল বা পানী প্ৰদূষণো আন এক সমস্যা ৰূপে থিয় দিছে। পানীৰ প্ৰধান উৎস নৈ. বিল, পুখুৰী তথা সাগৰো প্ৰদূষণৰ পৰা হাত সাৰি থাকিব পৰা নাই। নৈ-বিল আদিক মানুহে আবৰ্জনা পেলোৱা আহিলা ৰূপে ব্যৱহাৰ কৰিছে। জাবৰ-জোঁথৰ, শৌচ-প্ৰস্ৰাৱ, মানুহ আৰু জীৱ-জন্তুৰ মৰা শ, বৃহৎ কাৰখানাৰ পৰা নিৰ্গত হোৱা শিল্পজাত, পেলনীয়া সামগ্ৰী আৰু বিভিন্ন অলাগতিয়াল ঘিণ লগা বীজানুবাহক দ্ৰব্যাদি জলধাৰাত পেলাই পানী দূষিত কৰিছে। ইয়াৰ উপৰি কীট নাশক ঔষধ, ৰাসায়নিক সাৰ আদিয়েও পানী দূষিত কৰে। এইদৰে দূষিত হোৱা পানীয়ে মানুহৰ স্বাস্থ্যৰ ওপৰত কেনে প্ৰভাৱ পেলাব পাৰে তাক ক্ষন্তেক চিন্তা কৰিলেই বোধগম্য হ'ব। ইয়াৰ লগতে জলজ সম্পদ স্বৰূপ মাছ-শিহু ঘৰিয়াল আদিৰ লুপ্তপ্ৰায় অৱস্থা হৈছে।

**মাটি প্ৰদূষণ ঃ** প্ৰকৃতিৰ অন্যতম অৱদান মাটিও মানৱ সমাজৰ দ্বাৰা প্ৰদূষিত হৈছে। মাটিও এক জীৱন্ত সম্পদ। মাটিৰ উৰ্বৰা শক্তিৰ ওপৰত ভিত্তি কৰি উদ্ভিদ বৰ্তি থাকে। এই উদ্ভিদেই আমাৰ ধৰণীখন ধুনীয়া তথা সেউজীয়া কৰি ৰাখিছে। মাটিত অসংখ্য অনুজীৱে বাস কৰে আৰু এইবোৰে মাটিক জীৱন্ত কৰি ৰাখে। যদি মাটি প্ৰদষিত হয়, তেনেহ'লে মাটিত থকা অনুজীৱৰ মৃত্যু ঘটি মাটিৰ উৰ্বৰা শক্তিৰ বিলোপ ঘটায়।

**স্থল-প্ৰদূষণ ঃ** পৰিবেশ ধ্বংস হোৱাৰ অন্যতম প্ৰধান কাৰণ। স্থলজীৱী প্ৰাণীসমূহ প্ৰত্যক্ষ ভাৱে স্থলপ্ৰদূষণৰ দ্বাৰা আক্ৰান্ত হয়। প্ৰদূষিত মাটি কৃষিৰ বাবেও অনুপযোগী হৈ পৰে। ইয়াৰ উপৰিও এনে প্ৰদুষিত স্থলভাগৰ ওচৰ-পাঁজৰত থকা জলাশয় সমূহো প্ৰদূষণৰ বলি হয়। স্থল প্ৰদূষণৰ মূল কাৰকসমূহৰ ভিতৰত জধে-মধে গছ-গছনি

**শব্দাৰ্থ**

অজোন (বি) ঃ তিনিটা অক্সিজেনৰ স্তৰ

বিলোপ (বি)ঃ লুপ্ত হৈ যোৱা

উৰ্বৰা (বি) ঃ সাৰুৱা

আওকণীয়া (বি) ঃ মন নকৰা, মনোযোগ নিদিয়া

কোলাহল (বি) ঃ গণ্ডগোল

জধে-মধে (ক্ৰি বিণ) ঃ যেনিতেনি

স্নায়বিক (বিণ) ঃ স্নায়ু সংক্ৰান্তিয়

ওতঃ প্ৰোত (বিণ) ঃ নিবিড় ভাৱে জৰিত

কাটি বননি হ্ৰাস কৰা, সভ্যতাৰ চাহিদা পূৰাবৰ কাৰণে হকে-বিহকে ভূমিখনন অথবা বান্ধ বা মথাউৰি নিৰ্মাণ, কৃত্ৰিম উপায়ে বিনা বিচাৰে মাটি-বালি আদি স্থানান্তৰ কৰা। ইটা,মাটিৰ বাচন-বৰ্তন আদিৰ নিৰ্মাণ বা টেৰা-কোটাৰ কাৰণে মাটি পোৰা, ক্ষণস্থায়ী লাভৰ কাৰণে মাটিত নানা ধৰণৰ ৰাসায়নিক সাৰ প্ৰয়োগ, কেতিয়াবা নৈসৰ্গিত কাৰণতো যেনে -আগ্নেয়গিৰি, ভূমিকম্প, খহনীয়া, বানপানী আৰু বতৰৰ পৰিবৰ্তনেও মাটিৰ স্বাভাৱিক অৱস্থা সলনি কৰি ভূমি-প্ৰদূষণ ঘটায়।

হাতৰ কুঠাৰ ভৰিত মৰা (খণ্ডবাক্য) ঃ নিজৰ বিপদ নিজে মাতি অনা

শিল্প উদ্যোগ, কল-কাৰখানা, আদিৰ সংখ্যা বৃদ্ধি, অধিক কৃষি উৎপাদনৰ বাবে ব্যৱহৃত হোৱা ৰাসায়নিক সাৰ, ঔষধ আদিৰ প্ৰয়োগে স্থল-প্ৰদূষণ দ্ৰুততৰ হোৱাত সহায় কৰিছে। আও কণীয়া মানৱ সমাজে য'তে-ত'তে আৱৰ্জনা, লো আৰু টিনৰ টুকুৰা, প্লাষ্টিকজাত সামগ্ৰী পেলাই স্থলভাগৰ স্থল-প্ৰদূষণ ব্যাপক কৰি তুলিছে।

প্ৰজন্ম (বি) ঃ নতুন জন্ম

**শব্দ প্ৰদূষণ ঃ** শব্দ প্ৰদূষণো এক প্ৰকাৰ পৰিবেশ প্ৰদূষণতা। বিজ্ঞানৰ আশীৰ্বাদত চহৰ-নগৰসমূহ কোলাহলৰ এক অখণ্ড ভাণ্ডাৰ হৈ পৰিছে। যান-বাহন, কল-কাৰখানা আদিৰ শব্দই পৰিবেশ প্ৰদূষিত কৰে। আমাৰ দেশত সচেতন নাগৰিকৰ সংখ্যা তেনেই তাকৰ। অশিক্ষিত,বৈজ্ঞানিক দৃষ্টিভংগীহীনলোকৰ সংখ্যাই সৰহ। এনেধৰণৰ লোকে প্ৰয়োজনে-অপ্ৰয়োজনে কোলাহল সৃষ্টি কৰে। বিভিন্ন আনন্দ-উপভোগৰ বাবে চিঞৰ-বাখৰ, সশব্দে ৰেডি'অ, টেপ-মাইক আদি বজোৱা কাৰ্যই পৰিবেশ প্ৰদূষিত কৰে। বিজ্ঞানীসকলে পৰীক্ষা কৰি প্ৰমাণ পাইছে যে শব্দ প্ৰদূষণৰ পৰা মানুহৰ মনোযোগৰ ব্যাঘাত, স্নায়বিক দুৰ্বলতা, মূৰৰ বিষ, পেটৰ অসুখ ইত্যাদি বিভিন্ন বেমাৰ, স্মৃতি বিভ্ৰম, অনিদ্ৰা, অস্থিৰতা, ৰক্তচাপ আদিয়ে দেখা দিব পাৰে। শব্দ প্ৰদূষণৰ পৰা জীৱ-জগতৰ বিভিন্ন প্ৰাণী, চৰাই-চিৰিকটিৰ যথেষ্ট ক্ষতি সাধন হয়। কোলাহলপূৰ্ণ ঠাইত জীৱ-জন্তু ,পক্ষী আদি নিৰীহ প্ৰাণী কোনো নাথাকে। ফলত প্ৰকৃতিৰ ভাৰসাম্য নষ্ট হয়। সেয়ে কোলাহল মানৱ জীৱনৰ বাবে হলাহল স্বৰূপ।

হলাহল (বি) ঃ বিহ

## 10.2.5 আলোচনা

স্মৃতিবিভ্ৰম (বিণ) ঃ কথামনত নথকা

মানুহৰ অজ্ঞতাৰ বাবেই হওঁক বা স্বাৰ্থপূৰণৰ বাবেই হওঁক বায়ু প্ৰদূষণেই নহয়- পানী,মাটি আৰু শব্দও প্ৰদূষণৰ গৰাহত পৰিছে। এই সকলোবোৰ লগ লাগি মানৱ জীৱনলৈ প্ৰচণ্ড ভয়াবহতা কঢ়িয়াই আনিছে। বিভিন্ন বেমাৰ-আজাৰে মানুহৰ জীৱন অসহনীয় কৰি তুলিছে। মনৰ শান্তি নোহোৱা হৈছে ,অলসতা, হতাশা লগতে অন্যান্য জীৱ-জন্তুকো অস্থিৰ কৰি তুলিছে। ফলত প্ৰকৃতিৰ ভাৰসাম্য হেৰাই গৈছে। মানুহে এনে কিছুমান প্ৰাকৃতিক প্ৰদূষিত কাম কৰিছে, যিবোৰ তেওঁৰ বাবেই

ভাবুকিস্বৰূপ হৈ পৰিছে। প্ৰাকৃতিক ভাৰসাম্যৰ বাবেহে জীৱ জীয়াই থকা সম্ভৱ। কিন্তু মানুহৰ অজ্ঞতাৰ বাবে এই ভাৰসাম্যৰ অস্থিৰ অৱস্থা হৈ ভয়ানক ভৱিষ্যতৰ বাবে মানৱজাতি সাজু থাকিব লাগিব।

## 10.2.6 দ্বিতীয় ভাগ পাঠৰ প্ৰশ্নাৱলী

দ্বিতীয় ভাগ পাঠৰ কিছু চমু প্ৰশ্ন আলোচনা কৰি নিজৰ প্ৰগতি পৰীক্ষা কৰি চোৱা—

৮। প্ৰদূষণ কেইবিধ আৰু কি কি?

৯। জল প্ৰদূষণৰ উপাদানসমূহ কি কি?

১০। প্ৰকৃতিৰ ভাৰসাম্য কেনেদৰে ৰক্ষা পৰে?

১১। মাটিক কিহে জীৱন্ত কৰি ৰাখিছে?

১২। ভূমি প্ৰদূষণ কিদৰে সাধিত হয়?

১৩। কোলাহলৰ অখণ্ড ভাণ্ডাৰ ক'ত?

১৪। শব্দ প্ৰদূষণৰ কুফল কি কি?

## 10.2.7 মূল পাঠ

## মুদ্ৰিত প্ৰতিলিপিৰ তৃতীয় ভাগ

**প্ৰতিক্ৰিয়া ঃ-** পৰিবেশ প্ৰদূষণৰ প্ৰতিক্ৰিয়া সুদূৰ প্ৰসাৰী। ইয়াৰ পৰিণতিত মৃত্যু ক্ষয় আৰু ৰিক্ততাৰ প্ৰকোপ পৃথিৱীৰ সকলো ঠাইতে বাঢ়ি আহিছে। বায়ুমণ্ডলৰ ভাৰসাম্য নষ্ট হোৱা বাবে বৰষুণৰ পৰিমানবো তাৰতম্য ঘটিছে। কোনো ঠাইত খৰাং বতৰৰ বাবে জীৱ-জগতে খোৱা পানী টুপিৰ বাবে হাহাঁকাৰ কৰি মৃত্যু মুখত পৰিবলগীয়া হৈছে। আকৌ কোনো কোনো ফালে সাধাৰণ বানপানী তথা কৃত্ৰিম বানপানীয়ে জীৱ-জগতত অতি দুৰ্ভোগ ভোগাবলৈ লৈছে। প্ৰদূষণৰ বাবেই বায়ুমণ্ডল দূষিত হোৱাৰ ফলত আজি সকলো ক্ষেত্ৰতে বেমাৰৰ প্ৰকোপ, বিকলাংগ সন্তানৰ জন্ম, গছ-গছনি, পশু-পক্ষীৰ বিলুপ্তি আদি এশ এবুৰি সমস্যাই দেখা দিছে।

প্ৰতিক্ৰিয়া (বি) ঃ কোনো কাৰ্য্যৰ প্ৰত্যুত্তৰ হিচাপে কৰা কাৰ্য্য,

ৰিক্ততা (বিণ) ঃ হতাশা,

**জন সচেতনা ঃ-** পৃথিৱীক ৰক্ষা কৰিবলৈ হ'লে পাৰমানৱিক পৰীক্ষা নিৰীক্ষা ৰকেট নিক্ষেপন, বন- অৰণ্যৰ অবাধ ধ্বংসলীলা, নদ-নদীৰ পানী দূষিত কৰা, মাটি নষ্ট কৰা আদিৰ ক্ষেত্ৰত সমগ্ৰ বিশ্ববাসীয়ে জাগ্ৰত হৈ বিহিত ব্যৱস্থা ল'ব লাগিব। আন্তৰ্জাতিকভাৱে কঠোৰ আইন প্ৰণয়ন কৰি বিধি ব্যৱস্থা গ্ৰহণ কৰাটো অনুচিত নহ'ব। ইয়াৰ উপৰিও সামাজিক বনানিকৰণ, পাহাৰৰ মাটি কটাৰোধ, সকলো জীৱ-জন্তু, চৰাই-চিৰিকটিৰ ৰক্ষণাবেক্ষণ ইত্যাদি ক্ষেত্ৰতো পদক্ষেপ ল'ব লাগিব। পঢ়াশলীয়া পাঠ্যক্ৰমত পৰিবেশ সংৰক্ষণৰ জ্ঞান এটা গুৰুত্বপূৰ্ণ বিষয় হিচাপে অন্তৰ্ভুক্ত কৰিব লাগে। তদুপৰি বিদ্যালয়ত বৃক্ষৰোপন আঁচনি, সময়ে সময়ে 'কৰ্ম-অভিজ্ঞতা' হিচাপে দিব লাগে। কোনো ঠাইত যদি এজোপা গছ কাটিবলগীয়া হয় তেতিয়া হ'লে গছ কটাৰ আগতে আন এজোপা গছ ৰোপন কৰাটো আইনগতভাৱে বাধ্যতামুলক কৰিব লাগে। এটা কথা ঠিক যে ওপৰৰ পৰা হেঁচা প্ৰয়োগ কৰি কোনো মানুহক আধুনিক মনৰ অধিকাৰী বা পৰিবেশ সচেতন কৰিব নোৱাৰি। ই নিজে নিজে অনুভৱ কৰা মানসিক অৱস্থাহে মাথোন। উত্তৰাধিকাৰী সূত্ৰে পোৱা এই বিনন্দীয়া পৃথিৱীখন আমাৰ ভৱিষ্যত উত্তৰাধিকাৰীসকলৰ বাবে সুন্দৰভাৱে এৰি যোৱাটো আমাৰ সকলোৰে অন্যতম প্ৰধান কৰ্তব্য।

বৰ্তমান বিশ্বত মানৱ জাতিৰ বিভিন্ন সমস্যাৰ মাজত পৰিবেশ প্ৰদূষণ জ্বলন্ত আৰু ভয়ংকৰ সমস্যা হিচাপে উপলব্ধি হোৱাত ৰাষ্ট্ৰসংঘৰ তত্বাৱধানত ৫ জুনত সমগ্ৰ বিশ্বত 'বিশ্বপাৰিপাৰ্শ্বিকতা' দিৱস পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই দিৱসৰ উদ্দেশ্য হ'ল — পৰিবেশ প্ৰদূষণৰ বিৰুদ্ধে জনসাধাৰণক সজাগ আৰু সচেতন কৰি তোলা।

### 10.2.8 আলোচনা

প্ৰদূষণৰ প্ৰতিক্ৰিয়াৰ কথা ভাবিলে প্ৰত্যেক সচেতন নাগৰিক সন্ত্ৰাসিত হৈ উঠাটো স্বাভাৱিক। ধীৰ গতিত আহিব ধৰা প্ৰদূষণৰ বিষময় পৰিণতিত আমাৰ ভৱিষ্যত বংশধৰসকলৰ কি অৱস্থা হ'ব তাক ভাবিলে মন শিহঁৰি উঠে। দ্ৰুত গতিত হোৱা মানৱ প্ৰগতিয়ে ইয়াৰ প্ৰতিকাৰৰ উপযুক্ত ব্যৱস্থা শীঘ্ৰে উদ্ভাৱন কৰিব লাগিব। প্ৰকৃতিয়ে উদাৰহস্তে দান কৰা সম্পদৰাজি ক্ষতিসাধন হ'বলৈ নিদি আলফুলে সংৰক্ষণ কৰি এই ধুনীয়া ধৰণীখনক আৰু বেছি ধুনীয়া কৰি তোলাটো সকলো সচেতন নাগৰিকৰ কৰ্তব্য।

## 10.2.9 তৃতীয় ভাগ পাঠৰ চমু প্ৰশ্নাৱলী

তলত কিছু প্ৰশ্ন আলোচনা কৰি নিজৰ প্ৰগতি পৰীক্ষা কৰি চোৱা—

১৫। বিশ্ব পাৰিপাৰ্শ্বিকতা দিৱস কোন দিনা ?

১৬। পৰিবেশ শিক্ষা বিদ্যালয়ত প্ৰয়োজন নে?

১৭। গছ কাটিলে কি অৱস্থা হ'ব?

১৮। কৃত্ৰিম বানপানীৰ পৰিণতি কেনে?

১৯। সচেতন নাগৰিকৰ প্ৰধান কৰ্তব্য কি?

## 10.3 মূলপাঠৰ সাৰাংশ

বৰ্তমান আধুনিক জীৱন-যাত্ৰাত পৰিবেশ সম্পৰ্কীয় আলোচনা এক অতি উচ্চ তথা গুৰুত্বপূৰ্ণ বিষয় হিচাপে বিবেচিত হৈছে। সভ্যতাৰ বিকাশক কোনেও বাধা দিব নোৱাৰে। কিন্তু এই সভ্যতাৰ বিকাশেই কোনো ক্ষেত্ৰত মানৱজীৱনৰ বাবেও ভাবুকি স্বৰূপ হৈ পৰাত বিষয়টি চিন্তনীয় হৈ পৰিছে। মানুহে নিজৰ প্ৰয়োজনৰ খাতিৰতেই প্ৰকৃতিৰ মহামূল্যবান সম্পদৰাজি ব্যৱহাৰ কৰি আওপকীয়াকৈ প্ৰকৃতিৰ ক্ষতি সাধন কৰাৰ লগতে নিজৰো জীৱনক নিৰাপত্তাহীন কৰি তুলিছে। বায়ু, মাটি, পানী তথা শব্দ প্ৰদূষণে মানুহক এনেদৰে জুৰুলা কৰিছে যে ইয়াৰ পৰা পৰিত্ৰাণ বিচাৰি মানুহ আজি ব্যাকুল। প্ৰকৃতিৰ নিবিড় সান্নিধ্য পাবলৈ মানুহ প্ৰকৃতিৰ কোলালৈ ঢাপলি মেলিছে। প্ৰাচীন কালৰে পৰা প্ৰকৃতিৰ বিভিন্ন দিশত পূজা-পাতাল কৰি প্ৰকৃতিৰ প্ৰতি কৃতজ্ঞ হৈ শ্ৰদ্ধাঞ্জলি যাচিছিল। মানুহৰ অত্যাচাৰত অতীষ্ঠ হৈ মানৱক সূৰ্য্যৰ ক্ষতিকাৰক ৰশ্মিৰ পৰা ৰক্ষা কৰা 'অ'জোন' গেছত ফুটা হৈছে। ইয়াৰ দ্বাৰা মানৱজাতিৰ ভীষণ ক্ষতি হ'ব। গতিকে সময় থাকোতেই মানৱজাতি সচেতন হৈ ক্ষতিৰ বিৰুদ্ধে প্ৰতিকাৰৰ বিধি ব্যৱস্থা গ্ৰহণ কৰি ভৱিষ্যতৰ প্ৰজন্মক ৰক্ষা কৰাটো উচিত।

## 10.4 সাধাৰণ অনুশীলনী

**10.4.1 তলত পাঠভিত্তিক কিছু প্ৰশ্ন দিয়া হ'ল। উত্তৰ দিবলৈ যত্ন কৰাচোন—**

২০। পৰিবেশ কি কি উপাদানেৰে গঠিত?

২১। প্ৰকৃতিক মানৱ জাতিয়ে কিদৰে ধাৰ পৰিশোধ কৰিব?

২২। প্ৰকৃততে পাৰমানৱিক যুগ কেতিয়াৰ পৰা আৰম্ভ হোৱা বুলি ভাবিব পাৰি?

২৪। জাপানৰ নগৰ দুখন ধ্বংস কৰা বোমাটোৰ নাম কি আছিল?

২৫। কেইটামান চমুটোকা লিখাৰ অভ্যাস কৰাচোন।

(ক) বিশ্ব-পাৰিপাৰ্শ্বিকতা দিৱস (খ) পৰিবেশ (গ) প্ৰদুষণ (ঘ) নগৰ সভ্যতা (ঙ) শব্দ প্ৰদুষণ।

## 10.5 বৈয়াকৰণিক অনুশীলনী

তলত দিয়া ব্যাকৰণৰ জ্ঞান আহৰণ কৰি নিজে কিছু অভ্যাস কৰি চোৱা।

২৫। বাচ্য ঃ বাক্যত সাধাৰণতে ক্ৰিয়া থাকেই। এই ক্ৰিয়া পদে কেতিয়াবা বাক্যৰ কৰ্তাৰ কথাই প্ৰধানকৈ প্ৰকাশ কৰে। কেতিয়াবা আকৌ কৰ্মৰ কথাই প্ৰধানকৈ বুজায়। সেই হিচাপেই বাচ্য নিৰ্ণয় হয়। অৰ্থাৎ কৰ্তাক প্ৰধানকৈ বুজালে কৰ্তৃবাচ্য, কৰ্মক প্ৰধানকৈ বুজালে কৰ্মবাচ্য আৰু ভাৱক প্ৰধানকৈ বুজালে ভাৱবাচ্য হ'ব। উদাহৰণ হিচাপে -

কৰ্তৃবাচ্য ঃ যোৱা কালি মই ৰাতিৰ আহাৰ নাখালোঁ।

কৰ্মবাচ্য ঃ (যোৱা কালি ) মোৰ দ্বাৰা ৰাতিৰ আহাৰ খোৱা নহ'ল।

ভাৱবাচ্য ঃ যোৱা কালি মোৰ খোৱা নহ'ল। ইত্যাদি

এতিয়া পাঠৰ পৰা দিয়া বাক্যকেইটাৰ বাচ্য পৰিবৰ্তন কৰি চোৱাচোন -

ক) মানৱ জাতিয়ে পৰিবেশ নষ্ট কৰিছে।

খ) মানুহে অ'জেন গেছ চকুৰে নেদেখে।

গ) হেচা প্ৰয়োগ কৰি মানুহক জাগ্ৰত কৰিব নোৱাৰি।

ঘ) আইনৰ দ্বাৰা গছ কটা নিষিদ্ধ কৰা হৈছে।

২৭। এইবাৰ, বাক্যৰ ভাৱ একে ৰাখি বাক্য গঠনৰ ঢং পৰিবৰ্তন কৰি চোৱা।

এটা উদাহৰণ দাঙি ধৰা হ'ল— বায়ু-পানী দূষিত কৰাৰ বিৰুদ্ধে চৰকাৰে ব্যৱস্থা ল'ব লাগে।

উত্তৰ ঃ চৰকাৰে এনে ব্যৱস্থা হাতত ল'ব লাগে যাতে বায়ু-পানী দূষিত হ'ব নোৱাৰে।

ক) মাটি, পানী, বায়ু এইবোৰেই সহজ অৰ্থত পৰিবেশৰ উপাদান বুলি কোৱা হয়।

খ) আচলতে দ্বিতীয় মহাসমৰৰ সময়ৰ পৰাই পাৰমানৱিক যুগৰ সূত্ৰপাত।

গ) নাগৰিক সভ্যতাই অৰণ্যভূমি ধ্বংস কৰাৰ বাবে পৰিবেশ প্ৰদূষিত হৈছে।

ঘ) অকল বায়ুমণ্ডলেই যে মানৱ জাতিৰ অত্যাচাৰৰ বলি হৈছে এনে নহয়।

ঙ) পৰিবেশ প্ৰদূষণৰ প্ৰতিক্ৰিয়া সুদূৰ প্ৰসাৰী বুলি স্বীকাৰ কৰিব লাগিব।

## 10.5.1 বোধজ্ঞানমূলক প্ৰশ্ন

২৮। পাঠটো পুনৰ পঢ়ি লৈ তলৰ প্ৰশ্নবোৰৰ উত্তৰ কৰিবলৈ চেষ্টা কৰা।

ক) পৰিবেশ বুলিলে কি বুজা?

খ) শব্দ-প্ৰদূষণৰ উৎসসমূহ কি?

গ) কিহৰ বাবে যান্ত্ৰিকতা আৰম্ভ হ'ল?

ঘ) মাটিৰ উৰ্বৰা শক্তি মানে কি?

ঙ) নাগৰিক সচেতনতা কিদৰে বৃদ্ধি কৰিব পাৰি?

## 10.6 সৃষ্টিধৰ্মী প্ৰশ্ন

২৯। কিছু দীঘল প্ৰশ্নৰ উত্তৰ কৰি চোৱা।

ক) 'কোলাহল মানৱ জীৱনৰ বাবে হলাহল'— কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰা।

খ) বিজ্ঞানৰ অগ্ৰগতি যদি বন্ধ কৰি দিয়ে তেতিয়া কি হ'ব?— সপক্ষে-বিপক্ষে যুক্তি প্ৰদৰ্শন কৰা।

গ) 'পৰিবেশ প্ৰদূষণ প্ৰতিক্ৰিয়া সুদূৰ প্ৰসাৰী' — বিশ্লেষণ কৰা।

ঘ) 'মানুহ নিজেই নিজৰ শত্ৰু' — কিয় এই মন্তব্য দিয়া হৈছে? সত্যা সত্যতা বিচাৰ কৰা।

## 10.7 চমু প্ৰশ্নৰ উত্তৰ সংকেত

এতিয়া চমু প্ৰশ্নৰ উত্তৰসমূহ দিয়া হ'ল —

১। প্ৰকৃতিৰ প্ৰধান উপাদান কেইটা হ'ল- মাটি, পানী, বায়ু।

২। মানৱ জাতিৰ প্ৰকৃতিৰ লগত ওতঃপ্ৰোতভাৱে নিবিড় সম্পৰ্ক।

৩। প্ৰাচীন কালত প্ৰকৃতিৰ প্ৰতি বৰ শ্ৰদ্ধাশীল মনোভাৱ আছিল।

৪। পৰিবেশ সম্পৰ্কত সকলোতকৈ চিন্তনীয় বিষয় হৈছে পৃথিৱীৰ বাঢ়ি অহা উত্তাপে পৃথিৱীবাসীৰ প্ৰতি ভাবুকি স্বৰূপ হৈ পৰিছে।

৫। বৰ্তমান যুগটো পাৰমানৱিক যুগ বুলি ঠাৱৰ কৰিব পাৰি।

৬। নাগাচাকি আৰু হিৰোচিমা

৭। আল্‌ট্ৰা ভায়'লেট ৰশ্মি।

৮। চাৰিবিধ (ক) বায়ু প্ৰদূষণ (খ) জলপ্ৰদূষণ (গ) মাটি বাস্থল প্ৰদূষণ (ঘ) শব্দ প্ৰদূষণ।

৯। জল প্ৰদূষণৰ উপাদান সমূহ হ'ল— আবৰ্জনা, শৌচ-প্ৰস্ৰাৱ, জীৱ-জন্তুৰ মৰা শ, কাৰখানা আদিৰ পৰা নিৰ্গত হোৱা পেলনীয়া সামগ্ৰীসমূহ, কীটনাশক দ্ৰব্যাদি আৰু বিভিন্ন বীজানুবাহক সামগ্ৰী জল প্ৰদূষণৰ প্ৰধান উপাদান।

১০। জীৱবোৰে ইটোৰ সিটোৰ ওপৰত নিৰ্ভৰশীল হৈ প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰে।

১১। কিছুমান অনুজীৱই মাটিক জীৱন্ত কৰি ৰাখিছে।

১২। গছ-গছনি কাটি, ভূমিৰ খনন কাৰ্য্য, মাটি-বালিৰ স্থানান্তৰকৰণ, মাটি পুৰি, মাটিত নানান ধৰণৰ সাৰ প্ৰয়োগ , নানান প্ৰাকৃতিক দুৰ্যোগ আদিয়ে স্থল প্ৰদূষণ কৰে।

১৩। নগৰসমূহ কোলাহলৰ অখণ্ড ভাণ্ডাৰ।

১৪। শব্দপ্ৰদূষণৰ ফলত স্নায়বিক দুৰ্বলতা, মূৰৰ বিষ, পেটৰ অসুখ, অনিদ্ৰা, অস্থিৰতা, ৰক্তচাপ আদি কুফলে দেখা দিয়ে।

১৫। ৫ জুনৰ দিনা।

১৬। পৰিবেশ শিক্ষা বিদ্যালয়ত অতীৱ প্ৰয়োজন।

১৭। গছ কাটিলে পৰিবেশ ধ্বংস হ'ব।

১৮। আনন্দদায়ক নহয়।

১৯। সচেতন নাগৰিকৰ প্ৰধান দায়িত্ব হ'ল পৃথিৱীখন প্ৰদূষণমুক্ত কৰি ৰখা।

২০। পৰিবেশৰ প্ৰধান উপাদান কেইটা হ'ল— মাটি, পানী আৰু বায়ু।

২১। প্ৰকৃতিজগতৰ পৰা মানৱজাতিয়ে যিমানখিনি উপকাৰ পায় তাৰ বাবে মানৱজাতিয়ে প্ৰকৃতি জগতৰ প্ৰতি সচেতন হৈ অবাধ ধ্বংস আৰু লুণ্ঠনৰ পৰা ৰক্ষা কৰা।

২২। আগতে দিয়া হৈছে।

২৩। জাপান ভাৰতৰ পূব দিশত।

২৪। এটম বোমা (পাৰমানৱিক)।

বোধজ্ঞান, সৃষ্টিধৰ্মী প্ৰশ্নবোৰ দীঘল। প্ৰশ্নোত্তৰ সমূহ নিজেই কৰিবলৈ চেষ্টা কৰিবা।

## 10.8 অতিৰিক্ত পঠন উপদেশ

ছাত্ৰ-ছাত্ৰীসকল, পৰিবেশ সম্পৰ্কীয় জ্ঞান বৰ্তমান শিক্ষা জগতত এক অতি আৱশ্যকীয় বিষয়। এই সংক্ৰান্তত বিভিন্ন আলোচনী বা বিভিন্ন কিতাপ-পত্ৰ পোৱা যায়। গতিকে তেনেধৰণৰ অধিক পুথি পঢ়ি জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰাটো অতি আৱশ্যক।

## 10.9 ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন সুধিবলৈ দিয়া সংকেত

এই বিষয়টিৰ ওপৰত তোমালোকে বিভিন্ন ধৰণৰ সমস্যাৰ সন্মুখীন হ'বা বা মনত বহুতো প্ৰশ্ন উদয় হ'ব। বিলম্ব নকৰি আমালৈ সুধি পঠিয়াই জ্ঞান ফলপ্ৰসু কৰিবলৈ যত্ন কৰা।

গোট 11

# ভাৰতৰ মুক্তি যুঁজত অসমৰ অৱদান

ৰচনা ঃ ড° অৰুণ চন্দ্ৰ ভূএগ

## 11.1 পাতনি আৰু উদ্দেশ্যাৱলী

এইটো এটা বুৰঞ্জীমূলক প্ৰবন্ধ। তুমি নিশ্চয় জানা যে বহুকাল ধৰি ভাৰতৰ লগতে সমগ্ৰ অসমো বৃটিছ্ চৰকাৰৰ অধীনত আছিল। কালক্ৰমে বিদেশী শাসন আৰু শোষণত অতীষ্ঠ হৈ ভাৰতৰ মুক্তিকামী জনসাধাৰণে বিদেশী শাসন ওফৰাই দেশত স্বাধীনতা প্ৰতিষ্ঠাৰ বাবে ঐক্যবদ্ধ হৈ অহিংস আন্দোলনৰ পাতনি মেলিছিল। এই আন্দোলনৰ ধাৰা দেশৰ ইমূৰৰ পৰা সিমূৰলৈ সকলো অঞ্চলতে প্ৰবাহিত হৈছিল। দেশৰ চুকে কোনে সভা-সমিতি পাতি, ইংৰাজ বিৰোধী মনোভাৱ গঢ়ি তোলা হৈছিল। দেশৰ মুক্তিকামী জনগণে ইংৰাজ চৰকাৰৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিছিল। এই অহিংস আন্দোলনৰ গুৰি ধৰিছিল অহিংসাৰ পূজাৰী মোহন দাস কৰমচাঁদ গান্ধীয়ে।

গান্ধীজীৰ নেতৃত্বত চলা এই মুক্তি আন্দোলনত অসমেও যোগদান দিয়ে। আন ঠাইৰ নিচিনাকৈ অসমৰো বহুতো লোকে ইংৰাজ শাসকৰ নিৰ্য্যাতনৰ বলি হ'বলগা হয়। আন বহুতে দেশৰ বাবে মৃত্যুবৰণ কৰি শ্বহীদ আখ্যা পায়। এইদৰে সুদীৰ্ঘ বছৰ নেৰানেপেৰাকৈ আন্দোলন অব্যাহত ৰখাৰ ফলশ্ৰুতি হিচাপে ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ভাৰতে স্বাধীনতা লাভ কৰিবলৈ সক্ষম হয়। ইংৰাজসকলে ভাৰত ত্যাগ কৰিবলৈ বাধ্য হৈ পৰে।

এই স্বাধীনতা সংগ্ৰামৰ জুই কেনেদৰে অসমলৈ বিয়পি পৰে সেই কথাকে এই প্ৰবন্ধত খৰচি মাৰি আলোচনা কৰা হৈছে। ভাৰতৰ এই মহান মুক্তি সংগ্ৰামত অসমৰ বীৰ-বীৰাংগনাসকলে মৰণ পণ কৰি কি দৰে দেশপ্ৰেমৰ পৰিচয় দিছিল সেই কথা প্ৰকাশ কৰাৰ চেষ্টা কৰা হৈছে।

এই পাঠ পঢ়িলে তুমি ভালদৰে বৰ্ণনা কৰিব পাৰিবা—

- ইংৰাজৰ শাসন ব্যৱস্থা,

◆ পৰাধীনতাৰ তিক্ততা,

◆ অহিংস আন্দোলনৰ স্বৰূপ,

◆ স্বদেশ প্ৰেমৰ নিদৰ্শন,

◆ ভাৰতৰ স্বাধীনতা লাভৰ বৃত্তান্ত,

◆ ভাৰতৰ স্বাধীনতা ৰণত অসমৰ ভূমিকা,

আৰু লগতে তুমি আয়ত্ব কৰিবা—

◆ বুৰঞ্জীমূলক প্ৰবন্ধ লিখাৰ শৈলী আৰু

এনে ৰচনাত ব্যৱহাৰ কৰিবলগীয়া শক্তিশালী শব্দমালা।

## 11.2 মূলপাঠ

### 11.2.1 মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথম ভাগ

১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত ইৰাৱতী নদীৰ পাৰত মানদেশৰ ৰাজধানী আভা চহৰৰ পৰা প্ৰায় ৪৫ মাইল দক্ষিণৰ ইয়াণ্ডাবু নামৰ গাওঁখনত মানৰজা আৰু ইংৰাজৰ প্ৰতিনিধিয়ে স্বাক্ষৰিত কৰা মুঠ ন'ৰ দফা যুক্ত 'শান্তি চুক্তি'ৰ জৰিয়তেই ইংৰাজসকলে সমগ্ৰ অসম অধিকাৰ কৰে। উল্লেখিত শান্তি চুক্তি খনক ইতিহাসৰ পাতত 'ইয়াণ্ডাবু সন্ধি' (Treaty of Yandaboo) বুলি জনা যায়।

১৮২৪ চনৰ ২৪ ফেব্ৰুৱাৰীত এক ঘোষণা পত্ৰৰ দ্বাৰা ইংৰাজে মান ৰজাৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল। উক্ত ঘোষণাপত্ৰত ইংৰাজসকলে অসমবাসীক মানৰ বিৰুদ্ধে অস্ত্ৰ ধাৰণ কৰিবলৈ আহ্বান জনাই কৈছিল, "অসমবাসী সকল, তোমালোকে ভালদৰে জানা যে কিছু বছৰৰ পূৰ্বে মান সকলে তোমালোকৰ দেশ আক্ৰমণ কৰি ৰজাক গাদীচ্যুত কৰি , দেশখন লণ্ড-ভণ্ড কৰে, ব্ৰাহ্মণ, তিৰোতা আৰু গো বধৰ নিচিনা মহাপাপ আচাৰে, তোমালোকৰ ধৰ্মস্থানবোৰ অপবিত্ৰ কৰে আৰু সকলো ধৰণৰ অত্যাচাৰত লিপ্ত হয়।.......... তোমালোকে জানি ল'বা যে আমি তোমালোকৰ দেশ জয় কৰাৰ হোপাঁহত তোমালোকৰ ৰাজ্যত প্ৰৱেশ কৰা নাই। .... তোমালোক নিশ্চিন্ত থাকা যে আমি আমাৰ শত্ৰুক অসমৰ পৰা আঁতৰ কৰিব নোৱাৰালৈকে আৰু

**শব্দাৰ্থ**

চুক্তি (বি) : দুই পক্ষৰ মাজত দিয়া নিয়া

ইতিহাস (বি) : বুৰঞ্জী, পুৰণি কথা

সন্ধি (বি) : দুই ৰজা বা ৰাজ্য মিলেৰে থাকিবলৈ কৰা মীমাংসা

সংক্ষেপ (বি) : সাৰমৰ্ম

তোমালোকৰ সুখ আৰু তোমালোকে বিচৰা চৰকাৰ এখন পুনৰ স্থাপন নোহোৱালৈকে আমি তোমালোকৰ দেশ এৰি নেযাওঁ।"

বাস্তৱিকতে ইংৰাজে অসম এৰি নগ'ল। গোজেই গজালি হ'ল— সময়ত শাখা প্ৰশাখা মেলি ইংৰাজ শাসন গোটেই উত্তৰ-পূৱ ভাৰত জুৰি এজোপা প্ৰকাণ্ড বৰগছ হ'ল। অসমৰ হাবিত বনৰীয়া চাহগছ, খাচীয়া পাহাৰত আয়াৰলেণ্ডৰ পৰা অনা আলুগুটিৰ সঁচ লগাই ভাল ফচল পোৱাত, তদুপৰি খাচিয়া পাহৰত চুণ-শিল, মাকুম অঞ্চলত কয়লাৰ খনি আৰু ডিগবৈত পনীয়া সোণ-খনিজ তেলৰ সন্তেদ পোৱাত সদাগৰী কোম্পানীৰ কৰ্মকৰ্তাসকলৰ ব্যৱসায়িক চিন্তা-ধাৰা তীব্ৰতৰ হৈ উঠিল। অনুৰ্বৰ হাবি-জংঘল আৰু নানা জনজাতিৰে ভৰা উত্তৰ-পূৱ ভাৰত অঞ্চললৈ ইংৰাজৰ প্ৰথমতে এক অনীহা আৰু অৱজ্ঞাসূচক মনোভাৱ আছিল। কিন্তু যেতিয়াই ইংৰাজে গম পালে যে অসমখন তেওঁলোকে ভবাৰ দৰে জংঘলী দেশ নহয়- তাৰ বুকুত লুকাই আছে সোণৰ খনি, লগে লগেই আৰম্ভ হ'ল এডেও-দুডেও লোটা নিবৰ ছেওৰ আখৰা, আৰু এদিন সমগ্ৰ উত্তৰ-পূৱ ভাৰত অঞ্চল ইংৰাজৰ বহতীয়া হ'ল। মানৰ আক্ৰমণত না-জল না-থল হোৱা অসমীয়া ৰাইজে থিত্ লবলৈ নৌপাওঁতেই বিদেশী শাসনৰ বাঘজৰীৰ নিকপকপীয়া বান্ধোন আৰু নিষ্ঠুৰ শোষণৰ বলি হৈ ত্ৰাহি মধুসূদন দেখিলে।

ইংৰাজৰ এই নওঠা সাম্ৰাজ্যবাদী মনোভাৱৰ স্বৰূপ দেখি উত্তৰ-পূব ভাৰতৰ পৰ্বতে-ভৈয়ামে অসন্তোষৰ বা বলিল। বহু ঠাইতে সৰব প্ৰতিবাদ হ'ল। কোনো কোনো ঠাইত সশস্ত্ৰ প্ৰতিৰোধ হ'ল। ঠায়ে ঠায়ে ইংৰাজক খেদিবলৈ ষড়যন্ত্ৰ চলিল, বিদ্ৰোহৰ আখৰা চলিল। সীমান্তবৰ্তী পাৰ্বত্য অঞ্চলত জন-জাতীয় ৰাইজে ইংৰাজক দেশৰ পৰা বহিষ্কাৰ কৰিবলৈ অস্ত্ৰ তুলি ললে। বিশেষকৈ ইংৰাজৰ হঠকাৰিতাই আহোমসকলৰ অভিজাত শ্ৰেণীৰ লোকসকলৰ মনত ক্ষোভ, অপমান আৰু ক্ৰোধৰ জন্ম দিলে।

১৮২৮ আৰু ১৮৩০ চনত ধনজয় বৰগোহাঁইৰ নেতৃত্বত উজনি অসমত দুবাৰ বিদ্ৰোহ সংঘটিত হয়। ভীতিগ্ৰস্ত ইংৰাজে ১৮৩০ চনৰ বিদ্ৰোহত লিপ্ত থকাৰ অপৰাধত পিয়লি বৰফুকন আৰু জীওৰাম দুলীয়া বৰুৱাক প্ৰাণদণ্ড দিয়ে।

১৮৫৭ চনত ভাৰতৰ বিভিন্ন ঠাইত ইংৰাজৰ অধীনত কাম কৰা চিপাহীয়ে মূলতঃ ধৰ্মীয় আৰু ৰাজনৈতিক কাৰণত বিদ্ৰোহ আচৰণ কৰে। এই সময়তে মণিৰাম বৰভাণ্ডাৰ বৰুৱা দেৱানে কন্দৰ্পেশ্বৰ সিংহৰ আৰ্জী লৈ কলিকতা পায়গৈ। মণিৰামে কলিকতাৰ পৰাই অসমৰ বিভিন্ন ঠাইত থকা চিপাহীৰ লগত যোগাযোগ কৰি বিদ্ৰোহৰ

পাতনি মেলিব খুজিছিল। অসমত থকা ৰাভা, মণিপুৰী, আৰু দোৱনীয়া চিপাহীয়ে ইংৰাজক বিশ্বাস ঘাটকতা কৰিবলৈ টান পোৱাত অসমত বিদ্ৰোহে গা কৰি উঠিব নোৱাৰিলে। তাৰ উপৰি ৰজাঘৰ প্ৰজাঘৰৰ মাজত থকা অবিশ্বাস, সংশয়ে এক অনুকুল পৰিবেশ গঢ়ি উঠাৰ ক্ষেত্ৰত অন্তৰায় হৈছিল। তথাপিও এই বিদ্ৰোহৰ অগনি উমি উমি জ্বলিছিল আৰু ইয়াত ভাগ লোৱাৰ অপৰাধত ইংৰাজ শাসকবৰ্গই ১৮৫৮ চনত মণিৰাম দেৱান আৰু পিয়লি বৰুৱাক ফাঁচি দিয়ে। বহুজনে যাৱজ্জীৱন কাৰাবাস খাটিব লগা হয়।

তীব্ৰতৰ (বিশ) : অতিশয় প্ৰবল

অনীহা (বিশ) : স্পৃহা নথকা

খাচিয়া পাহাৰত খাইৰেমৰ চীয়েম বৰমাণিক আৰু নংক্ৰ'ৰ চীয়েম তিৰোৎ সিঙৰ নেতৃত্বত, জয়ন্তীয়া পাহাৰত ও কিয়াং নাংবাহৰ নেতৃত্বত, শদিয়াত ৰনুৱা গোঁহাইৰ নেতৃত্বত, খামটি অঞ্চলত গাম-চেৰ'-লাটনৰ নেতৃত্বত ভিন্ ভিন্ ফৈদৰ স্বজাতিৰ হৈ ইংৰাজৰ বিৰুদ্ধে সশস্ত্ৰ বিদ্ৰোহত জপিয়াই পৰিছিল। খাচিয়া আৰু জয়ন্তীয়া পাহাৰত ইংৰাজৰ বিৰুদ্ধে ব্যাপক প্ৰতিৰোধ গঢ়ি উঠাত চিনতেং সকলৰ মূল নেতা ও কিয়াং নং বাহকক ইংৰাজে আটক কৰে আৰু এখন ভুৱা বিচাৰ পাতি প্ৰাণদণ্ডৰ আদেশ দিয়ে।

স্থিত (বি) : স্থিৰ

১৮৫৭ চনৰ মহাবিদ্ৰোহৰ ফলশ্ৰুতিতে ভাৰতবৰ্ষত কোম্পানীৰ শাসনৰ পৰিসমাপ্তি ঘটে আৰু তেতিয়াৰ পৰা দেশত ইংৰাজৰ প্ৰত্যক্ষ শাসন প্ৰতিষ্ঠিত হয়। শাসনভাৰ যদিও ইংৰাজ চৰকাৰৰ হাতলৈ গ'ল, তথাপি কাৰ্য্যক্ষেত্ৰত কোম্পানীৰ শাসনকৰ্তা আৰু সেনাবাহিনীয়ে দেশৰ প্ৰশাসন আৰু প্ৰতিৰক্ষাৰ গুৰি ধৰিলে। আমাৰ ইতিহাসত ১৮৫৭ চনৰ মহাবিদ্ৰোহক ইতিহাসবিদসকলে ভাৰতৰ প্ৰথম স্বাধীনতা ৰণৰ আখ্যা দিয়ে।

প্ৰতিৰোধ (বি) : বাধা, বিঘিনি।

কোম্পানীৰ ৰাজভঁড়াল টনকিয়াল কৰিবলৈ চৰকাৰে ভুমি ৰাজহৰ নিৰিখৰ সংশোধন ঘটাই ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশত অত্যন্ত পিছপৰা অসমৰ, বিশেষকৈ কামৰূপ আৰু দৰং জিলাৰ খেতিয়ক সকলৰ ওপৰত ৫০ ৰ পৰা ৭০ শতাংশ বৰ্ধিত কৰৰ বোজা জাপি দিয়ে।

আখ্যা (বি) : অভ্যাস

ঠায়ে ঠায়ে এই নিৰিখ এশ শতাংশ পৰ্য্যন্ত বৃদ্ধি কৰা হয়। ফলত জাতি-ধৰ্ম নিৰ্বিশেষে উচ্চ-নীচ সকলো এক গোট হৈ নিৰক্ষৰ কৃষক সমাজে সম্পূৰ্ণ গণতান্ত্ৰিক পদ্ধতিৰে ৰাইজমেল পাতি ১৮৬১ চনত ফুলগুৰিত, ১৮৯৪ চনত পথৰু ঘাট আৰু প্ৰায় সমসাময়িক ভাবে বৰমা, বজালী, সৰ্থেবাৰী আদি ঠাইত প্ৰতিবাদ সা[illegible] কৰিছিল। পথৰুঘাটত কৃষক দমন কৰিবলৈ চৰকাৰে নিৰ্বিচাৰে গুলী চালনা কৰে যাৰ ফলত ২৪ জন লোকৰ ঠাইতে প্ৰাণহানি হয়। পথৰু ঘাটত নিৰস্ত্ৰ কৃষকে চিপাহীলৈ

মাটিৰ দ'লি নিক্ষেপ কৰি ইতিহাসৰ পাতত পথৰুঘাটৰ ৰণৰ সৃষ্টি কৰিছিল। শেহত চৰকাৰে বাইজৰ প্ৰতিবাদৰ ওচৰত মুৰ দোৱাই ৰাজস্ব নীতিৰ পৰিবৰ্তন ঘটায় আৰু ৰাজহৰ বৰ্দ্ধিত হাৰ ৩৭.৭ শতাংশলৈ হ্ৰাস কৰে।

অভিজাত (বিণ) ঃ উচ্চবংশীয়

সৰ্বভাৰতীয় ক্ষেত্ৰত ১৮৮৫ চনত জাতীয় কংগ্ৰেছৰ জন্ম হয়। ইতিমধ্যে দেশত ইংৰাজী শিক্ষাই প্ৰসাৰ লভাত আৰু বিশেষকৈ যাতায়াত ব্যৱস্থাৰ উন্নতি ঘটাত এখন ঠাইৰ মানুহে আন এখন ঠাইৰ মানুহৰ লগত ভাবৰ আদান-প্ৰদান কৰাৰ সুযোগ পালে। ভাৰতৰ বিভিন্ন ঠাইৰ পৰা বাতৰি কাকত প্ৰকাশ পোৱাত অসমৰ দৰে পিছপৰা অঞ্চলৰ লোকেও দেশৰ অৰ্থনৈতিক ৰাজনৈতিক আৰু সামাজিক সমস্যাৰাজিৰ আও-ভাও পোৱা হ'ল। দেশত জাতীয়তাবাদৰ উন্মেষ ঘটিল।

ক্ৰোধ (বি) ঃ খং

## 11.2.2 আলোচনা

আৰ্জ্জী (বি) ঃ দৰ্খাস্ত, নিবেদনপত্ৰ

অকণমান আগলৈ উভতি চাওঁ আহা। এই মাত্ৰ পঢ়া কথাখিনি পুনৰ জুকিয়াই চাওঁ।

ইংৰাজসকলে অসমত প্ৰৱেশ কৰাৰ আগতে অসমখন মানসকলৰ দখলত আছিল। মানৰজা আৰু ইংৰাজসকলৰ মাজত হোৱা ইয়াণ্ডাবু সন্ধিৰ পাছত সমগ্ৰ অসম ইংৰাজৰ হাতলৈ যায় অসমৰ বনাঞ্চলত থকা চাহগছ, ভূগৰ্ভত থকা কয়লা, খনিজ তেল, চুণ-শিল আৰু কৃষিজাত বস্তুবোৰ দেখি তেওঁলোকৰ লোভ লাগে। লগে লগে তেওঁলোকৰ মনত ব্যৱসায় বাণিজ্যৰ প্ৰবৃত্তি জাগ্ৰত হয়। লাহে লাহে তেওঁলোক সমগ্ৰ অসমৰে একছত্ৰী অধিপতি হৈ পৰে। অসমীয়া লোকসকল ইংৰাজৰ কঠোৰ শাসন আৰু শোষণৰ বলি হৈ পৰিল।

দুৱলীয়া (বিণ) ঃ ঘাই গৰাকীৰ তলতীয়া

ইংৰাজসকলৰ শাসন পদ্ধতিত বিতুষ্ট হৈ সমগ্ৰ অসম অঞ্চলত প্ৰতিবাদৰ জোৱাৰ উঠে। ভাৰতৰ বিভিন্ন ঠাইৰ দৰে অসমতো ইংৰাজ খেদাৰ প্ৰস্তুতি চলিল। বিদ্ৰোহৰ জুয়ে অসমৰ সকলো ঠাই চানি ধৰিলে। বিদ্ৰোহত জড়িত হৈ থকা অপৰাধতেই ১৮৫৮ চনত ইংৰাজ চৰকাৰে মণিৰাম দেৱান আৰু পিয়লি বৰুৱাক ফাঁচি দিয়ে।

টনকিয়াল (বিণ) ঃ অৱস্থাপন্ন

আনহাতে ইংৰাজ শাসকৰ ভূমি ৰাজহ নীতিত অসন্তুষ্ট হৈ অসমত কৃষক বিদ্ৰোহৰ সূচনা হয়। ফল স্বৰূপে পথৰুঘাটৰ ৰণত বহু কৃষকৰ প্ৰাণ হানি হয়। দেশত শিক্ষা আৰু যাতায়াত ব্যৱস্থাৰ উন্নতিসাধন হোৱাৰ লগে লগে বাতৰি কাকতবো প্ৰচলন হোৱাত ভাৰতৰ দৰে অসমৰ লোকসকলেও ভাব বিনিময় আৰু বিবিধ সমস্যা উপলব্ধিৰ সুযোগ লাভ কৰে।

উন্মেষ (বি) ঃ বিকাশ

## 11.2.3 প্ৰথম পাঠ ভাগৰ প্ৰশ্নাৱলী

এইবাৰ আমি এই পাঠাংশৰেই কিছু চমু প্ৰশ্ন আলোচনা কৰি নিজৰ প্ৰগতি পৰীক্ষা কৰি চাওঁহক।

১। ইয়াণ্ডাবু সন্ধি ক'ত কেতিয়া আৰু কাৰ কাৰ মাজত হৈছিল?

২। 'শান্তি চুক্তি' কি? এই চুক্তিৰ কেইটা দফা আছিল?

৩। 'গোটেই গজালি হ'ল' কাক উদ্দেশ্য কৰি, কি প্ৰসংগত এই কথাষাৰ কোৱা হৈছিল?

৪। ১৮৩০ চনৰ বিদ্ৰোহত লিপ্ত থকা বুলি ইংৰাজ চৰকাৰে কাক কাক ফাঁচী দিছিল?

৫। মণিৰাম দেৱানৰ প্ৰকৃত নাম কি?

৬। মণিৰাম দেৱান আৰু পিয়লি বৰুৱাৰ ফাঁচী কেতিয়া হৈছিল?

৭। ভাৰতবৰ্ষত কোম্পানীৰ শাসনৰ পৰিসমাপ্তি কেতিয়া ঘটে?

৮। ১৮৫৭ চনৰ মহাবিদ্ৰোহক ইতিহাসবিদ সকলে কি আখ্যা দিছিল?

৯। পথৰুঘাটৰ ৰণ কেতিয়া হৈছিল?

১০। সৰ্বভাৰতীয় ক্ষেত্ৰত জাতীয় কংগ্ৰেছৰ কেতিয়া জন্ম হয়?

এতিয়া আহা, আমি পাঠৰ দ্বিতীয়ভাগৰ মুদ্ৰিত প্ৰতিলিপি যথাযথ অধ্যয়ন কৰোঁহক।

## মূল পাঠ

## 11.2.4 মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ

### অসমত স্বাধীনতা আন্দোলনৰ ঢৌ

অসমৰ শিক্ষিত শ্ৰেণীটোৱে প্ৰথমতে ১৮৮৪ চনত যোৰহাটত 'সাৰ্বজনীন

সভা' গঠন কৰি ৰাইজৰ জনমত গঠন কৰাত আগভাগ লয়। জগন্নাথ বৰুৱাৰ নেতৃত্বতে সাৰ্বজনীন সভাই চৰকাৰৰ ওচৰত ৰাইজৰ অভাৱ-অভিযোগ মোচনৰ অৰ্থে আৰ্জী পেচ কৰিছিল। ১৯০৩ চনত ব্ৰহ্মপুত্ৰ উপত্যকাক সামৰি প্ৰভাত চন্দ্ৰ বৰুৱা আৰু মাণিক চন্দ্ৰ বৰুৱাৰ উদ্যোগত 'অসম এচোচিয়েচন'ৰ জন্ম হয়। এই অনুষ্ঠানেও অসমৰ ৰাজনৈতিক অৰ্থনৈতিক ক্ষেত্ৰত চৰকাৰৰ ওচৰত মাত মাতিছিল। অৱশ্যে দুয়োটা প্ৰতিষ্ঠানে চৰকাৰৰ লগত প্ৰত্যক্ষ সংঘাত এৰাই চলিছিল।

প্ৰথম মহাসমৰৰ পৰৱৰ্তী কালছোৱাত অসমৰো আৰ্থসামাজিক আৰু ৰাজনৈতিক জীৱনত অভূতপূৰ্ব পৰিবৰ্তন আহে। এই সময়তে ভাৰতৰ ৰাজনীতিত গান্ধীজীৰ অভ্যুদয় হয়। গান্ধীজীয়ে ৰাজনৈতিক পদ্ধতিৰে পৰি বৰ্তন ঘটাই সক্ৰিয় গণ আন্দোলনৰ পথ ল'বলৈ ৰাইজক আহ্বান জনায়। ১৯১৯ চনত চৰকাৰে ৰাজনৈতিক আন্দোলনক মষিমুৰ কৰিবলৈ 'ৰাওলাট আইন' প্ৰয়োগ কৰে। গান্ধীজীয়ে সত্যাগ্ৰহৰ দ্বাৰা এই আইন অমান্য কৰিবলৈ সিদ্ধান্ত লয়। দেশত পোন প্ৰথমবাৰৰ বাবে সৰ্বভাৰতীয় হৰতাল পালন কৰা হয়। পঞ্জাৱৰ অমৃতসৰৰ জালিয়ানাৱালাবাগত বহু জনতা গোট খাই শান্তিপূৰ্ণভাৱে প্ৰতিবাদী সভা পাতিছিল। জেনেৰেল ডায়াৰে সেই নিৰস্ত্ৰ জনতাৰ ওপৰত মেচিন গানেৰে গুলী চালনা কৰিবলৈ নিৰ্দেশ দিয়াত চাৰি শতাধিক লোক নিহত হয়, হেজাৰ জন আহত হয়।

পঞ্জাৱৰ নৃশংস হত্যাকাণ্ডই ভাৰতবাসীক বিক্ষুব্ধ কৰি তুলিলেও চৰকাৰে বিষয়টোৰ ওপৰত কোনো ধৰণৰ গুৰুত্ব নিদিয়াত বৰঞ্চ জেনেৰেল ডায়াৰৰ সপক্ষে মাত মতাত বিশেষকৈ খিলাফতৰ প্ৰশ্নত মুছলমান লোকসকলৰ ধৰ্মীয় অনুভূতিত আঘাত কৰাত দেশজুৰি চৰকাৰ বিৰোধী অৰ্থাৎ ইংৰাজ বিৰোধী মনোভাৱে আলোড়নৰ সৃষ্টি কৰিলে।

এনে এটি পৰিস্থিতিত কলিকতাত ১৯২০ চনৰ চেপ্তেম্বৰ মাহত কংগ্ৰেছৰ বিশেষ অধিবেশন বহে। এই অধিবেশনত গান্ধীজীয়ে অসহযোগৰ প্ৰস্তাৱ দাঙি ধৰে। পঞ্জাৱ আৰু খিলাফতৰ অন্যায়ৰ প্ৰতিকাৰ কৰা, জাতীয় সন্মান উদ্ধাৰ আৰু ৰক্ষা কৰা আৰু দেশত স্বৰাজ স্থাপন কৰাই হ'ল এই অসহযোগৰ মূল উদ্দেশ্য। স্কুল কলেজ, আদালত, কাউন্সিল আদি সকলো বৰ্জন কৰি আন্দোলনত যোগ দিবলৈ কংগ্ৰেছৰ পৰা আহ্বান আহিল। বিদেশী বস্তু বৰ্জন, সূতা-কটা জনপ্ৰিয় কৰা, মাদকদ্ৰব্য নিবাৰণ, সাম্প্ৰদায়িক মিলন, অস্পৃশ্যতা বৰ্জন আদি আঁচনি লৈ কংগ্ৰেছ কৰ্মীসকলে গাৱে গাৱে সোমাই পৰিল।

নাগপুৰ কংগ্ৰেছ অধিবেশনৰ লগতে এখন ছাত্ৰ সন্মিলনো অনুষ্ঠিত হৈছিল।

সাৰ্বজনীন (বিণ) ঃ সৰ্বসাধাৰণৰ হিতকৰ

প্ৰত্যক্ষ (বিণ) ঃ চকুৰে দেখা

মষিমুৰ (বি) ঃ চুৰমাৰ, ধ্বংস

সেই সভাত অসমৰ পৰা যোৱা কেইবাজনো ছাত্ৰই অংশ গ্ৰহণ কৰিছিল। সেই ছাত্ৰ সকলেই নাগপুৰৰ পৰা ঘূৰি আহি দেশত স্কুল-কলেজ বৰ্জন আন্দোলন আৰম্ভ কৰিছিল। বিশেষকৈ কলিকতাৰ কলেজত পঢ়া আৰু গুৱাহাটীৰ কটন কলেজত পঢ়া ছাত্ৰ সকলে কলেজ বৰ্জন কৰি অসহযোগ আন্দোলনত জপিয়াই পৰিছিল। এই আন্দোলনত তেজপুৰৰ চন্দ্ৰ নাথ শৰ্মাই অগ্ৰণী ভূমিকা লৈছিল। ইয়াৰ কিছুদিনৰ পিচতে কুলধৰ চলিহাৰ নেতৃত্বত অসম প্ৰাদেশিক কংগ্ৰেছ কমিটি গঠিত হৈছিল। অসম কংগ্ৰেছৰ অবিসম্বাদী নেতা আছিল তৰুণ ৰাম ফুকন আৰু নবীন চন্দ্ৰ বৰদলৈ।

হৰতাল (বি) : ধৰ্মঘট

অসহযোগ আন্দোলনে অসমৰ গাৱেঁ ভুয়ে এটা প্ৰবল জোকাৰণিৰ সৃষ্টি কৰিলে। স্বৰাজ ফাণ্ডলৈ দান বৰঙণি তোলা, কানি নিবাৰণী অভিযান চলোৱা, কংগ্ৰেছৰ সভ্যভৰ্তি কৰা আদি কংগ্ৰেছকৰ্মীৰ মূল কাম আছিল। ঠিক এনে সময়তে গান্ধীজী অসম ভ্ৰমনলৈ আহে। গুৱাহাটী, নগাওঁ, তেজপুৰ, যোৰহাট আৰু ডিব্ৰুগড়ত বিৰাট ৰাজহুৱা সভাত গান্ধীজীয়ে অসহযোগৰ বাণী প্ৰচাৰ কৰিলে আৰু সকলো ঠাইতে বিদেশী বস্ত্ৰ দাহ যজ্ঞ সমাপন কৰিলে। গান্ধীজীৰ অসম ভ্ৰমনৰ ফলত ৰাইজৰ উৎসাহ উদ্দীপনা চৰম সীমাত উপনীত হ'ল। বহুতো উকিলে ওকালতি পৰিহাৰ কৰি কংগ্ৰেছৰ কাম কৰিবলৈ ললে, বহুতো চাকৰিয়ালে চৰকাৰী কাম ইস্তফা দি কংগ্ৰেছত যোগদান দিলে।

নৃশংস (বিণ) : নিষ্ঠুৰ

১৯২১ চনৰ আন্দোলনত অকল অসমতে এক নিৰ্ভৰযোগ্য সূত্ৰৰ মতে এঘাৰ শ' কংগ্ৰেছ কৰ্মীয়ে কাৰাবাস খাটিব লগা হৈছিল। কংগ্ৰেছৰ নিজা সূত্ৰৰ মতে এই সংখ্যা ষোল্লশৰো অধিক হ'ব।

১৯২৬ চনত পাণ্ডুত কংগ্ৰেছ অধিবেশন বহে। উক্ত অধিবেশনত মহাত্মা গান্ধী প্ৰমুখ্যে কংগ্ৰেছৰ প্ৰায় সকলো নেতাই যোগদান কৰিছিল। জাতীয়তাবাদী ভাৱধাৰাৰে উদ্বুদ্ধ হৈ অসমবাসীয়ে কংগ্ৰেছ অধিবেশন সাফল্যমণ্ডিত কৰি তুলিছিল। অসমৰ খাদীৰেই অধিবেশনৰ সভাঘৰ সজাই পৰাই তোলা হৈছিল।

বৰঞ্চ (অব্যয়) : বৰং

১৯২৯ চনত লাহোৰত কংগ্ৰেছে 'পূৰ্ণ স্বাধীনতা' প্ৰস্তাৱ গ্ৰহণ কৰে। ১৯৩০ চনৰ ২৬ জানুৱাৰীত লাহোৰত জাতীয় কংগ্ৰেছে স্বতন্ত্ৰতা দিৱস পালন কৰে। ১৯৩০ চনত গান্ধীজীয়ে ডাণ্ডী যাত্ৰাৰে আইন অমান্য আন্দোলন আৰম্ভ কৰে।

ঠিক এই সময়ত অসমৰ শিক্ষা বিভাগে এখন অধ্যাদেশ জাৰি কৰি ছাত্ৰ সকলে হৰতাল আৰু শোভা যাত্ৰাত যোগ দিয়া নিষিদ্ধ ঘোষণা কৰে। কানিংহাম চাৰ্কুলাৰ নামৰ এই অধ্যাদেশে ছাত্ৰ সমাজত এক জাগৰণৰ সৃষ্টি কৰিলে। চৰকাৰী

প্ৰৰোচনাত পৰি ছাত্ৰসকল একগোট হৈ কোনো ধৰণৰ বশুত চহী দি গোলামী শিক্ষা নলবলৈ বদ্ধ পৰিকৰ হ'ল। স্কুলে স্কুলে পিকেটিং হ'ল। চৰকাৰী শিক্ষানুষ্ঠানলৈ ছাত্ৰ নোযোৱাই হ'ল। কংগ্ৰেছী আৰু শিক্ষানুৰাগী ৰাইজৰ প্ৰচেষ্টাত ঠায়ে ঠায়ে জাতীয় বিদ্যালয় গঢ়ি উঠিল। গুৱাহাটীত কামৰূপ একাডেমী, বৰপেটাত বৰপেটা বিদ্যাপীঠ, তেজপুৰত তেজপুৰ একাডেমী, শিৱসাগৰত শিৱসাগৰ বিদ্যাপীঠ, ডিব্ৰুগড়ত ডিব্ৰুগড় পাব্লিক স্কুল গঢ়ি উঠে। চৰকাৰী স্কুল বৰ্জন কৰা ছাত্ৰ সকলেই এই জাতীয় শিক্ষানুষ্ঠান সমূহত নামভৰ্তি কৰি শিক্ষা লভিবলৈ লয়।

অনুভূতি (বি) : জ্ঞান, অনুভৱ

কটন কলেজৰ ছাত্ৰসকলেও পিকেটিং কৰি কলেজৰ শিক্ষাদান সম্পূৰ্ণ বন্ধ কৰি দিছিল। ছাত্ৰসকলৰ লগত মহিলা সকলেও পিকেটিঙত ভাগ লৈছিল। ফুবাগৰাকী মহিলাই কাৰাবাস খাটিবলগীয়া হয়।

বহুতো ছাত্ৰ পিকেটিং কৰাৰ অপৰাধত কাৰাদণ্ডিত হৈ জেললৈ যাবলগা হয়। কংগ্ৰেছ কৰ্মীসকলে ছাত্ৰসকলক নেতৃত্ব দিয়াৰ বাহিৰেও মদ, কানিৰ দোকানৰ সন্মুখত পিকেটিং কৰি ফাটেক খাটিব লগা হয়।

আলোড়ন (বি) : লৰোৱা, সঞ্চালন

আইন অমান্য আন্দোলনত সমগ্ৰ অসমতে চৰকাৰী তথ্যমতে পুৰুষ-মহিলা সমন্বিতে প্ৰায় ষোল্লশ লোক কাৰাদণ্ডিত হয়।

বিভিন্ন সময়ত গান্ধীজীৰ নেতৃত্বত আন্দোলন চলি থকাত বৃটিছ চৰকাৰে প্ৰশাসনীয় আৰু ৰাজনৈতিক কাৰণত জাতীয়তাবাদী দল বিলাকক আন্দোলনৰ পৰা দূৰত ৰাখিবলৈ বিভিন্ন পন্থা অৱলম্বন কৰিছিল, বিশেষকৈ সংখ্যালঘু সকলক নিজাববীয়াকৈ ৰাজনীতি কৰাৰ বাবে উচটনি দি ভাৰতৰ বৃহৎ ৰাজনৈতিক দল কংগ্ৰেছক দুৰ্বল কৰাৰ প্ৰয়াস কৰিছিল। জাতি-ধৰ্ম-সম্প্ৰদায়ৰ মাজত বিভেদকামী মনোভাৱ সৃষ্টি কৰি কংগ্ৰেছ দলৰ লগতে জাতীয়তাবাদী সংগ্ৰামত আঘাত হনাৰ চেষ্টা অব্যাহত ৰাখিছিল।

১৯৩৫ চনত গৱৰ্ণমেণ্ট অব ইণ্ডিয়া এক্ট অনুসৰি ভাৰতৰ স্বায়ত্ব শাসনৰ ভিত্তিত যুক্তৰাষ্ট্ৰ গঠন হয়। উক্ত শাসন ব্যৱস্থাত নানা আসোঁৱাহ থকা স্বত্বেও কংগ্ৰেছে ১৯৩৭ চনত হোৱা নিৰ্বাচনত অংশ গ্ৰহণ কৰি সাতখন প্ৰদেশতে চৰকাৰ গঠন কৰে। অসমত কংগ্ৰেছ দলে নিৰঙ্কুশ সংখ্যা গৰিষ্ঠতা লাভ নকৰাত সংযুক্ত চৰকাৰ গঠন কৰে ১৯৩৮ চনত গোপীনাথ বৰদলৈদেৱৰ নেতৃত্বত।

বৰ্জন (বি) : ত্যাগ কৰা

১৯৩৯ চনৰ চেপ্তেম্বৰ মাহত দ্বিতীয় মহাসমৰ আৰম্ভ হয়। লগে লগে ইংলেণ্ডৰ চৰকাৰে তেওঁলোকৰ ঔপনিবেশ ভাৰতক লৈ জাৰ্মেনিৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে।

ভাৰতবাসীৰ মতামত নোলোৱাকৈ এনেকৈ যুদ্ধত ভাৰতক লিপ্ত কৰাত কংগ্ৰেছে চৰকাৰ পক্ষক তীব্ৰ সমালোচনা কৰে।

১৯৪০ চনত গান্ধীজীয়ে যুদ্ধ বিৰোধী ব্যক্তিগত সত্যাগ্ৰহ আৰম্ভ কৰে। গান্ধীজীৰ নেতৃত্বতে এই আন্দোলন এবছৰৰ অধিক কাল চলে। প্ৰত্যেক সত্যাগ্ৰহীয়ে এটুকুৰা ৰাজহুৱা ঠাইত ঘোষণা কৰিব লাগে — 'ধন আৰু জনেৰে বৃটিছৰ যুদ্ধ প্ৰচেষ্টাত সহায় কৰাটো অন্যায়। সকলো যুদ্ধ অহিংসা উপায়েৰে প্ৰতিৰোধ কৰাই একমাত্ৰ কৰ্তব্য।' অসমতো গান্ধীজীৰ দ্বাৰা নিৰ্বাচিত সত্যাগ্ৰহীসকলে যুদ্ধ বিৰোধী কথা ঘোষণা কৰি কেইবামাহো ধৰি কাৰাবাস খাটিব লগা হ'ল।

উদ্বুদ্ধ (বিণ) : জাগৰিত, প্ৰবুদ্ধ

১৯৪২ চনৰ ৮ আগষ্টৰ দিনা বোম্বাইত নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে ভাৰতে পূৰ্ণ স্বাধীনতা বিনে আন একো গ্ৰহণ নকৰে বুলি সিদ্ধান্ত লয়। গান্ধীজীয়ে বৃটিছ গৱৰ্ণমেণ্টক 'কুইট ইণ্ডিয়া' অৰ্থাৎ ভাৰত ত্যাগ কৰি ভাৰতৰ ভাগ্য ভাৰতবাসীৰ হাতত এৰি দিবলৈ আহ্বান জনায়। লগতে গান্ধীজীয়ে দেশবাসীক 'কৰেংগে ইয়া মৰেংগে' অৰ্থাৎ 'কৰিম কিম্বা মৰিম'- এই অমোঘ মন্ত্ৰ শুনায়। ন' আগষ্টৰ প্ৰত্যুষতে গান্ধীজী আৰু কংগ্ৰেছ ৱৰ্কিং কমিটিৰ সদস্যসকলক চৰকাৰে আটক কৰি বিভিন্ন জেললৈ প্ৰেৰণ কৰে। কংগ্ৰেছ আইনী ঘোষিত হয় আৰু সকলো ঠাইতে কংগ্ৰেছৰ আগশাৰীৰ নেতাসকলক চৰকাৰে কাৰাৰুদ্ধ কৰে।

দেশৰ জনপ্ৰিয় নেতাসকলক এনেকৈ কাৰাৰুদ্ধ কৰাত জনতা বিক্ষুব্ধ হৈ পৰে আৰু লগে লগে ৰাজ পথলৈ ওলাই আহি ধৰ্মঘট, শোভাযাত্ৰা কৰি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰায় লগে লগে সমগ্ৰ দেশ জুৰি আৰম্ভ হয় ভাৰত ত্যাগ আন্দোলন বা '৪২ ৰ গণ বিপ্লৱ। সকলো ঠাইতে পুলিচৰ গুলীচালনা আৰু লাঠী চালনা ব্যাপক ৰূপত হয়।

## 11.2.5 আলোচনা

আকৌ উভতি চাওঁ আহা। এইমাত্ৰ পঢ়া কথাখিনি পুনৰ জুকিয়াই চাওঁ।

প্ৰত্যুষতে (বিণ) : ৰাতিপুৱাই

ভাৰতৰ আন আন ঠাইৰ দৰে অসমতো স্বাধীনতা আন্দোলনৰ ঢৌ উঠে। ১৮৮৪ চনত যোৰহাটত গঠিত 'সাৰ্বজনীন সভা' আৰু ১৯০৩ চনত ব্ৰহ্মপুত্ৰ উপত্যকাত জন্ম লাভ কৰা 'অসাম এচোচিয়েচন' অসমৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত চৰকাৰৰ বিপক্ষে মাত মাতিছিল।

প্ৰথম মহাযুদ্ধৰ পাছত দেশৰ অন্যান্য অঞ্চলৰ দৰে অসমৰো অৰ্থনৈতিক আৰু ৰাজনৈতিক পদ্ধতিৰ পৰিবৰ্তন হয়। ভাৰতৰ ৰাজনীতিত গান্ধীজীয়ে সক্ৰিয় ভাৱে গণ আন্দোলনৰ পথ লবলৈ সকলোকে আহ্বান জনায়। আনহাতে ইংৰাজ চৰকাৰে আন্দোলন ৰোধ কৰিবলৈ 'ৰাওলাট আইন' প্ৰৱৰ্তন কৰাৰ লগে লগে গান্ধীজীয়ে সত্যাগ্ৰহৰ জৰিয়তে হৰতাল আৰম্ভ কৰে। চৰকাৰে জালিয়ানৱালাবাগত মেচিনগানেৰে বহুলোকৰ প্ৰাণ নাশ কৰে। এনে জঘন্য হত্যাকাণ্ডৰ পিছত ইংৰাজ বিৰোধী মনোভাৱ আৰু বেছি গাঢ় হৈ উঠে।

বিক্ষুব্ধ (বিণ) ঃ আলোড়িত, অস্থি

১৯২০ চনত কলিকতাত অনুষ্ঠিত কংগ্ৰেছৰ বিশেষ অধিবেশনত গান্ধীজীয়ে দেশত স্বৰাজ স্থাপনৰ উদ্দেশ্যে অসহযোগ আন্দোলনৰ প্ৰস্তাৱ দাঙি ধৰে। নাগপুৰ অধিবেশনৰ লগতে অনুষ্ঠিত হোৱা ছাত্ৰ সন্মিলনৰ সিদ্ধান্ত মৰ্মে সুৰতে সুৰ মিলাই অসমতো স্কুল-কলেজ বৰ্জন কৰা হৈছিল। তেওঁলোকে দেশৰ চুকে কোনে অসহযোগৰ বাণী প্ৰচাৰ কৰিছিল। দেশৰ সকলো ঠাইতে বিদেশী বস্তু বৰ্জন কৰা হৈছিল। ফলত শ শ আন্দোলনকাৰীয়ে কাৰাবাস খাটিব লগা হৈছিল।

১৯৩০ চনৰ ২৬ জানুৱাৰীত লাহোৰত স্বতন্ত্ৰতা দিৱস পালন কৰা হয়। চৰকাৰে 'গৱৰ্ণমেণ্ট অব ইণ্ডিয়া এক্ট' মতে ১৯৩৫ চনত ভাৰতত স্বায়ত্ব শাসনৰ ভিত্তিত যুক্তৰাষ্ট্ৰ গঠন কৰে। ১৯৩৯ চনৰ দ্বিতীয় মহাসমৰত ইংলেণ্ডত চৰকাৰে ভাৰতকো সামৰাত গান্ধীজীৰ নেতৃত্বত সত্যাগ্ৰহ আৰম্ভ হয়। অসমতো যুদ্ধ বিৰোধী প্ৰচাৰ চলে। ১৯৪২ চনৰ বোম্বাই অধিবেশনত পূৰ্ণ স্বাধীনতা বিচাৰি 'ভাৰত ত্যাগ' প্ৰস্তাৱ দাঙি ধৰা হয়। ভাৰত ত্যাগ আন্দোলনত জপিয়াই পৰা সকলৰ ওপৰত চৰকাৰে অমানুষিক অত্যাচাৰ চলায়।

## 11.2.6 দ্বিতীয় পাঠ ভাগৰ প্ৰশ্নাৱলী

১১। 'আসাম এচোচিয়েচন'ৰ জন্ম কেতিয়া হৈছিল?

১২। 'ৰাওলাট আইন' কেতিয়া আৰু কোনে প্ৰচলন কৰে?

১৩। 'অসহযোগ'ৰ প্ৰস্তাৱ কেতিয়া আৰু ক'ত গ্ৰহণ কৰা হয়?

১৪। পাণ্ডুত কংগ্ৰেছ অধিবেশন কেতিয়া বহিছিল?

১৫। 'পূৰ্ণ স্বাধীনতা'ৰ প্ৰস্তাৱ কেতিয়া আৰু ক'ত গ্ৰহণ কৰা হয়?

১৬। জাতীয় কংগ্ৰেছে কেতিয়া আৰু ক'ত প্ৰথমবাৰলৈ 'স্বতন্ত্ৰতা দিৱস' পালন কৰে?

১৭। 'আইন অমান্য আন্দোলন' কেতিয়া হয়?

১৮। 'ভাৰতত যুক্তৰাষ্ট্ৰ' কেতিয়া গঠন হয়?

১৯। দ্বিতীয় মহাসমৰ কেতিয়া আৰম্ভ হয়?

২০। 'ভাৰত ত্যাগ' প্ৰস্তাৱ কেতিয়া গ্ৰহণ কৰা হয়?

এতিয়া আহা, আমি মুদ্ৰিত প্ৰতিলিপিৰ তৃতীয় ভাগ যথাযথ ভাৱে অধ্যয়ন কৰোঁহক।

## 11.2.7 মূল পাঠ

### মুদ্ৰিত প্ৰতিলিপিৰ তৃতীয় ভাগ

আন প্ৰদেশত চলা আন্দোলনৰ কথাবিলাক কাগজে পত্ৰই পঢ়ি অসমৰ জনসাধাৰণো আন্দোলনত জপিয়াই পৰিল। সকলো ঠাইতে হৰতাল, শোভাযাত্ৰা, পিকেটিং ব্যাপক ৰূপে হ'ল। ঠায়ে ঠায়ে টেলিগ্ৰাফৰ তাঁৰ কটা, দলং ভঙা, চৰকাৰী ঘৰ জ্বলাই ভস্মীভূত কৰা, যুদ্ধৰ যোগান সামগ্ৰী ব্যৱস্থা বিকল কৰা, যাতায়াত ব্যৱস্থা বিনষ্ট কৰা ইত্যাদি কামবোৰ সঘনাই হবলৈ ধৰিলে। বহুতো আন্দোলনকাৰীয়ে আত্মগোপন কৰি এনেধৰণৰ ধ্বংসাত্মক কাৰ্য্যত লিপ্ত হ'ল। ঠায়ে ঠায়ে সামৰিক সামগ্ৰী কঢ়িয়াই অনা ৰেলগাড়ী লাইনচ্যুত কৰি বগৰাই পোলোৱা হ'ল। ৰেলষ্টেচন জ্বলাই দিয়া হ'ল।

'৪২ ৰ আন্দোলনত জনতাই স্বতঃস্ফূৰ্ত ভাবে জপিয়াই পৰিছিল। জনতাক বাধা দিবলৈ চৰকাৰে অভাৱনীয় ৰূপে নিষ্পেষণ আৰু দমন নীতিৰ আশ্ৰয় লৈছিল। তাৰ বাবে চৰকাৰে কুশল কোঁৱৰক প্ৰধান জগৰীয়া সাব্যস্ত কৰি যোৰহাটৰ কাৰাগাৰত মৃত্যুদণ্ড দিয়ে। উক্ত গোচৰত ছয়জন লোকৰ দহ বছৰলৈ কাৰাদণ্ডৰ আদেশ হয়।

তাৰোপৰি ঢেকিয়াজুলি, গহপুৰ, বৰহমপুৰ, বেবেজীয়া জোঙালবলহ গড়, বাৰপূজীয়া আদি ঠাইত পুলিচে জনতাৰ ওপৰত নিৰ্বিচাৰে গুলীচালনা কৰে। ঢেকিয়াজুলিত তিলেশ্বৰী কোঁচ, নুমলি নাথ , খহুলি নাথ আদি কৰি তেৰগৰাকী বীৰ

-বীৰাংগনাই পুলিচৰ বৰ্বৰোচিত গুলী আৰু লাঠীচালনাত প্ৰাণাহুতি দিয়ে। গহপুৰতো পুলিচৰ নিৰ্বিচাৰ গুলী চালনাত কনকলতা বৰুৱা আৰু মুকুন্দ কাকতী, বৰহমপুৰত ভোগেশ্বৰী ফুকননী সমন্বিতে চাৰিগৰাকী, বেবেজীয়াত দুজন, জোঙাল বলহ গড়ত দুজন, বাৰপুজীয়াত এজন আৰু বজালীত দুজনে পুলিচৰ গুলীত প্ৰাণ বিসৰ্জন দিয়ে। '৪২ ৰ বিপ্লৱত অসমত সৰ্বমুঠ ২৯ গৰাকী বীৰ -বীৰাংগনাই দেশৰ বাবে আত্ম বলিদান দিয়ে।

বিকল (বিশ): বিকৃত

ভাৰতত্যাগ আন্দোলনত ছাত্ৰসকল বিশেষকৈ যুৱসমাজে মুখ্য ভূমিকা পালন কৰিছিল। মহিলাসকলৰ ভূমিকাও এই ক্ষেত্ৰত লেখতলবলগীয়া আছিল। '৪২ ৰ গণ বিপ্লৱে ভাৰতৰ স্বাধীনতা ৰণৰ পৰিসমাপ্তি ঘটায়। নানা ঘাত-প্ৰতিঘাতৰ মাজেদি ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতে স্বাধীনতা লাভ কৰে।

ভাৰতৰ মুক্তিসংগ্ৰামৰ ইতিহাসত অসমৰ এক গৌৰৱোজ্জ্বল অৱদান আছে। গান্ধীজীৰ নেতৃত্বত ভাৰতীয় জনসাধাৰণে এক অভূতপূৰ্ব দীঘলীয়া অহিংস মুক্তিসংগ্ৰাম চলাই কৃতকাৰ্য্য হৈছিল। পৰাস্ত হৈছিল সেইকালৰ এক শক্তিবান ৰাষ্ট্ৰ গ্ৰেট বৃটেইন। গান্ধীজীৰ নেতৃত্বত অহিংস সেনাবাহিনীয়ে সশস্ত্ৰ হিংসাৰ বিৰুদ্ধে নিৰ্ভীক ভাৱে যুঁজি প্ৰাণ পৰ্য্যন্ত বিসৰ্জন দি সত্য, অহিংসা,প্ৰেমেৰে বিজয় সাব্যস্ত কৰিছিল। এইয়া আছিল দেশবাসীৰ ত্যাগ, নিষ্ঠা আৰু দেশপ্ৰেমৰ গৌৰৱোজ্জ্বল স্বাক্ষৰ।

ভস্মীভূত (বিশ) : পুৰি চাৰখাৰ হোৱা

ঘাত (বি) : আঘাত

## 11.2.8 আলোচনা

পৰাস্ত (বিশ) : পৰাজিত

আকৌ উভতি চাওঁ আহা। এইমাত্ৰ পঢ়া কথাখিনি পুনৰ জুকিয়াই চাওঁ আহা।

ভাৰতৰ অন্যান্য প্ৰদেশৰ দৰে অসমতো হৰতাল, শোভাযাত্ৰা, পিকেটিং চলে। ঠাই বিশেষে বিভিন্ন ধৰণৰ ধ্বংসাত্মক কাৰ্য্যকলাপো সংঘটিত হ'ল। সৰু পথাৰত ৰেলগাড়ী লাইনচ্যুত হোৱা অপৰাধত কুশল কোঁৱৰক প্ৰধান অপৰাধী সজাই যোৰহাট কাৰাগাৰত মৃত্যুদণ্ড দিয়ে। ঢেকিয়াজুলি,গহপুৰ আদি বিভিন্ন ঠাইত পুলিচ-মিলিটেৰীয়ে নিৰ্বিচাৰ গুলীচালনা কৰে। '৪২ ৰ গণ আন্দোলনত কনকলতা বৰুৱা,মুকুন্দ কাকতী, ভোগেশ্বৰী ফুকননীকে ধৰি মুঠ ২৯ গৰাকী ) বীৰ-বীৰাংগনা শ্বহীদ হয়। এই গণবিপ্লৱেই ভাৰতৰ স্বাধীনতা আন্দোলনৰ শেষ পৰ্য্যায়ৰ আন্দোলন আছিল। এইদৰে নানা ঘাত-প্ৰতিঘাতৰ মাজেদি ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ভাৰতে স্বাধীনতা লাভ কৰে।

নিৰ্ভীক (বিশ) : সাহসী

নিষ্ঠা (বিশ) : দৃঢ়, শ্ৰদ্ধা

সমন্বিতে (অব্যয়) : সৈতে, একেলগে

ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ অৱদান লেখতলবলগীয়া। ভাৰতৰ স্বাধীনতাৰ মূলতে হৈছে ত্যাগ আৰু নিষ্ঠাৰে নিৰ্ভীক ভাৱে হিংসাৰ বিৰুদ্ধে চলোৱা অহিংস আন্দোলন।

## 11.2.9 শেষ পাঠ ভাগৰ প্ৰশ্নাৱলী

ভূমিকা (বি) : পাতনি

এইবাৰ আমি এই পাঠাংশৰেই কিছু চমু প্ৰশ্ন আলোচনা কৰি নিজৰ প্ৰগতি পৰীক্ষা কৰি চাওঁহক।

২১। আন্দোলনকাৰীসকলে কি পদ্ধতিৰে ধ্বংসাত্মক কাৰ্য্যত লিপ্ত হৈছিল?

২২। সৰু পথাৰত ৰেল লাইন উঠোৱা কামৰ বাবে প্ৰধানকৈ কাক জগৰীয়া কৰিছিল?

২৩। গহপুৰত পুলিচৰ গুলীচালনাত নিহত হোৱা বীৰাংগনাজনী কোন?

২৪। '৪২ ৰ বিপ্লৱত কিমান গৰাকী বীৰ-বীৰাংগনাই প্ৰাণ আহুতি দিছিল?

স্বাক্ষৰ (বি) : চহী

২৫। ভাৰতৰ স্বাধীনতা বণৰ পৰিসমাপ্তি ঘটোৱা আন্দোলনটি কি?

২৬। ১৯৪৭ চনৰ ১৫ আগষ্টৰ উল্লেখযোগ্য ঘটনাটো কি?

২৭। ভাৰতবৰ্ষ অধিকাৰ কৰা শক্তিশালী ৰাষ্ট্ৰ কোনখন বুলি লেখকে কৈছে?

## 11.3 মূল পাঠৰ সাৰাংশ

১৮২৬ চনত মান ৰজা আৰু ইংৰাজৰ মাজত হোৱা ইয়াণ্ডাবু সন্ধিৰ পাছত অসম মানৰ হাতৰ পৰা ইংৰাজৰ হাতলৈ যায়। ইংৰাজসকলে অসমবাসীৰ মনৰ কামনা পূৰণ কৰি অসম ত্যাগ কৰিব বুলি সান্ত্বনা বাণী শুনাইছিল যদিও তেওঁলোকে অসমৰ প্ৰাকৃতিক সম্পদৰ লোভত অসম এৰি নগৈ ভালদৰে খোপনি পুতিহে ললে। এইদৰে লাহে লাহে সমগ্ৰ উত্তৰ-পূব ভাৰতক তেওঁলোকৰ বহতীয়া কৰি পেলালে। ইংৰাজসকলৰ এনে সাম্ৰাজ্যবাদী চিন্তাধাৰা দেখি বিভিন্ন লোক অসন্তুষ্ট হৈ পৰিল। ঠাই বিশেষে ইংৰাজখেদাৰ ষড়যন্ত্ৰ চলিল। সেয়েহে ১৮২৮ আৰু ১৮৩০ চনত উজনি অসমত হোৱা সশস্ত্ৰ বিদ্ৰোহে ইংৰাজসকলক ভীতি বিহ্বল কৰি তোলে।

১৮৩০ চনৰ বিদ্ৰোহত ইংৰাজে পিয়লী বৰফুকন আৰু জীওৰাম দুলীয়া বৰুৱাক প্ৰাণদণ্ড দিয়ে।

১৮৫৭ চনত চিপাহী বিদ্ৰোহ হয়। মণিৰাম বৰভাণ্ডাৰ বৰুৱাই কলিকতাৰ পৰাই অসমৰ বিভিন্ন ঠাইত থকা চিপাহীৰ লগত যোগাযোগ কৰি বিদ্ৰোহৰ পাতনি মেলিব খুজিছিল। অসমত থকা ৰাভা, মণিপুৰী আৰু দোৱনীয়া চিপাহীয়ে ইংৰাজক বিশ্বাসঘাতকতা কৰিবলৈ টান পোৱাত সামূহিক ঐক্যত ব্যাঘাত জন্মিছিল যদিও সীমান্তবৰ্তী পাৰ্বত্য অঞ্চলসমূহে সুকীয়া সুকীয়া ভাবে ইংৰাজৰ বিৰুদ্ধাচৰণ কৰিছিল। বিদ্ৰোহত ভাগলোৱা অপৰাধতেই ১৮৫৮ চনত মণিৰাম দেৱান আৰু পিয়লি বৰুৱাৰ ফাঁচী হয়। বহুতে যাৱজ্জীৱন কাৰাবাস খাটে। খাচিয়া জয়ন্তীয়া পাহাৰ, শদিয়া আদি অঞ্চলত ইংৰাজৰ বিৰুদ্ধে সশস্ত্ৰ বিদ্ৰোহ চলে। চিপাহী বিদ্ৰোহৰ ফলশ্ৰুতিতেই ভাৰতবৰ্ষত কোম্পানী শাসনৰ অন্ত পৰে আৰু শাসনভাৰ ইংৰাজ চৰকাৰৰ হাতত ন্যস্ত হয়। ইতিহাসবিদসকলৰ মতে এয়ে আছিল ভাৰতৰ প্ৰথম স্বাধীনতা ৰণ।

ইংৰাজ চৰকাৰে অসমৰ কৃষক সকলৰ ভূমি ৰাজহৰ নিৰিখ বৃদ্ধি কৰাত কৃষকসকলে ঐক্যবদ্ধ ভাৱে ১৮৬১ চনৰ পৰা বিদ্ৰোহৰ পাতনি মেলে। ১৮৯৪ চনত পথৰুঘাটৰ ৰণত ভালেমান কৃষকৰ প্ৰাণ নাশ হয়। অৱশেষত ৰাইজৰ সজোৰ প্ৰতিবাদত চৰকাৰে বাধ্য হৈ ৰাজহৰ বৰ্দ্ধিত হাৰ কিছু পৰিমাণে হ্ৰাস কৰে।

সৰ্বভাৰতীয় ক্ষেত্ৰত জাতীয় কংগ্ৰেছৰ জন্ম হয় ১৮৮৫ চনত। ইংৰাজী শিক্ষাৰ প্ৰসাৰতা, যাতায়াত ব্যৱস্থাৰ উন্নতি আৰু বাতৰি কাকতৰ প্ৰচলনে দেশৰ আন আন ঠাইৰ দৰে অসমৰ মানুহকো ভাব বিনিময়ৰ সুবিধা কৰি দিলে। ১৮৮৪ চনত যোৰহাটত গঠিত সাৰ্বজনীন সভাই ৰাইজৰ অভাৱ-অভিযোগৰ বিষয়ে চৰকাৰক অৱগত কৰিছিল। আনহাতে ১৯০৩ চনত জন্ম লাভ কৰা আসাম এচোচিয়েচনে অসমৰ ৰাজনৈতিক-অৰ্থনৈতিক ক্ষেত্ৰত মাত মাতিছিল।

প্ৰথম মহাসমৰৰ পৰৱৰ্তী কালছোৱাত ভাৰতৰ ৰাজনীতিত গান্ধীজীয়ে ভূমুকি মাৰে। গান্ধীজীৰ নেতৃত্বত ভাৰতত সক্ৰিয় গণবিপ্লৱ চলে। ১৯১৯ চনত আন্দোলন বোধ কৰিবলৈ চৰকাৰে 'ৰাওলাট আইন' বলবৎ কৰাত গান্ধীজীয়ে সত্যাগ্ৰহ আন্দোলন আৰম্ভ কৰে। ইয়াৰ ফলত পাঞ্জাবৰ জালিয়ানৱালাবাগত চৰকাৰে চাৰি শতাধিক নিৰস্ত্ৰ জনতাক গুলীয়াই মাৰে। এই নৃশংস হত্যাকাণ্ডই ভাৰতবাসীক বিক্ষুব্ধ কৰি তোলে।

১৯২০ চনত গান্ধীজীয়ে দেশত স্বৰাজ স্থাপনৰ বাবে অসহযোগৰ প্ৰস্তাৱ

দাণ্ডি ধৰে। অসমৰো ঠায়ে ঠায়ে সভা পাতি স্কুল-কলেজ, আদালত, কাউন্সিল আদি বৰ্জন কৰি আন্দোলনত যোগ দিয়ে দেশৰ ছাত্ৰ আৰু কৰ্মচাৰী সকলে। অসহযোগ আন্দোলনত বিদেশী বস্ত্ৰ বৰ্জন, ৰাগিয়াল বস্তু বৰ্জন, সাম্প্ৰদায়িক ঐক্য, সূতা কটা আদি বিভিন্ন আঁচনি চলে। সেই উদ্দেশ্যে অসমতো স্বৰাজ ফাণ্ডলৈ দান-বৰঙণি তোলা হয়। ১৯২১ চনত অসমত বহুতে কাৰাবাস খাটে। ১৯২৬ চনত পাণ্ডুত কংগ্ৰেছ অধিবেশন অনুষ্ঠিত হয়। ফলত সকলোৰে মনত জাতীয়তাবাদী চিন্তাধাৰাৰ উন্মেষ ঘটে। ১৯২৯ চনত লাহোৰত পূৰ্ণ স্বাধীনতা প্ৰস্তাৱ গৃহীত হয়। ১৯৩০ চনৰ ২৬ জানুৱাৰীত স্বতন্ত্ৰতা দিৱস পালন কৰা হয়। উক্ত চনতে গান্ধীজীয়ে আইন অমান্য আন্দোলন আৰম্ভ কৰে। ঠিক সেই সময়তে অসমত শিক্ষা বিভাগে হৰতাল, শোভাযাত্ৰা আদিত ছাত্ৰসকলৰ যোগদান ৰোধ কৰিবৰ বাবে এক নিষেধাজ্ঞা জাৰি কৰে। এই আধ্যদেশে ছাত্ৰসমাজত ক্ষোভৰ সৃষ্টি কৰে। চৰকাৰী শিক্ষানুষ্ঠানসমূহত পিকেটিং চলোৱা হয়। ফলত ঠায়ে ঠায়ে জাতীয় বিদ্যালয় গঢ়ি উঠে। পিকেটিং কৰাৰ অপৰাধত বহুতো ছাত্ৰ আৰু মহিলা কাৰাৰুদ্ধ হয়।

ইংৰাজ চৰকাৰে সংখ্যালঘুকে ধৰি কিছু সংখ্যক ভাৰতীয়ক আন্দোলনৰ পৰা বিৰত ৰাখিবলৈ বিভিন্ন পন্থা অবলম্বন কৰিছিল। জাতি-ধৰ্ম-সম্প্ৰদায়ৰ মাজত বিভেদকামী মনোভাবৰ সৃষ্টি কৰিছিল।

১৯৩৫ চনত ভাৰতত যুক্তৰাষ্ট্ৰ গঠন হয়। ১৯৩৭ চনত হোৱা নিৰ্বাচনত অংশ গ্ৰহণ কৰি কংগ্ৰেছে সাতখন প্ৰদেশত চৰকাৰ গঠন কৰে। এবছৰ পিছতে অৰ্থাৎ ১৯৩৯ চনৰ চেপ্তেম্বৰ মাহত দ্বিতীয় মহাযুদ্ধ আৰম্ভ হয়। উক্ত যুদ্ধত ভাৰতকো সাঙুৰি লোৱাত ১৯৪০ চনত মহাত্মাগান্ধীয়ে যুদ্ধবিৰোধী সত্যাগ্ৰহ আন্দোলন আৰম্ভ কৰে। ফলত বহুতে কাৰাবাস খাটে।

১৯৪২ চনৰ ৮ আগষ্টৰ দিনা 'পূৰ্ণ স্বাধীনতা'ৰ প্ৰস্তাৱ দাণ্ডি ধৰে। গান্ধীজীয়ে বৃটিছ চৰকাৰৰ ওচৰত ভাৰতত্যাগ প্ৰস্তাৱ উত্থাপন কৰে। ৯ আগষ্টৰ দিনা চৰকাৰে গান্ধীজীকে ধৰি ৱৰ্কিং কমিটিৰ সদস্যসকলক আটক কৰি বিভিন্ন জেললৈ প্ৰেৰণ কৰে। চৰকাৰৰ এনে কাৰ্য্যত ক্ষুব্ধহৈ দেশৰ জনতা ৰাজপথলৈ ওলাই ধৰ্মঘট আৰু শোভাযাত্ৰাৰে প্ৰতিবাদ সাব্যস্ত কৰে। সমগ্ৰ দেশ জুৰি গণ বিপ্লৱ বা ভাৰতত্যাগ আন্দোলন আৰম্ভ হয়। অসমৰ জনসাধাৰণেও আন্দোলনত জপিয়াই পৰে। সকলো ঠাইতে হৰ্বতাল, শোভাযাত্ৰা, পিকেটিং চলাৰ উপৰিও ঠায়ে ঠায়ে গোপনে ধ্বংসাত্মক কাৰ্য্যকলাপো চলে। সৰুপথাৰত ৰেললাইন চ্যুত হোৱা কাৰণেই চৰকাৰে কুশল কোঁৱৰক অপৰাধী সজাই যোৰহাট কাৰাগাৰত ফাঁচী দিয়ে। ঢেকিয়াজুলি, গহপুৰ বৰহমপুৰ, বেবেজীয়া জোঙাল বলহু গড়, বাৰপূজীয়া আদি ঠাইত পুলিচৰ নিৰ্বিচাৰ

গুলী চালনাত ভোগেশ্বৰী ফুকননী, কনকলতা বৰুৱা, মুকুন্দ কাকতী প্ৰভৃতি ভালে সংখ্যক বীৰ-বীৰাংগনাই প্ৰাণ আহুতি দিয়ে। ১৯৪২ চনৰ গণ বিপ্লৱেই ভাৰতৰ স্বাধীনতা লাভৰ অন্তিম ৰণ। এই অহিংসা ৰণৰ মাজেদিয়েই ভাৰতে ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা স্বাধীনতা লাভ কৰে। ভাৰতৰ এই মুক্তি সংগ্ৰামত অসমৰ অৱদানৰ কথা ইতিহাসৰ পাতত চিৰজ্যোতিষ্মান হৈ ৰব।

## 11.4 টোকা

**ইয়াণ্ডাবু সন্ধি ঃ** ইয়াণ্ডাবু এখন গাৱৰ নাম। মানদেশৰ ৰাজধানী আভা চহৰৰ পৰা প্ৰায় ৪৫ মাইল দক্ষিণে এই গাওঁখন অৱস্থিত। অসমত দখল সাব্যস্ত কৰা মানৰজা আৰু ইংৰাজৰ প্ৰতিনিধিয়ে ইয়াতে এখন ১২ দফীয়া শান্তি চুক্তি স্বাক্ষৰিত কৰে। এই চুক্তিখনৰ নামেই ইয়াণ্ডাবু সন্ধি। এই সন্ধিৰ চৰ্ত অনুসৰি ইংৰাজে ব্ৰহ্মদেশৰ যিটো অঞ্চল নিজৰ দখললৈ আনিছিল সেই অঞ্চলটো মান ৰজাক ঘূৰাই দিয়ে আৰু মানৰজাই পূৰ্বে দখল কৰা অসম অঞ্চল ইংৰাজক শোধাই দিয়ে।

**আসাম এচোচিয়েচন ঃ** ইংৰাজৰ ৰাজত্ব কালত ১৯০৩ চনত ব্ৰহ্মপুত্ৰ উপত্যকাক সামৰি প্ৰভাত চন্দ্ৰ বৰুৱা আৰু মাণিক চন্দ্ৰ বৰুৱাৰ উদ্যোগত 'আসাম এচোচিয়েচনে' জন্ম লাভ কৰে। অসমৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত চৰকাৰৰ ওচৰত মাত মতাৰ অৰ্থে এই অনুষ্ঠান গঠিত হৈছিল।

**সাৰ্বজনীন সভা ঃ** শাসকীয় গোষ্ঠীৰ ওচৰত ৰাইজৰ অভাৱ-অভিযোগৰ কথা সদৰি কৰাৰ উদ্দেশ্যে ১৮৮৪ চনত যোৰহাটত এই অনুষ্ঠান গঠন হয়। ইয়াৰ নেতৃত্ব দিছিল জগন্নাথ বৰুৱাই।

**ৰাওলাট আইন ঃ** মহাত্মা গান্ধীয়ে ইংৰাজৰ বিৰুদ্ধে সক্ৰিয় গণ আন্দোলনৰ পথ ল'বলৈ ৰাইজক আহ্বান জনোৱাৰ পিচত চৰকাৰে ৰাজনৈতিক আন্দোলন মষিমূৰ কৰাৰ উদ্দেশ্যে ১৯১৯ চনত 'ৰাওলাট আইন' প্ৰয়োগ কৰে।

**জালিয়ানৱালাবাগ ঃ** ই পাঞ্জাব ৰাজ্যৰ অমৃতসৰত থকা ওখ প্ৰাচীৰেৰে ঘেৰা এখন ইতিহাস প্ৰসিদ্ধ ঠাই। স্বাধীনতা প্ৰয়াসী বহু জনতাই শান্তিপূৰ্ণভাৱে একগোট হৈ প্ৰতিবাদী সভাপতাৰ বাবে সেই সভাথলীতেই জেনেৰেল ডায়াৰে নিৰস্ত্ৰ জনতাৰ ওপৰত গুলী চালনা কৰাৰ নিৰ্দেশ দিয়ে, যাৰ ফলত চাৰিশৰো অধিক লোক নিহত আৰু প্ৰায় এহেজাৰ লোক আহত হয়।

**উপনিবেশ ঃ** নতুনকৈ বেপাৰ-বাণিজ্যৰ বাবে এখন দেশৰ পৰা আহি আন এখন দেশত বসতি স্থাপন কৰা ।

**মণিৰাম দেৱান ঃ** মণিৰাম দেৱানৰ প্ৰকৃত নাম মণিৰাম বৰভাণ্ডাৰ বৰুৱা। ১৮৫৭ চনত ইংৰাজৰ বিৰুদ্ধে সংঘঠিত হোৱা চিপাহী বিদ্ৰোহৰ লগত মণিৰামৰ সম্পৰ্ক আছিল। এই বিদ্ৰোহত লিপ্ত থকাৰ অপৰাধত ১৮৫৮ চনত শাসকবৰ্গই মণিৰাম দেৱানক ফাঁচী দিয়ে।

**পথৰুঘাট ঃ** অসমৰ দৰং জিলাৰ এখন ইতিহাস প্ৰসিদ্ধ ঠাই। কৃষক সকলৰ ওপৰত ৰাজহ বৃদ্ধি কৰাত কৃষক সকলৰ মাজত অশান্তিয়ে দেখা দিছিল। ৰাজহ হ্ৰাস কৰাৰ বাবে তেওঁলোকে বিদ্ৰোহ আৰম্ভ কৰিছিল। ১৮৯৪ চনত পথৰুঘাটত সম্পূৰ্ণ গণতান্ত্ৰিক ভাৱে কৃষকসকলে প্ৰতিবাদ সাব্যস্ত কৰাত চিপাহী আৰু কৃষকৰ মাজত সংঘাত হোৱাত কৃষকৰ ওপৰত নিৰ্বিচাৰে গুলী চালনা হয়। লগে লগে ২৪ জন কৃষকৰ প্ৰাণ নাশ হয়। আৰু বহুতো আঘাত প্ৰাপ্ত হয়। এয়ে পথৰুঘাটৰ ৰণ।

**কুশল কোঁৱৰ ঃ** ১৯৪২ চনৰ গণ আন্দোলনত দেশৰ জনতা জপিয়াই পৰিছিল। ইংৰাজ চৰকাৰেও কাঠোৰ ভাৱে দমন নীতিৰ আশ্ৰয় লৈছিল। সেই সময়ত ঠায়ে ঠায়ে ধ্বংসাত্মক কাৰ্য্য সংঘটিত হৈছিল। সৰুপথাৰ ৰেলষ্টেচনৰ ওচৰতে এখন ৰেলগাড়ী লাইনচ্যুত হোৱাৰ অপৰাধত কুশল কোঁৱৰক দোষী সাব্যস্ত কৰি যোৰহাট কাৰাগাৰত মৃত্যুদণ্ড দিয়ে।

**মহাত্মা গান্ধী ঃ** এওঁ ভাৰতৰ মুক্তি আন্দোলনৰ প্ৰধান নেতা। প্ৰকৃত নাম মোহন দাস কৰমচাঁদ গান্ধী। প্ৰথম মহাসমৰৰ পৰৱৰ্তী কালছোৱাত ভাৰতৰ ৰাজনৈতিক পদ্ধতিৰ পৰিবৰ্তন ঘটাই সক্ৰিয় গণ আন্দোলনৰ পথ লবলৈ ৰাইজক আহ্বান জনায়। মহামানৱ মহাত্মা গান্ধীৰ সবল নেতৃত্বই ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ভাৰতে স্বাধীনতা লাভ কৰে। এওঁক 'বাপুজী' বুলিও জনা যায়।

## 11.5 সাধাৰণ অনুশীলনী

### 11.5.1 তলত দিয়া প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া

২৮। ইংৰাজসকলে কেনেকৈ অসম অধিকাৰ কৰিছিল ?

২৯। কি চৰ্তত ইংৰাজসকলে দেশ এৰি যাব বুলি অসমীয়া সকলক আশ্বাস দিছিল ?

৩০। 'উত্তৰ পূৱ ভাৰত জুৰি এজোপা বিৰাট বৰ গছ হ'ল' — এই বিৰাট বৰগছ জোপাই কাক বুজাইছে?

৩১। ইংৰাজৰ হঠকাৰিতাই আহোমসকলৰ অভিজাত শ্ৰেণীৰ লোকসকলৰ মনত কি ভাবৰ জন্ম দিলে?

৩২। ভাৰতবৰ্ষত ইংৰাজৰ প্ৰত্যক্ষ শাসন কেতিয়া প্ৰতিষ্ঠিত হয়?

৩৩। 'অসহযোগ আন্দোলন'ৰ মূল উদ্দেশ্যে কি আছিল?

৩৪। স্বাধীনতা আন্দোলনত অসম কংগ্ৰেছৰ অবিসম্বাদী নেতা কোন কোন আছিল?

৩৫। 'আইন অমান্য আন্দোলন'ৰ সময়ত অসমৰ শিক্ষা বিভাগে কাক উদ্দেশ্য কৰি নিষেধাজ্ঞা জাৰি কৰিছিল?

৩৬। দ্বিতীয় মহাসমৰত কোনে কাৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল ?

৩৭। গান্ধীজীয়ে দেশবাশীক কি অমোঘ মন্ত্ৰ শুনাইছিল?

## 11.6 মনোধৰ্মী বা সৃষ্টিধৰ্মী প্ৰশ্নাৱলী

মূল পাঠটো ভালদৰে অধ্যয়ন কৰি তলত দিয়া প্ৰশ্ন সমূহৰ উত্তৰ লিখা

৩৮। ইংৰাজ আৰু মানৰ মাজত হোৱা শান্তি চুক্তিৰ বিষয়ে চমু বৰ্ণনা দিয়া।

৩৯। সমগ্ৰ অসম অধিকাৰ কৰাৰ পিচত ইংৰাজসকলৰ মনোভাব কেনে হৈছিল? তেওঁলোকৰ কিয় অসম প্ৰীতি জন্মিল? পাঠৰ সহায়ত বুজাই লিখা।

৪০। ১৮২৮ আৰু ১৮৩০ চনত উজনি অসমত সংঘটিত হোৱা বিদ্ৰোহৰ এটি চমু বিৱৰণ দিয়া।

৪১। ইংৰাজৰ অনুপ্ৰবেশে সীমান্তবৰ্তী পাৰ্বত্য অঞ্চলসমূহত কেনে ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল —পাঠৰ সহায়ত আলোচনা কৰা।

৪২। অসমত হোৱা কৃষক বিদ্ৰোহৰ এটি সংক্ষিপ্ত বিৱৰণ দিয়া।

৪৩। ভাৰতৰ স্বাধীনতা আন্দোলনত জাতীয় কংগ্ৰেছৰ ভূমিকা সম্বন্ধে এটি আলোচনা যুগুত কৰা।

৪৪। ভাৰতৰ স্বাধীনতা আন্দোলনত মহাত্মা গান্ধীৰ ভূমিকা সম্পৰ্কে এটি আলোচনা কৰা।

৪৫। অসহযোগ আন্দোলন আৰু আইন অমান্য আন্দোলনৰ বিষয়ে কি জানা লিখা।

## 11.7.1 পাঠ ভিত্তিক বস্তুধৰ্মী প্ৰশ্নাৱলী

### বহু বিকল্প (Multiple choice) প্ৰশ্ন

৪৬। মুল পাঠটোৰ ভিত্তিত তলত উল্লেখ কৰা প্ৰশ্নসমূহৰ উত্তৰ দিয়া। প্ৰতিটো প্ৰশ্নৰ উত্তৰৰ বাবে চাৰিটাকৈ বিকল্প দিয়া হৈছে। শুদ্ধ উত্তৰ বাছি লৈ ✓ (শুদ্ধ) চিন দিয়া

ক) মণিৰাম দেৱানক ফাঁচী দিয়ে

১। ১৮৫০ চনত　　২। ১৮৫৮ চনত
৩। ১৮৬১ চনত　　৪। ১৯০৩ চনত

খ) পথৰুঘাটত চৰকাৰৰ নিৰ্বিচাৰ গুলী চালনাত থিতাতে নিহত হয়

১। ৮০ জন　　২। ৯১ জন
৩। ২৪ জন　　৪। ৩৫ জন

গ) ১৯১৯ চনত চৰকাৰে ৰাজনৈতিক আন্দোলনক মষিমূৰ কৰিবলৈ প্ৰয়োগ কৰে

১। লোণ অমান্য আইন　　২। অৰ্থনৈতিক আইন
৩। ৰাওলাট আইন　　৪। দল ত্যাগ আইন

ঘ) ১৮৮৪ চনত সাৰ্বজনীন সভা গঠন হয়

১। গুৱাহাটীত　　২। শদিয়াত
৩। তেজপুৰত　　৪। যোৰহাটত

ঙ) গান্ধীজীয়ে অসহযোগ প্ৰস্তাৱ দাঙি ধৰে

১। কলিকতা অধিবেশনত　　২। পাণ্ডু অধিবেশনত
৩। নাগপুৰ অধিবেশনত　　৪। যোৰহাট অধিবেশনত

চ) অসম প্ৰাদেশিক কংগ্ৰেছ কমিটি গঠিত হৈছিল

১। গোপীনাথ বৰদলৈৰ নেতৃত্বত　　২। চন্দ্ৰ নাথ শৰ্মাৰ নেতৃত্বত
৩। কুলধৰ চলিহাৰ নেতৃত্বত　　৪। নবীন চন্দ্ৰ বৰদলৈৰ নেতৃত্বত

ছ) মানৰজা আৰু ইংৰাজৰ মাজত ইয়াণ্ডাবু সন্ধি হয়

১। ১৯২৬ চনত　　২। ১৮৬২ চনত
৩। ১৮২৮ চনত　　৪। ১৮২৬ চনত

জ) 'কৰেংগে ইয়া মৰেংগে'— 'কৰিম কিম্বা মৰিম'-এই অমোঘ মন্ত্ৰ শুনায়

১। তৰুণ ৰাম ফুকনে　　২। গোপীনাথ বৰদলৈয়ে
৩। মহাত্মা গান্ধীয়ে　　৪। বৃটিছ চৰকাৰে

## প্ৰদত্ত মন্তব্যৰ শুদ্ধতা/অশুদ্ধতা বিচাৰ

৪৭। মূল পাঠৰ ভিত্তিত তলত উত্থাপন কৰা তথ্যবোৰৰ শুদ্ধ অশুদ্ধ বিচাৰ কৰি শুদ্ধ তথ্যটোত শুদ্ধ চিন (✓) আৰু অশুদ্ধ তথ্যটোত অশুদ্ধ (✗) চিন ব্যৱহাৰ কৰা।

ক) শান্তি চুক্তিখনক ইতিহাসৰ পাতত 'ইয়াণ্ডাবু সন্ধি' বুলি জনা যায়।

খ) মান ৰজাই ইংৰাজৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল।

গ) সৰ্বভাৰতীয় ক্ষেত্ৰত ১৮৭৫ চনত জাতীয় কংগ্ৰেছৰ জন্ম হয়।

ঘ) বৰহমপুৰত পুলিচৰ গুলী চালনাত কনকলতা বৰুৱাৰ মৃত্যু হয়।

ঙ) অসহযোগ অন্দোলনে অসমৰ গাঁৱে-ভূয়ে এটা প্ৰবল জোকাৰণিৰ সৃষ্টি কৰিলে।

## খালী ঠাই পূৰণ

৪৮। মূল পাঠৰ পৰা উপযুক্ত শব্দ বা তথ্য সংগ্ৰহ কৰি তলৰ খালী ঠাইবোৰ পূৰণ কৰা।

ক) গান্ধীজীয়ে বৃটিছ গৱৰ্ণমেণ্টক ......... কৰি ভাৰতৰ ভাগ্য ভাৰতবাসীৰ হাততেই এৰি দিবলৈ আহ্বান জনায়।

খ) ১৯৪০ চনত মহাত্মা গান্ধীয়ে যুদ্ধ বিৰোধী ব্যক্তিগত.......... আৰম্ভ কৰে।

গ) .......... চনৰ ছেপ্তেম্বৰ মাহত দ্বিতীয় মহাসমৰ আৰম্ভ হয়।

ঘ) ১৯২৬ চনত পাণ্ডুত ............ অধিবেশন বহে।

ঙ) কানিংহাম চাৰ্কুলাৰ নামৰ এই .......... ছাত্ৰ সমাজত এক জাগৰণৰ সৃষ্টি কৰিলে।

চ) ১৯৪২ চনৰ মহাবিদ্ৰোহৰ ফলশ্ৰুতিতে ভাৰতবৰ্ষত ............ শাসনৰ পৰিসমাপ্তি ঘটে।

## ইটোৰ লগত সিটো মিলোৱা

৪৯। তলত উল্লেখ কৰা সোঁহাতৰ অংশটো বাওঁহাতৰ অংশৰ লগত মিলোৱা

| | |
|---|---|
| ক) প্ৰকৃতাৰ্থত ইংৰাজে | ক) অমান্য কৰিবলৈ সিদ্ধান্ত লয়। |
| খ) আৰু এদিন সমগ্ৰ উত্তৰ-পূৰ ভাৰত অঞ্চল | খ) বিদ্ৰোহৰ আঁখৰা চলিল। |
| গ) গান্ধীজীয়ে সত্যাগ্ৰহৰ দ্বাৰা এই আইন | গ) ইংৰাজৰ বহতীয়া হ'ল। |
| ঘ) শান্তি চুক্তিখনক ইতিহাসৰ পাতত | ঘ) অসম এৰি নগ'লগৈ। |
| ঙ) ঠায়ে ঠায়ে ইংৰাজক খেদিবলৈ | ঙ) ইয়াণ্ডাবু সন্ধি বোলা হয়। |

## তলত উল্লেখ কৰা ঘটনা প্ৰবাহৰ লগত চন বা বছৰবোৰ মিলোৱা

| | |
|---|---|
| ক) ১৯৪২ চনত | ক) কংগ্ৰেছে পূৰ্ণ স্বাধীনতা প্ৰস্তাৱ গ্ৰহণ কৰে |
| খ) ১৯৩৫ চনত | খ) লাহোৰত জাতীয় কংগ্ৰেছে স্বতন্ত্ৰতা দিৱস পালন কৰে। |
| গ) ১৯২৯ চনত | গ) যুদ্ধ বিৰোধী ব্যক্তিগত সত্যাগ্ৰহ আৰম্ভ কৰে। |
| ঘ) ১৯৩৯ চনৰ ছেপ্তেম্বৰ মাহত | ঘ) সমগ্ৰ দেশ জুৰি আৰম্ভ হয় ভাৰতত্যাগ আন্দোলন |
| ঙ) ১৯৩০ চনৰ ২৬ জানুৱাৰীত | ঙ) গৱৰ্ণমেণ্ট অৱ ইণ্ডিয়া এক্ট অনুসৰি যুক্তৰাষ্ট্ৰ গঠন হয়। |
| চ) ১৯৪২ চনৰ আগষ্ট মাহত | চ) গোপীনাথ বৰদলৈৰ নেতৃত্বত। |
| ছ) ১৯৪০ চনত মহাত্মা গান্ধীয়ে | ছ) কংগ্ৰেছ বে-আইনী ঘোষিত হয়। |
| জ) ১৯৩৮ চনত | জ) দ্বিতীয় মহাসমৰ আৰম্ভ হয়। |

## 11.8 ব্যাকৰণগত প্ৰশ্নাৱলী

### 11.8.1 বাক্য ক্ৰম অনুযায়ী সজোৱা

৫১। তলত দিয়া বাক্য কেইটাত শব্দক্ৰম ওলট-পালট কৰি দিয়া আছে। শব্দবোৰ ঠিক ক্ৰমত সজাই বাক্যবোৰ পুনৰ লিখা। তোমাৰ সুবিধাৰ্থে এটা আৰ্হি দিয়া হ'ল।

আৰ্হি ঃ আনক ঠগাই হ'ব নোৱাৰে সুখী মানুহে কেতিয়াওঁ

মানুহে কেতিয়াও আনক ঠগাই সুখী হ'ব নোৱাৰে।

ক) পৰান্ত কৰি ইংৰাজসকলে অসমৰ পৰা মানক অধিকাৰ কৰে সমগ্ৰ অসম।

খ) ইংৰাজ নগ'লগৈ এৰি অসম প্ৰকৃতাৰ্থত।

গ) খাটিব লগা হয় কাৰাবাস যাবজ্জীৱন বহুজনে।

ঘ) গান্ধীজীৰ অভ্যুদয় এই সময়তে হয় ৰাজনীতিত ভাৰতৰ।

ঙ) দ্বিতীয় মহাসমৰ ১৯৩৯ চনৰ আৰম্ভ হয় ছেপ্তেম্বৰ মাহত।

## বাক্য সংকোচন

৫২। এটা শব্দত প্ৰকাশ কৰা

ক) যি মহাপাপ আচাৰে

খ) উৰ্বৰ নহয় যি

গ) বিদ্ৰোহ কৰে যি

ঘ) মহা যি বিদ্ৰোহ

ঙ) সহযোগ নকৰা লোক

চ) শিক্ষাৰ প্ৰতি যাৰ অনুৰাগ আছে।

## 11.8.2 খণ্ডবাক্য আৰু জতুৱা ঠাঁচ

আমি ঘৰুৱাভাৱে কোৱা কথিত ভাষাত মাজে সময়ে একোটা ঠাঁচ ব্যৱহাৰ কৰোঁ। সময়ত ই কথিত ৰূপৰ পৰা গৈ লিখিত ৰূপত প্ৰয়োগ হ'বলৈ ধৰে। সেয়েহে ভাষাৰ ঘৰুৱা ঠাঁচৰ ভংগীকেই জতুৱা ঠাঁচ বোলে। জতুৱা ঠাঁচ সমূহৰ প্ৰয়োগ দুই ধৰণৰ। এবিধ জতুৱা প্ৰয়োগ আৰু আনবিধ খণ্ডবাক্য বা ব্যাক্যাংশ। ইয়াক জতুৱা খণ্ডবাক্য বুলিও ক'ব পাৰি। ফকৰা-যোজনা, পটন্তৰ, প্ৰবচন আদি ইয়াৰ ভিতৰুৱা।

৫৩। তলত উল্লেখ কৰা **খণ্ডবাক্য** আৰু **জতুৱা ঠাঁচ** ব্যৱহাৰ কৰি একোটাকৈ বাক্য সাজা।

ক) এডেও দুডেও লোটা নিবৰ ছেও

খ) না জল, না থল

গ) অসন্তোষৰ বা বলা

ঘ) ত্ৰাহি মধু সূদন

ঙ) উচটনি দি

চ) লগু-ভগু

ছ) আও-ভাও

জ) আদান-প্ৰদান

ঝ) গোজেই গজালি

## 11.8.3 সামাৰ্থক/বিপৰীতাৰ্থক শব্দ বিচাৰ

৫৪। তলৰ শব্দবোৰৰ সমাৰ্থক শব্দ লিখা।

ক) পৰান্ত খ) ইতিহাস

গ) যুদ্ধ ঘ) তিৰোতা

ঙ) স্বাক্ষৰ চ) শত্ৰু

ছ) চিন্তা জ) পৰ্বত

ঝ) ক্ৰোধ ঞ) নিহত

**তলত উল্লেখ কৰা শব্দবোৰৰ বিপৰীতাৰ্থক শব্দ লিখা**

ক) দক্ষিণ খ) অধিকাৰ গ) বিৰুদ্ধে

ঘ) অপূৰ্ব ঙ) বৰ্জন চ) সম্পূৰ্ণ

| | | |
|---|---|---|
| ছ) মহাপাপ | জ) লিপ্ত | ঝ) প্ৰৱেশ |
| ঞ) শত্ৰু | ট) বিৰাট | ঠ) উৎসাহ |
| ড) বনৰীয়া | ঢ) স্বাধীন | ণ) বিসৰ্জন |
| ত) অনুকূল | থ) সৃষ্টি | দ)উন্নতি |
| ধ) চৰকাৰী | ন) অসমীয়া | |

## 11.8.4 সন্ধি আৰু প্ৰত্যয়

৫৬। তলত দিয়া শব্দবোৰৰ সন্ধি ভাঙা আৰু জোৰা লগোৱা

| | | |
|---|---|---|
| অত্যাচাৰ | নিৰ্ভীক | আত্মা+আহুতি |
| সম্ভেদ | উন্নতি | গৌৰৱ+উজ্বল |
| নিষ্ঠুৰ | জগন্নাথ | প্ৰকৃত+অৰ্থ |
| মনোভাব | সত্যাগ্ৰহ | উৎ+লেখ |
| কন্দৰ্পেশ্বৰ | শতাধিক | যোগ +অযোগ |
| বহিষ্কাৰ | নিষেধাজ্ঞা | নিঃ +চিন্ত |
| সিংহ | সংযুক্ত | নিৰস্ত্ৰ |
| নিঃ+ বিচাৰ | যাবৎ+জীৱন | |

### তলত উল্লেখ কৰা শব্দবোৰৰ প্ৰত্যয় ভাঙি দেখুৱা

| | | |
|---|---|---|
| পনীয়া | ধৰ্মীয় | বনৰীয়া |
| অভাৱনীয় | সামাজিক | দীঘলীয়া |

বহতীয়া ইংৰাজী কথামুখীয়া

অসমীয়া

## 11.9 উত্তৰ সংকেত

১। মানদেশৰ ৰাজধানী আভা চহৰৰ পৰা প্ৰায় ৪৫ মাইল দক্ষিণৰ ইয়াণ্ডাবু নামৰ গাওঁখনত, ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে, ইংৰাজ আৰু মান ৰজাৰ মাজত হৈছিল।

২। ইয়াণ্ডাবু সন্ধি, বাৰ দফা।

৩। ইংৰাজ সকলক উদ্দেশ্য কৰি, স্থায়ীভাৱে খোপনি পোতা প্ৰসংগত।

৪। পিয়লি বৰফুকন আৰু জীওৰাম দুলীয়া বৰুৱাক।

৫। মণিৰাম বৰভাণ্ডাৰ বৰুৱা দেৱান।

৬। ১৮৫৮ চনত।

৭। ১৮৫৭ চনত।

৮। ভাৰতৰ প্ৰথম স্বাধীনতা ৰণৰ আখ্যা।

৯। ১৮৯৪ চনত।

১০। ১৮৮৫ চনত।

১১। ১৯০৩ চনত।

১২। ১৯১৯ চনত ইংৰাজ চৰকাৰে।

১৩। মহাত্মাগান্ধীয়ে ১৯২০ চনত।

১৪। ১৯২৬ চনত।

১৫। ১৯২৯ চনত লাহোৰত।

১৬। ১৯৩০ চনৰ ২৬ জানুৱাৰীত লাহোৰত।

১৭। ১৯৩০ চনত।

১৮। ১৯৩৫ চনত।

১৯। ১৯৩৯ চনৰ ছেপ্তেম্বৰ মাহত।

২০। ১৯৪২ চনৰ ৮ আগষ্টৰ দিনা।

২১। আত্মগোপন কৰি।

২২। কুশল কোঁৱৰ।

২৩। কনকলতা বৰুৱা।

২৪। ২৯ গৰাকী।

২৫। '৪২ ৰ গণ আন্দোলন।

২৬। ভাৰতৰ স্বাধীনতা লাভ।

২৭। গ্ৰেট বৃটেইন।

২৮। মানসকলক পৰাস্ত কৰি।

২৯। শত্ৰু দমন আৰু অসমত শান্তি স্থাপন কৰাৰ পিছত।

৩০। বৃটিছ সকলক।

৩১। ক্ষোভ, অপমান আৰু ক্ৰোধৰ।

৩২। কোম্পানীৰ শাসনৰ পৰিসমাপ্তি ঘটাৰ পিছত।

৩৩। দেশত স্বৰাজ স্থাপন কৰা।

৩৪। তৰুণ ৰাম ফুকন আৰু নবীন চন্দ্ৰ বৰদলৈ।

৩৫। ছাত্ৰসকলক।

৩৬। ইংৰাজসকলে জাৰ্মানিৰ বিৰুদ্ধে।

৩৭। 'কৰেংগে ইয়া মৰেংগে'— 'কৰিম অথবা মৰিম'।

**৩৮-৪৫ এইবোৰ মনোধৰ্মী প্ৰশ্ন। গতিকে উত্তৰ দিয়া হোৱা নাই।**

৪৬। ক) ২। ✓ খ) ৪। ✓ গ) ৩। ✓

ঘ) ৪। ✓ ঙ) ৩। ✓ চ) ৩। ✓

ছ) ৪। ✓ জ) ৩। ✓

৪৭। ক) ✓ খ) ✗ গ) ✗

ঘ) ✗ ঙ) ✓

৪৮। ক) ভাৰত ত্যাগ খ) সত্যাগ্ৰহ গ) ১৯৩৯

ঘ) কংগ্ৰেছ ঙ) কোম্পানীৰ

৪৯। ক + ঘ খ + গ গ + ক

ঘ + ঙ ঙ + খ

৫০। ক+ ছ খ + ঙ গ + ক

ঘ + জ ঙ + খ চ + ঘ

ছ + গ জ + চ

৫১। আৰ্হি বাক্য চাই নিজে সজোৱা

৫২। ক)মহাপাপী খ) অণুৰ্বৰ গ) বিদ্ৰোহী

ঘ) মহাদ্ৰোহী ঙ) অসহযোগী চ) শিক্ষানুৰাগী

৫৩। ক) অসমৰ সম্পদ ৰাজি দেখি ইংৰাজসকলৰ এড়েও দুড়েও লোটা নিবৰ ছেওৰ আখৰা চলিল।

খ) প্ৰবল বানপানীৰ কবলত পৰি খেতিয়ক সকলৰ না জল না থল অবস্থা হ'ল।

গ) বৃটিছৰ শাসন আৰু শোষণৰ বাবে সমগ্ৰ অসমতে অসন্তোষৰ বা বলিছিল।

ঘ) ইংৰাজৰ কঢ়ামুখীয়া শাসনত ভাৰবাসীয়ে ত্ৰাহি মধু সুদন দেখিলে।

ঙ) কুকৰ্মৰ বাবে অইনক উচটনি দিয়া লোকক কোনেও ভাল নাপায়।

চ) আন্দোলনকাৰীসকলে চৰকাৰী কাৰ্য্যালয়টো লণ্ড-ভণ্ড কৰি পেলালে।

ছ) ইংৰাজসকলে প্ৰথমে অসমৰ একো আও ভাও বুজা নাছিল।

জ) প্ৰাচীন কালত সকলো বস্তু ইজনৰ সিজনৰ মাজত আদান-প্ৰদান চলিছিল।

ঝ) ইংৰাজসকল অসমত গোজেই গজালি হৈ পৰিল।

৫৪। ক) পৰাজয় খ) বুৰঞ্জী গ) ৰণ, সমৰ

ঘ) ৰমণী, নাৰী ঙ) চহী।

৫৫। ক) উত্তৰ খ) অনধিকাৰ গ) সপক্ষ

ঘ) উৰ্বৰ ঙ) গ্ৰহণ চ) অসম্পূৰ্ণ

ছ) মহাশূণ্য জ) নিৰ্লিপ্ত ঝ) প্ৰস্থান

ঞ) মিত্ৰ ট) ক্ষুদ্ৰ ঠ) নিৰুৎসাহ

ড) ঘৰচীয়া ঢ) পৰাধীন ণ) আৱাহন

ত) প্ৰতিকূল থ) ধ্বংস দ) অৱনতি

ধ) বেচৰকাৰী ন) অনা অসমীয়া

| | | |
|---|---|---|
| ৫৬। অতি + আচাৰ | সম+ ভেদ | নিঃ + ধুৰ |
| মনঃ + ভাৱ | কন্দৰ্প + ঈশ্বৰ | বহিঃ + কাৰ |
| হিনস্+ অ | নিঃ + ভিক | উৎ+ নতি |
| জগৎ + নাথ | সত্য + আগ্ৰহ | শত+ অধিক |
| নিষেধ + আজ্ঞা | সম + যুক্ত | নিৰ্বিচাৰ, |
| যাবজ্জীৱন | আত্মাহুতি | গৌৰৱোজ্জ্বল |
| প্ৰকৃতাৰ্থ | উল্লেখ | যোগাযোগ |
| নিশ্চিন্ত | | |
| ৫৭। পানী+ ঈয়া | ধৰ্ম+ ঈয় | বন+ অৰীয়া |
| অভাৱ+ অনীয় | সমাজ+ ইক | দীঘল+ ঈয়া |
| বহু+ অতীয়া | ইংৰাজ + ঈ | কঢ়ামুখ+ ঈয়া |
| অসম + ঈয়া | | |

## 11.10 অতিৰিক্ত পঠন উপদেশ

স্বাধীনতা আন্দোলনৰ গুৰি কথা আৰু আন্দোলনৰ বিভিন্ন ধাৰা সম্পৰ্কে জানিবলৈ নিম্নলিখিত পুথি কেইখন পঢ়িবা।

১। অসম বুৰঞ্জী— চাৰ এডোৱাৰ্ড গেইট, অনুবাদিকা- চেনেহী বেগম

২। বেণুধৰ শৰ্মা— কংগ্ৰেছৰ কাচিয়লি ৰ'দত

৩। দেবেশ্বৰ শৰ্মা —হেৰাই যোৱা দিনবোৰ

৪। লক্ষ্মীনাথ তামুলী —ভাৰতৰ স্বাধীনতা সংগ্ৰামত অসমৰ অৱদান

৫। হৰেন্দ্ৰ নাথ বৰুৱা (সম্পাদিত) — ভাৰতৰ মুক্তি যুঁজত অসম

## 11.11 ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন কৰিবলৈ দিয়া সংকেত

পাঠত সন্নিবিষ্ট কৰা মূল পাঠটো অধ্যয়ন কৰি ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ ভূমিকা কেনেধৰণৰ আছিল সেই কথা কিছু পৰিমাণে হলেও জানিব পাৰিলা। ইয়াতকৈও অধিক জনাৰ ইচ্ছা নিশ্চয় থাকিব পাৰে। ভাৰতৰ মুক্তি সংগ্ৰামৰ সম্পূৰ্ণ বিৱৰণ জানিবলৈ মনত বিভিন্ন ধৰণৰ প্ৰশ্ন উদয় হ'লে সেই প্ৰশ্নসমূহৰ উত্তৰ জানিবলৈ লিখিত ভাৱে পঠাব পাৰা

ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয়, আঞ্চলিক সঞ্চালকালয়,
গুৱাহাটী-৫ ঠিকনাত

গোট 12

# ভাৰতৰত্ন গোপীনাথ বৰদলৈ

ৰচনা ঃ সূৰেন্দ্ৰ মোহন ঠাকুৰীয়া

## 12.1 পাতনি আৰু উদ্দেশ্যাৱলী

আগৰ পাঠসমূহ পঢ়ি তুমি অসমীয়া গদ্য আৰু পদ্যৰ বিভিন্ন শৈলীৰ লগত পৰিচিত হৈছা। বিষয়বস্তুৰ ফালৰ পৰাও তুমি বিবিধতাৰ সোৱাদ পাইছা। এই পাঠৰ যোগেদি এগৰাকী বৰেণ্য ব্যক্তিৰ জীৱনী পঢ়িবলৈ পাবা। সেই বিশিষ্ট ব্যক্তিগৰাকী হ'ল স্বাধীনোত্তৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীগোপীনাথ বৰদলৈ। তুমি হয়তো বৰদলৈদেৱৰ বিষয়ে কিছু কথা শুনিছা; কিন্তু ক'তো বহলাই পঢ়িবলৈ পোৱা নাই। দুৰ্ভাগ্যৰ কথা বৰদলৈদেৱৰ কোনো জীৱনবৃত্তও এতিয়ালৈকে পাঠ্যপুথিত ওলোৱা নাই। এই পাঠে আমাৰ এই বহুদিনীয়া অভাৱ এটা পূৰণ কৰিব।

এই জীৱনীটো পঢ়ি তুমি জানিব পাৰিবা ঃ

◆ মধ্যবিত্ত পৰিয়ালত জন্মগ্ৰহণ কৰি বৰদলৈদেৱে কেনেকৈ বিদ্যাশিক্ষা কৰিলে,

◆ দহৰ তথা দেশৰ স্বাৰ্থক অগ্ৰাধিকাৰ দি কেনেকৈ বৃটিছ চৰকাৰৰ বন্দীশাললৈ গ'ল,

◆ মহাত্মা গান্ধীৰ মহান আদৰ্শৰে অনুপ্ৰাণিত হৈ বৰদলৈয়ে কেনেকৈ দেশসেৱাত মনোনিয়োগ কৰিলে,

◆ আত্মৰক্ষা তথা মাতৃভূমিৰ সংৰক্ষণৰ ক্ষেত্ৰত কি ধৈৰ্য্য, সাহস আৰু দৃঢ়তাৰে বৰদলৈদেৱে দেশৰ কাম কৰিছিল,

◆ অসমক শত্ৰুৰ হাতৰ পৰা ৰক্ষা কৰিও তেওঁ কিদৰে ভাৰতৰ ঐক্যৰক্ষাত আগভাগ লৈছিল আৰু লগতে জানিবা,

## 12.2 মূল পাঠ

### 12.2.1 মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথমভাগ

**শব্দাৰ্থ**

মধ্যবিত্ত (বিণ.) ঃ যি ধনবান আৰু দৰিদ্ৰৰ মাজৰ শ্ৰেণীত পৰে।

অগ্ৰাধিকাৰ (বি.) ঃ আগতে লাভ কৰা বা দিয়া অধিকাৰ।

বন্দীশাল (বিণ.) ঃ কাৰাগাৰ, ফাটেক।

অনুপ্ৰাণিত (বি.) ঃ উৎসাহিত, যি প্ৰেৰণা পাইছে।

আত্মৰক্ষা (বি.) ঃ নিজে নিজক ৰক্ষা কৰা কাৰ্য্য।

সংৰক্ষণ (বি.) ঃ ভালকৈ থোৱা (ৰখা) কাৰ্য্য, আছুতীয়াকৈ থোৱা কাৰ্য্য, বিশেষৰূপে ৰখা কাৰ্য্য।

অকৃত্ৰিম (বিণ.) ঃ নিভাঁজ, প্ৰকৃত।

স্বীকৃতি (বি.) ঃ স্বীকৃতকৰণ, মৰ্য্যাদা দান।

বৰেণ্য (বিণ.) ঃ বৰণীয়, শ্ৰেষ্ঠ।

অনন্য (বিণ.) ঃ অনুপম, যি আনৰ নিচিনা নহয়, একক।

## ভূমিকা

সাহিত্য-বিজ্ঞান-কলা আৰু অকৃত্ৰিম জন-সেৱাৰ স্বীকৃতি স্বৰূপে ১৯৫৪ চনৰ পৰা ২০০০ চনলৈ সুদীৰ্ঘ পঞ্চল্লিছ বছৰ কালত আঙুলিৰ মূৰত গণিব পৰা যিসকল বৰেণ্য ব্যক্তি ভাৰতৰত্ন উপাধিৰে অলংকৃত হৈছে, সেইসকলৰ অন্যতম ব্যক্তি গোপীনাথ বৰদলৈ। যি দহগৰাকীমান ব্যক্তিয়ে মৰোণোত্তৰভাৱে এই বঁটা লাভ কৰিছে, সেই সকলৰ ভিতৰতো বৰদলৈদেৱ এগৰাকী অনন্য লোক।

## পৰিচয়

গোপীনাথ বৰদলৈয়ে গুৱাহাটীৰ এটি মধ্যবিত্ত পৰিয়ালৰ ঘৰত ১৮৯০ চনৰ ৬ জুন তাৰিকে জন্ম গ্ৰহণ কৰে। তেওঁৰ পিতৃ বুদ্ধেশ্বৰ বৰদলৈ আছিল এজন ডাক্তৰ আৰু মাতৃ প্ৰাণেশ্বৰী দেৱী আছিল এগৰাকী সুযোগ্যা গৃহিণী।

## শৈশৱ আৰু ডেকা কাল

মাক শৈশৱতে ঢুকোৱাত তেওঁৰ বায়েক শশীকলা দেৱীয়ে বৰপেটাৰ এগৰাকী বুঢ়ীৰ সহযোগত প্ৰকৃত মাতৃৰ মৰম-বেথাৰে আতোলতোলকৈ শিশু বৰদলৈক ডাঙৰ-দীঘল কৰে। বায়েকৰ ঘৰত গোপীনাথে সৰুতে ধানবনা, গৰু চৰোৱা আদি কামৰ দৰে ঘৰৰ যাৱতীয় কাম কৰিবলগীয়াত পৰে।

শিশু বৰদলৈয়ে তেওঁৰ বাসস্থানৰ সন্মুখত থকা গাওঁখনৰ বা-বতাহৰ মাজত থাকি জীৱন গঢ়াৰ পথত অগ্ৰসৰ হওঁতে পদে পদে অসুস্থ আৰু প্ৰতিকূল পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হৈছিল। পঢ়-শুনা কৰি থাকোতেই বাৰ বছৰীয়া বৰদলৈয়ে লুইতত নাওখেল, সাঁতোৰ, বৰশী বোৱা, ঘিলা খেলা, গছ কুপেতী খেলা, বাটলু গুটি মৰা, বান্দৰ নচুৱা, চোতালত পেঙত উঠা, টাং গুটি বা গুলি খেলা, ঢোপ খেলা, বাঁহৰ হাথা লৈ বল কোৱাই টিনৰ ঘৰৰ ওপৰত বল পেলাই গালি খোৱা আদি কথা ওচৰ-চুবুৰীয়াই দেখিছিল।

ডেকা কালত বৰদলৈয়ে টেনিছ আৰু ক্ৰিকেট খেলিছিল। তেওঁ অসম ক্ৰিকেট

সন্থাৰ প্ৰথম সভাপতি হয়। সংগীত আছিল তেওঁৰ প্ৰিয় বিষয়। ভায়োলিন আৰু এছৰাজ বজাই তেওঁ আনন্দ লাভ কৰিছিল। তেওঁ প্ৰায়েই বৰগীত গাইছিল। তদুপৰি কলেজত পঢ়ি থাকোতে জুলিয়াছ চীজাৰ নাটৰ 'এণ্টনি'ৰ ভাওত অভিনয় কৰি দৰ্শকক তবধ লগাইছিল।

ৰায় বাহাদুৰ মহেন্দ্ৰনাথ দত্তৰ দৰে স্বনামধন্য হেড্মাষ্টৰৰ তলত তেওঁ হাইস্কুলীয়া শিক্ষা পাইছিল। মেধা ছাত্ৰ বৰদলৈয়ে গুৱাহাটীৰ কলেজিয়েট স্কুলৰ পৰা প্ৰথম বিভাগত ১৯০৭ চনত মেট্ৰিক পাছ কৰি জলপানি লৈ কটন কলেজত পঢ়ে। ১৯০৯ চনত আই এ পৰীক্ষাতো প্ৰথম বিভাগত উৰ্ত্তীৰ্ণ হয় আৰু জলপানি লাভ কৰে। তেওঁ অনাৰ্চসহ বি. এ. পাছ কৰে। কলিকতাৰ স্কটিচ চাৰ্চ কলেজৰ পৰা ১৯১৪ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা তেওঁ বুৰঞ্জী বিষয়ত দ্বিতীয় বিভাগত প্ৰথম স্থান অধিকাৰ কৰি এম্ এ্ আৰু ১৯১৫ চনত বি. এল্ পাছ কৰে।

## কৰ্ম-জীৱন

বৰদলৈদেৱে সোণাৰাম হাইস্কুলৰ প্ৰধান শিক্ষক পদত মকৰল হৈ কৰ্ম-জীৱন আৰম্ভ কৰে। ইয়াৰ পিছত তেওঁ ওকালতি কৰিবলৈ লয়।

## বিবাহিত জীৱন

১৯১৯ চনত বৰদলৈদেৱে উত্তৰ গুৱাহাটীৰ ভূমিকান্ত বৰুৱাদেৱৰ সুযোগ্যা জীয়াৰী কুমাৰী সুৰবালা বৰদলৈৰ পাণি গ্ৰহণ কৰিলে। চাৰিজন পুত্ৰ আৰু পাচঁগৰাকী কন্যাৰে জকমকাই থকা ঘৰখনত তেওঁৰ বৈবাহিক জীৱন সুখৰ আছিল। ব্ৰিগেডিয়াৰ ধীৰেন্দ্ৰনাথ বৰদলৈ, অধ্যক্ষ শ্ৰীবীৰেন্দ্ৰনাথ বৰদলৈ, অধ্যাপিকা ড° লিলি মজিন্দাৰ বৰুৱা, কেপ্টেইন বীৰেন্দ্ৰনাথ বৰদলৈ, টাটাৰ জেনেৰেল মেনেজাৰ শ্ৰীবলীন্দ্ৰনাথ বৰদলৈ আদিৰ দৰে সুযোগ্য-সুযোগ্যা পুত্ৰ-কন্যাই বৰদলৈদেৱৰ পিতৃত্বৰ যোগ্যতাকে ঘোষণা কৰে।

শৈশৱ (বি.) ঃ শিশুকাল, বাল্যাবস্থা

আতোলতোল (বিণ) ঃ যাক মাটিত পৰিবলৈ দিয়া নহয় তেনে, বৰ আদৰ-যত্নত ডাঙৰ হোৱা

প্ৰতিকূল (বিণ.) ঃ বিৰুদ্ধ, অনিষ্টকাৰী, বিপৰীত ভাৱৰ।

হাথা (বি.)ঃ ঢোপ খেলিবলৈ বাঁহৰ বা কাঠৰ দ্বাৰা তৈয়াৰী চেপেটা এহাত-ডেৰহাত দীঘলৰ খেলৰ সঁজুলি, ক্ৰিকেট খেলত ব্যৱহৃত এনে সঁজুলিক 'বেত' বোলা হয়।

পেং (বি.) ঃ দুডাল বাঁহত খাঁজ কাটি তাত ভৰি দি বাঁহ দুডাল হাতেৰে ধৰি দীঘলকৈ খোজ দি যাব পৰা যতন।

সংগীত (বি.) ঃ গীত, বাদ্য আৰু নাচৰ সংগতি।

ভায়োলিন (বি.) ঃ বেহেলা, চাৰিডাল তাঁৰযুক্ত এবিধ বাদ্যযন্ত্ৰ।

এছৰাজ (বি.) ঃ এবিধ তাঁৰথকা বাদ্যযন্ত্ৰ।

তবধ (বিণ.) ঃ তধা, আচৰিত হৈ অমাত (তবধ লাগ-তধা লাগ)

স্বনামধন্য (বিণ.) ঃ স্বনামপ্ৰসিদ্ধ, নিজ নামেৰেই বা কীৰ্ত্তিৰে প্ৰসিদ্ধ বা বিখ্যাত।

মেট্ৰিক (বি.) ঃ প্ৰবেশিকা পৰীক্ষা, কলেজত ভৰ্তি হবৰ উপযোগী পৰীক্ষা।

জলপানি (বি.) ঃ বৃত্তি, ছাত্ৰ-বৃত্তি, উচ্চ নম্বৰ পাই পৰীক্ষাত উৰ্ত্তীৰ্ণ হোৱা বাবে পিছৰ উচ্চ পাঠ্যক্ৰম অধ্যয়ন কৰিবলৈ মঞ্জুৰ কৰা (দিয়া) টকা।

অনাৰ্চসহ ঃ সম্মান সহ (নিৰ্দিষ্ট বিষয়ত শতকৰা চল্লিছ নম্বৰ বা তাৰ বেছি নম্বৰ পাই স্নাতক পৰীক্ষা পাচ কৰিলে অনাৰ্চ গ্ৰেজুৱেট বোলা হৈছিল।

## 12.2.2 প্ৰথম পাঠভাগৰ প্ৰশ্নাৱলী

**তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখি নিজৰ প্ৰগতি পৰীক্ষা কৰা ঃ**

১। ভাৰতৰত্ন উপাধি কোনে, কাক, কি কি কাৰণত দিয়ে?

২। কোন চনৰ পৰা ভাৰতৰত্ন উপাধি দিবলৈ আৰম্ভ কৰা হয় ?

৩। আজিলৈ কিমান গৰাকীমান ব্যক্তিয়ে ভাৰতৰত্ন উপাধি লাভ কৰিছে? মৰণোত্তৰভাৱে ভাৰতৰত্ন উপাধি কেইগৰাকী ব্যক্তিয়ে লাভ কৰিছে?

৪। গোপীনাথ বৰদলৈয়ে কিমান চনত ভাৰতৰত্ন উপাধি লাভ কৰে?

৫। গোপীনাথ বৰদলৈয়ে কিমান চনত জন্মগ্ৰহণ কৰে?

৬। গোপীনাথ বৰদলৈৰ পিতৃ-মাতৃৰ নাম কি কি ?

৭। শৈশৱত গোপীনাথ বৰদলৈক কোনে ডাঙৰ দীঘল কৰে?

৮। শৈশৱ কালত গোপীনাথ বৰদলৈয়ে কেনে ধৰণৰ ঘৰুৱা কাম কৰিবলগীয়া হৈছিল?

৯। শৈশৱত গোপীনাথ বৰদলৈয়ে কি কি খেল খেলিছিল?

১০। গোপীনাথ বৰদলৈৰ প্ৰিয় বিষয় কি আছিল?

১১। কলেজত বৰদলৈয়ে কি নাটকৰ, কোন চৰিত্ৰৰ ভাওত অভিনয় কৰিছিল?

১২। বৰদলৈয়ে কোন গৰাকী স্বনামধন্য হেডমাষ্টৰৰ তলত হাইস্কুলীয়া শিক্ষা পাইছিল?

১৩। গোপীনাথ বৰদলৈৰ শিক্ষাৰ এটি আভাস দিয়া।

১৪। গোপীনাথ বৰদলৈয়ে কি কি বৃত্তি অৱলম্বন কৰি জীৱন-যাপন কৰে?

১৫। গোপীনাথ বৰদলৈৰ বিবাহিত জীৱনৰ এটি চমু আভাস দিয়া?

ওকালতি (বি.) ঃ উকিলৰ ব্যৱসায়।

বিবাহিত/বৈবাহিত (বিণ.) ঃ বিয়া কৰা

সুযোগ্য (বিণ.) ঃ অতিশয় উপযুক্ত।

সান্নিধ্য (বি.) ঃ ওচৰত থকা অৱস্থা, সামীপ্য

প্ৰতিনিধিত্ব (বি.) ঃ যি আনৰ মনোনীত বা নিৰ্বাচিত হৈ আহি সেই পক্ষৰ সম্পূৰ্ণ দায়িত্ব গ্ৰহণ কৰে, বদলি, বকলমে কাম কৰিব পৰা মানুহ।

জীৱনাদৰ্শ (বি.) ঃ জীৱনৰ আৰ্হি, জীৱনৰ চানেকি, জীৱনৰ অনুকৰণযোগ্য শ্ৰেষ্ঠ বিষয়

## 12.2.3 মূল পাঠ

### মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ

### কংগ্ৰেছত যোগদান আৰু মহাত্মাগান্ধীৰ সান্নিধ্য লাভ

১৯২১ চনত অসহযোগ আন্দোলনৰ জুই জ্বলি উঠিল। দেশৰ-মুক্তি

আন্দোলনৰ কাৰণে বৰদলৈয়ে ওকালতি এৰি কংগ্ৰেছ অনুষ্ঠানত সোমাই পৰিল। আহমদাবাদ কংগ্ৰেছ অধিৱেশনত ডেকা বৰদলৈয়ে অসমৰ প্ৰতিনিধিত্ব কৰে। তাতেই তেওঁৰ মহাত্মাগান্ধীৰ সৈতে সাক্ষাৎ হ'ল। গান্ধীজীৰ জীৱনাদৰ্শই তেওঁক বাৰুকৈয়ে আকৰ্ষণ কৰিলে। অসহযোগ আন্দোলনৰ আহ্বানৰ বিষয়ে লিখোঁতে বৰদলৈয়ে লিখিছিল, 'ইয়াতেই মই হেৰাই যাব খোজা জীৱনৰ বাট দেখা পালোঁ।'

তেতিয়াৰে পৰাই মহাত্মা গান্ধীক তেওঁ ৰাজনৈতিক আৰু আধ্যাত্মিক গুৰু হিচাপে জীৱনৰ শেষ দিনলৈকে মানি আহিছে। গান্ধীজীয়ে বৰদলৈক পুত্ৰৰ দৰে মৰম কৰিছিল আৰু বৰদলৈৰ ওপৰত সম্পূৰ্ণ আস্থা ৰাখিছিল। অসমৰ জটিল সমস্যাৰ কথা গান্ধীজীৰ কাণত পৰিলে তেওঁ কৈছিল, 'বৰদলৈ আছে নহয়!' আহমদাবাদৰ পৰা ঘূৰি আহোতে বৰদলৈ এবছৰৰ কাৰণে কাৰাৰুদ্ধ হয়।

১৯৩৭ চনত হোৱা দেশৰ সাধাৰণ নিৰ্বাচনযোগে বৰদলৈ অসম বিধান সভাৰ সদস্য হ'ল। তেওঁ কংগ্ৰেছ সংসদী দলৰ লাইখুটা আছিল, অসমৰ স্বাৰ্থৰ কাৰণে মন্ত্ৰী সভাৰ বিৰুদ্ধে যুঁজিবলগীয়া হৈছিল। পিছত তেওঁ অসমৰ প্ৰধান মন্ত্ৰী হৈ সংযুক্ত মন্ত্ৰী-সভাৰ গধুৰ দায়িত্ব বহন কৰিছিল।

১৯৪০-৪১ চনত গান্ধীজীৰ নেতৃত্বত সত্যাগ্ৰহ আন্দোলন আৰম্ভ হ'ল। তেৰ মাহ শাসন কাৰ্য্য চলোৱাৰ পিছত বৰদলৈ মন্ত্ৰী-সভাই পদত্যাগ কৰে। ভাৰতৰ ওপৰত জাপি দিব খোজা অন্যায় মহাৰণৰ প্ৰতিবাদ কৰাৰ বাবে বৰদলৈ পুনৰ জেললৈ গ'ল।

১৯৪২ চনৰ গণ-বিপ্লৱ। মহাত্মা গান্ধী, পণ্ডিত জৱহৰলাল নেহৰু প্ৰমুখ্যে নেতাসকলৰ সৈতে অসমৰ নেতা বৰদলৈয়ো কাৰাৰুদ্ধ হ'ল। ১৯৪৪ চনত শাৰীৰিক অসুস্থাতাৰ কাৰণে বৰদলৈক জেলৰ পৰা মুক্তি দিয়া হ'ল। অসমক জুমুৰি দি ধৰা নানান সমস্যা, বিশেষকৈ মাটি সমস্যাৰ বাবে বৰদলৈৰ প্ৰাণে কান্দি উঠিল। মহাত্মা গান্ধীৰ আশীৰ্বাদ শিৰত লৈ বৰদলৈয়ে দেশসেৱাত ব্ৰতী হ'ল। ১৯৪৬ চনত পুনৰ তেওঁ কংগ্ৰেছ চৰকাৰ গঠন কৰিলে।

১৯৪৬ চনত 'ভাৰত ত্যাগ' বিপ্লৱত কাবু হৈ বৃটিছ চৰকাৰে ভাৰতক ভুৱা স্বাধীনতা যাচি কেইজনমান বৃটিছ মন্ত্ৰীৰে গঠিত এটা মন্ত্ৰীমিছন পঠায়। মিছনৰ প্ৰস্তাৱমতে ভাৰতক ভাগ ভাগ কৰি সমষ্টি গঠন কৰাৰ প্ৰস্তুতি চলিল। অসম সমষ্টিৰ গ্ৰাসত যাওঁ যাওঁ অৱস্থা। ভাৰত কংগ্ৰেছৰ নেতৃবৃন্দই এই প্ৰস্তাৱ মানিবলৈ সন্মত হ'ল। অসম ৰক্ষাৰ অৰ্থে বৰদলৈয়ে মহাত্মা গান্ধীৰ ওচৰলৈ লৰ দিলে। মহাত্মা গান্ধীয়ে

ৰাজনৈতিক [ৰাজনীতি (বি.) ঃ ৰাষ্ট্ৰ পৰিচালনাৰ নীতি] (বিণ.) ঃ ৰাজনীতি বিষয়ৰ

আধ্যাত্মিক (বিণ.) ঃ দেহ আৰু মন সম্পৰ্কীয়, পৰমাত্মা সম্বন্ধীয়, ব্ৰহ্ম বিষয়ক, মানসিক।

আস্থা (বি.) ঃ বিশ্বাস, শ্ৰদ্ধা।

জটিল (বিণ.) ঃ জোঁট লগা, দুৰ্বোধ্য, মিশ্ৰ

সমস্যা (বি.) ঃ নিষ্পত্তি কৰিবলগীয়া জটিল প্ৰশ্ন বা বিষয়, সংকট

কাৰাৰুদ্ধ (বিণ.) ঃ ফাটেকত বন্দী হৈ থকা।

সংসদী (বিণ.) ঃ [সংসদ (বি.) ঃ সমিতি সভা, কেন্দ্ৰীয় বিধায়নী সভা] সংসদ সম্পৰ্কীয়

গধুৰ (বিণ.) ঃ ভাৰযুক্ত, গম্ভীৰ, গহীন, গুৰুত্বপূৰ্ণ।

কৈ উঠিল, 'পৃথিৱীৰ বিৰুদ্ধে যুঁজি হ'লেও অসমে নিজৰ নিজত্ব ৰক্ষা কৰিব লাগিব।' মহাত্মাৰ আশ্বাস পাই বৰদলৈয়ে অসমত সমষ্টি গঠনৰ বিৰোধিতাৰ ধ্বনিৰে পৰ্বত-ভৈয়াম কঁপাই তুলিলে। ফলত ভাৰতৰ নেতৃবৃন্দই বৰদলৈৰ কথাতে সন্মতি জনালে। মিছনৰ প্ৰস্তাৱ নামঞ্জুৰ হ'ল। বৰদলৈৰ স্পষ্টতা আৰু দৃঢ়তা নোহোৱাহেঁতেন অসমৰ কৃষ্টি, সভ্যতা-সংস্কৃতি ৰক্ষিত নহ'লহেঁতেন।

## 12.2.4 দ্বিতীয় পাঠভাগৰ প্ৰশ্নাৱলী

তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখি পাঠত থকা কথাবোৰ মনত আছেনে নাই নিজে নিজে পৰীক্ষা কৰি চোৱা।

১৬। গোপীনাথ বৰদলৈয়ে কিয় ওকালতি এৰিবলগীয়া হৈছিল?

১৭। গোপীনাথ বৰদলৈয়ে প্ৰথমবাৰ কিয় আৰু কিমান দিনৰ কাৰণে কাৰাৰুদ্ধ হৈছিল?

১৮। গোপীনাথ বৰদলৈ কেতিয়া, কেনেকৈ আৰু ক'ৰ প্ৰধান মন্ত্ৰী হ'ল চমুকৈ বৰ্ণোৱা?

১৯। গোপীনাথ বৰদলৈ কিয় দ্বিতীয়বাৰ জেললৈ যাব লগা হৈছিল?

২০। ১৯৪২ চনৰ গণ-বিপ্লৱৰ পৰা ১৯৪৬ চনলৈ গোপীনাথ বৰদলৈৰ ৰাজনৈতিক জীৱনৰ মুখ্য ঘটনা কেইটা উল্লেখ কৰা।

২১। 'ভাৰত ত্যাগ' বিপ্লৱ (Quit India Movement) ত গোপীনাথ বৰদলৈৰ ভূমিকা কি আছিল?

## 12.2.5 মূল পাঠ

### মুদ্ৰিত প্ৰতিলিপিৰ তৃতীয় ভাগ

#### গঠনমূলক কাম

সৰুৰে পৰা বৰদলৈয়ে জনজাতীয়লোক আৰু হৰিজন সোৱাৰ কাম বৰ ভাল পাইছিল। সেয়েহে তেওঁ নিজকে সংসদী ৰাজনীতিতকৈ গঠনমূলক কামত

দায়িত্ব (বি.) ঃ কৰ্তব্য-ভাৰ, ফলাফলৰ বাবে জগৰীয়া হোৱা অৱস্থা। দোষ বা জগৰৰ লেঠা লৈ হাতত লোৱা কাৰ্য্য।

লাই-খুটা (বি.) ঃ ঘৰ সাজোতে প্ৰথমে পোতা লাই খুঁটা।

প্ৰধান মন্ত্ৰী (বি.) ঃ ঘাই বা মুখ্য অমাত্য, ৰাজ্য শাসনত ৰজাক বা ৰাষ্ট্ৰপতিক মন্ত্ৰণা দিয়া মুখ্য বিষয়া। ভাৰত ৰাষ্ট্ৰৰ মুখ্য অমাত্য। ৰাজ্যৰ মুখ্য অমাত্যক মুখ্যমন্ত্ৰী বোলে যদিও সেই সময়ৰ প্ৰশাসনীয় গুৰিয়ালসকলক প্ৰধানমন্ত্ৰী বোলা হৈছিল।

নেতৃত্ব (বি.) ঃ নায়কৰ দায়িত্ব, পথ দেখুওঁতাৰ দায়িত্ব।

সত্যাগ্ৰহ (বি.) ঃ সত্য আৰু ন্যায় প্ৰতিষ্ঠাৰ কাৰণে আগ্ৰহ আৰু চেষ্টা। অহিংসা প্ৰতিৰোধ।

আন্দোলন (কৃদ. বি.) আলোড়ন, বি.ক্ষোভ।

প্ৰতিবাদ (বি.) ঃ কোনো কাৰ্য্যৰ বিৰুদ্ধে কৰা আপত্তি।

জুমুৰি দি ধৰ (ক্ৰি) ঃ হেঁচা মাৰি ধৰ।

ব্ৰতী (বিণ.) ঃ [ ব্ৰত (বি.) পুন্য লাভৰ কাৰণে কৰা পূজা-উপাসনা আদি। ঐকান্তিক সংকল্প।] ঐকান্তিক সংকল্পকাৰী।

কাবু (বিণ.) ঃ জব্দ, বশীভূত

ভাৰতত্যাগ বিপ্লৱ (বি.) ঃ বৃটিছ চৰকাৰক ভাৰত এৰি যাবলৈ ভাৰতীয় জনগণে কৰা ১৯৪২ চনৰ বিদ্ৰোহ।

মিছন (বি.) ঃ ধৰ্ম-প্ৰচাৰৰ প্ৰতিষ্ঠান। কোনো বিশেষ উদ্দেশ্য লৈ গঠিত সংঘ। বিশেষ উদ্দেশ্যৰে পঠোৱা লোকসমূহ।

সমষ্টি (বি.) ঃ বৃটিছ চৰকাৰে ভাৰতক ভুৱা স্বাধীনতা দিয়াৰ উদ্দেশ্যে ভাৰতক ভাগ ভাগ কৰাৰ বাবে প্ৰস্তুত কৰা দল বা খণ্ড (group)

নামঞ্জুৰ (বিণ.) ঃ অগ্ৰাহ্য , সন্মতি, নিদিয়া কাৰ্য্য

কৃষ্টি (বি.) ঃ কৃষি কৰ্ম, শিক্ষা বা চৰ্চাৰে লাভ কৰা উৎকৰ্ষ।

সভ্যতা (বি.) শিষ্টতা, ভদ্ৰতা, সমাজ বা

নিয়োগ কৰিবলৈ বিচাৰিছিল। ১৯৩৪ চনত গুৱাহাটী মিউনিছিপেলিটিৰ চেয়াৰমেন হৈ তেওঁ শক্তি অনুসাৰে হৰিজনসকলৰ সেৱাৰ কাম আৰম্ভ কৰে। তেওঁৰ যত্নতে গুৱাহাটীত হৰিজন কলনী স্থাপন হয়। নানান বিপদৰ মাজতো বৰদলৈৰ আহোপুৰুষাৰ্থৰ বাবেই গুৱাহাটী বিশ্ববিদ্যালয়, মেডিকেল কলেজ, আয়ুৰ্বেদ কলেজ, হাইকৰ্ট, কৃষি কলেজ, পশু চিকিৎসা কলেজ, ইঞ্জিনিয়াৰিং কলেজ, পুলিচ ট্ৰেইনিং কলেজ, সমবায় কলেজ, যোৰহাটৰ পলিটেকনিক ইনষ্টিটিউট, পৰিবহণ বিভাগ, ৰেডিঅ' কেন্দ্ৰ আদি গঢ়ি উঠে। বৰদলৈৰ আশাশুধীয়া চেষ্টাৰ ফলতে ৰাষ্ট্ৰীয় স্কুল কামৰূপ একাডেমী আৰু ৰাষ্ট্ৰীয় মহাবিদ্যালয় বি. বৰুৱা কলেজ স্থাপিত হ'ল। বৰঝাৰ এয়াৰ পৰ্টটো 'লোকপ্ৰিয়ল গোপীনাথ বৰদলৈ এয়াৰপৰ্ট নামকৰণ আৰু গুৱাহাটী বিশ্ববিদ্যালয় অৱস্থিত ঠাইখন 'গোপীনাথ নগৰ' নামকৰণ কৰাটো বৰদলৈদেৱৰ গঠনমূলক কামৰ স্বীকৃতি মাথোন।

শেষবাৰ জেলৰ পৰা ওলাই গাঁৱে -ভূঞে, পৰ্বতে-কন্দৰে টলৌ-টলৌকৈ দেশ গঠনৰ কামত যেনেদৰে লাগি গ'ল, তাক অসমীয়া জাতিয়ে কোনো দিনেই পাহৰিব নোৱাৰে। পৰ্বত-ভৈয়ামৰ সম্প্ৰীতি স্থাপন কৰিবৰ কাৰণে বৰদলৈয়ে জনজাতিৰ মাজত অসুস্থ গাৰে যেনেভাৱে ফুৰিছিল, সি হয়তো জনজাতিসকলৰ স্মৃতিপটৰ পৰা কোনো দিনেই মচা নাযাব।

## মুখ্যমন্ত্ৰী হিচাপে বৰদলৈ

স্বাধীনতা লাভৰ পিছত মুখ্যমন্ত্ৰীৰ ভাৰ গ্ৰহণ কৰিয়েই বৰদলৈয়ে প্ৰথমে চাকৰিয়ালৰ প্ৰতি পুৰণি আমোলা মনোভাৱ ত্যাগ কৰি জনসাধাৰণৰ প্ৰতি সেৱাৰ ভাৱ ৰাখিবলৈ আহ্বান জনায়। নিজৰ মন্ত্ৰী সভাৰ মন্ত্ৰীসকলৰ আগৰ দৰমহা কমাই মাহে ৫০০ টকা কৰাৰ সিদ্ধান্ত কৰে আৰু বাকী টকা বানপানী সাহায্য পুঁজিত দিয়াৰ ব্যৱস্থা কৰে। কৃষকৰ মুক্তিৰ হ'কে তেওঁ মাটিৰ খাজনা শতকৰা ৫০ টকা কমাই দিয়ে। তদুপৰি উন্নত ধৰণে খেতি-বাতি কৰিবৰ বাবে কো-অপাৰেটিভ কলনীৰ সৃষ্টি কৰে। অসমত কানি ধৰবিহ নাশৰ অভিযান আৰম্ভ কৰে আৰু চাহ বাগিছা আদিত চলা আবাধ মদ বিক্ৰী আৰু ভাং বিক্ৰীৰ ওপৰতো প্ৰতিবন্ধকতা লগায়। জনজাতি আৰু চাহ বাগিচাৰ বনুৱাৰ মাজত ব্যাপক শিক্ষা বিস্তাৰৰ আঁচনি লয়। মাধ্যমিক স্কুলবিলাকত হিন্দী শিকোৱাৰ ব্যৱস্থা কৰে আৰু কিছুমান লোকক বৰ্দ্ধালৈ হিন্দী শিকিবৰ কাৰণে বছৰি পঠাবলৈ ব্যৱস্থা কৰে।

বৰদলৈৰ অন্তৰে সদায় জনজাতি ভাইসকলক বুকুৰ মাজত বিচাৰিছিল। জনজাতীয়লোকৰ আচাৰ-বিচাৰ আদিক ৰক্ষা কৰি কেনেকৈ এক ধৰণৰ শাসনৰ

জীৱনযাত্ৰাৰ উৎকৰ্ষ।

সংস্কৃতি (বি.) ঃ বিদ্যা-বুদ্ধি, শিল্প কলা, শিক্ষা-দীক্ষা ৰীতি-নীতি আদিৰ চৰ্চাৰ দ্বাৰা লব্ধ বিকাশ।

### শব্দাৰ্থ

হৰিজন (বি.) ঃ অস্পৃশ্য বিবেচিত হিন্দু শ্ৰেণীক গান্ধীয়ে দিয়া নাম [ মেতৰ্ নামক জাতিটোক পুৰণি সমাজে তলখাপৰ বুলি অৱহেলা কৰিছিল যদিও, মহাত্মা গান্ধীয়ে তেওঁলোকক হৰি অৰ্থাৎ বিষ্ণুৰলোক বুলি সমাজত অভিহিত কৰি তেওঁলোকক আন আন হিন্দুৰ সমকক্ষ বুলি ব্যৱহাৰ কৰিবলৈ সমাজক শিকাইছিল]

আহো-পুৰুষাৰ্থ (বি.) ঃ অতিশয় যত্ন, উগ্ৰ চেষ্টা

মিউনিছিপেলিটি (বি.) ঃ নগৰ পালিকা বা নগৰ তদাৰক সভা, নগৰীয়া স্বায়ত্ব শাসন সভা।

পট (বি.) ঃ কাকত বা কাপোৰত আঁকা ছবি।

স্মৃতি পট (বি.) ঃ ছবিৰ দৰে স্পষ্ট সোঁৱৰণ।

আশাশুধীয়া (বিণ.) ঃ উদাৰচিত্তীয়া, অকপটীয়া।

আমোলা (বি.) ঃ কোনো কাৰ্যালয়ত লেখা পঢ়া কাম কৰা তলতীয়া কৰ্মচাৰী। কেৰাণী

সিদ্ধান্ত (বি.) ঃ মীমাংসা। নিৰ্ণয়, ৰায়।

তললৈ তেওঁলোকক আনিব পাৰে তাৰ বাবে ভাৰত চৰকাৰে পাতি দিয়া জনজাতি কমিটিৰ তেখেত চেয়াৰমেন নিৰ্বাচিত হয়। আজিৰ যি জিলা-পৰিষদ, সি বৰদলৈৰে যত্নৰ ফল মাথোন।

বৰদলৈৰ শাসন কালতে অসমত সমবায় সমিতিবোৰ গঠিত হয় আৰু তাৰ দ্বাৰা আমাৰ জনসাধাৰণক স্বাৱলম্বী কৰিবলৈ যত্ন কৰা হয়। এইবোৰ জীয়াই ৰাখিবলৈ 'অসম কো-অপাৰেটিভ এপেক্স বেংক' নামৰ জাতীয় বেংকটো স্থাপন কৰা হয়।

১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাম চৰকাৰে নিজৰ হাতলৈ নিয়ে। ১৯৪৯ চনৰ পৰা অসমত বাধ্যতামূলক প্ৰাইমাৰী শিক্ষাৰ প্ৰচলন কৰে। পৰ্বত-ভৈয়ামৰ সম্প্ৰীতিৰ বাবে 'পৰ্বত-ভৈয়াম সম্প্ৰীতি সপ্তাহ' পালন কৰোৱাৰ ব্যৱস্থা কৰে।

মুখ্যমন্ত্ৰীৰ পদ গ্ৰহণ কৰিয়েই তেওঁ জেল-সংস্কাৰৰ কাম হাতত লয়। তেওঁৰ যত্নত কেন্দ্ৰত অসমৰ এজন উপমন্ত্ৰীও লোৱা হয়।

## 12.2.6 তৃতীয় পাঠভাগৰ প্ৰশ্নাৱলী

### প্ৰকাশভংগী পৰীক্ষা /লব্ধজ্ঞান প্ৰয়োগ পৰীক্ষা

২২। গোপীনাথ বৰদলৈৰ যত্নত গঢ়ি উঠা অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ এখনি তালিকা প্ৰস্তুত কৰা।

২৩। গঠনমূলক কামৰ দৃষ্টিভংগীৰ পৰা গোপীনাথ বৰদলৈৰ ব্যক্তিত্ব নিৰ্ণয় কৰা।

২৪। পৰ্বত- ভৈয়ামৰ সম্প্ৰীতিৰ অৰ্থে বৰদলৈদেৱে কেনে ধৰণৰ পৰিশ্ৰম কৰিছিল?

২৫। মুখ্যমন্ত্ৰীৰ পদ গ্ৰহণ কৰি গোপীনাথ বৰদলৈয়ে প্ৰশাসনীয় দিশত কি কি সংস্কাৰ কৰিছিল?

২৬। মুখ্যমন্ত্ৰীৰ পদ গ্ৰহণ কৰি গোপীনাথ বৰদলৈয়ে সমাজত থকা কি কি দুষ্কৃতি নাশ কৰিবলৈ অভিযান চলাইছিল?

২৭। মুখ্যমন্ত্ৰী হৈ থকা কালত গোপীনাথ বৰদলৈয়ে শিক্ষাৰ ক্ষেত্ৰত কি কি উন্নতিমূলক কাম কৰিছিল?

সাহায্য (বি.) ঃ সহায়, কোনো কামত সংগদান। অৰ্থদান।

কো-অপাৰেটিভ (বিণ.) ঃ সহকাৰবাৰী, জুটীয়া।

কলনী (বিণ.) ঃ পমুৱা ৰাজ্য, উপনিবেশ।

প্ৰতিবন্ধকতা (বি.) ঃ বাধা, বিঘিনি

ব্যাপক (বিণ) ঃ বিস্তৃত, যি বহু ঠাই জুৰি থাকে।

আঁচনি (বি.) ঃ কোনো কামৰ বাবে আগতে কৰা আৰ্হি, টোকা, খচৰা

টলৌ-টলৌ (ক্ৰি.বিণ.) ঃ অস্থিৰভাৱে ঘূৰি ফুৰা, এঠাইৰ পৰা আন ঠাইলৈ গৈ।

কমিটি (বি.) ঃ সমিতি, উপসভা।

চেয়াৰমেন (বি.) ঃ সভাপতি

নিৰ্বাচন (বি.) ঃ বাছি লোৱা কাৰ্য্য, বাছনি, ভোটদান কৰি মনোনীত কৰা কাৰ্য্য।

জিলা-পৰিষদ (বি.) ঃ[জিলা (বি.) এজন উপায়ুক্তৰ অধীনত থকা এটা নিৰ্দ্ধাৰিত অঞ্চল] জিলা-সভা।

সমিতি (বি.) ঃ সভা, নিৰ্দ্দিষ্ট সংখ্যক সদস্যৰ সংগঠন।

স্বাৱলম্বী (বি.ণ) ঃ যি নিজৰ সহায়ত চলে, আত্ম নিৰ্ভৰশীল।

অসুস্থ (বি.ণ) ঃ পীড়িত, যাৰ শৰীৰ বা মন ভাল নাই।

সংস্কাৰ (বি.) ঃ পৰিশোধন, শুদ্ধিকৰণ, শুচিকৰণ, মেৰামতি।

## 12.2.7 মূল পাঠ

### মুদ্ৰিত প্ৰতিলিপিৰ চতুৰ্থ ভাগ

## মৃত্যু

বৰদলৈ ডাঙৰীয়াই বেমাৰী গাৰে গাৰো, কছাৰী, মিকিৰ আদি পাহাৰী ভাইসকলৰ মাজলৈ পৰ্বত-ভৈয়ামৰ মিলনৰ বাবে সম্প্ৰীতিৰ বীজ সিঁচিবলৈ গৈছিল। একে উদ্দেশ্যে শেষত মিজো পাহাৰ ভ্ৰমণ কৰে, আহি থাকোতে বাটত শৰীৰৰ অসুস্থতা অনুভৱ কৰে। সেইদিনা চিলঙৰ পৰা ঘৰলৈ আহি নৰীয়া গাৰে উজান বজাৰত অৱস্থিত ভাস্কৰ নাট্য-মন্দিৰত অভিনয় চাই ৰাতি বিচনাত পৰেহি। তিনিদিনমান আগতে চিলঙত টোপনিৰ মাজতে খক্‌মক্‌কৈ উঠি সহ-ধৰ্মিণী সুৰবালা বৰদলৈৰ আগত কৈছিল, 'হেৰা শুনিছানে, এটি সামাজিক দেখিলোঁ ঃ মহাত্মাই মোক মাতি পঠিয়াইছে, তেখেতৰ কামত হেনো মই সহায়ক হ'ব লাগে। ' এই অহ্বান বৰদলৈয়ে উপেক্ষা কৰিব নোৱাৰিলে। ১৯৫০ চনৰ পাচঁ আগষ্টৰ ৰাতি এঘাৰ বজাত তেওঁ হৃদৰোগত আক্ৰান্ত হৈ শেষ নিশা সিপুৰীলৈ যাত্ৰা কৰিলে।

বৰদলৈৰ বিয়োগত পণ্ডিত নেহৰুৱে শোক প্ৰকাশ কৰি ক'লে, 'মোৰ পুৰণি বন্ধু আৰু সহকৰ্মী বৰদলৈৰ মৃত্যুত মৰ্মান্তিক শোক পালোঁ। সমস্যাবহুল ৰাজ্যখনৰ মুখ্যমন্ত্ৰী আৰু নিৰ্ভীক ৰণবীৰ এজন হেৰুৱাটো ডাঙৰ ৰাষ্ট্ৰীয় ক্ষতি।' ৰাষ্ট্ৰপতি ৰাজেন্দ্ৰ প্ৰসাদে জনালে, 'বৰদলৈৰ মৃত্যুৱে অসম আৰু ভাৰতৰ ৰাজহুৱা জীৱনত সহজে পূৰাব নোৱাৰা এখন শূণ্য কৰি থৈ গ'ল।' ভাৰতীয় সংসদে শ্ৰদ্ধাঞ্জনি জনাই কলে, 'ভাৰতৰ সীমান্তৰ শাসন-সংকুল ৰাজ্য এখনৰ সকলো দায়িত্ব কান্ধ পাতি লোৱা অৱস্থাতে বৰদলৈয়ে পৰলোকলৈ গতি কৰিবলগীয়া হোৱাত অসমৰে নহয়, দেশৰ লাখ লাখ লোকৰ অন্তৰত বজ্ৰাঘাত পৰিছে।' চৰ্দাৰ পেটেলে কৈছিল, ' গোপীনাথ বৰদলৈ অবিহনে অসমৰ কথা ভৱাটো টান কথা। তেওঁ নিজৰ ৰাজ্যখনৰ স্বাৰ্থত জড়িত থকা কৰ্মেৰে নিজৰ চিনাকি দিছিল আৰু তেওঁৰ মহান ব্যক্তিত্বৰে সুদীৰ্ঘ কাল ৰাজনৈতিক জীৱনৰ সৈতে এনেকৈ মিলি গৈছিল যে আমি সেই দুইটি অস্তিত্বক ভিন্ ভিন্ বুলি নাভাবি এটিক আনটিৰ পৰিপূৰক বুলি ভাবিছিলোঁ।' অধ্যক্ষ হেম বৰুৱাই কৈছিল, 'মন্ত্ৰী হোৱা সহজ, জাতিৰ অন্তৰ জয় কৰা সহজ নহয়। জাতিৰ অন্তৰ জয় কৰিছি ল বাবেই বৰদলৈদেৱৰ মৃত্যুৱে আজি দেশৰ তন্ত্ৰী কঁপাইছে।' ছয় আগষ্টৰ সন্ধিয়া ছয় বজাত তিনি মাইলজোৱা শৰ-যাত্ৰাত সমবেত হাজাৰ হাজাৰ জনতাৰ শেষ-সন্মানৰ পুষ্পবৃষ্টি গ্ৰহণ কৰাৰ পিছত অসমৰ সৰ্বপ্ৰিয়, সৰ্বশ্ৰেষ্ঠ নেতা

**শব্দাৰ্থ**

সহধৰ্মিণী (বি.) ঃ পত্নী, ভাৰ্য্যা

সিপুৰী (বি.) ঃ পৰলোক, অন্যলোক, স্বৰ্গ

সহকৰ্মী (বি.ণ) ঃ এক ধৰ্মৰ, একে স্বভা

মৰ্মান্তিক ( বিণ.) ঃ হৃদয়-বিদাৰক, দারু

ৰণবীৰ (বি.) ঃ যুঁদ্ধৰ বলী আৰু সাহ যুঁজাৰু।

শ্ৰদ্ধাঞ্জলি (বি.) ঃ সন্মানৰ আঁজলি, সন্মান শৰাই, সন্মান জনাই দিয়া প্ৰশংসা-পত্ৰ

সংকুল (বিণ.) ঃ আবৃত, পৰিপূৰ্ণ

অধ্যক্ষ (বি.) ঃ অনুষ্ঠানৰ গুৰিয়াল, নায়ক ঘাই বিষয়া।

তন্ত্ৰী (বি.) ঃ তাঁৰ বা গুণা লগোৱা বাদ্য-যন্ত্ৰ

জনতা (বি.) ঃ বহুত মানুহৰ সমাবেশ।

লেলিহান (বিণ.) ঃ লক্‌লকোৱা। বাৰে বা চেলেকিব খোজা। [লেলিহান অগ্নি - তৎক্ষণাত পুৰি ছাই কৰিবপৰা শক্তিশা জুই]

বিপুল (বিণ.) ঃ ডাঙৰ, প্ৰশস্ত। বিস্ত অতিশয়, বহুত।

সত্যনিষ্ঠা (বিণ) ঃ সত্যপৰায়ণ, যাৰ সং প্ৰতি আগ্ৰহ থাকে।

অহিংসাবাদী (বিণ.) ঃ কাৰো অ নিচিন্তালোক, অহিংসা বিশ্বাসীলোক [অহি (বিণ.) হিংসাশূন্য]

অল্পভাষী (বিণ.) ঃ কম কথা কোৱা

চিন্তাশীল (বিণ.) ঃ যি গভীৰভাৱে ভাবি থকাত অভ্যস্ত।

লোকপ্ৰিয় (বিণ.) ঃ জনসাধাৰণৰ প্ৰিয়, সকলোৰে মৰমৰ।

অভিভূত (বিণ.) ঃ বিহ্বল, পৰাস্ত, আবিষ্ট।

অভিহিত (কৃদ বিণ.) ঃ খ্যাত, কথিত, জনাজাত

শ্ৰাদ্ধ (বি.) ঃ মৃতকৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিবলৈ উপবাস, পিণ্ডদান আদিৰে পতা অনুষ্ঠান, শৰাধ।

বউত (বিণ.) ঃ বহুত

দুক (বি.) ঃ দুখ

অ'লৈ (ক্ৰি) ঃ হ'ল।

গৰাকীৰ নশ্বৰ দেহটো লেলিহান জুইকুৰাই বুকুত সাৱটি ললে। বিপুল জনতাৰ চকুপানীৰ ঢল বৈ গ'ল। কবিয়ে গালে,

'অসমৰ বৰনৈ যমুনা পাৰত

নাবাজে মোহন বাঁহী, গোপীনাথ নাই

সেইদিনা কাল নিয়তিয়ে

লৈ গ'ল জননীৰ বুকু চিৰি হায়!'

নৱগ্ৰহ শ্মাশান লোকাৰণ্যত পৰিণত হোৱা দেখি অসমৰ ৰাজ্যপাল জয়ৰাম দাস দৌলতৰামে কৈ উঠিল, 'গোপীনাথ বৰদলৈ লোক প্ৰিয়।' শোকত অভিভূত জনতাই আগ্ৰহেৰে এই ঘোষণা শুনিলে। বিষাদৰ মাজতো এক অকৃত্ৰিম আনন্দ অন্তৰত অনুভৱ কৰিলে। এইদৰে বৰদলৈদেৱৰ মৃত্যুৰ পিছত লোকপ্ৰিয় নামে অভিহিত হ'ল।

বীৰ, সত্যনিষ্ঠ, অহিংসাবাদী, মৰমিয়াল, অল্পভাষী, ঈশ্বৰ-বিশ্বাসী, চিন্তাশীল, কৰ্তব্যপৰায়ণ লোকপ্ৰিয়ৰ শ্ৰাদ্ধলৈ আহি পৰ্বতীয়া ভাইহঁতে কৈছিল, ' বৰদলৈয়ে চেষ্টা কৰিছিল আমাক ভাল কৰিবলৈ। ......... আমাৰ কথাবোৰ ভাবি ভাবি দুক পাইছিল। .......... আমি তাক বোপাই ৰকম দেখিছিলোঁ। .......... এইটো মৰিলে আমাৰ বউত দুক অ'লৈ...... । ......... আজি ইমাবোৰ মানুহৰ লগত আমাক একেলগে খাবলৈ দিছে, বহিবলৈ দিছে। আগৰ পৰা এনেকুৱা কথা থকাহেঁতেন এনেকুৱা নহ'লৈ হয় কিজানি।'

পৰ্বতীয়া ভাইসকলৰ কথা সময় কষ্টিপাথৰত ঘহঁনি খাই নিভাজ সঁচা বুলি প্ৰমাণিত হ'ল। বৰদলৈ বাচি থকা হ'লে হয়তো অসমখন এনেদৰে খণ্ডবিখণ্ড হবলৈ নাপালেহেঁতেন। সদৌ অসমবাসীৰ বাবেই বৰদলৈদেৱৰ মৃত্যু এক অপূৰণীয় ক্ষতি।

## 12.2.8 চতুৰ্থ পাঠভাগৰ প্ৰশ্নাৱলী

২৮। গোপীনাথ বৰদলৈৰ মৃত্যুৰ লগত জড়িত ঘটনাসহ মৃত্যুৰ বৰ্ণনাটি নিজৰ কথাত বৰ্ণোৱা।

২৯। গোপীনাথ বৰদলৈৰ বিয়োগত শোক প্ৰকাশ কৰি সৰ্বভাৰতীয় নেতাসকলে কৰা মন্তব্যসমূহ নিজৰ কথাত প্ৰকাশ কৰা।

৩০। গোপীনাথ বৰদলৈৰ শ্মশান-যাত্ৰাৰ চিত্ৰটি নিজৰ ভাষাৰ তুলিকাৰে অংকন কৰা।

৩১। গোপীনাথ বৰদলৈৰ শ্ৰাদ্ধলৈ আহি পৰ্বতীয়া ভাইহঁতে কোৱা কথাবোৰৰ তাৎপৰ্য্য লিখাঁ।

৩২। প্ৰসংগ-সংগতি লগাই ব্যাখ্যা কৰা ঃ

ক) '........... মহাত্মাই মোক মাতি পঠিয়াইছে, তেখেতৰ কামত হেনো মই সহায়ক হ'ব লাগে।'

খ) '.......... সমস্যাবহুল ৰাজ্যখনৰ মুখ্যমন্ত্ৰী আৰু নিৰ্ভীক ৰণবীৰ এজন হেৰুৱাটো ডাঙৰ ৰাষ্ট্ৰীয় ক্ষতি।'

গ) '........... তেওঁৰ মহান ব্যক্তিত্বৰে সুদীৰ্ঘ কাল ৰাজনৈতিক জীৱনৰ সৈতে এনেকৈ মিলি গৈছিল যে আমি সেই দুইটি অস্তিত্বক ভিন্ ভিন্ বুলি নাভাবি এটিক আনটিৰ সমাৰ্থক বুলি ভাবিছিলো।'

ঘ) '.............. মন্ত্ৰী হোৱা সহজ, জাতিৰ অন্তৰ জয় কৰা সহজ নহয়। জাতিৰ অন্তৰ জয় কৰিছিল বাবেই বৰদলৈদেৱৰ মৃত্যুৱে দেশৰ তন্ত্ৰী কঁপাইছিল।'

ঙ) ' .............. বিষাদৰ মাজতো এক অকৃত্ৰিম আনন্দ অন্তৰত অনুভৱ কৰিলে।'

চ) '...........আগৰ পৰা এনেকুৱা কথা থকাহেঁতেন এনেকুৱা নহ'লে হয় কিজানি।'

## 12.3 পাঠৰ সাৰাংশ

সাহিত্য-বিজ্ঞান-কলা আৰু অকৃত্ৰিম জনসেৱাৰ স্বীকৃতি-স্বৰূপে ১৯৫৪ চনৰ পৰা ২০০০ চনলৈ অতি কম সংখ্যক ব্যক্তিয়ে ভাৰতৰ সন্মানজনক শ্ৰেষ্ঠ উপাধি 'ভাৰতৰত্ন' লাভ কৰিছে। মৰোণোত্তৰভাৱে এই উপাধি অৰ্জন কৰা দহ গৰাকীমানৰ ভিতৰত গোপীনাথ বৰদলৈ অন্যতম।

গোপীনাথ বৰদলৈয়ে গুৱাহাটীৰ এটি মধ্যবিত্ত পৰিয়ালত ১৮৯০ চনৰ ৬ জুন তাৰিখে জন্ম গ্ৰহণ কৰে। তেওঁৰ পিতৃ বুদ্ধেশ্বৰ বৰদলৈ এগৰাকী ডাক্তৰ আৰু

মাতৃ প্ৰাণেশ্বৰী দেৱী এগৰাকী সুযোগ্যা গৃহিণী আছিল।

শৈশৱতে বৰদলৈয়ে মাতৃ ঢুকোৱাত তেওঁৰ বায়েক শশীকলা আৰু এগৰাকী বুঢ়ীৰ যত্নত বৰদলৈ ডাঙৰ-দীঘল হয়। শৈশৱতে বৰদলৈয়ে ধান বনা কামৰ দৰে ঘৰৰ কাম কৰিলগীয়া হৈছিল।

প্ৰতিকূল বাতাবৰণত থাকি তেওঁ শৈশৱ কালত পঢ়-শুনা কৰিবলগীয়া হয়। পঢ়িথকা কালতে তেওঁ নাওখেল, সাঁতোৰ, বৰশীবোৱা, বাঁহৰ বেটেৰে ক্ৰিকেট খেলা, বান্দৰ নচুৱা আদি খেল-ধেমালি কৰি আনন্দ লাভ কৰে। সংগীত তেওঁৰ প্ৰিয় বিষয় আছিল। ভায়োলিন, এছৰাজ আদি বাদ্য বজাইছিল। তদুপৰি তেওঁ 'এন্টনি'ৰ ভাওত সফল অভিনয় কৰি কলেজীয়া দৰ্শকক সন্তুষ্ট কৰে।

স্বনামধন্য হেড্‌মাষ্টৰ ৰায় বাহাদুৰ মহেন্দ্ৰনাথ দত্তৰ তলত বৰদলৈয়ে শিক্ষা গ্ৰহণ কৰে। প্ৰথম বিভাগত মেট্ৰিক পাছ কৰি জলপানি লৈ কটন কলেজৰ পৰা আই এ. পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয় আৰু জলপানি লাভ কৰে। বৰদলৈয়ে কলিকতাৰ স্কটিচ চাৰ্চ কলেজৰ পৰা অনাৰ্চসহ বি. এ. , কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ১৯১৪ চনত এম. এ. আৰু ১৯১৫ চনত ল পাছ কৰে।

তেওঁ গুৱাহাটীৰ সোণাৰাম হাইস্কুলত প্ৰধান শিক্ষক হিচাপে কৰ্মজীৱন আৰম্ভ কৰে আৰু পিছত ওকালতি কৰিবলৈ লয়।

তেওঁৰ বিবাহ হয় উত্তৰ গুৱাহাটীৰ ভূমিকান্ত বৰদলৈদেৱৰ জীয়াৰী সুৰবালা বৰদলৈৰ সৈতে ১৯১৯ চনত। ব্ৰিগেডিয়াৰ ধীৰেন্দ্ৰনাথ বৰদলৈ, অধ্যক্ষ বীৰেন্দ্ৰনাথ বৰদলৈ, অধ্যাপিকা ড° লিলি মজিন্দাৰ বৰুৱা, কেপ্টেইন ৰবীন্দ্ৰনাথ বৰদলৈ, টাটাৰ জেনেৰেল মেনেজাৰ বলীন্দ্ৰনাথ বৰদলৈ আদি চাৰিজন পুত্ৰ আৰু পাঁচ গৰাকী কন্যাৰে বৰদলৈদেৱৰ বৈবাহিক জীৱন সফল আৰু সুখৰ আছিল।

১৯৩৭ চনত বৰদলৈয়ে সাধাৰণ নিৰ্বাচনযোগে অসম বিধান সভাৰ সদস্য হয় আৰু সংযুক্ত মন্ত্ৰীসভাৰ গধুৰ দায়িত্ব গ্ৰহণ কৰে। তাৰ পিছত তেওঁ অসমৰ প্ৰধানমন্ত্ৰী হয়।

তেৰ মাহ শাসন কাৰ্য্য চলোৱাৰ পিছত বৰদলৈ মন্ত্ৰীসভাই পদত্যাগ কৰে। ১৯৪০-৪১ চনৰ মহাত্মা গান্ধীয়ে আৰম্ভ কৰা সত্যাগ্ৰহ আন্দোলনত দেশৰ মংগলৰ বাবে যোগদান কৰাত বৰদলৈদেৱ আকৌ জেললৈ যায়।

১৯৪২ চনৰ গণ-বিপ্লৱত যোগ দিয়া বাবে আকৌ মহাত্মা গান্ধী, জৱহৰলাল

নেহৰু আদি নেতাসকলৰ সৈতে বৰদলৈয়ে জেল খাটিবলগীয়া হয়। ১৯৪৬ চনত তেওঁ পুনৰ কংগ্ৰেছ চৰকাৰ গঠন কৰে।

১৯৪৬ চনৰ 'ভাৰত ত্যাগ' আন্দোলনৰ ফলত ভাৰতক বৃটিছে ভুৰা স্বাধীনতা দিবলৈ সমষ্টি গঠনৰ নামত ভাগ ভাগ কৰিবলৈ আঁচনি কৰে। অসম সমষ্টিৰ গ্ৰাসত পৰো পৰো, তেনেতে বৰদলৈদেৱে অসমৰ ভাষা-সভ্যতা-সংস্কৃতি ৰক্ষাৰ বাবে যুদ্ধ কৰি সফল হয়, সমষ্টিৰ আঁচনি বিফল হ'ল।

১৯৩৪ চনত গোপীনাথ বৰদলৈ গুৱাহাটী মিউনিচিপেলিটিৰ চেয়াৰমেন হৈ হৰিজন-সেৱা আৰম্ভ কৰে। গুৱাহাটীৰ হৰিজন কল'নী, গুৱাহাটী বিশ্ববিদ্যালয়, মেডিকেল কলেজ, আয়ুৰ্বেদ কলেজ, সমবায় কলেজ, হাইকৰ্ট, কৃষি কলেজ, পশুচিকিৎসালয় কলেজ, ইঞ্জিনিয়াৰিং কলেজ, পুলিছ ট্ৰেইনিং কলেজ, যোৰহাট পলিটেকনিক ইন্‌ষ্টিটিউট, পৰিবহণ বিভাগ, ৰেডিঅ' কেন্দ্ৰ, ৰাষ্ট্ৰীয় স্কুল কামৰূপ একাডেমী আৰু ৰাষ্ট্ৰীয় মহাবিদ্যালয় বি. বৰুৱা কলেজ আদি বৰদলৈদেৱৰ চেষ্টাতে স্থাপিত হয়।

শেষবাৰ জেলৰ পৰা মুক্তি পাই পৰ্বত-ভৈয়াম সম্প্ৰীতিৰ বাবে পাহাৰে-কন্দৰে ভ্ৰমণ কৰে।

মুখ্যমন্ত্ৰীৰ পদত অধিষ্ঠিত হৈয়েই কৰ্মীসকলক স্বাধীন-চিতীয়া মনোভাৱ ল'বলৈ আহ্বান কৰে আৰু মন্ত্ৰীসকলৰ দৰমহা কমাই মাত্ৰ ৫০০ টকা কৰে। মাটিৰ খাজনা শতকৰা ৫০ টকা কমাই কৃষকৰ উপকাৰ সাধন কৰে। কৃষিৰ উন্নতিৰ বাবে অসম কো-অপাৰেটিভ কল'নী স্থাপন কৰে। কানি নাশ, মদ নিবাৰণ আদি সংস্কাৰমূলক কাম তেওঁৰ চেষ্টাতেই হয়। স্কুলত হিন্দীশিক্ষা প্ৰচলনৰ অৰ্থে বৰ্দ্ধাৰ্লৈ কিছু লোকক পঠিয়ায়।

জনজাতিৰ অস্তিত্ব ৰক্ষাৰ অৰ্থে চৰকাৰে গঠন কৰা জনজাতি কমিটিৰ চেয়াৰমেন হৈ আজিৰ 'জিলা-পৰিষদ'ৰ পথ সুগম কৰে।

জনসাধাৰণক স্বাৱলম্বী কৰোৱাৰ উদ্দেশ্যে তেওঁ সমবায় সমিতিবোৰ গঠন কৰে আৰু এই সমিতিবোৰ জীয়াই ৰাখিবলৈ অসম কো-অপাৰেটিভ এপেক্স বেংক নামৰ জাতীয় বেংকটো স্থাপন কৰে।

১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাম চৰকাৰে লয়। ১৯৪৯ চনৰ পৰা বাধ্যতামূলক প্ৰাইমাৰী শিক্ষাৰ প্ৰচলন হয় আৰু 'পৰ্বত-ভৈয়াম সম্প্ৰীতি সপ্তাহ' পালনৰ ব্যৱস্থা কৰা হয়।

বৰদলৈদেৰে জেল সংস্কাৰৰ কাম হাতত লয় আৰু কেন্দ্ৰত এজন উপমন্ত্ৰী লোৱাৰ ব্যৱস্থা কৰে।

পৰ্বত-ভৈয়াম সম্প্ৰীতিৰ অৰ্থে গাৰো পাহাৰ, মিকিৰ পাহাৰ, মিজো পাহাৰ আদি ভ্ৰমণ কৰি অসুখত পৰে। চিলঙৰ পৰা উভতি আহি কুমাৰ ভাস্কৰ নাট্য মন্দিৰত অভিনয় চায় আৰু উভতি আহোতে হৃদৰোগত আক্ৰান্ত হৈ বিচনাত পৰে, সেই অসুখতে পাচঁ আগষ্টৰ শেষ নিশা শেষ নিশ্বাস কাঢ়ে।

ভাৰতৰ ৰাষ্ট্ৰপতি ড° ৰাজেন্দ্ৰ প্ৰসাদ, প্ৰধান মন্ত্ৰী জৱহৰলাল নেহৰু, চৰ্দাৰ পেটেল আদি ভাৰতীয় নেতা, আৰু শিক্ষাবিদ অধ্যক্ষ হেম বৰুৱা আদি যশস্বীলোকে বৰদলৈদেৰৰ উচ্চ প্ৰশংসা কৰি তেওঁৰ বিয়োগত অসম তথা ভাৰতৰ অপূৰণীয় ক্ষতি হোৱা বুলি মত প্ৰকাশ কৰে। তেওঁৰ সকামলৈ আহি পৰ্বতীয়া ভাই কিছুমানে বৰদলৈদেৰে তেওঁলোকৰ প্ৰতি আন্তৰিক চেনেহ ৰাখি তেওঁলোকৰ উন্নতিৰ হ'কে চিন্তা-চেষ্টা কৰাৰ কথা উল্লেখ কৰি নথৈ দুখ প্ৰকাশ কৰে- যাৰ মাজেৰে বৰদলৈদেৰৰ জনসেৱা, দেশপ্ৰেম তথা মহাত্মা গান্ধীৰ আদৰ্শ ৰূপায়িত কৰাৰ স্বৰূপ স্পষ্ট হৈ পৰিছে।

## 12.4 চমুটোকা

**ক) ভাৰত ৰত্ন ঃ** ভাৰতৰ খ্যাত নামা সাহিত্যিক, বিজ্ঞানী, কলাবিদ আৰু জনসেৱকসকলক তেখেতসকলৰ কৃতিত্বপূৰ্ণ কামৰ শলাগ স্বৰূপে ১৯৫৪ চনৰ পৰা ভাৰতৰ ৰাষ্ট্ৰপতিয়ে প্ৰতিবছৰে ভাৰতৰত্ন আখ্যা দি আহিছে, ই সন্মানসূচক আৰু শ্ৰেষ্ঠ আখ্যা। এই আখ্যাৰ প্ৰতীক হ'ল এটি আহত পাতৰ আকাৰৰ এটি সোণৰ পদক। ইয়াৰ চাৰিকাষ প্লাটিনাম ধাতুৰে নিৰ্মিত, মাজত সূৰ্য্য আৰু তাৰ তলত হিন্দী আখৰেৰে 'ভাৰত ৰত্ন' লিখা থাকে। ওলোটা পিঠিত প্লাটিনাম ধাতুৰে ভাৰতৰ প্ৰতীক আৰু তলত হিন্দী আখৰেৰে 'সত্যমেৱ জয়তে' লিখা থাকে।

**খ) জুলিয়াছ চীজাৰ ঃ** ৰোমৰ সেনাপতি (খৃঃ পূঃ ১০০-৪৪) চীজাৰৰ নামেৰে উইলিয়াম শ্বেক্‌ছপীয়েৰ ৰচিত এখনি বিয়োগান্ত নাটক।

**গ) এন্টনি ঃ** মাৰ্ক এন্টনি (মাৰ্কাছ এন্টনিয়াছ) জুলিয়াছ চীজাৰ নামক নাটৰ এটি চৰিত্ৰ। এন্টনি চীজাৰৰ বন্ধু আছিল। জুলিয়াছ চীজাৰক ব্ৰুটাছ প্ৰমুখ্যে কেইজনমান চীজাৰৰে বন্ধুই চীজাৰ স্বেচ্ছাচাৰী হৈ উঠা বিবেচনা কৰি চিনেট (প্ৰশাসনিক সভা) বহি থকা সময়তে শৰীৰৰ তেইছ ঠাইত অস্ত্ৰাঘাত কৰি হত্যা কৰে। এন্টনিয়ে সমবেত জনসাধাৰণৰ আগত কৌশলপূৰ্ণ বক্তৃতা দি গুপ্তহত্যাকাৰীৰ বিৰুদ্ধে জনসাধাৰণক

উত্তেজিত কৰি তোলে। কবিতাত লিখা এই বক্তৃতা এণ্টনিৰ ভাওত অভিনয় কৰা অভিনেতা সফল হলে, দৰ্শকৰ প্ৰশংসা লাভ কৰে। কটন কলেজত অধ্যয়ন কৰি থাকোঁতে গোপীনাথ বৰদলৈয়ে এণ্টনিৰ ভাওত অভিনয় কৰি অধ্যক্ষ প্ৰমুখ্যে দৰ্শকসকলৰ পৰা প্ৰশংসা লাভ কৰে।

**ঘ) ভাৰত ত্যাগ আন্দোলন ঃ** 'ভাৰত-এৰা' (কুইট ইণ্ডিয়া) আন্দোলন নামেও জনাজাত। ১৯৪২ চনৰ ৭ আষ্টত বোম্বেইত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ জৰুৰী অধিবেশনত মহাত্মা গান্ধীৰ পৰামৰ্শমতে 'কুইট ইণ্ডিয়া' প্ৰস্তাৱটো গ্ৰহণ কৰি বৃটিছ চৰকাৰক ভাৰত পৰিত্যাগ কৰিবলৈ কোৱা হয়।

ঙ) প্ৰধান মন্ত্ৰী ঃ সেই সময়ত প্ৰদেশবিলাকৰ মন্ত্ৰীসভাৰ মূৰব্বীগৰকীক প্ৰধানমন্ত্ৰীহে কোৱা [illegible]

## 12.5 সাধাৰণ বোধ-পৰীক্ষা

৩৩। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা—

ক) 'পৃথিৱীৰ বিৰুদ্ধে যুঁজি হ'লেও অসমে নিজৰ নিজত্ব ৰক্ষা কৰিব লাগিব।'

খ) বৰদলৈৰ স্পষ্টতা আৰু দৃঢ়তা নোহোৱাহেঁতেন অসমৰ কৃষ্টি, সভ্যতা, সংস্কৃতি ৰক্ষিত নহ'লহেঁতেন।

৮। 'বৰদলৈ আছে নহয়?' এইদৰে কোনে, কেতিয়া আৰু কিয় কৈছিল?

৯। 'ইয়াতেই মই হেৰাই যাব খোজা জীৱনৰ বাট দেখা পালোঁ'— কথাষাৰৰ তাৎপৰ্য্য লিখা।

৩৪। তলত দিয়া শব্দবিলাকৰ সন্ধি বিচ্ছেদ কৰা ঃ

ক) বুদ্ধেশ্বৰ খ) [illegible]

ঘ) বীৰেন্দ্ৰ ঙ) ৰবীন্দ্ৰ চ) জীৱনাদৰ্শ

ছ) আধ্যাত্মিক জ) সন্মতি ঝ) আয়ুৰ্বেদ

ঞ) নামকৰণ ট) উন্নতি ঠ) তদুপৰি

ড) সম্প্ৰীতি ঢ) সংস্কাৰ ণ) মহাত্মা

ত) মৰ্মান্তিক থ) ৰাষ্ট্ৰপতি দ) শ্ৰদ্ধাঞ্জলি

ধ) সীমান্ত ন) বজ্ৰাঘাত।

**৩৫। এই পাঠটোত কেইবাটিও প্ৰত্যক্ষ উক্তি আছে, সেই ে ইটি বাছি উলিয়াই পৰোক্ষ উক্তিলৈ পৰিবৰ্তন কৰা।**

**৩৬। বিশেষণৰ পৰা 'বিশেষ্য' কৰিবলৈ শিকা; এটা উদাহৰণ দিয়া হৈছে—**

| বিশেষণ | বিশেষ্য |
|---|---|
| বৈবাহিক | বিবাহ |
| সামাজিক | |
| মৰ্মান্তিক | |
| ৰাষ্ট্ৰীয় | |

**৩৭। তলৰ প্ৰতিযোৰ বাক্য যৌগিক বাক্যলৈ পৰিৱৰ্তন কৰা ঃ**

ক) বৰদলৈয়ে গুৱাহাটীৰ কলেজিয়েট স্কুলৰ পৰা প্ৰথম বিভাগত ১৯০৭ চনত মেট্ৰিক পাছ কৰে। তাৰ পিছত তেওঁ উচ্চ শিক্ষাৰ কাৰণে জলপানি লাভ কৰি কটন কলেজত পঢ়ে।

খ) তেওঁ ১৯০৯ চনত আই এ পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। তাৰ পিছত তেওঁ উচ্চ শিক্ষাৰ কাৰণে জলপানি লাভ কৰে।

৩৮। তলত জটিল বাক্যটো ভাঙি কথাখিনি দুটা সৰল বাক্যৰ জৰিয়তে প্ৰকাশ কৰা ঃ

পৰ্বত-ভৈয়ামৰ সম্প্ৰীতি স্থাপন কৰিবৰ কাৰণে বৰদলৈয়ে জনজাতিৰ মাজত অসুস্থ গাৰে যেনেভাৱে ফু ৰিছিল, সি হয়তো জনজাতিসকলৰ স্মৃতিপটৰ পৰা কোনো দিনেই মচা নাযাব।

৩৯। তলত দিয়া বাক্যাংশ কেইটিৰে অৰ্থ প্ৰকাশক বাক্য ৰচনা কৰাঃ

আহোপুৰুষাৰ্থ, আতোলতোল, পাণি গ্ৰহণ, জলপানি, লাইখুঁটা, জুমুৰি দি ধৰ, ফেৰ মাৰ, নামাঞ্জুৰ, আশাশুধীয়া, টলৌ টলৌ, পৰিপূৰক।

৪০। তলৰ শব্দটোক আৰ্হি হিচাপে লৈ তেনে আন চাৰিটা শব্দ লিখাঁ।

বা-বতাহ

## 12.6 ব্যাকৰণগত প্ৰশ্নাৱলী

**ক ) সন্ধি ঃ** তোমালোকে জানা যে পৰম্পৰ ওচৰা-উচৰি হৈ থকা দুটা বৰ্ণৰ মিলন, ৰূপান্তৰ আদিৰ নাম সন্ধি (বৰ্ণানং মেলনং সন্ধিঃ)। সন্ধি হ'লে দুটা বৰ্ণ লগ লাগি এটা হয়, নাইবা এটাই অন্যৰূপ লয়, নাইবা এটা লোপ হয়। কেতিয়াবা মাজতে নতুন বৰ্ণৰ আগমো হয়; যেনে, প্ৰাণ+ ঈশ্বৰী—প্ৰাণেশ্বৰী, স্ব+অৱলম্বী—স্বাৱলম্বী।

কোনো সম্বন্ধ নথকা দুটা শব্দৰ আগৰ শব্দৰ শেষৰ বৰ্ণ আৰু শেষৰ শব্দৰ আগৰ বৰ্ণ লগ লাগিও সন্ধি হ'ব পাৰে। একোটা শব্দৰ ভিতৰত উপসৰ্গ, ধাতু আৰু প্ৰত্যয়ৰ মাজতো সন্ধি হয়, যেনে, - নিঃ + ৰোগ—নিৰোগ, কৰ +ওঁতা—কৰোতা।

খ) প্ৰত্যক্ষ আৰু পৰোক্ষ উক্তি ঃ ৰাষ্ট্ৰপতি ৰাজেন্দ্ৰ প্ৰসাদে জনালে, ' বৰদলৈৰ মৃত্যুৱে অসম আৰু ভাৰতৰ ৰাজহুৱা জীৱনত সহজে পূৰাব নোৱাৰা আসন শূন্য কৰি থৈ গ'ল।' এইটো প্ৰত্যক্ষ উক্তি, বক্তাৰ কথাখিনি কোনো সালসলনি নকৰাকৈ অবিকল উদ্ধৃত কৰিলে তাকে প্ৰত্যক্ষ উক্তি বা সৰল উক্তি বোলা হয়। উক্ত বাক্যটো তলত লিখা ধৰণেও লিখিব পাৰি—

ৰাষ্ট্ৰপতি ৰাজেন্দ্ৰ প্ৰসাদে জনালে যে বৰদলৈৰ মৃত্যুৱে অসম আৰু ভাৰতৰ ৰাজহুৱা জীৱনত সহজে পূৰাব নোৱাৰা আসন শূন্য কৰি থৈ গ'ল। এইটো পৰোক্ষ উক্তি, বক্তাৰ উক্তি অবিকল উদ্ধৃত নকৰাকৈ, সেই কথাৰ অৰ্থ নিজৰ কথাৰে প্ৰকাশ কৰিলে পৰোক্ষ উক্তি বা বক্ৰ উক্তি বোলা হয়।

## 12.7 উত্তৰ সংকেত

১ নম্বৰৰ পৰা ৩০ নং প্ৰশ্নলৈ -এইকেইটা বৰ্ণনাত্মক দীঘলীয়া উত্তৰৰ প্ৰশ্ন। এইকেইটাৰ উত্তৰ পাঠৰ সহায়ত লিখি উলিওৱা।

১৪ নং প্ৰশ্নোত্তৰৰ সংকেত ঃ

ক), গ), ঘ),ৰ উত্তৰ তলত দিয়া নিয়ম অনুসৰি কৰা ঃ

অ+ই এ ; যেনে, নৰ +ইন্দ্ৰ নৰেন্দ্ৰ

অ+ঈ এ ; যেনে, পৰম +ঈশ পৰমেশ

আ+ই এ , যেনে, যথা + ইষ্ট যথেষ্ট

আ+ঈ এ ; যেনে, লংকা + ঈশ্বৰ লংকেশ্বৰ।

ঙ) ৰ উত্তৰ সংকেত ঃ

ই+ই ঈ ; যেনে, অতি + ইত অতীত

ই+ঈ ঈ ; যেনে, গিৰি + ঈশ = গিৰীশ

ই+ঈ ঈ ; যেনে, পৃথিৱী + ঈশ্বৰ পৃথিৱীশ্বৰ

১), ণ), ত), দ), ধ), ৰ উত্তৰ সংকেত

অ + অ আ অ + আ আ

আ + অ আ আ + আ আ

থ) ৰ উত্তৰ সংকেত

কি বৰ্গৰ বৰ্ণ পাছত থাকে পূৰ্ব পদৰ অন্তত থকা ম-ৰ ঠাইত সেই বৰ্গৰ পঞ্চম বৰ্ণ হয়, যেনে সম+ গতি সংগতি।

ঞ), ট), ড), ৰ উত্তৰ সংকেত ঃ

'ন' বা 'ম'ৰ পাছত থাকিলে বৰ্গৰ প্ৰথম বৰ্ণৰ ঠাইত সেই বৰ্গৰ পঞ্চম বৰ্ণ হয় যেনে, সম + মান সন্মান, উৎ + নত = উন্নত।

ঢ) ৰ উত্তৰ সংকেত ঃ

সম্ আৰু পৰি এই দুটা উপসৰ্গৰ পাছত কৃ ধাতু থাকিলে, ধাতুৰ আগত এটা স্ আগম হয় যেনে, সম্ + কৃত = সংস্কৃত

ছ) ৰ উত্তৰ সংকেত ঃ

ই, ঈ, ভিন্ন অন্য স্বৰ-বৰ্ণ পাছত থাকিলে, ই, ঈ-ৰ ঠাইত 'য' হয়; যেনে, প্ৰতি + আশা = প্ৰত্যাশা, ইতি + আদি = ইত্যাদি।

ঝ) ৰ উত্তৰ সংকেত ঃ

স্বৰবৰ্ণ, বৰ্গৰ ৩য়, ৪ৰ্থ আৰু পঞ্চম বৰ্ণ নাইবা য, ৰ, ল, ব, হ পাছত থাকিলে, অ, আ-ৰ বাহিৰে অইন স্বৰবৰ্ণৰ পাছত থকা বিসৰ্গৰ ঠাইত ৰ হয়; যেনে,

দুঃ+গম্ = দুৰ্গম

ঠ) ৰ উত্তৰ সংকেত ঃ

যদি স্বৰবৰ্ণ, বৰ্গৰ ৩য় ৪ৰ্থ, বৰ্ণ আৰু য, ৰ, ল, ব, হ, পাছত থাকে 'ত'ৰ ঠাইত 'দ' হয়, যেনে; সৎ+ উপায় = সদুপায়।

ঞ) নাম + কৰণ

৩৫। ১.৫ ৰ (ছ) প্ৰত্যক্ষ উক্তিৰ পৰা পৰোক্ষ উক্তিলৈ পৰিবৰ্তন কৰাৰ উদাহৰণ এটি আছে, তাৰ সহায়ত এই প্ৰশ্নৰ উত্তৰ কৰিব পাৰিবা।

৩৬। নিৰ্বাচন, সমাজ, মৰ্ম (হৃদয়), ৰাষ্ট্ৰ।

৩৭। সৰল বাক্য এযোৰক যৌগিক বাক্যলৈ পৰিবৰ্তন কৰিবলৈ হ'লে 'আৰু ' (যোজক অব্যয়) , 'বা' (বিয়োজক অব্যয়) প্ৰয়োগ হয়; যেনে,

সৰল বাক্য ঃ- ৰামে ভাত খালে। তাৰ পিছত তেওঁ স্কুললৈ গ'ল।

যৌগিক বাক্য ঃ- ৰামে ভাত খালে আৰু স্কুললৈ গ'ল।

৩৮। জটিল বাক্য ঃ - যেতিয়া ৰাম বনলৈ যায়, তেতিয়া ভৰত মোমায়েকৰ ঘৰত আছিল।

সৰল বাক্য ঃ- ৰাম বনলৈ যোৱাৰ সময়ত ভৰত মোমায়েকৰ ঘৰত আছিল।

'যেতিয়া', 'তেতিয়া', 'যেনেভাৱে' আদি শব্দ সৰল বাক্যত নাথাকে।

৩৯। পাঠত এই শব্দবোৰৰ ব্যৱহাৰ আছে, যি যি বাক্যত শব্দবোৰ ব্যৱহাৰ কৰা হৈছে, সেই সেই বাক্যৰ অনুকৰণত বাক্য ৰচনা কৰা।

৪০। মূল শব্দৰ অনুকৰণত গঠিত হ'লেও যিবিলাক অনুৰূপ শব্দৰ সম্পূৰ্ণ শব্দটো নহয়, অথচ শব্দটোৰ আগত একাংশহে যোগ হয়, তেনে অনুৰূপ শব্দবোৰক খণ্ডিত অনুৰূপ বোলা হয়, তোমাক সহায় কৰাৰ বাবে আকৌ এটি তেনে শব্দ উল্লেখ কৰা হ'ল; খা- খবৰ।

## 12.8 অতিৰিক্ত পঠন উপদেশ

গোপীনাথ বৰদলৈদেৱৰ বিষয়ে বিশদভাৱে জানিবলৈ হ'লে তলত উল্লেখ কৰা গ্ৰন্থসমূহ পঢ়িবা—

| | |
|---|---|
| ক) খোজতে মিলাও খোজ | লেখক- বীৰেন বৰকটকী<br>প্ৰকাশক-লয়াৰ্চ বুক ষ্টল, গুৱাহাটী |
| খ) লোকপ্ৰিয় বৰদলৈ | লেখক - মহন্ত<br>প্ৰকাশক-লয়াৰ্চ বুক ষ্টল, গুৱাহাটী |
| গ) গোপীনাথ বৰদলৈ | প্ৰকাশক-অসম প্ৰকাশন পৰিষদ, ১৯৭৯ |

এতিয়া তুমি গোপীনাথ বৰদলৈৰ জীৱনৰ এটি আভাস পালা। এই আভাস অতি চমু। তথাপি তেওঁৰ জীৱনৰ প্ৰধান কথা কেইটামান জানিলা। তেওঁৰ বিষয়ে জানিবলগীয়া বহুতো প্ৰশ্ন তোমাৰ মনত উদয় হ'ব পাৰে। তলত দিয়া বিষয়ৰ ছাঁ লৈ নিজে নিজে প্ৰশ্ন ৰচনা কৰাচোন। সেইবোৰৰ উত্তৰৰ বাবে আমালৈ লিখি পঠিয়াব পাৰা।

ক) মাতৃবিয়োগৰ পিছত শিশু বৰদলৈৰ জীৱন-যাত্ৰা।

খ) বৰদলৈৰ খেল-ধেমালিৰ ৰূপ।

গ) বৰদলৈদেৱে পৰীক্ষাত দেখুৱা কীৰ্তি।

গোট 13

# ইচ্ছাপত্ৰৰ নমুনা

ৰচনা ঃ গোপীকান্ত তালুকদাৰ

## 13.1 পাতনি আৰু উদ্দেশ্যাৱলী

### ইচ্ছাপত্ৰ

সাধাৰণতে প্ৰচলিত আইন মতে বাপেকৰ সম্পত্তি মৃত্যুৰ পাছত তেওঁৰ সতি-সন্ততিৰ মাজত সমান ভাগ হয়। আজিকালি জীয়েকেও বাপেকৰ সম্পত্তিৰ অংশ পায়। সাধাৰণতে পুত্ৰৱতী বিধৱাই স্বামীৰ সম্পত্তিৰ অংশ নাপায়।

কিন্তু কেতিয়াবা মানুহ এনেকুৱা পৰিস্থিতিৰ সন্মুখীন হয় যে তেওঁ এই চলিত নিয়ম ভংগ কৰি নিজৰ সম্পত্তি আনক বা একাধিক ব্যক্তিৰ মাজত কম বেছি পৰিমানে ভগাই দিব লগা হয়। নিজৰ সা-সম্পত্তি আপোন ইচ্ছানুযায়ী উত্তৰাধিকাৰীক বা মনেচিতে ভালপোৱা অইন কাৰোবাক সাময়িক ভাবে অথবা স্থায়ীভাবে ভোগদখলৰ সুবিধাৰ্থে কোনোবাই লিখিত ভাবে অৰ্পণ কৰে। তেনে লিখিত দলিলক ইচ্ছাপত্ৰ বোলা হয়। এই ইচ্ছাপত্ৰ পঞ্জিয়কৰ কাৰ্য্যালয়ত পঞ্জিভূক্ত কৰিলে সি আইনসিদ্ধ হয়।

### 13.1.1 উদ্দেশ্যাৱলী

এই পাঠ অধ্যয়ন কৰাৰ পিছত তুমি জানিব পাৰিবা ঃ

- ব্যৱহাৰিক জীৱনত কেনেকৈ সা-সাম্পত্তি দান কৰা হয়,
- এনেকুৱা ৰাজহৱ নথি পত্ৰত কেনে শব্দ আৰু কেনে বাক্য ব্যৱহাৰ কৰা হয়,

◆ ইচ্ছাপত্ৰত কেনেকৈ মোহৰ মৰা হয়, পঞ্জিয়ন নম্বৰ দিয়াহয়, দৰ্খাস্তকাৰী আৰু সাক্ষীৰ চহী কেনেকৈ লোৱা হয়,

◆ সা-সম্পত্তিৰ তপচিল কেনেকৈ লিখা হয় আৰু

◆ সা-সম্পত্তিৰ লেনদেনত উকিল, মহৰি, পঞ্জিয়ক আৰু মোহৰযুক্ত কাগজৰ প্ৰয়োজন কিমান?

## 13.2 মূলপাঠ ঃ ইচ্ছা পত্ৰ

### 13.2.1 মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথমভাগ

(এশটকীয়া মোহৰযুক্ত কাকতৰ ওপৰত লিখিত)

চৰকাৰী মোহৰ

১৯০৮ চনৰ অসম চৰকাৰৰ মাটিবাৰী পঞ্জিয়ন আইন মতে গ্ৰাহ্য। ১৮৯৯ চনৰ মুদ্ৰাংক শুল্ক আইনৰ ২ নম্বৰ দফা অনুসৰি ঠিকমতে মুদ্ৰাংক শুল্ক দিয়া হৈছে। ১৯৬৩ চনৰ অসম মুদ্ৰাংক শুল্ক সংশোধনী আইনৰ দফা ২৩ আৰু অনুসূচি ১ অনুসৰি মাচুল সম্পূৰ্ণ আদায়।

**শব্দাৰ্থ**

মোহৰ (বি) ঃ ছাপ

গ্ৰাহ্য (বিণ) ঃ গ্ৰহণৰ যোগ্য, বিশ্বাসৰ যোগ্য

চাকিন (বি) ঃ থকা ঠাই, বাসস্থান

পেচা (বি) ঃ বৃত্তি, জীৱিকা

সজ্ঞানে (বিণ) ঃ নিজ জ্ঞানে

সুস্থ (বিণ) ঃ ভালে থকা

| | |
|---|---|
| সহঃপঞ্জীয়কৰ কাৰ্য্যালয় | স্বাক্ষৰ |
| ইচ্ছাপত্ৰ ক্ৰমিক নম্বৰ ১৩৮ | গোবৰ্ধন কলিতা |
| গুৱাহাটী | তাং ৩১।০১।২০০১ |

পঞ্জীয়ন কৰাহ'ল
স্বা ঃ সহঃ পঞ্জীয়ক
তাংঃ ৩১।০১।২০০১
স্থান ঃ নলবাৰী

বৰাবৰ (১) শ্ৰীকৰুণা কান্ত কলিতা, পিতা শ্ৰী নিধিৰাম কলিতা, জাতি হিন্দু, বয়স ১৭ , পেচা-কৃষি, গাওঁ বৰকুলহাটী, থানা কমাৰকুছি, জিলা- নলবাৰী।

লিখিতং শ্ৰীগোবৰ্ধন কলিতা, পিতা ˚জলহু কলিতা, জাতি হিন্দু ,পেচা ব্যৱসায়, গাওঁ বৰকুলহাটী, বৰ্তমান চাকিন কমাৰকুছি, থানা কমাৰকুছি, জিলা-নলবাৰী।

সৰ্বসাধাৰণ ৰাইজৰ জ্ঞাতাৰ্থে জনাওঁ যে মই আজি দুই হাজাৰ এক চনৰ

একত্ৰিশ জানুৱাৰী বুধবাৰে সজ্ঞান, সুস্থ শৰীৰে এই ইচ্ছাপত্ৰখনি সম্পাদনা কৰিলোঁ। এই কাৰ্যতি মোৰ ওপৰত কোনো ব্যক্তি বা কোনো পৰিস্থিতিৰ কোনো ধৰণৰ হেচা নাই।

প্ৰকাশ থাকে যে মোৰ দুজন পুত্ৰ সন্তান আৰু মোৰ সহধৰ্মিনী বৰ্তমান জীৱিত আছে। মোৰ জ্যেষ্ঠ সন্তান শ্ৰীমান ৰমা কান্ত কলিতাই বিয়া-বাৰু কৰাই তেওঁৰ পত্নী আৰু সতি-সন্ততি লৈ বেলেগে থাকিবলৈ লৈছে। মোৰ দ্বিতীয় পুত্ৰ শ্ৰীমান শাওনা কলিতাই ভাৰতীয় খাদ্য নিগমৰ চাকৰিৰ পৰা বৰ্খাস্ত হোৱাৰ পিছত আজি তিনিবছৰে নিৰুদ্দেশ হৈ আছে। ইতিমধ্যে মোৰ স্বাস্থ্যৰ বিশেষ অৱনতি ঘটাত আৰু অনাখৰী ধৰ্মপত্নীয়ে মোক চিকিৎসাৰ কাৰণে চিকিৎসালয়, নাচিংহোম আদিলৈ অনা-নিয়া কৰিব নোৱাৰাত মই মোৰ ভতিজা ১নম্বৰত উল্লিখিত শ্ৰীমান করুণা কান্ত কলিতাক যোৱা দুবছৰ ধৰি লগত ৰাখিছো। সিয়েই আমাৰ কাৰণে এতিয়া কণাৰ লাখুটি। তাৰ সেৱা- শুশ্ৰূষাতে মই এতিয়া গাটো টঙাইছো। ঢল পুৱাতে উঠি সি বাপেকৰ মটিখিনি যদি এক সামৰ বায়, দহমান বজাৰ পৰা মোৰ দোকানখনত চকুদিয়ে, দুপৰীয়া মোৰ গা মুৰ ধুৱাই দিয়ে। আবেলি মোৰ দৰৱ-পথ্য বিচাৰি যায়, সন্ধিয়া আকৌ দোকানত বহে। ৰাতি বুঢ়া-বুঢ়ী দুয়োৰে পৰিচৰ্য্যা কৰে। সি এতিয়া আমাৰ নিজৰ সন্তানসম হৈ পৰিছে। আমি শ্ৰীমান করুণাৰ ওচৰত ঋণী। এই ঋণপূৰণৰ অৰ্থে মোৰ মাটিবাৰীৰ অংশীদাৰ কৰিব খুজিছো, অথচ মোৰ পুত্ৰকো বঞ্চিত কৰাৰ ইচ্ছা নাই। সেয়ে এই ইচ্ছাপত্ৰ যোগে মোৰ তপচিলত বৰ্ণিত সকলো স্থাবৰ-অস্থাবৰ সম্পত্তি ওপৰত উল্লেখ কৰা (১), (২), (৩) আৰু (৪) ৰ মাজত নিম্নোক্ত ধৰণে ভাগবতৰা কৰি দিলোঁ। ওপৰোক্ত (১) বৰ্তমান নাবালক, সেয়ে তেওঁৰ হকে তেওঁৰ পিতৃ নিধিৰামে এই সম্পত্তি ভোগ দখল কৰি থাকিব পাৰিব। (৩) ত উল্লিখিত মোৰ দ্বিতীয় পুত্ৰৰ শুংসূত্ৰ নোলালে অথবা তাৰ কোনো ওৱাৰিচ নাথাকিলে তাৰ অংশটোও (১)এ পাব।

নিৰুদ্দেশ (বিশ) : যাৰ সন্ধান বা থকা ঠাইৰ কথা জনা নাযায়

অৱনতি (বিশ) : বেয়া হোৱা

অনাখৰী (বিশ) : আখৰ নিচিনা

কণাৰ লাখুটি : আশ্ৰয়, সহায়

গা টঙা (ক্ৰি) : পুষ্ট হ

পৰিচৰ্য্যা (বি) : সেৱা-শুশ্ৰূষা

ঋণী (বি): ধৰুৱা

বঞ্চিত (ক্ৰি বি) : প্ৰতাৰিত

তপচিল (বি) : তালিকা, বিস্তাৰিত বিৱৰণ

স্থাবৰ (বিশ) : স্থায়ী

অস্থাবৰ (বিশ) : অস্থায়ী

শুং সূত্ৰ(বি) : খা-খবৰ, উবাদিহ

ওৱাৰিচ (বি) : উত্তৰাধিকাৰী

দখল (বি) : অধিকাৰ

উকিল (বি) : ওচৰীয়া পদকীয়াৰ বাবে আদালতত উত্তৰ-প্ৰত্যুত্তৰ কৰা লোক।

## 13.2.2 আলোচনা

নলবাৰী জিলাৰ বৰকুলহাটী গাৱৰ শ্ৰীগোবৰ্ধন কলিতাৰ ধৰ্মপত্নী সহ দুজন পুত্ৰ ক্ৰমে শ্ৰীৰমাকান্ত কলিতা আৰু শ্ৰীশাওনা কলিতা। জ্যেষ্ঠপুত্ৰ ৰমাকান্ত সতি-সন্ততি লৈ বেলেগে থাকিবলৈ লৈছে আৰু দ্বিতীয় পুত্ৰ শ্ৰীশাওনা কলিতা চাকৰিৰ পৰা বৰ্খাস্ত হৈ তিনিবছৰে নিৰুদ্দেশ হৈ আছে। শ্ৰী গোবৰ্ধন কলিতাৰ ক্ৰমাৎ স্বাস্থ্যৰ অৱনতি ঘটাত আৰু অনাখৰী ধৰ্মপত্নীয়েও শ্ৰী কলিতাৰ যাৱতীয় চিকিৎসাপাতিৰ বাবে চিকিৎসালয়লৈ অনানিয়া কৰিব নোৱাৰাত তেওঁৰ ভতিজা ল'ৰা শ্ৰী করুণা

কান্ত কলিতাৰ সহায়ৰ আৱশ্যকতা বাৰুকৈয়ে অনুভৱ কৰি কৰুণাক তেওঁলোকৰ আশ্ৰয়ৰ বাবে ৰাখিছে। এনেদৰে দুবছৰ কাল কৰুণাই তেওঁলোকক দিনে নিশাই সেৱা-শুশ্ৰূষা কৰি আছে। সেয়েহে গোবৰ্ধন কলিতাই ভতিজা কৰুণাৰ ওচৰত ধৰুৱা বুলি অনুভৱ কৰি কৰুণাকো মাটি-বাৰীৰ প্ৰধান অংশীদাৰ কৰি লৈছে। আনহাতে নিজৰ পুত্ৰকো বঞ্চিত কৰিব খোজা নাই। বৰ্তমান তেওঁলোকক চোৱাচিতা কৰি থকা নাবালক ভতিজাকৰ অংশটোও তেওঁৰ পিতৃয়ে ভোগ দখল কৰিব পাৰিব। তাৰোপৰি নিৰুদ্দেশ হৈ থকা দ্বিতীয় পুত্ৰৰ অনুসন্ধান নাপালে তাৰ ভাগটোও কৰুণাই পাব।

## 13.2.3 প্ৰথম পাঠভাগৰ প্ৰশ্নাৱলী

১। ইচ্ছাপত্ৰখন কোনে লিখিছে?

২। ইচ্ছাপত্ৰখন কেনেকুৱা কাকতৰ ওপৰত লিখা হৈছে?

৩। শ্ৰীনিধিৰাম কলিতা কোন?

৪। ইচ্ছাপত্ৰখন কেতিয়া লিখা হৈছিল?

৫। দ্বিতীয় পুত্ৰ শাওনাই ক'ত চাকৰি কৰিছিল? এতিয়া কি হৈছে?

৬। অনাথৰী কোন?

## মূল পাঠ

## 13.2.4 মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ

স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তিৰ ভাগ বটোৱাৰা এনে ধৰণৰ হ'ব

(১) শ্ৰীকৰুণা কান্ত কলিতা ঃ সমস্ত স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ দুই ভাগৰ এক অংশ।

(২) শ্ৰী ৰমাকান্ত কলিতা ঃ সমস্ত স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ ছয় ভাগৰ এক অংশ

(৩) শ্ৰী শাওনা কলিতা ঃ সমস্ত স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ ছয়ভাগৰ এক অংশ

(৪) শ্ৰীমতী মমতা কলিতা ঃ সমস্ত স্থাৱৰ অস্থাৱৰ সম্পত্তিৰ ছয়ভাগৰ এক অংশ আৰু ডাকঘৰৰ সঞ্চয় অধিকোষৰ ১৫,০০০ টকা।

**শব্দাৰ্থ**

উত্তৰাধিকাৰী (বি) ঃ মৃত মানুহৰ সা-সম্পত্তিৰ গৰাকী।

অপাৰগ (বিণ) ঃ অসমৰ্থ।

অন্ত্যেষ্টি ক্ৰিয়া (বি) ঃ মৃতকৰ সংকাৰ।

বিধি (বি) ঃ নিয়ম।

পুঁজি (বি) ঃ সাঁচি থোৱা ধন।

সঞ্চিত (বিণ) ঃ জমা ৰখা।

চৰিক (বি) ঃ অংশীদাৰ।

জিৰাত (বি) ঃ শস্য, গছ-গছনি।

খাৰিজ (বিণ) ঃ সলনি কৰা।

নামজাৰি (বি) ঃ মাটিৰ পট্টা আদিত নাম

উল্লেখ থাকে যে মোৰ মৃত্যুৰ এমাহৰ পিছতহে এই ইচ্ছাপত্ৰ কাৰ্য্যকৰী হ'ব আৰু তেতিয়াৰে পৰা চৰিকসকলে, তপচিল বৰ্ণিত মাটি-বাৰী, তাত থকা ঘৰ-দুৱাৰ, জিৰাত সহ, চৰকাৰী খাজনা আদি দি পৌত্ৰ-পৌত্ৰাদিক্ৰমে ভোগ কৰি সুখে সন্তোষে চিৰকাল নিজৰ স্বত্ববান হৈ থাকিব পাৰিব। এই ইচ্ছা[illegible] জবানবন্দীত মোৰ নাম খাৰিজ কৰি উক্ত সা-সম্পত্তি নিজৰ নামত নামজাৰি কৰি ল'ব পাৰিব। তাত কাৰো ওজৰ আপত্তি নচলিব। লগতে এইটোও উল্লেখ থাকে যে এই সম্পত্তি তেওঁলোকে নিজ ইচ্ছাত দান, বিক্ৰি, হস্তান্তৰ আদি কৰিব পাৰিব।

সৰ্বশেষত ইয়াকো উল্লেখ কৰা হ'ল যে মোৰ মৃত্যুৰ পিছত অন্ত্যেষ্টি ক্ৰিয়া সম্পন্ন কৰাকে ধৰি যাৱতীয় সকাম-নিকাম, শ্ৰাদ্ধাদিৰ ক্ষেত্ৰত চেণ্ট্ৰেল বেংকত মোৰ ৫৩৮০১৯ একাউণ্টত জমা থকা সঞ্চয় অধিকোষৰ ১০,০০০ (দহ হাজাৰ) টকা মোৰ পত্নীয়ে উলিয়াই খৰচ কৰিব পাৰিব।

লগোৰ।

চৰকি (বি) : [illegible] লিখা উইলৰ মহৰী।

স্বত্ব (বি) : অধিকাৰিত্ব।

জবানবন্দী (বি) : বিচাৰকৰ আগত মোকৰ্দমা সম্বন্ধে কোৱা কথা, সাক্ষ্য।

হস্তান্তৰ (বি) : এজনৰ অধিকাৰৰ বা হাতৰ বস্তু আন এজনক দিয়া।

সম্পত্তিৰ তালিকা

(ক) স্থাৱৰ সম্পত্তি তপচিল

১। ১০৫ নং পট্টাৰ ২৫ নং দাগৰ ৮ বিঘা [illegible] মাটি,
মূল্য— ১,৫০,০০০.০০ টকা।

২। ৪৭ নং পট্টাৰ ৩০ নং দাগৰ ৩ বিঘা, ৩ টা ঘৰ সহ বাস্তুৰ মাটিৰ
মূল্য— ৮০,০০০.০০ টকা।

৩। ১৪৩১০৫ নং একাউণ্টৰ সঞ্চিত ধন— ১৫,০০০.০০টকা।

৪। ১৮৯৩০২ নং একাউণ্টৰ প্ৰেৰণ প্ৰমাণ পত্ৰ— ২৫,০০০.০০টকা।

৫। চৰকাৰী প্ৰতিভূতি— ৫০,০০০.০০ টকা

৬। বলধ গৰু এহাল আৰু দুটা গাই দুজনী — ১৫,০০০.০০টকা।

৭। সাধাৰণ পুঁজি— ১৫,০০০.০০ টকা।

৮। দোকানঘৰ আৰু মালপত্ৰ— ৪০,০০০.০০ টকা।

সৰ্বমুঠ — ৩,৯০,০০০.০০ টকা।

ইচ্ছাপত্ৰ কৰ্তাই [illegible] আমাৰ উপস্থিতিত ইচ্ছাপত্ৰখনিত স্বাক্ষৰ কৰিছে [illegible] সাক্ষী হিচাপে স্বাক্ষৰ কৰিলোঁ।

সাক্ষীৰ নাম আৰু ঠিকনা — ইচ্ছাপত্ৰকাৰীৰ স্বাক্ষৰ

১। শ্ৰীআঘনু শৰ্মা, গাওঁ বৰকুলহাটী　　　　শ্ৰীগোবৰ্ধন কলিতা

২। শ্ৰীৰমাকান্ত কলিতা, গাওঁ ৰণাকুছি　　তাৰিখ- ৩১।০১।২০০১

৩। শ্ৰীজলহু ৰাম দাস, গাওঁ কালাগ

৪। শ্ৰীমঙ্গলু কলিতা, গাওঁ মৌৰা

৫। শ্ৰীনিবাৰণ ভূঞা, গাওঁ ক্ষুদ্ৰ কুলহাটী

১ নম্বৰ নাবালক - ওৱাৰিচৰ হকে

৬। শ্ৰী নিধিৰাম কলিতা, গাওঁ বৰকুলহাটী।

ইচ্ছাপত্ৰকাৰক চিনাক্ত কৰা হ'ল

শ্ৰীসোমেশ্বৰ ভূঞা, অধিবক্তা,

প্ৰথমশ্ৰেণীৰ দণ্ডাধিশৰ কাৰ্য্যালয়

৩১।০১।২০০১

ইচ্ছাপত্ৰ লিখিছে তৰণি শ্ৰীনবীন বৰ্মনে

## 13.2.5 আলোচনা

গোবৰ্ধন কলিতাই ইচ্ছা পত্ৰযোগে স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তি ভাগবটোৱাৰা কৰিলে। ভতিজাক শ্ৰী কৰুণাকান্ত কলিতাক সকলো স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ দুই ভাগৰ এক অংশ দিলে। জ্যেষ্ঠ পুত্ৰ ৰমাকান্তক ছয়ভাগৰ এভাগ, কনিষ্ঠ পুত্ৰ শাওনাক ছয় ভাগৰ এভাগ আৰু পত্নী মমতা কলিতাক ছয়ভাগৰ এভাগ আৰু ডাকঘৰত থকা সঞ্চয়ৰ ধন ১৫,০০০০ টকা দিলে।

ইচ্ছা পত্ৰকাৰীৰ মৃত্যুৰ এমাহৰ পিছত ইচ্ছা পত্ৰ অনুযায়ী অংশীদাৰ সকলে ভোগ দখল কৰিব পাৰিব আৰু নিজৰ নিজৰ নামত নামজাৰি কৰি ল'ব পাৰিব। এনেকি তেওঁলোকে নিজ ইচ্ছাত দান, বিক্ৰি আৰু হস্তান্তৰ কৰিব পৰিব। উল্লেখযোগ্য যে মৃতকৰ শ্ৰাদ্ধাদিৰ কাৰণে চেণ্ট্ৰেল বেংকত থকা সঞ্চিত ধন খৰচ কৰিব পাৰিব।

## 13.2.6 দ্বিতীয় পাঠভাগৰ প্ৰশ্নাৱলী

৭। স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তি কাৰ কাৰ মাজত ভাগ বটোৱাৰা কৰা হৈছে?

৮। ইচ্ছাপত্ৰখনত কাৰ নাম খাৰিজ কৰাৰ কথা কৈছে?

৯। ইচ্ছা পত্ৰৰ অংশিদাৰসকলে নিজ ইচ্ছাত কি কৰিব পাৰিব বুলি কৈছে?

১০। ইচ্ছাপত্ৰকাৰী শ্ৰীগোবৰ্ধন কলিতাৰ ঘৰ ক'ত?

১১। স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তিৰ সৰ্বমুঠ মূল্য কিমান নিৰ্দ্ধাৰণ কৰা হৈছে?

১২। ইচ্ছা পত্ৰকাৰক কোনে আৰু ক'ত চিনাক্ত কৰিছে?

## 13.3 সাধাৰণ অনুশীলনী

১৩। গোবৰ্ধন কলিতাই কণাৰ লাখুটি বুলি কাক অভিহিত কৰিছে?

১৪। তেওঁ কাৰ ওচৰত ঋণী বুলি কৈছে?

১৫। সা-সম্পত্তিৰ লেনদেনত কিহৰ প্ৰয়োজন?

১৬। কি পৰিস্থিতিত তেওঁ ইচ্ছাপত্ৰ সম্পাদনা কৰিছে?

১৭। ঘৈণীয়েকক তেওঁ কি কি দিবলৈ সিদ্ধান্ত কৰিছে?

১৮। তেওঁৰ দ্বিতীয় পুত্ৰৰ ভাগটোৰ কি হ'ব?

১৯। কৰুণাকান্তৰ ভাগৰ মাটি-বাৰীৰ অস্থায়ী ওৱাৰিচ কোন হ'ব?

## 13.4 সৃষ্টিধৰ্মী প্ৰশ্নাৱলী

২০। ইচ্ছাপত্ৰ মানে কি বুজা?

২১। তোমাৰ নিজৰ অভিজ্ঞতাৰে এখন ইচ্ছাপত্ৰ যুগুত কৰা।

২২। ইচ্ছাপত্ৰকাৰীৰ স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তিৰ এখন তালিকা প্ৰস্তুত কৰা।

২৩। দানপত্ৰখন কোন ঠাইত কিমান তাৰিখে সম্পাদিত হৈছে?

২৪। দানপত্রকাৰীৰ ধাৰ দেনা কিবা আছেনে?

২৫। বৰ্তমান কৰুণাকান্তৰ ভোগদখলত কিমান সম্পত্তি আছে?

২৬। সাক্ষীৰ ঘৰত ৰমাকান্ত কলিতা আৰু নিধিৰাম কলিতাৰ চহী লোৱাৰ অৰ্থ কি?

২৭। দানপত্র কাৰীৰ গৰু-গাই আৰু দোকানৰ মালপত্র উত্তৰাধিকাৰীৰ মাজত কেনেকৈ ভগাব বুলি ভাবা?

২৮। কৰুণাকান্তই গোবৰ্ধনইঁতক কেনেদৰে পৰিচৰ্য্যা কৰিছিল বুজাই লিখা?

## 13.5 ব্যাকৰণগত প্ৰশ্নাৱলী

### 13.5.1 বিপৰীতাৰ্থক শব্দ দিয়া

২৯। ক) ইচ্ছা — খ) উন্নতি

গ) বিধি — ঘ) নিয়মিত

ঙ) স্থাৱৰ — চ) নাবালক

ছ) জ্যেষ্ঠ — জ) বিবেচনা

ঝ) দায়িত্ব — ঞ) দখল

ট) গ্ৰহণ — ঠ) জমা

### সন্ধিক বিসন্ধি আৰু বিসন্ধিক সন্ধি কৰা

৩০। ক) সুবিধাৰ্থে — খ) মুদ্ৰাংক

গ) কাৰ্য্যালয় — ঘ) জ্ঞাতাৰ্থে

ঙ) নিৰুদ্দেশ — ) অনাহৰী

ছ) চিকিৎসালয় — লি[illegible]

ঝ) পুত্ৰ +আদি

ঞ) হস্ত +অন্তৰ

ট) শ্ৰাদ্ধ + আদি

ঠ) এক +অংশ

ড) উত্তৰ + অধিকাৰী

ঢ) স্ব + অক্ষৰ

## যুৰীয়া শব্দ-গঠন

৩১। তলত দিয়া শব্দটোৰ আৰ্হিত তুমি আন পাঁচটা শব্দ লিখি উলিওৱা।

আৰ্হি ঃ সা-সম্পত্তি

## বাক্য ৰচনা

৩২। তলত দিয়া শব্দ/খণ্ডবাক্যবোৰ ব্যৱহাৰ কৰি বাক্য ৰচনা কৰা

ক) নিৰুদ্দেশ হ

খ) কণাৰ লাখুটি

গ) অনাখৰী

ঘ) শুংসূত্ৰ

ঙ) চকু দে

চ) গা টঙা

ছ) নামজাৰি

জ) খাৰিজ কৰ

ঝ) যাৱতীয়

ঞ) সামৰ বা

## 13.6 চমু প্ৰশ্নৰ উত্তৰ সংকেত

১। শ্ৰীগোবৰ্ধন কলিতাই।

২। এশটকীয়া মোহৰযুক্ত কাকতৰ ওপৰত।

৩। শ্ৰী কৰুণা কান্ত কলিতাৰ পিতৃ।

৪। ২০০০ চনৰ ৩১ জানুৱাৰী তাৰিখে।

৫। ভাৰতীয় খাদ্য নিগমত। এতিয়া নিৰুদ্দেশ হৈ আছে।

৬। গোবৰ্ধন কলিতাৰ ধৰ্মপত্নী শ্ৰীমতী মমতা কলিতা।

৭। কৰুণা কান্ত, ৰমাকান্ত, শাওনা আৰু মমতাৰ মাজত।

৮। গোবৰ্ধন কলিতাৰ নাম।

৯। দান, বিক্ৰি, হস্তান্তৰ কৰিব পাৰিব বুলি কৈছে।

১০। নলবাৰী জিলাৰ বৰকুলহাটী গাৱত।

১১। ৩,৬০,০০০.০০ টকা।

১২। অধিবক্তা শ্ৰী সোমেশ্বৰ ভূএগ্রই প্ৰথম শ্ৰেণীৰ দণ্ডাধিশৰ কাৰ্য্যালয়ত ।

১৩। ভতিজা ল'ৰা।

১৪। কৰুণাকান্তৰ ওচৰত

১৫। উকিল, মহৰি, পঞ্জিয়ক, আৰু মোহৰ যুক্ত কাগজৰ

১৬। শাৰীৰিক অসুস্থতা আৰু কোনো পৰিচৰ্য্যাকাৰী নথকা বাবে

১৭। সমস্ত স্থাবৰ-অস্থাবৰ সম্পত্তিৰ ছয়ভাগৰ এক অংশ আৰু ডাকঘৰৰ সঞ্চয় অধিকোষৰ ১৫,০০০.০০ টকা।

১৮। দ্বিতীয় পুত্ৰৰ শুং-সূত্ৰ নাপালে তাৰ অংশটোও কৰুণাকান্তই পাব।

২০,২১,২২,২৩,২৪,২৫,২৬,২৭ আৰু ২৮ নম্বৰ প্ৰশ্নৰ উত্তৰ দিয়া হোৱা নাই।

## 13.7 ব্যাকৰণগত প্ৰশ্নাৱলীৰ প্ৰশ্নোত্তৰ

২৯। ক) অনিচ্ছা খ) অৱনতি, অধোন্নতি

গ) অবিধি ঘ) অনিয়মিত

ঙ) অস্থাবৰ চ) সাবালক

ছ) কনিষ্ঠ জ) অবিবেচনা

ঝ) দায়িত্বহীন ঞ) বেদখল

ট) বৰ্জন ঠ) খৰচ

৩০। ক) সুবিধা +অৰ্থে খ) মুদ্ৰা + অংকে

গ) কাৰ্য্য +আলয় ঘ) জ্ঞাত + অৰ্থে

ঙ) নিঃ + উদ্দেশ চ) অনা + আখৰী

ছ) চিকিৎসা+ আলয় জ) উল্লিখিত

ঝ) পৌত্ৰাদি ঞ) হস্তান্তৰ

ট) শ্ৰাদ্ধাদি ঠ) একাংশ

ড) উত্তৰাধিকাৰী ঢ) স্বাক্ষৰ।

৩১। ক) আ-অলংকাৰ খ) সা-সুবিধা

গ) পা-পইচা ঘ) ডা-ডাঙৰীয়া

ঙ) জা-জলপান

৩২। ক) গোবৰ্ধন কলিতাৰ দ্বিতীয় পুত্ৰ নিৰুদ্দেশ হৈ আছে।

খ) কৰুণাকান্ত গোবৰ্ধনৰ কণাৰ লাখুটি স্বৰূপ হৈ পৰিছে।

গ) গোবৰ্ধনৰ ধৰ্মপত্নী মমতা অনাখৰী মহিলা।

ঘ) শাওনা কলিতাৰ শুংসূত্ৰ আজিলৈকে পোৱা নাই।

ঙ) কৰুণা কান্তই গোবৰ্ধনৰ ঘৰখনৰ ওপৰত ভালদৰে চকু দিছিল।

চ) কৰুণাকান্তৰ সেৱা-শুশ্ৰূষাত গোবৰ্ধনে গা-টঙাব পাৰিছে।

ছ) অংশীদাৰ সকলে মাটি-সম্পত্তিত নামজাৰি লগাব পাৰিব।

জ) এজনৰ নাম খাৰিজ কৰি আনজনৰ নাম অন্তৰ্ভুক্ত কৰা উচিত নহয়।

ঝ) পিতৃ অবিহনে যাৱতীয় সকলো সম্পত্তিৰ অধিকাৰী পুত্ৰসকল হয়।

ঞ) করুণাকান্তই খেতি পথাৰত দুঘণ্টা সময় জুৰি সামৰ বাইছিল।

## 13.8 অতিৰিক্ত পঠন উপদেশ

ইচ্ছাপত্ৰ লিখাৰ কৌশল আয়ত্ত কৰিবলৈ জোনাকী যুগৰ বিশিষ্ট সাহিত্যিক ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা ৰচিত 'কৃপা বৰ বৰুৱাৰ উইল' শীৰ্ষক ইচ্ছাপত্ৰখন ভালদৰে অধ্যয়ন কৰিব লাগিব।

গোট নং 14

# বাৰে বৰণীয়া অসমীয়া সংস্কৃতি

ৰচনা ঃ ড০ নাৰায়ণ দাস

## 14.1 পাতনি আৰু উদ্দেশ্যাৱলী

অসমীয়া জাতিৰ ভাৱনা-কল্পনা আৰু সৃষ্টি প্ৰতিভাৰ প্ৰৱাহমান সুঁতিটোৱে অসমীয়া সংস্কৃতি। অসমৰ ভৌগোলিক পৰিবেশ আৰু অৱস্থিতিয়ে ইয়াৰ সংস্কৃতিৰ সুকীয়া ৰূপ প্ৰদান কৰিছে। বৰলুইতৰ পাৰলৈ যুগে যুগে বিভিন্ন গোষ্ঠীৰ লোক অন্ন-বস্ত্ৰৰ সন্ধানত আহিছে আৰু স্থায়ীভাৱে ইয়াত বসবাস কৰিবলৈ লৈছে। এটা কালত নিষাদসকল আহি গ্ৰাম্য কৃষিমুখী সংস্কৃতিৰ ভেঁটি স্থাপন কৰিছিল। নিজস্ব বৈশিষ্ট্য ৰক্ষা কৰি কিৰাতসকলে থূপে থূপে বসবাস কৰি থলুৱা সংস্কৃতিৰ বিকাশ ঘটাইছিল। আল্পাইন-নৰ্ডিক আৰ্য্যসকলে ইতিমধ্যে গঢ়লোৱা সংস্কৃতিত নতুন সম্পদ সংযোগ কৰিছিল। পৰৱৰ্তী কালত মোগল-পাঠান, চাহবাগিচাৰ বনুৱা আৰু ভূমিৰ বিভিন্ন প্ৰান্তৰ সংস্কৃতিৰ ৰণুৱাসকল লুইতৰ পাৰলৈ আহিছে। ফলত ইয়াত জাতিগত সংমিশ্ৰণ ঘটাই নহয় — সংস্কৃতিৰো সুসমন্বয় সাধিত হৈছে। ইয়াৰ সংস্কৃতি ঘাইকৈ কৃষিমুখী। উছৱ-পৰব, লৌকিক আচাৰ-ব্যৱহাৰ সকলোতে কৃষিমুখিতাৰ পৰিচয় পোৱা যায়। ভৌগোলিক পৰিবেশৰ বাবেই অসমীয়া মানুহৰ আহাৰ-ৰীতি ভাৰতৰ আন ঠাইৰ লগত নিমিলে। অসমীয়া মানুহৰ প্ৰধানখাদ্য ভাত। ভাতৰ লগত শাক-পাচলি খোৱাৰ লগতে মাছ-মঙহো খায়। অসমীয়া মানুহে বাঁহ-বেতেৰে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা আটাইখিনি সা-সঁজুলি তৈয়াৰ কৰে। সাজ-পাৰৰ ক্ষেত্ৰত অসমীয়াৰ স্বকীয়তা পৰিস্ফুট। অসমীয়া তিৰোতাই ৰিহা, মেখেলা আৰু চাদৰ -- এই তিনিখনীয়া কাপোৰ পৰিধান কৰাটো এটা বৈশিষ্ট্য। অসমীয়া নাৰীৰ বস্ত্ৰ ৰুচিসন্মত আৰু জকমকীয়া।

অসমৰ লোকসংগীত আৰু ধ্ৰুপদী সংগীত -- উভয়ে বৈশিষ্ট্যপূৰ্ণ। মহাপুৰুষ শঙ্কৰদেৱে অসমৰ ধ্ৰুপদী সংগীতত এক নতুন মাত্ৰা প্ৰদান কৰে। অসমীয়া লোকসংগীতৰ বৈশিষ্ট্যই দহজনৰ মন মোহে। সংগীতৰ লগে লগে বৈশিষ্ট্যপূৰ্ণ নৃত্যসম্ভাৰেও অসমীয়া সংস্কৃতি সোণসেৰীয়া কৰি তুলিছে। সত্ৰীয়া নৃত্যই আজি সৰ্বভাৰতীয় ধ্ৰুপদী নৃত্যৰ সন্মান বুটলিবলৈ সমৰ্থ হোৱাটো

উল্লেখযোগ্য। চালিনাচ, সূত্ৰধাৰীনাচ, দেওধনি নৃত্য আদিত মৌলিকতা জল্জল্কৈ ওলাই পৰে। বিহু নাচৰ প্ৰাণময় সৌন্দৰ্য্য ভাৰতীয় আন লোকনৃত্যত পোৱা নাযায়। অসমীয়াসকলৰদৰে বড়োসকলে 'বাগুৰুম্বা', মিচিংসকলে 'আইনিতম' ভৈয়ামৰ গাৰোসকলে 'ৱাংগালা', হাজংসকলে 'লেৱাটানা' নৃত্য কৰি আৰু চাহজনজাতিৰ লোকসকলে ঝুমুৰ নাচি সুকুমাৰ মনৰ পৰিচয় দিয়ে।

অসমৰ বাৰেবৰণীয়া সংস্কৃতিৰ বিকাশত মঠ-মন্দিৰ, সত্ৰ-নামঘৰ -সচং আদিৰ স্থাপত্য আৰু ভাস্কৰ্য্যসমূহেও অৰিহণা নোযোগোৱাকৈ থকা নাই। পুৰণি অসমত চিত্ৰিত পুথিৰ চিত্ৰসমূহে অসমৰ মানুহৰ সৃজনী প্ৰতিভাৰ দিশটি উজলাই তোলে। অসমীয়া সংস্কৃতি যথাৰ্থতে এটি বিকশিত শতদল। প্ৰতিটোদলৰ সৌন্দৰ্য্যই শতদলৰ সামগ্ৰিক সৌন্দৰ্য্য বিকাশত সহায়ক হোৱাৰ দৰে অসমীয়া সংস্কৃতিৰ প্ৰতিপদ সম্পদেই অসমীয়া সংস্কৃতিক সোণসেৰীয়া কৰি তোলাটো লক্ষ্য কৰিবলগীয়া।

'বাৰে বৰণীয়া অসমীয়া সংস্কৃতি শীৰ্ষক পাঠটো আমাৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্য হ'ল ----

- অসমৰ বাৰে বৰণীয়া সংস্কৃতিৰ কেইপদমান সম্পদেৰে সৈতে উঠি অহা ছাত্ৰ-ছাত্ৰীসকলক চিনাকি কৰি দিয়া।

- অসমৰ পৰ্বত-ভৈয়ামৰ সংস্কৃতি কেনে বিচিত্ৰ আৰু সেই বৈচিত্ৰ্যৰ মাজতো যে একত্বৰ ভাৱ প্ৰৱাহমান, তাৰ আভাস দিয়া।

## 14.2 মূলপাঠ

### 14.2.1 মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথম ভাগ

ইতিহাসে ঢুকি নোপোৱা কালৰেপৰা বিভিন্ন ধৰ্ম আৰু জনগোষ্ঠীৰ লোকে মিলিজুলি বসবাস কৰি অহা বৰ লুইতৰ দেশ অসম ভূমি বাৰে বৰণীয়া সংস্কৃতিৰ পলসুৱা কঠিয়াতলী। নিজস্ব সত্তাসম্পন্ন বিভিন্ন গোষ্ঠীৰ বাৰে বৰণীয়া সাংস্কৃতিক উপাদান গোটখাই আত্মপ্ৰকাশ কৰা যৌগিক সংস্কৃতিৰ শতদলেই অসমীয়া সংস্কৃতি। ভিন্ন কালত ভিন্নগোষ্ঠীৰ লোকসকল হয় অন্ন-বস্ত্ৰৰ অন্বেষণত, নহয় পূজা-পাৰ্বন সংক্ৰান্তত নহ'লেবা দেশ জয় কৰাৰ অদম্য আশা বুকুত বান্ধি লুইতৰ পাৰত উপস্থিত হয় আৰু ইয়াতেই নিগাজীকৈ বসবাস কৰিবলৈ লয়। 'বাহিৰৰপৰা অহা সকলোৱেই এই দেশখনক নিজৰ দেশ বুলি ল'লে -- ভাষাক নিজৰ ভাষা বুলি গ্ৰহণ কৰিলে। গতিকে এই সকলো লগ লাগি বৃহৎ অসমীয়া জাতি গঢ়ি উঠিল। লগে লগে সংস্কৃতিৰ ৰূপান্তৰ ঘটিল। এটা সম্প্ৰদায়ৰ ভাল লগা কিছুমান ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আন এটাই

গ্ৰহণ কৰিলে। খোৱা বস্তু আৰু ৰন্ধন প্ৰকৰণৰো সাল-সলনি হ'ল। পোছাক পৰিচ্ছদতো পৰিৱৰ্তনে দেখা দিলে। দৈনন্দিন ব্যৱহাৰৰ আচ্‌বাবপত্ৰতো পৰিৱৰ্তনে সূচালে — নতুন সাজ-সজ্জা, অলংকাৰ আহিল। এয়া আছিল দিয়া-লোৱা আৰু এৰাধৰাৰ ব্যৱস্থা। কোনোৱে কাকো জাপি দিয়া নাছিল।' (আব্দুছ ছাত্তাৰ) সন্ধ্যা, ললিতা আৰু কান্তাৰ ত্ৰিবেণী সংগমে প্ৰকৃতিৰ লীলাভূমি বশিষ্ঠ পুণ্য তীৰ্থক সোণত সুৱগা চৰোৱাৰ দৰে মংগোলীয়া, অষ্ট্ৰিক আৰু আৰ্য্য সংস্কৃতিৰ অবিচ্ছেদ্য উপাদানে অসমীয়া সংস্কৃতিক স্বকীয় ৰূপ প্ৰদান কৰা বুলি বিশেষজ্ঞসকলে আগবঢ়োৱা অভিমত উপেক্ষণীয় • য়।

কৃষিজীৱী গ্ৰাম্য সংস্কৃতিৰ প্ৰৱৰ্তক অষ্ট্ৰিক নিষাদসকলৰ প্ৰভাৱেৰে অসমীয়া সংস্কৃতি কিমানখিনি পৰিপুষ্ট হৈছে তাক একে আষাৰে কোৱা টান। ধান, তামোল, লাও, নাৰিকল আৰু হালধিৰ ব্যৱহাৰ অষ্ট্ৰিকসকলৰ অৱদান। ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ সাক্ষ্য মতে, খেতি-বাতিৰ উপৰি অষ্ট্ৰিক ভাষীসকলে 'চিকাৰ আৰু পশু-পক্ষী পালন কৰি জীৱন নিৰ্বাহ কৰিছিল। অষ্ট্ৰিক ভাষীসকলেই প্ৰথমে কুকুৰা পোহ মনায়, ব্ৰহ্মপুত্ৰৰ পাৰত হাতীক ঘৰচীয়া কৰে।' মাতৃপূজা, ধৰ্মপূজা আৰু লিংক পূজা অষ্ট্ৰিকসকলৰ পৰাই আমাৰ মাজলৈ আহিছে।

শব্দাৰ্থ :

বৰলুইত -- ব্ৰহ্মপুত্ৰ।

বাৰে বৰণীয়া — বাৰে বৰণীয়া।

পলসুৱা —পলসযুক্ত।

অন্বেষণ - বিচৰা কাৰ্য্য।

ৰন্ধন প্ৰকৰণ — ৰন্ধা-বঢ়া পদ্ধতি।

নিগাজীকৈ — স্থায়ীভাৱে।

সোণত সুৱগা চৰোৱা — অধিক ৰূপহ কৰা কাৰ্য্য।

সন্ধ্যা , ললিতা, কান্তা — বশিষ্ঠাশ্ৰমৰ তিনিটা নিজৰাৰ নাম।

মংগোলীয়া -- পৃথিৱীৰ নানা দেশত বাস কৰা এটা বৃহৎ জনগোষ্ঠী।

অষ্ট্ৰিক – অসমৰ বাহিৰে, মধ্যভাৰতৰ মুণ্ডা আদি (ভাষা গোষ্ঠী)।

## 14.2.2 আলোচনা

বৰলুইতৰ দুপাৰত অৱস্থিত অসম। বিভিন্ন ধৰ্ম আৰু সমন্বয়ৰ থলী এইখনি ঠাইলৈ কেনেকৈ ইতিহাসে ঢুকি নোপোৱা কালৰেপৰা বিভিন্ন জনগোষ্ঠীৰ লোক খাদ্য-সম্ভাৰৰ অন্বেষণত কিম্বা পূজা-সেৱা আগবঢ়োৱাৰ মহান কামনাত অথবা দিগ্বিজয়ৰ অদম্য আশাত লুইতৰ পাৰৰ এই সাৰুৱা ভূখণ্ডত উপস্থিত হৈ নিগাজীকৈ থাকিবলৈ লোৱাটো ঐতিহাসিক সত্য। চামে চামে অহা মানুহখিনিয়ে এইখন দেশক নিজৰ দেশ বুলি আঁকোৱালি লৈছে আৰু ইয়াৰ ভাষা গ্ৰহণ কৰি এক সুকীয়া যৌগিক সংস্কৃতিৰ গঠনত অহোপুৰুষাৰ্থ কৰাত অকণো কাৰ্পণ্য কৰা নাই। সময় আগবঢ়াৰ লগে লগে পূৰ্ব প্ৰচলিত ৰীতি-নীতিৰ কিছু পৰিৱৰ্তন সাধিত হ'ল, খোৱা-বোৱা আৰু ৰন্ধন-প্ৰকৰণৰো কিছু সলনি হ'ল। পোছাক -পৰিচ্ছদ আৰু আয়-অলংকাৰৰ ক্ষেত্ৰত নতুনত্বই এঙামূৰি দিলে। এয়া হ'ল এৰা-ধৰাৰ ইতিহাস, দিয়া- লোৱাৰ বুৰঞ্জী। পুণ্যতীৰ্থ বশিষ্ঠাশ্ৰম, হিন্দুসকলৰ সেৱাৰ থলী। পৰ্বতৰপৰা তিনিটা সুঁতি আগবাঢ়ি আহি বশিষ্ঠাশ্ৰমত লগ লাগি তীৰ্থস্থানখনিৰ প্ৰাকৃতিক সৌন্দৰ্য্য দুগুণে বঢ়াই লুইতৰ বুকুলৈ আগবাঢ়িছে। এই সুঁতি তিনিটাৰ নাম হ'ল সন্ধ্যা, ললিতা আৰু কান্তা। উক্ত তিনিটা সুঁতি বশিষ্ঠাশ্ৰমত লগ লগাৰ দৰে অসমীয়া সংস্কৃতিৰ গঠনতো তিনিটা বৃহৎ জনগোষ্ঠীৰ সাংস্কৃতিক সম্পদৰ মধুৰ সংমিশ্ৰণ সাধিত হৈছে। এই তিনিটা বৃহৎ জনগোষ্ঠী হ'ল — অষ্ট্ৰিক বা নিষাদ, মংগোলীয় আৰু আৰ্য্যসকল।

নিষাদসকলে কোৱা ভাষাটো অষ্ট্ৰিক ৰূপে পৰিচিত। অষ্ট্ৰিক-ভাষী লোকসকল আছিল কৃষিজীৱী গ্ৰাম্য সংস্কৃতিৰ প্ৰৱৰ্তক। সকলোৰে পৰিচিত 'গংগা' শব্দটো অষ্ট্ৰিক ভাষীসকলৰ পৰা অহা। পণ্ডিতসকলৰ মতে, প্ৰাগ-জ্যোতিষ, কামৰূপ, কামাখ্যা আদি শব্দবোৰ মূলতঃ অষ্ট্ৰিক। তেওঁলোকে কল, বেঙেনা, তামোল, হালধি আৰু নাৰিকলৰ খেতি কৰা বুলি জনা যায়। তাঁতশাল অসমীয়া সংস্কৃতিৰ সম্পদ। ই অষ্ট্ৰিকসকলৰ অৱদান। চিকাৰৰ সঁজুলি যেনে -- বাণ, ধনু, বাটলু গুটি প্ৰভৃতি শব্দ মূলত ঃ অষ্ট্ৰিক। মাই কামাখ্যা আৰু তাম্ৰেশ্বৰীৰ পূজাৰ আৰম্ভণি কৰিছিল অষ্ট্ৰিকসকলেই। মাতৃপূজাৰ উপৰি ধৰ্মপূজা আৰু লিংগপূজাৰ প্ৰৱৰ্তকো হ'ল -- আলোচিত ভাষাগোষ্ঠীৰ লোকসকলেই। গতিকে অষ্ট্ৰিকভাষী লোকসকলে অসমীয়া সংস্কৃতিৰ পৰিপুষ্টিত ভালেখিনি বৰঙণি আগবঢ়াইছে, তাক দোহাৰিবৰ আৱশ্যক নাই।

### 14.2.3 চুটি প্ৰশ্নাৱলী

১। অসমৰ সংস্কৃতিক যৌগিক সংস্কৃতি বোলাৰ কাৰণ কি?

২। ভিন্ন জনগোষ্ঠীৰ লোক বিভিন্ন সময়ত অসমলৈ অহাৰ প্ৰধান কাৰণ তিনিটা কি কি?

৩। দিয়া-লোৱা আৰু এৰা-ধৰাৰ ব্যৱস্থাই অসমত কিহৰ জন্ম দিছে?

৪। সন্ধ্যা-ললিতা-কান্তা ক'ত?

৫। কোন তিনিটা বৃহৎ গোষ্ঠীৰ সংস্কৃতিৰ সমন্বয়ত অসমীয়া সংস্কৃতিয়ে গঢ় লৈছে?

৬। ধান, তামোল, লাউ, নাৰিকল আৰু হালধিৰ ব্যৱহাৰ জয়জয়তে কোন জনগোষ্ঠীয়ে কৰিছিল?

৭। অসমত কোন জনগোষ্ঠীয়ে পোনপ্ৰথমে খেতিৰ প্ৰৱৰ্তন কৰিছিল?

৮। হাতীক ঘৰচীয়া কৰাটো কোন জনগোষ্ঠীৰ কাম?

৯। অসমত মাতৃ পূজা, ধৰ্মপূজা আৰু লিংগপূজাৰ প্ৰৱৰ্তক কোন?

### 14.2.4 মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ

অসমৰ ব্ৰাহ্মণ-কায়স্থ আদিকৈ বৰ্ণহিন্দুখিনিক বাদ দি বাকী সকলোখিনি থলুৱা মানুহেই মংগোলীয় জনগোষ্ঠীৰ। অসমীয়া ভাষা, ধৰ্ম আৰু জীৱন ধাৰণ পদ্ধতিত মংগোলীয়া সংস্কৃতিৰ প্ৰভাৱ যথেষ্ট। মংগোলীয়সকলে ব্যৱহাৰ কৰা ভাষা তিব্বত-বৰ্মী ৰূপে জনাজাত। অসমীয়া মাছধৰা সঁজুলি, মাছৰ নাম, নদ-

নদী আৰু ঠাইৰ নামত তিব্বত-বৰ্মীভাষাৰ প্ৰভাৱ মচিব নোৱাৰা। বাঁহ গছৰ সৈতে মংগোলীয়সকলৰ প্ৰত্যহিক জীৱনৰ সম্পৰ্ক নিবিড়। বাঁহৰ বাঁহী আৰু কীচক বেণু তেওঁলোকৰ অৱদান। বাঁহগাজ আৰু পকাখৰিচা আমাক খাবলৈ শিকাইছে - উক্ত জনগোষ্ঠীটোৱে। একেলগ হৈ চিকাৰ কৰা আৰু মাছ মৰা পদ্ধতিটোও উক্ত জনগোষ্ঠীৰ পৰাই আমাৰ মাজলৈ আহিছে। অসমীয়া মানুহে মুকলিভাৱে মাছ-মাংস খোৱা পদ্ধতিটো আৰ্য্যভিন্ন তিব্বত-বৰ্মী ভাষা কোৱা লোকসকলৰপৰা আহৰণ কৰা।

শব্দাৰ্থ :

কীচক বেণু — বাঁহেৰে নিৰ্মিত এবিধ বেণু,

প্ৰাত্যহিক — দৈনিক,

পৰিধান — কাপোৰ আদি পিন্ধা কাৰ্য্য,

আঁচু – কাপোৰত ফুল তুলিবলৈ বোলোৱা সূতা।

অসমৰ সমাজ ব্যৱস্থাৰ পিতৃ প্ৰধান ভাৰতীয় সমাজ ব্যৱস্থাৰ প্ৰভাৱত গঢ় লৈ উঠিলেও ইয়াত নাৰীৰ মৰ্য্যদা দেশৰ অন্যান্য ঠাইত বহুগুণে বেছি। সৰ্বনাশী যৌতুক প্ৰথাই আজিও লুইতৰ পাৰত মংগোলীয় সংস্কৃতিৰ প্ৰভাৱতে গা কৰি উঠিব পৰা নাই। অসমৰ বৰ্ণ হিন্দুসকলে বৈদিক প্ৰথা অনুযায়ী প্ৰজাপত্য পদ্ধতিত হোম পুৰি বিয়াখন পাতিলেও জোৰণ দিয়া, পানীতোলা, গাঁঠিয়ন-খুন্দা, সুৱাগুৰি তোলা, জোৰণত মাছ দিয়া প্ৰভৃতি ৰীতি-নীতিৰ অন্তৰালত মংগোলীয় সকলৰ সংস্কৃতিয়ে লুকাভাকু খেলিছে। অসমীয়া তিৰোতাই তিব্বত-বৰ্মী ভাষা কোৱা মংগোলীয়া তিৰোতাৰ দৰে মূৰৰ ওৰণি, ৰিহা আৰু মেখেলা পৰিধান কৰে। তাঁতশালখনি অসমীয়া তিৰোতাৰ হিয়াৰ এফাল। ইয়াৰ ব্ৰাহ্মণ-কায়স্থ, কোঁচ-কলিতা সকলো সম্প্ৰদায়ৰ তিৰোতাই গৌৰৱেৰে তাঁতশালত বহে। কপাহী সূতাৰ উপৰি পাট, মুগা আৰু এৰী সূতাৰ কাপোৰ বোৱাত অসমৰ পৰ্বত-ভৈয়ামৰ শিপিনীসকল পাকৈত। থলুৱা গছ-লতা আৰু শিপাৰে ৰং প্ৰস্তুত কৰি তাৰে সূতা আৰু আঁচু বোলাই ফুলবছা পদ্ধতিটো পৰ্বত-ভৈয়াম উভয়তে দেখা যায়।

## 14.2.5 আলোচনা

বাৰে বৰণীয়া অসমীয়া সংস্কৃতিৰ আলোচনা কৰিবলগীয়া উক্তখণ্ডটিত ... গাঁগোসকলে অসমীয়া সংস্কৃতিলৈ আগবঢ়োৱা সাংস্কৃতিক সম্পদসমূহৰ এটা আভাস দিয়া হৈছে। অসমত নিগাজীকৈ বসবাস কৰা ব্ৰাহ্মণ-কায়স্থ আদিয়ে মাথোন আৰ্য্য ৰক্তৰ লোক ৰূপে চিনাকি দিয়ে। তেওঁলোকক বাদ দি ইয়াত থকা সৰহসংখ্যক লোকেই হ'ল --মংগোলীয় জনগোষ্ঠীৰ। অসমীয়া ভাষা, ধৰ্ম আৰু জীৱন ধাৰণ পদ্ধতিত এই জনগোষ্ঠীৰ প্ৰভাৱ অখণ্ড বুলি কোৱা হয়। ভাষাৰ ফালৰ পৰা মংগোলীয় জনগোষ্ঠীৰ লোকে ব্যৱহাৰ কৰা ভাষাটো তিব্বত বৰ্মী ভাষাৰূপে জনা যায়। জাকৈ, খালৈ, জুলুকী, চেপা প্ৰভৃতি মাছমৰা সঁজুলিৰ নাম পুঠি, খলিহনা, বেচা আদি মাছৰ নাম; দিখৌ, ডিমৰু, পাগলাদিয়া আদি নদীৰ নাম আৰু হাজো, হাকামা আদি ঠাইৰ নামত তিব্বত-বৰ্মী ভাষাৰ প্ৰমাণ থকা বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে। বাঁহৰ সৈতে তেওঁলোকৰ সম্পৰ্ক আছিল নিবিড়। দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা প্ৰায়খিনি

সঁজুলিয়ে তেওঁলোকে বাঁহৰদ্বাৰা সাজি উলিয়াইছিল। চুঙা পিঠা এওঁলোকেই আমাক খাবলৈ শিকাইছে। একেলগে মাছ মৰা আৰু চিকাৰ কৰা পদ্ধতিটো মংগোলয়সকলৰ পৰাই আহি আমাৰ সংস্কৃতিত খোপনি পুতিছে। অসমীয়া মানুহৰ মাছ-মাংস প্ৰিয় খাদ্য। আমিষ ভোজন তিৰ্ব্বত বৰ্মী ভাষাৰ লোকসকলৰপৰাই আমি গ্ৰহণ কৰিছোঁ। অসমীয়া সমাজত নাৰীৰ স্থান আন ঠাইৰ নাৰীতকৈ বহুগুণে বেছি। যৌতুক প্ৰথা অসমত নাই। আৰ্য্য সমাজত বিয়া আঠ প্ৰকাৰৰ; যেনে -- ব্ৰাহ্ম, দৈৱ, আৰ্য্য, প্ৰাজপত্য, আসুৰ, গন্ধৰ্ব, ৰাক্ষস আৰু পৈশাচ। ইয়াৰ শেষৰ চাৰিবিধ বিয়া আৰ্য্যভিন্ন লোকৰপৰা আৰ্য্যসমাজত প্ৰৱেশ কৰা বুলি পণ্ডিতসকলে ঠাৰৰ কৰিছে। অসমৰ হিন্দুলোকসকলে প্ৰজাপত্য পদ্ধতিত হোমপুৰি বিয়া পতিলেও তাৰ আনুসংগিকভাৱে পালন কৰা জোৰণ দিয়া, পানীতোলা, গাঁঠিয়ন-খুন্দা প্ৰভৃতি কৃত্যসমূহ মংগোলীয় সকলৰপৰাই আহি অসমীয়া সংস্কৃতিত সোমাইছেহি। অসমৰ তিৰোতাই তিনিখন কাপোৰ পৰিধান কৰে। এই পদ্ধতিটো মংগোলীয়সকলৰ পৰাই অহা বুলি কোৱা হয়। এগৰাকী পণ্ডিতৰ মতে, অসমীয়া তিৰোতাই পৰিধান কৰা 'ৰিহা' শব্দটো বড়ো ভাষাৰপৰা অহা। বাঁহৰ বাঁহী আৰু কীচক বেণু তিব্বত-বৰ্মী ভাষীসকলৰে অৱদান। গাজটেঙা আৰু পকাখৰিচা খোৱা পদ্ধতিটোও আমি এওঁলোকৰ পৰাই লৈছোঁ। এক কথাত অসমীয়া সংস্কৃতিৰ পৰিপুষ্টিত তিব্বত-বৰ্মী ভাষা কোৱা নিজস্ব কলা-কৃষ্টি সম্পন্ন মংগোলীয়সকলৰ অৱদান অনস্বীকাৰ্য্য।

## 14.2.6 চুটি প্ৰশ্নাৱলী

১০। মংগোলীয় লোকসকলে কোৱা ভাষাক কি ৰূপে জনা যায়?

১১। তিব্বত-বৰ্মী ভাষাৰ পৰা অহা দুখনমান নদী আৰু দুখনমান ঠাইৰ নাম কোৱা।

১২। বাঁহৰ বাঁহী আৰু কীচকবেণু কোন জনগোষ্ঠীৰ অৱদান?

১৩। বাঁহগাজ আৰু পকাখৰিচা আমাক কোনে খাবলৈ শিকালে?

১৪। একেলগহে চিকাৰ কৰা আৰু মাছ মৰা পদ্ধতিটো কোন জনগোষ্ঠীৰপৰা আহি অসমীয়া সংস্কৃতিত সোমাইছে?

১৫। কোন সংস্কৃতিৰ প্ৰভাৱত যৌতুক প্ৰথাই গা কৰি উঠিব পৰা নাই?

১৬। অসমীয়া তিৰোতাই কেইখন কাপোৰ পৰিধান কৰে?

১৭। অসমীয়া তিৰোতাই কি কি সূতা তাঁতশালত কাপোৰ বোৱাত ব্যৱহাৰ কৰে?

১৮। বিয়াত সুৱাগুৰি কেতিয়া তোলে?

## 14.2.7 মুদ্ৰিত প্ৰতিলিপিৰ তৃতীয় ভাগ

কৃষিপ্ৰধান দেশ অসম। কৃষিক কেন্দ্ৰ কৰি বিকশিত হোৱা প্ৰায়খিনি উৎসৱ-পাৰ্বনতে বিভিন্ন জনগোষ্ঠীৰ কৃষ্টিৰ বীজ জীন যোৱাটো উল্লেখযোগ্য। এই ক্ষেত্ৰত জয়জয়তে জাতীয় উৎসৱ বিহুৰ কথাকে উল্লেখ কৰিব পাৰি। বহাগ বিহুক বহুতে মহাবিষুৱ সংক্ৰান্তিৰে একে কৰে যদিও এই বিহুত পালন কৰা বিভিন্ন আচাৰ-ব্যৱহাৰ ভাৰতৰ অন্যান্য ঠাইৰ সৈতে নিমিলে। ৰঙালী বিহুত অসমীয়া ডেকা-গাভৰুৱে ঢোল-পেঁপা, টকা আদি বজাই বিহু মাৰি, হুঁচৰি গাই ৰঙত উত্ৰাৱল হয়। গৰু-গাই নোৱাই-ধুৱাই লাউ-বেঙেনা খুৱায়। সৰুৱে বৰক বিহুৱান দিয়ে। পিঠা-পনা খায়। কণী যুঁজ, কড়িখেল ম'হ যুঁজ, বুলবুলি চৰাইৰ যুদ্ধ প্ৰভৃতি পাতি মনৰ আনন্দ প্ৰকাশ কৰে। চ'তৰ সংক্ৰান্তিৰ দিনা আৰম্ভ হয় -- গৰু বিহু। গৰু বিহু, ৰঙালী বিহু, ছেৰা বিহু প্ৰভৃতি সিবোৰৰ নাম। পৰ্বত-ভৈয়াম উভয়তে ৰঙালী বিহু বিভিন্ন নামেৰে উদ্‌যাপিত হয়। বড়োসকলে বিহুক বৈসাগু বোলে। এই বিহুত সাত দিন --- মগৌ (গৰু বিহু), মানসি দোমাহী (মানুহ বিহু), মৌমা (কুকুৰ বিহু), অমা (গাহৰি বিহু), দাতনৌ (কুকুৰা বিহু), হাঁহ-পাৰ বিহু আৰু মিতিৰ কুটুম্বৰ বিহু।

বড়োসকলৰ উপৰি অন্যান্য জনজাতিসকলৰ মাজতো বিহু উৎসৱ দেখা যায়। ৰাভাসকলৰ মাজত প্ৰচলিত 'বায়খু' শব্দৰ অৰ্থ হ'ল --- দেৱতাই দিয়া ৰং-ধেমালি। বহাগ মাহত কঠীয়া সিঁচাৰ আগে আগে 'বায়খু' আৰু 'ৰিসি' দেৱতাক পূজা কৰি ৰাভাসকলে বায়খু উৎসৱ পাতে। মিচিংসকলে বসন্ত কালত পাতে -- 'অসনিতম' নৃত্য-গীতসমৃদ্ধ কৃষি উৎসৱ 'আলি-আই-লৃগাং'। ডিমাছাসকলৰ ৰঙালী বিহুটো 'বুসু' নামেৰে জনাজাত। শস্যৰ দেৱতা ব্ৰাই শিৱাই আৰু বতাহ-বৰষুণৰ দেৱী গামাডী অৰ্থাৎ দেৱী পাৰ্বতীক সন্তুষ্ট কৰাই এই উৎসৱৰ মূল কথা। দেউৰীসকলে চ'তৰ সংক্ৰান্তিৰ দিনাখন বিহু আৰম্ভ নকৰি বিহুৰ পিছৰ বুধবাৰৰ পৰাহে আৰম্ভ কৰে। অৰুণাচল প্ৰদেশৰ গালংসকলে পালন কৰা 'মপিন' উৎসৱৰ সৈতে বিহুৰ সাদৃশ্য চকুত লগা। টিৰাপ জিলাৰ নক্তে, টাংছা আৰু টুট্‌ছাসকলে বছৰেকত তিনিটাকৈ বিহু পাতে। বহাগৰ আহুধান সিঁচাৰ কালত গাহৰি-কুকুৰা মাৰি ভোজ ভাত খাই ঢোল-গগনা বজাই তেওঁলোকে উদ্‌যাপন কৰা উৎসৱটোৰ নাম 'লকু'। ভৈয়ামত বসবাস কৰা টাই --খামতি, টাই-ফাকে, টাই আইটন, টাই-টুৰুংসকলে 'পয়চাংকেন' উৎসৱৰ জৰিয়তে ৰঙালী বিহুৰ আনন্দ উপভোগ কৰে। নামনি অসমত ৰঙালী বিহুৰ কালত যিকেইটা উৎসৱ পাতে, সেই কেইটাৰ ভিতৰত অবিভক্ত গোৱালপাৰাৰ আৰু দৰঙৰ দেউল প্ৰাচীন।

অসমীয়া সংস্কৃতিৰ অন্যতম সম্পদ হ'ল -- ধৰ্মমূলক নৃত্যসমূহ। এনে নৃত্যৰ ভিতৰত শিৱ পূজাৰ সৈতে জড়িত নটীনাচ, আৰু ডুবি-পৰি-হৰেশ্বৰৰ

শব্দাৰ্থ ঃ

মহাবিষুব — সূৰ্য্যৰ মেষ ৰাশিলৈ গমন,

বিহুৱান — ৰঙালী বিহুত উপহাৰ দিয়া ন কাপোৰ।

ধ্ৰুপদী — মাৰ্গীয়, উচ্চাঙ্গৰ।

দেৱদাসী নৃত্য উল্লেখযোগ্য। মহাপুৰুষ শংকৰদেৱৰ দিনৰে পৰা সত্ৰসমূহৰ গইনা লৈ বিকশিত হোৱা সত্ৰীয়া নৃত্যই আজি ধ্ৰুপদী নৃত্যৰ স্বীকৃতি লাভ কৰিছে। বড়োসকলৰ মাজত প্ৰচলিত ধৰ্মোৎসৱ খেৰাইত কেইবাপ্ৰকাৰো মনোৰম নৃত্য সংযোজিত হৈছে। সেইবোৰৰ ভিতৰত বাথ গিৰিংগ্ৰয় (বেদী প্ৰদক্ষিণ কৰি কৰা নৃত্য), খাফ্ৰি চিব্ৰয় (জাপি লৈ কৰা নৃত্য), মইছো জেলেনয় (ম'হৰ নৃত্য) আদি প্ৰধান। অসমৰ জনজাতিসকলৰ মাজত প্ৰচলিত আন নৃত্যৰ ভিতৰত সোণোৱালকছাৰী সকলৰ বহুৱা নাচ, ৰাভাসকলৰ খুক্‌চি পূজাৰ নাচ, বড়োসকলৰ 'লেৱাটনো' নাচ, আৰু অবিভক্ত গোৱালপাৰাৰ কুশান গানৰ নৃত্য আদিৰ নাম একে উশাহতে ল'ব পাৰি।

অসমীয়া মানুহে উপজিবৰে পৰা মৃত্যুলৈকে যিবোৰ কৃত্য সমাধা কৰে, সেই আটাইবোৰেই একো একোপদ সংস্কৃতিৰ যুগজয়ী সম্পদ। এই কলাসম্পদ ৰাজিৰ কাৰণেই অসমে আজি নিজৰ শিৰ উন্নত কৰি ৰাখিব পাৰিছে।

## 14.2.8 আলোচনা

'বাৰে বৰণীয়া সংস্কৃতি'ৰ আলোচনা কৰিব লগা খণ্ডটিত অসমৰ পৰ্বত-ভৈয়াম জুৰি কেনেকৈ বিভিন্ন নামেৰে আমাৰ জাতীয় উৎসৱ বাপতি সাহোন বিহু উৎসৱ উদ্‌যাপিত হয় তাৰ আলোচনা আছে। প্ৰবন্ধৰ অন্তিম ভাগত আছে — অসমৰ ধৰ্মমূলক নৃত্য-নীতিৰ পৰিচয়।

কৃষিক কেন্দ্ৰ কৰিয়ে অসমৰ প্ৰায়খিনি উছৱ-পৰ্বৰ গা কৰি উঠা বুলিব পাৰি। প্ৰায়বোৰ কৃষি উৎসৱতে বিভিন্ন জনগোষ্ঠীৰ কৃষ্টিৰ বীজ জীণ যোৱাটো মনকৰিবলগীয়া। বহাগ বিহুৰ কালত গৰু-গাই নোৱাই-ধুৱাই লাউ বেঙেনা খুৱাই 'লাউখা বেঙেনা খা

বছৰে বছৰে বাঢ়ি যা

মাৰ সৰু বাপেৰ সৰু

তই হ'বি বৰ গৰু' আদিকৈ

গীতগোৱা, ডেকা-গাভৰুৱে আনন্দত উত্ৰাৱল হৈ ঢোল, পেঁপা, টকা, গগনা আদি বজাই বিহু মাৰি, হুঁচৰি গাই আনন্দত উত্ৰাৱল হোৱা, সৰুৱে বৰক বিহুৱান দিয়া, পিঠা-পনা, চিৰা সান্দহ খোৱা, ম'হ যুঁজ, কনী যুঁজ, কড়িখেল, বুলবুলি চৰাইৰ যুঁজ আদি অনুষ্ঠিত কৰা কৃত্যসমূহ বিভিন্ন জনগোষ্ঠীৰ খিড়িকীৰে সৰকি আহি অসমীয়া সংস্কৃতিক পৰিপুষ্ট কৰিছে। অসমীয়াৰ বিহু তিনিটা — ৰঙালী,কঙালী আৰু ভোগালী বিহু। চ'তৰ সংক্ৰান্তিৰেপৰা আৰম্ভ হোৱা ৰঙালী বিহু সাতদিন জুৰি চলে। সেয়ে সাত বিহু। ইয়াৰ বেলেগ বেলেগ নাম আছে। বহাগ বিহু অসমৰ পৰ্বত-ভৈয়াম সকলোতে বিভিন্ন নামেৰে উদ্‌যাপিত হয়। বড়োসকলে পালন কৰা বৈসাগু উৎসৱ বিহুৰ দৰে সাত দিন

জুৰি চলে। ৰাভাসকলে এই বিহুক 'বায়খু' বোলে। বহাগ বা জেঠ মাহত এই উৎসৱৰ আয়োজন কৰা হয়। ভৈয়ামৰ মিচিংসকলে শস্য সিঁচাৰ পূৰ্বে বিহুৰ লেখীয়া যি নৃত্য-গীতসমৃদ্ধ উৎসৱ পাতে, তাক 'আলি - আই-লৃগাং' কোৱা হয়। ডিমাছাসকলৰ ৰঙালী বিহুৰ নামটো হ'ল 'বুসু।' অৰুণাচল প্ৰদেশৰ গাল্‌ংসকলে পালন কৰা 'মপিন', টিৰাপ জিলাৰ নক্তে, টাংছা আৰু টুটংছাসকলে বহাগ মাহত পালন কৰা 'লকু' আৰু ভৈয়ামৰ খামতি, টাই-ফাকে প্ৰমুখ্যে বিভিন্ন গোষ্ঠীয়ে পালন কৰা 'পয়চাংকেন' উৎসৱ ভৈয়ামৰ বিহু উৎসৱৰ সমপৰ্য্যায়ৰ। নামনি অসমত বহাগ মাহত উদ্‌যাপিত হয় — বাঁশ পূজা, ভঠেলি, সুৱেৰি, সোৰি, পাৰা তোলা বা পাউৰাতোলা, দহৰফুৰা আৰু দেউল উৎসৱ। ধৰ্মমূলক নৃত্যসমূহে অসমীয়া সংস্কৃতি সোণসেৰীয়া কৰি তোলা বুলিব পাৰি। এনে নৃত্যৰ ভিতৰত 'নটীনাচ' আৰু 'দেৱদাসী নৃত্য'ৰ নাম এয়জয়তে উল্লেখ কৰিব পাৰি। মহাপুৰুষ শংকৰদেৱৰ দিনৰে পৰা সত্ৰসমূহত সত্ৰীয়া নৃত্যই গা কৰি উঠাৰ সুযোগ পায়। জনজাতীয় লোকসকলৰ মাজত যিবোৰ ধৰ্মমূলক নৃত্য অদ্যাপি প্ৰচলিত হৈ আহিছে সেইবোৰৰ ভিতৰত বড়োসকলৰ খেৰাই পূজাত সংযোজিত বিভিন্ন নৃত্য, সোণোৱাল কছাৰীসকলৰ 'বহুৱা নাচ' ৰাভাসকলৰ খুক্‌চি পূজাৰ নাচ, বড়োসকলৰে বাগুৰুম্বা, গাৰোসকলৰ প্ৰখ্যাত 'ৱাংগালা' আৰু হাজংসকলৰ 'লেৱাটানা' নাচৰ নাম একে উশাহতে ল'ব পাৰি।

এক কথাত, অসমীয়া মানুহে উপজিবৰেপৰা দুচকু মুদালৈকে যিবোৰ কৃত্য সম্পাদন কৰে, সেই আটাইবোৰেই অসমীয়া সংস্কৃতিৰ পথাৰখন সোণসেৰীয়া কৰি তুলিছে।

14.2.9 চুটি প্ৰশ্নাৱলী

১৯। বহাগ বিহুক বহুতে কি সংক্ৰান্তিৰে একে কৰিব বিচাৰে?

২০। ৰঙালী বিহুৰ সময়ত অসমীয়া ডেকা-গাভৰুৱে কি বাদ্য বজাই বিহু মাৰে?

২১। কোনটো বিহুত অসমীয়াই গৰুক লাউ বেঙেনা খুৱায়?

২২। অসমীয়া মানুহে কোনটো বিহুত বিহুৱান লয়?

২৩। চ'তৰ সংক্ৰান্তিৰ দিনা কি বিহু আৰম্ভ হয়?

২৪। সাত বিহুৰ নামবোৰ কি কি?

২৫। বড়োসকলে বহাগ বিহুক কি বোলে?

২৬। বড়োসকলৰ বৈসাগুৰ সাত বিহুৰ নাম কেইটা কি কি?

২৭। ৰাভাসকলৰ মাজত প্ৰচলিত উৎসৱটোৰ নাম কি?

২৯। 'বুসু' উৎসৱটো কোনে বসন্তকালত উদ্‌যাপন কৰে?

৩০। গালং সকলে পালন কৰা বিহুৰ লেখীয়া উৎসৱটোৰ নাম কি?

৩১। 'লকু' উৎসৱ কোনে উদ্‌যাপন কৰে?

৩২। 'পয়চাংকেন' উৎসৱ কোন কোন জনগোষ্ঠীয়ে পালন কৰে?

৩৩। 'বাঁশ পূজা' নামনি অসমৰ ক'ত প্ৰচলিত?

৩৪। দক্ষিণ কামৰূপৰ সোৰি উৎসৱ কোনসময়ত উদ্‌যাপিত হয়?

৩৫। দহৰ ফুৰা উৎসৱ নামনি অসমৰ ক'ত প্ৰচলিত?

৩৬। দেউল উৎসৱ ক'ত জাকজমকপূৰ্ণভাৱে উৎযাপিত হয়?

৩৭। ডুবি পৰিহৰেশ্বৰ কি নৃত্যৰ বাবে প্ৰখ্যাত?

৩৮। খুক্‌চি পূজাৰ নাচ কোন জনজাতিৰ মাজত প্ৰচলিত?

৩৯। 'লেৰাটানা' নাচ কোন জনজাতিৰ মাজত প্ৰচলিত নাচ?

৪০। কুশান গান অসমৰ ক'ত পৰিবেশিত হয়?

৪১। অৰিগানৰ নাচ ক'ত দেখিবলৈ পোৱা যায়?

## 14.3 মূলপাঠৰ সাৰাংশ

ইতিহাসে ঢুকি নোপোৱা কালৰেপৰা অসমলৈ বিভিন্ন বৃহৎ জনগোষ্ঠীৰ লোক আহিছে আৰু এইখন ঠাইতে নিগাজীকৈ থাকিবলৈ লৈ বাৰেবৰণীয়া সংস্কৃতিৰ স্বৰ্ণসৌধ নিৰ্মাণত আগভাগ লৈছে। অসমীয়া সংস্কৃতিৰ পৰিপুষ্টিত মংগোলীয়, অষ্ট্ৰিক আৰু আৰ্য্যসকলৰ অৱদান অনস্বীকাৰ্য্য। কৃষিজীৱী গ্ৰাম্য সংস্কৃতিৰ প্ৰৱৰ্তক অষ্ট্ৰিকসকলে খেতিবাতি কৰাৰ উপৰি বনৰীয়া হাতীক ঘৰচীয়া কৰিছিল আৰু মাতৃপূজা, ধৰ্মপূজা, লিংগপূজা প্ৰভৃতিৰ প্ৰৱৰ্তন কৰিছিল। মংগোলীয়াসকলৰ সাংস্কৃতিৰ প্ৰৱৰ্তক তিব্বত-বৰ্মী ভাষীসকলে সমূহীয়া মাছমৰা আৰু চিকাৰ কৰা পদ্ধতিটো অসমীয়া সংস্কৃতিলৈ আগবঢ়ায়। এই গোষ্ঠীৰ লোকৰ প্ৰভাৱতে অসমৰ নাৰীৰ মৰ্য্যদা দেশৰ অন্যান্য ঠাইৰ নাৰীতকৈ বহুগুণে বেছি। অসমৰ বৰ্ণহিন্দুসকলে প্ৰজাপত্য পদ্ধতিত হোম পুৰি বিয়া পাতিলেও বিয়াৰ কালত পালন কৰা ভালেখিনি [illegible] মংগোলীয় আৰু আন আৰ্য্যভিন্ন গোষ্ঠীৰ কৃষ্টিৰ প্ৰভাৱ স্পষ্ট। অসমীয়া [illegible] শালখনিও আৰ্য্যভিন্ন গোষ্ঠীৰ অৱদান।

কৃষিপ্ৰধান দেশ অসমৰ উছৱ-পৰৱ প্ৰায়খিনিয়ে কৃষি বিশ্বাসৰ গইনা লৈ গঢ়ি উঠা। অসমৰ জাতীয় উৎসৱ বিহুৰ ক্ষেত্ৰত এই কথা প্ৰযোজ্য। বিহু অসমৰ পৰ্বত-ভৈয়াম উভয়তে ভিন্ন নামেৰে ভিন্ন দিশত উদ্‌যাপিত হয়। ধৰ্মমূলক নৃত্যসমূহে অসমীয়া সংস্কৃতিৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। অসমীয়া মানুহে উপজিবৰে পৰা মৰণৰ কাললৈকে যিবোৰ কৃত্যসম্পাদন কৰে, সেই আটাইখিনিয়ে অসমীয়া সংস্কৃতিৰ পৰিপুষ্টিত সাহায্যদান কৰিছে।

## 14.4 সাংস্কৃতিক টোকা

**অষ্ট্ৰিক** : অষ্ট্ৰিক এক বৃহৎ ভাষাগোষ্ঠীৰ নাম। এই ভাষা কোৱা লোকসকলক প্ৰট'- অষ্ট্ৰলয়ড ৰূপেও জনা যায়। বৈদিক সাহিত্যত এই ভাষাকোৱা জাতিটোক নিষাদ বোলা হৈছে। অসমীয়া ভাষা আৰু সংস্কৃতিত অষ্ট্ৰিক ভাষীসকলৰ প্ৰভাৱ ভালেখিনি। চমতা, বকতা আদি ঠাইৰ নাম, তিহু, তিপাম, তিয়ক প্ৰভৃতি নদীৰ নাম অষ্ট্ৰিকৰ পৰা অহা বুলি কোৱা হয়।

**মংগোলীয়** : বেদৰ যুগত মংগোলীয় লোকসকলক কিৰাতৰূপে জনা গৈছিল। ৰামায়ণ-মহাভাৰত আদিতো কিৰাতসকলৰ নামোল্লেখ হৈছে। কিৰাতসকলে ব্যৱহাৰ কৰা ভাষাক তিব্বত-বৰ্মী ভাষা বুলি কোৱা হয়।

**ধৰ্মপূজা** : পণ্ডিতসকলে ধৰ্মদেৱতাক অষ্ট্ৰিকসকলৰ দ্বাৰা সূৰ্যদেৱতা বুলি কব খোজে। কামৰূপ আৰু মংগলদৈ অঞ্চলত মনসাপূজাৰ কালত ধৰ্মদেৱতাৰ এভাগ পূজা আগবঢ়োৱা হয়।

**লিংগ পূজা** : লিংগ পূজা ভাৰতীয় সংস্কৃতিৰ এক পুৰাতন সম্পদ। বিশেষজ্ঞসকলৰ মতে আৰ্য্যভিন্ন অষ্ট্ৰিকসকলেই ভাৰতভূমিত জয়জয়তে লিংগ পূজাৰ চলতি কৰে। মহেন্‌জোদাৰোৰ সভ্যতাই লিংগ পূজাৰ অৱস্থিতি সূচায়।

**বাঁহগাজ** : অসমীয়া মানুহে খোৱা এবিধ বৈশিষ্ট্যপূৰ্ণ খাদ্য হ'ল — বাঁহগাজ বা খৰিচা। বড়ো ভাষাত ইয়াক কোৱা হয় — মেৱা। বেলেগ বেলেগ পদ্ধতিত বাঁহগাজক পকা খৰিচা, শুকান বা জিম খৰিচা আদি নামেৰে চিনাক্ত কৰা হয়।

**জোৰণ দিয়া** : বিয়াৰ আগ দিনা উজনি অসমত জোৰণ আৰু

নামনি অসমত তেলৰ ভাৰ দিয়া নিয়ম। আহোম ভাষাত জোৰক কোৱা হয় —'জুৰণ' - যাৰ অৰ্থ হ'ল — একেলগে বাস কৰা।

**গাঁঠিয়ান খুন্দা ঃ** বিয়াৰ অধিবাসৰ দিনা অধিবাসৰ পূৰ্বে গাঁঠিয়ন খুন্দা কাম আৰম্ভ হয়। অধিবাসৰ দিনা কোনো কোনো ঠাইত কইনাই চাৰিগৰাকী অকুমাৰী ছোৱালীৰ লগত আৰু কোনো কোনো ঠাইত কইনাকে ধৰি সাতগৰাকী আয়তীয়ে গাঁঠিয়ন খুন্দে।

**সুঁৱাগুৰি তোলা ঃ** সুঁৱাগুৰি তোলা হিন্দুবিয়াৰ এটি অত্যাৱশ্যকীয় অংগ। বিয়াৰ দিনা দৰা-কইনাৰ নোৱনিৰ পিছত দৰা বা কইনাৰ মাকে সুঁৱাগুৰি তুলিবলৈ যায়। পানী যুঁৰলিলৈ সুঁৱাগুৰি তুলি আনি ঘৰ পোৱাৰ পিছত আয়তীসকলে কিছু কৃত্য কৰা দেখা যায়।

**কণী যুঁজ ঃ** কণী যুঁজ অসমীয়াৰ এটি প্ৰিয় খেল। বহাগ বিহুৰ কেইদিনমান আগৰে পৰা ই আৰম্ভ হৈ উৰুকালৈকে কণী যুঁজ চলি থাকে। যুঁজত সাধাৰণতে পাতিহাঁহৰ কণীৰে যুঁজায়।

**কড়িখেল ঃ** অসমত কড়িখেলৰ শুভাৰম্ভ কেতিয়াৰপৰা হৈছিল, তাক খাটাংকৈ কোৱা টান। পিছে আহোম যুগত এই খেলৰ জনপ্ৰিয়তা থকাটো খাটাং। কড়িৰালখন মাটিত আঁকিলোৱাটো নিয়ম। ইয়াক দুজন অথবা চাৰিজনে খেলিব পাৰে।

**ম'হ যুঁজ ঃ** আহোমসকলৰ আমোলত ম'হ যুঁজ বেচ জনপ্ৰিয় আছিল। উজনি অসমত মাঘ বিহুত সাত দিনলৈকে ম'হ যুঁজ অনুষ্ঠিত হয়। কেতিয়াবা নাকীত ধৰিও ম'হ যুঁজোৱা দেখা যায়, পিছে সেইটো বৰ বিপদজনক। এই যুঁজ[illegible] ম'হ কেতিয়াবা ঘাইল হয় — আনকি কেতিয়াবা সি মৃত্যু মুখতো পৰে।

**বুলবুলি যুঁজ ঃ** বুলবুলি যুঁজ হাজোৰ একক আৰু অতুলনীয় খেমালি। হয়গ্ৰীৱ মন্দিৰ প্ৰাংগনত মাঘ বিহুৰ প্ৰথম দিনা অনুষ্ঠিত এই খেমালিৰ শুভাৰম্ভ কানোবা [illegible] অসম ৰজাই কৰিছিল। কিংবদন্তী মতে, নৃপতিজনাই হয়গ্ৰীৱ মাধৱ দৰ্শন কৰিবলৈ আহোঁতে মন্দিৰ প্ৰাংগণত [illegible]বুলি চৰাইৰ অনুপম

যুঁজ দেখি মুগ্ধ হৈ সেই ঠাইত বুলবুলি যুঁজ ধেমালিৰ আৰম্ভ কৰিছিল। তেতিয়াৰে পৰা এই ধেমালি বছৰে বছৰে চলি আহিছে।

**বড়োসকলৰ সাতবিহু :** বড়োসকলৰ বৈসাগু সাতদিন জুৰি চলে। সাতদিনজুৰি চলা বিহুৰ নাম সাতোটা; যেনে — গৰু বিহু, মানুহ বিহু, কুকুৰ বিহু, গাহৰি বিহু, কুকুৰা বিহু, হাঁহ-পাৰ বিহু আৰু মিতিৰ-কুটুম্বৰ বিহু।

**বায়খু :** অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰে ৰাভা কৃষিজীৱী সমাজৰ এক প্ৰধান উৎসৱ হ'ল বায়খু বা বায়খো। বসন্তকালীন এই উৎসৱ ৰাভাসকলে কৃষিকৰ্মৰ আগতে পালন কৰে। বায়খু বা বায়খো দেৱতাক পূজা-অৰ্চনাৰ যোগেদি প্ৰকৃতিক উৰ্বৰা কৰিবৰ বাবেই এই উৎসৱ পতা হয়। পূজাৰ পুৰোহিত তথা বয়োবৃদ্ধসকলে এই উৎসৱত গীত পৰিবেশন কৰে। প্ৰকৃতিক উত্তেজিত কৰিবৰ বাবে ৰাভা ডেকা-গাভৰুৱে এই উৎসৱত বিহু গীতৰ দৰে 'ছাখাৰ' গীত গায়।

**অই নিতম :** অইনিতম মিচিং সংস্কৃতিৰ অনবদ্য অৱদান। মিচিং ভাষাত 'অই' শব্দৰ অৰ্থ 'চেনাই', আৰু 'অইনিতম'ৰ অৰ্থ হ'ল — প্ৰেমক উদ্দেশ্য কৰি গোৱা গীত বা প্ৰেমৰ গীত। বাস্তৱ জীৱনৰ লগত সম্পৰ্ক থকা ডেকামনৰ আবেগ-অনুভূতিৰ প্ৰকাশক, অইনিতমসমূহ মিচিংসমাজৰ অমূল্য সম্পদ।

**আলি আই লৃগাং :** প্ৰতিবছৰে ফাগুন মাহৰ প্ৰথম বুধবাৰৰ দিনটো মিচিংসকলে 'আলি-আই-লৃগাং উৎসৱ পাতে। 'আলি আই লৃগাং' শব্দৰ অৰ্থ এনে ধৰণৰ — আলি = মাটিৰ তলত হোৱা আলু, আই = ফল-মূল আৰু লৃগাং = সিঁচা অৰ্থাৎ পথাৰত শস্য সিঁচা উৎসৱ। এই উৎসৱ উপলক্ষে বিশেষ ভোজৰ আয়োজন কৰা হয়। এই ভোজত পুৰাং (বৰাধানৰ ভাত), মাছ, মাংস আৰু আপং চলে।

**বুসু :** ডিমাছাসকলৰ বাসন্তী উৎসৱ 'বুসু'ত শষ্যৰ দেৱতা ব্ৰাই শিব্ৰাই আৰু বতাহ-বৰষুণ দেৱী গামাডী অৰ্থাৎ দেৱী পাৰ্বতীক সন্তুষ্ট কৰিবলৈ এই উৎসৱৰ আয়োজন কৰা হয়।

**মপিন** মাৰ্চ-এপ্ৰিল মাহত এন্দিছিক্ৰা গছত ফুলে। বসন্তৰ পোহাৰ মেলাৰ লগে লগে ছীয়াং সীমান্তৰ গালংসকলে উদ্‌যাপন কৰে কৃষি উৎসৱ - মপিন। পাঁচ-ছয় দিন জুৰি এই উৎসৱ চলে। সাধাৰণতে সপোন আৰু মঙল চোৱাৰ ওপৰত নিৰ্ভৰ কৰি এই উৎসৱ পতা দেখা যায়। মপিন দেৱী গাঁৱলৈ আহিব নে নাহে, তাক তিৰোতাই সপোনত দেখে। সপোনৰ কথাৰ সত্যাসত্য নিৰূপণৰ বাবে গাঁৱৰ ডেকা-বুঢ়া নিৰ্বিশেষে গোটখাই কুকুৰা আৰু কুকুৰাৰ কণীৰে মঙল চোৱা প্ৰথা আছে।

**লকু** ঃ টিৰাপ জিলাৰ নক্তে, টাংছা আৰু টুটুংছাসকলে অসমীয়াৰ দৰে বছৰেকত তিনিটাকৈ বিহু পাতে। বহাগ মাহত আহুধান সিঁচাৰ কালত তেওঁলোকে গাহৰি -- কুকুৰা মাৰি ভোজভাত খাই ঢোল-গগনা বজাই যি উৎসৱ পাতে, সেই উৎসৱটো 'লকু' নামেৰে পৰিচিত।

**পয়চাংকেন** ঃ টাই-খামতি, টাই-ফাকে, টাই-আইটন আৰু টাই-টুৰুংসকলে পালন কৰা বসন্তোৎসৱৰ নাম পয়চাংকেন। তেওঁলোকে এই উৎসৱক সংক্ৰান্তি উৎসৱ বা বুদ্ধমূৰ্ত্তি ধতুৱা উৎসৱ হিচাপে পালন কৰে। এই উৎসৱৰ সৈতে আমাৰ ৰঙালী বিহু আৰু দৌলোৎসৱৰ ভালেখিনি সাদৃশ্য দেখা যায়।

**বাঁশ পূজা** ঃ অবিভক্ত গোৱালপাৰাৰ এটি উল্লেখযোগ্য লোকানুষ্ঠান হ'ল -- বাঁশপূজা। মদন চতুৰ্দশীৰ দিনা এই পূজা অনুষ্ঠিত হয়। নাৰীৰ প্ৰৱেশ নথকা এই পূজাত বাঁহ এডালক সু-সজ্জিত কৰি বাঁহৰ জন্মবপৰা চিতা নিৰ্মাণলৈকে সমস্ত কথাকে গীত আৰু নৃত্যৰ যোগেদি প্ৰকাশ কৰাটো এই পূজাৰ এটি উল্লেখযোগ্য দিশ।

**সোৰি** ঃ সোৰি বা সুঁৱৰি দক্ষিণ কামৰূপৰ এদিনীয়া বসন্তোৎসৱ। এই উৎসৱৰ সবাতোকৈ উল্লেখযোগ্য আকৰ্ষণ হ'ল -- 'দধিমথন' ভাওনাৰ অভিনয়। শিশু কৃষ্ণৰ বাবে যশোদাৰ দধিমথন, কানাইৰ চাতুৰী প্ৰভৃতি এই উৎসৱৰ জৰিয়তে জনসাধাৰণে স্মৰণ কৰাৰ সুযোগ পাই গুণে ইয়াৰ নাম সোৰি বা সুঁৱৰি।

**সুঁৱৰি** ঃ বৰপেটাৰ দেউল উৎসৱৰ চতুৰ্থ অৰ্থাৎ অন্তিম দিনটো

সুঁৱেৰি ৰূপে জনা যায়। মেলামুখী সুঁৱেৰি উৎসৱে ঐক্য আৰু সংহতিত এক বলীষ্ঠ ভূমিকা গ্ৰহণ কৰি আহিছে।

**পাউৰাতোলা** : সচৰাচৰ বহাগ বিহুৰ সপ্তম দিনা উত্তৰ কামৰূপৰ বিভিন্ন ঠাইত ভঠেলি বা পাউৰাতোলা অনুষ্ঠান পতা হয়। দুডাল দীঘল বাঁহ কাটি আনি ৰং বিৰঙৰ কাপোৰ মেৰাই লৈ আগত একোটাকৈ চোঁৱৰ বান্ধি পাৰা বা পাউৰা প্ৰস্তুত কৰা হয়। দীঘল বাহডালক মতা পাৰ আৰু চুটি বাঁহডালক কোৱা হয় মাইকী পাৰ। এই দুয়োডাল বাঁহকে মাংগলিক বাদ্য বজাই উত্তোলন কৰি দিনজোৰা পাৰা তোলা বা পাউৰাতোলা উৎসৱ পতা হয়।

**ভ'ঠেলি** : ধৰ্মৰ সৈতে প্ৰত্যেক্ষ সম্পৰ্ক নথকা বহাগী লোক উৎসৱ ভঠেলি গঞা ৰাইজৰ অতিজনপ্ৰিয় উৎসৱ। এই উৎসৱ কামৰূপ, দৰং আৰু গোৱালপাৰা জিলাৰ কিছুমান অঞ্চলত এদিনীয়াকৈ বহাগ মাহৰ যিকোনো এটা তাৰিখত পতা হয়।

**দেউল** : দৰঙৰ দেউল এটি উল্লেখযোগ্য বসন্তোৎসৱ। এই উৎসৱ এটি ওখ মাটিৰ ঢাপ বা ঢিপত কৰা ক্ৰিয়া কাৰ্য্যক ভিত্তি কৰি অনুষ্ঠিত হয়।

**খেৰাই** : বড়োসকলে প্ৰজনন আৰু উৰ্বৰতাৰ প্ৰতীক ৰূপত খেৰাই উৎসৱ পালন কৰে। ই বিহুৰ দৰে এক প্ৰকাৰ বসন্তকালীন উৎসৱ। এই উৎসৱত কেবা প্ৰকাৰো নৃত্য সংযোজিত হয়। তাৰে ভিতৰত বাথন গিদিংগ্ৰয় (বেদী প্ৰদক্ষিণ কৰি কৰা নৃত্য) খাফ্রি চিত্ৰয় (জাপি লৈ কৰা নৃত্য), মইছো জেলেনয় (মহ'ৰ নৃত্য) আদি প্ৰধান।

**বাগুৰুম্বা** : বড়োসকলৰ বিশিষ্ট লোক নৃত্য। বড়ো গাভৰুসকলে একেলগে পৰম্পৰাগত সাজপাৰ পৰিধান কৰি দুহাত মেলি বাগুৰুম্বা নাচে।

**কুশান গান** : অবিভক্ত গোৱালপাৰাত প্ৰচলিত এক জনপ্ৰিয় লোক-নাট্যানুষ্ঠান। প্ৰায় একুৰিৰো অধিক কলা কুশলীৰে এই অনুষ্ঠান পৰিপূৰ্ণ। গানৰ মূল গায়কজনক কোৱা হয় গীদাল। এওঁ ওজাপালিৰ ওজাৰ দৰে হাতত চোঁৱৰ লৈ গোটেই অনুষ্ঠানটোৰ গুৰি বঠা ধৰে। গীদালে লগাই দিয়া পদবোৰ পালিয়ে গুৰি ধৰি গায়। খোল, তাল, পেঁপা,

দোতাৰা আদি বাদ্য বজোৱা বাইনে সংগীত পৰিবেশন কৰে। সংগীতৰ তালে তালে সকলো নৃত্য পৰিবেশন কৰে। তেওঁলোকে লৱ-কুশৰ গীত পৰিবেশন কৰা গুণে ইয়াক কুশান গান কোৱা হয়।

## 14.5 সাধাৰণ অনুশীলনী

### 14.5.1 পাঠভিত্তিক প্ৰশ্নাৱলী

৪২। বাৰে বৰণীয়া অসমীয়া সংস্কৃতিৰ বিকাশত কোণ তিনিটা বৃহৎ জনগোষ্ঠীৰ অৱদান স্বীকৃত হৈছে আলোচনা কৰাঁ।

৪৩। অসমীয়া সংস্কৃতিলৈ অষ্ট্ৰিকসকলৰ অৱদান কি কি?

৪৪। অসমীয়া সংস্কৃতিলৈ তিব্বত-বৰ্মী-ভাষী মংগোলীয় সকলৰ অৱদান কি কি?

৪৫। অসমীয়া নাৰীৰ মৰ্য্যাদা দেশৰ অন্যান্য ঠাইৰ নাৰীতকৈ অধিক হোৱাৰ মূলত কোন বৃহৎ জনগোষ্ঠীৰ প্ৰভাৱ থকা বুলি কোৱা হৈছে?

৪৬। অসমৰ উৎসৱ বিহুৰ এটি পৰিচয় দিয়া। অসমৰ পৰ্বত-ভৈয়ামৰ বিভিন্ন জনগোষ্ঠীয়ে বসন্ত কালত উদ্‌যাপন কৰা বিহুৰ সমপৰ্য্যায়ৰ উৎসৱবোৰৰ বিষয়ে লিখাঁ।

৪৭। অসমৰ ধৰ্মমূলক নৃত্যসমূহৰ এটি চমু পৰিচয় দিয়া।

### 14.5.2 'বাৰে বৰণীয়া সংস্কৃতি' পাঠৰ ভিত্তিত তলৰ মন্তব্যবোৰ শুদ্ধনে অশুদ্ধ বিচাৰ কৰাঁ।

৪৮। অসমলৈ ভিন্ন জনগোষ্ঠীৰ লোকসকল হয় অন্ন-বস্ত্ৰৰ সন্ধানত, নহয় পূজা-পাৰ্বন কৰাৰ অদম্য আশা বুকুত বান্ধি লুইতৰ পাৰত উপস্থিত হয়।

৪৯। সন্ধ্যা, ললিতা আৰু কান্তাই বশিষ্ঠাশ্ৰমৰ সৌন্দৰ্য্য হানি কৰিছে।

৫০। অষ্ট্ৰিক ভাষীসকলে অৱশেষত কুকুৰা আৰু ব্ৰহ্মপুত্ৰৰ পাৰত হাতীক ঘৰচীয়া কৰে।

৫১। আৰ্য্যসকলে ব্যৱহাৰ কৰা ভাষা তিব্বত বৰ্মী ভাষা ৰূপে জনাজাত।

৫২। বাঁহৰ বাঁহী আৰু কীচক বেণু তিব্বত-বৰ্মী ভাষীসকলৰ অৱদান।

৫৩। সমূহীয়া মাছ মৰা পদ্ধতিটো অষ্ট্রিক জনগোষ্ঠীৰ দ্বাৰা আমাৰ মাজলৈ আহিছে।

৫৪। সৰ্বনাশী যৌতুক প্ৰথাই আজিও লুইতৰ পাৰত মংগোলীয়া সংস্কৃতিৰ প্ৰভাৱতে গা কৰি উঠিব পৰা নাই।

৫৫। অসমীয়া তিৰোতাই শাড়ী পৰিধান কৰে।

৫৬। ৰঙালী বিহু সাত দিন জুৰি চলে।

৫৭। বড়োসকলৰ বৈসাগু উৎসৱ পাঁচ দিন জুৰি চলে।

## তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ একেটা বাক্যত লিখাঁ-

৫৮। ভিন্ন কালত পুৰণি অসমলৈ অহা বিভিন্ন জনগোষ্ঠীৰ লোকে এইখন দেশক কাৰ দেশ বুলিছিল?

৫৯। ধান, তামোল আৰু হালধিৰ ব্যৱহাৰ কোন জনগোষ্ঠীয়ে প্ৰথমে কৰিছিল?

৬০। মাতৃপূজা আৰু লিংগপূজাৰ ধাৰণাটি কোন জনগোষ্ঠীৰ পৰা অসমীয়া সংস্কৃতিয়ে গ্ৰহণ কৰিছে?

৬১। অসমীয়া বিয়াত পালন কৰা গাঁঠিয়ন-খুন্দা আৰু সুঁৱাগুৰি তোলা ৰীতি-নীতিৰ অন্তৰালত কোন সংস্কৃতিয়ে লুকাভাকু খেলিছে?

৬২। অসমত কোন সম্প্ৰদায়ৰ তিৰোতাই তাঁত শালত বহে?

৬৩। অসমীয়া ডেকা-গাভৰুৱে ঢোল, পেঁপা, টকা আদি বজাই কি কৰে?

৬৪। 'বায়খু' শব্দৰ অৰ্থ কি?

৬৫। আলি-আই লৃগাং কৃষি উৎসৱটো কি নৃত্য-গীতেৰে সমৃদ্ধ?

৬৬। অৰুণাচল প্ৰদেশৰ গাংলংসকলে পালন কৰা মপিন উৎসৱৰ সৈতে অসমীয়া কোনটো উৎসৱৰ সাদৃশ্য আছে?

৬৭। সত্ৰীয়া নৃত্যই আজি কি নৃত্য ৰূপে সৰ্বভাৰতীয় স্বীকৃতি লাভ কৰিছে?

## 14.6 চমু প্ৰশ্নৰ উত্তৰ সংকেত

১। বিভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক উপাদানেৰে অসমীয়া সংস্কৃতিয়ে

পৰিপুষ্টি সাধন কৰা বাবে ইয়াক যৌগিক সংস্কৃতি কোৱা হয়।

২। ভিন্ন জনগোষ্ঠীৰ লোক বিভিন্ন সময়ত অসমলৈ অহাৰ প্ৰধান কাৰণ তিনিটা হ'ল — (১) অন্নবস্ত্ৰৰ অন্বেষণ,

(২) পূজা-পাৰ্বন সংক্ৰান্ত আৰু

(৩) দেশজয় কৰা অদম্য আশা।

৩। দিয়া, লোৱা আৰু এৰাধৰাৰ ব্যৱস্থাই অসমত বৃহৎ অসমীয়া জাতি গঢ়াত সহায় কৰিছিল।

৪। সন্ধ্যা-সলিতা-কান্তা এই তিনিধাৰা সুঁতি বশিষ্ঠাশ্ৰমত দেখা যায়।

৫। অষ্ট্ৰিক, মংগোলীয় আৰু আৰ্য্য গোষ্ঠীৰ সাংস্কৃতিক সমন্বয়তে অসমীয়া সংস্কৃতিয়ে গঢ় লৈছে।

৬। ধান, তামোল, লাউ, নাৰিকল আৰু হালধিৰ ব্যৱহাৰ জয়জয়তে অষ্ট্ৰিকসকলে কৰিছিল।

৭। অসমত জয়জয়তে অষ্ট্ৰিক ভাষীলোকসকলে খেতিৰ প্ৰৱৰ্তন কৰিছিল।

৮। বনৰীয়া হাতীক ঘৰচীয়া কৰাটো অষ্ট্ৰিক জনগোষ্ঠীৰ কাম।

৯। অষ্ট্ৰিকভাষী লোকসকলে অসমত মাতৃপূজা, ধৰ্মপূজা আৰু লিংগপূজাৰ প্ৰৱৰ্তন কৰে।

১০। মংগোলীয় লোকসকলে কোৱা ভাষাক তিব্বত-বৰ্মী ভাষা ৰূপে জনাজাত।

১১। তিব্বত-বৰ্মা ভাষাৰপৰা অহা দুখন নদীৰ নাম —দিখৌ আৰু দিগাৰু; দুখনমান ঠাইৰ নাম হ'ল — হাজো, হাকামা ইত্যাদি।

১২। বাঁহৰ বাঁহী আৰু কীচকবেণু মংগোলীয় জনগোষ্ঠীৰ অৱদান।

১৪। একেলগ হৈ চিকাৰ কৰা আৰু মাছ মৰা পদ্ধতিটো মংগোলীয় জনগোষ্ঠীৰ পৰা আহি অসমীয়া সংস্কৃতিত সোমাইছে।

১৫। মংগোলীয় সংস্কৃতিৰ প্ৰভাৱত অসমত যৌতুক প্ৰথাই গা কৰি উঠিব পৰা নাই।

১৬। অসমীয়া তিৰোতাই তিনিখন কাপোৰ পৰিধান কৰে।

১৭। অসমীয়া তিৰোতাই সাধাৰণ সূতাৰ উপৰি পাট, মুগা আৰু

এৰীসূতা তাঁত শালত কাপোৰ বোৱাত ব্যৱহাৰ কৰে।

১৮। অসমীয়া বিয়াত দৰা আহি পোৱাৰ অগমুহূৰ্তত সুঁৱাগুৰি তোলা হয়।

১৯। বহাগ বিহুক বহুতে মহাবিষুৱ সংক্ৰান্তিৰে একে কৰিব বিচাৰে।

২০। ৰঙালী বিহুৰ সময়ত অসমীয়া ডেকা-গাভৰুৱে ঢোল, টকা, পেঁপা আদি বজাই বিহু মাৰে।

২১। ৰঙালী বিহুত অসমীয়াই গৰুক লাউ-বেঙেনা খুৱায়।

২২। ৰঙালী বিহুত অসমীয়া মানুহে বিহুৱান লয়।

২৩। চ'তৰ সংক্ৰান্তিৰ দিনা গৰুবিহু আৰম্ভ হয়।

২৪। অসমীয়া সাতবিহু হ'ল – গৰু বিহু, মানুহ বিহু, চেনেহী বিহু, মাইকী বিহু, হাট বিহু, ৰঙালী বিহু, আৰু ছেৰা বিহু।

২৫। বড়োসকলে বহাগ বিহুক বৈসাগু বোলে।

২৬। বড়োসকলৰ বৈসাগুৰ সাত বিহুৰ নাম হ'ল – গৰু বিহু, মানুহ বিহু, কুকুৰ বিহু, গাহৰি বিহু, হাঁহ-পাৰ বিহু, আৰু মিতিৰ-কুটুম্বৰ বিহু।

২৭। ৰাভাসকলৰ মাজত প্ৰচলিত 'বায়খু'ৰ অৰ্থ হ'ল – দেৱতাই দিয়া ৰং-ধেমালি।

২৮। মিচিংসমাজৰ বাসন্তী উৎসৱটোৰ নাম হ'ল — 'আলি আই-লৃগাং।

২৯। 'বুসু' উৎসৱটো ডিমাছাসকলে বসন্তকালত উদ্‌যাপন কৰে।

৩০। গালংসকলে পালনকৰা বিহুৰ লেখীয়া উৎসৱটোৰ নাম 'মপিন'।

৩১। 'লকু' উৎসৱ নকে, যাংছা আৰু টুটুংছাসকলে উদ্‌যাপন কৰে।

৩২। 'পয়চাংকেন' উৎসৱ অসমৰ টাই-খামতি, টাই-ফাকে, টাই আইটন আৰু টাই-টুৰুংসকলে পালন কৰে।

৩৩। 'বাঁশ পূজা' নামনি অসমৰ গোৱালপাৰাত উদ্‌যাপিত হয়।

৩৪। দক্ষিণ কামৰূপৰ 'সোৰি উৎসৱ' বসন্তকালৰ বহাগ মাহত উদ্‌যাপিত হয়।

৩৫। দহৰ পাবা বা পাউখা উৎসৱ নামনি অসমৰ উত্তৰ কামৰূপত প্ৰচলিত।

৩৬। দেউল উৎসৱ দৰঙত জাক্‌জমকপূৰ্ণভাৱে উদ্‌যাপিত হয়।

৩৭। ডুবি পৰিহৰেশ্বৰ দেৱদাসী নৃত্যৰ বাবে প্ৰখ্যাত।

৩৮। খুক্‌চি পূজাৰ নাচ ৰাভাসকলৰ মাজত প্ৰচলিত।

৩৯। 'লেৱাটনা' নাচ হাজংসকলৰ মাজত প্ৰচলিত।

৪০। 'কুশান নাচ' নামনি অসমৰ অবিভক্ত গোৱালপাৰাত পৰিবেশিত হয়।

৪১। অৰিগানৰ নাচ অবিভক্ত গোৱালপাৰা জিলাত দেখিবলৈ পোৱা যায়।

৪৮। শুদ্ধ, ৪৯। অশুদ্ধ, ৫০। শুদ্ধ, ৫১। অশুদ্ধ, ৫২। শুদ্ধ, ৫৩। অশুদ্ধ, ৫৪। শুদ্ধ, ৫৫। অশুদ্ধ, ৫৬। শুদ্ধ, ৫৭। অশুদ্ধ,

৫৮। ভিন্ন কালত পুৰণি অসমলৈ অহা ভিন্ন জনগোষ্ঠীৰ লোকে এইখন শুদ্ধ দেশক নিজৰ দেশ বুলিছিল।

৫৯। ধান, তামোল আৰু হালধিৰ ব্যৱহাৰ অষ্ট্ৰিক জনগোষ্ঠীয়ে প্ৰথমতে কৰিছিল।

৬০। মাতৃপূজা আৰু লিংগ পূজাৰ ধাৰণাটি অষ্ট্ৰিক জনগোষ্ঠীৰপৰা অসমীয়া সংস্কৃতিয়ে গ্ৰহণ কৰিছে।

৬১। অসমীয়া বিয়াত পালন কৰা গাঁঠিয়ন-খুন্দা আৰু সুঁৱাগুৰি তোলা ৰীতি-নীতিৰ অন্তৰালত মংগোলীয়সকলৰ সংস্কৃতিয়ে লুকাভাকু খেলিছে।

৬২। অসমত কোঁচ-কলিতা সকলো সম্প্ৰদায়ৰ তিৰোতাই তাঁত শালত বহে।

৬৩। অসমীয়া ডেকা-গাভৰুৱে ঢোল, পেঁপা, টকা আদি বজাই বিহু মাৰে আৰু হুঁচৰি গায়।

৬৪। 'বায়খু' শব্দৰ অৰ্থ হ'ল — দেৱতাই দিয়া বং ধেমালি।

৬৫। 'আলি-আই-লৃগাং' কৃষি উৎসৱটো 'অইনিতম' নৃত্য-গীতসমৃদ্ধ।

৬৬। অৰুণাচল প্ৰদেশৰ গালংসকলে পালন কৰা 'মাপনি' উৎসৱৰসৈতে অসমীয়া ৰঙালী বিহু উৎসৱৰ সাদৃশ্য আছে।

৬৭। সত্ৰীয়া নৃত্যই আজি ধ্ৰুপদী নৃত্যৰূপে সৰ্বভাৰতীয় স্বীকৃতি লাভ কৰিছে।

## 14.7 অতিৰিক্ত পঠন উপদেশ

বাৰে বৰণীয়া অসমীয়া সংস্কৃতিৰ সবিশেষ জানিবলৈ তোমালোকে ড০ বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'অসমীয়া ভাষা আৰু সংস্কৃতি', অসমৰ লোক সংস্কৃতি আৰু ড০ লীলা গগৈৰ অসমৰ সংস্কৃতি গ্ৰন্থ পঢ়ি চাব পাৰা।

## 14.8 ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন কৰিবলৈ দিয়া সংকেত

অসমীয়া সংস্কৃতিৰ বিষয়ে তোমালোকে দুই এখনি গ্ৰন্থ পঢ়াৰ পিছত তুমি / তোমালোকে কেনে ধৰণৰ প্ৰশ্ন কৰিব পাৰা, কৰি চোৱাছোন

গোট নং 15

# কেতেকী

রচনা ঃ যতীন্দ্র নাথ দুৱৰা

## 15.1 পাতনি আৰু উদ্দেশ্যাৱলী

'ৰমন্যাসিক কবি দুৱৰাৰ 'কেতেকী' এটা কথা কবিতা। গদ্যত লিখা কবিতাই হ'ল – কথা-কবিতা। ই উনবিংশ শতাব্দীৰ সৃষ্টি। ৰুচিয়াৰ প্ৰখ্যাত লেখক ইবান টুৰ্গেনেভে জীৱনৰ বিয়লি বেলা ৰাজহাড়ৰ দুৰাৰোগ্য ৰোগত ভুগি থকা কালতেই আচহুৱা অনুভুতিৰে পৰিপূৰ্ণ কথা-কবিতাৰ (Poems in Prose ) সংকলন এটি প্ৰকাশ কৰি উলিয়ায়। সংকলনটিৰ নাম 'চনেলিয়া'। কথা-কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে ড০ বাণীকান্ত কাকতিয়ে 'কথা-কবিতা'ৰ পাতনিত লিখিছে –

"কবিতা বাঙ্ময় গীত, গীতৰ স্পন্দন ছন্দৰ হেন্দোলনিত পোৱা যায়। কিন্তু কবিতা বাঙ্ময় চিত্ৰও হ'ব পাৰে। ছন্দৰ সহায় নহ'লেও চিত্ৰক ভাষাময় কৰি তুলিব পাৰি। কিন্তু ছন্দোময়ী কবিতাৰ প্ৰাথমিক উদ্দেশ্য ধ্বনি, চিত্ৰ নহয়; চিত্ৰ আনুসংগিক হ'ব পাৰে। কথা-কবিতাৰ প্ৰাথমিক উদ্দেশ্য চিত্ৰ, ইয়াৰ ধ্বনি ভাষাৰ ব্যঞ্জনা মাথোন। ছন্দোময়ী কবিতাৰ প্ৰধান লক্ষ্য গীত বা শ্ৰব্য বিষয়ক মূৰ্ত কৰি তোলা। কথা-কবিতাৰ লক্ষ্য হৈছে ৰূপ বা দৃশ্য বস্তুত সজীৱতা আৰোপ কৰা। কথা-কবিতাত এটি মাথোন কেন্দ্ৰস্থ ভাব থাকে আৰু সেই ভাবক ডাঙৰ-সৰু কেতবোৰ তলতীয়া চিত্ৰেৰে সজীৱ কৰি তোলা হয়। কিন্তু এইটো মনত ৰাখিবলগীয়া যে কথা কবিতা আৰু কবিত্বময়ী কথা একে নহয়। কথা-কবিতা এবিধ কবিতাই, কিন্তু কবিত্বময়ী কথা লিখাৰ ভংগী বা ভাষাৰ ৰীতি মাথোন।

কথা-কবিতাত ৰূপৰ সমাবেশ থাকে আৰু ই প্ৰায়েই ৰূপকাত্মক। প্ৰত্যেকটো চিত্ৰৰ আঁৰতেই ওৰণি লোৱা ভাব একোটা থাকে।" ('কথা-কবিতা'ৰ পাতনি)

'কেতেকী' কথা-কবিতাটো পঢ়িবলৈ দিয়াৰ উদ্দেশ্য হ'ল —

•

- অসমীয়া সাহিত্যত নোহোৱা নোপোজা সম্পদ কথা-কবিতাৰ স্বৰূপ উপলব্ধি কৰা।
- উদাৰ প্ৰকৃতিয়ে সদায় সহনশীলা আৰু স্বাৰ্থপৰ মানুহক যে প্ৰকৃতিয়ে সৰ্বদা সহায়ৰ হাত আগবঢ়ায়, -- এই তত্ত্ব উপলব্ধিৰ সুযোগ দিয়া।

## 15.2 লেখক পৰিচিতি

'বনফুল'ৰ কবি যতীন্দ্ৰ নাথ দুৱৰাৰ বিষয়ে এই খণ্ডৰ ৮নং গোটত থকা 'জীৱন জেউতি' কবিতাত সবিশেষ আছে। সেই লেখাখিনি চাই লবা।

## 15.3 মূল পাঠ

### 15.3.1 মুদ্ৰিত প্ৰতিলিপিৰ প্ৰথম ভাগ

'মই কেতেকী', 'মই কেতেকী' বুলি গোটেই জগততে উলাহৰ জাননী দি ৰঙৰ সোঁত বোৱাই গছে গছে চৰাইজনী উৰি ফুৰে। কি জহ কি জাৰ সকলো সময়তে তাইৰ আনন্দৰ ধ্বনি শুনিবলৈ পোৱা যায়। তাইৰ মাতত জাৰৰ কুঁৱলী বা বিষাদৰ কালিমাৰ আভাস নাই। অসীম সৌন্দৰ্য্যৰ আধাৰ, ৰূপ-ৰস-গন্ধেৰে ভৰা এই ধৰাখনিৰ আনন্দৰ শেষ কণাটিও তাই যেন প্ৰাণে প্ৰাণে উপভোগ কৰি যাব। সচাঁকৈয়ে তাই এটি উলাহৰ জেউতি, আনন্দৰ সপোন।

আজি কেবা দিনো হ'ল, ৰজাৰ কোঁৱৰৰ মুখখনি বিষাদৰ ছাঁই আবৰি ধৰিছে। তেওঁৰ মুখত সদায় লাগি থকা হাঁহি আৰু আগৰ ৰাং-ঢালী ভাৱ নাই। তেওঁ অকলে অকলে বেজাৰ মনেৰে ঘুৰি ফুৰে, কাৰো লগত কথা নকয় - -কথা কোৱা দূৰত থাওক, মানুহ দেখিলেও আঁতৰি যায় -- কোনোৱে একো সুধিবলৈ সাহ নকৰে। ৰজাৰ মনতো শান্তি নাই -- ৰাজ্যৰ ৰং-ধেমালিও আঁতৰি গৈছে। ৰজাৰ একেটি কোঁৱৰৰ জীৱনৰ-সংগিনী আজি মৃত্যু- শয্যাত। বেমাৰ ভাল হওক ছাৰি দিনে দিনে বেয়াৰ ফালেহে ঢাল লৈছে। বহুত দেশৰ ভাল ভাল বেজ আহিও বেমাৰ ধৰিব পৰা নাই। দৰৱেও একো গুণ দিয়া নাই।

সেইদিনাখন পুৱা ৰজাৰ ঘাইজন বেজে কোঁৱৰক মাতি নি কলে, -

শব্দাৰ্থ ঃ

ৰঙৰ = আনন্দৰ।
জহ = গ্ৰীষ্ম, তাপ।
বিষাদ = বেজাৰ, অসন্তোষ।
কালিমা = মলিনতা।
ৰূপ = সৌন্দৰ্য্য।
গন্ধ = গোন্ধ।
উলাহ = আনন্দ-উছাহ।
ৰাংঢালী = ৰঙিয়াল।
জীৱন-সংগিনী = ঘৈনীয়েক।
দৰৱ = ঔষধ; অথলে = বিফলে।
কেতেকী = এবিধ সৰু বসন্ত কালত ওলোৱা চৰাই, দীঘল কাঁইটীয়া পাতেৰে বাৰীৰ ঢাপত হোৱা সুগন্ধি ফুল যুক্ত এবিধ গছ।
ৰেণু = ফুলৰ পৰাগ।

- "বোপা, আজি বেমাৰ বৰ টান। আমাৰ দৰৱ-পাতি সকলো অথলে গ'ল। আজি ৰাতিটো কথমপি টানিলেও কাইলৈ পুৱালৈকে টানিব পাৰে নে নোৱাৰে সন্দেহ। উপায় নাই বুলিলেই হয় -- যদিও এটা আছে, সেইটোও একেবাৰে অসম্ভৱ।" "কি উপায়, মোক কওক, মই শেষবাৰ চেষ্টা কৰি চাওঁ।" বুলি কোঁৱৰে বেজৰ হাতত ধৰি কান্দিবলৈ ধৰিলে। "বোপা, সেই উপায় হৈছে কেতেকী ফুলৰ ৰেণু, যদি নতুনকৈ ফুলা কেতেকী ফুলৰ ৰেণু আনি কুঁৱৰীৰ গাত সানি দিয়া যায়, তেতিয়া হ'লে কুঁৱৰীৰ বেমাৰ ভাল হ'ব। কিন্তু এই জাৰকালি তুমি কেতেকী ফুল ক'ত পাবা? সেই দেখিহে কৈছোঁ-- উপায় একেবাৰে অসম্ভৱ।" এই বুলি বেজ বেজাৰতে নিমাত থাকিল।

## 15.3.2 আলোচনা

'বনফুল'ৰ কবি দুৰ্গাৰাব 'কেতেকী' কথা-কবিতাটো মুকলি কৰা হৈছে -- কেতেকী চৰাইজনীৰ অনাবিল সৌন্দৰ্য্য আৰু অফুৰন্ত উলাহৰ বৰ্ণনাৰে। জাৰ-জহ সকলো কালতে কেতেকীৰ সুৰীয়া কণ্ঠত শুনিবলৈ পোৱা যায় -- আনন্দৰ ধ্বনি। জাৰৰ কুঁৱলী অথবা বিষাদৰ কালিমাৰ আভাস তাইৰ সুৰত ধৰা নপৰে। ৰূপ-ৰস-গোন্ধৰে ভৰা এই সৌন্দৰ্য্য খচিত পৃথিৱীৰ আনন্দৰ অন্তিম কণাটিও তাই প্ৰাণেৰে উপভোগ কৰাত ব্যস্ত। তাই সঁচাকৈয়ে এটি উলাহৰ জেউতি, ৰঙৰ অন্তহীন সপোন।

প্ৰকৃতিৰ উলাহত ছবিখনিৰ বিপৰীত ফালে আছে-- মানৱ সমাজৰ বিষাদ ঘন ছবি এখনি। ৰাজকোঁৱৰৰ মন বিষাদত মৰা। তেওঁৰ মুখত হাঁহিৰ ৰেখা নাই। ৰাংঢালী ভাৰ মোলান পৰি গৈছে। কাৰণ, তেওঁৰ জীৱন সংগিনী আজি মৃত্যু শয্যাত। মৃত্যুৰ সৈতে কৰা অহৰহ সংগ্ৰামত যেন কুঁৱৰী আজি পৰাজিতা নায়িকা। কঠিন বেমাৰ। দেশৰ কেউপিনৰপৰা বেজ আহিছে, দৰৱ খুৱাইছে কিন্তু কুঁৱৰী ভালৰ পিনে অহা দূৰ'ৰ কথা, ক্ষণে ক্ষণে বেয়াৰ ফালেহে ঢাল খাইছে। ৰাতিপুৱাতে ঘাই বেজজনে কোঁৱৰক মাতি নি জনালে যে তেওঁৰ সহধৰ্মিনী ৰাতিটো বাচি থাকিলেও পুৱালৈ মৃত্যুৱে গ্ৰাস কৰি পেলাব। কুঁৱৰীক বচোৱাৰ এটা মাত্ৰ উপায় আছে -- নতুনকৈ ফুলা কেতেকী ফুলৰ ৰেণু কুঁৱৰীৰ গাত সানি দিয়া। পিছে তেতিয়া প্ৰৱল শীত। শীতত কেতেকী ফুল পাব ক'ত? সেইবাবেই ঘাইজনা বেজে কুঁৱৰীক বচোৱাটো অসম্ভৱ বুলি মন্তব্য দিছে। 'কেতেকী' কথা-কবিতাটোৰ কাহিনী এনেদৰেই হৰ্ষ-বিষাদৰ মাজেদি আগবাঢ়িছে। বৰ্ণনাৰ সৰলতা মন কৰিবলগীয়া।

## 15.3.3 প্ৰথম পাঠ ভাগৰ প্ৰশ্নাৱলী

(১) 'কেতেকী' কথা-কবিতাটো কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে?

(২) কেতেকী চৰাইজনী ক'ত উৰি ফুৰে?

(৩) কেতেকীৰ মাতত কিহৰ আভাস নাই?

(৪) কবিয়ে কেতেকীক কিহৰ চিত্ৰ বুলি বৰ্ণনা কৰিছে?

(৫) কোঁৱৰৰ মুখখনি বিষাদৰ ছাঁই আৱৰি থকাৰ কাৰণ কি?

(৬) কুঁৱৰীক আৰোগ্য কৰিবৰ বাবে থকা উপায়টো বেজে কি বুলি বৰ্ণনা কৰিছিল?

## 15.3.4 মুদ্ৰিত প্ৰতিলিপিৰ দ্বিতীয় ভাগ

কোঁৱৰৰ মূৰতো চৰগ ভাগি পৰিল -- হায়ঙ্গ যিটো উপায়ৰ কথা ক'লে, সি একেবাৰে অসম্ভৱঙ্গ তেওঁৰ জীৱনৰ সুখ-শান্তি -- ইমানতে সকলো শেষ। তেওঁ এখুজি দুখুজি কৰি আগ বাঢ়িবলৈ ধৰিলে -- ক'লৈ যাব কঁব নোৱাৰে, লক্ষ্যহীন। গৈ গৈ নৈৰ পাৰতে বহিল গৈ। কুঁৱলী ভাঙি জাৰকালিৰ মিঠা ৰ'দ ওলাই আহিছে -- গছৰ পাতৰ আগে আগে সূৰুযৰ কিৰণ চিকমিকাব লাগিছে। উলাহতে কেতেকী চৰাইজনীয়ে গছৰ ইটো ডালৰপৰা সিটো ডালত পৰি মাতি ফুৰিছে। তেনেদৰে উৰি ফুৰোঁতে তাই এবাৰ তললৈ চাই দেখিলে যে কোনোবা এজনে বেজাৰতে তলমূৰ কৰি নৈৰ পাৰত বহি আছে। অলপ পৰৰ পিছতে তেওঁক কোঁৱৰ বুলি তাই চিনিব পাৰিলে। চৰাইজনীৰ মনত বৰ বেজাৰ লাগিল। তাই আজি কেবাদিনো তেওঁক এইদৰে বেজাৰ কৰি ফুৰা দেখিছে। আৰু মুখলৈ চাই, আজি যে তেওঁৰ বেজাৰ বৰ বেছি, সেইটো তাই বুজিব পাৰিলে। তাই কেবাবাৰো কোঁৱৰক মাতি মুখৰ মাত নাপালে। আকৌ এবাৰ ক'লে; কোঁৱৰ, তোমাৰ কি হৈছে, মোক কোৱা।" কোঁৱৰে এইবাৰ মূৰ তুলি ওপৰলৈ চাই দেখিলে যে তেওঁৰ সেই চিনাকি কেতেকী চৰাইজনী। তেওঁ তেতিয়া ক'লে, "মোৰ সৰ্বনাশ হ'ল। মোৰ জীৱনৰ সুখ-শান্তি সকলো আঁতৰিল -- মোৰ আৰু জীৱনৰ সকাম কি? কাইলৈ পুৱা সকলো শেষ।" এই বুলি আকৌ তলমূৰ কৰি তেওঁ মনে মনে থাকিল।

কেতেকীয়ে আকৌ ক'লে -- "মোক বুজাই কোৱা, মই একো বুজিব পৰা নাই।" কোঁৱৰে মাত লগালে -- "বনৰ চৰাই, বনে বনে চিঞৰি ফুৰ, তই মানুহৰ মনৰ ভাৱ কি বুজিবি?"

"হ'ব পাৰো বনৰ চৰাই, কিন্তু সকলোৰে সুখ-দুখ বুজিব পৰা ক্ষমতা ঈশ্বৰে আমাকো দিছে। কি হ'ল তোমাৰ মোক কোৱা।' এই বুলি নেৰানেপেৰাকৈ ধৰাত কোঁৱৰে তেতিয়া গোটেই খিনি কথা কান্দি কান্দি তাইৰ আগত ক'লে।

বহুত পৰ টলকা মাৰি থাকি শেহত চৰাইজনীয়ে ক'লে – "কোঁৱৰ, আজি ৰাতিয়েই তোমাক মই কেতেকী ফুল দিম, তুমি বেজাৰ নকৰিবা।" কোঁৱৰে অবিশ্বাসেৰে মূৰ জোকাৰি ক'লে– "মিছা কথা, মিছাকৈয়ে মনক বুজনি দিয়াত কি লাভ?" অসম্ভৱ কেতিয়াও সম্ভৱ নহয়।"

"মই অসম্ভৱক সম্ভৱ কৰিম -- লগে লগে মোৰ প্ৰাণো দিম। আজি ৰাতি খাই বৈ তুমি ইয়ালৈ আহিবা। মই তোমাক সৌ হাবিখনৰ মাজত থকা কেতেকী ফুলজোপাৰ ওচৰলৈ লৈ যাম। তাৰ পাতৰ মাজত বহি কাঁইটেৰে মোৰ বুকু ফুটাই গোটেই ৰাতি গান গাই থাকিম – আৰু শেহ নিশা দেখিবা যে পাতৰ মাজতে এটি কেতেকী ফুল নতুনকৈ ফুলি উঠিব আৰু লগে লগে মোৰ দেহটিও ঢাল খাই মাটিত বাগৰি পৰিব। তুমি সেই ফুল লৈ গৈ তাৰ ৰেণু কুঁৱৰীৰ গাত সানি দিবা। তেওঁৰ গা ভাল হ'ব।"

"তোমাৰ কি হ'ব?– তোমাৰ প্ৰাণ লৈ মোক ফুল নালাগে – মোৰ যি হয়, হক,-- আগেয়ে কোৱা, তোমাৰ প্ৰাণ বচাঁবৰ কিবা উপায় আছে নে নাই?" " আছে, কিন্তু তুমি নোৱাৰিবা বা তোমাৰ সময় হৈ নুঠিবও পাৰে।" "মিছা কথা। মোৰ প্ৰাণ দিও তোমাৰ প্ৰাণ ৰখাম যদিহে মই জানিব পাৰোঁ।" কেতেকীয়ে সুহৰি এটি মাৰি ক'লে -- "সিমান দূৰলৈ যাব নালাগে। যেতিয়া মোৰ গাটো ঢাল খাই মাটিত বাগৰি পৰিব, তেতিয়া যদি তুমি মোক বুকুৰ মাজত লৈ তোমাৰ বুকুৰ উমেৰে মোৰ গা তপত কৰি আৰু মোৰ মুখত মুখ দি তোমাৰ ওঁঠৰ তপত উশাহৰ স্পৰ্শ দিয়া, তেনেহলে তেতিয়াই মোৰ প্ৰাণৰ স্পন্দন হ'ব – মই আকৌ সজীৱ হৈ উঠিম-- লাগে মাথোন অন্তৰ আৰু হৃদয়ৰ ভাব আৰু ভালপোৱা। কিন্তু যোৱা, ৰাতিলৈ আহিবা। সকলো ঠিক হৈ যাব।" এই বুলি কৈয়েই চৰাইজনী তাৰপৰা উৰি গ'ল। কোঁৱৰে বহুত পৰ তাতে অকলে বহি থাকি লাহে লাহে ঘৰ মুৱা হ'ল। তেওঁৰ মুখত বিশ্বাস আৰু অবিশ্বাসৰ ছাঁৰ সান মিহলি- অন্তৰত আশা-নিৰাশাৰ হেন্দোলনি।

**শব্দাৰ্থ :**

চৰগ = স্বৰ্গ।

সূৰুযৰ = সূৰ্য্যৰ।

চিক্‌মিক = তিৰবিৰ।

নেৰানেপেৰাকৈ = বিৰামবিহীন ভাবে।

টলকা মাৰি থাকি = মনে মনে থাকি।

স্পন্দন = মৃদুকঁপনি।

হেন্দোলনি = আলোড়ন।

## 15.3.5 আলোচনা

'কেতেকী'ৰ আলোচনা কৰিবলৈ লোৱা দ্বিতীয় খাওটোত আসন্ন বিয়োগৰ আশংকাত আকণ্ঠ নিমজ্জিত কোঁৱৰৰ মৰ্মবেদনা, লোকৰ দুখত দুখী প্ৰকৃতিৰ চাক্ষুস প্ৰতিমা কেতেকীৰ সহানুভূতি আৰু জীৱশ্ৰেষ্ঠ মানৱৰ প্ৰতিনিধি ৰাজকোঁৱৰৰ প্ৰত্যুৎপকাৰ কৰাৰ মিছা প্ৰতিশ্ৰুতিৰ সজীৱ চিত্ৰ প্ৰকাশ পাইছে।

ঘাই বেজৰ কথাশুনি কোঁৱৰৰ মুৰত আকাশী চৰগ ভাগি পৰিল। এখুজি দুখুজি কৰি তেওঁ লক্ষ্য ভ্ৰষ্ট ভাৱে আগবাঢ়িল। গৈ গৈ নদীৰ পাৰ পালেগৈ। পুৱাৰ কাল। জাৰৰ কুঁৱলী ভাঙি সূৰুযে দেখা দিছে — উলাহৰ গীত গাই কেতেকীজনীয়ে তাত গছৰ ডালে পাতে নাচি ফুৰিছে। এনেতে তাইৰ চকু পৰিল – পানীৰ ঘাটত দুখ মনে বহি থকা কোঁৱৰৰ ওপৰত। কেবাদিনো তাই দুখমনে বহি থকা কোঁৱৰক দেখা পাইছে। চৰাইজনীয়ে উপযাচি কোঁৱৰৰ মনৰ দুখৰ কথা শুনিলে। কেবাবাৰো সুধিও কোঁৱৰৰ পৰা কোনো উত্তৰ নাপালে। অৱশেষত আকৌ কোঁৱৰক সোধাত তেওঁ নিজৰ জীৱনৰ দুখৰ কাহিনী বৰ্ণনা কৰিলে। চৰাইজনীয়ে তেতিয়া তেওঁক দুখ নকৰিবলৈ কৈ জনালে যে ৰাতিৰ ভিতৰতে তাই কেতেকী ফুল ফুলাই দিব। অবিশ্বাস মিহলি কণ্ঠেৰে ৰাজকুমাৰে তেতিয়া উত্তৰত কৈছিল যে মিছাকৈয়ে মনক বুজনি দি কোনো লাভ নাই। অসম্ভৱ অসম্ভৱেই। স্বাৰ্থহীনা প্ৰকৃতিয়ে পিছে অসম্ভৱকো সম্ভৱ কৰিবলৈ সমৰ্থ। সেইবাবেই কেতেকীয়ে দৃঢ়ভাৱে উত্তৰ দিবলৈ সমৰ্থ হৈছিল ঃ 'মই অসম্ভৱক সম্ভৱ কৰিম। লাগিলে মোৰ প্ৰাণো দিম।' কেতেকীজনীয়ে কোঁৱৰক কৈছিল যে তাই কোঁৱৰক হাবিৰ মাজত থকা কেতেকী ফুলজোপাৰ ওচৰলৈ লৈ যাব আৰু কেতেকীৰ কাঁইটীয়া পাতৰ মাজত বহি তাই কাঁইটেৰে নিজৰ বুকুখনি ফুটাই ওৰে নিশা গান গাব আৰু পুৱাৰ লগে লগে ফুলি উঠিব তেওঁ বিচৰা ফুলপাহ। অৱশ্যে লগে লগে চৰাইজনীৰ দেহ স্পন্দনহীন হৈ মাটিত বাগৰি পৰিব। হ'লেও ফুলি উঠা কেতেকীৰ ৰেণু কুঁৱৰীৰ গাত সানি দিলে তেওঁৰ অসুখ ভাল হ'ব।

মুহূৰ্তৰ বাবে ভাল মানুহৰ দৰে কোঁৱৰে উত্তৰ দিছিল যে কেতেকীৰ প্ৰাণ লৈ তেওঁৰ প্ৰাণপ্ৰিয়াক পুনৰ্জীৱন দিয়াৰ তেওঁ পক্ষপাতী নহয়। লগে লগে জানিবলৈ উদগ্ৰীৱ হৈছিল --- কেতেকীৰ প্ৰাণ বচোৱাৰ কিবা উপায় আছে নে নাইঙ্গ কেতেকীয়ে সৰলতাৰেই কৈছিল যে তাইক বচোৱাৰ উপায় থাকিলেও কোঁৱৰে তাক কৰিবলৈ সময় উলিয়াব নোৱাৰিব। কোঁৱৰে নভবা নিচিন্তাকৈ প্ৰতিশ্ৰুতি দি ক'লে যে উপায় জানিব পাৰিলে তেওঁ নিজৰ প্ৰাণ বিসৰ্জন দি হ'লেও কেতেকীক বচাব। কেতেকীয়ে তেতিয়া জনালে যে তাইক বচাবলৈ কোঁৱৰে প্ৰাণ দিয়াৰ প্ৰয়োজন নাই। তাই বাগৰি পৰাৰ পিছত কোঁৱৰে যদি তেওঁৰ বুকুৰ মাজত চৰাইজনীক সাৱটি ধৰি গাত উম দিয়ে, মুখতে মুখ লগাই ওঁঠৰ পৰশ দিয়ে, তেনেহলে তাই পুনৰ জী উঠিব। সেইদিনা ৰাতি কোঁৱৰক আহিবলৈ কৈ চৰাইজনী উৰি গুচি গ'ল।

ইফালে কোঁৱৰৰ মুখত বিশ্বাস আৰু অবিশ্বাসৰ সান-মিহলি ভাৱ ফুটি উঠিল। কোঁৱৰৰ চৰিত্ৰৰ যোগেদি কাকো অন্তৰেৰে বিশ্বাস কৰিব নোৱাৰা মানৱ চৰিত্ৰৰ উপেক্ষা কৰিব নোৱাৰা দিশটো প্ৰকাশ পোৱা বুলিব পাৰি।

## 15.3.6 দ্বিতীয় পাঠভাগৰ চমু প্ৰশ্নাৱলী

(৭) কোঁৱৰৰ মূৰত চৰগ ভাগি পৰাৰ কাৰণ কি?

(৮) কোঁৱৰে মাজে মাজে গৈ ক'ত বহিছিল?

(৯) 'কাইলৈ পুৱা সকলো শেষ' — উক্তিটো কাৰ?

(১০) "তই মানুহৰ মনৰ ভাব কি বুজিবি' – কোনে কাক, কেতিয়া কৈছিল?

(১১) জাৰকালি কেতেকী ফুল ফুলাবলৈ চৰাইজনীয়ে কি কৰাৰ কথা কৈছিল?

(১২) কেতেকীৰ নিস্পন্দ দেহত প্ৰাণৰ স্পন্দন আনিবলৈ কিহৰ প্ৰয়োজন বুলি চৰাইজনীয়ে কৈছিল?

## 15.3.7 মুদ্ৰিত প্ৰতিলিপিৰ তৃতীয় ভাগ

জাৰকালি আন্ধাৰ ৰাতি, কুঁৱলীৰে বাট নেদেখাৰ দৰেই – অইন কি আকাশকো যেন কুঁৱলীয়ে ঢাকি পেলাইছে। কোঁৱৰ আহি নৈৰ পাৰ পালেহি। চৰাইজনী গছতেই আছিল। তেওঁক অহা দেখি তাই কলে – "বলা আমি এই সৰু বাটটোৰেদি হাবিৰ মাজলৈ সোমাই যাওঁ।" কোঁৱৰ আৰু চৰাইজনী অৱশেহত হাবিৰ মাজৰ কেতেকী ফুল জোপাৰ ওচৰ পালেগৈ। চৰাইজনীয়ে তেওঁক গছ এজোপাৰ তলতে বহিবলৈ কৈ নিজে কেতেকীৰ কাঁইটীয়া পাতৰ মাজত বহি মাতিবলৈ ধৰিলে। কাঁইটেৰে বুকু ফুটি গৈছে, পাতৰ আগেদি টোপাটোপে তেজ পৰিব লাগিছে – কিন্তু মাতৰ বিৰাম নাই। কোঁৱৰে চৰাইজনীলৈ একেথিৰে চাই গছৰ তলতে বহি আছে।

কত পৰ যে এনেকৈয়ে গ'ল, কোনোৱে কব নোৱাৰে। মাজ নিশাও পাৰ হ'ল। এনেতে কোঁৱৰে দেখে যে কুঁৱলী লাহে লাহে আঁতৰি গ'ল, আকাশত জোনে দেখা দিলে। আন্ধাৰ হাবি পোহৰত ফট্‌ফটীয়া হ'ল। গছ-লতা, পশু-পক্ষী সকলোৱে যেন টোপনিৰ পৰা সাৰ পাই উঠিল। পুৰণি পাতৰ ঠাইত গছত নতুন পাতে দেখা দিলে, জাৰ আঁতৰি জুৰ বতাহ বৰলৈ ধৰিলে। চৰাইবোৰেও আনন্দতে কুৰুলিয়াই উঠিল। গাঁতৰপৰা সাপো ওলাই আহি ফুলজোপাৰ চাৰিওফালে পাক মাৰি গ'লহি। এটি উলাহৰ ভাব যেন হাবিখনৰ চাৰিওফালে বিয়পি পৰিল। জাৰৰ অন্তত যেন বসন্ত আহিল।

কেতেকীৰ গান মাৰ যোৱা নাই, কিন্তু মাত লাহে লাহে সৰু হৈ আহিছে।

শব্দাৰ্থ :
টোপাটোপে = টোপাল টোপাল কৈ।
বিৰাম = জিৰণি।
ফটফটীয়া = ফৰকাল, স্পষ্ট, পোহৰ।
কুৰুলিয়াই = চৰাইৰ সুহুৰি, কুৰুলি দি;

ক্ষীণ সুৰেৰে এবাৰ ক'লে — "অলপতে ফুল ফুলিব, কোঁৱৰ, ভয় নাই।" -- আকৌ তাই মাতিবলৈ ধৰিলে। লাহে লাহে মাত নোহোবাৰ দৰে হ'ল মাথোন কোনো মতে শেহবাৰলৈ ক'লে -- "ফুল ফুলিল, মোৰ শেষ -- কোঁৱৰ বি--দা--য়---" পাতৰ মাজত ফুল ফুলি উঠিল। কেতেকীৰ দেহা মাটিত ঢাল খাই পৰিল।........ কোঁৱৰে আনন্দত বলিয়া হৈ একে জাপে গৈ পাতৰ মাজৰ পৰা ফুলটো কাটি আনি বেগাবেগীকৈ ঘৰুমুৱা হ'ল---- কেতেকীৰ দেহা তাতে পৰি থাকিল। ক'ৰবাৰ পৰা এচপৰা ক'লা ডাৱৰ আহি আকাশখন ঢাকি পেলালেহি। হাবিৰ মাজত এটি বিষাদৰ সুৰ বাজি উঠিল। ফুলজোপা হাউলি পৰি কেতেকীৰ দেহাটিক আবৰি ধৰিলে। বতাহে তলৰ শুকান পাতবোৰ নি তাত গোটাই দিলে গৈ, চৰাইবোৰ বেজাৰত চিঞৰি উঠিল। গছৰ পাতৰ আগৰপৰা নিয়ৰৰ টোপাবোৰ সৰিবলৈ ধৰিলে। সাপটোও খঙত মুৰ জোকাৰি জোকাৰি চাৰিওফালে ঘূৰি শেহত বেজাৰত গাতত সোমাল গৈ। পোহৰ পলাল। আকৌ আগৰ দৰে আন্ধাৰ আৰু কুঁৱলীয়ে হাবিখন ঢাকি পেলালে। ক্ষন্তেকীয়া সুখৰ ছায়াবাজীত বেজাৰৰ ক'লা ঢাকনি পৰিলহি।........

সেইদিনা পুৱা ৰাজ-কাৰেঙত আনন্দৰ খলকনি উঠিল। সুখৰ জেউতি বিৰিঙি পৰিল — ৰাজ্যত আকৌ আগৰদৰে উলাহৰ সোঁত বৈ গ'ল।

## 15.3.8 আলোচনা

'কেতেকী' কথা কবিতাটোৰ এই অংশত আছে ঃ জাৰকালিৰ কুঁৱলীয়ে ঢকা আন্ধাৰ ৰাতি কোঁৱৰ গৈ নদীৰপাৰ পাইছেগৈ। কেতেকীয়ে কোঁৱৰক লগত লৈ হাবিৰ মাজত থকা কাঁইটীয়া জোপাত বহি গীতৰ সুৰ ধৰিছে। কাঁইটেৰে তাইৰ বুকু ফুটি গৈছে, কিন্তু তালৈ তাইৰ ভ্ৰূক্ষেপ নাই। চৰাইজনী বিৰামবিহীন ভাৱে গীত গোৱাত ব্যস্ত। এনেকৈ কিমান সময় অতিবাহিত হ'ল -- তাৰ লেখ নাই। গছ-জোপাৰ কাষত আমনজিমনকৈ বহি আছে-- কোঁৱৰ। লাহে লাহে জাৰৰ কুঁৱলী আঁতৰি গ'ল। আকাশত জোনে দেখা দিলে। আন্ধাৰ গুচিল, পোহৰ আহিল। পুৰণি গছৰ ডালত ন কুঁহিপাতে দেখা দিলে। জুৰ মলয়া ববলৈ আৰম্ভ কৰিলে। চৰাইবোৰ আনন্দতে কুৰুলিয়াই উঠিল। গাঁতৰ পৰা সাপ ওলাই আহি কেতেকী জোপাৰ চাৰিওফালে এপাক মাৰি গ'ল। অকাল বসন্তৰ সমাগমত চাৰিওফালে এটি উলাহৰ সোঁত বৈ গ'ল।

কেতেকীৰ মাত সৰু হৈ আহিল। অৱশেষত কেতেকী ফুল ফুলিল -- কিন্তু চৰাইজনী মাটিত ঢাল খাই পৰিল। ফুল ফুলা দেখি কোঁৱৰ আনন্দতে উৰুলিকৃত হৈ ফুলপাহ লৈ ল'ৰালৰিকৈ ঘৰমুৱা হ'ল। নিজৰ প্ৰাণ পৰ্য্যন্ত উৎসৰ্গা কৰিবলৈ উদ্যত হোৱা কোঁৱৰে নিজৰ স্বাৰ্থ পূৰণ হোৱাৰ লগে লগে চৰাইজনীৰ কথা পাহৰি গ'ল। বুকুৰ উমেৰে কেতেকীৰ প্ৰাণ স্পন্দন কৰা

দুৰৈৰ কথা, তাইলৈ ঘূৰি চোৱাৰে সময় নহ'ল। কেতেকী ফুলৰ ৰেণু সানি দিয়াত কুঁৱৰী উঠি বহিল -- ৰাজ্যজুৰি উলাহৰ সোঁত বৈ গ'ল। আনহাতে প্ৰকৃতি ৰাজ্যত হাহাকাৰৰ ধ্বনি উঠিল। প্ৰকৃতি জগতত এটাই আনটোৰ দুখত সমভাগী হয় বাবেই মাটিত বাগৰি পৰা কেতেকীৰ দেহটো কেতেকী জোপাই আবৰি ধৰিলে, বতাহে তলৰ শুকান পাতবোৰ নি তাত গোটাই দিলে। চৰাইবোৰে বেজাৰতে বিনালে। গছৰ পাতৰ আগৰপৰা নিয়ৰৰ টোপালবোৰ সৰিবলৈ আৰম্ভ কৰিলে। পোহৰ নাইকিয়া হ'ল -- অন্ধকাৰ আৰু কুঁৱলীয়ে হাবিখন ঢাকি ধৰিলে। প্ৰকৃতি স্বাৰ্থহীন -- মানুহ সদায় স্বাৰ্থপৰ। স্বাৰ্থপৰ বাবে মানুহে কৰিব নোৱাৰা কাম একো নাই --- 'কেতেকী' কথা-কবিতাটোৰ মাজেদি এই তত্ত্বটোৱে প্ৰকাশ পাইছে।

## 15.3.9 তৃতীয় পাঠভাগৰ প্ৰশ্নাৱলী

(১৩) কুঁৱলীয়ে ঢকা আন্ধাৰ ৰাতি কোঁৱৰ ক'লৈ গৈছিল?

(১৪) 'মোৰ শেষ-- কোঁৱৰ বিদায়' -- এই উক্তিটো কাৰ?

(১৫) কেতেকী ফুল ফুলাৰ পিছত কোঁৱৰে কি কৰিছিল?

(১৬) কেতেকী চৰাইজনী মাটিত ঢলি পৰাৰ পিছত প্ৰকৃতিয়ে কেনেদৰে সমবেদনা জ্ঞাপন কৰিছিল?

## 15.4 মূলপাঠৰ সাৰাংশ

জাৰ-জহ সকলো সময়তে উলাহৰ গান-গাই কেতেকী চৰাইজনী উৰি ফুৰে। তাই এটি উলাহৰ জেউতি, আনন্দৰ সপোন। ইফালে ৰাজকোঁৱৰৰ মনত বৰ দুখ। তেওঁৰ জীৱন সংগিনী মৃত্যু শয্যাত। বহু বেজ আহিল, কিন্তু দৰবে একো কাম দিয়া নাই। অৱশেষত ঘাই বেজ জনাই জনালে যে কেতেকী ফুলৰ ৰেণু গাত সানি দিলেহে কুঁৱৰী উঠি বহিব। পিছে ভৰ শীতকালি কেতেকী ফুল পাবলৈ টান। কেবাদিনো জুৰি ৰাজকুমাৰ নৈৰপাৰত আমন-জিমনকৈ বহি থাকে। কেতেকী চৰাইজনীয়ে উপযাচি কোঁৱৰৰ মনৰ দুখৰ কাৰণ সুধি কেতেকী ফুল ফুলাই দিবলৈ গাত ল'লে। অৱশ্যে কেতেকী ফুল ফুলাই দিয়াৰ পিছত চৰাইজনীৰ প্ৰাণ পখী উৰি যাব। এজনৰ প্ৰাণৰ বিনিময়ত কোঁৱৰে ফুল ল'বলৈ অসন্মতি প্ৰকাশ কৰি চৰাইজনীক পুনৰ্জীৱন দিয়াৰ কিবা উপায় আছে নেকি, তাক জানি ল'লে। মাটিত ঢাল খাই পৰাৰ পিছত কোঁৱৰে তাইক বুকুৰ উম দি মুখত মুখ লগাই চুমা খালেই তাইৰ প্ৰাণস্পন্দন হ'ব। স্বাৰ্থহীনা কেতেকীজনীয়ে প্ৰতিদানৰ কোনো আশা নকৰি কোঁৱৰক হাবিলৈ লৈ গ'ল আৰু কাঁইটীয়া পাতেৰে নিজৰ বুকুখনি ফুটাই ওৰে নিশা গীত গাই গাই অকালতে কেতেকীফুল

ফুলাই দি প্ৰাণ এৰিলে। ফুলপাহ পোৱাৰ লগে লগে কোঁৱৰে চৰাইজনীৰ কথা এবাৰো মনলৈ নানি কাৰেঙৰ ফালে খোজ ল'লে। ৰাজ্যত উলাহৰ সোঁত বৈ গ'ল।

15.5 সাধাৰণ অনুশীলনী

**প্ৰতিটো প্ৰশ্নৰ তিনিটাকৈ বিকল্প দিয়া আছে। শুদ্ধ উত্তৰ বাছি লৈ ✓ চিন দিয়া।**

(১৭) কোঁৱৰৰ মুখখনি বিষাদৰ ছাঁই আৱৰি ধৰিছিল, কাৰণ

ক) তেওঁৰ পিতৃ-মাতৃ শয্যাত।

খ) তেওঁৰ জীৱন সংগিনী মৃত্যু শয্যাত।

গ) তেওঁৰ মাতৃ মৃত্যুশয্যাত।

(১৮) কোঁৱৰৰ জীৱন সংগিনী কেতিয়া অসুখত পৰিছিল?

(ক) বসন্ত কালত।

(খ) শীত কালত।

(গ) গ্ৰীষ্ম কালত।

(১৯) কেতেকী ফুল ফুলাৰ পিছত কেতেকী চৰাইজনীৰ অৱস্থা কি হ'ব?

ক) তাইৰ কণ্ঠ ৰুদ্ধ হ'ব।

খ) তাইৰ দেহা ঢাল খাই মাটিত বাগৰি পৰিব।

গ) তাইৰ আনন্দ উভৈনদী হ'ব।

(২০) আনন্দৰ খলকনি ক'ত উঠিছিল?

ক) কোঁৱৰৰ ঘৰত।

খ) ৰাজ্যত।

গ) নদীৰ বুকুত।

## পাঠ ভিত্তিক মন্তব্যবোৰৰ শুদ্ধ-অশুদ্ধ বিচাৰ কৰা -

(২১) কেতেকী এটা কথা-কবিতা।

(২২) কেতেকী জনীয়ে আনন্দৰ শেষ কণটিও উপভোগ কৰিব বিচাৰে।

(২৩) কেতেকী চৰাইজনীয়ে কোঁৱৰক নৈৰপাৰত দেখা পাইছিল।

(২৪) কেতেকী চৰাইজনীয়ে কেতেকী ফুল ফুলাই দিবলৈ অমান্তি হৈছিল।

(২৫) কেতেকীয়ে গছৰ ডালত বহি গীত গাইছিল।

(২৬) কেতেকী ফুল ফুলাৰ পিছত চৰাইজনী উৰি যায়।

## তলৰ শাৰীবোৰ 'কেতেকী' কথা-কবিতাটোৰ পৰা উদ্ধৃত। প্ৰত্যেকটো শাৰীৰপৰা একোটাকৈ শব্দ উঠাই দিয়া হৈছে। শব্দবোৰ পূৰণ কৰা

(২৭) সচাঁকৈয়ে তাই এটি .................. জেউতি, আনন্দৰ সপোন।

(২৮) কোঁৱৰৰ জীৱন সংগিনী আজি ..............।

(২৯) কিন্তু এই ............ তুমি কেতেকী ফুল ক'ত পাবা?

(৩০) কাইলৈ পুৱা সকলো ................।

(৩১) .............. চৰাই, বনে বনে চিঞৰি ফুৰ।

(৩২) পাতৰ মাজত .............. ফুলি উঠিল।

(৩৩) ৰাজ্যত আকৌ আগৰ দৰে ............. বৈ গ'ল।

## 15.6 বৈয়াকৰণিক অনুশীলনী

### 15.6.1 একে উচ্চাৰণ হোৱা শব্দৰ অৰ্থভেদ

অসমীয়া ভাষাত বানান অনুযায়ী প্ৰায় একে উচ্চাৰণ হোৱা শব্দৰ অৰ্থভেদ পোৱা যায়। অসময় ভাষাৰ এইটো এটা বৈশিষ্ট্য। যেনে –

অটল = থিৰ, অতল = গভীৰ, তলি নোপোৱা

অণু - ক্ষুদ্ৰ, অনু = পিছত।

**তলত কিছুসংখ্যক উচ্চাৰণত সাদৃশ্য থকা ভিন্ন অৰ্থক শব্দ দিয়া হ'ল। সিবোৰৰ অৰ্থ লিখা –**

| | |
|---|---|
| ক) আঁচল, আচল | চ) খাট, খাত |
| খ) কঠা, কথা | ছ) গঁড়, গড় |
| গ) কাণ, কান | জ) টিকা, টীকা |
| ঘ) কাঁহ, কাহ | ঝ) চাল, ছাল |
| ঙ) কেৰাহি, কেৰাহী | ঞ) হাট, হাত |

## একাৰ্থক যুৰীয়া শব্দ —

(৩৫) অসমীয়া ভাষাত কিছুসংখ্যক একাৰ্থক যুৰীয়া শব্দ পোৱা যায়। সিবোৰৰ ব্যৱহাৰে ভাষাটো অধিক প্ৰাণৱন্ত কৰি তোলে। যেনে –

অংগ – প্ৰত্যঙ্গ

আইন - কানুন

তলত কিছু সংখ্যক একাৰ্থক যুৰীয়া শব্দৰ এটাকৈ শব্দ দিয়া হ'ল। আনটো শব্দ লিখা--

| | |
|---|---|
| ক) অভাৱ -- | চ) ঢাক --- |
| খ) আদান -- | ছ) তৰ্জন -- |
| গ) আমোদ -- | জ) জৰা -- |
| ঘ) গেলা – | ঝ) মাথা -- |
| ঙ) খুদ -- | ঞ) স্বভাৱ – |

**15.7** **সৃষ্টিধৰ্মী প্ৰশ্ন**

ক) কথা-কবিতা কাক বোলে? ইয়াৰ ঘাই লক্ষণ কেইটা নিজৰ ভাষাত চমুকৈ লিখা।

খ) 'কেতেকী' কথা-কবিতাটোত থকা কেতেকী আৰু কোঁৱৰৰ চৰিত্ৰ দুটা বিশ্লেষণ কৰা।

গ) 'কেতেকী কথা-কবিতাটোত 'কেতেকী' আৰু কোঁৱৰ' কিহৰ প্ৰতীক বুলি তুমি ভাবা?

ঘ) 'কেতেকী' কথা-কবিতাটোৰ মূল কথা খিনি তোমাৰ ভাষাত লিখা।

## 15.8 চমু প্ৰশ্নৰ উত্তৰ সংকেত

১) 'কথা-কবিতা' শীৰ্ষক গ্ৰন্থৰ পৰা।

২) কেতেকী চৰাইজনী গছে গছে উৰি ফুৰে।

৩) কেতেকীৰ মাতত জাৰৰ কুঁৱলী বা বিষাদৰ কালিমাৰ আভাস নাই।

৪) কবিয়ে কেতেকীক এটি উলাহৰ জেউতি, আনন্দৰ সপোন বুলি বৰ্ণাইছে।

৫) কাৰণ তেওঁৰ জীৱন সংগিনী মৃত্যু শয্যাত।

৬) নতুনকৈ ফুলা কেতেকী ফুলৰ ৰেণু আনি কুঁৱৰীৰ গাত সানি দিলে কুঁৱৰীৰ বেমাৰ ভাল হ'ব বুলি বেজে উপায় দিছিল।

৭) জাৰকালি কেতেকী ফুল পোৱাটো অসম্ভৱ গুণেই কোঁৱৰৰ মুৰত চক্ৰগ ভাগি পৰিছিল।

৮) কোঁৱৰ কেবাদিনো গৈ নদীৰ পাৰত বহিছিলগৈ।

৯) 'কাইলৈ পুৱা সকলো শেষ' — এই উক্তিটো কোঁৱৰৰ।

১০) 'তই মানুহৰ মনৰ ভাব কি বুজিবি' – এই উক্তিটো কোঁৱৰৰ।

১১) জাৰকালি কেতেকী ফুল ফুলাবলৈ চৰাইজনীয়ে কেতেকী ফুলৰ কাঁইটেৰে নিজৰ বুকুখনি ফুটাই ওৰে ৰাতি গান গোৱাৰ কথা কৈছিল।

১২) কেতেকীৰ নিস্পন্দ দেহটো কোঁৱৰৰ বুকুৰ উমেৰে গৰম কৰি মুখত মুখ লগাই কোঁৱৰৰ ওঁঠৰ উশাহৰ তপত স্পৰ্শ দিয়াৰ কথা কৈছিল।

১৩) কুঁৱলীয়ে ঢকা আন্ধাৰ ৰাতি কোঁৱৰ নদীৰ পাৰলৈ গৈছিল।

১৪) 'মোৰ শেষ, কোঁৱৰ বি – দা – য়' — এই উক্তিটো কেতেকীৰ।

১৫) কেতেকী ফুল ফুলাৰ পিছত কোঁৱৰে ফুলটো কাটি আনি ঘৰমুৱা হৈছিল।

১৬) কেতেকী চৰাইজনী মাটিত পৰাৰ পিছত কেতেকী ফুলজোপা হাউলি পৰি কেতেকীৰ দেহটিক আবৰি ধৰিছিল, বতাহে তলৰ শুকান পাতবোৰ নি তাত গোটাই দিছিল।

১৭) খ, ১৮) খ, ১৯) খ, ২০) খ।

২১) শুদ্ধ, ২২) শুদ্ধ, ২৩) শুদ্ধ, ২৪) অশুদ্ধ, ২৫) শুদ্ধ, ২৬) অশুদ্ধ।

২৭) উলাহৰ, ২৮) মৃত্যু শয্যাত, ২৯) জাৰকালি, ৩০) শেঃ

৩১) বনৰ, ৩২) ফুল, ৩৩) উলাহৰ সোঁত।

| | |
|---|---|
| ৩৪) ক) কাপোৰৰ আগ, | প্ৰকৃত |
| খ) কুৰি লেচা, | বাক্য |
| গ) শুনা ইন্দ্ৰিয়, | দাঁতি |
| ঘ) ধাতুবিশেষ, | বেমাৰ |
| ঙ) এফলীয়াকৈ চোৱা, | পাত্ৰ |
| চ) শোৱা বিচনা, | পাম |
| ছ) এবিধ জন্তু, | দুৰ্গ |
| জ) তপিনা, | ভাষ্য |
| ঝ) ঘৰৰ ওপৰ ভাগ, | বাকলি |
| ঞ) বজাৰ, | মানুহৰ অংগ |

৩৫) ক) অনাটন, খ) প্ৰদান, গ) প্ৰমোদ, ঘ) পচা, ঙ) কণ, চ) ঢোল, ছ) গৰ্জন, জ) ফুকা, ঝ) মুণ্ড, ঞ) চৰিত্ৰ।

## 15.9 অতিৰিক্ত পঠন উপদেশ

আন কথা-কবিতাৰ সৈতে পৰিচয় হ'বলৈ হ'লে তুমি যতীন্দ্ৰনাথ দুৱৰাৰ 'কথা-কবিতা' আৰু ৰঘুনাথ চৌধাৰীৰ 'নৱ-মল্লিকা' পঢ়ি চোৱা প্ৰয়োজন।

---------- × ----------

# সাৰাংশ লিখন (Substance Writing)

16.1 **উদ্দেশ্যাৱলী**

16.2 **এটা ভাষা শিকিবলৈ লাগে-**

(১) সেই ভাষাত আনে কথা কলে সেই কথা শুনি বুজিব পাৰিব লাগিব,
(২) সেই ভাষাত লিখা গদ্য, পদ্য, ৰচনা আদি নিজেও পঢ়ি বুজিব পাৰিব লাগিব,
(৩) সেই ভাষাত নিজৰ মনৰ ভাব প্ৰকাশ কৰিবলৈ লিখিব পাৰিব লাগিব, আৰু
(৪) সেই ভাষাত নিজেও কথা কৈ আনক যি কোনো কথা বুজাব পাৰিব লাগিব।

আনে লিখা কথা, কবিতা বা ৰচনা বুজি সেইবোৰৰ সাৰ কথাখিনি উলিয়াই লিখিব পাৰিলেহে ভাষাটো শিকা বুলি বুজিব পাৰিবা। এই সাৰ কথাখিনি নিজে লিখাটোকে সাৰাংশ লিখন বুলি কোৱা হয়। কেনেকৈ সাৰাংশ লিখিব লাগে তাক বুজিবলৈ হ'লে এটা মানুহে খোৱা বস্তুৰ উদাহৰণ লক্ষ্য কৰা : তুমি নিশ্চয় নিজে পকা কল খাইছা বা আনে খোৱা দেখিছা। কলটো খাওঁতে ওপৰৰ বাকলিটো পেলাই ভিতৰৰ কলটো মানুহে খায় ; এই ভিতৰৰ কলটোৱে কলৰ সাৰাংশ। সেইদৰে কোৱা কথা বা লিখা কথাৰো সাৰভাগ থাকে। মানুহে লিখিলে লিখনি শুৱলা কৰিবলৈ উপমা, পটন্তৰ আদি নানান ভাষাৰ অলংকাৰ ব্যৱহাৰ কৰিব পাৰে— ঠিক মানুহে ভাল দেখিবলৈ পিন্ধা নানা ধৰণৰ পোছাক-পৰিচ্ছদ বা তিৰোতাই পিন্ধা মণি-মুকুতা, অলংকাৰৰ দৰে।

ভাষাৰ উপমা, অলংকাৰ আদি বাদ দিলে সাৰ কথাটো ওলাই পৰে। যিকোনো পাঠ্যৰ লিখনিত এটা মূল ভাব থাকে। সেই মূল ভাব বা কথাটো স্পষ্টকৈ বুজাবলৈ লেখকে আন আন ভাব, উদাহৰণ, উপমা আদি ভাষাৰ অলংকাৰ ব্যৱহাৰ কৰিব পাৰে। সেই উপমা, অলংকাৰ, বা মূলভাবৰ লগত জড়িত তলতীয়া বা লগৰীয়া ভাব বা কথাখিনি চমুকৈ সৰল-সহজ আৰু স্পষ্টকৈ লিখাকে সাৰাংশ লিখন বোলে। মূল লিখনিটোত লেখকে এটা ভাবকে জোৰকৈ বুজাবলৈ পুনঃ পুনঃ একে কথাকেই উল্লেখ কৰিব পাৰে ;সাৰাংশ লিখোঁতে এটা কথাকে এবাৰতকৈ বেছিবাৰ লিখিব নালাগে।

**সাৰাংশ লিখোতে তুমি তলত দিয়া কথা কেইটা মনত ৰাখিবা :**

(১) সাৰাংশ লিখিব দিয়া কথাফাকি বা কবিতাটো সাৱধানে দুই-তিনিবাৰ হ'লেও পঢ়ি মূলভাবটো বুজি ল'বা।

(২) টান টান শব্দৰ অৰ্থ বুজি নাপালেও ভয় কৰাৰ কাৰণ নাই ; সেই শব্দবোৰ বাদ দিলেও কেইটামান সহজ বাক্যত মূল ভাবটো প্ৰকাশ কৰা থাকে; সেই বাক্যকেইটাৰ সহায়ত মূল ভাবটো উদ্ধাৰ কৰিবা।

(৩) কথাফাকি বা কবিতাটোত থকা অতি আৱশ্যকীয় কথা থকা শব্দ, বাক্যাংশ, বাক্যৰ তলত আঁচ দি ল'বা।

(৪) সাৰাংশ লিখা ভাষা সহজ-সৰল আৰু স্পষ্ট কৰিবাই।

(৫) মূল ভাবটো বিকৃত নকৰিবা, আৱশ্যকীয় কথা বাদ নিদিবা, নতুন বিষয় বা কথা যোগ নকৰিবা।

(৬) কোনো কোনো ৰচনাত পৰস্পৰ বিৰোধী উক্তি বা মন্তব্য থকা দেখা যায়; তেনে ক্ষেত্ৰত কথাখিনি দুটা বেলেগ বেলেগ অনুচ্ছেদত প্ৰকাশ কৰিবা।

(৭) মূল ৰচনাত থকা হুবহু তুলি নিদিবা। মূল ৰচনাৰ কেইটামান বাক্য বাদ দি কেইটামান লিখাকে সাৰাংশ লিখা নোবোলে। নিজে সজোৱা বাক্যত সাৰাংশ লিখিবা।

(৮) পৰীক্ষাৰ বহীটোৰ বাওঁফালৰ পাতটোত সাৰাংশটো লিখি নিজে পঢ়ি চাবা; যদি শব্দ বা বাক্য সলনি কৰিবলগীয়া হয়, তাতেই কটাকুটা কৰিবা। তুমি পঢ়ি সন্তুষ্ট হ'লে সেইখিনি সোঁফালৰ পাতটোত সুন্দৰকৈ লিখি বাওঁ ফালৰ আগতে লিখাখিনি কাটি পেলাবা।

তোমাক সহায় কৰাৰ উদ্দেশ্য তলত এটি কবিতা আৰু এফাকি গদ্যৰ সাৰাংশ লিখি দেখুৱা হ'ল :

16.3 (ক) সুখৰ দুখৰ মনেই কাৰণ
মনক কৰিবা থিত;
ত্যাগত লভিবা পৰম সন্তোষ
সাধিবা লোকৰ হিত।
স্বাৰ্থৰ বাটত দুখৰ কাঁইট
খোজে পতি বিন্ধে হুলে
নিস্বাৰ্থৰ বাট সেন্দুৰীয়া আলি
সুগন্ধি কুসুম ফুলে।
যথাৰ্থ নিস্বাৰ্থ ধৰমী জীৱন
বিশ্বপ্ৰেমে ভৰপূৰ,
বিশ্বৰ সকলো ভাই-ভনী তাৰ
সুখৰ নপৰে ওৰ।

-আনন্দচন্দ্ৰ আগৰৱালা

সাৰাংশ

বাহিৰত সুখ নিবিচাৰি, মন স্থিৰ কৰি সুখ অনুভৱ কৰিলে সুখ পোৱা যায়। স্বাৰ্থপূৰ্ণ কাম কৰি সুখ পাবলৈ ইচ্ছা কৰিলে দুখহে পোৱা যায়। বিশ্বৰ সকলো নৰ-নাৰীক নিজৰ ভাই-ভনীৰ দৰে মৰম কৰি, তেওঁলোকৰ হিতৰ কাৰণে নিজৰ স্বাৰ্থ ত্যাগ কৰিলে ধৰ্ম কৰা হয় আৰু এই ধৰ্মীয় জীৱন সদায় সুখেৰে ভৰি থাকে।

৮.৩ (খ) তৰুণ শক্তিৰ গতিতেই জাতিৰ বাহুবল নিহিত আছে। প্ৰাকৃতিক নিয়মৰ বশৱৰ্তী হৈ জান-জুৰিবিলাক যিদৰে ব্ৰহ্মপুত্ৰক বাৰিষা আকৌ মহাবাহু কৰি তোলে, তৰুণ শক্তিৰ স্বাভাৱিক গতিয়েই একোটা জাতিক সেইদৰে বাহুবলী কৰি তোলে। ই সদায় অপ্ৰতিহত গতি নহ'ব পাৰে ; কিন্তু তাৰ বিৰাম যে নাই, সেই কথা স্বত: সিদ্ধ। গছত মৌ-

বাহ এটা পৰিলে, মৌ-বাহ উৰি যাব পাৰে বা তাক ধোঁৱা দি খেদাই দিব পাৰি ; কিন্তু সেইবাহ মৌৰ ৰসখিনি যাব ক'লৈ ? তাৰ সোৱাদ ৰৈ যাবই যাব। জীৱনৰ সৰ্ব্ববিধ সম্পদৰ মৌ একোকণি আহৰণ কৰি একোটা মৌ-চাক তৈয়াৰ ক ৰা হয়। সেয়ে তৰুণ শক্তিৰ নৱৰস। তাতেই তৰুণ শক্তিৰ নতুন অমিয়া আকৌ ৰৈ যায়। এই ৰসাত্মক জীৱনৰ লীলাখেলাৰ মাজেদি একোটা জাতি যুগমীয়া হৈ প্ৰকাশিত হৈ আহিব পাৰিছে। সৃষ্টিৰ চাৰিও দিশে প্ৰাকৃতিক জগতে আমাক সদায় যিবিলাক ইঙ্গিত দি থাকে, তাৰ পৰাই জীৱন-ধাৰা বোলা বস্তুটো হৃদয়ঙ্গম কৰিব পাৰি। এই জীৱন-ধাৰা সদায় ফটিকৰ ধাৰে বোৱাই থব পৰাই জাতীয় ধৰ্ম। এই সঙ্গীত জীৱনৰ প্ৰতি প্ৰভাততেই নতুন সুৰ গাই শুনোৱাটোৱেই জাতীয় চাৰণ তৰুণদলৰ নিত্য কৰ্ম-পদ্ধতি।

**সাৰাংশ :-** বাৰিষা কালত নানান জান-জুৰিৰ পানীয়ে ব্ৰহ্মপুত্ৰক শক্তিশালী কৰাৰ দৰে সময়ে সময়ে তৰুণ-শক্তিৰ কৰ্মপ্ৰেৰণাই শক্তিহীন হৈ যোৱা জাতি একোটা শক্তিশালী কৰি তোলে।

মৌ এবাহে বিভিন্ন ফুলৰ মৌ সংগ্ৰহ কৰি সুমিষ্ট মৌ-চাক গঠন কৰি আনৰ উপভোগৰ বাবে প্ৰস্তুত কৰাৰ দৰে তৰুণ- শক্তিৰ গঠন মূলক কৰ্মৰ ফলেও জাতিটোক মৰ্য্যাদাপূৰ্ণ ভাবে জীয়াই ৰখায়। তৰুণ-শক্তিৰ সৃষ্টিধৰ্মী কৰ্ম জাতি এটা জীয়াই থকাৰ অন্যতম সম্বল।

—০—

# ৰচনা (Essay-writing)

## 17.1 ৰচনা বা প্ৰবন্ধ লিখাৰ ক্ষেত্ৰত কিছুমান মন কৰিবলগীয়া কথা

মানুহ সৌন্দৰ্য্যৰ পূজাৰী। মানুহে নিজকে বা তেওঁ কৰা কামবোৰ ধুনীয়াকৈ সজাই পৰাই কৰিবলৈ ভাল পায়। মনৰ ভিতৰত থকা সৌন্দয্যৰ বহিঃ প্ৰকাশ পায় মানুহৰ সাজ -সজ্জা, প্ৰসাধন ইত্যাদিৰ জৰিয়তে। কিন্তু মনৰ হেপাহ থাকিল বুলিয়ে কোনো নীতি-নিয়ম নমনাকৈ সৌন্দৰ্য্য চৰ্চা কৰিলে কুৎচিত দেখাৰহে সম্ভাৱনা বেছি। ঠিক সেইদৰে মানুহৰ আচাৰ-ব্যৱহাৰ, মাত -কথা আদিতো ৰসাল, শুৱলা তথা সহজ-সৰল হ'লে সেই ব্যক্তিজন জনপ্ৰিয় আৰু আকৰ্ষণীয় হয়। সেয়ে আমাৰ ভাব আৰু ভাষাৰ সামঞ্জস্য থকাতো উচিত। আকৌ ভাব পৰিপাটি হ'লেহে ভাষা নিজেই পৰিপাটি হৈ উঠে ভাব পৰিপাটি হবলৈ হলে বিষয়টোৰ ওপৰত মানুহজনৰ সম্পূৰ্ণ দখল থাকিব লাগিব। অৰ্থাৎ সেই বিষয়টো সম্পৰ্কে আটাইখিনি জনাৰ ফলত মনত গঢ় লৈ উঠে স্পষ্ট ধাৰণা। ভাবৰ দ্বাৰা আমি আমাৰ মনৰ ভাব-চিন্তা, অনুভৱক প্ৰকাশ কৰো। গতিকে মনৰ ভাব প্ৰকাশ কৰিবলৈ যাওঁতে যিবোৰ শব্দ বা বাক্যাংশ উচ্চাৰিত হয় তাকে ভাষা বোলে। ভাষাৰ কাম হৈছে আনে কোৱা বা লিখা কথা ভালদৰে বুজিবলৈ আৰু নিজৰ ভাবৰাশিক সম্পূৰ্ণ আৰু স্পষ্টৰীতিৰে লিখা আৰু প্ৰকাশ কৰা। ইয়াৰ লগতে এই কথাটোও মন কৰিব লাগে যিমানখিনি কোৱা বা লিখা আৱশ্যক সিমানখিনিহে লিখিব বা ক'ব লাগে। ভাষাৰ দুটা দিশ আছে -

(১) আগৰ কথাখিনি শুনি বা পঢ়ি তাৰ সাৰমৰ্ম গ্ৰহণ কৰা।

(২) সুন্দৰ, শুদ্ধ আৰু প্ৰণালীবদ্ধ ভাৱে নিজৰ মনৰ ভাব ভাষাৰ দ্বাৰা প্ৰকাশ কৰা ।

- এই শেষৰ বিধকে ৰচনা বা প্ৰবন্ধ বুলিব পাৰি। ৰচনা আৰু প্ৰবন্ধ দুয়োটাকে সমাৰ্থক বা একে হিচাপে ধৰি ল'ব পাৰি। ৰচনা শব্দৰ অৰ্থ হ'ল নিৰ্মাণ কৰা। ইয়াক ইংৰাজীত Essay বুলি কোৱা হয়।Essay শব্দৰ অৰ্থ হ'ল প্ৰয়াস বা প্ৰচেষ্টা। ৰচনাৰ মূল উদ্দেশ্য হৈছে নিজৰ মনৰ উদ্‌গৰিত হোৱা ভাবৰাশি ভালদৰে সজাই - পৰাই প্ৰকাশ কৰিবৰ কাৰণে শিক্ষাৰ্থীক উপযোগী কৰি তোলা। আকৌ প্ৰত্যেক ব্যক্তিৰ ভাব-অনুভূতি আদিৰ ভিন্নতা দেখা যায়। গতিকে বিভিন্ন লোকৰ ভাব চিন্তা আদি ভিন ভিন, গতিকে ৰচনাভঙ্গীও ভিন্ন ভিন্ন হোৱা পৰিলক্ষিত হয় আৰু এনেদৰেই গঢ় লয় লিখাৰ স্বকীয় ৰীতি বা ষ্টাইল।

17.2 ৰচনা, সাহিত্যৰ এটি বিশেষ বিভাগ। ৰচনা এখন যুগুতাবলৈ যাওঁতে লক্ষ্য ৰাখিব লাগিব--

(১) উপস্থাপন, (২) ভাব আৰু ভাষাৰ সুসংযোজন (৩) যুক্তি-যুক্ততা প্ৰদৰ্শন (৪) মতবাদ স্থাপন(৫) উৎখাপিত মতবাদৰ ওপৰত মন্তব্য প্ৰদান (৬) সহজ-সৰল, শুদ্ধ শুৱলা ভাষাৰ প্ৰয়োগ।

ৰচনাৰ বিষয়বস্তুৰ পৰিসৰ বহল আৰু ব্যাপক। সেয়ে সুবিধাৰ বাবে ৰচনাক সাধাৰণতে তিনিটা ভাগত ভাগ কৰা হয়।

(ক) বৃত্তান্তমূলক ঃ ভ্ৰমণ কাহিনী, মহৎলোকৰ জীৱনী, বিখ্যাত ঘটনা, পৌৰাণিক কাহিনী ইত্যাদি বৃত্তান্তমূলক হিচাপে বিবেচনা কৰিব পাৰি।

(খ) বৰ্ণনামূলক ঃ প্ৰাণী, উদ্ভিদ, স্থান, কাল, প্ৰকৃতি, শিল্প-বিজ্ঞান আদি বিষয়সমূহ বৰ্ণনামূলক হিচাপে বিবেচনা কৰিব পাৰি।

(গ) চিন্তামূলক ঃ নীতি বিষয়ক যেনে- অৰ্থনীতি, সমাজনীতি, শিক্ষানীতি, ৰাজনীতি ইত্যাদি, গুণ-বিষয়ক, সমালোচনা মূলক আদি ৰচনাসমূহ চিন্তামূলক হিচাপে বিবেচনা কৰা হয়। ইয়াত ৰচকৰ জ্ঞান, অধ্যয়ন পুষ্টতা, প্ৰতিভা আদি প্ৰকাশ পায়।

তোমালোকৰ সুবিধাৰ কাৰণে সহজে বুজিব পৰাকৈ বিভিন্ন শ্ৰেণীৰ ৰচনা লিখাৰ কিছু ধাৰণা দিবলৈ প্ৰয়াস কৰা হ'ল।

(ক) বৃত্তান্ত বা বিবৃতি মূলক ৰচনাৰ ভিতৰত পৰা পৌৰাণিক বা বুৰঞ্জীমূলক ঘটনাৰ ক্ষেত্ৰত আৰম্ভণি, ঘটনাৰ সময় আৰু ঘটনাৰ সবিশেষ ফলাফল আৰু শেষত মন্তব্যৰ দৰকাৰ। তেনেদৰে ভ্ৰমণমূলক ৰচনাত আৰম্ভণি, ভ্ৰমণৰ উদ্দেশ্য, গন্তব্যস্থান আৰু ভ্ৰমণৰ বিৱৰণ, ভ্ৰমণৰ পোৱা লাভালাভ, অভিজ্ঞতা আৰু শেষত মন্তব্য। জীৱন চৰিত্ৰ জাতীয় ৰচনাত আৰম্ভণি, জন্ম লগতে বংশ পৰিচয়, বাল্য কালৰ ঘটনা,শিক্ষা জীৱন, কৰ্মজীৱন, চৰিত্ৰ-মৃত্যু, কাৰ্য্যাবিলী, লাভ কৰা আদৰ্শ আৰু শেষত মন্তব্যৰ প্ৰয়োজন। উৎসৱ, পূজা-পাৰ্বন সম্পৰ্কীয় ৰচনাত আৰম্ভণি, উপলক্ষ্য, সময়, বিৱৰন, জন-জীৱনত প্ৰভাৱ আৰু মন্তব্যৰ দৰকাৰ।

(খ) বৰ্ণনামূলক ৰচনাসমূহ যদি প্ৰাণী, পদাৰ্থ, বা উদ্ভিদ জাতীয় হয় তেনেহ'লে এনে ৰচনাসমূহত আৰম্ভণি, জাতি, আকৃতি, প্ৰকৃতি, শ্ৰেণী বিভাগ, অপকাৰ-উপকাৰিতা আৰু সামৰণিত নিজস্ব মন্তব্য থকাটো অতি প্ৰয়োজন। শিল্প বিজ্ঞান বিষয়ক ৰচনাত আৰম্ভণি, প্ৰাপ্তিস্থান, ঐতিহ্য, মানৱ সমাজৰ ওপৰত ইয়াৰ ভাল-বেয়া প্ৰভাৱ আৰু শেষত মন্তব্যৰ প্ৰয়োজন। স্থান বিষয়ক ৰচনাত আৰম্ভণি, ভৌগোলিক অৱস্থিতি, বিৱৰণ, ঐতিহাসিক ঐতিহ্য, জনসংখ্যা, যাতায়াত ব্যৱস্থা, সামাজিক-সাংস্কৃতিক জীৱন, শিক্ষা-দীক্ষা, জনস্বাস্থ্য আদি ভাগসমূহ সামৰি লৈ শেষত নিজৰ মন্তব্য প্ৰদান।

(গ) চিন্তামূলক ৰচনাত আৰম্ভণি, প্ৰয়োজন অনুসৰি সংজ্ঞা আৰু তাৰ বাখ্যা , বিষটোৰ বা তথ্যৰ বাখ্য, যদি কোনো উদাহৰণ দিব খোজা হয় জাতৰ চমু উল্লেখ, আলোচনা হোৱাৰ পিচত উপনীত হোৱা মতবাদ জীৱনৰ লগত হোৱা সংহতি আৰু শেষত মন্তব্য।

17.3 ৰচনা লিখনৰ সময়ত ওপৰত উল্লেখ কৰা দিশ কেইটা জনাৰ উপৰিও শিক্ষাৰ্থীয়ে কেইটামান কথা লক্ষ্য কৰিব লাগে——

(১) বিষয় বস্তুৰ জ্ঞান ঃ তোমালোকক ৰচনা লিখিবলৈ দিয়াৰ প্ৰধান উদ্দেশ্য হ'ল— পৰ্য্যবেক্ষণ, অনুসন্ধিৎসা আৰু চিন্তাশক্তিৰ উৎকৰ্ষ সাধন কৰা। সেয়ে তেওঁৰ বিষয় বস্তুৰ সম্পৰ্কে বিশদ জ্ঞান থকাটো প্ৰয়োজন। তাৰবাবে পাঠ্যপুথিৰ জ্ঞান থকাৰ উপৰিও বিভিন্ন আলোচনী, নানা ধৰণৰ কিতাপ পত্ৰ আদি অধ্যয়ন কৰাৰ অভ্যাস থাকিব লাগিব। অধ্যয়নপুষ্ট অৰ্থাৎ বিষয় বস্তুৰ ওপৰত জ্ঞান থাকিলেও সংযত চিন্তা আৰু প্ৰকাশ ভঙ্গীৰ অভাৱত ৰচনা বা প্ৰবন্ধ লিখাও টান কাম। সেয়ে বিষয় বস্তুৰ প্ৰাথমিক জ্ঞানখিনিৰ আধাৰত পৰিকল্পিতভাৱে চিন্তা কৰি মনৰ মাজতে সজাই-পৰাই লৈ একাদিক্ৰমে ৰচনা লিখন আৰম্ভ কৰিব লাগে। তেতিয়া ভাব আৰু ভাষাৰ আউল নালাগে। ৰচনা যিহেতু সদায় ব্যাখ্যামূলক, গতিকে ইয়াত লিখিবলগীয়া কথাও বহুতো থাকে। গতিকে সকলোখিনি কথা একেদৰে নিলিখি দফা বা পেৰাগ্ৰাফত বিভক্ত কৰি লিখিলে লিখনি শৃঙ্খলাবদ্ধ হ'ব। এটা দফাত এটা বক্তব্য ৰাখিবলৈ যত্ন কৰিব লাগে। এইদৰে শৃঙ্খলাবদ্ধভাৱে ৰচনা লিখনৰ অভ্যাস কৰোঁতে পৰিপাটি আৰু প্ৰণালীবদ্ধ চিন্তা কৰাৰ অভ্যাস গঢ় লৈ উঠে। ভাব পৰিপাটি হ'লে-ভাষা নিজেই পৰিপাটি হবলৈ বাধ্য হয়। আকৌ ভাব তেতিয়াহে পৰিপাটি হয় যেতিয়া বিষয়বস্তু সম্পৰ্কে ধাৰণা বা জ্ঞান স্পষ্ট ভাৱে গঢ় লৈ উঠে।

(২) আৰম্ভণি, আলোচনা, সামৰণি ঃ ৰচনাৰ প্ৰধানকৈ তিনিটা ভাগ থাকে। প্ৰথমতে আৰম্ভণি, মাজৰছোৱা আলোচনা আৰু পৰিশেষত সামৰণি। আলোচনাৰ ভাগটোত বক্তব্য বিষয় বস্তুৰ সৰু সৰু ভাগ কৰি দফা বা পেৰাগ্ৰাফত লিখব লাগে। গুৰুত্বপূৰ্ণ দিশ হ'ল- ৰচনাৰ আৰম্ভণি আৰু সামৰণি সদায় আকৰ্ষণীয় হ'ব লাগে। পাৰিলে প্ৰথম দফাত প্ৰথমতে কৌতুহল জগাব পাৰিলে অধিক মনোগ্ৰাহী হয়। দীঘলীয়া আৰম্ভণি পৰীক্ষকৰ বাবে আমনিদায়ক হ'ব পাৰে। সেয়ে চুটি , অৰ্থপূৰ্ণ বাক্যৰে বিষয়টিৰ সূত্ৰ বা পৰিচয় নাইবা বিষয়ৰ প্ৰাসংগিকতা আদিৰে পাতনি আৰম্ভ কৰিব পাৰি।

আৰম্ভণি চমকপ্ৰদ হ'লে যিদৰে ফলপ্ৰসু সেইদৰে সামৰণি দফাত চুটি আৰু নিজস্ব মন্তব্যৰ মোখনি মৰাটো উচিত। সামৰণি সদায় আশাপ্ৰদ আৰু শুভ ইংগিতেৰে হোৱাটো বাঞ্ছনীয়।

(৩) আলোচিত বিষয় বস্তুৰ বিতৰ্ক মূলক কথাৰ উপস্থাপন কৰিব লগা হ'লে কেউটা দিশৰে ভাল বেয়া দিশবোৰ নিৰপেক্ষ ভাৱে আলোচনা কৰিব লাগে।

(৪) ৰচনা লিখোতে বিষয়বস্তুৰ লগত সংগতি থকা কোনো আখ্যান বা উদ্ধৃতি দিব পাৰি, কিন্তু ভুল উদ্ধৃতিয়ে পৰীক্ষকৰ মনোভাৱ নষ্টহে কৰে। সেইবোৰ শুদ্ধ আৰু চমুকৈ উল্লেখ কৰিব লাগে।

(৫) একেটা কথাকে লিখি থাকি ৰচনা দীঘল কৰিলে নম্বৰ পোৱাৰ আশা ক্ষীণ। অপ্ৰয়োজনীয় দীৰ্ঘতা দোষৰ কথা । পৰীক্ষকে ৰচনাৰ দীৰ্ঘতাৰ ওপৰত নম্বৰ নিদিয়ে। বিষয় বস্তুৰ প্ৰয়োজনীয় দীৰ্ঘতাৰ ওপৰতহে পৰীক্ষকৰ দৃষ্টি ।

( ৬) ৰচনা মূলতঃ সাহিত্য; সেয়ে ই সুশ্ৰাব্য আৰু আকৰ্ষণীয় আৰু মনোগ্ৰাহী হোৱাটো অতি প্ৰয়োজন।

(৭) বিষয় বস্তুৰ জ্ঞান নাথাকিলে যিদৰে ৰচনা লিখিব নোৱাৰি, ঠিক সেইদৰে লিখকৰ অভ্যাস নাথাকিলে সুন্দৰ ৰচনা আশা কৰিব নোৱাৰি। সেয়ে বিভিন্ন লিখকৰ লিখনি বা লিখন ৰীতি আদিও বিচাৰ কৰি চাব লাগে আৰু অনুসৰণো কৰিব পাৰিলে ভাল।

(৮) যথোপযুক্ত শব্দচয়ন, শুদ্ধ বাক্য গাথঁনি, বানান আদিয়ে সাৰ্থক ৰচনা হোৱাত সহায় কৰে। বানান ভুল হ'লে নম্বৰ কটা যায়। অৰ্থ নজনাকৈ যিকোনো শব্দ ব্যৱহাৰ নকৰাই ভাল।

(৯) ৰচনা লিখি উঠাৰ পাচত গোটেইখন ৰছনা এবাৰ পঢ়ি চাব লাগে। তেনে কৰিলে ভুল হোৱাৰ পৰা হাত সাৰিব পাৰি।

(১০) কেতিয়াবা পৰীক্ষাত নজনা বিষয়ৰ ওপৰতো ৰচনা হিচাপে দিব পাৰে। তেতিয়া হতাশ বা বিচলিত নহৈ কিছুপৰ সুস্থ ভাৱে চিন্তা কৰিলে কিবা নহয় কিবা এটা লিখিব পৰা যায়। তাকে বুদ্ধি খটুৱাই পৰিপাটিকৈ লিখিলেও কামত আহিব।

ইয়াৰ উপৰি ৰচনাবোৰ গোটেই পঢ়ি থৈ দিব লাগে। কিন্তু তাৰে ভিতৰত কেইখনমান বিশেষ ভাৱে পঢ়িব লাগে. লগতে পৰিষ্কাৰ আখৰ, খণ্ডবাক্য আদি সুপ্ৰয়োগ কৰিব পাৰিলে ভাল।

উদাহৰণ হিচাপে তোমালোকৰ পাঠ্যক্ৰমত কেবাখনো মহৎ লোকৰ জীৱনী, জীৱ-জন্তুৰ বিষয়ে, বিজ্ঞান ভিত্তিক আদি প্ৰবন্ধ দিয়া হৈছে। তদুপৰি তোমালোকে ৰচনা কিতাপ আদি সংগ্ৰহ কৰি পঢ়িব পাৰা।

—o—

## FUNDAMENTAL DUTIES

***Part IV A (Article 51 A)***

It shall be the duty of every citizen of India -

(a) to abide by the Constitution and respect its ideals and institutions, the National Flag and the National Anthem;

(b) to cherish and follow the noble ideals which inspired our national struggle for freedom

(c) to uphold and protect the sovereignty, unity and integrity of India;

(d) to defend the country and render national service when called upon to do so;

(e) to promote harmony and the spirit of common brotherhood amongst all the people of India transcending religious, linguistic and regional or sectional diversities; to renounce practices derogatory to the dignity of women;

(f) to value and preserve the rich heritage of our composite culture;

(g) to protect and improve the natural environment including forests, lakes, rivers and wild life, and to have compassion for living creatures;

(h) to develop the scientific tempre, humanism and the spirit of inquiry and reform;

(i) to safeguard public property and to abjure violence;

(j) to strive towards excellence in all spheres of individual and collective activity so that the nation constantly rises to higher levels of endeavour and achievement.

## A brief Guide to NIOS web site

The success of open learning and distance education very much depends upon the harnessing of the new and latest technology. The emerging Internet and Web technology help in effective dissemination of knowledge breaking all geographical boundaries. The web-site is a dynamic source of latest information and is also electronic information guide. The contents in the **NIOS** web site are open to all.

The learners can have an access to NIOS web-site at the following address:

### http:/www.nios.org

Clicking this site address will bring the user to NIOS Home Page that will further guide them to visit different information pages of **NIOS**. NIOS is also developing a school network through Internet known as **Indian Open Schooling Network (IOSN)**. The network will provide a common communication platform for learners and educators. NIOS is offering **Certificate in Computer Application (CCA)** through selected AVI. This course is also offered through Internet on NIOS Web-Site.

**NOT FOR SALE**